REFERENCE
Not to be lent out

সোণামুৰাৰ সদৰামীন

স্বৰ্গীয় হৰকান্ত শৰ্ম্মা মজুমদাৰ বৰুৱাৰ
লিখিত আত্মজীৱনী

সদৰামীনৰ আত্মজীৱনী

SADR-AMI-NOR-ATMA-JI-BA-NI

(অসম প্রকাশন বোর্ডৰ অর্থ সাহায্যেৰে)

শ্রীকুমুদচন্দ্র বৰদলৈ বি. এ. বি. টি.

অসম চৰকাৰৰ ইংৰাজী উচ্চ বিদ্যালয়ৰ অৱসৰপ্রাপ্ত প্রধান শিক্ষক,
প্রাক্তন স্কাউট মাষ্টাৰ, জুনিয়ৰ ৰেড্ ক্রশ কাউন্সেলৰ
ইত্যাদি, ইত্যাদি দ্বাৰা সম্পাদিত—প্রকাশিত।

STATE CENTRAL LIBRARY
ASSAM
Cl No.

প্রকাশক :
শ্রীকুমুদচন্দ্র বরদলৈ বি·টি,
পোঃ উত্তর গুয়াহাটী,
অসম।

প্রথম সংস্করণ :
১৯৬০ চন, চেপ্তেম্বর

মুদ্রক :
শ্রীকালীচরণ পাল
নবজীবন প্রেস
৬৬ গ্রে ষ্ট্রীট, কলিকতা-৬

উছর্গা

বৈকুণ্ঠগত শ্রীশ্রীকুশদেৱ
গোস্বামী
আউনীআটীয় সত্রাধিকাৰ
প্রভুৰ
পৱিত্র নামত,
"সদৱামীনৰ আত্মজীৱনী"
—লিখক—
সোণামুৱাৰ সদৱামীন,
স্বর্গীয় হৰকান্ত শর্ম্মা মজুন্দাৰ বৰুৱা,
শৰণাগত শিষ্যৰ—
অন্তৰৰ ভাৱ লৈ
শ্রদ্ধা'ৰে—
শ্রীকুমুদচন্দ্র বৰদলৈৰ
দ্বাৰা
অর্পিত হ'ল।

ইতি—

উত্তৰ গুৱাহাটী,
১৯৬০ খৃঃ

শ্রীকুমুদচন্দ্র বৰদলৈ

FOREWORD

BY DR. SURYYA KUMAR BHUYAN, LATE M.P ; M.A. B.L. (CAL) ; PH.D. (LOND) ; D.LIT (LOND) ; LATELY VICE-CHANCELLOR, GAUHATI UNIVERSITY.

As the title implies, *Sadar-aminar Atmajivani is an autobiography* in Assamese written by Harakanta Sarma Barua Sadar-amin. Born in the year 1815, Harakanta first joined service under the East India Company in 1835 as a copyist in the Collector's office at Gauhati on rupees twenty a month. By dint of his industry, loyalty and high integrity he rose to be a Deputy Collector on a pay of rupees four hundred a month. He retired from Government service about the year 1877, and died at North Gauhati in the early years of the present century. His profound learning, and his intimate knowledge of Assam history and current affairs, and his spirit of public service and helpfullness endeared him to all who came in contact with him, and created a halo of veneration and eminence round his name which is remembered till this day.

"Harakanta", as we had said before, "was a spectator of the last phase of Ahom supremacy as well as of the foundation and consolidation of British power in Assam. Before his eyes the fair valley of the Brahmaputra was devastated by the blood-thirsty hordes of Mingimaha Bandula. The invaders were ousted by the powerful hand of the British, and a peaceful state of affairs was established in the country through the administrative genius of David Scott and Major-General Francis Jenkins. The administration of India was transferred from the hands of the East India Company to the Crown, and Assam long tagged on to Bengal, was ultimately placed under the control of a Chief Commissioner. Harakanta saw all these changes. He came in contact with men of the older regime as well as of the new, and was thus a most competent authority

on the order which had passed away and the one which had come as a sequel".*

Harakanta was a descendant of the famous Sonamua Daivajna family several members of which had held the office of Majindar Barua under the Ahom sovereigns. The office was equivalent to the king's private secretary and lord chamberlain. The Majindar Barua was the usual intermediary between the Swargadeo and the Dangarias or cabinet ministers, and he had to supervise the reception of diplomatic visitors to the Ahom court, and arrange for the despatch of epistles and presents to foreign powers. As such the office was conferred on men of great ability and judgement. Harakanta inherited from his ancestors their intelligence, their acquisitive spirit, nad their capacity for successful handling of individuals and affairs.

The autobiography of such a man of distinction, experience and learning is bound to be a highly revealing document. He has recorded here all the important events occurring in his family,—births, marriages and deaths, and has also made references to similar events in respect of his acquaintances far and near. The autobiographer's introductory chapter provides a general summary of the events connected with the Burmese invasions of Assam and the vicissitudes of the author's family who had taken shelter in Bengal to escape from the confusion and anarchy then prevailing in Assam. The autobiography is in the form of a year-to-year diary, starting from 1834-35 and ending in 1889-90. He prefaces each year's account with the names of the British officers in charge of Assam and Kamrup by which process he maintains the accuracy of his narrative. The he goes on to indicate, date by date, the events in his family, and the important fiscal and judicial measures introduced by the new administrators, in the implementation of which he himself played an important part. He has also recorded the details of his contacts with such notable personages as General Jenkins, A. J. Moffatt Mills, Ghanakanta Singha Juvaraj, Kesabkanta Singha Juvaraj, Kandarpeswar Singha, Baloram Phukan and Dinonath Bezbarua, and gives a short account of the repercussions of the Sepoy Mutiny in Assam. He even records the death of the great Sanskrit scholar Anundoram Borooah in Calcutta on Magh 7, 1810 *saka*, January 19, 1889 A. D.

* *Assam Buranji* by Harakanta Barua Sadar-amin, edited by S K. Bhuyan, D. H. A. S., Gauhati, 1930, *Preface*, pp. ii-iii.

Harakanta Barua's autobiography thus serves the purpose of a realistic and intimate history of Assam of the nineteenth century, and future scholars will have to turn to it again and again when they take up the work of compiling a critical and scientific reconstruction of the period.

It was also said on a previous occasion, —"I would ask my countrymen to imagine the happiness they would have derived by a perusal of the autobiographies of Kumar Bhaskaravarman, Momaitamuli Barbarua, Purnananda Buragohain and Maniram Dewan if these luminaries had condescended to bequeath such records to posterity" ** Now, we have before us the diary and autobiography of Harakanta Barua, an eminent Assamese scholar and observer, patriot and man of affairs, who like the famous Samuel Pepys, has transmitted for the enlightenment of the future ages all that is significant in a momentous period of his country's history which witnessed the changing of the old order and its yielding place to the new.

The book has been edited with enthusiasm and devotion by Sriman Kumud Chandra Bardoloi, great-grandson of Harakanta Barua. He obtained the manuscript from his uncle the late Srijut Bidyakanta Barua. The latter's son the late Sriman Pramod Kanta Barua had made over to me the manuscript of Harakanta Barua's *Assam Buranji* or a history of Assam, which was published in 1930 by the Assam Government Department of Historical and Antiquarian Studies. A brief account of the Sonamua Daivajna family, compiled by Harakanta Barua, has been inserted at the end of his *Assam Buranji*.

The editor Sriman Kumud Chandra Bardoloi has taken great pains in bringing out this autobiography of his distinguished ancestor. He has prefixed a short sketch of Harakanta Baruas's life compiled with the help of the information gathered from the autobiography and obtained from the surviving members of the family. The glossary of official terms and exhaustive index compiled by the editor have added to the value of the publication.

Lastly, we hope that a critical and exhaustive biography of Harakanta Barua will soon be compiled. The present book will no

** S. K Bhuyan, *Studies in the Literature of Assam*, Lawyers' Book Stall, Gauhati, 1956, p. 121.

doubt serve as the basic material which will have to be replenished by information derived from other sources. And, for this work the present editor Sriman Kumud Chandra Bardoloi appears to be the best equipped.

Company Bagan Road,
Gauhati, Assam.
The 18th December 1960.

SURYYA KUMAR BHUYAN

The undersigned is grateful to Dr. Bhuyan for the "Foreword" to SADARAMINAR ATMAJIBANI which he has so kindly written at the expense of his very valuable time.

North Gauhati, Assam
18-12-60

KUMUD CHANDRA BARDALOI
Editor and Publisher

SADARAMINAR ATMAJIBANI

to be had of—

(1) SRI KUMUD CHANDRA BARDALOI B.A., B.T.
P. O. & T. O. NORTH GAUHATI, ASSAM
(2) LAWYER'S BOOK STALL, GAUHATI, ASSAM
(3) PUBLICATION BOARD, ASSAM, GAUHATI, ASSAM

ভূমিকা

ঊনবিংশ শতিকাৰ দ্বিতীয়ার্দ্ধৰ অসমৰ এজন বিখ্যাত পুৰুষ সদৰ আমীন হৰকান্ত মজুন্দাৰ বৰুৱাই লিখি থৈ যোৱা আত্মজীৱনীখন তেখেতৰ মৃত্যুৰ প্ৰায় তিনি কুৰি বছৰৰ পিছত প্ৰকাশন পৰিষদৰ অৰ্থ-সাহায্যত প্ৰকাশ হৈছে। সদৰ আমীনৰ আজু নাতিয়েক শ্ৰীকুমুদচন্দ্ৰ বৰদলৈ দেৱে অশেষ পৰিশ্ৰম কৰি এই আত্মজীৱনীখন সম্পাদন কৰি উলিয়াইছে।

অসমীয়া ভাষাত লেখত লৰ পৰা জীৱনী সাহিত্যৰ সংখ্যা তাকৰ, আত্মজীৱনীৰ সংখ্যা তাতোকৈ কম। একোজনা কৃতীপুৰুষৰ আত্মজীৱনী তেওঁৰ সময়ৰ সমাজৰ মানদণ্ডস্বৰূপ, ভাৱ-চিন্তা, ৰীতি-নীতিৰ মূৰ্ত্তিমান আলেখ্যৰ নিচিনা। মুঠতে নিজক কেন্দ্ৰ কৰি বা উপলক্ষ্যৰূপে লৈ আত্মজীৱনী লিখোঁতেই সমসাময়িক ৰাজনীতি, অৰ্থনীতি, শিক্ষা-দীক্ষা, সামাজিক সবলতা-দুৰ্ব্বলতাৰ একোটা মন্ময়াত্মক বিশ্লেষণ দাঙি ধৰিবৰ চেষ্টা কৰে। তন্ময়াত্মক বৰ্ণনা আৰু বিশ্লেষণতকৈ এনেধৰণৰ আলোচনা আৰু বিশ্লেষণ অধিক মনোগ্ৰাহী, অন্তৰঙ্গ আৰু নিৰ্ভৰযোগ্য। সেই গুণে একোজনা পুৰুষৰ একোখন সুলিখিত আত্মজীৱনীয়ে চিন্তাৰাজ্যত যুগান্তৰৰ সৃষ্টি কৰি কালজয়ী হৈ থাকে। সদৰ আমীনৰ আত্মজীৱনীখনৰ-পৰাও সেই সময়ৰ শাসন ব্যৱস্থা আৰু সামাজিক ৰীতি-নীতিৰ লগতে ভাষাৰ গঢ়ৰো কিছু সন্ধেদ পোৱা যাব। ইয়াৰ আগতে প্ৰকাশ হোৱা সদৰ আমীনৰ অসম বুৰঞ্জীখনেও অনেক বিষয় পোহৰলৈ আনিছে।

আত্মজীৱনীত সদৰ আমীনে জন্মৰপৰা (১৮১৫ খৃঃ) ১৮৮৯ খৃষ্টাব্দলৈকে এটা বিৱৰণ দিছে। আত্মজীৱনীখন সম্ভৱ চৰকাৰি চাকৰিৰপৰা অৱসৰ লোৱাৰ পিছত লিখিছিল আৰু পিছত বছৰি বছৰি যোগ কৰি গৈছিল। প্ৰথম জীৱনৰ কথাখিনি সুৱঁৰি লিখা আৰু চাকৰি জীৱনৰ কথাখিনি দিনলিপিৰপৰা লিখা বুলি অনুমান কৰিব পাৰি।

প্ৰথমৰ এছোৱা বাদ দিলে বাকী গোটেইখন আত্মজীৱনী বৰ্ষলিপিৰ আৰ্হিত লিখা। সদৰ আমীনে একো বছৰৰ ঘটনা এনেকৈ আৰম্ভ কৰিছে—"অতঃপৰ ১৭৫৬ শক ও বাঙ্গালা ১২৪১ সন প্ৰৱেশ হ'ল,

ও ইংৰেজী ১৮৩৪।৩৫ সন হ'ল। জিনিকিঞ্চন কমিচনৰ ও বগল সাহেব কলেক্টৰ আছিল।"

সদৰ আমীনৰ জন্ম হয় ১৮১৫ খৃষ্টাব্দত উজনিৰ যোৰহাটত। স্বাধীন অসমৰ শেষ ৰাজধানীত জন্মগ্রহণ কৰিলেও সদৰ আমীনে স্বাধীনতাৰ ৰা-বতাহ বেছি দিন উপভোগ কৰিবলৈ নাপালে। অন্যান্য বহুত সম্ভ্রান্ত অসমীয়া লোকৰ লগতে হৰকান্তৰ পিতৃ ৰাধাকান্ত পলাই গৈ বঙ্গপুৰৰ চিলামাৰিত আশ্রয় লৈ থাকে আৰু ইংৰাজে দেশ লোৱাৰ পিছত ঘূৰি আহি হাজোত থিতাপি লয়। এই ছোৱা কালতে হৰকান্তৰ বাল্য আৰু কৈশোৰ অতিবাহিত হয়। তাৰ পিছতহে উত্তৰ গুৱাহাটীলৈ আহি বসতি কৰে।

বৃটিছ ৰাজত্বৰ আৰম্ভণিতে ১৮৩৬ খৃষ্টাব্দত গুৱাহাটীৰ কাছাৰীত নকল-নবিচৰূপে কামত সোমাই চল্লিশ বছৰ বিভিন্ন ঠাইত বিভিন্ন দায়িত্ব বহন কৰি ১৮৭৬ খৃঃত সদৰ আমীনে ডেপুটি ম্যাজিষ্ট্রেট্ পদৰপৰা অৱসৰ লয়। তেখেতৰ দীঘলীয়া কৰ্ম্মজীৱনত, সদৰ আমীনে ইংৰাজ ৰাজত্বই দকৈ শিপা মেলাৰ প্রত্যক্ষ অভিজ্ঞতা লাভ কৰিছিল ; সেই অভিজ্ঞতাৰ চিন আত্মজীৱনীত আছে।

তেওঁ এফালে যেনেকৈ বিশ্বস্ত চৰকাৰী কৰ্ম্মচাৰী আছিল, আনহাতে যুৱৰাজ ঘনকান্তৰো অনুৰক্ত আছিল। সেইবাবে তেওঁ যুৱৰাজৰ পত্নী পদ্মৰেখাৰ সৈতে কমিচনৰ জেনকিঞ্চন চাহাবৰ মেমৰ দেখা-সাক্ষাতৰ আয়োজনৰ দ্বাৰা যুৱৰাজৰ প্রতি ইংৰাজ চৰকাৰৰ সহানুভূতি লাভৰ চেষ্টা কৰিছিল। দেখা-সাক্ষাতৰ আয়োজন আৰু বিৱৰণ উল্লেখযোগ্য।

সেইদৰে লেঃ গৱর্ণৰৰ গুৱাহাটীৰ সভাৰ আৰু শিৱসাগৰৰ সভাৰ বিৱৰণো সামাজিক ৰীতি-নীতিৰ ফালৰপৰা উল্লেখযোগ্য।

সদৰ আমীন হৰকান্ত মজুন্দাৰ বৰুৱাৰ আত্মজীৱনী খনে বহুত নজনা আৰু পাহৰি যাবলৈ ধৰা কথা সোঁৱৰাই দিব বুলি আশা কৰোঁ।

১৪ নবেম্বৰ ১৯১০
গুৱাহাটী

শ্রীবিশ্বনাৰায়ণ শাস্ত্রী
সচিব, প্রকাশন পৰিষদ

সদৰামীনৰ আত্মজীৱনী

পাতনি

মোৰ স্বৰ্গগতা মাতৃ ইন্দুমতী দেবীৰ মুখে তেখেতৰ পিতৃ সম্বন্ধে „মুৰদেউতাক" স্বৰ্গীয় হৰকান্ত শৰ্ম্মা সোণামুৰা মজুন্দাৰ বৰুৱা সদৰামীনৰ বিষয়ে শুনি শুনি, আৰু সদৰামীনে কেইবাখনো নিজে লিখা পুথি এৰি থৈ যোৱা বুলি ৺মাতৃৰে কোৱাত, সদৰামীনৰ প্ৰতি শ্ৰদ্ধা বঢ়াৰ লগে লগে, তেখেতৰ পুথি সংগ্ৰহ কৰিবলৈ মোৰ আগ্ৰহ হয়। মোৰ আগ্ৰহৰ কথা শুনিয়েই বোধকৰোঁ, মোক এজন আপোন লোকে, সদৰামীনৰ আত্মজীৱনী বিষয়ক দুখনি হাতে লিখা পুথি দিয়ে। এখনি সৰু, আনখনি ডাঙৰ। ডাঙৰখনিকে, সৰুখনিৰ পৰা আৱশ্যক মতে কেইটামান পাত লৈ, সম্পাদিত কৰি 'সদৰামীনৰ আত্মজীৱনী' নামে প্ৰকাশিত কৰা হ'ল। সৰুখনি জেপৰ টোকা বহীৰ সমান। পৃষ্ঠা সংখ্যা ১ৰ পৰা ১০৪ লৈ আছে। ১৭৩৭ শকত ৺হৰকান্ত বৰুৱাৰ জন্মৰ পৰা মহাৰাণী ভিক্টোৰিয়াৰ পুত্ৰ ১৭৯৮ শকত কলিকতালৈ অহা আৰু সেই শকৰে ১৫ পুহত আউনীআটীয়ৈ ৺শ্ৰীশ্ৰীধৰ্ম্মেশ্বৰ ডেকা অধিকাৰ গোস্বামী, গুৱাহাটী অশ্বক্ৰান্তৰ পৰা গয়া তীৰ্থ অভিমুখে যোৱালৈকে আছে। আখৰ কঁপা, অস্থিৰ হাতৰ আৰু অস্পষ্ট। ডাঙৰ খনিৰ আখৰ, স্পষ্ট, সুন্দৰ, আৰু সুস্থিৰ হাতেৰে লিখা। পৃষ্ঠা সংখ্যা, ৩১০ লৈকে আছে কিন্তু পৃষ্ঠা ১ৰ পৰা ৮ লৈ, ১১৩ৰ পৰা ১১৬ লৈ, আৰু ২২৯ৰ পৰা ২৪৪ লৈ পোৱা নহ'ল। ঢিলাকৈ বন্ধাৰ কাৰণে হেৰোৱা অনুমান হয়। ১৭৭ আৰু ১৭৫ পৃষ্ঠাত আঁচ মৰা আছে, কিন্তু একো লিখা নাই। বোধকৰোঁ জাপি খোৱাতে থাকিল, লিখিবলৈ পাহৰিলে। ৯ পৃষ্ঠাত নকুচিত, কামুৰাম শৰ্ম্মা ৰৰদেউৰীৰ ঘৰত শব্দ আৰু সন্ধি পঢ়াৰ পৰা,—১৮১১ শকত কেৱল চাহাবে চাৰ্জ্জ লোৱা, ৺কেশৱকান্ত যুৱৰাজৰ ঘৰ পোৱা

আদি কথা কৈ, সদৰামীনৰ দ্বিতীয় পুত্ৰৰ কাৰণে উজনিৰ "বাপুটি"ৰ ছোৱালী ধৰা কথাৰে ৩১ চ'তত শেষ হৈছে। ডাঙৰখনি পুথি ১৮১২ শকত, আৰু সৰুখনি প্ৰায় ১৮২০ শক, ইংৰেজী ১৮৯৮ চনত, মৃত্যুৰ তিনি কি চাৰি বছৰ পূৰ্ব্বে লিখা বুলি ধৰিব পাৰি। অসুস্থতা আৰু বৃদ্ধত্ব হেতুকে পুথিখন কঁপা হাতেৰে লিখি শেষ কৰিব নোৱাৰিলে! আখৰৰ গঢ় আৰু লিখন-ভঙ্গী অসমীয়া পুৰণি সাঁচি-পতীয়া পুথিৰ দৰে, কিন্তু দুয়োখনি পুথি তুলাপাততে লিখা। মূল ডাঙৰখনি পুথিৰ ৪৯ পৃষ্ঠাৰ আলোকচিত্ৰ ইয়াৰ লগতে দিয়া হল।

সম্পাদনাত, পুথিখনিৰ ভাষাৰ কোনো পৰিবৰ্ত্তন নকৰি, আধুনিক অসমীয়া বৰ্ণবিন্যাসৰ লগত পৰা পক্ষত মিল ৰাখি, ইকাৰ, উকাৰ, ণত্ব, ষত্ব, ট ত, ড দ, ঢ ধ, চ ছ, আৰু ড় ঢ় ৰ, শুধৰাই দিয়া হৈছে কিন্তু য'ত শুধৰণীত উচ্চাৰণৰ ব্যতিক্ৰমৰ সম্ভাবনা, তেনে ঠাইত মূল পুথিৰ বৰ্ণবিন্যাসকে ৰখা হৈছে। যেনে :—ফোকন, বুঢ়া গোঁহাঞীৰ সলনি, ফুকন, বুঢ়া গোহাঁই কৰা হোৱা নাই। 'ওা'ৰ ঠাইত 'ৱা' কৰা হৈছে, কাৰণ উচ্চাৰণ একে থাকে। ভাষাৰ গঢ়ৰ লগত মিলাই, বঙ্গলা সন, সাহেৱ, তেনেদৰে ৰখা হ'ল। কিন্তু ঠাইৰ নাম, ডেপুটী কমিসনৰ, সীবপুৰ, চিলিং বা চিলঙ, লেপণ্টণ্ট্ গৱর্ণৰৰ সলনি ডিপুটী কমিচনৰ, শিৱপুৰ, শ্বিলং আৰু লেফ্‌টেনাণ্ট্ গৱর্ণৰ কৰা হৈছে। সীব কমিসনৰৰ ঠাইত চীফ্ কমিচনৰ লিখা গ'ল।

মূল পুথি 'আত্মজীৱনী' দুই খণ্ডত বিভক্ত। অধ্যয়ন আৰু উল্লেখৰ সুবিধাৰ্থে সম্পাদিত পুথিত অধ্যায়, পৰিচ্ছেদ, স্তৱক আদি ভাগ কৰি দেখুওৱা হৈছে। মূল পুথিত দীৰ্ঘ যতিৰ ব্যৱহাৰ আছে, তাৰ লগতে লঘু যতি আদি ঠাই বুজি দিয়া গ'ল। পুথিখনিত আমি বিস্তৃত সূচীপত্ৰ দিয়াৰ বাহিৰেও পুথিৰ ভিতৰত অধ্যায়, পৰিচ্ছেদৰ তলে তলে, সংক্ষিপ্তকৈ মূল বিষয়ৰ টোকা সন্নিবেশ কৰা গ'ল। পৰিশিষ্টত সময় অনুসাৰে ইংৰেজ বিষয়া সকলৰ ইংৰাজীত নাম, আৰবী পাৰ্চী আদি পুথিত ব্যৱহৃত অনা-অসমীয়া শব্দাৱলী আৰু

বিশেষ নামৰ নিৰ্ঘণ্ট বৰ্ণানুক্ৰমে সংযোজিত কৰা হৈছে। মূল পুথিৰ পৰা অলাগতিয়াল দুই এটা কথা বাদ দিয়া হৈছে। মুঠতে, 'সদৰামীনৰ আত্মজীৱনী' আমাৰ শক্তি সামৰ্থ্য অনুসৰি সুধীবৃন্দ সমন্বিতে ৰাইজৰ গ্ৰহণযোগ্য কৰিবলৈ যত্নৰ অলপো ত্ৰুটী কৰা হোৱা নাই। তথাপি ভুল-ভ্ৰান্তি দুই এটা থাকি গ'ল। আশা কৰোঁ গুণগ্ৰাহীসকলে 'আত্মজীৱনী'ৰ গুণখিনিহে গ্ৰহণ কৰিব।

'সদৰামীনৰ আত্মজীৱনী' খনি, পুৰণি অসমৰ সমাজ, সংস্কৃতি, ভাষা, সাহিত্য, অৰ্থনৈতিক পৰিস্থিতি আৰু ৰাজনৈতিক দৃষ্টিভঙ্গীৰ উৎকৃষ্ট নিদৰ্শন, উনৈশ শতিকাৰ এগৰাকী বিশিষ্ট লোকৰ জীৱনী আৰু সংশ্লিষ্ট ঘটনাৰ বুৰঞ্জী হিচাপেহে ৰাইজৰ হাতলৈ আগবঢ়োৱা হ'ল। ইয়াত কোনো লোকৰ প্ৰতি ধনিষ্ঠামানো আমাৰ ঈৰ্ষা ভাব নাই। তথাপি কোনো লোকৰ যদি কিবা আপত্তিজনক ভাব মনত উদয় হয় তাৰ বাবে আগতে খেমা খোজা হ'ল। আত্মজীৱনীত উল্লিখিত লোকসকলৰ বেছি ভাগ এই পুৰীত নাই। তেখেতসকল সিপুৰীত সুখে-শান্তিৰে থাকক আৰু এই পুৰীত থকা সকলো সুখে-শান্তিৰে কাল অতিবাহিত কৰক, আমি ইয়াকেহে কামনা কৰিলোঁ।

'সদৰামীনৰ আত্মজীৱনী' 'অসম প্ৰকাশন পৰ্ষদে' অনুগ্ৰহ কৰি, বিচাৰ কৰি নি, আমাক অৰ্থসাহায্য নকৰা হ'লে, আমি এতিয়াই পুথিখনি প্ৰকাশ কৰা টান হলহেঁতেন। প্ৰকাশন পৰ্ষদে উত্তৰোত্তৰ অসমীয়া নতুন পুৰণি, উপযুক্ত পুথি সমূহ প্ৰকাশিত কৰি আৰু প্ৰকাশত আৰ্থিক সাহায্য কৰি অসমীয়া ভাষা, কৃষ্টি, সাহিত্য, বুৰঞ্জী, জ্ঞান-বিজ্ঞান প্ৰকাশ আৰু প্ৰচাৰত সহায় হৈ দেশৰ উন্নতিত ব্ৰতী হওক আৰু জয়যুক্ত হওক, ইয়াকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ। লগতে পৰ্ষদলৈ আমাৰ কৃতজ্ঞতাও জনালোঁ।

'সদৰামীনৰ আত্মজীৱনী'ৰ মূল হাতে লিখা পুথি দুখনি দেখুৱাত শ্ৰদ্ধেয় ডাক্তৰ শ্ৰীসূৰ্য্যকুমাৰ ভূঞা এম-এ, বি-এল, পি-এইচ-ডি (ইত্যাদি) মহোদয়ে পুথি দুখনি ছপা কৰা সম্পৰ্কে মোক বহু

মূল্যবান উপদেশ দিছে। দৰাচলতে, তেখেতৰ সম্পাদিত ৺হৰকান্ত সদৰামীনৰ "অসম বুৰঞ্জী" খনৰ গঢ়-গতি, মই বহুখিনি অনুকৰণ কৰিছোঁ ; তাৰ কাৰণে, আৰু তেখেতৰ অসমৰ পুৰণি বুৰঞ্জী উদ্ধাৰ আদি বহু দেশহিতকৰ মহৎ কাৰ্য্যাৱলী স্মৰণ কৰি, তেখেতলৈ কৃতজ্ঞ অন্তৰৰ শলাগনী আৰবঢ়ালোঁ। সুপৰিচিত সাহিত্যিক, বুৰঞ্জীবিদ্, অসমৰ মুখ উজ্জ্বলকাৰী সকলৰ এজন, শ্ৰদ্ধেয় শ্ৰীবেণুধৰ শৰ্ম্মাদেৱে 'সদৰামীনৰ আত্মজীৱনী' প্ৰকাশত মোক, কাৰ্য্যতঃ কেইটামান কথাত বিশেষ সহায় কৰিছে। প্ৰকাশন পৰ্ষদৰ সচিব, সাহিত্যিক, পণ্ডিত বিশ্বনাৰায়ণ শাস্ত্ৰী এম-এ দেৱে, সময়ে সময়ে উপদেশ আৰু কাৰ্য্যেৰে সহায় কৰিছে। এই দুই জনালৈকো মোৰ শলাগনী যাচিলোঁ।

পুথিখনিৰ সম্পাদনাত কেতবোৰ আৰবী আদি অনা-অসমীয়া শব্দৰ অৰ্থ কৰাত, গুৱাহাটী কলেজিয়েট স্কুলৰ শিক্ষক শ্ৰীমহিউদ্দীন আহমদ্ আৰু শ্ৰীখেইৰুল হুচেইন, বন্ধু দুজনে সহায় কৰিছে। উত্তৰ গুৱাহাটী কমলদেৱ হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীকামিনীকুমাৰ বৰুৱা এম-এ ; এল-এল-বি, মোৰ ডেকা বন্ধুজনে, সেই স্কুলৰে ডেকা শিক্ষক শ্ৰীবদৰুদ্দীন আলিৰ হাতুৰাই এই বিষয়ে সহায় কৰিছে। মোৰ লৰা কালৰে বন্ধু, অসমৰ পুৰণি বুৰঞ্জীৰ খবৰ ৰাখোঁতা শ্ৰীৰমেশ চন্দ্ৰ বৰকাকতী আৰু কলেজিয়েট স্কুলৰ কিছুদিন আগৰ প্ৰধান শিক্ষক শ্ৰীসুশীলকুমাৰ লাহিড়ী বি-এচ-চি, বি-টি বন্ধুজনে আবশ্যকীয় কিতাপ-পত্ৰ দি মোক সহায় কৰিছে আৰু কিতাপ-পত্ৰ বিচাৰা কাৰ্য্যত, সেই স্কুলৰ অফিচৰে প্ৰধান কেৰাণী শ্ৰীকুল বৰুৱাই মোক সহায় কৰিছে। এওঁ সকলো মোৰ শলাগৰ পাত্ৰ।

পুস্তকখনিৰ লিখক ৺হৰকান্ত সদৰামীনৰ বংশ-পৰিচয় দিয়াত, সাহিত্যিক, সঙ্গীতজ্ঞ 'ৰাসন্তীৰ অভিষেক' আদি বচোঁতা স্বৰ্গীয় পণ্ডিত কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈৰ সঙ্কলিত 'সন্দীপিকা'ৰ পৰা সহায় লৈছোঁ। তেখেতৰ স্বৰ্গত আত্মাৰ প্ৰতি মোৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ। বৰ্ত্তমান 'সন্দীপিকা' দুষ্প্ৰাপ্য গ্ৰন্থ। সোণামুৰা মজুন্দাৰ বৰুৱা বংশৰে

এটা ডালৰ, বয়োবৃদ্ধ শ্রীনৰকান্ত শর্ম্মা বৰুৱা আৰু শ্রীসূর্য্যকান্ত শর্ম্মা বৰুৱাৰ পৰা পুথিখনি মাজে সময়ে চাবলৈ পাই উপকৃত হৈছোঁ, তাৰ বাবে দুয়োজনাকে ধন্যবাদ দিলোঁ। মোৰ ৺মাতৃৰ সহোদৰা ভগ্নীৰ পুত্ৰ মৰমৰ শ্রীমান দেবেন্দ্রকুমাৰ শর্ম্মা বৰদলৈ বি-এ, বি-এল উকীল ভাইটিয়ে, অনা-অসমীয়া শব্দ কেইটামানৰ অর্থৰ সন্ধান দি মোক উপকাৰ কৰিছে। তেওঁকো ধন্যবাদ দিলোঁ। ডাক্তৰ ভূঞাৰ Anglo-Assamese Relations, 'গেইট' চাহাবৰ A History of Assam-ৰ পৰা আৰু 'হেমকোষ'ৰ পৰিশিষ্টৰ পৰাও সহায় লোৱা হৈছে। 'আত্মজীবনী'খনিৰ সম্পাদনাত, শব্দাৱলীৰ বর্ণ-বিন্যাসত, আগৰ পৰা শুৱিলৈ 'হেমকোষ'কে অনুসৰণ কৰিছোঁ। সংশ্লিষ্ট পুথিসমূহৰ লিখক, সম্পাদক আৰু প্রকাশক সকললৈ মোৰ কৃতজ্ঞতা প্রকাশ কৰিলোঁ।

মহাপুৰুষ শঙ্কৰদেৱ আৰু শঙ্কৰী যুগৰ কলা-কৃষ্টি, সাহিত্য, ধর্ম্ম আৰু দর্শনৰ স্বীকৃত পণ্ডিত সকলৰে দুজন, ডাক্তৰ মহেশ্বৰ নেওগ এম-এ, ডি-ফিল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া সাহিত্যৰ অধ্যাপক, আৰু বর্ত্তমান ভাটাৰ 'বৃন্দাবন বিশ্ববিদ্যালয়'ৰ শঙ্কৰী সাহিত্যাদিৰ গুৰি ধৰোঁতা শ্রীউপেন্দ্রচন্দ্র লেখাৰু এম-এ, বি-এল দেৱে, মোক পুথিখনি ছপোৱাত বহুখিনি উৎসাহ আৰু উদগণি দিছে। মোৰ ভাতৃস্থানীয় এই দুজনলৈ মোৰ মৰম আৰু শলাগ দিলোঁ।

সর্ব্বশেষত কলিকতাৰ নবজীৱন প্রেছৰ গৰাকী আৰু চলাওঁতা শ্রীকালীচৰণ পাল মহাশয়ে 'সদৰামীনৰ আত্মজীবনী'ৰ ছপা কার্য্যত এজন যথার্থ বন্ধুৰ কাম কৰিছে। তেখেতৰ প্রেছৰ উন্নতি কামনা কৰি তেখেতকো মোৰ আন্তৰিক ধন্যবাদ দিলোঁ। ইতি—

উত্তৰ গুৱাহাটী
৩০।৮।৬০

শ্রীকুমুদচন্দ্র বৰদলৈ

স্মৃতি-তর্পণ

সদৰামীনৰ আত্মজীৱনীৰ সন্দৰ্ভত, গৌৰবৰ্ণ, ক্ষীণ, ককিলাসজীয়া, আধাপকা দীঘল ডাঢ়ি গোঁফ চুলিৰে ঋষি যেন, বৃদ্ধ কিন্তু লাখুটিৰ দৰে পোন, হাঁহি মুখেৰে এজন ধুনীয়া পুৰুষলৈ মনত পৰে। মাজে সময়ে তেওঁ আমাৰ ঘৰত দুই এনিশাৰ আলহী হৈ, আমাক খুহুতীয়া কথাৰে হঁহুৱাইছিল। পুৰণি অসমৰ কথা কৈ আমাক আচৰিতো কৰিছিল। এদিন যাবৰ সময়ত, তেওঁ মোক টোপোলা এটা দি কলে "কুমুদ, হ; এইখিনি তোক দিলোঁ, যি ভাল হয় কৰিবি।" তেওঁ গ'ল। তেওঁক আৰু দেখা নহল। চিৰ বিদায় ললে!

হৰকান্ত সদৰামীনৰ কনিষ্ঠ ভ্ৰাতৃৰ নাম গৌৰকান্ত বৰুৱা। তেওঁ এসময়ত হাজোৰ ৺মাধৱ দেৱালয়ৰ 'সেৱা-চলোৱা' আৰু হাজো পৰগণাৰ মৌজাদাৰ আছিল। গৌৰকান্তৰ পুতেক আছিল চন্দ্রকান্ত বৰুৱা মৌজাদাৰ। তেওঁ এজন সুললিত-কণ্ঠী নামতিও আছিল। অতি বৃদ্ধকালতো মুকুতাৰ পাহি যেন দাঁতেৰে গৌৰবৰ্ণ কান্তিময় এইজন ককা-দেউতাৰ মুখৰ,—"অনন্ত ব্রহ্মাণ্ডপতি, ক্ষুদ্র ব্রহ্মাণ্ডত; নন্দেৰ ঘৰে, আসি কৃষ্ণ, ভৈলন্ত বেকত।" আদি—৺শ্রীশ্রীকৃষ্ণ জন্মাষ্টমীৰ নামৰ মধুৰ ধ্বনি এতিয়াও শুনি থকা যেন লাগে। চন্দ্রকান্ত বৰুৱাৰে দ্বিতীয়জনা পুত্র আছিল, বিদ্যাকান্ত বৰুৱা। তেওঁক আমি 'মামা' বুলিছিলোঁ। আমাৰ মাতৃ ৺ইন্দুমতীয়ে মাতিছিল 'ককাইদেউ' বুলি। হৰকান্ত বৰুৱা সদৰামীনৰ দ্বিতীয়জন পুত্র আছিল বিখ্যাত চিত্রশিল্পী, চেতাৰ বাদ্যবিশাৰদ বস্তুকান্ত বৰুৱা তহচীলদাৰ। তেখেতৰ দ্বিতীয় পৰাকী ভার্য্যা, উজান মাজুলী আউনীআটী সত্রৰ ওচৰৰ ছোৱালী ৺ঘনকান্তী দেবীৰ ৰৰ জী আছিল ৺ইন্দুমতী। এই সম্বন্ধত বিদ্যাকান্ত বৰুৱা আমাৰ 'মামা' আৰু ৺মাতৃৰ 'ককাইদেউ'

আছিল। সদৱামীনৱ প্ৰকাণ্ড পৱিয়ালৱ অন্তৰ্গত 'বিদ্যা মামা', ৺মাতৃ ইন্দুমতী, মাহী ৺তুলসী দেৱী, মাহী ৺মালতী দেৱী আদি লৱা-ছোৱালী একে চোতালতে উমলি-যামলি ডাঙৰ-দীঘল হৈছিল, আৰু বৃদ্ধকাললৈকে আপোন ভাৱ তেওঁলোকে ৰাখিছিল। সেইকালৱ লৱা-ছোৱালী আজিকালিৱ দৱে টেঙৰ নাছিল। বিবাহৱ পিছত ঘৰ গচকাবলৈ কুমলীয়া কন্যা ৺মাতৃক স্বামীঘৰলৈ পঠোৱাত, বিদ্যা মামাই ৰামটাঙোন এডাল লৈ, বিয়াৱ বৰ, পিতৃ ৺ললিতচন্দ্ৰক "ইন্দুক কলৈ নিয়?" বুলি মাৰিবলৈ খেদি আহিছিল! সৰুতে ৺মাতৃ আৰু তেখেতৱ সহোদৱা ভনীয়েক ৺তুলসী দেৱীয়ে ৺ধৰ্ম্মকান্ত খুৱাকৱ জীয়েক ৺মালতী দেৱীক "সৌটো কি ঔ!" বুলি এটা প্ৰকাণ্ড চিতল মাছ এটালৈ দেখুৱাত, ভয় খাই অজ্ঞান হৈছিল! সেইকালৱ সৱলতা আৰু মৱম লৈ আহিছিল আমাৱ বিদ্যা মামা! তেখেতে দিয়া টোপোলা মেলি দুখন হাতে লিখা পুথি পালোঁ। দুয়োখনিতে পুত্ৰাদিৱ নাম উল্লেখ দেখি বুজিলোঁ, দুয়োখনিতে আজো 'মূৱদেউতা' সোনামুৱাৱ সদৱামীন ৺হৱকান্ত শৰ্ম্মা মজুন্দাৱ বৰুৱাই নিজৱ জীৱন-কাহিনী নিজে লিখি গৈছে আৰু সেই মূল পুথি দুখনেই সম্পাদক-প্ৰকাশকৱ জৱিয়তে 'সদৱামীনৱ আত্মজীৱনী' ৰূপে প্ৰকাশ পাইছে।

কালৱ কুটিল গতিত সদৱামীনৱ ঘৰখন লয় পোৱাত, বিপত্নীক আৰু বিপদগ্ৰস্ত বিদ্যা মামাই একমাত্ৰ পুত্ৰ প্ৰমোদকান্তক বুকুত বান্ধি লৈ উত্তৱ গুৱাহাটী এৰি গুৱাহাটীৱ ছত্ৰাকাৱত, এসময়ৱ বিখ্যাত লোক ৺জয়নাথ ৱৱদলৈ নাজীৱৱ পুত্ৰ ৺ৰাধানাথ ৱৱদলৈ নাজীৱ ভিনিহীয়েক, আৰু বাইদেৱেক ৺কুমুদী দেৱীৱ ওচৱতে ককাইদেৱেক, সৰ্ব্বহাৰা ৺কেশৱকান্ত বৰুৱাৱ লগতে আছিলগৈ। তাতে কলেজত পঢ়ি থকা অৱস্থাতে কিশোৱ প্ৰমোদকান্তয়ো অকালতে তেওঁক পুত্ৰহীন কৰি সিপুৰীলৈ গতি কৰে।

৺হৱকান্ত বৰুৱা সদৱামীনৱ লিখা 'অসম বুৰঞ্জী' নামৱ বিখ্যাত

পুথিখনি মোমাইদেউ বিদ্যাকান্ত বৰুৱা আৰু তেওঁৰ পুত্ৰ ৺প্ৰমোদ-কান্তৰপৰা শ্ৰদ্ধেয় ডাক্তৰ সূর্য্যকুমাৰ ভূঞা এম-এ, বি-এল, পি-এইচ ডি, (ইত্যাদি) দেৱে পায় আৰু তেখেতৰে সুযোগ্য সম্পাদনাত অসমৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ পৰা প্ৰকাশিত হৈ ওলায়। এই খিনিতে আৰু এজন লোকলৈ মনত পৰে। তেওঁ আছিল সদৰামীনৰ তেৰজন খেতিয়ক 'বন্ধাৰ' ওপৰত চৰ্দ্দাৰ, কিনাৰাম দাস হালগিৰী নামৰ কোচ জাতীয় অতি বিশ্বাসী আৰু মৰমৰ লগুৱা আৰু বিপদৰ বন্ধু ; সদৰামীনৰ জেষ্ঠ পুত্ৰ ৺কমলাকান্ত বৰুৱা চৌধাৰী আৰু নামজ্বলা কবিৰাজৰ, ওষধিৰ গছলতা গোটাওঁতা, মকৰধ্বজ আদি তৈয়াৰ কৰাত হীৰা, প্ৰবাল, সোণ আদি ভস্ম কৰাত নিপুণ সহায়ক। শুনা যায় যম সদৃশ ফেটা সাপৰ মূৰৰ মণি কাঢ়ি আনিও ঔষধৰ কাৰণে, কমলাকান্ত বৰুৱা কবিৰাজক দিছিল। সদৰামীনৰ ঘৈণী আৰু জীয়াৰী বোৱাৰী সকলে তেওঁক ভয়ো কবিছিল, মান্যও কবিছিল। ডেকাকালত ভীম-সদৃশ বলী হালগিৰীক সদৰামীনৰ বিৰুদ্ধ লোকসকলে সততে ভয় কবি চলিছিল। কিন্তু তেওঁ অতি সবল আৰু কোমল হৃদয়ৰ লোক আছিল। এটি এটিকৈ সদৰামীনৰ পুত্ৰ-পৌত্ৰাদি লয় হৈ যোৱাতো অন্তিম কাললৈকে গৃহস্থৰ ভেঁটিকে ৰখি আছিল। মূল গৃহস্থ সদৰামীনে মৰমতে তেওঁক দুবাৰ বিয়া কৰাই দিছিল। অসম বুৰঞ্জীখন হাতে লিখা অৱস্থাত তেৱেঁ ধ্বংসস্তূপৰ মাজৰ পৰা উদ্ধাৰ কবি বিদ্যা মামাৰ হাতত দিছিল। বোধ হয় 'সদৰামীনৰ আত্মজীৱনী'ৰ মূল পুথি দুখনিও তেৱেঁ উদ্ধাৰ কবি মামাৰ হাতত দিছিল। জীবিত কালত আমাৰ ঘৰলৈ আহিলে, ৺মাতৃয়ে নিজে আতৌ-পুতৌকৈ বহিবলৈ পীৰা দিছিল আৰু চাহ-জলপানেৰে সুখিছিল। ৺মাতৃয়ে খুন্দি দিয়া তামোল মুখত লৈ, বুঢ়াজনে সদৰামীনৰ ঘৰখনৰ কথা কৈ কেতিয়াবা আমাৰ চকুপানী উলিয়াইছিল।

শেষ সময়ত ৺বিদ্যামামা আৰু তেখেতৰ ককাইদেৱেক ৺কেশৰ

কান্ত বৰুৱামামা দুয়োজনে, পলাশবাৰীত বিয়া দিয়া বিদ্যা মামাৰ ছোৱালী দুজনীৰ আশ্রয়ত আছিল আৰু তাতে দুয়োজন স্বৰ্গী হয়।

ধেমেলীয়া কথাৰ আঁৰত মামাৰ শোকে খুলি খুলি খোৱা কলিজাৰ কথা আমি জানিছিলোঁ আৰু তেওঁৰ পৱিত্র শোক, আৰু পুৰুষোচিত ধৈর্য্যৰ প্রতি, নীৰৱে আমাৰ সমবেদনা আৰু সম্মান জনাই, তেখেতক সোধ-পোছ কৰিছিলোঁ। ৺বিদ্যা মামা, ৺হালগিৰী কাকা আৰু তেওঁলোকৰ লগৰে দুর্ভগীয়া ৺কেশৱ মামা এই জগতত আৰু নাই। নেদেখাখন জগতত তেওঁলোক সুখে-শান্তিৰে থাকক, ইয়াকে পৰমেশ্বৰৰ ওচৰত প্রার্থনা কৰিলোঁ। ইতি—

উত্তৰ গুৱাহাটী
১৯৬০ খৃষ্টাব্দ

শ্রীকুমুদচন্দ্র বৰদলৈ

আত্মজীবনী লিখক

সোণামুক্তাৰ

সদৰামীন ৺হৰকান্ত শৰ্ম্মা মজুন্দাৰ বৰুৱা

গুৰি-গছ ঃ—যি সকল বিদ্বান আৰু গুণীলোক, অসমলৈ আহি অসমকে মাতৃবোধে, হাড়ে-হিমজুৱে অসমীয়া হৈছিল, স্বৰ্গীয় হৰকান্ত শৰ্ম্মা মজুন্দাৰ বৰুৱাৰ পূৰ্ব্বপুৰুষসকল তেনে লোকসকলৰ ভিতৰত পৰে। বংশাৱলী মতে কনৌজপুৰৰ চাৰিজনা সিদ্ধপুৰুষৰ নন্দনাথ পাণ্ডে নামৰ এজন ব্ৰাহ্মণে, গঙ্গাৰ উত্তৰ পাৰে 'হৰিপ্ৰিয়া' বোলা গাওঁখন লক্ষ্ণৌৰ নৱাবৰ পৰা 'ইজাৰা' লৈ, বংশ-পৰিয়াল সমন্বিতে তাতে বাস কৰি আছিল। কালক্ৰমে, নন্দনাথৰ পুত্ৰ হৰিকান্ত, হৰিকান্তৰ পুত্ৰ গঙ্গাধৰ গঙ্গাধৰৰ পুত্ৰ চক্ৰধৰ আৰু চক্ৰধৰৰ পৰা মঞ্জীৰৰ জন্ম হৈছিল। মঞ্জীৰৰ পুত্ৰ নন্দীনাথে নৱাবৰ পৰা পাণ্ডিত্য গুণত 'মহাৰাজ' উপাধি পাইছিল। নন্দী মহাৰাজৰ পুত্ৰ ৰামানন্দ। ৰামানন্দৰ পুত্ৰ দয়াশীল পণ্ডিত, ব্যাকৰণ স্মৃতিত বিদগ্ধ পণ্ডিত আৰু ভূত-ভবিষ্যত-বৰ্ত্তমান কৰ পৰা বিখ্যাত জ্যোতিষী বুলি প্ৰখ্যাত হৈছিল। ১৪৩০ শকত দিহিঙ্গীয়া কোঁৱৰ গঙ্গাস্নানলৈ যোৱাত দয়াশীল পণ্ডিতক লগ পায়, আৰু পণ্ডিতজনাৰ গুণত আকৃষ্ট হৈ অনুৰোধ কৰি, সপৰিয়ালে সোমাৰ দেশলৈ আনি স্বৰ্গদেউ দিহিঙ্গীয়া ৰজাক ভেট কৰায়। স্বৰ্গদেৱে দয়াশীল পণ্ডিতক, কলীয়াবৰত মাটি-বুতি দি, সংস্কৃত, জ্যোতিষ, নাগেৰী শিকাবলৈ, টোল পাতি দিয়ে। ১৪৫২ শকত পিতৃৰ মৃত্যুৰ পিছত দয়াশীলৰ পুত্ৰ সূৰ্য্যবৰে পিতৃৰ টোলতে অধ্যাপনা কৰি আছিল। এনেতে ১৪৮৫ শকত কোছাৰৰ বীৰ চিলাৰায় বা শুক্লধ্বজৰ হাতত স্বৰ্গদেউ চুখাম্‌পখা যুঁজত হাৰি পলাই যায়। তন্‌খাম ৰৰগোঁহাই সেই সময়ত কলীয়াবৰত চকী দি আছিল। উজানৰ বা-বাতৰি নেপাই, সূৰ্য্যবৰ পণ্ডিতক মতাই আনি "বাপু তোমাৰ জ্যোতিষে কি কয়?" বুলি সোধাত সূৰ্য্যবৰে, ভূত-ভবিষ্যত-বৰ্ত্তমান কয় বুলি কলে। ৰজাৰ খবৰ সোধাত সূৰ্য্যবৰে জ্যোতিষ গণনাৰতে কলে—"শত্ৰুৰ হাতত ৰাজাৰ পৰাজয় আৰু স্থান নাশ। বৰ্ত্তমান ৰাজা তল্ল হৈ পূৰ্ব্বদিশে পৰ্ব্বত আৰোহণ কৰিছে। শত্ৰুয়ে ৰাজ্য

দখল কৰিছে কিন্তু শীঘ্রে ৰাজ্যভ্রষ্ট হব। স্বৰ্গদেৱৰ ৰাজ্য স্বৰ্গদেৱৰ হব।" ৰৰগোঁহাঞে—"কেতিয়া হব" বুলি সোধাত কলে, "আজিৰ পৰা ৩ মাস ২৪ দিবস পৰে হব।" সূর্য্যৱৰক স্বৰ্গদেৱৰ বাহৰ, চৰাইখোৱোং পর্ব্বতলৈ পঠোৱাত, তাকে কলে। সূর্য্যৱৰে কোৱামতে কোছানে ৰাজ্য এৰি গ'ল। সন্তুষ্ট হৈ স্বৰ্গদেৱে পুনৰ শিঙ্গৰী ঘৰত উঠি, "সূর্য্যৱৰৰ মুখ সোণৰ মুখ" বুলি কৈ "গাম খাক, পঢ়িদোলা, সোণৰ লগুণ আৰু সোণৰ মুখা সহিত, অনেক মাটি-বৃত্তি, গোলাম-বান্দী দি মর্য্যাদা কৰিলে। সকলো ৰৰদলৈৰ ওপৰত ৰৰ চ'ৰাত ৰাখিলে।" সূর্য্যৱৰ পণ্ডিত তেতিয়াৰ পৰা 'সোণামুৱা ৰৰদলৈ' হ'ল। সূর্য্যৱৰ স্বৰ্গী হোৱাত পুত্র জয়ানন্দই স্বৰ্গদেউ(১) খোৰাৰজা আৰু বুঢ়া(২) ৰজাৰ ৰৰ চ'ৰাত সোণামুৱা ৰৰদলৈৰ বিষয় খাই আছিল। জয়ানন্দৰ পুত্র ময়ূৰধ্বজে ভাটী দেশত নাগেৰী, ফাচী, সংস্কৃত, ব্যাকৰণত অগাধ পণ্ডিত হৈ দেশলৈ উভতি সোণামুৱা ডেকা দলৈ হল। জয়ানন্দৰ মৃত্যুৰ পিছত ময়ূৰধ্বজ, ৰজাৰ ৰৰচ'ৰাত 'সোণামুৱা ৰৰদলৈ' হৈ ৰহিল। ১৫৪৮ শকত গৌড়ৰ সম্রাজিত নৱাবে বিশ্বনাথ পর্য্যন্ত উত্তৰ পাৰ দখল কৰাত, স্বৰ্গদেৱে বেকা ৰৰগোঁহাঁইক সেনাপতি আৰু ময়ূৰধ্বজক তেওঁৰ প্রধান মন্ত্রী পাতি যুঁজলৈ পঠায়, আৰু ময়ূৰধ্বজৰ মন্ত্রণাক্রমে ৰৰগোঁহাঁয়ে সম্রাজিতৰ মন্ত্রী চৈয়দ বাবৰক কাটিলে আৰু গুৱাহাটী পর্য্যন্ত স্বৰ্গদেৱৰ কৰি ললে। সেই আপাহতে স্বৰ্গদেৱে ৰৰগোঁহাঁইৰ নাতি পানসিঙ্গীয়া গোহাঁইক গুৱাহাটীৰ ৰৰফুকন পাতিলে। "ময়ূৰধ্বজ ৰাজকুলীয়া নাছিল কাৰণে মজিন্দাৰ বৰুৱা পাতি, ৰৰচ'ৰাত স্বৰ্গদেৱৰ খুটাৰ দক্ষিণে, ছল কৰি, তিনিজনা ডাঙৰীয়াৰ শাৰীৰ পৰা অলপ হোহকাই খেৰ-সোতা কুশাসন দি বহুৱাই ৰাখিলে।" এইদৰে, কনৌজৰ পাণ্ডে ব্রাহ্মণ বংশৰ ময়ূৰধ্বজ, ওৰফে দৈত্যাৰি সোণামুৱা ৰৰদলৈয়ে, স্বাধীন অসমৰ স্বৰ্গদেউ সকলৰ ৰৰচ'ৰাৰ সোণামুৱা মজিন্দাৰ বা মজুন্দাৰ বৰুৱা বংশৰ পাতনি মেলে। ময়ূৰধ্বজৰ পৰা দয়াশীল, দয়াশীলৰ চাৰুচন্দ্র, চাৰুচন্দ্রৰ অম্বৰীশ আৰু অম্বৰীশৰ পুত্র ৰাধাকান্ত, চন্দ্রকান্ত সিংহ স্বৰ্গদেৱৰ দিনৰ শেষজন সোণামুৱা মজুন্দাৰ বৰুৱা আছিল। মান ভগনত ভগনীয়া ৰাধাকান্ত বৰুৱা, পৰিয়ালৰ ভৰণ-পোষণৰ কাৰণে, গোৱালপাৰাত ইংৰাজৰ অধীনে সদৰামীন হৈছিল বুলি জনা যায়। 'সদৰামীনৰ আত্মজীৱনী' লিখক, বুৰঞ্জীবিদ, সোণামুৱাৰ

টোকা :—(১) চুখাম্ফা।
(২) চুচেম্ফা বা প্রতাপসিংহ

সদৰামীন হৰকান্ত শৰ্ম্মা মজুন্দাৰ বৰুৱা, ওপৰত উল্লেখ কৰা ৰাধাকান্ত বৰুৱাৰে এজন পুত্ৰ।

জন্ম আৰু মান-ভগনিত হৰকান্তঃ—স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ দিনত, মানৰ আগমন, আক্ৰমণ আৰু অত্যাচাৰৰ আগে আগে, ১৭৩৭ শকৰ (ইং ১৮১৫ চনৰ) আঘোণৰ ২৮ তাৰিখে নিশা, উজানৰ যোৰহাটত, হৰকান্ত বৰুৱাৰ জন্ম হয়। ১৭৪০ শকত মানৰ অত্যাচাৰত বহু দুৰ্ভগীয়া অসমীয়া লোক দেশ এৰি, যেনি পায় তেনি, পলাই যায়। তেনেতে কচিনাথ বুঢ়াগোহাঁই প্ৰমুখ্যে বহু সম্ভ্ৰান্ত লোক ভগনীয়া হৈ, ইংৰাজ কোম্পানীৰ ৰাজ্য, গড়গাঁৱৰ বংপুৰ জিলাৰ চিলমাৰিত আশ্ৰয় লৈছিল। হৰকান্তৰ পিতৃ ৰাধাকান্ত বৰুৱায়ো সপৰিয়াল আৰু সবংশে, কেচুৱা হৰকান্তক কোলাত লৈ চিলমাৰিৰ 'নন্দবাবুৰ' আশ্ৰয়ত আছিলগৈ। মানৰ বিৰুদ্ধে কচিনাথ ডাঙৰীয়াই ৰাধাকান্ত বৰুৱাক লগত লৈ কলিকতাত ইংৰাজ কোম্পানীৰ সহায় খুজিছিল, কিন্তু নেপালে। পিছত মানৰ সাহ বাঢ়ি যোৱাত ইংৰাজে মানক ১৭৪৩ শকত হাদিৰাচকীত ভেটে। ১৭৪৪ শকত ডেভিদ্ স্কট্ চাহাবে মানক খেদি কামৰূপত প্ৰবেশ কৰে। এই সাহতে বহু ভগনীয়া লোকৰ লগে লগে, ৰাধাকান্তযো উজানমুখা হৈ, গোৱাল-পাৰাৰ পগলাটেকত এবছৰ মান ঘৰ কৰি আছিল। ১৭৪৫ শকত মাৰ্চ্চ মাহত গুৱাহাটীত ইংৰাজে শাসন প্ৰবৰ্ত্তন কৰে, আৰু মানৰ ভয় দূৰ হোৱাত বহু ভগনীয়া পৰিয়াল উজানৰ নিজ নিজ ঘৰলৈ গতি কৰে। বংশপৰিয়াল সহ ৰাধাকান্ত বৰুৱায়ো উজাই আহি কামৰূপৰ হাজোৰ ওচৰৰ চেঁচামুখ পায়হি। তাতে, ওচৰৰে সুঁতি গ্ৰামত, ভগনীয়া মাতৃবংশৰ লোকসকলক লগ পায়। তেওঁলোকে ইংৰাজৰ গতি ধৰণ বুজি দুই এ বৎসৰ বাদে গুৱাহাটীলৈ আহিবলৈ উপদেশ দিয়াত, বৰুৱা পৰিয়াল সুঁতি গ্ৰামৰ ভাগতী ব্ৰাহ্মণৰ আশ্ৰয় ললে। কিছুদিন পিছত ঠাই অকুলান হোৱাত, তাৰ পৰা তলীয়া গ্ৰামত ৺মাধৱ দেৱালয়ৰ মাটি এখণ্ড লৈ, তাতেকে উঠি আহিল। ১৭৪৬ শকত (ইং ১৮২৪ চনত) ইংৰাজে কামৰূপত জমাজাম বন্দবস্ত কৰাতে ৰাধাকান্তই নিজৰ দুৰ্দ্দশাৰ কথা কৈ ডেভিদ্ স্কট্ চাহাবৰ পৰা হাজোৰ হিডলা দলত ১২ পুৰা ৰূপিত মাটি জীৱদ্দশা পৰ্য্যন্ত নিষ্কৰকৈ পায়। তাৰে অন্নমুষ্টিৰ সংস্থান হয়। ১৭৫০ শকত চৈধ্য বছৰত ভৰি দিয়াতে হৰকান্তক, ৰাধাকান্ত বৰুৱাই শাস্ত্ৰমতে উপনয়ন দিয়ে কিন্তু তাৰ চাৰি মাহ পাছতে ৰাধাকান্তৰ মৃত্যু হয় আৰু ঘৰখনক শোকে-দুঃখে আগুৰি ধৰে। সেই সময় সৰ্ব্বজ্যেষ্ঠ পুত্ৰ

গোপীকান্ত উজানত থকাত, কোনোমতে হৰকান্তৰ সহোদৰ জ্যেষ্ঠ শিৱকান্তই, শাস্ত্রমতে অন্ত্যেষ্টি ক্রিয়া, শ্রাদ্ধাদি কৰি, মুখৰ ছাইখিনি শুচায়। ঘৰখনৰ 'প্রবর্ত্তন কঠিন' হোৱাত শিৱকান্ত নগাঁৱৰ বহাচকীত তহচীলদাৰৰ মহৰী হ'ল। গোপীকান্তই উত্তৰ গুৱাহাটীৰ কদ্রেশ্বৰত পাম ধৰিলে। ইয়াৰ আগতে গোপীকান্ত আৰু শিৱকান্তই, উজান মাজুলীৰ কমলাবাৰী সত্রত মান ভগনিত এৰি থৈ অহা কিছু কিছু সম্পত্তি আৰু গোলাম-বান্দী উদ্ধাৰ কৰি আনিছিল। তেতিয়া হৰকান্তৰ সর্ব্বকনিষ্ঠ ভ্রাতৃ গৌৰীকান্ত নাবালক। তলীয়া গ্রামত থকাত পিতৃৰ দিনৰে বন্ধু মৰঙ্গায়াল ভকত নামৰ কলিতা জাতীয় বৈষ্ণৱ এজনৰ পৰা সেই সময়ত তেওঁলোকে সততে সজ উপদেশ পাই আছিল।

উত্তৰ গুৱাহাটীলৈ উঠি অহা ঃ—১৭৫৪ শকত তলীয়া গ্রামত ডকাইতৰ উপদ্রৱ হোৱাত, বকৱাৰ ঘৰখন উত্তৰ গুৱাহাটীৰ কদ্রেশ্বৰৰ গোপীকান্ত বকৱাৰ পামলৈ উঠি আহে। এই কার্য্যত তেওঁলোকৰ তিনিপুকুনীয়া শাক্ত গুৰু সকজনা ন-গোসাই ৺যোগেশ্বৰ গোস্বামীয়ে দুটা হাতী দি সহায় কৰিছিল। বানপানী আৰু জুইৰ ভয়ত ক্রমাৎ তেওঁলোক উত্তৰ গুৱাহাটীৰ মধ্যখণ্ডৰ নৈৰ কাষলৈ উঠি আহে। ইয়াতেই হৰকান্ত বকৱাৰ দীঘলীয়া কর্ম্মজীৱন আৰম্ভ হয়।

শিক্ষা ঃ—ভগনীয়া অৱস্থাতে পগলাটেকত, অনেক দুখ-দুর্গতিৰ মাজতো পিতৃ-মাতৃয়ে লৰা হৰকান্তক শাস্ত্রমতে 'ফলি'দি কান্দুৰা কটকাৰ হতুৱাই ক, খ শিকাইছিল। সুঁতী গ্রামৰ 'ভাগতী' ব্রাহ্মণৰ আশ্রয়ত থকাত, ককায়েক শিৱকান্তই হৰকান্তক 'উত্তৰ-গোগ্রাহ' পুথি পঢ়াইছিল। হৰকান্তই পুথি পঢ়িব নোৱাৰাত লিখিছে "পৌষ মাহে মঞি মাতিব নোৱাৰা দেখি পিঠিত এটা চেকনি দাৰা কোব মাৰিলে; তাতে মঞি ৰোদন কৰিব ধৰিলোঁ। ৺ভ্রাতৃ তৎকালে ভাত বান্ধিব ধাৰছিল। ক্রন্দন শুনি ত্রস্থমতে আহিল; জেষ্ঠ জনাই দেখি দাউৰি পলাল। মোক সোধাত ককায়ে মাৰিলে বুলি কলোঁ।..... 'গহি খোৱা লৰা, কিয় লৰাক মাৰে!'—এই বুলি—'পঢ় মাতিব পাৰিবি'—কৈ চক্ষুৰ লোতক মচি দিলে। পুথিলৈ চাওঁ,—দেখি, মাতিব পাৰিলোঁ। মাতৃয়ে দেখি আনন্দিত হৈ,—'আপুনি পঢ়িব পাৰ, নালাগে পাঠ দিব।'—এই বুলি কোৱাতে, আমি তেতিয়াই চাৰিপাতমান সুন্দৰ মাতিব পাৰিলোঁ। তদপৰ, অন্যান্য ঠাইৰ পৰা পুথি বিচাৰি আনি পঢ়িব ধৰিলোঁ।" ইয়াতে বঙা বিহা-মেখেলা পিন্ধা, বন্ধনশালাৰ জুইৰ তাপত বঙা-মঙা পৰা, জলজলীয়া

চকুৰে, সন্তান-দুঃখ-কাতৰা মহিমাময়ী মাতৃ-মূৰ্ত্তি এগৰাকী, উদাত্ত খাই পুত্ৰৰ কাষলৈ লৰি অহা দেখিবলৈ পাওঁ। তাড়না কৰা হেতু, শিৱকান্তক তিৰস্কাৰ কৰিছে আৰু স্নেহময় হাতেৰে চক্ষুৰ লোতক মচি দি সন্তানক সান্ত্বনা দি পঢ়িবলৈ কৈছে। সন্তানে পঢ়িব পাৰিছে। এই চিত্ৰখনি অকল মনমুগ্ধকৰেই নহয়, শিক্ষাপ্ৰদো। কুমলীয়া পোনাইঁতক মৰমেৰে শিকোৱাহে উচিত। সৰ্ব্বজ্যেষ্ঠ ককায়েক গোপীকান্তই, ঘৰতে হৰকান্তক অঙ্ক শিকাইছিল। আৰু নকুচি গ্ৰামৰ কাশুৰাম শৰ্ম্মা ৰৰদেউৰীৰ ঘৰলৈ গৈ হৰকান্ত, বিষ্ণুকান্ত আৰু বংশৰ অন্যান্য লৰাই 'শব্দ আৰু সন্ধি' পঢ়িছিল। পিছলৈ উত্তৰ গুৱাহাটীত থকাত, কনিষ্ঠ ভ্ৰাতৃ গৌৰীকান্তক ঘৰতে পণ্ডিত ব্ৰাহ্মণৰ দ্বাৰা শব্দ আৰু সন্ধি পঢ়োৱালৈ চাই, লৰা কালত হৰকান্তয়ো, সংস্কৃত ব্যাকৰণৰ শব্দ আৰু সন্ধি পঢ়া বুলি অনুমান হয়। হৰকান্ত ৰকমাই ইংৰাজী নেজানিছিল আৰু শিকিবলৈ সুবিধাও নেপাইছিল। মঙ্গলদৈত হাকিম হৈ থকাত তেখেতৰ দৰমহা ৪০০৲ টকা হোৱা চৰকাৰী চিঠিখন, ইংৰাজ মেজিষ্ট্ৰেটৰ দ্বাৰা পঢ়াইহে অৰ্থ বুজিছিল। সদৰামীনৰ আত্মজীৱনীত আৰবী, ফাৰ্চী, হিন্দী, ইংৰাজী, আৰু বঙলা শব্দৰ ব্যৱহাৰলৈ চাই, সেই সেই ভাষা লিখিব আৰু পঢ়িব নেজানিলেও কিছু পৰিমাণে বুজিছিল আৰু কবলৈ পাৰিছিল যেন লাগে। বঙলা ভাষা তেখেতে কব আৰু পঢ়িব পাৰিছিল। সেই সময়ত উচ্চ জাতীয় হিন্দুসকলে যত্ন কৰি সংস্কৃত শিকিছিল। হৰকান্ত ৰকমায়ো ঘৰতে সংস্কৃত শিকিছিল, এই অনুমান উত্তৰ গুৱাহাটীৰ সংস্কৃত স্কুলৰ সম্পৰ্কত তেখেতৰ উৎসাহ আৰু আগ্ৰহলৈ চাই সত্য যেন লাগে।

গাৰ্হস্থ্য আৰু কৰ্ম্ম জীৱন:—উত্তৰ গুৱাহাটীলৈ অহাৰ সময়তে ৰকমাৰ পৰিয়ালৰ 'কঠিন প্ৰবৰ্ত্তন' হেতুকে 'ৰৰমাতা' ধীৰ দেব্যাৰ নেৰা-নেপেৰা ইচ্ছাত সম্পত্তি আদি ভাগ হৈ, এখন ঘৰ দুখন হয়। সম্পত্তিৰ লগতে পৈতৃক গোলাম বান্দী, সকলো ভাগ হয়। শিৱকান্ত, হৰকান্ত আৰু কিশোৰ গৌৰীকান্তক লৈ সুকীয়া ঘৰ এখন হোৱাত, নতুন দায়িত্ব আৰু নতুন সমস্যাই দেখা দিলে—শিৱকান্ত ৰহা চকীৰ পৰা আহি ২০৲ টকাত কালেক্টৰিত নকল-নবীচ হয়। এই সময়ত কমিচনাৰ জেনকিন্ আৰু কালেক্টৰ বগল চাহাবে কামৰূপত জমি খণ্ড খণ্ড কৰি, পৰগণা বন্দবস্ত কৰিবলৈ ধৰিছিল। এই সুযোগতে ককায়েক শিৱকান্তই হৰকান্তৰ নামে হাজো পৰগণা বন্দবস্ত কৰি, নিজে চলোৱাৰ ভাৰ ললে আৰু হৰকান্তক

নকল-নবীচ মকৰল কৰালে। তেতিয়া টকাৰ মূল্য এতিয়াৰ তুলনাত বহুত বেছি আছিল। দৰমহা আৰু হাজো পৰগণাৰ উৎপন্নই তেওঁলোকৰ 'কঠিন প্ৰবৰ্ত্তন' গুচালে। বেছি বয়সলৈ থাকিলে লোকে নিন্দা কৰিব বুলি, দুই ভাতৃয়ে বিবাহলৈ উদ্যোগ কৰিলে। আউনীআটীৰ, পূৰ্ব্বৰ ভগনীয়া আৰু পিতৃ-বন্ধু ঘিণাই চৰদ্দোৱাৰ পৰামৰ্শত, গুৱাহাটীৰ দেৱৰব ৰৰদলৈৰ জীয়েক পদ্মাদেৱীৰ লগত শিৱকান্তৰ, আৰু দেৱদত্ত ৰৰদলৈৰ জীয়েক সাবিত্ৰী দেৱীৰ লগত হৰকান্তৰ বিবাহৰ আয়োজন হ'ল। বিবাহৰ আগতে দেশাচাৰ মতে শিৱকান্ত আৰু হৰকান্তই আউনীআটীৰ ৺শ্ৰীশ্ৰীকুশদেৱ অধিকাৰত ধৰ্ম্মৰ শৰণ ললে। ১৭৫৮ শকৰ বহাগ মাহত সা'দিন অগাপিছাকৈ দুই ভাতৃৰ বিবাহ সম্পন্ন হ'ল। শিৱকান্তৰ বিবাহত 'পীৰাটনা' ধেমালি আৰু হৰকান্তৰ বিবাহত শুক্ৰেশ্বৰত ধুমুহা বতাহ ৰৰমুণে পাই নাও বুৰোৱা, কানি-কাপোৰ তিৰোৱা, তিতা কাপোৰ জুই ধৰি শুকাই পিছত বিবাহ কৰাবলৈ যোৱা, 'আত্মজীৱনী'ত বচিয়াকৈ বৰ্ণোৱা আছে। কুৰি বছৰ বয়সত হৰকান্ত বৰুৱাই প্ৰথম বিবাহ কৰে। ১৭৫৫ শকত পুৰন্দৰ সিংহ ৰজাই উজানথণ্ড লালবন্দী হিচাপে ইংৰাজৰ পৰা গ্ৰহণ কৰাত সৰ্ব্বজ্যেষ্ঠ গোপীকান্ত বৰুৱা ৰাজাৰ মজুন্দাৰ বৰুৱা হৈছিলগৈ। কিন্তু শিৱকান্ত আৰু হৰকান্তই গুৱাহাটীতে থকা বেছি ভাল বুলি ভাবিলে। পিছৰ ঘটনাসমূহলৈ চাই, তেওঁলোকে ভালকৈ কৰিছিল, কব পাৰি।

১৭৫৯ শকত, গুৱাহাটীত, শহুৰেকৰ ঘৰতে ককাযেক শিৱকান্তৰ মৃত্যু হোৱাত, শোকত আতুৰ হৰকান্ত আৰু তেওঁৰ মাতৃৰ "মূৰত আকাশখন ভাঙ্গি যেন হেচা মাৰি ধৰিলে"। তাতে আকৌ উত্তৰ গুৱাহাটীৰ ঘৰত, মৃতকৰ শ্ৰাদ্ধাদি কৰ্ম্ম নকৰাত ভাগী-বঙহে তেওঁলোকৰ পৰা ফালি গৈ সুকীয়া খেল পাতিলে। 'ব্ৰাত্য' হোৱাৰ ভয়ত গৌৰীকান্তক লগুণ দিব লগা হ'ল। এনেতে ধৰ্ম্মগুৰু ৺শ্ৰীশ্ৰীকুশদেৱ আউনীআটীয়া অধিকাৰ প্ৰভুৰ বৈকুণ্ঠ প্ৰয়াণে ধৰ্ম্মপ্ৰাণ দুই ভাতৃক শোকত মৃতপ্ৰায় কৰিলে। 'আত্মজীৱনী'ত ঈশ্বৰ পুৰুষৰ বৈকুণ্ঠ প্ৰয়াণ, সৰল অথচ আবেগময়ী ভাষাত বৰ্ণোৱা আছে। তেখেতৰ নতুনকৈ অধিকাৰ পতা অনুষ্ঠান আদিৰ বৰ্ণনাও মনোৰম।

উন্নতি :—ককাযেক শিৱকান্তৰ মৃত্যুত হাজো পৰগণা হাতৰ পৰা যাওঁ যাওঁ অৱস্থাত, কোনোমতে কনিষ্ঠ ভাতৃ গৌৰীকান্তৰ নামে মঞ্জুৰ কৰাই, হৰকান্ত বৰুৱাই নিজে চলোৱাৰ ভাৰ ললে। অধ্যবসায়ী আৰু সাধু স্বভাৱী

ডেকা হৰকান্ত বৰবাই ক্ৰমাৎ ২০৲ টকীয়া কালেক্টৰিৰ নকল-নবীচৰপৰা ২৫৲ টকীয়া ৰোৱকাৰী নবীচ, আৰু ৪০৲ টকীয়া পেচ্‌কাৰ হওঁতে ১৭৬৬ শক পালে। ১৭৬৮ শকত প্ৰথম পুত্ৰ কমলাকান্তৰ জন্ম হয় কিন্তু উপজিয়েই টান নৰীয়াত পৰাত ধাৰ্ম্মিক হৰকান্ত বৰবাই একলক্ষ তুলসী ৺মাধৱলৈ আগবঢ়াইছিল। পেচকাৰ হৰকান্তই, ১৭৬৮ শকত ঘৰৰ টকা চুৰ কৰা বৈদক ক্ষমা কৰি এৰি দিবলৈ বিচাৰকক কোৱা কাৰ্য্যই তেখেতৰ ক্ষমাশীল আৰু মহৎ মনৰ পৰিচয় দিয়ে। নকুচিৰ লৰাকালিৰ শিক্ষক কাহুৰাম শৰ্ম্মাক বংশৰ পুৰুহিত কৰি, তদুপৰি, নিজে কৈ-মেলি শৰ্ম্মাক হাজোৰ দলৈ নিযুক্ত কৰোৱা কাৰ্য্যই, বৰবাৰ কৃতজ্ঞ স্বভাৱ জ্ঞাপন কৰে।

জন্মস্থান উজানখণ্ডই, বিশেষকৈ স্বাধীন অসমৰ স্বৰ্গদেউ সকলৰ কীৰ্ত্তিস্থান আৰু ধৰ্ম্মস্থান সমূহে তেখেতৰ স্মৃতিৰ আবেশে ভৰা কোমল হিয়াখনি আৰু অনুসন্ধিৎসু মনটিক বিশেষকৈ আকৰ্ষণ কৰিছিল। সেয়েহে ১৭৬৯ শকত কৰ্ম্মৰ পৰা ছুটি লৈ আউনীআটী আৰু দক্ষিণপাট সত্ৰ দুখন চাইছিল। অন্যান্য কীৰ্ত্তিস্থান চোৱাৰ লগতে নাজিৰাত ময়ূৰধ্বজ মজুন্দাৰ বৰবাই বোৱা বকুলগছ চাইছিল। গৰগাঞৰ তলতল ঘৰ চাই মন্তব্য কৰিছিল যে ইয়াৰ আকৃতি শঙ্খৰ দৰে। তলাতল ঘৰৰ ইটা খহাই, ভাঙি আনি পুখুৰীত দুই, কিঞ্চিৎ সোণ বাখৰলৈ লোভ কৰি প্ৰাচীন কীৰ্ত্তি সমূহ নষ্ট নকৰিবলৈ, তেওঁ লোকসকলক কৈছিল। এই কথাই, পিছত তাৰত চৰকাৰৰ প্ৰাচীন কীৰ্ত্তি ৰক্ষা বিষয়ক আইনলৈ মনত পেলাই দিয়ে। সেই সময়ত স্বজাতীয় উপযুক্ত লোক পালেই কন্যাদায়গ্ৰস্থ পিতৃসকলে ছোৱালী বিয়া দিছিল। লোক সংখ্যাও আছিল তাকৰীয়া। প্ৰথমা ভাৰ্য্যা সাবিত্ৰী দেৱীৰ সঘনে অসুখ হৈও আছিল। সাতে-পাঁচে, শিৱসাগৰ-বংপুৰৰ দদাযেকৰ উপদেশ মতে কাকডঙ্গালৈ আহি বৰবাই গুলক্ষী দেৱীক বিবাহ কৰাইছিল। তেখেতে আৰু এগৰাকী ভাৰ্য্যা 'ওকীলৰ জীয়েকক', বোধ কৰোঁ, কন্যাদায়গ্ৰস্ত উকীলে কন্যা উপযাচি, বৰকৈ ধৰাত, বিবাহ কৰাবলৈ বাধ্য হৈছিল। সাবিত্ৰী দেৱীয়ে বৃদ্ধকালত, স্বামীৰে সৈতে বৃন্দাবনলৈ যাবলৈ ইচ্ছা কৰি তাতে স্বামীৰ সমুখত মৃত্যু কামনা কৰিছিল। আৰু অন্তিম সময়ত, নিজ ঘৰতে, স্বামী গুৰুক বিহৱান এখন দি শেষ সেৱা জনাই চিৰবিদায় লৈছিল। এই সমস্কে 'আত্মজীৱনী'ত উল্লিখিত হৰকান্ত বৰবাৰ সৰল আৰু সংযত বৰ্ণনাই, তেখেত আৰু সাবিত্ৰী দেৱীৰ, পৃথিবীৰ গন্ধহীন পবিত্ৰ প্ৰেম আৰু শ্ৰদ্ধাৰ ভাৱ প্ৰকাশ কৰে।

১৭৭৬ শকত হবকান্ত বকন্না ৮০৲ টকীয়া চিবস্তাদাব পদত নিগাজী হয়। এই সময়তে জ্যোতিষব মতে বিধবা হব লগীয়া অতি মবমব জীয়েক বসন্তীক, সিদ্ধপুকষ বুলি শুনাজাত, পর্ব্বতীয়া গোসাই ৺কালীচবণ ন্যায়বত্নব উপদেশ আৰু আশীর্ব্বাদ মতে, উত্তব গুৱাহাটীতে বিবাহ দিয়ে—এই বিবাহত তেখেতে লিখিছে "কুশছেদন সময় মোব চক্ষুব লোতক সব্‌সব কবি পবিব ধবিলে। পাচে বিবেচনা কবা গ'ল—এই ছোৱালীটিব মাক ক'ব আছিল! পবব জীয়বী আনি গৃহাশ্রম হ'ল। এতিয়া এই ছোৱালী পবব ঘবলৈ আবশ্য যাব। এহাত, শোক কবাব আবশ্যক কি? এই বিধাতাব সৃষ্টি ও সংসাব! এই ভাবি চক্ষুব লোতক মুচি দৃঢ়ভাবে কর্ম্ম সম্পাদন হ'ল।" এই কথাখিনিবে, হৃদয়ব আবেগ আৰু সান্ত্বনাব, ভাবতীয় ভাবধাবাব এটি সুন্দব চানেকি, চকুব লোতকব দবে সব্‌-সব্‌কৈ ওলোৱা সবল ভাষাবে, চকুব আগত বকন্নাই ডাঙ্গি ধবিছে। বিধবা নহৈ বিবাহব কিছুকাল পিছতে বসন্তীব মৃত্যু হৈছিল।

হবকান্ত বকন্নাব অসমব জমা-জমিব বিষয়ক জ্ঞান—অসম বজাব দিনব পবা ইংবাজব আগমনলৈকে, তেখেতে ১৭৭৫ শকত ইং ১৮৫৪ চনত ১৫ মেইত, জুডিচিয়াল কমিচনাব মিল চাহাবব আগত দিয়া সাক্ষ্যই প্রমাণ কবে। তেখেতে অসমব জমা-জমি ২০ চনা বা মিয়াদী বন্দবস্তব সপক্ষে কোয়াটোৱে তেখেতব দুবদর্শিতাব পবিচয় দিয়ে। মিল চাহাবে, প্রদেশে প্রদেশে স্থানীয় উপযুক্ত লোকক চবকাবী কামত নিযুক্ত কবা, ভাবত চবকাবব নীতিলৈ আঙুলিয়াই দিয়াতো, কামৰূপত উপযুক্ত সংখ্যক অসমীয়া লোক চবকাবী কর্ম্মত নাছিল কাবণে, উপযুক্ত কৈফিয়ৎ বৌলট ডিপুটী কমিচনাবে দিব নোৱাবাত, বকন্নাই কৈছিল "আপুনি লাজ পাব পায়!" তেখেতে আৰু কৈছিল যে অসমীয়া লোক কোনো গুণে আন দেশীয় লোকতকৈ বুদ্ধি-বৃত্তিত কম নহয়। তাব প্রমাণ, তেজপুব আৰু শিৱসাগবব চবকাবী অসমীয়া কর্ম্মচাবীসকল। হবকান্ত বকন্নাই অসমব যথার্থ স্বার্থব কথা কবলৈ কেতিয়াও ওচ্‌ নকবিছিল। তেখেতব আত্মনির্ভবশীল আৰু সতর্ক মনব পবিচয় পোৱা যায়, কামৰূপব জমা-জমিব হিচাপ, মিল চাহাবক দিয়া কথাত। বকন্নাই দিয়া হিচাপব সৈতে কমিচনব চাহাবব হিচাপ অমিল হোৱা বুলি মিল চাহাবে আপত্তি কবাত, চিবস্তাদাব হবকান্ত বকন্নাই কৈছিল যে তেওঁব হিচাপত ভুল নাই। পিছত কমিচনব চাহাবেও বকন্নাব হিচাপ শুদ্ধ, তেওঁব হিচাপহে অশুদ্ধ বুলি স্বীকাব কবিছিল!

আহোম বাজত্বৰ শেহছোৱাত বজা, মন্ত্রী আৰু বিষয়াসকলৰ মাজত ক্ষমতাৰ কাৰণে খোৱা-কামোৱা, মোৱামৰীয়া বিদ্রোহ, আৰু সৰ্ব্বশেষত ম্যানৰ অত্যাচাৰে অসমক জুকলা কৰিছিল। শেষ সম্বল দুৰ্ভগীয়া পুৰন্দৰ বাজাৰ, 'লালবন্দী'ও হৰকান্ত বৰবৰাই শুনা মতে, বিষয়াসকলৰ অত্যাচাৰত অন্ত পাইছিল। মান ভগনিত প্রজাৰ বিলৈ, অসমে তেতিয়াও পাহৰা নাছিল। এই অৱস্থাত ইংৰাজৰ মনত যিয়েই নাথাকক, দেখাত ইংৰাজে মানক খেদি, দেশত শান্তি শৃঙ্খলা স্থাপিত কৰাত অসমৰ লোকে বিলৈ-বিপত্তি, দুখ-ভাগৰৰ পিছত কিছুকাল শান্তিৰে জিৰণি লবলৈ পাৰিছিল। সাধাৰণ প্রজা-বৰ্গ আৰু বহু মুখ্য অসমীয়া লোকেও দেশৰ মঙ্গল চিন্তি ইংৰাজৰ শাসনকে আঁকোৱালি ধৰিছিল, আৰু চিপাহী বিদ্রোহ বা শতাব্দী আগৰ স্বাধীনতা যুঁজত মণিৰাম দিৱলী ফুকন আদি দেশপ্রেমিক লোকসকলৰ দেশপ্রেম অন্তৰেৰে শলাগিলেও তেখেতসকলৰ কার্য্যপন্থাৰ ভাবী ফলত সন্দেহ কৰিছিল। এই কাৰণে মণিৰাম দেৱান আদিয়ে দেশপ্রেমৰ বলি হৈ দেশক প্রেৰণাহে দি গ'ল, সেই প্রেৰণাৰ ফল তেতিয়াই নফলিল। মণিৰাম দেৱানৰ কার্য্যপন্থাই সুফল নধৰিব বুলি হৰকান্ত বৰবৰায়ো, মণিৰাম দেৱান আৰু দেৱানৰ ফলীয়া লোকৰ লগত নিজেও যোগ দিয়া নাছিল আৰু ঘনকান্ত যুবৰাজক, যুবৰাজৰ মঙ্গল চিন্তিয়েই মণিৰাম দেৱানৰ পৰা আঁতৰত ৰাখিছিল। যুবৰাজৰ গাত বিদ্রোহৰ ছাঁ পৰে বুলি, দেৱান মণিৰামে যুবৰাজৰ দেৱীঘৰত আশ্রয় লোৱা কথা, কমিচনৰ আদি ইংৰাজ বিষয়াসকলে সন্দেহৰ চকুৰে চোৱাত, তেওঁ-লোকক এনেদৰে বুজাইছিল যে যুবৰাজৰ গাত অলপো দোষ নাই। হৰকান্ত বৰবৰাই দুতীৰাম চিৰন্তাদাৰকো চাহাৰ কর্ম্মচাৰীসকলৰ আগত নির্দ্দোষী বুলি কৈছিল। তেখেতে কমিচনৰ চাহাবক এই বুলি কৈ আক্ষেপ কৰিছিল যে বহু নির্দ্দোষী লোক এই বিদ্রোহত মিছাকৈয়ে শাস্তি ভুগিলে। মণিৰাম দেৱানৰ মৃত্যুদণ্ডত, তেখেতে বেজাৰেৰে কৈছিল যে মণিৰাম নিজেও (মিছাতে) নষ্ট হ'ল, লগতে আন লোক সকলকো নষ্ট কৰিলে!

স্বাধীন অসমৰ বাজ্যভ্রষ্ট আহোম বাজবংশৰ লোকসকললৈ হৰকান্ত বৰবৰাৰ বিশেষ শ্রদ্ধা সহানুভূতি আৰু প্রীতিৰ ভাব আছিল। যুবৰাজ ঘনকান্ত সিংহ আৰু বাণী পদ্মবেথাক কেন্দ্র কৰিয়েই যেন অসমৰ অতীত, বর্ত্তমান আৰু দূৰ ভবিষ্যতলৈ চকু ফুৰাই চাইছে, এনে ভাব "আত্মজীৱনী"ত দেখা যায়। বাস্তবিকতে যুবৰাজ আৰু বাণীৰ জৰিয়তে স্বাধীন আৰু গৌৰবময় অসমৰ

উজ্জ্বল স্মৃতি, স্বর্গদেউ সকলৰ গাতে লাগি থকা সোণামুৱা মজুন্দাৰ বৰুৱা সকলৰ, শ্রদ্ধা আৰু সহানুভূতিৰে আত্মজীৱনীত প্রতিফলিত হৈছে।

ঘনকান্ত যুবৰাজক দিয়া উপদেশ, কমিচনৰ চাহাবৰ মেমৰ সৈতে ৰাণীক সাক্ষাৎ কৰোৱা কার্য্য, কমিচনৰক যুবৰাজৰ মঙ্গলৰ অর্থে কোৱা, যুবৰাজৰ মৃত্যুৰ কাৰণ সম্বন্ধে মিছা সন্দেহ আঁতৰোৱা, শ্রাদ্ধাদিৰ খৰছৰ কাৰণে কমিচনৰক কোৱা, পদ্মৰেখা ৰাণীৰ পেন্‌চিন মঞ্জুৰ কৰোৱা, কমিচনাৰক কৈ কেশৰকান্ত সিংহক 'যুবৰাজ' উপাধি দিওৱা, আৰু শ্রাদ্ধত নিজে দিহা-দৰা দিয়া কার্য্যাৱলী হৰকান্ত বৰুৱাৰ তেনে মনোভাৱৰে জ্বলন্ত প্রমাণ।

১৭৮৬ শকত ভোটৰ লগত ইংৰাজৰ যুঁজত হৰকান্ত বৰুৱা ইংৰাজৰ এজেণ্ট্‌ হৈ ৰঙিয়াৰ পৰা চিপাহীৰ ৰচদ-পাতিৰ যোগান ধৰিছিল। তালৈ যাৱলৈ ওলোৱাত তেখেতৰ মাতৃ আৰু 'ৰৰঘৈণী'য়ে কৈছিল "কামকো নেলাগে, যাৱও নেলাগে।" কিন্তু তাহানি মোগলৰ লগত অসমৰ যুঁজত, আহোম সেনাপতিৰ লগত প্রধান উপদেষ্টা হৈ ৰণ জিকি আহা মসুৰধ্বজ বৰুৱাৰ বংশৰ হৰকান্ত বৰুৱা মাতৃ আৰু ঘৈণীক নির্ভয় দি তালৈ গৈছিল।

চৰকাৰী কার্য্যত থকা কালত, হৰকান্ত বৰুৱাই, অসমীয়া লোকসকলৰ কর্ম্মৰ সংস্থান আৰু উন্নতিৰ কাৰণে ডিপুটী কমিচনৰ আৰু কমিচনৰক কৈছিল। তেখেতৰ লৰাকালৰ বন্ধু মুন্সীক পেচ্‌কাৰ কৰ্ম্মৰ পৰা ২৫০৲ টকীয়া আচিচৰ্‌ কর্ম্ম দিয়াইছিল। তেতিয়া হৰকান্ত বৰুৱা ডিপুটী কলেক্টৰ। ঘটনাক্রমে মুন্সীৰ সেই কর্ম্মটি যায়। পেচ্‌কাৰী কর্ম্মটিও নাছিল। বৰুৱাই বন্ধুৰ কাৰণে ডিপুটী কমিচনৰক বহুত কৈ-মিলি বন্ধুজনক আকৌ পেচ্‌কাৰী কর্ম্ম দিয়াইছিল।

হৰকান্ত বৰুৱাৰ বঙ্গালী বন্ধুও আছিল। গুৱাহাটীৰ পৰা বদলি হৈ তেখেতে কোনো সময়ত বঙ্গালী বন্ধুৰ ঘৰতহে আছিলগৈ। নিজে নৈষ্ঠিক ব্রাহ্মণ হৈও তেওঁৰ উত্তৰ গুৱাহাটী ঘৰত 'ব্রেনবিল চাহাব'ৰ অসমীয়া খৃষ্টান মেমৰ অভ্যর্থনা কৰিছিল। কমিচনৰ চাহাবৰ মেমে তেওঁক নিজৰ 'বেটা' বুলি মাতিছিল। কিন্তু মেমে দিয়া অর্থাৎ খৃষ্টানে দিয়া আচাৰ তেখেতে খাব নোৱাৰে বুলি সৰল ভাবেই কৈছিল। হৰকান্ত বৰুৱাৰ নৈষ্ঠিকতাত অইনধর্ম্মী লোকৰ প্রতি ঘৃণাভাব নাছিল। ই আছিল নিজ ধর্ম্মত আৰু ধর্ম্মাচৰণত আস্থা ৰখা নিষ্ঠা আৰু নৈতিকতা।

হৰকান্ত বৰুৱাই গোলাম-বান্দী খালাছ হোৱাত মধ্যবিত্ত আৰু বজাদিনীয়া সম্ভ্রান্ত লোকসকলৰ দুখ-দুর্গতিৰ কথা মিল চাহাবৰ আগত স্বীকাৰ কৰিছে।

গোলাম-বান্দী মুক্তকৰা আইন শুদ্ধকার্য্যই হৈছে আৰু তাৰ দ্বাৰা পৃথিবীৰ বহু দুখ-দুৰ্গতি নোহোৱা হৈছে। কিন্তু অসমৰ গোলাম-বান্দী, ইংলণ্ডৰ বুৰঞ্জীৰ 'চাৰ্ফ' (serf) বা তাহানিৰ আফ্রিকাৰ দাসৰ লগত তুলনা কৰা উচিত নহয়। অসমৰ গোলাম-বান্দীৰ লগত সি সকলৰ স্বৰ্গ-মৰ্ত্ত্যৰ প্ৰভেদ আছিল। অসমত তেওঁলোকক গৃহস্থই নিজৰ পৰিয়ালৰ লোকৰ ভিতৰ গণ্য কৰিছিল। তথাকথিত গোলাম-বান্দীৰ বিবাহ, গৃহস্থ ঘৰৰ উদ্যোগতে হৈছিল। গৃহস্থই তেওঁলোকক বস্তি আৰু কৰিত মাটিও দিয়া উদাহৰণ পোৱা যায়। বহুতে গৃহস্থৰ মৰমত, আইনে মুক্ত কৰাতো, আজীৱন গৃহস্থৰ ঘৰতে কটাইছিল।

কৰ্ম্মকুশলতা আৰু সাধুতা গুণত হৰকান্ত বৰুৱাই ক্ৰমে উন্নতি কৰি, গুৱাহাটী, মঙ্গলদৈ, তেজপুৰ আৰু নগাওঁত সদৰামীন, মুন্‌চিফ আৰু ৪০০৲ টকীয়া ডিপুটী মেজিষ্ট্ৰেট হৈ "৩১ আষাৰ (১৭৯৮ শক ইং ১৮৭৬ চনত ছিল্‌হটলৈ) বদলাবদলি বেপট শুনি" ছমাহৰ ছুটী লোৱাৰ পিছত, ৬১ বছৰ পাৰ হৈ যোৱাত চৰকাৰী কৰ্ম্মৰ পৰা অৱসৰ লৈছিল বুলি কব পাৰি।

চৰকাৰী কৰ্ম্মৰপৰা অৱসৰ লৈ, হৰকান্ত বৰুৱাই উত্তৰ গুৱাহাটী-গুৱাহাটীৰ মিউনিচিপালিটীৰ মেম্বৰ হৈ দেশ-সেৱা কৰা উল্লেখ আছে। তেখেতে অৱসৰ লোৱাৰ পিছত কৃতকাৰ্য্যতাৰে নগাওঁ বাহৰত আউনীআটীৰ অধিকাৰ, আৰু উত্তৰ-গুৱাহাটী সিংহ সত্ৰৰ এজনা গোসাঁইক কবিৰাজি চিকিৎসাৰে আৰোগ্য কৰালৈ চাই, সদৰামীন বৰুৱা এগৰাকী অতিজ্ঞ চিকিৎসকো আছিল বুলি ধাৰণা হয়।

হৰকান্ত বৰুৱা পেচ্‌কাৰ হৈ থকাতে যত্ন কৰি তেখেতসকলৰ বন্দবস্তী পৰগণাৰ অন্তৰ্গত হাজোত এখন স্কুল স্থাপন কৰাৰ উল্লেখ আছে। উত্তৰ-গুৱাহাটীৰ সংস্কৃত স্কুলৰ (টোলৰ) কাৰণে মঞ্জুৰী আনিছিল; আৰু নিজৰ পুত্ৰসকলক ইংৰাজী পঢ়িবলৈ দিছিল। নববিবাহিত নাতি-জোৱাই ৺তিলক চন্দ্ৰ চাংকাকতীক দ্বিতীয় পুত্ৰ বহুকান্তৰ লগলৈ নগাঁৱত ইংৰাজী শিকিবলৈ পঠাইছিল। এইদৰে তেখেতে প্ৰাচীন ভাৰতীয় ভাষা সংস্কৃত, আৰু নতুন বিদেশী বজাৰ ভাষা ইংৰাজী শিক্ষাত, আগ্ৰহ দেখুৱাই, নতুন আৰু পুৰণিৰ লগত সকলোৱে যাতে নিজক খাপ খুৱাই আগবাঢ়িব পাৰে, তাকে ইচ্ছা কৰিছিল।

ঘৰুৱা জীৱনত হৰকান্ত বৰুৱা সকলো দিনে অতি নিয়মিত, শৃঙ্খলাপ্ৰিয় কিন্তু উদাৰ আৰু সহিষ্ণু আছিল। খাদ্যবিষয়ত, তেখেতে জাঁহা চাউল, মগুৰ

ডাইল, গৰু ঘিউ, পালেং আদি শাক, বাকলি থকা সৰু মাছ গ্ৰহণ কৰিছিল। মাছৰ পেটী, অইনকি ৰৌ মাছৰ পেটীকো ঘিণাইছিল। সময়ে সময়ে তিতা কেঁহা ভাল পাইছিল। খাৰ আৰু জ্বলা বেয়া পাইছিল। ঘৰুৱা জন্তুৰ মঙহ নেখালেও ফান্দ পাতি ধৰা, কোঢা হাইঠা আদি চৰাইৰ মঙহ খাদ্যৰ অন্তৰ্গত হৈছিল। বন্দুকেৰে মাৰা চৰাই 'ছুৱা' বুলি ভাবিছিল। প্ৰতিদিন দুই সাজত তেখেতে প্ৰায় আধাসেৰ গৰু গাখীৰত, দুটামান ভাত সানি খাই, ভোজন সমাপন কৰিছিল। মুখশুদ্ধিৰ কাৰণে তেখেতে 'বুঢ়া' তামোলৰ সলনি শুকান অৰ্থাৎ চুফাৰি তামোল ব্যৱহাৰ কৰিছিল আৰু ভোজনান্তে, গুড়গুড়ীত নলৰ নলিচা লগাই, মচলা দিয়া ধপাতৰ ধোঁৱা খাই খাই, দুপৰীয়াৰ জিৰণি লৈছিল। পুৱা, বেলি উঠাৰ আগতে উঠি, তেখেতে শৌচাচাৰৰ লগে পদ্মফুলৰ নলী বা অইন নলীৰে প্ৰায় দুসেৰমান পৰিষ্কাৰ পানী নাকেৰে উজাইছিল। তাৰ পিছত স্নান কাৰ্য্য শেষ কৰি গোসাই ঘৰত এঘণ্টামান সময় পূজা সেৱা কৰি তেখেতৰ বৈঠকখানাত বহিছিল। তাৰপৰা উঠি গৈ যথাস্থানত ঘৰত তৈয়াৰী আখৈ বা চিৰা গৰু-গাখীৰ সহিত পুৱাৰ জলপান লৈছিল। তাৰ পিছত ভাত হোৱা সময়লৈ ঘৰৰ হিচাপপত্ৰ, চাকৰ আদিৰ কাম বটাই দিয়া, চিঠিপত্ৰ লিখা, আৰু আন আন লিখা কাৰ্য্য কৰিছিল। আবেলি পুথিপঢ়া বা লিখা, অভ্যাগত সকলৰ সগত কথা-বতৰা হোৱা, বন্ধু-বান্ধৱ, জ্ঞাতি-গোত্ৰ, পৰিয়ালৰ লোকৰ ঘৰলৈ গৈ খা-খবৰ কৰা অভ্যাস আছিল। সন্ধিযাৰ আগতে কিঞ্চিৎ জলপান গ্ৰহণ কৰি পণ্ডিত আৰু পুৰুহিতৰ সৈতে ভাগৱত পাঠ, ব্যাখ্যা আৰু আলোচনাত যোগ দিছিল। তাৰ আগতে গোসাই ঘৰত সন্ধিয়াৰ পূজা-অৰ্চ্চনা শেষ কৰি আহিছিল। নিশা ন' মান বজাত ভোজন কৰি তামোল ধপাত গ্ৰহণৰ পিছত ভগৱানৰ নাম লৈ লৈ নিদ্ৰা গৈছিল। আবেলি কেতিয়াবা ভাৰ্য্যা, পুত্ৰ, বোৱাৰী, নাতি-নাতিনী, বিধবা দুহিতৃ জয়ন্তী দেবীক লৈ উমানন্দ আদি দেৱস্থান দৰ্শন কৰিছিল। কেতিয়াবা গুৱাহাটীলৈ পাৰ হৈ পুৰণি বন্ধু-বান্ধৱ, দেশী বা বিদেশী কৰ্ম্মচাৰীসকলৰ সৈতে দেখাসাক্ষাৎ কৰিছিল। হৰকান্ত বৰুৱা কি সমাজত, কি ঘৰত অতি মিষ্টভাষী আছিল। সৰু সৰু লৰা-ছোৱালীকো 'তুমি' বুলিহে সম্বোধন কৰিছিল। ঘৰ-ওপজা, লিগিৰাৰ কেচুৱা লৰাকো, মাকৰ পিয়াহ শুকুৱাত, যথেষ্ট গাখীৰ খাবলৈ দিয়াইছিল। 'আত্মজীৱনী'ত বৰুৱা ডাঙৰীয়াই মহৎ আৰু বিখ্যাত লোক-সকলৰ কথা উল্লেখ কৰোঁতে, লঙহা, লিকচৌ, লিগিৰী আদিৰ কথাও পাহৰা

নাই। পিন্ধা-উৰা তেখেতৰ সাধাৰণ হলেও অতি পৰিষ্কাৰ আছিল। প্ৰায় অন্তিম সময়লৈকে তেখেতৰ মুকুতাৰ পাতি যেন পৰিষ্কাৰ দাঁত, লৰা নাছিল। তেখেতৰ বাহু আছিল আজানুলম্বিত। মৃত্যুৰ এবছৰ আগৰে পৰা তেখেতৰ হাতৰ আঙুলিৰ নখ-চন্দ্ৰ নোহোৱা হৈছিল। চৰকাৰী কৰ্ম্মৰ পৰা অৱসৰ লোৱাৰ পিছত, তেখেতৰ দীৰ্ঘজীৱনত চৰকাৰৰ সন্দেহ হোৱাত, তেখেতক গুৱাহাটীত হাকিমৰ আগত উপস্থিত হৈ জীবিত থকাৰ প্ৰমাণ দিব লাগিছিল। ইং ১৮৯৬ চনৰ ভূমিকম্পৰ পিছতো তেখেত ৬।৭ বছৰমান জীবিত আছিল বুলি জনা যায়। এই সূত্ৰে সদৰামীন ডাঙৰীয়া ১৯০২।৩ চনৰ ভিতৰত স্বৰ্গী হোৱা বুলি অনুমান হয়। ছকুৰি বছৰ আগত জন্মা অসমীয়া মানুহ এনেকুৱাই স্বাস্থ্যবান, দীৰ্ঘজীবী, মৰমিয়াল, বিনয়ী আৰু ধৰ্ম্মপৰায়ণ আছিল।*

বুৰঞ্জীবিদ আৰু সাহিত্যিক হৰকান্ত বৰুৱাৰ প্ৰতিভা বংশগত। বঙ্গা-দিনীয়া মজুন্দাৰ বৰুৱা হিচাপে বিচক্ষণ বুদ্ধিৰ পূৰ্ব্বপুৰুষ সকলে ৰাজ-আজ্ঞাত, ৰাজ্যৰ গুৰুতৰ বিষয়ৰ দলীল-পত্ৰাদি, বিদেশলৈ কটকীৰ হাতে পঠোৱা সন্ধি-বিগ্ৰহ, সন্দেশৰ পত্ৰাদি অতি সন্তৰ্পণে ডাঙৰীয়া সকলৰ লগত আলোচনা কৰি লিখি, স্বৰ্গদেউ সকলৰ হাত ছোৱাই শীলমোহৰ মাৰি উপযুক্ত আধাৰত সুমুৱাই পঠাইছিল। বহু গোপন চিঠি-পত্ৰ ৰাজ-আজ্ঞাত লিখিব লাগিছিল আৰু বঙা, ডাঙৰীয়া, বৰমুখীয়া, বিষয়া আৰু প্ৰজাসকলৰ স্বাৰ্থত আঘাত নকৰি আৰু নিজৰ বিবেকলৈ চকু ৰাখিও, লিখিব লাগিছিল। তাকে কৰোঁতে নিজৰ বুদ্ধি-বৃত্তিৰ পৰীক্ষা ভালকৈয়ে হৈছিল। তেনে বুদ্ধি-বৃত্তি আৰু বিবেকৰ হৰকান্ত বৰুৱা উত্তৰাধিকাৰী হৈছিল, জন্মসূত্ৰে। শিশুকালৰে পৰা ডেকা বয়সলৈ ভগনীয়া অৱস্থাৰ দুৰ্দ্দশা আৰু সৰ্ব্বস্বান্ত পৰিয়ালৰ দুখ-দৈন্যৰ পাৰিপাৰ্শ্বিকতাৰ মাজেদি, জন্মগত গুণৰাশি দিনক দিনে বৰ্দ্ধিত আৰু পৰিমাৰ্জিত হৈ, সেয়ে তেওঁক নকল-নবীচ পৰা যেনেকৈ এফালে সদৰামীন, মুন্‌চিফ আৰু মেজিষ্ট্ৰেট কৰি তুলিছিল, আনফালে স্মৃতিৰ উচ্ছ্বাস আৰু দুখ-দৈন্যৰ শিক্ষাই, আহৰণশীল মন, আৰু অনুভূতিশীল হৃদয়খনিৰে, তেখেতক বুৰঞ্জীবিদ্ আৰু তেখেতৰ অজ্ঞাতেই, সাহিত্যিক কৰিছিল। তেখেতৰ নিৰ্ভীক, নিৰপেক্ষ স্বভাৱ আৰু সৰলতাই 'অসম বুৰঞ্জী'ৰ নিচিনা সৰল, সত্যগ্ৰাহী

---

* টোকা—এইখিনি কথা আৰু বৰুৱা জীৱনৰ অন্যান্য কথা মোৰ পিতৃ ইন্দুমতী দেবীৰ পৰা শুনা—সম্পাদক।

পুথি এখন লিখিবলৈ সক্ষম কৰিছিল। হৰকান্ত সদৰামীনে তেখেতৰ ঘৰ, সমাজৰ, সন্দর্ভত জন্ম-মৃত্যু-বিবাহ, মিত্রতা-বৈৰিতা, উৎসব-ব্যসন, দৰবাৰ-শাসন আদি বহু বিষযৰ প্রকাশ, যুক্তি আৰু বর্ণনা এনে ধৰণে 'আত্মজীৱনী'ত লিখিছে যে তাৰ মাজে মাজে চিৰন্তন সত্য আৰু সুন্দৰৰ ভাব, সৰল লিখন ভঙ্গীৰ মাজেদি জিলিকি উঠিছে। শিৱকান্ত ককাযেকে তাড়না কৰাত মাক লৰি অহা, শিৱকান্তৰ মৃত্যুত শোক, ভোটৰ যুঁজত ৰঙিয়ালৈ যাবলৈ মাক আৰু ঘৈণীৰ মানা, দুই ভাতৃৰ গুৱাহাটীত বিবাহ, ৺কুশদেৱ অধিকাৰৰ বৈকুণ্ঠ প্রয়াণ, ৰাণী পদ্মৱেখাক কমিচনৰৰ মেমক সাক্ষাৎ কৰোৱা ঘটনা, ঘনকান্ত যুবৰাজৰ মৃত্যু, ৰাণী পদ্মৱেখাৰ শোক, সত্রৰ অধিকাৰ পতা উৎসব, লেফ্‌টেনাণ্ট গবর্ণৰৰ সভাৰ বিবৰণ আদিত, তেখেতৰ বুৰঞ্জীবিদ্ মনটি আৰু সাহিত্যিকৰ হৃদয় খনিৰ আভাস পোৱা যায়। বৰ ঘৈণীৰ তীর্থত মৃত্যু কামনা আৰু অন্তিম কালৰ শেষ সেৱাই যেনেকৈ পাঠকৰ মন দ্রৱীভূত কৰিব, সেইদৰে চোৰ বৈদৰ কাণ্ড-কাৰখানাই আচৰিত কৰিব আৰু ইংৰাজ বিষয়াই 'বেজীয়া'ৰ বিবাহ পতা কার্য্যই হঁহুৱাব। কমিচনৰৰ মেম আৰু পদ্ম-ৱেখা ৰাণী সংক্রান্তত, মেমচাহাব, ৰখি ৰখি বিৰক্ত হোৱাত, সদৰামীনে কৈছে, "আপুনিও ৰাণী, পদ্মৱেখা ৰাণীও ৰাণী, ৰাজা ৰাজনেৰ কথাই বেলেগ।" পাঠকে ইয়াত বহু কথা আৰু মিশ্রিত ৰসৰ সন্ধান পাব। ধার্ম্মিক, বিনয়ী, গম্ভীৰ প্রকৃতিৰ সদৰামীন বৰুৱাই, সময়ত নিজৰ কথা কৈযে হঁহুৱায়।—ৰাণী পদ্মৱেখা কমিচনৰৰ মেমক দেখা কৰিবলৈ অহাত পলম হ'ল। হৰকান্ত বৰুৱা কাছাৰীত চৰকাৰী কামত ব্যস্ত। এনেতে নাৰায়ণ লগুৱাই খবৰ দিলে, ৰাণী আহিছে, বৰুৱাইহে মেমক দেখা কৰোৱাব লাগিব। ৰাণীয়ে মাতিছে! মহা মস্কিল! ডিপুটী কমিচনৰে ছুটী নিদিয়ে। নগলেও নহয়। এতেকে "সর্ব্বনাশে সমুৎপন্নে অর্দ্ধং ত্যজন্তি পণ্ডিতাঃ।" "আপদে নিয়মো নাস্তি" এনে ভাব লৈ, চাহাবক, পেটবেয়া বুলি কৈ, লৰি ৰাণীৰ ওচৰ পালে আৰু মেমক সাক্ষাৎ কৰালে। 'সদৰামীনৰ আত্মজীৱনী'ত সাহিত্যৰ উচ্ছ্বাস, বুৰঞ্জীৰ ৰাণী আৰু উপন্যাসৰ নিচাই, পাঠকক মাজে মাজে অভিভূত কৰিব।

স্বর্গীয় সদৰামীন ডাঙৰীয়াৰ প্রথম পুত্র ৺কমলাকান্ত বৰুৱা মৌজাদাৰ আছিল আৰু পিছত বিখ্যাত কবিৰাজ নামে জনাজাত হৈছিল। মোৰ ৺মাতৃৰ মুখে শুনামতে ডেকাকালত তেখেত অতি বলশালী পুৰুষ আছিল। এবাৰ ঘৰপোৱা জুইৰ মাজৰ পৰা, প্রকাণ্ড লোহাৰ পেৰা অকলৈ চোতাললৈ

দলিয়াই দিছিল। তেখেতৰ পুৱাৰ জলপান আছিল—কিনা হালগিৰীয়ে তপতে তপতে ঘীৱাই আনি দিয়া দুসেৰ গৰুৰ গাখীৰ! মই দেখাত, বৃদ্ধ-কালতো তেখেতৰ নিচিনা দীঘলে ডাঙৰে, নাকে-মুখে ঘুনীয়া, নিপোটল পুৰুষ, এতিয়া বিৰল।

দ্বিতীয় পুত্ৰ ৺ৰত্নকান্ত বৰুৱা তহচীলদাৰ (পিছলৈ চব্‌ডিপুটী কালেক্টৰ), নাক, মুখ, চকু, তললৈ ওলমি থকা প্ৰকাণ্ড গোফ আৰু গালপাট্টাৰে থাওকাল ধৰণৰ, মাতৃ সম্বন্ধে মোৰ মুৰদেউতাক, মই এজন পশ্চিমীয়া জমিদাৰ যেন দেখি-ছিলোঁ। তেখেতে ৰবি বৰ্ম্মাৰ দৰে জল-ৰঙৰ (water colour) ছবি আঁকিছিল —নিজ যত্নত ধৰতে শিকি। তেখেতৰ ছবি উত্তৰ গুৱাহাটী, গুৱাহাটী, আউনী আটী সত্ৰ আদিত আছে বুলি জানোঁ। বিলাতলৈ (লণ্ডনলৈ) পঠোৱা বুলিও শুনিছিলোঁ। তেখেতৰ অতি সুন্দৰ হাতী-দাঁতৰ কামৰ নমুনা এতিয়াও দুই এঘৰত পোৱা যাব। তেখেতৰ প্ৰকাণ্ড চেতাৰৰ আওৱাজ্‌ আৰু মধুৰ 'গত'ৰ ধ্বনিয়ে বহুতক মোহিত কৰিছিল। তেখেতৰ, চৰাই আৰু পশুৰ, এখন সৰু চিৰীযাখানা আছিল। তেখেতে বাঘ এটাও পুহিছিল কিন্তু ভয়ঙ্কৰ হৈ ঠোঁত গুলিযাই মাৰিছিল। তেখেতে বাঁহ আৰু বেতেৰে, চৰাইৰ সজাবোৰ, খুনীযাকৈ নিজে সাজিছিল। মোৰ ৺মাতৃয়ে তেখেতৰ পৰা গান গাবলৈ, ফটাকানিৰ ধুনীয়া পুতলা সাজিবলৈ আৰু ছবি আঁকিবলৈ শিকিছিল। ময়ো সৰাকালত তেখেতৰ ওচৰত ছবি আঁকা আৰু চেতাৰ বজোৱা শিকিছিলোঁ। তেখেতৰ তৃতীয় পক্ষৰ জীয়াৰী বিধবা ৰেবতী মাহী এতিয়াও জীবিত, তেখেতেও কিছু ছবি আঁকিব জানিছিল। তহচীলদাৰ মুৰদেউতাৰ, স্বৰ্গীয় ললিতমোহন লাহিড়ী উকীল প্ৰমুখ্যে কেবা গৰাকী বিশিষ্ট বঙ্গালী বন্ধু আছিল।

সদৰামীনৰ মৰমৰ পুত্ৰ ৺দুৰ্গাকান্ত বৰুৱা কলিকতাত শিক্ষা লাভ কৰি আহি অলপ কালতে স্বৰ্গী হৈ সদৰামীনক বৰ শোক দিছিল। তেখেতে 'কপৌ-কপৌৰনীৰ বিলাপ' বুলি কবিতাপুথি এখনি ৰচিছিল বুলি ৺মাতৃয়ে কোৱা শুনিছোঁ। সদৰামীনে দুৰ্গাকান্তৰ 'দ্বাদশ স্কন্ধ' ভাগৱত এখনৰ কথা উল্লেখ কৰিছে। সদৰামীনে নিজৰ কৃত 'গীতাগ্ৰন্থ'ৰ কথাও উল্লেখ কৰিছে। 'স্মৃতি সুধাকৰ' পুস্তকৰ কথাও আত্মজীৱনীত লিখিছে। এইখনি বোধ কৰোঁ সংস্কৃত বা বঙালী। আত্মজীৱনীত উল্লিখিত 'ৰামৰাজ্যাভিষেক' নাটক নিঃসন্দেহে অসমীয়া গ্ৰন্থ।

সদৰামীনৰ আৰু এজন পুত্ৰ ধৰ্ম্মকান্ত বৰুৱাৰ বিষয়ে বিশেষ নেজানো আৰু কৰ নোৱাৰিলোঁ। তেখেতৰ 'পুতুলী' নামৰ নাতিনী, বিবাহিত ছোৱালী এজনীহে আছে।

সৰ্ব্বকনিষ্ঠ ৺দেবকান্ত বৰুৱা জজ্-কাছাৰীত কেৰাণী কাম কৰিছিল যদিও, আচলতে তেখেত এজন সন্ন্যাসী আৰু সাধক শ্ৰেণীৰ লোক আছিল। তেখেতৰ জীয়েক ৺ধৰিত্ৰী দেবীৰ পুতেক শ্ৰীমান 'বাপলু' এতিয়া এজন মহকুমাৰ ভাৰপ্ৰাপ্ত ডাক্তৰ।

কালৰ গতিত হৰকান্ত বৰুৱাৰ নিজৰ ঘৰখন সম্পূৰ্ণকৈ লয় পালে। নিজৰ নাতিনী সকলৰ সন্তান-সন্ততি সকলহে আছে। সোনামুৱা মজুন্দাৰ বৰুৱাৰ বংশৰ ঠালঠেঙুলি, কেবা ঘৰো, উত্তৰ গুৱাহাটীত আৰু শিৱসাগৰ যোৰহাট আদি ঠাইত আছে। সোণামুৱাৰ সদৰামীন ৺হৰকান্ত শৰ্ম্মা মজুন্দাৰ বৰুৱা আজোককাৰ স্বৰ্গত আত্মাৰ প্ৰতি শ্ৰদ্ধা আৰু সেৱা জনাই আমাৰ পাতনিৰ সামৰণি মাৰিলোঁ। 'পৰিশিষ্ট'ত তেখেতৰ বংশাৱলী দিয়া হৈছে। ইতি—

উত্তৰ গুৱাহাটী
৩০।৮।৬০

শ্ৰীকুমুদ চন্দ্ৰ বৰদলৈ

শুধৰণী

বিশেষ দ্ৰষ্টব্য ঃ—"সদৰামীনৰ আত্মজীৱনী"ৰ সম্পাদনাত চন-তাৰিখ, অন্যান্য বুৰঞ্জীৰ সৈতে দুই এঠাইত নিমিলিলেও শুধৰোৱা হোৱা নাই—কাৰণ, সেইটো বিচাৰ সাপেক্ষ। য'ত, যোগ-বিয়োগত ভুল স্পষ্ট, তাতহে শুধৰোৱা হৈছে আৰু লগে লগে টোকা দিয়া হৈছে।

পৃষ্ঠা—৮, পংক্তি ১৪—১৭৫৭ শক নহৈ ১৭৫৩ শক হব।
পৃষ্ঠা—৪৬, পংক্তি ১—'গৌৰীকান্ত'ৰ ঠাইত 'গোপীকান্ত' হব।

—সম্পাদক

সদৰামীনৰ আত্মজীৱনী

প্ৰথম আৰু দ্বিতীয় খণ্ড

সূচী

প্ৰথম খণ্ড

প্ৰথম অধ্যায়

জন্মাদি বিবৰণ—মানৰ দিন—ডেভিদ ইষ্কাট—ইংৰাজৰ দখল—ইংৰাজে মানক খেদি দেশ লোৱাত ভগনীয়াৰ উজানে গতি—আমি বিভক্ত হোৱা—লাল-বন্দী—আমাৰ জেষ্ঠ ও আমাৰ বিবাহ—ইংৰাজৰ পট্টাজাৰি নিয়ম—আমি আউনীআটীত শৰণ লোৱা—৺শ্ৰীশ্ৰীকুশদেউ আউনীআটীয় অধিকাৰৰ বৈকুণ্ঠ প্ৰয়াণ—লাল-বন্দী বাতিল। ১—৩৩

দ্বিতীয় অধ্যায়

ৰাজ্য বিস্তাৰ—উইলেম সাহেব কালেক্টৰ ৰৰখাস্ত—স্কুল স্থাপন—কেতুগ্ৰহ—ভোটৰ লগত বন্দবস্ত—গোলাম-বন্দী খালাচ—দহসনা বন্দবস্ত—দুৰ্য্যোগ—চোৰবৈদ—ৰৰপানী—অনাবৃষ্টি—পুৰন্দৰ ৰাজাৰ পৰলোক প্ৰাপ্তি—আমাৰ উজানে সত্ৰাদি দৰ্শন—দ্বিতীয় ভাৰ্য্যা গ্ৰহণ—হাজোৰ সেন্ত্ৰাচলোৱা আৰু দলৈৰ বিৰোধ—চাৰ্লচ্ ইষ্কাট সাহেব—মঞ্চি চেৰস্তাদাৰ—ঘনকান্ত সিংহ যুৰৰাজ আৰু ৰাণী পদ্মৱেখা—বসন্তীৰ বিবাহ—জুডিচীল কমিচনৰ—মোৰ মিল সাহেবৰ সহিত আলোচনা—মঞ্জীৰাৰ বিবাহ—মণিৰাম দেৱানৰ কথা—খেল বিভাগ—মৰঙ্গীয়াল ভৰুতৰ পৰলোক হোৱা—উমাদত্ত দলৈৰ কথা। ৩৪—৯৬

তৃতীয় অধ্যায়

চিপাহী বিদ্রোহাদি

ক—শক ১৭৭৮। ১২৬৩ সন। ১৮৫৬-৫৭ ইং।

ৰাণী পদ্মৱেখা ও কমিচনৰৰ মেমৰ সংবাদ—চিপাহী বিদ্রোহত মণিৰাম আদি—মঞ্চি আলি ও পুল তৈয়াৰ কৰা। ৯৭—১০৫

খ—শক ১৭৭৯। ১২৬৪ সন। ১৮৫৭-৫৮ ইং।

পৰগণা পেয়াল ও বন্দবস্ত—ঘনকান্ত যুবৰাজক যুক্তি দিয়া—যুবৰাজৰ হকে কমিচনৰ সাহেব ও মেমক কোৱা—ৰাণী পদ্মৱেখা ও ঘনকান্ত যুবৰাজ সংবাদ—যুবৰাজৰ আমালৈ বিশ্বাস ও মৰম—ঘনকান্ত যুবৰাজৰ অন্তিম কাল—যুবৰাজ স্বৰ্গী হোৱা—মোৰ প্রতি কমিচনৰ সাহেবৰ কু-নজৰ নিবাৰণ—ৰাণী পদ্মৱেখাই পেনচিন্ পোৱা—কেশৱকান্তই যুবৰাজ খেতাপ পোৱা—ৱৌলট্ সাহেব, কমিচনৰৰ প্রিয়পাত্র হোৱা। ১০৬—১২১

চতুর্থ অধ্যায়

ইংলণ্ডেশ্বৰী মহাৰাণীৰ ভাৰতৰ ৰাজ্যভাৰ গ্রহণ

ক—১৭৮০ শক। ১২৬৫ সন। ১৮৫৮-৫৯ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—মঞ্চি মুনচুফ্ হোৱা—মহাৰাণীৰ ৰাজ্যভাৰ গ্রহণ। ১২১—১২৫

খ—১৭৮১ শক। ১২৬৬ সন। ১৮৫৯-৬০ ইং।

বিষয়া সকল—পৰগণা বন্দবস্ত—মঞ্চি পুনঃ চেৰস্তাদাৰ—ঘকৱা খবৰ। ১২৩—১২৮

গ—১৭৮২ শক। ১২৬৭ সন। ১৮৬০-৬১ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—মঞ্চি ডেপুটী কালেক্টৰ হোৱা—অন্যান্য কথা—মহামাৰী—কাম নকৰা আচিচৰ—

মপস্বল ভ্রমণাদি—বন্ধু মুন্সী সংবাদ—আন আন খবর—বিবাহাদি—লয়েড্ সাহেব ব্রাহ্মণ জাতির কথা সোধা—মুন্সীর হকে কোব্লা—মুন্সীর পুনঃ কর্ম্মপ্রাপ্তি। ১২৫—১৩৭

ঘ—১৭৮৩ শক। ১২৬৮ সন। ১৮৬১-৬২ ইং।

বিষয়াসকল—পরগণা বন্দবস্ত—বিবাহাদি—ঘকব্লা খবর। ১৩৮—১৪০

পঞ্চম অধ্যায়

১৭৮৪ শক। ১২৬৯ সন। ১৮৬২-৬৩ ইং।

বিষয়াসকল—পরগণা বন্দবস্ত—ঘকব্লা খবর—লেফ্‌টেনাণ্ট্ গবর্ণরের সভার বিবরণ—মন্তব্য—সত্রাধিকারক সতর্ক করা—অন্যান্য। ১৪০—১৪৬

ষষ্ঠ অধ্যায়

১৭৮৫ শক। ১২৭০ সন। ১৮৬৩-৬৪ ইং।

বিষয়াসকল—পরগণা বন্দবস্ত—ভাই ভাই বিভক্ত হোব্লা—বংশর লোক ও সম্পত্তি হানি—ঘর লবোব্লা—মঞ্জি মপস্বল করা। ১৪৭—১৫১

সপ্তম অধ্যায়

১৭৮৬ শক। ১২৭১ সন। ১৮৬৪-৬৫ ইং।

বিষয়াসকল—পরগণা বন্দবস্ত—ভোটর লগত যুঁজ—যুঁজত মঞ্জি ইংরেজর আজেণ্ট—সম্পত্তি বিভাগ—অন্যান্য কথা। ১৫২—১৫৭

অষ্টম অধ্যায়

ক—১৭৮৭ শক। ১২৭২ সন। ১৮৬৫-৬৬ ইং।

বিষয়াসকল—পরগণা বন্দবস্ত—নবীয়া পরা—বংশত জন্ম-মৃত্যু-বিবাহ—আন আন খবর। ১৫৭—১৫৯

খ—১৭৮৮ শক। ১২৭৩ সন। ১৮৬৬-৬৭ ইং।

বিষয়াসকল—পরগণা বন্দবস্ত—সম্পত্তি বিভাগ—মঞ্জি তেজপুরে মুনচুফ—অন্যান্য কথা। ১৬০—১৬৩

গ—১৭৮৯ শক। ১২৭৪ সন। ১৮৬৭-৬৮ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—মঞ্জি প্ৰথম শ্ৰেণীৰ মুনচুফ আৰু সদৰামীন আৰু দ্বিতীয় শ্ৰেণীৰ মাজেষ্টৰ। ১৬৩—১৬৬

নৱম অধ্যায় (১৭৯০—৯৩ শকলৈ)

ক—১৭৯০ শক। ১২৭৫ সন। ১৮৬৮-৬৯ ইং।

বিষয়াসকল—মঞ্জি নগাঞে বদলি—পথৰ কষ্ট—খাজানাৰ নিৰিখ—তৃতীয় ভাৰ্য্যা বিবাহৰ উদ্যোগ—গৌৰীকান্তৰ কথা—অন্যান্য। ১৬৭—১৬৮

খ—১৭৯১ শক। ১২৭৬ সন। ১৮৬৯-৭০ ইং।

শ্ৰীকালিন্দী ও শ্ৰীগোলাপী জন্ম—গৌৰীকান্তৰ ধাৰৰ বিষয়ে যুক্তি—মঞ্জি ওকীলৰ জীয়েকক বিবাহ কৰোৱা—অন্যান্য। ১৭১—১৭২

গ—১৭৯২ শক। ১২৭৭ সন। ১৮৭০-৭১ ইং।

বিষয়াসকল—খাজানাৰ নিৰিখ—মোৰ ৪০০৲ টাকা দৰমহা হোৱা—শ্ৰীৰত্নৰ বিবাহৰ আয়োজন—মোৰ টান নৰীয়া। ১৭২—১৭৪

ঘ—১৭৯৩ শক। ১২৭৮ সন। ১৮৭১-৭২ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—মঞ্জি আৰাম হোৱা—শ্ৰীৰত্নৰ বিবাহ—নন্দীৰাম ইন্‌চ্‌পেক্টৰ—মৃত ভাতৃৰ ভাৰ্য্যা বিধবা পদ্মাৰ মৃত্যু—সম্পত্তি বিভাগ—গৱৰ্ণৰ জানৰেল মেও-হত্যা—অন্যান্য। ১৭৫—১৮০

দশম অধ্যায়

১৭৯৪ শক। ১২৭৯ সন। ১৮৭২-৭৩ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—প্ৰথম মণ্ডল নিযুক্তি—ওকীলৰ জীয়েকৰ কথা—আন ঘকৰা খবৰ—চীফ কমিচনৰৰ শাসন প্ৰবৰ্ত্তন। ১৮০—১৮২

দ্বিতীয় খণ্ড (১৭৯৫—১৮১১ শক)

চীফ কমিচনৰৰ শাসনত অসম

প্রথম অধ্যায়

শ্রীশ্রীকিটিং চীফ্ কমিচনৰ

(Col. R. H. Keatinge v.c. ; c s.i.)

ক—১৭৯৫ শক। ১২৮০ সন। ১৮৭৩-৭৪ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—শ্রীৰত্নৰ দ্বিতীয় ভার্য্যা বিবাহৰ উদ্যোগ—অন্যান্য। ১৮৩-১৮৭

খ—১৭৯৬ শক। ১২৮১ সন। ১৮৭৪-৭৫ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—খিলঞত চীফ কমিচনৰ থাকা—শ্রীৰত্নৰ দ্বিতীয় ভার্য্যা বিবাহ—আমাৰ কৃত "গীতা"-গ্রন্থ—তীর্থ-যাত্রা—অন্যান্য। ১৮৮-১৯৯

গ—১৭৯৭ শক। ১২৮২ সন। ১৮৭৫—৭৬ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—শ্রীশ্রীটেম্পল লেফ্‌টেনাণ্ট্ গৱর্ণৰ আহা—শ্রীশ্রীমহাৰাণী ভিক্টোৰীয়াৰ পুত্র কলিকাতা আহা—বিশ্বেশ্বৰ গোস্বামীৰ অপমৃত্যু—শ্রীৰত্নৰ শাস্তি বিবাহ—অন্যান্য। ২০০—২০৫

প্রথম অধ্যায় (ক্রমশঃ)

ঘ—১৭৯৮ শক। ১২৮৩ সন। ১৮৭৬-৭৭ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—নগাঞে ৰওনা ও চার্জ্জ্ লোৱা—গঙ্গাতীৰৰ আখৰা—শ্রীৰত্নৰ শাস্তি বিবাহৰ খবৰ—জুডিচীল কমিচনৰ শুচি জজ্ খেতাপ হোৱা—শাশুৰীৰ মৃত্যু—ৰাধাকান্ত মুন্‌চুফৰ মৃত্যু—মাতৃৰ পৰলোক প্রাপ্তি—শ্রীৰত্নৰ ঋণ—শ্রীগৌৰীকান্ত ও শ্রীচন্দ্রকান্তক দিয়া টাকা—অন্যান্য। ২০৫—২১০

দ্বিতীয় অধ্যায়

শ্রীশ্রীবেলী সাহেব চীফ্ কমিচনৰ (Sir S. C. Bayley K. C. S. I.)

১৮০২ শক। ১২৮৭ সন। ১৮৮০-৮১ ইং।

বিষয়াদি ও পৰগণা বন্দবস্ত—জাহাজত জুই লগা—বংশত জন্ম-মৃত্যু-উপনয়ন-বিবাহ—আন বিশিষ্ট লোকসকলৰ মৃত্যু—পুত্ৰ দুৰ্গাকান্তৰ নৰীয়া—কাবেল যুদ্ধত মৃত চিপাহীৰ পৰিয়াললৈ চান্দা—ইন্দুমতীৰ ক্ৰন্দন—বৰ কুছাৰীত বজ্ৰপাত—লোকেল ৰেট—দুৰ্গাকান্তৰ গদ্য-ছন্দৰ ভাগৱত—বেলী সাহেব বেঙ্গলৰ লেঃ গৱর্ণৰ হোৱা—শ্রীশ্রীএলিয়ত্ সাহেব চীফ্ কমিচনৰ হোৱা—অন্যান্য খবৰ। ২১১—২১৮

তৃতীয় অধ্যায়

শ্রীশ্রীএলিয়ত্ সাহেব চীফ্ কমিচনৰ (Sir C. A. Elliot. K.C.S.I.)

ক—১৮০৩ শক। ১২৮৮ সন। ১৮৮১-৮২ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—বংশৰ লোকৰ জন্ম-মৃত্যু-বিবাহ—আন বিশিষ্ট লোকৰ মৃত্যু—গোহাটী চহৰ কমিটীত পুলিশৰ কাৰণে লক্ষ টাকা মঞ্জুৰ—দিহিঙৰ গোসাঞীৰ বিবাহ—শ্রীদিননাথ বৰুৱাৰ দ্বাৰা কন্দর্পেশ্বৰ ৰাজাৰ চিকিৎসা—"জিনকিন্চ্" ফেৰী জাহাজ—চুপ্রেডেণ্ট ও চেৰস্তাদাৰৰ এক্ষ্ট্রা এচিষ্টেণ্ট কমিচনৰ পদ হোৱা। অন্যান্য। ২১৮—২২৬

খ—১৮০৪ শক। ১২৮৯ সন। ১৮৮২-৮৩ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—বংশত জন্ম-মৃত্যু-বিবাহ—কেম্বল সাহেব সহিত সাক্ষাত—কন্দর্পেশ্বৰ ৰাজাৰ মৃত্যু ও ৰাজাৰ কৰ্ম্মৰ খৰচৰ কাৰণে সাহেবত কোৱা—কৰ্ম্মত দিহা দিয়া—দক্ষিণা—মুনচিপাল কমিটীত, পুখুৰীপোতা জন্তে ৩০,০০০৲ হাজাৰ টাকা কৰ্জ্জা কৰা কথা—তীৰ্থ কৰা পূৰ্ব্বে সম্পত্তি বিভাগ কৰা—তীৰ্থ কৰা আয়োজন—তীৰ্থ যাত্ৰা ও বিবৰণ—অন্যান্য। ২২৬—২৪১

তৃতীয় অধ্যায় (ক্রমশঃ)

গ—১৮০৫ শক। ১২৯০ সন। ১৮৮৩-৮৪ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—শ্রীশ্রীএলিয়ত্ চীফ্ কমিচনৰ ছুটী লোৱাত শ্রীশ্রীওৱার্ড একটিং চীফ্ কমিচনৰ—তহচীলদাৰ ও মণ্ডলৰ দৰমহা—উত্তৰ গোহাটী ৰাজাদুৱাৰ পাহাৰত কেম্বল সাহেবে ৰাঙ্গালা সজোৱা—কলিকাতাৰ মেলা—অন্যান্য। ২৪২—২৪৪

চতুর্থ অধ্যায়

শ্রীশ্রীওৱার্ড একটিং চীফ্ কমিচনৰ (Sir W. E. Ward. K.C.S.I.)

ক—১৮০৬ শক। ১২৯১ সন। ১৮৮৪-৮৫ ইং।

বিষয়াদি—পৰগণাবন্দবস্ত—শ্রীশ্রীওৱার্ডেৰেঙ্গলৰ লেফ্টেনাণ্ট্ গৱর্ণৰ হোৱা—শ্রীৰোহিণীৰবিবাহ—ঘৰপোৰা—জুৰীহোৱাত আপত্তি—বিশিষ্ট লোকৰ মৃত্যু—উমানন্দ মঠৰ পৰ ধোঁৱা ওলোৱা—অন্যান্য। ২৪৪—২৪৮

খ—১৮০৭ শক। ১২৯২ সন। ১৮৮৫-৮৬ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—কাৰেলত কছিয়া—কন্দর্পেশ্বৰ ৰাজাৰ পুত্ৰ কুমুদেশ্বৰৰ মৃত্যু—কছিয়াৰ কথা—ৰৰবৈণীৰ হৃদয়ৰ কথা—গৌৰীকান্তৰ স্ত্রী কেতেকীৰ মৃত্যুত আক্ষেপ—ৰৰবৈণীৰ শেষ সেৱা ও মৃত্যু—শ্রাদ্ধাদি—অন্যান্য খবৰ। ২৪৮—২৫৪

গ—১৮০৮ শক। ১২৯৩ সন। ১৮৮৬-৮৭ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—বংশত জন্ম-মৃত্যু-বিবাহাদি—শ্রীৰোহিণীৰ শান্তি বিবাহ—মুখ্যলোকসকলৰ মৃত্যু—ঘৃতাদিত মিহল হেতু বেপাৰীৰ চাজা—উত্তৰ গোহাটীৰ সংস্কৃত স্কুল—শ্রীশ্রীমহাৰাণীৰ ৫০ বছৰ ৰাজত্বিৰ উৎসৱ—ইংৰেজৰ শ্রীক্ষেত্ৰ ত্যাগ—মুন্‌চিপলৰ টেক্স—পানীকলৰ সাহেৱ মকৰৰ—অন্যান্য। ২৫৪—২৬০

ঘ—১৮০৯ শক। ১২৯৪ সন। ১৮৮৭-৮৮ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—পুত্রাদিক সম্পত্তি দিয়া—(পুত্র) দেবৰ বিবাহ—টেক্স বন্দবস্ত—কলৰ পানী—গোহাটীত প্রথম বৰফ তৈয়াৰ ও বিক্রী—কলিকাতাত ধাত্রীৰ শিক্ষাৰ বন্দবস্ত—চহৰত আলো দিয়া—জন্মাষ্টমীৰ আখৰা—বংশত জন্ম ও মৃত্যু—উর্ব্বশীৰ বালিত, শ্রীশ্রীদক্ষিণ-পটীয়া গোসাঞীক সেৱা কৰা—কলৰ পানীৰ টেক্স—শ্রীশ্রীআউনীআটীয় গোসাঞীক গোহাটীলৈ আগবঢ়াই অনা—অন্যান্য। ২৬১—২৬৮

পঞ্চম অধ্যায়

শ্রীশ্রীফিষ্ট্‌প্যাটী সাহেব চীফ্‌ কমিচনৰ (Sir D. Fitz-Patrick K.C.S.I.)

ক—১৮১০ শক। ১২৯৫ সন। ১৮৮৮-৮৯ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—খাজানা তোলাত কমিচনৰ সলনি দৰমহা। বংশৰ লোকে শ্রীশ্রীআউনীআটীয় গোসাঞীত শৰণ লোৱা—শ্রীমতী ইন্দুৰ বিবাহ উপলক্ষে, বৈষ্ণবসহ শ্রীশ্রীগোসাঞী পাশ জলপানৰ সামগ্রী প্রেৰণ ও সেৱা—শ্রীশ্রীআউনীআটীয় অধিকাৰ গোসাঞীৰ ৫০ বৎসৰ অধিকাৰ হোৱা উৎসৱ—জ্ঞাতি ও আন বিশিষ্ট লোক সকলৰ মৃত্যু—হৰি-স্মৃতি-সুধাক্ষুৰ পুস্তক—মধুমিশ্র পাণ্ডা—শিলৰ খুটাৰ টেক্স—"মনকলী" হাতী—আনন্দৰাম বৰুৱাৰ মৃত্যু—মঞ্চি শ্রীশ্রীআউনীআটীয় গোস্বামীৰ বেমাৰ দেখা ও আৰাম হোৱা—অন্যান্য। ২৬৯—২৭৬

খ—১৮১১ শক। ১২৯৬ সন। ১৮৮৯-৯০ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—শিলৰ খুটাৰ টেক্স ৰহিত—ৰৰপেটা, গোহাটী ও নগাঞে ৰৰ ধুমুহা—হাজো পৰগণাৰ "ৰাইজ উঠা"—উমানন্দত টেলিগ্রাফ খুটা পোতা—বিশিষ্ট লোক সকলৰ মৃত্যু—শ্রীশ্রীফিষ্ট্‌প্যাটী হায়দ্রাবাদে ৰেচিডেণ্ট

নিযুক্ত—মিষ্টাৰ ইয়েষ্টলণ্ড অস্থায়ী চীফ্ কমিচনৰৰ ইস্তফা দিয়া—শ্রীশ্রীবুইণ্টন চীফ্ কমিচনৰ—উমানন্দত টেলিগ্রাফৰ গুণা অৰোৱা—"আদমচুমাৰী"—সৰকাৰত মঞি জীবিত থকাৰ প্রমাণ দিয়া—প্রিন্স্ আলবার্ট ভিক্টৰ কলিকাতা আহা —জন্ম-মৃত্যু-বিবাহৰ সংবাদ—অন্যান্য। ২৭৭—২৮৩

পৰিশিষ্ট

(ক) "আত্মজীৱনী"ত উল্লিখিত ইংৰাজ বিষয়াসকল। ২৮৫—২৯০

(খ) "সদৰামীনৰ আত্মজীৱনী"ত পোৱা ইংৰাজী, আৰবী, ফাৰ্চী শব্দাৱলী। ২৯১—৩০০

(গ) "আত্মজীৱনী"ত উল্লিখিত বিশেষ বিশেষ ব্যক্তি, ঠাই আৰু ঘটনাৱলীৰ নির্ঘণ্ট। ৩০১—৩২০

(ঘ) স্বর্গীয় হৰকান্ত বৰুৱা সদৰামীনৰ বংশাৱলী। ৩২১—৩২৪

শুধৰণী

পৃষ্ঠা ৮/০ পংক্তি ৯, ১১—'গৌৰকান্ত' নহৈ 'গৌৰীকান্ত' হব।

" ৮৵০ " ১০—'বুলি এটা' নহৈ 'বুলি' হব।

" ১৷৷/০ " ১১—'পিয়লী ফুকন'ৰ ঠাইত 'পিয়লী বৰুৱা' হব।

" ১৷৷৵০ " ৩—'ঘুনীয়া'ৰ ঠাইত 'ধুনীয়া' হব।

এবং এইমনব মাহিন মাহে দেবদত্ত বড়দলৈব
দ্বিয়েক শ্রীতিনমতিব গোপীকান্ত বসুমাই
বিবাহ কবাহে ধার্য্য হৈছে।
মাবো গোনাম বান্দি সকল আনামদিবব
গোনাম বান্দি-মা নাম— ৭৮২ মনে মাইন হেজোবুনি ফৌজদাবিব
খতা আনামদিব বহিনে এই কর্ম্মত জান
বইনব বুনিযব মাহেব কড়ুৎযোগী ও
বাবোনাম কইকি ফৌজদাবিব মহবিব
এতৎ কর্ম্মে বড় বাগী মাছিন দবখাস্ত নিমাই
কবদ বাখাবুনি দবখাস্ত দিয়াযাবে আনা
শেষ হুকুম পাবি কবে মাবো একএক
খানি আনামব গেদুনা দিবো নিযম
হই দিছিন। এহাতে গোটেই কামকপ ও
মামাম দেশত হাহাকাব হব।
গোনাম বান্দিযাক দবখাস্ত— তদপব কামকপব সকল মহন্ত ও ব্রাহ্মনএক
হৈ মাত সীকস্থলা কবি মস্ত্রণাস্তে কামাহই
স্বর্ক্ষমত দাসদাসী প্রমাণব বহান বাখাবে
প্রার্থনাযে ১০০০ একহাজাব কেতা দবখাস্ত
তিনকিস্কন কমীসনব মাহেবব হুমুবে—
দাখিল কবাহে কিছো হুকুম নিদিনে।

আমুনী-দবিখী— মাবো এইমনব মাহেমাহতে সৌমাবে সীমত
আমুনী দবিখী ভুবাই। ও কামকপত্ব ব্রাহ্মনক
বুনিবীবি মানিব কর্ম্ম কবাহে।
মাত এইমনব মাহে মাহতে গোনাতেকস্থবব
গভর্নমাহেব কানেকটব মকলা ওজনাক কিনাযে

সোণামুৱাৰ

সদৰামীন হৰকান্ত শৰ্ম্মা মজুন্দাৰ বৰুৱাৰ

আত্মজীৱনী

প্ৰথম খণ্ড

(শক ১৭৩৭—১৭৯৪)

প্ৰথম অধ্যায়

জন্মাদি বিৱৰণ—মানৰ দিন—ভেভিদ ইষ্কাট

ইংৰাজৰ দখল

১৭৩৭ শকৰ, ১২২২ সনৰ অগ্ৰায়ণ মাহৰ অষ্টাবিংশতি অথচ দিন যোৱাত, মঙ্গলবাৰে ৰাত্ৰি ৮ দণ্ড মধ্যে, উজান যোৱহাট কিনে আমি জন্মগ্ৰহণ কৰোঁ। তৎকালে শ্ৰীশ্ৰীচন্দ্ৰকান্ত সিংহ ৰাজা আছিল। কিন্তু পূৰ্ণানন্দ বুঢ়াগোহাঞী ডাঙ্গৰীয়া হিত কাজিয়া হোৱাত দেশত অনেক উপদ্ৰৱ হৈ দুৰ্গতি হল। চে চন্দ্ৰকান্ত সৰ্গদেৱে বুঢ়াগোহাঞীক মাৰিবৰ নিমিত্তে না যন্ত্ৰণা-মন্ত্ৰণা কৰি কৃতকৰ্ম্ম সাধন কৰিব নোৱাৰি, বদনচন্দ্ৰ ফোকনক মান ৰাজাৰ ঠাই কৈ পঠালে,—"মোৰ মন্ত্ৰী বুঢ়া-গোহাঞী মোক ৰাজত্বি গুচাই নিজে ৰাজত্বি কৰিছে ; এতেকে ইৰাজা মোক সৈন্য-সামন্ত দি স্থাপন কৰোক।" পাচে, ফোকন গ'ল। কলৈ গ'ল, কোনেও কব নোৱাৰিলে। স্পৰ-শুনা হৈছিল ছিলহ্‌টেদি মানৰ দেশলৈ গ'ল ॥ ১ ॥

জন্ম

ৰাজা মন্ত্ৰীৰ কন্দল

বদনে মান অনা

তদপৰ উজানে শদিয়াত মান আহিল ও ৰবফোকনো হিছে বুলি জনৰব হল। সেই সময় বুঢ়াগোহাঞী ডাঙ্গৰীয়াৰ

পূর্ণানন্দৰ মৃত্যু

বেমাৰ আছিল হেতু পুত্ৰ ৰুচিনাথক যুদ্ধ কৰিবলৈ সৈন্য-সামন্ত সহিত পঠালে। এনেতে বুঢ়াগোহাঞী ডাঙ্গৰীয়া মৃত হল।

ৰুচিনাথৰ পলায়ন

পুতেক ৰুচিনাথ ডাঙ্গৰীয়া যুদ্ধত ঠাৱৰিব নোৱাৰি হোহকি আহিল। হঠাৎ মান সহিত ৰৱফোকন আহি যোৱহাট সোমাই

চন্দ্রকান্তক স্থাপন

ৰাজাক স্থাপন কৰিলে। এবং ৰুচিনাথ ডাঙ্গৰীয়া ভটীয়াই গ'ল। সেই সময়ত বুঢ়াগোহাঞীৰ ফলীয়া বিষয়াসকল স্থানাস্থান ভটীয়াই

বদনচন্দ্র ৰাজা হেন

গ'ল। কোনোসকলক বুদ্ধি-কৌশলে নি দণ্ড-বন্ধ কৰিলে। সেই সময় দুৱৰাৰ বদনচন্দ্র ৰৱফোকন প্রায় ৰাজা হেন হৈছিল ॥ ২ ॥

পুৱন্দৰ ৰজা হোৱা চন্দ্রান্তৰ কর্ণ ছেদ

মান আহি ৰাজাক স্থাপন কৰি গ'ল। ৰুচিনাথ ডাঙ্গৰীয়া কতেক দুন্দিয়া চিপাহী ভাঠীৰ পৰা লৈ আহি ৰৱমুৰা গোহাঞীৰ পুত্র ব্রজনাথ, তৎপুত্র পুৱন্দৰক ৰাজা পাতি ১৭৩৯ শকত চন্দ্রকান্ত ৰাজাৰ কর্ণছেদ কৰিলে ॥ ৩ ॥

চন্দ্রকান্ত পুনৰ ৰজা হোৱা

পুনর্ব্বাৰ শদিয়াৰ পৰা মান আহি চন্দ্রকান্ত ৰাজাক সৈৰ্য্য কৰি, খৰিকাটানা আদি কৰ বহুৱাই দেৱালয় আদিৰ ধন লুটপাট কৰিলে।

মানৰ আমল খৰিকাটানা কৰ

১৭৪০ শকৰ চৈত্র মাহে দেশ ভগন হ'ল। এইহেতু মানৰ ৩।১০।১৯ দিন মানৰ আমল বুলিব লাগে। ঐ আমলে যুদ্ধৰ খৰচ বুলি খৰিকাটানা, উত্তম ঘৰত ৩৲ টকা, মধ্যমত ২৲ টকা, সামান্যত ১৲ টকা, প্রাকৃততত ॥০ আনা লগালে। আৰু ছয় আনিত কিম্বা ।৶০ আনা লগালে ; এহেতু ছয়-আনি পৰগণা বোলে ॥ ৪ ॥

সেই সময়তে আমাৰ পিতা ও মাতা তিল, আৰু ৰৱমাতৃ ধীৰ, জেষ্ট গোপীকান্ত ও শিৱকান্ত ও বিষ্ণুকান্ত, ও খুৰা কৃষ্ণকান্ত বৰুৱা তেওঁৰ পৰিবাৰ সহিত একত্রে ভটীয়াই

বঙ্গপুৰ চিলমাৰীত

গোহাটী পাই, তাৰে পৰা ভাঠী বঙ্গপুৰ জেলাৰ চিলমাৰি সাকিৰে নন্দবাবুৰ ঘৰে থকা। তদপৰ ৰুচিনাথ বুঢ়াগোহাঞী চিপাহী আনিবৰ মতলবে কলিকাতা যাত্রা কৰি আমাৰ পিতাকো

সঙ্গে যাবৰ কোৱাত স্বীকাৰ পূৰ্ব্বক পিতা ও জেষ্ঠ গোপীকান্ত ও খুৰা গ'ল ॥ ৫ ॥

কচিনাথৰ ইংৰাজৰ পৰা সাহায্য ভিক্ষা বিফল হোৱা

বুঢ়াগোহাঞী ডাঙ্গৰীয়া কলিকাতা যাই গৱৰণৰ-জেনেৰেল সাহেবত চিপাহীৰ কথা কোৱাত, নিদিলে, ফিৰি আহিল ও আমাৰ পিতা প্ৰভিতি আহি নন্দবাবুৰ ঘৰতে থকা হ'ল। তদপৰ ঐ চিলমাৰি সাকিনে বুঢ়ীমাই, স্বকন্যা ও পেহী অচ্যুতা ভেদবমিত মৃত হল। সেই সময়ত মোৰ অলপ বয়স, কিঞ্চিৎ মাত্ৰ স্মৰণ হয় ॥ ৬ ॥

বংশৰ লোকৰ মৃত্যু

ডেভিদ ইষ্কাট সাহেবে মান খেদা চন্দ্রকান্ত বন্দী

তদপৰ চন্দ্রকান্ত সৰ্গদেৱ মানসহিত লুটপাট কৰি ইংৰাজ বাহাদুৰৰ সীমা হাদিৰাচকীত গোলমাল কৰাত ডেবিড্ ইষ্কাট সাহেব কমিচনৰ ফৌজ সহিত আসাম দেশে আহি ১৭৪৩ শকে যুদ্ধ কৰি মানক ঘটোৱালে, এবং চন্দ্রকান্ত ৰাজাক ধৰি য়েদ কৰিলে। মান পলাল ॥ ৭ ॥

ভগনীয়া লোকৰ পগলা-টেকলৈ অহা

পাছে ডেবিদ ইষ্কাট কমিচনাৰ সাহেব ক্ৰমে উজাই আহিল। আমালোকো ও অন্যান্য ভগনীয়া লোক স্থানস্থানান্তৰ পৰা আহি পগলা-টেক নামক স্থানে, দক্ষিণপাৰে ব্ৰহ্মপুত্ৰ কিনাৰে বাস কৰা হ'ল ॥ ৮ ॥

ভগনীয়া গ্ৰাম

ক্ৰমাৎ ভগনীয়া প্ৰিয়নাথ পৰ্ব্বতীয়া ফোকন ও বালাই কটকি আউনীআটীয়া ঘিণাই চৰন্ধুৱা ও গুৱাকটা ও বুঢ়াগোহাঞী ডাঙ্গৰীয়া প্ৰভিতি তাতে বাস কৰিছিল। এক ডাঙৰ গ্ৰাম মত ভগনীয়া লোকৰ হৈছিল। পাচে আমালোক ঐ সাকিনে কিছো শালি খেত এক বৎসৰ কৰা হৈছিল। তাতে আমাৰ মাতৃৰ কুমুদী নামে কন্যা এটী হৈ কৌত হ'ল। আৰু আষাৰ মাহে ৰৰ পানী হৈ তল যোৱাত, দক্ষিণ ফালে নাৱেদি গৈ পৰ্ব্বত কিনাৰত কয়েকদিন থাকি ভাত খোৱা গৈছিল। তাৰপৰ পুনৰ ঘৰ লোৱাত, আমাৰ ভাতৃ পেনৌ নামক মৃত হয় ও ১৭৪৫ শকৰ কাৰ্ত্তিক মাহৰ ২৩ দিন যোৱাত গৌৰীকান্ত জন্ম হয় ॥ ৯ ॥

বংশত জন্ম ও মৃত্যু

মৃত্যু ও ভৌতিক পীড়া

তদপৰ আমাৰ বৈমাতৃ তিলমতী ঐ পগলাটেক সাকিনে ভাদ্র মাহৰ কৃষ্ণা পঞ্চমীত ফৌত হয়। আমাৰো জ্বৰ ভৌতিক পীড়া হৈ মৃতকল্প হোৱা গৈছিল। নিয়াপী ৰাজখোৱা চিকিৎসা কৰি ভাল কৰিলে। তখন তখন, মোৰ অল্প অল্প স্মৰণ হয়॥ ১০॥

কথ শিকা

ঐ সাকিনে কান্দুৰা কটকী ফলি দি ক, খ, সিখাইছিল। আমালোক ভটীয়াই যোৱা সময়ত মৰঙ্গীয়াল ভকত অথচ গোপীনাথ ভাঠী তীর্থ কৰিব গৈছিল। সেই স্থানে আহি লগ লোৱাতে সকলোৰে বৰ আনন্দ হৈছিল॥ ১১॥

বন্ধু মিলনত আনন্দ

ইংৰাজে মানক খেদি দেশ লোৱাত, ভগনীয়া লোকৰ উজানে গতি

ডেভিদ ইষ্‌কাটে উজাই গৈ মানক খেদা

তদনন্তৰ ১৭৪৪ শকত ডেবিদ ইষ্কাট কমিচনাৰ সাহেব উজাই যাই মানক খেদি দেশ আক্রমণ কৰি শ্যাম ফোকনক

শ্যাম ফুকন বন্দী

কয়েদ কৰিলে। এবং ১৭৪৫ শকৰ চৈত্র মাহে, ১২৩০ সন ১৮২৩।২৪ ইংৰাজী মার্চ্চ মাহে কামৰূপ প্রবেশ হোৱাতে আমালোক প্রভিতি ভগনীয়া লোকসকল উজানে গতি কৰি

ভগনীয়া লোকৰ উজানে গতি

ৰওনা হৈ আহিল। আমালোক ও কৃষ্ণকান্ত বৰুৱা খুৱা সহিত ব্যঙ্গলী জোঙ্গ্‌ নাও একখন কেৰেয়া লৈ উজাই বল্লীয়া নদীৰ মুখ পোৱা গল। তাতে স্নান লৈ এই নদীদি উজাই গৈ হাজো দেৱালয়* পাই, তাতে হাজো সুঁতি আছে, সেই সুঁতিদি গোহাটী যাব পাৰি,—তাতে ৰাতি থাকি গোসাঞী সেৱা কৰি উজাই চেঁচামুখ পোৱা হল। এনেতে শুনিলে আমাৰ মাতৃ বন্ধুসকল মানৰ দিনত ভাঙ্গি আহি সুঁতি গ্রামে আছে। পাচে, তেওঁলোকক দেখা কৰিবৰ কাৰণে পৰদিন প্রাতসে জেষ্ঠ শিৱকান্তক, লগত গোলামৰ লৰা দুটি সহিত, পঠাই দিলে।

হাজোৰ সুঁতিগ্রাম লৈ অহা

মাতৃবন্ধু-সকলক বিচৰ

* মূলত "হাদেৱালয়"

বেলা অপৰাহ্ণে তথাপি নাহিবৰ দেখি পিতামাতা বৰ দুঃখিত হৈছিল : "নিচিনা নজনা ঠাই, কলৈ বা গল" বুলি ॥ ১২ ॥

আমি সুঁতি গ্রামত

তদপৰ ভাঠী বেলা জেষ্ট মাতুল অনাদৰ বৰদলৈ ও জেঠাপ ভোলা কাকতী, জেঠাৰ পুত্ৰ কলীয়া কানাই প্রভিতি উপস্থিত হৈ আমাৰ পিতা ও খুৰা সহিত কথোপকথন হ'ল। আৰু কলে যে ইংৰেজীয়ে নতুনকৈ দেশ দখল কৰিছে মাত্র ; সম্প্রতি গোহাটী যাব নালাগে। দুই এক বৎসৰ বাদ গতি-ধাৰণ বুজি যাব। এই পৰামর্শ দিলে। ইহাই ভাল বুলিলত সুঁতি গ্রামৰ ভাগতী ব্রাহ্মণৰ ঘৰত থাকিবৰ দিলে। তাতে খুৰা সহিত কিছো দিন থকা হৈছিল। থকা ঘৰৰ আগচালিত মোক জেষ্ট শিৱকান্ত উত্তৰ-গোগ্রাহ পুথিৰ প্রথম পাত পাঠ দিছিল। পৌষ মাহে মঞি মাতিব নোৱাৰো দেখি পিঠিত এটা ছেকনি দ্বাৰা কোব মাৰিলে। তাতে মঞি ৰোদন কৰিব ধৰিলোঁ। ৺মাতৃ তৎকালে ভাত বান্ধিব ধৰিছিল। ক্রন্দন শুনি ত্রস্থমতে আহিল। জেষ্ট জনাই দেখি দাউৰি পলাল। মোক সোধাত ককায়ে মাৰিলে বুলি কলোঁ। পাচে, মাতা মোৰ কাখতে বহি ক'লে,—"গৰ্হি খোৱা লৰা! কিয় লৰাক মাৰে!" এই বুলি—"পঢ়, মাতিব পাৰিবি।"—কৈ চক্ষুৰ লোতক মুচি দিলে। পুথিলৈ চাও, দেখি মাতিব পাৰিলোঁ। ৺মাতৃয়ে দেখি আনন্দ হৈ—"আপুনি পঢ়িব পাৰ,—নালাগে পাঠ দিব।" এই বুলি কোৱাতে আমি তেতিয়াই চাৰি পাত-মান সুন্দৰ মাতিব পাৰিলোঁ। তদপৰ অন্যান্য ঠাইৰ পৰা পুথি বিচাৰি আনি পঢ়িব ধৰিলোঁ ॥ ১৩ ॥

সুঁতিগ্রামত থকাৰ কাৰণ

পঢ়িব নোৱাৰাত তাড়না

মাতৃৰ মৰমত পঢ়িব পৰা

সেই সুঁতি গ্রামত ঠাই সংকীর্ণ দেখি তলীয়া গ্রামৰ মাধব দেৱালয়ৰ দেৱলীয়া মাটি এক খণ্ড লৈ কৃষ্ণকান্ত খুৰা সহিত কয়েকটা ঘৰ কৰি থকা গ'ল ॥ ১৪ ॥

তলীয়া গ্রামলৈ অহা

ইংৰাজৰ প্ৰথম মাটি বন্দবস্ত

তদনন্তৰ ১৭৪৬ শকে ডেবিদ্ ইষ্কাট সাহেব কামৰূপৰ বুজৰ বৰুৱা প্ৰভিতিক তলৰ দি তেওঁলোকক কবুল মতে, সেই সনে বন্দবস্ত কৰি বিষ্ণুচন্দ্ৰ মুখপধ্যাক তহচীলদাৰ মকৰৰ কৰি তেওঁৰ হাতত টকা শোধাব দিলে। এবং হোৱাইট্ নামক সাহেব কালেক্টৰ হল ॥ ১৫ ॥

ডেবিড ইস্কাটৰ পৰা নিষ্কৰ জমি লাভ

তদপৰ আমাৰ পিতা ও খুৰা গোহাটী আহি ডেবিড ইষ্কাট সাহেব কমিচনাৰ সাক্ষাত হোৱাত অন্ধ দেখি সোধাত চন্দ্ৰকান্ত ৰাজাৰ নাম কৰি *মানহতক বেয়া বুলিলে।* এইকথা কোৱাত জীবদ্দশা পৰ্য্যন্ত নিষ্কৰ কৰি হাজো পৰগণাৰ ক্ষুদ্ৰ কুলহাটীৰ হিড়লা দলত ৰূপীত ১২ পুৰা দিলে ॥ ১৬ ॥

বিবাহাদি

সেই তলীয়া গ্ৰামত থকাতে কৃষ্ণকান্ত বৰুৱাৰ পুত্ৰ হলকান্ত আমাৰ মাতুলৰ দুহিতৃ জৰাইক বিবাহ কৰায়। এবং ৰুদ্ৰখৰি ঘৰৰ বগেই নামক কন্যাক অগ্ৰজ গোপীকান্ত ১৭৪৮ শকে বিবাহ কৰালে। তৎকালে আমি সৰু আছিলোঁ।

অঙ্ক, সন্ধি ও শব্দ পঢ়া

জেষ্ট গোপীকান্ত অঙ্ক পঢ়াইছিল। এবং নকুচি গ্ৰামৰ কানুৰাম শৰ্ম্মা ৰৰদেউৰীৰ ঘৰ, মধ্যে মধ্যে, বিষ্ণুকান্ত জেষ্ট ও খুৰাৰ পুত্ৰ বেজী ওৰফে ব্ৰজকান্ত সহিত যাই, আমি সন্ধি ও শব্দ পঢ়া হৈছিল ॥ ১৭ ॥

নও সনীয়া বন্দবস্ত

১৭৪৭ শাকে ইষ্কাট কমিচনাৰ সাহেব নও সনৰ নিয়মে বন্দবস্ত কৰিলে ॥ ১৮ ॥

প্ৰবৰ্ত্তনৰ কাৰণ ইংৰাজৰ চাকৰি

আমালোকৰ প্ৰবৰ্ত্তনৰ কঠিন হেতু আমাৰ জেষ্ট শিবকান্ত ও গোপীকান্ত গোহাটীত কমিচনৰ সাহেবেৰ চেৰস্তাত ২০ বিশ্ বিশ্ টকাত ১৭৪৮ শকত মহৰিৰ মকৰৰ হৈছিল কিন্তু অলপ দিনৰ মধ্যেই অৱসৰ হল। এবং খুৰা কৃষ্ণকান্ত বৰুৱা পঞ্চায়তৰ মহৰিৰ ১৫ টকাত হৈছিল ॥ ১৯ ॥

** মূল অস্পষ্ট, অনুমানহে

আমাৰ দুৰ্দ্দশা

হৰকান্তৰ উপনয়ন পিতাৰ পৰলোক

তদপৰ আমাৰ উপনয়নৰ কাল হোৱাত ১৭৫০ শকত চৈত্র-মাহে পিতা স্বয়ং উপনয়ন দি ১৭৫১ শকৰ শ্রাবণ মাহে শুক্লা তৃতীয়া তিথিত গ্রহণী বেমাৰে সেই তলীয়া গ্রামে স্বৰ্গী হ'ল। তৎকালে সৰ্ব্বজেষ্ট গোপীকান্ত ঘৰত নাছিল। কৰ্ম্মত মকৰৰ হৰৰ কাৰণে উজান অঞ্চলে গৈছিল। সহোদৰ জেষ্ট শিৱকান্ত ও বিষ্ণুকান্ত ও আমি প্রভিতি অগ্নিকৰ্ম্মাদি কৰা হৈছিল। জেষ্ট শিৱকান্ত মুখাগ্নি পূৰ্ব্বক কৰ্ম্ম লৈ অষ্টাদশ দান সমন্বিতে কৰ্ম্ম ও বলদেব শৰ্ম্মা ৰাজখোৱাকে অথচ নাম দান দিয়া হৈছিল। কানুৰাম শৰ্ম্মা ৰৰদেউৰী পুৰুহিত। সেই সময় গৌৰীকান্ত সৰু আছিল। পিতাৰ কণ্ঠে একটি একমুখী রুদ্রাক্ষ আছিল। দাহৰ পৰদিনা মনত পৰাতে জেষ্ট শিৱকান্ত দাহ স্থান খনন কৰি চোৱাতে, পোৱা নগল ॥ ২০ ॥

খুৰা পঞ্চায়তৰ মহৰিৰ হৈ গোহাটীত থাকে। আমিও কোন, কোন, সময় খুৰা সহিত আহি গোহাটীত থকা হয়, পুনৰ তলীয়া গ্রামে যোৱা হয় ॥ ২১ ॥

কৃষ্ণকান্ত বৰুৱা খুৰা বৰপঞ্চায়তৰ মহৰিৰ হৈ গোহাটীত থাকে। আমিও কোন, কোন, সময় খুৰা সহিত আহি গোহাটীত থকা হয়, পুনৰ তলীয়া গ্রামে যোৱা হয় ॥ ২১ ॥

জেষ্টসকলৰ উজানে যোৱা

তাহাৰ পৰ আমাৰ জেষ্ট শিৱকান্ত ও গোপীকান্ত ১৭৫৩ শকে উজানে যাই মানৰ দিনত থোৱা বস্তুজাত কমলাবাৰী সত্রৰ পৰা কিছো আনিলে। এবং বুলন ও বুদাই বন্দী ও জননী বেটী, ও গৰগাঞৈৰ পৰা সৰু ঘৰগিৰী ও মগলু খাতৰ পৰা ঘিণলগা, তস্য ঘৈণীয়েক ও জীয়েক সহিত আনিলে। অন্যস্থানে দ্রব্য বস্তু কিছু নাপালে। মানে নিয়া বুলি সকলোৱে মিছা মাতিলে। সে যাহওক, সৰু ঘৰগিৰী কিছো দিন থাকি, লৰা তিৰোতা সহিতে উঠি আহোঁ বুলি, পুনৰ গৰগাঞে গৈ, নাহিল ॥ ২২ ॥

উজানৰ পৰা মানুহ অনা

জেষ্ট তহশীলদাৰৰ মহৰি

সেই সময় আমালোকৰ কাৰো চাকৰি নাই। প্রবর্ত্তনৰ কঠিন দেখি শিৱকান্ত জেষ্ট উজান বহা চকীত যাই দুৱৰীয়া

ইংৰাজৰ প্ৰথম মাটি বন্দবস্ত

তদনন্তৰ ১৭৪৬ শকে ডেবিদ্ ইষ্কাট সাহেব কামৰূপৰ বুজৰ বকৰা প্ৰভিতিক তলৰ দি তেওঁলোকক কবুল মতে, সেই সনে বন্দবস্ত কৰি বিষ্ণুচন্দ্ৰ মুখপধ্যাক তহচীলদাৰ মকৰৰ কৰি তেওঁৰ হাতত টকা শোধাব দিলে। এবং হোৱাইট্ নামক সাহেব কালেক্টৰ হল ॥ ১৫ ॥

ডেবিড ইস্কাটৰ পৰা নিষ্কৰ জমি লাভ

তদপৰ আমাৰ পিতা ও খুৰা গোহাটী আহি ডেবিড ইষ্কাট সাহেব কমিচনাৰ সাক্ষাত হোৱাত অন্ধ দেখি সোধাত চন্দ্ৰকান্ত ৰাজাৰ নাম কৰি *মানহতক বেয়া বুলিলে।* এইকথা কোৱাত জীবদ্দশা পৰ্য্যন্ত নিষ্কৰ কৰি হাজো পৰগণাৰ ক্ষুদ্ৰ কুলহাটীৰ হিডলা দলত ৰূপীত ১২ পুৰা দিলে ॥ ১৬ ॥

বিবাহাদি

সেই তলীয়া গ্ৰামত থকাতে কৃষ্ণকান্ত বৰুৱাৰ পুত্ৰ হলকান্ত আমাৰ মাতুলৰ দুহিতৃ জৰাইক বিবাহ কৰায়। এবং ৰুদ্ৰখৰি ঘৰৰ বগেই নামক কন্যাক অগ্ৰজ গোপীকান্ত ১৭৪৮ শকে বিবাহ কৰালে। তৎকালে আমি সৰু আছিলোঁ। জেষ্ট গোপীকান্ত

অঙ্ক, সন্ধি ও শব্দ পঢ়া

অঙ্ক পঢ়াইছিল। এবং নকুচি গ্ৰামৰ কামুৰাম শৰ্ম্মা ববদেউৰীৰ ঘৰ, মধ্যে মধ্যে, বিষ্ণুকান্ত জেষ্ট ও খুৰাৰ পুত্ৰ বেজী ওৰফে ব্ৰজকান্ত সহিত যাই, আমি সন্ধি ও শব্দ পঢ়া হৈছিল ॥ ১৭ ॥

নও সনীয়া বন্দবস্ত

১৭৪৭ শাকে ইষ্কাট কমিচনাৰ সাহেব নও সনৰ নিয়মে বন্দবস্ত কৰিলে ॥ ১৮ ॥

প্ৰবৰ্ত্তনৰ কাৰণ ইংৰাজৰ চাকৰি

আমালোকৰ প্ৰবৰ্ত্তনৰ কঠিন হেতু আমাৰ জেষ্ট শিবকান্ত ও গোপীকান্ত গোহাটীত কমিচনৰ সাহেবেৰ চেৰস্তাত ২০ বিশ্ বিশ্ টকাত ১৭৪৮ শকত মহৰিৰ মকৰৰ হৈছিল কিন্তু অলপ দিনৰ মধ্যেই অৱসৰ হল। এবং খুৰা কৃষ্ণকান্ত বৰুৱা পঞ্চায়তৰ মহৰিৰ ১৫ টকাত হৈছিল ॥ ১৯ ॥

** মূল অস্পষ্ট, অনুমানহে

আমাৰ দুৰ্দ্দশা

হৰকান্তৰ উপনয়ন পিতাৰ পৰলোক

তদপৰ আমাৰ উপনয়নৰ কাল হোৱাত ১৭৫০ শকত চৈত্র-মাহে পিতা স্বয়ং উপনয়ন দি ১৭৫১ শকৰ শ্রাবণ মাহে শুক্লা তৃতীয়া তিথিত গ্রহণী বেমাৰে সেই তলীয়া গ্রামে স্বৰ্গী হ'ল। তৎকালে সর্ব্বজেষ্ট গোপীকান্ত ঘৰত নাছিল। কৰ্ম্মত মকৰৰ হৰৰ কাৰণে উজান অঞ্চলে গৈছিল। সহোদৰ জেষ্ট শিৱকান্ত ও বিষ্ণুকান্ত ও আমি প্রভিতি অগ্নিকৰ্ম্মাদি কৰা হৈছিল। জেষ্ট শিৱকান্ত মুখাগ্নি পূর্ব্বক কৰ্ম্ম লৈ অষ্টাদশ দান সমন্বিতে কৰ্ম্ম ও বলদেৱ শৰ্ম্মা ৰাজখোৱাকে অথচ নাম দান দিয়া হৈছিল। কানুৰাম শৰ্ম্মা ৰৰদেউৰী পুৰুহিত। সেই সময় গৌৰীকান্ত সৰু আছিল। পিতাৰ কণ্ঠে একটি একমুখী রুদ্রাক্ষ আছিল। দাহৰ পৰদিনা মনত পৰাতে জেষ্ট শিৱকান্ত দাহ স্থান খনন কৰি চোৱাতে, পোৱা নগল ॥ ২০ ॥

খুৱা পঞ্চায়তৰ মহৰিৰ গোহাটীলৈ অহা যোৱা

কৃষ্ণকান্ত বৰুৱা খুৱা ৰৰপঞ্চায়তৰ মহৰিৰ হৈ গোহাটীত থাকে। আমিও কোন, কোন, সময় খুৱা সহিত আহি গোহাটীত থকা হয়, পুনৰ তলীয়া গ্রামে যোৱা হয় ॥ ২১ ॥

জেষ্টসকলৰ উজানে যোৱা

উজানৰ পৰা মানুহ অনা

তাহাৰ পৰ আমাৰ জেষ্ট শিৱকান্ত ও গোপীকান্ত ১৭৫৩ শকে উজানে যাই মানৰ দিনত থোৱা বস্তুজাত কমলাবাৰী সত্রৰ পৰা কিছো আনিলে। এবং বুলন ও বুদাই বন্দী ও জননী বেটী, ও গৰগাওঁৰ পৰা সৰু ঘৰগিৰী ও মগলু খাতৰ পৰা ঘিণলগা, তস্য ঘৈণীয়েক ও জীয়েক সহিত আনিলে। অন্যস্থানে দ্রব্য বস্তু কিছু নাপালে। মানে নিয়া বুলি সকলোৱে মিছা মাতিলে। সে যাহওক, সৰু ঘৰগিৰী কিছো দিন থাকি, লৰা তিৰোতা সহিতে উঠি আহোঁ বুলি, পুনৰ গৰগাঞে গৈ, নাহিল ॥ ২২ ॥

জেষ্ট তহশীলদাৰৰ মহৰি

সেই সময় আমালোকৰ কাৰো চাকৰি নাই। প্রবর্ত্তনৰ কঠিন দেখি শিৱকান্ত জেষ্ট উজান বহা চকীত যাই দুৱৰীয়া

ঘৰৰ শম্ভুৰাম বৰুৱা তহচীলদাৰৰ (১) তাবে মহৰিৰ মকৰৰ হ'ল। এবং জেষ্ট গোপীকান্ত ৰুদ্রেশ্বৰ সাকিনে বুলন গোলামেৰ দ্বাৰা পাম ধৰি আছিল। আমি ও বিষ্ণুকান্ত ও গৌৰাকান্ত মাতা সমন্বিতে তলীয়া গ্রামতে আছিলোঁ। কিন্তু পৌষ মাহে ডকাইতৰ বৰ ধুম হ'ল। এক ৰাত্রি, বিষ্ণুকান্ত ও মৰঙ্গীয়াল ভকত নিদ্রা কৰিবৰ নহল। (২) তামাম ৰাত্রি হাতত লাঠি লৈ ঘূৰি আছিলোঁ। অতি ভয় পোৱা হৈছিল। প্রাতঃকাল হোৱাতে আমাৰ মাতৃ ও বৰ আই ধীৰ, ভকত সহিত পৰামর্শ কৰি, "ইয়াত থকা ভাল নহয়, ৰুদ্রেশ্বৰৰ পামে শীঘ্রে যাব লাগে" বুলি, আমাক ও বিষ্ণুকান্তক পঠোৱাত, খচকিতে সিন্দুৰী ঘোপা চকীয়েদি আহি, ৰুদ্রেশ্বৰত জেষ্ট গোপীকান্তত বৃতান্ত কোৱাতে, তেওঁ সকল কথা যোগেশ্বৰ সৰুজনা ন-গোসাঞী ব্রহ্মপুত্রৰ কিনাৰ উত্তৰ পাৰে থাকাতে কহিবা মাত্রে, উঠি আহিবৰ কাৰণে দুই হাতী দিলে। তাকে লৈ সেই দিনে যাই ১৭৫৭ শকৰ ফাগুন মাহে মাতৃ প্রভিতি সকলো উঠি আহি ৰুদ্রেশ্বৰৰ গড়ৰ পূব ফালে দুইটা ঘৰতে থকা হ'ল। কৃষ্ণকান্ত বৰুৱাৰ পুত্র হলকান্ত প্রভিতি ঐ তলীয়া সাকিণে থাকিল। সেই সময় আমাৰ জেষ্ট শিৰকান্ত ৰহা সাকিনে মহৰিৰ কামতে আছিল ॥ ২৩ ॥

কদ্রেশ্বৰত পাম ধৰা

ডকাইতৰ উৎপাত

তলীয়া হৈতে কদ্রেশ্বৰে অহা

তদপৰ আমালোক তলীয়া গ্রামৰ পৰা অহা দেখি কৃষ্ণকান্ত বৰুৱাৰ পুত্র হলকান্ত ও ব্রজকান্ত সপৰিবাৰে আহি ৰুদ্রেশ্বৰৰ গড়ৰ পূবফালে, আমালোকৰ কাথতে ১৭৫৪ শকে থাকিল। কৃষ্ণকান্ত বৰুৱাও তাতে থাকি গোহাটীত পঞ্চায়তৰ মহৰিৰ কর্ম্ম কৰিছিল ॥ ২৪ ॥

হলকান্তৰ কদ্রেশ্বৰে আহা

ঐ ১৭৫৪ শকৰ *আখেৰিতে আমাৰ জেষ্ট শিৰকান্ত ৰহা চকীৰ পৰা বেমাৰ পৰি অহাত পূর্ব্বপাৰ পৰগণাৰ দলমা গাৱঁৰ ধৈমাল ভকতক আনি চিকিৎসা কৰা হৈছিল। ক্রমাৎ

টোকা—*শেহত বা শেৰ সময়ত। (১) অধীন (২) গোটেই, সমস্ত

গ্রহণীমত বেমাৰ বেচি হলত, আমাৰ মাতা প্রভিতি ঐ ভকতে ভূত জপাইছে বুলি ভাবি অত্যন্ত বেস্ত হৈছিল। সেই সময় শ্রীকান্ত গজপুৰীয়া বৰুৱা খুৱাদেউ গোহাটীৰ পৰা সপৰিবাৰে উঠি আহি উত্তৰ পাৰে ব্রহ্মপুত্রৰ পাৰতে ঘৰ কৰি আছিল। তেওঁক মাতি অনাই বৃত্তান্ত সকল কোৱাত, দদাইদেৱে ভকতক অনেক ধমক দিয়াত, ঐ ভকতে চিকিৎসা কৰাত, ক্রমাৎ আৰাম হ'ল। সেই স্থানে সকলো একত্রে থকা হৈছিল ॥ ২৫ ॥

শিবকান্ত জেষ্টৰ বেমাৰ ও আৰাম

আমি বিভক্ত হোৱা

তদনন্তৰ আমালোকৰ বৰমাতা ধীৰ দেব্যা বিভক্ত হবৰ মনেৰে আমাৰ মাতা সহিত দন্দ-কাজিয়া কৰিবৰ আৰম্ভ কৰিলে। এবং কতেকদিন পৰে বিভক্ত হবৰ কাৰণে খোলোচা কৰি আমাৰ মাতাকে শপত দি কলে। তাতে মাতা বিৰক্ত হে আমাৰ জেষ্টক কোৱাতে, "গৌৰীকান্ত সৰু আছে, বিভক্ত নহওঁ" বুলি কোৱাতো, বৰ আই অগত্যা শপত দিয়াতে, মাতৃ কৃষ্ণকান্ত বৰুৱা খুৱাক মাতি আনি, আমাৰ পঞ্চভাইক ১৭৫৪ শকে বিভক্ত কৰি দিলে। তৎকালে গৌৰীকান্ত সৰু আছিল। আমাৰ ত্রিভাই অথচ শিৱকান্ত ও আমি ও গৌৰীকান্ত ভাগে কৰ্ণবালা ১ জোৰ, বাখৰপতা সৰু বিৰি ১ ধাৰ, কাপঘৰীয়া সোণৰ বিৰি ১ ধাৰ, সোণৰ হাৰ ১ ধাৰ, সোণৰ খৰিকা চুঙা ১টা, সোণৰ বাখৰামী কেৰু ১ জোৰ আমাৰ তিনি ভাইৰ ভাগত পৰিল। এবং তেওঁলোক অথচ গোপীকান্ত ও বিষ্ণুকান্তৰ ভাগত —সোণৰ জুমুৰ ১ একজোৰ, ডালিমা ডাঙৰ বাখৰৰ চাবকলি ১ ধাৰ, সোণৰ লোকাপাৰ ১ জোৰ, সোণৰ বিৰি ১ ধাৰ পৰিল। অন্য দ্রব্য কি নগদ কিছোমাত্র নাই। আমাৰ ভাগে শঙ্কৰা বন্দী ও বুদাই, ও শিৱকান্ত জেষ্টৰ বাতিয়া ও জননী বেটী, গৌৰীকান্তৰ ঘিলগা, তস্য পত্নি ও জীয়েক। গোপীকান্ত

বিভক্ত উপক্রম

বিভক্ত হোৱা

ভাগত পোৱা বস্তুজাত

জেষ্টৰ বুলন, তস্য জীয়েক আঘণী, বিষ্ণুকান্তৰ মেমেৰা বন্দী পৰিছিল। আমাৰ জেষ্ট, গৌৰীকান্ত সৰু থকা হেতু "বিভক্ত নহওঁ" বুলি ওজৰ কৰাতে, সৰ্ব্বজেষ্ট গোপীকান্ত কলে যে "ঘিণলগা বন্দীয়ে, কান্ধত লৈ ভিক্ষা কৰি খাব," এনে বুলিলে, তাতেহে আমাৰ বিৰক্ত হৈ, জেষ্ট—বিভক্ত হল ॥ ২৬ ॥

হলকান্তৰ কদ্রেশ্বৰলৈ অহা ও ঠাই সালাৰ

অতঃপৰ আমি সকলো গড়ৰ পূবফালে আছিলোঁ। কিন্তু তাত জাগা সংকীর্ণ হেতু গড়ৰ পশ্চিম ফালে ১৭৫৪ শকে ঘৰ কৰি থকা হ'ল, ও কৃষ্ণকান্ত খুৰাৰ পুত্ৰ হলকান্ত, তলীয়া গ্ৰামত অকলে থকা দেখি, তাৰ পৰা উঠি সপৰিবাৰে আহি, আমাৰ পশ্চিমে হাবি কাটি ঘৰ কৰি থাকিল। কিন্তু তাত হাবিৰ মাজ দেখি অলপ কালৰ মধ্যেই পুনৰ আমালোকৰ কাষত হোলাৰ উত্তৰ-পাৰৰ কাষতে ঘৰ কৰি থাকিল ॥ ২৭ ॥

কদ্রেশ্বৰ এখন গ্ৰাম হোৱা

পাচে অমাৰ মাতুল অনাদৰ বৰদলৈ, তস্য স্ত্ৰী মামী জাতিফুল ও দুৰ্গাৰাম ওৰফে কলীয়া কানাই, তৎমাতা মচম্মত লক্ষ্মী জেঠী, ও চানা ওৰফে কল্পনাথ বৰদলৈ, ও কৃষ্ণকান্ত বৰুৱাৰ পত্নী, মঃ কণিকীৰ ভ্ৰাতা দেৱৰীয়া ঘৰৰ সাধি গণক প্ৰভিতি আহি আমাৰ কাষতে ঘৰ কৰি থাকিল। তাতে একখন গ্ৰামৰ মত হল, ও আমালোকৰ যুক্তি দিহা মতে সকলো—চলাচল হৈছিল। সেইস্থানে বিষ্ণুকান্ত জেষ্ট, উজীৰৰ ঘৰৰ ভূৱামৰ বহিনীক বিবাহ কৰাইছিল ॥ ২৮ ॥

বিষ্ণুকান্তৰ বিবাহ

লাল-বন্দী

পুৰন্দৰ ৰাজাৰ লালবন্দী

তদপৰ ঐ ১৭৫৪ শকৰ চৈত্ৰ মাহে পুৰন্দৰ ৰাজাক উজান-খণ্ড দক্ষিণে ধনশিৰী নদী, উত্তৰে কচুজানকে সীমা কৰি শদিয়াতক ৫০,০০০ পঞ্চাশ হাজাৰ টাকাত লাল-বন্দী কৰি দিবৰ সদৰৰ পৰা হুকুম অহা খবৰ হ'ল। সে হেতু উজানে লোক কতো কতো যাবৰ উদ্যম হ'ল ॥ ২৯ ॥

অতঃপৰ ১৭৫৫ শক ও বাঙ্গালা ১২৪০ সন প্ৰবেশ হ'ল। ইতঃপূৰ্ব্বে বাবিন্‌চন কমিহনাৰ সাহেবৰ বেপট মুৰত লাল-বন্দীৰ মঞ্জুৰী হুকুম সদৰৰ পৰা অহাতে জিনকীনস্ কমিচনৰ সেই হুকুম প্ৰচাৰ কৰিলত পুৱন্দৰ ৰাজা সপৰিবাৰে লতাশিলৰ বাহৰ হৈতে উজানে ৰওনা হ'ল, অথচ জৈষ্ট মাহে ৰওনা হৈ গল। এবং তেহোৰ সঙ্গে কৃষ্ণকান্ত বৰুৱা খুৰা একাই অথচ পৰিবাৰ ৰাখি গল। তেওঁৰ পুত্ৰ হলকান্ত পঞ্চায়তৰ মহৰিৰ অথচ বাপেকৰ কৰ্ম্মতে মকৰৰ হৈ থাকিল। খুৰা কৃষ্ণকান্ত বৰুৱাক পুৱন্দৰ ৰাজাই মজুন্দাৰ বৰুৱা পাতি মণিৰাম দেৱানক কালেক্টৰি ও কাশীনাথ তামুলী ফোকনক দেৱানী ও লঠৌ খাৰঘৰীয়া ফোকনক ফৌজদাৰীৰ চেৰস্তাদাৰ পাতিলে। আৰু বুঢ়াগোহাঞী ও ৰৰগোহাঞী, ৰৰপাত্ৰ আদি বিষয়া পাতি, সেই সেই ডাগি বা মহলৰ, খাজানা সাধিবৰ নিয়ম কৰি দিলে ॥ ৩০ ॥

পুৱন্দৰ ৰাজাৰ উজানে যোৱা

উজানৰ বিষয়

এই সকল কথা শুনি আমাৰ জেষ্ট গোপীকান্ত বৰুৱা কাম পাবৰ ভাৰসাতে কাৰ্ত্তিক মাহে উজান যোৱহাটে গৈ পুৱন্দৰ ৰাজাক ধৰি লঠৌ খাৰ ঘৰীয়া ফোকন হোৱাতে, তৎ কৰ্ম্মে ফৌজাদাৰীৰ চেৰস্তাদাৰ মকৰৰ হ'ল ॥ ৩১ ॥

উজানে গোপীকান্ত শেৰস্তাদাৰ হোৱা

আমাৰ কঠিন প্ৰবৰ্ত্তন

তদপৰ আমাৰ জেষ্ট শিৱকান্ত প্ৰবৰ্ত্তনৰ কোনো উছিলা নেদেখি, গোহাটী যাই দুৱৰীয়া ঘৰৰ জন্তৰাম খাৰঘৰীয়া ফোকন কালেক্টৰিৰ চেৰস্তাদাৰত ধৰি উমেদাৰী কৰি লিখাপঢ়া কৰি আছিল। পৰে চৈত্ৰ মাহে কালেক্টৰিৰ নকল-নবীচী কৰ্ম্মত ২০৲ টকাত মকৰৰ হল। আমিও তাতে লিখাপঢ়া কৰি আছিলোঁ। সেই সময় কাপ্তেন বগল সাহেব কালেক্টৰ আছিল ও বিষ্ণুকান্ত জেষ্ট, উজান তেজপুৰে বাই, মহৰিৰ কামত মকৰৰ হ'ল ॥ ৩২ ॥

শিৱকান্ত মহৰিৰ মকৰৰ

পৰগণা বন্দবস্ত-কমিচনৰ জিনকিঞ্চ্

আমাৰ হাজো পৰগণা ও মঞি মহৰিৰ মকৰৰ

অতঃপৰ ১৭৫৬ শক ও বাঙ্গালা ১২৪১ সন প্রবেশ হল ও ইংৰেজী ১৮৩৪।৩৫ সন হল। ও জিনকিঞ্চ, কমিচনৰ ও বগল সাহেব কালেক্টৰ আছিল। এওঁ কালেক্টৰ সাহেব মহা বুদ্ধিমান ও কর্ম্মত বৰ পটু ও লায়ক আছিল। আগৰ পৰগণা সকল খণ্ড খণ্ড কৰি চৌহৰ্দ্দ পূর্ব্বক বন্দবস্ত কৰিবৰ আৰম্ভ কৰিলে, আমাৰ জেষ্ট শিৱকান্ত পৰিশ্রম কৰি পৰগণা লবৰ ফিকিৰ কৰি থাকিল। পৰে আমাৰ অথচ মোৰ নামে নতুন হাজো পৰগণা নাম দি বন্দবস্ত কৰাই পেয়াল কৰাবৰ হুকুম কৰালে। পৰে ১৮৩৫ ইংৰেজীৰ ২৩ জুন আমাকে ঐ ২০ টাকাতে কালেক্টৰিৰ নকল-নবিচী-কর্ম্মত মকৰৰ কৰাই, তেহো হাজো পৰগণা পেয়াল কৰিবৰ কাৰণে বওনা হৈ গ'ল ॥ ৩৩ ॥

আমি নকল-নবীচ

পঞ্চায়ত

আমি সৰকাৰে নকল-নবীচী কর্ম্ম কৰি আছিলো। সেই সময় জজ্ঞৰাম খাৰঘৰীয়া ফোকন চেৰস্তাদাৰ আছিল। ও দেৱৰৰ বৰদলৈ সৰাসৰি চেৰস্তাৰ সর্দ্দাৰ পঞ্চায়ত ৪০ টাকা দৰমাহাত ও বাপুৰাম বৰফোকন বৰপঞ্চায়ত আছিল ॥ ৩৪ ॥

পৰগণা বন্দবস্ত

চৌধাৰী ঠাকুৰীয়া কাকতী, পটৱাৰী সাড়া বা টেকেলা

বগল কালেক্টৰ সাহেব পৰগণা সকলৰ আগতে যাৰ যি বাকী খাজানা আছিল, সেই সকলৰ লেঠা গুচাই অথচ সদৰে ৰেপট কৰি মাফ্‌দি খেৰাজ ৰূপীত মাটী ১, পুৰাত ॥০ আনা, লাখৰাজ তদর্দ্ধ; লেড়াইৰ যুদ্ধ খৰছ বুলি পৰগণাৰ চৌধাৰী খেতাপে, শতকৰা ১৪।০ আনা কমিচন আৰু মান মাটিদি, ৫০০।৫০০, টাকাত এক একজন ঠাকুৰীয়া ও সাড়া বা টেকেলা, এক এক কাকতী, ও এক এক পটৱাৰী, প্রত্যেক পৰগণায় মকৰৰ

কৰিলে। অথচ ১৪।০ অনা কমিচন মধ্যে, ৭ টাকা চৌধাৰীৰ, ।০ আনা কাগজাদিৰ খৰছ, এক টাকা পাটৱাৰীৰ, ৪ টকা ঠাকুৰীয়াৰ, ২ টকা কাকতীৰ আৰু মান শতকৰা ১ পুৰা বাদ দি, সাৰা জমাৰ নির্ণয় কৰি তিন কিস্তি কৰি দিলে। এবং নাবালিকী ৰাজামহৰী উঠাই ফৰকাবাদী বন্দবস্ত কৰিলে ॥ ৩৫ ॥

আৰু কামৰূপ জেলাত যত সত্র আছে, সকলোৰে কাৰণ খাওন্দৰ ঘৰৰ দয়াৰাম শর্ম্মণ সত্রীয়া বৰুৱা নামে একজন মকৰৰ কৰি ধর্ম্মপুৰ নামে এক পৰগণা তেওঁৰ সহিত বন্দবস্ত কৰিলে ॥ ৩৬ ॥ সত্রীয়া বৰুৱা

এই সনৰ পৰা মুণ্ডৱালা নতুন ফৰকাবাদী টাকা বাহেৰ হ'ল। ও জনাজাত ৰায়তৰ পাট্টা হ'ল ॥ ৩৭ ॥ মুণ্ডৱালা ফৰকাবাদী টাকা

আৰু শেষ পৰগণা বুলি ৰৰপেটা প্রভিতি খাৰিজ হৈ কাৰকট্ নামে সাহেৰ একজন আলাহেদা মকৰ হ'ল ॥ ৩৮ ॥ ৰৰপেটাত আলাহেদা সাহেৰ

ও লাখৰাজ মাটি সকল তহ্কীক্ কৰিবৰ কাৰণে আলাহেদা অথচ পৃথক চেৰস্তা হৈ উমানাথ ভট্টাচার্য্য পেচ্কাৰ হল। ও বগল সাহেৰ নিজে ইম্পেচীয়েল ডুটী খেতাপ লৈ *তহকীকেৰ আৰম্ভ কৰিলে ॥ ৩৯ ॥ লাখৰাজ চেৰস্তা

এই সনে আউনী আটীয়া অধিকাৰী কুশদেও গোসাঞী ভৰলু সত্রতে আছিল। ঘিণাই চৰন্ধুৰাৰ যুক্তিমতে ও অধিকাৰী গোহাঞীৰ অনুমতি সাৰে দেওবৰ ৰৰদলৈৰ দুহিতৃ পদ্মাক আমাৰ জেষ্ট শিৱকান্ত জন্যে খুজি, কোন মতে আমাৰ তিন ভ্রাতৃৰ গহনাদি দ্রব্য জোঁটাই, সোণৰ খাৰু ১ জোৰ, সোণৰ হাৰ একধাৰ, বাখৰপতা বিৰি ১ ধাৰ, সোণৰ বাখৰপতা কেৰু ১ জোৰ, বাখৰ পতা সোণৰ আঙ্গঠি ৫ গোট, ছোট নামচাৰ সহিত মুকুতা ১ ধাৰ, সোণৰ চিপতমণি ১ ধাৰ, থুপীয়া মণি ১ ধাৰ, সোণৰ বিৰি ১ ধাৰ, কিংখাপৰ মেখলা ১ খন, গাজৰ দেওবৰ ৰৰদলৈৰ জীয়েকক জোৰণ দিয়া

টোকা—* তহকীক=তদন্ত।

ৰিহা ১ খন, খনীয়া কাপুৰ ১ খন, পাটৰ ৰিহা মেখেলা ১ জোৰ, মোগাৰ ২ জোৰ, জোৱণত দিবৰ স্থিৰ হল। তাতে আমাৰ মাতৃয়ে কৈছিল যে, এই সকল ভায়েৰহঁতৰো আজৰি হল। তাতে জেষ্টই কৈছিল, ভাল মানুহৰ ছোৱালী খোজা গৈছে, ইয়াত ভাল ৰস্তু নিদিলে হাহিব, এনেকলে। তাতে মাতৃ সম্মতহৈ মনে মনে থাকিল। এবং মণি বিৰি ভাঙ্গি সোণৰ খাৰু, হাজোৰ বিৰি সোণাৰি দ্বাৰা তৈয়াৰ কৰালে। দেৱৰৰ ৰৱদলৈৰ জীয়েকৰ সহিত ৰাহি-জোৰা চাই স্থিৰ কৰিলে ॥ ৪০ ॥

আমি শৰণ হোৱা

তদপৰ এই সনৰ আষাৰ মাহে আমাৰ জেষ্ট শিৱকান্ত ও আমি অগ্রপশ্চাৎ আউনীআটী কুশদেও অধিকাৰী গোসাঞীত শৰণ লোৱা হ'ল। এই কৰ্ম্ম কেৱল ঘিণাই চৰন্ধুৱাৰ উদ্যোগ দ্বাৰা হ'ল। তাহাতে যোগেশ্বৰ সকজনা ন-গোসাঞী অত্যন্ত নাৰাজ হৈ আমালোকক দ্বেষ কৰিছিল যে, তিনি পুৰুষীয়া শিষ্য বুলি। তাতে গোপীকান্ত ও ৰমাকান্তক আগে মন্ত্র দিছিল। তেওঁলোক অথচ ৰতিকান্ত সকু জনা গোসাঞীকে লগাই লগাই দিছিল ॥ ৪১ ॥

আমি একটিং পৰৱানা নবীচ মকৰৰ

আমি নকল-নবীচী কৰ্ম্মতে থাকি ১৮৩৫ ইংৰেজী ১ নৱেম্বৰ একটিং পৰৱানা-নবীচ ২৪৷৷০ টাকাত মকৰৰ হওঁ ॥ ৪২ ॥

পুৰন্দৰ ৰাজাৰ শাসন

উজান শিবসাগৰ অথচ যোৰহাটত পুৰন্দৰ ৰাজা লাল-বন্দী পাই দেশ শাসন কৰিব ধৰিলে কিন্তু তৎপুত্র কামেশ্বৰ চাৰিঙ্গ ৰাজাক লাল-বন্দীৰ টাকা লবৰ, পুৰন্দৰ ৰাজা অধ্যক্ষ পাতিলে। তেওঁ বিষয়াসকলক টান দি অনেক দণ্ড কৰা শুনা গৈছিল ॥৪৩॥

আমাৰ জেষ্ঠ ও আমাৰ বিবাহ

অতঃপৰ ১৭৫৭ শক ও ১২৪২ বাঙ্গালা সন প্রবেশ হল, এবং ১৮৩৫ ও ৩৬ ইংৰেজী সন হল।

এই সনৰ বৈশাগ মাহে আমাৰ জেষ্ট শিৱকান্ত কাৰণ

দেওবৰ ৰৱদলৈৰ জীয়েক পদ্মাক পূৰ্ব্বোক্ত সোণৰ খাৰু ১ জোৰ, সোণৰ হাৰ ১ ধাৰ, বাখৰপতা কেৰু ১ জোৰ, সোণৰ বাখৰপতা আঙ্গুঠি ৫ গোট, ছোট নামচাৰ সহিত মুকুতা ১ ধাৰ, সোণৰ চিপতমণি ১ ধাৰ, থুপীয়া মণি ১ ধাৰ, সোণৰ উকা বিৰি ১ ধাৰ প্ৰবাল মণি সোণৰ সহিত, কিংখাপৰ মেখলা ১, গাজৰ কিহা ১, খনীয়া কাপুৰ ১, পাটৰ বিহা মেখেলা ১ জোৰ, মোগাৰ ২ জোৰ দি জোৰণ পিন্ধাই সাতদিনীয়াকৈ পানী তোলি কন্দ্রেশ্বৰ হৈতে বিবাহ কৰালে। ঐ বিবাহে মোহন বায় পানী ফোকনে অনেক সাহায্য দিছিল। ও পুৰন্দৰ বাজাই সকজনা ন-গোসঞীক এক চৰা নাউ দিছিল। সেই নাৱত দৰা ও অনন্য নাৱত হাজোৱলীয়া গাৱন-বায়ন চুৰীয়া কালীয়া আদি ব্ৰহ্মপুত্ৰ পাৰ হৈ দেৱৰৰ ৰৱদলৈৰ ঘৰত বিবাহ হল। কিন্তু অজ্ঞাতে পীৰাত ডোল লগাই থৈছিল। দৰা বৰণ কৰাৰ পৰে পীৰা টানাটানি কৰি, কন্যা-ঘৰীয়াই নিলে। তাতে দৰা পীৰাৰ পৰা পৰিবৰ মত হৈছিল। পৰে বিবাহ হ'ল। প্ৰাতসে আপন ঘৰে কন্যা সহিত অহা হ'ল। কিন্তু ঘৰ সোমায়েই মাতৃক সেৱা কৰি, অহা মানুহ-দুনুহ সহিত বাপেকৰ ঘৰে গ'ল। এহাতে মাতৃ প্ৰভিতি কিছো বেজাৰৰ মত হৈছিল। আমি প্ৰথম দৰা সহিত একত্ৰে গৈছিলোঁ। আমাক বাট-ঘৰতে দৰাৰ কাখতে দেখি "ৰৱদলৈ, বপা আহা" বুলি ভিতৰত বিবাহ স্থলিত বহুৱালে। এখেত যে পীৰা জন্যে টানাটানি হৈছিল, আমি জনা নাছিলোঁ। পৰেহে জানা হ'ল ॥ ৪৪ ॥

জেষ্ঠ শিবকান্তৰ বিবাহ

তাহাৰ পৰ ঐ বহাগ মাহেৰ ৭ দিন পৰে, অথচ আমাৰ জেষ্টৰ বিবাহৰ ৭ দিন পৰে, দেওদত্ত ৰৱদলৈৰ জীয়েক সাবিত্ৰীক আমাৰ জন্যে খুজি জোৱা-কাৰণ চাই স্থিৰ হোৱাতে ৰূপৰ সোণ খতা খাৰু ১ জোৰ, সোণৰ বিৰি ১ ধাৰ, সোণৰ বাখৰপতা বিৰি অথচ ওকা বিৰি প্ৰবাল সোণৰ মণি সহিত ১ ধাৰ, সোণৰ

আমাৰ বিবাহ

বাখৰপতা কেৰু ১ জোৰ, সোণৰ বাখৰপতা আঙ্গুঠি ৫ গোট, কিংখাপৰ মেখলা ১, গাজৰ বিহা ১, খনীয়া কাপুৰ ১, পাটৰ বিহা মেখলা ১ জোৰ, মোগাৰ ২ জোৰ, জোৰণ পিন্ধাই সাতদিনিয়াকৈ পানী তোলি হাজোৱলীয়া গায়ন-বায়ন নাচনিয়াৰ ও ঢুলীয়া-ডগৰীয়া সহিতে সৰুজনা গোসাঞীৰ চৰানাৱে সহিত ও অনন্য নাউ সহিত পাৰহৈ শুক্রেশ্বৰ দেৱালয়ৰ ঘাট পোৱাতে বৰ ধুমুহা আহিল। মঞি কোনোমতে নাৱৰ পৰা দোলাত উঠি দেবালয়ৰ ঘৰত সোমালোঁ। হাজোৱলীয়া গায়ন-বায়ন ও ঢুলীয়াৰ নাউ, কাখ চপা মাত্র বুৰিল। কাপুৰ-কানি ভিজি হাৱা-ৰাৱা হৈছিল। পৰে দেৱালয়ত উঠি কাপুৰ-কানি চেপি ও জুইধৰি শুকাই ৰ বতৰ ভাল হোৱাতে, পুনৰ দোলাত উঠি গায়ন-বায়ন সমেত যাই সুন্দৰ মতে বিবাহ হ'ল। পীৰাদিৰ জন্যে কোন কাজিয়া নহল। তদপৰ প্রাতসে ৰুদ্রেশ্বৰ সাকিনে কন্যা সহিতে অহা হল। ও নিয়মমতে কন্যা পিতামাতাৰ ঘৰে পঠাই দিয়া হ'ল ॥ ৪৫ ॥

ধুমুহাই পোৱা

এই সনেও জিনকিঞ্চন্ কমিচনৰ ও বগল কালেক্টৰ সাহেব, আমাৰ জেষ্ট শিৱকান্ত হাজো পৰগণা পেয়াল কৰি কাগজ দাখিল কৰাতে, আমাৰ অথচ মোৰ নামে পৰগণা বন্দবস্ত হ'ল। কিন্তু জেষ্টই সকল কর্ম্ম অথচ পাটৰাৰী ও ঠাকুৰীয়া ও কাকতী, সাড়া, টেকেলা নতুন কৰি মকৰৰ কৰি খাজানা ৰাচিল, তহচীল কৰি, সৰকাৰে দাখিল কৰিছিল। মঞি সৰকাৰত নকল-নবীচী কর্ম্ম কৰি আছিলোঁ। এবং হাজো পৰগণাৰ উবাৰ, তলীয়া, তেতেলীয়া মৌজাৰ মাটি মান মাটি বাবে ৰাখিলে। ও শতকৰা ১৪।০ আনা কমিচন ও মান মাটি জমা-বন্দী বাদ দি সাৰা জমা স্থিৰ পূর্ব্বক তিনি কিস্তি কৰি দিলে। এবং একসনা ম্যাদে বন্দবস্ত কৰিলে। ৰবি বস্তিত খাজানা নাই ॥ ৪৬ ॥

মোৰ নামে পৰগণা বন্দবস্ত

উজান খণ্ডত পুৰন্দৰ ৰাজাৰ পুত্র কামেশ্বৰ চাৰিঙ্গ ৰাজা

লাল-বন্দিৰ খাজানা তহচীলৰ ভাৰ পাই বিষয়া সকলক খাজানাৰ জন্যে শাস্তি কৰি ধৰি অনেক দুৰ্গতি কৰিব ধৰিলে। এবং পুৰন্দৰ ৰাজা ও তেহোৰ ৰাণীসকল, আৰো তৎপুত্ৰ চাৰিঙ্গ ৰাজা ও তেওঁৰ ভাৰ্য্যাসকল ও চেৰাস্তাদাৰসকল ভেঁটী খাই বিষয়াদি ভঙ্গা-পতাৰ অত্যন্ত প্ৰবল হ'ল ॥ ৪৭ ॥ * * * *

লাল-বন্দীৰ বিষয়াৰ শাস্তি

ইংৰাজৰ পট্টাজাৰি নিয়ম

তদপৰ ১৭৫৮ শক ও ১২৪৩ সন ও ১৮৩৬।৩৭ সন ইংৰেজী প্ৰবেশ হল।

এই সনেও জিনকিঞ্চন কমিচনৰ ও বগল সাহেব কালেক্টৰ আছিল।

খেৰাজী মাটী ১ পুৰাত ॥০ আঠ আনা, লাখৰাজৰ পুৰাত ০ অনা নিৰিখ কৰি ফৰকাবাদী টাকাৰ ১৪।০ আনা কমিচন মান মাটি বাদ দি, তিনি কিস্তি কৰি বন্দবস্ত, মোৰ নামে, একসনা ন্যাদে বন্দবস্ত কৰিলে। ৰৰি বস্তিত খাজানা নাই কিন্তু খৰিকা-টানা বুলি উত্তম চকত ৩ টাকা, মধ্যম লোকৰ চকত ২ টকা, সামান্যত ১ টাকা, গোলাম বন্ধাত ॥০ অনা লগালে ॥ ৪৮ ॥

জমাজমিৰ বন্দবস্ত

হাজো পৰগণা আমাৰ নামে বন্দবস্ত কিন্তু আমাৰ জেষ্ট জনাই সকল কৰ্ম্ম কৰিছিল। আমি কালেক্টৰিত নকল-নবীচী কৰ্ম্ম কৰি আছিলোঁ। পৰগণা দেখিবৰ মোৰ জেষ্টৰ আগত কোৱাতে, অথচ পৰগণা দেখিবৰ মোৰ বৰ উৎসাহ হোৱাতে, জেষ্টক আগত কোৱাতে, আহ্লাদিত হৈ যাবৰ অনুমতি দিয়াতে, ফেৰৱাৰী মাহে এক মাসেৰ ছুটী লৈ যাই, আমাৰ পুৰোহিত নকুচি গ্ৰামৰ কানুৰাম শৰ্ম্মা ৰৰদেওৰীৰ ঘৰতে আছিলোঁ। এনেতে ফাগুন মাহে ৰাত্ৰি কদ্রেশ্বৰ সাকিনে ৰ পোৱা খৰৰ পাই, লোকজনত কৈ কিছো তাম-পিতল সংগ্ৰহ ৰ্ব্বক লৈ শীঘ্ৰে ঘৰে অহা হ'ল। অন্যখানে যোৱা নহল।

মঞ্জি পৰগণা চাৰলৈ যোৱা

কদ্রেশ্বৰে ঘৰপোৱা শুনি অহা

তাতে জেষ্টই অসন্তোষ কৰি কৈছিল যে, মই ভাই হতঁক দুখীয়া কৰিলোঁ। ঘৰ পুৰি সকল নষ্ট কৰিলে কিন্তু ৰৱজনা জেষ্ট গোপীকান্তৰ ফালৰ ঘৰ নষ্ট নহল। তেওঁলোকৰ ঘৰ আমাৰ পশ্চিম ফালে কিঞ্চিৎ নিলগ আছিল ॥ ৪৯ ॥

ঘৰপোৰাত সাহায্য পোৱা

পৰে সেই ঠাই অথচ পোৰা ভেঁটিতে ঘৰ তোলা গ'ল। মোহন ৰায় পানী ফোকনে ৰৰ সাহায্য কৰিছিল। ও আউনী-আটীয় কুশদেউ অধিকাৰ গোস্বামী তাম-পিতল এসোজলি দি পঠাইছিল ॥ ৫০ ॥

মঞ্জি আচালতন সকল নৰীচ হোৱা

তাৰপৰ আমি কৰ্ম্মত হাজিৰ হৈ কৰ্ম্ম কৰি আছিলোঁ। কৰ্ম্মত একটীং নাই, এনে ছুটী লৈ গৈছিলোঁ। কিন্তু এই সনৰ ১৮৩৭ ইং ২৮ সেপ্তাম্বৰ মঞ্জি আচালতন নকলনবীচ্ ২০ টকাত মকৰৰ হলোঁ এবং মকৰৰ হৈ, পৰেহে ফাগুন মাহে পৰগণায় গৈছিলোঁ ॥ ৫১ ॥

পুৰন্দৰ ৰাজাৰ দৌৰাত্যত জেষ্ট গোপীকান্ত গৌহাটী অহা

উজান খণ্ডত পুৰন্দৰ ৰাজা লাল-বন্দী পাই অনেক দৌৰাত্য কৰা শুনা গৈছিল। এবং তেওঁলোকৰ দৌৰাত্যত তিষ্ঠিব নোৱাৰি জেষ্ট গোপীকান্ত বৰুৱা কামৰূপ গুৱাহাটী আহিল, অথচ ৰৱখাস্ত কৰিলে। লঠৌধৰ ফোকন তৎকৰ্ম্মে মকৰৰ হল ; শুনা গ'ল ॥ ৫২ ॥

বগল সাহেব কমীসনৰ হৈ বদলি

এই সনৰ আখেৰি চৈত্ৰ মাহে বগল সাহেব কালেক্টৰ, খোচ্‌নামীতে বাঙ্গুলে কমিচনৰ হৈ যাব হেন শুনা গ'ল। এওঁ সাহেব অতি কৰ্ম্মদক্ষ ও কামৰূপত নতুন সৃষ্টি কৰি চলালে। তাৰে পৰাহে জনাজাত পট্টাজাৰি হ'ল। ওৱাচিল তহচীলৰ বহী তালিকা, ঠাকুৰীয়া কাকতী, ও চৌধাৰী তদ্রূপ পাটৱাৰী লিখিব ও ৰোজনাম্‌চা জমা-খৰচ লিখিবৰ নিয়ম হল ॥ ৫৩ ॥

আমি আউনীআটীত শৰণ লোৱা—
সত্যবাদী পানী ফোকন—শোক-তাপ আদি

অতঃপৰ ১৭৫৯ শক—ও ১২৪৪ বাঙ্গালা সন ১৮৩৭।৩৮ ইংৰেজী সন প্ৰবেশ হল।

এই সনেও জিনকিঞ্চন কমিচনৰ ও বগল সাহেব কালেক্টৰ আছিল কিন্তু সেই মাহে তেও বাঙ্গুলেৰ কমিচনৰ মকৰৰ হৈ যোৱাতে মিথি সাহেব কালেক্টৰ হল, ও বগল কালেক্টৰ সাহেব ভটীয়াই যাই গোৱালপাৰাৰ পৰা খোচ্‌নামী এক চিঠি মোৰ নামে ডাকত পঠাই দিলে। আমাৰ জেষ্ট ঐ চিঠি পাই, হাহি হাহি মোৰ হাতত দি কলে, "সৰকাৰী কৰ্ম্মত তোমাৰ খোচ্‌নামী আছিল, ও হাজো পৰগণাও তোমাৰ নামে, মোৰ একো নাই", এই বুলি আহ্লাদিত হৈ কৈছিল। ও মোক আপোন প্ৰাণ হেন দেখিছিল ॥ ৫৪ ॥

বগল সাহেবৰ ঠাইত মিথি সাহেব কালেক্টৰ

সে যাহক, মিথি সাহেব কালেক্টৰৰ জেম্বায় লাখৰাজ চেৰস্তা থাকিল। ইস্পেচীয়েল ডুটী খেতাপে মকৰ্দ্দমা সকল ফয়চল কৰিছিল ॥ ৫৫ ॥

মিথি সাহেব কালেক্টৰ হৈ গত সনৰ নিৰিখ ও বেৱস্থামতে অনন্ত পৰগণা ও হাজো পৰগণা মোৰ নামে একসনা ম্যাদে বন্দবস্ত কৰিলে ॥ ৫৬ ॥

হাজো পৰগণা মোৰ নামে বন্দবস্ত

আমাৰ জেষ্ট শিবকান্ত আউনীআটী অধিকাৰ গোসাঞীত শৰণ লোৱা হেতু যোগেশ্বৰ সকজনা ন-গোসাঞী অনেক গালি ও শাও শপনি ও ধমক দিছিল। কিন্তু এইসকল বিবৰণ আউনীআটীয়া অধিকাৰী গোসাঞী জ্ঞাত হৈ ভকত পঠাই ডাঠ মতে কোৱাইছিল। তথাপি শাও শপনি দিবৰ ক্ষান্ত নাথাকিল। তাতে আমাৰ জেষ্ট গোপীকান্ত, ৰতিকান্ত, মন্ত্ৰলৈ ন-গোসাঞীৰ পক্ষ অবলম্বন কৰিছিল; কিন্তু কিছো কৰিব নোৱাৰিলে ॥ ৫৭ ॥

সকজনা ন-গোসাঞী অসন্তুষ্ট

আমাৰ জেষ্ট শিৱকান্ত অতি মৃদু ও লোকজনৰ সহিত বৰ মিলন আছিল। ও মোহনবায় পানী ফোকন সহিত বৰ প্ৰীতি, ও বঙ্গমহল খাতলৈ দোলাইদি যাওঁতে আমাৰ ঘৰত লোমাই বহি ধপাত খাইহে যায়। নিষ্ঠা,—আউনীআটীৰ অধিকাৰ

মোহনবায় পানী-ফোকন

গোসাঞী ও ভকতত অনুৰক্ত আহিল। অন্যকি ফোকনৰ কলীয়া ভোমৰা বৰফোকনৰ জীয়েক ও ডেকা ফোকনৰ জীয়েক দুইজনা স্ত্রী আছিল; আমি দেখাত সেইজনাৰ কটা তাম্বুল একখন গ্রহণ নকৰো। ঘৰত কি প্রবাহত নিজে ভাত বান্ধি খায়। ও বৰফোকনৰ জীয়েকৰ কন্যা এটী, ও ডেকা ফোকনৰ জীয়েকৰ সন্তান নাই। আগৰজনী ঘৈণীৰ মোদৰাম নামক পুত্র এটি আছিল। কন্যাটী বুঢ়াগোহাঞীৰ বংশৰ পিজৌ গোহাঞীক বিবাহ দি মাণিকপুৰ পৰগণা বন্দবস্ত কৰাই দিলে॥ ৫৮॥

আৰো পানীফোকন এনে সত্যবাদী আছিল যে বৰ পঞ্চায়ত বাপুৰাম ফোকন প্রভিতি ভেঁটী খোৱা প্রকাশ হোৱাতে, তাম তোলসী গঙ্গাজল হাতত লৈ শপত খাবৰ, ডেবিদ ইষ্কাট কমিচনৰ চাহেব নিয়ম কৰাতে, বাপুৰাম বৰফোকন প্রভিতি শপত খালেও পানীফোকনে কলে, "আমি বিষয়া, আমাৰ দেশত দস্তুৰ আছে, গুৰুঘৰে আৰু বিষয়াৰ ঘৰে গেলে সুদা হাতে যাব নাপায়; গাথীৰ গুৰ আদি ভেঁটী লৈ আহে, তাকে গ্রহণ কৰিছোঁ ও আগলৈকো কৰিম। কি প্রকাৰ পিতৃ-পিতামহক শপত খাই নৰকত পেলাম?" এইবুলি শপত নকৰিলে। কমিসনৰ সাহেব বৰখাস্ত কৰিম বুলি কোৱাতো শপত নকৰিলে; বৰপঞ্চায়তৰ পৰা বৰখাস্ত কৰিলে। পৰে কিছো দিনৰ মুৰত জানিলে যে বাপুৰাম ফোকন প্রভিতি মিছায় শপত খালে। পানী ফোকনহে সত্যবাদী জানি মাতি নি উমানন্দ দেবালয় ও মাণিকপুৰ ও গেৰগেৰীয়া, চেউনী, চিলা পৰগণা দিলে॥ ৫৯॥

পানী-ফোকনে শপত নোখোৱা

ঐ ফোকনে আমালোকক বৰ স্নেহ কৰিছিল ও আমাৰ জেষ্টজনা প্রায় সর্ব্বদা ফোকনৰ ঘৰে যায়। ময়ো জেষ্ট জনাৰ সহিত বা অকলেই যাওঁ, বৰ সমাদৰ কৰে॥ ৬০॥

তদপৰ জৈষ্ট মাহৰ শেষে আমাৰ জেষ্ট শিৰকান্তৰ জ্বৰ হল। ৰুদ্রেশ্বৰ সাকিনে অনেক চিকিৎসা, এলেজীদলেৰ

শিৱনাথ চৌধাৰীৰ ভ্ৰাতা শম্ভুৰাম শৰ্ম্মা দ্বাৰা কৰাতে, ত্ৱৰ কিছু শাম্য হৈ গ্ৰহণী হ'ল। দেৱৰৰ ৰৰদলৈয়ে হলিদলৈ ও কৃষ্ণহৰি শৰ্ম্মা খাটনিয়াৰ ও ৰামৰেজ বৰুৱাক আনি চিকিৎসা কৰিছিল, কিন্তু ক্ৰমাৎ নৰীয়া বেচি হল। ও ৰমাকান্ত ও ৰতিকান্ত ও গোপীকা ও অগ্ৰজ, উজনীৰ পৰা আহিও তেনেকৈ বুজ নলয়। আমাৰ শশুৰ দেৱদত্ত ৰৰদলৈ ও দেৱৰৰ ৰৰদলৈ আমাৰ মাইত কলে, "এই বৰ্ষাকাল আষাৰ মাহ। আমালোক সৰ্ব্বদা পাৰ হৈ আহি তদাৰক কৰিব নোৱাৰোঁ। ও তোমালোকৰ ভাগি বংশেও তেনেকৈ বুজ-বাজ নলয়। ও ঔষধপাতি অনুপান ইয়াত পাবৰ নাই। সিপাৰৰ পৰা আনিলেহে হয়। এতেকে সিপাৰে বপা থাকা, অথচ মঞি—থকা ঘৰ আছে, তাতে থাকিলে,—গধূলা পোৱা দেখি চাই, বেজ গিয়ানী লগাই, তদবিৰ কৰিব পাৰোঁ।" এই কথা কোৱাতে আমাৰ মাতৃ মৰঙ্গীয়াল ভকত সহিত পৰামৰ্শ কৰি যোৱাটো ভাল বুলি, ঘৰত কানুৰাম শৰ্ম্মা ৰৰদেউৰী পুৰুহিত ও আন বন্দী-বেটী ৰাখি, আমি ও গৌৰীকান্ত ও ৺মাতৃ ও মৰঙ্গীয়াল ভকত সহিত শ্ৰাবণ মাসে গোহাটী গৈ থাকিলোঁ॥ ৬১॥

জেষ্ঠ শিৱকান্ত বেমাৰে গৌহাটী যোৱা

গোহাটী হলিদলৈ ও কৃষ্ণহৰি খাটনিয়াৰ ও ৰাম বেজবৰুৱা প্ৰভিতি চিকিৎসা কৰাত, ও দুৰ্গাৰাম ওৰফে কলীয়া কানাই যাই, চিকিৎসা কৰাত বেচিহৈ, আশ্বিন মাহৰ কৃষ্ণা ত্ৰয়োদশীত ৰাত্ৰি ঢুকাল। ৺মাতৃ ও আমি শোকতে আতুৰ হলোঁ এবং মূৰত আকাশখন ভাঙ্গি যেন হেচা মাৰি ধৰিলে, এনেহেন পোৱা গ'ল। সেই সময় ৰমাকান্ত উপস্থিত আছিল। হলকান্তে, নিকট টাটীখনৰ বাহিৰে থকাতো, ৰমাকান্তে মতাতে নাহিল এবং নাযাও বুলি জবাব দিলে। তাতে ৰমাকান্তে কৈছিল, "তোমি মৰিলে কোনে টানিব?" উত্তৰ কৰিলে যে "তহতে টানিব নালাগে।" তদপৰ দেওৱৰ ৰৰদলৈ ও ৰূদৰাম ৰৰদলৈ

শিৱকান্তৰ পৰলোক

ও আমাৰ শশুৰ দেৱদত্ত বৰদলৈ ও অনন্য গ্যাতি সকল সহিত লতাশিলৰ বালিত অগ্নিকৰ্ম্ম, মঞ্জি কৰি, কৰ্ম্ম লোৱা হল ও ৰাত্রি প্রভাত হল ॥ ৬২ ॥

তদপৰ আমাৰ শশুৰ ও দেওবৰ বৰদলৈ যুক্তি কৰি গোহাটীতে কৰ্ম্ম কৰিবৰ অভিপ্রায় কৰাতে আমাৰ মাতৃ ও মৰঙ্গীয়াল ভকত সহিত পৰামর্শ পূর্ব্বক, গোহাটীতে পৰলোক হৈ আছে, একাৰণে এস্থানতে কৰ্ম্ম কৰা ভাল বুলি, ৰোজ ৰোজ, পিণ্ডাদি কৰ্ম্মৰ আয়োজন কৰা হ'ল। এবং উত্তৰপাৰ, দক্ষিণ-পাৰৰ সকল গ্যাতিকে নিমন্ত্রণ কৰা হ'ল। কিন্তু উত্তৰপাৰৰ সমুদায় গ্যাতি ও ৰতিকান্ত প্রভিতি নগল। কেৱল ৰমাকান্ত এক দফে গৈ আহিল। কুৰুৱা গঞা ও গোহাটীৰ গ্যাতি সকলৰ দ্বাৰা কৰ্ম্ম সমাধা কৰা হ'ল। দ্বাদশ দিবসে সপিণ্ডন, ত্রয়োদশ দিবসে ভোজ দি কৰ্ম্ম সমাধা কৰা হ'ল ॥ ৬৩ ॥

গোহাটীত কৰ্ম্ম কৰা

সেই সময় মোৰ ভার্য্যা সাবিত্রী দেব্যা শ্রাবণ মাহে যুবৎ হোৱা খবৰ পোৱা হৈছিল। কিন্তু মোৰ জেষ্টৰ বেমাৰতে অত্যন্ত বেস্থ থাকাত বিবাহ তোলা কি, শান্তি লোৱা নহল। মাক বাপেকৰ ঘৰেই আছিল ॥ ৬৪ ॥

ভার্য্যা সাবিত্রী যুবৎ হোৱা

আমাৰ জেষ্টজনা মৃত হোৱাতে, আমাৰ জেম্বায় হাজো পৰগণা ও কালেক্টৰিত ২০ টকাত মকৰৰ আছিলোঁ। সেই অশৌচৰ সময় অথচ জেষ্ট মৃত্যু হবৰ দুইদিন পৰে, ৰতিকান্ত আমাৰ জেম্বাৰ হাজো পৰগণা লবৰ জন্যে চেষ্টা কৰা শুনি ঐ অশৌচৰ ভিতৰতে দেওবৰ বৰদলৈ সহিত মিথি সাহেৱ কালেক্টৰৰ পাশ যাই কলো যে, "মঞ্জি কালেক্টৰিত ২০ টকাত মহৰিৰ মকৰৰ আছোঁ, এবং হাজো পৰগণাও মোৰ নামে বন্দবস্ত আছে। কিন্তু মোৰ জেষ্ট শিৱকান্ত পৰগণাৰ কৰ্ম্ম কৰিছিল। এতিয়া জেষ্টজনা মৃত হ'ল, আমাৰ কনিষ্ট ভ্রাতা গৌৰীকান্ত আছে। তেওঁৰ নামে পৰগণাখন বন্দবস্ত কৰোক, মঞ্জি

হাজো পৰগণা গৌৰীকান্ত সহিত বন্দবস্ত

সৰকাৰৰ সকল কৰ্ম্ম চলাই থাকিম।" এইকথা সাহেবত কলোঁ। এৰং দেওবৰ বৰদলৈও সেই মতে কলে। তাতে সাহেব সন্মত হৈ দৰখাস্ত দিব দিয়াত কাছাৰী যাই দৰখাস্ত দিলোঁ এৰং গৌৰীকান্ত নামে হাজো পৰগণা বন্দবস্ত-কৰ্ম্ম, চলাবৰ কাৰণে মঞ্জি সব্‌ৰবাহকাৰ্ মকৰৰ হলোঁ। সেই সময় গৌৰীকান্ত সৰু আছিল ॥ ৬৫ ॥

আমি সব্‌ৰবাহকাৰ

ঐ সনৰ অথচ ১৮৩৭ ইংৰেজীৰ ১৬ আক্টুবৰ মোক আচালতন নকল-নবীচ, ঐ মিথি সাহেব কালেক্টৰ মকৰৰ কৰে ॥ ৬৬ ॥

মঞ্জী আচালতন নকল নবীশ

আমাৰ জেষ্টৰ ত্রয়োদশ দিবসে ভোজৰ জন্যে সকল গ্যাতিক নিমন্ত্রণ কৰা হৈছিল। অন্য সকল গৈছিল, উত্তৰ পাৰৰ কোনো নগ'ল। কিন্তু জেষ্ট গোপীকান্ত যাই উপস্থিত হৈ বহিছিল। সকল ভোজৰ আয়োজন কৰা হৈছে ও সকল গ্যাতিসকল বহিছে। এনেতে দেববৰ বৰদলৈ মোত সুধিলে, বপা তোমা-লোকৰ ভোজ কোনে বান্ধিব! তোমি কাৰবাৰ কৰি আছা ও আইটী পুত্রশোকে কাতৰ আছে। মঞ্জি কলোঁ, "কোনে বান্ধে কব নোৱাৰোঁ।" এনেতে দেববৰ বৰদলৈ কলে, "গোপীকান্ত বৰুৱাই বান্ধিব পাবে।" এনে বোলাতে জেষ্ট জনা তৎক্ষণাৎ উঠি আহিল। বাটতে, অথচ দুর্গাকান্ত শর্ম্মা বৰফোকনৰ পুৰুহিত বাটতে লগ পাই, "বৰ ডেকা কলৈ যোৱা? আজি ভোজ পাতিছে" বুলি হাতবেৰাদি ধৰিলে; খঙ্গেৰে আছাৰ মাৰি গুচি গল। এইমত আহি পুৰুহিতে কলে। তাতে দেওবৰ বৰদলৈয়ে কলে, "একো কথা নাই, ভোজ বান্ধোতা নাই, বৰ ডেকাই বান্ধিব পাবে;" এনে কোৱাতে উঠি গৈছে। তাতে সকলো গ্যাতিয়ে শুনি ভোজ খালে। আমাৰো ভোজ ঘৰত খাই কৰ্ম্ম সমাপন কৰা হ'ল ॥ ৬৭ ॥

খেল বিভক্ত কৃষ্ণৰাম মেধি

আমি গোহাটীত কৰ্ম্ম কৰাৰ আয়োজন কৰাতে আমাৰ জেষ্ট

গোপীকান্ত প্ৰভিতি নাৰাজ আছিল। আমালোকৰ কথা নুশুনে, শশুৰ হতৰ কথাহে চলে। তাতে ৰতিকান্তে ও ৰমাকান্ত সহিত মন্ত্ৰণা কৰি ভোজৰ দিনা জেষ্ট গোপীকান্ত গৈও ভোজ নাখাই ফিৰি আহিল। এবং ৰতিকান্তৰ যুক্তিতে কৃষ্ণৰাম ভণ্ডাৰ বৰুৱাক মুৰব্বী অথচ মেধি লৈ কেবল মঞ্চি ও লক্ষ্মীকান্তক বাদ দি অন্যসকলো অথচ কল্পনাথ ও আমাৰ মাতুল অনাদৰ ৰৰদলৈ ও কলীয়া কানাই প্ৰভিতি সহিত একগাঁথা হৈ শপত কৰি একখন একৰাৰ্ লিখি দস্তখত কৰাই ললে। এবং সকলো গৈ আউনীআটীয়া অধিকাৰী কুশদেও গোসাঞীত এইমত জনালে যে আমি উজনীয়া লোক সকলো একগাঁথাতে আছোঁ। এতেকে উজনীয়া মেধি একজন লাগে, বুলি কোৱাতে কৃষ্ণৰামকে অনুমতি দিলে। সেই অবধি পৃথক খেল হ'ল॥ ৬৮॥

কৃষ্ণৰাম মেধিৰ পৃথক খেল

মঞো ঐ সকল কথাৰ পৰ কৰ্ণপাত নকৰি, জেষ্টজনাৰ সকল কৰ্ম সমাপন পূৰ্ব্বক আশ্বিন ও কাৰ্ত্তিকৰ সংক্ৰান্তিৰ দিনা সৰুজনা যোগেশ্বৰ গোস্বামী পাশ সেৱা কৰিবৰ, উত্তৰ পাবে আহি, পুনৰ গোহাটী ফিৰি গলোঁ। ৰাতি জল দোষ হৈ, জ্বৰ যেন হ'ল। প্ৰভাতে আমাৰ শশুৰজনা আহি চাই এঞা হৈছে বুলি ভাঙ্গিবৰ উদ্যম কৰিলে। আমাৰ ৺মাতৃয়ে নিষেধ কৰি কলে বোলে পূৰ্ব্বে আমাৰ বংশৰ কোন ডেকা একজনৰ এঞা ভঙ্গাতে মৃত হ'ল কাৰণ, শাশুৰীয়ে নিষেধ কৰি গৈছে, এঞা নাভাঙ্গিবৰ। তাতে শশুৰে "একো সংশয় নাই, ভাল হব," এই বুলি ববচা বন দুই ডাল আনি দুই নাকে সোমাই টানিলে; অলপমান তেজ ওলাল। তাৰ কিঞ্চিৎ পৰেই অত্যন্ত জ্বৰহৈ অবাক হলোঁ॥ ৬৯॥

এঞা-ভঙ্গা মোৰ জ্বৰ

চিকিৎসা ও আৰাম হোৱা

তাহাতে আমাৰ শশুৰ অত্যন্ত বেস্ত হৈ কৃষ্ণহৰি খাটনিয়াৰ দ্বাৰা ও নিজেও চিকিৎসা কৰাত কাৰ্ত্তিক মাহৰ ১৮ দিনমান যোৱাত, জ্বৰ এৰি চেতন পোৱাত, ভাত খাব নোৱাৰোঁ। শশুৰৰ

জিজ্ঞাসা মতে গাখীৰ হলে ভাত খাব পাৰোঁ বুলি কোৱাত, ছাগৰ গাখীৰ খালে একো দোষ নাই বুলি, নিজে ছাগৰ গাখীৰ বিচাৰি আনি তপতাই দিয়াত, কিছো ভাত খালোঁ। কিন্তু মুখ ধোৱাতেই, অত্যন্ত কম্প জ্বৰ হৈ, সেইপিনে শয়ন কৰিলোঁ। তাৰপৰ অজ্ঞান হলোঁ এবং গ্রহণী মত হ'ল। আমাৰ শশুৰ অত্যন্ত বেস্ত হৈ নিজে ঔষধ বিচাৰি বিচাৰি, আনি, সর্ব্বদা চিকিৎসা গোহাটীত কৰাত, পৌষ মাহৰ ১৭ কি ১৮ দিন যোৱাত, জ্ঞান পালোঁ ॥ ৭০॥

পত্নীক শান্তি লোৱা

তদপৰ মঞ্চি ক্রমে আৰাম পালো। মাঘ মাস প্রবেশ হোৱাত শশুৰ সকলৰ অনুমতি মতে উত্তৰ পাৰ ৰূদ্রেশ্বৰ সাকিনে আহি সুকীয়া ঘৰত থাকি, আমাৰ বিবাহিতা পত্নীক শান্তি লৈ, ঘৰে অনা হ'ল। কিন্তু পৃথক ঘৰ নোহোৱাত মাৰল, ঘৰে থকা গ'ল ॥ ৭১ ॥

গৌৰীকান্তক পঢ়োৱা

সেই সময় গৌৰীকান্তৰ কৌমাৰ কাল। ধনেশ্বৰ দলৈ ও কানুৰাম শর্ম্মা পুকহিত দ্বাৰা ঘৰতে শব্দ ও সন্ধি পঢ়াইছিলোঁ। ও হাজো পৰগণাৰ সকল কর্ম পাটৰাৰী, ঠাকুৰীয়া দ্বাৰা কৰাইছিলোঁ। এবং সৰকাৰী খাজনা সৰকাৰে দাখিল কৰিছিলোঁ ॥ ৭২ ॥

গৌৰীকান্তৰ উপনয়ন

ঐ গৌৰীকান্তৰ উপনয়ন দিবৰ আৱশ্যক কাল হোৱাত, মঞ্চি নিজে মাঘ মাহে ৰূদ্রেশ্বৰেই উপনয়ন দিলোঁ ও কানুৰাম শর্ম্মা পুকহিত, ধনেশ্বৰ দলৈ ॥ ৭৩ ॥

শান্তি লোৱাত খাক

সে যাহক আমি শান্তি লবৰ সময়ত, সোণৰ খাক নাই দেখি মাতৃৰ অনুৰোধে, দেওবৰ ৰবদলৈৰ জীয়েকক জোৰণত দিয়া খাক জোৰ, দুর্গা পুকহিতৰ দ্বাৰা খোজাত নিদিলে কাৰণ, ঐ পুকহিতৰ দ্বাৰা চিৰীং ফোকননীৰ ঘৰৰ সোণৰ খাক একজোৰ আনি শান্তি লোৱা হ'ল। তাতে আমালোকৰ সকলোৰে দেওবৰ ৰবদলৈ প্রতি, বৰ বেজাৰ হ'ল ॥ ৭৪ ॥

শ্রীশ্রীকুশদেউ আউনীআটীয় অধিকাবব বৈকুণ্ঠ প্রয়াণ—ন-অধিকাব পতা—প্রথম জাহাজ—লাল-বন্দীব কু-শাসন।

অতঃপব ১৭৬০ শক ও ১২৪৫ সন ও ১৮৩৮।৩৯ ইংবেজী সন প্রবেশ হল। ঐ ইংবেজী সন পৌষ মাহে বদল হয়।

এই সনেও জিনকিঞ্চন কমিচনব সাহেব ও মিথি সাহেব কালেক্টব। লাখবাজ চেবস্তা তেওঁব জেম্বায় থাকিল। ইস্পী-চীয়েল ডুটী খেতাপ লৈ মকর্দ্দমা সকল ফয়চল কবিছিল ॥ ৭৫ ॥

শ্রীশ্রীআউনীআটীয়া অধিকাবী কুশদেও গোসাঞী ভবলু নদীব পশ্চিম ব্রহ্মপুত্রব পাবত সত্র কবি আছিল। এই সনব বৈশাগ মাহে আমালোক কাছাবীতে কর্ম্ম কবি আছিলোঁ। দিবা ১১টা সময় এনে শ্রুত হল, আউনীআটীয় অধিকাবী গোসাঞী চলিব লগা হৈছে। গোটেই কাছাবী ঘব ওহোল-মোল হৈ, যেই, যেই পিনে আছিল, সেই পিনে ভবলু সত্রব পিনে লবি লবি, গ'ল। মঞো সেই পিনে কাছাবীব কাপুবে লবি গৈ দেখিলোঁ, নামঘবলৈ যোৱা বুলনীব পশ্চিমে চোতালত ছৈ ঘব কবি আব-কাপুবে বেড়ি থৈছে। গোসাঞী-ঈশ্বে গজেন্দ্র স্তব বুলি আছে। আব-কাপুবব বাহিবে পর্ব্বতীয়া ফোকন প্রিয়নাথ ও লখী বৰকটকী ও সোমদত্ত কটকী ও মাধবাম বাজখোৱা ও দেৱবব ববদলৈ সর্দ্দাব পঞ্চায়ত প্রভৃতি, অনেক লোক আঁঠু কাড়ি কাড়ি আছিল। কিয়ৎখন পবে ডেকা দুই-জনাক আব-কাপুবব ভিতব, কার্য্যকাবক ভকত সকলে, সোমাই দিলে। এনেতে গজেন্দ্র স্তব সমাপ্ত হোৱা মাত্রেই, প্রথম শ্রীদত্ত দেব ডেকা-জনাক, দ্বিতীয়ত *শ্রীধর্ম্মেশ্বব ডেকা,* গোসাঞীক মালা দিলে। তৎক্ষণাৎ ওপবব ছৈ গুচাই দিয়াতে মূলমন্ত্র উচ্চাবণ কবি পূর্ণিমা তিথিত শবীব এবিলে; এবং দুইজনা আব-কাপুবব বাহিব হৈ আহিল। ও লোকসকলে অত্যন্ত ক্রন্দন কবিব

কুশদেও গোসাঞীব বৈকুণ্ঠ প্রয়াণ

টোকা—** দ্বিতীয় জন "গোবিন্দ-পুবীয়া" বোধ হয়।

ধৰিলে, ও কোলাহল হল। এনেতে প্রধান প্রধান ভকত সকলে সকল লোকক শান্তনা কৰি কলে, ঈশ্বৰৰ আজ্ঞাত লোকসকল তাৰিবৰ নিমিত্তে আহিছিল। এতিয়া ইচ্ছা ও সময় হল, গ'ল। তোমালোকে কিয় খেদ কৰা, পৰম্পৰ এইমত হৈ গৈছে। ইয়াত খেদ কৰাৰ কি কাম। এইমত কৈ শান্তনা কৰি, সেই পূর্ণিমা দিনা তেতিয়াই নাৱত তোলি বাদ্যভাণ্ড সহিত আমি প্রভিতি লোক সকল ও ডেকা দুইজনাও একত্রে আহি, অশ্বক্রান্ত তীর্থত আৰ-কাপুৰ তৰি অগ্নি কর্ম্ম কৰিলে। সন্ধ্যাৰ পৰ, সকল স্ব স্ব স্থানে গল ॥ ৭৬ ॥

অশ্বক্রান্তত অগ্নিকর্ম্ম

পৰে ৩ দিনত শ্রীশ্রীদত্তদেব অধিকাৰ গোসাঞীয়ে কর্ম্মকৰি ৩।৪।৫।৬ টকা ৰাজামহৰী টাকা দক্ষিণা দিলে। আমালোকে ভকত সকলক জিজ্ঞাসা কৰাতে, আপন গোত্র লৈ নহা হেতু তিন দিনত কর্ম্ম কৰা প্রকাশ কৰিলে ॥ ৭৭ ॥

কর্ম্ম ও দক্ষিণা

তদপৰ দক্ষিণা লবলৈ, অথচ গুৰু ঘৰৰ দক্ষিণা, কাকতী, কটকী, দলৈ সকলে ওজৰ কৰাত, গোসাঞী ও ভকত সকলে কৈছিল যে, আউনীআটীয়া গোসাঞীৰ জগত জুৰি শিষ্য আছে। সেই সকলে দক্ষিণা নললে, কোনে লব ?" এনে কোৱাতে, দক্ষিণা ললে ॥ ৭৮ ॥

দক্ষিণা কিয় লোৱা হল

সেইদিনা মঞি ও গৌৰীকান্ত ও অনন্য মানুহ সহিত, সন্ধ্যা সময় পাৰহৈ, অশ্বক্রান্তৰ ব্রহ্মকুণ্ডত, নাও চাপিল। তাৰে পৰা উজাই ব্রহ্মকুণ্ড পোৱাতে এনে সুঘ্রাণ ও আমোদিত হল যে, কি আতৰ, কি চন্দন, কি আগৰ, কোনেও নির্ণয় কৰিব নোৱাৰিলে। গোটেইখন পর্ব্বত সুঘ্রাণ হৈ আছে। ক্রমে অগ্নিকর্ম্ম কৰা স্থানত দেখা গল ধম্‌ধম্ কৰি অগ্নি জ্বলি আছে। তেতিয়াই মঞি ও অনন্য সকলে নাৱৰ পৰাই, সেই অগ্নি চাই সেৱা কৰা হ'ল। তদপৰ আহি ৰামকুণ্ড পোৱাত, সেই আমোদিত সুঘ্রাণ গুচিল ॥ ৭৯ ॥

আশ্চর্য্য বিষয়

অতঃপৰ দত্তদেৱ ডেকা-জনাক অধিকাৰ গোসাঞীয়ে মালা দিলে, কিন্তু ৰাজঘৰৰ কথা শুনাই দিয়া নিয়ম থাকাতে, সেই মত যুক্তি কৰি, আজেণ্ট নৱাব গৱৰণৰ জানৱেল ফ্রানচীচ জিনকীঞ্চন সাহেবক জনালত, দেৱবৰ ৰৱদলৈ মিথি সাহেবত খাটনি কৰি, তেৱেঁ কথা শুনাবৰ, আজেণ্ট সাহেৱ আজ্ঞা কৰিলে। এই কথা আমাৰ ৰমাকান্ত, সেই সময় দৌৰাৰ (ফৌজাদাৰী) চেৰস্তাত থকাত শুনি, গোহাটীয়া দলৈয়ে আজ্ঞা শুনাবৰ অধিকাৰ নাই, আমাৰ ঘৰৰহে ৰাজ আজ্ঞা শুনাই দিবৰ নিয়ম, বুলি আপত্য কৰাত, দেৱবৰ ৰৱদলৈ সহিত কথা শুনাই আজ্ঞা কৰিলে। এহাৰ তাৎপর্য্য এই—দেৱবৰ ৰৱদলৈ ও তস্য ভাতিজা আশ্রৱী দলৈৰ পুত্র হেটমুৰা ওৰফে জগন্নাথ মহৰিৰ, মিথি সাহেৱ কালেক্টৰৰ খাটনিয়াৰ, ৰৰ আছিল। সেহেতু খাটি মিথি সাহেৱেৰ দ্বাৰা জিনকীঞ্চন সাহেৱত ধৰাই হুকুম কৰাইছিল। পৰে ৰমাকান্ত আপত্য কৰাত, দুই জনকে আজ্ঞা কৰিলে ॥ ৮০ ॥

আউনী আটী ডেকাজনক অধিকাৰ পতাৰ আজ্ঞা দিয়া

পৰে, দিন ধার্য্য পূর্ব্বক নামঘৰতে সকলো ভকত ও বাপুৰাম ৰৱফোকন ও মাধৰাম ৰাজখোৱা আমি প্রভিতি অনেক লোক নিয়ম মত আসনে বহাতে ও অধিকাৰী আসনে অধিকাৰ, ডেকা-জনাৰ আসনে ডেকা জনা বহাতে, দেৱবৰ ৰৱদলৈ ও ৰমাকান্ত দুয়োজনাই মধ্যে উপস্থিত, এইমত কথা শুনালে; "—আউনীআটী সত্রৰ কুশদেউ গোসাঞী অধিকাৰ আছিল। তেওঁ অন্তিমকালে দত্তদেৱ ডেকা-জনাকে অধিকাৰ পাতি মালা দি গৈছে, ও চাৰিহটীয়া ভকতসকলেও অধিকাৰ মান্য কৰি লৈছে ও আমিও দত্তদেৱ ডেকাজনা অধিকাৰী পদৰীৰ যোগ্য হেন জানি তেওঁক অধিকাৰ পতা গল। পূর্ব্ব নিয়মত কর্ম্ম কৰি থাকিৰ।" এইকথা প্রচাৰ হোৱাতে সকল লোকে হৰিধুনি কৰিলে এৰং সভা বিসর্জ্জন হ'ল ॥ ৮১ ॥

আউনী আটীৰ অধিকাৰ পতা

এই শকব আষাব মাহে প্রথম জাহাজ আহে। এই ধুঁৱাব জাহাজ অহাতে, দেখিবব কাবণে, অনেক লোক জমা হৈছিল, এবং আমি প্রভিতি লোকক, মেথি সাহেবে তোলি কুকৱা পর্য্যন্ত চলাই, অশ্বক্রান্তব পৰা শুক্রেশ্বৰব ঘাটত তোলি দিলে। এই অবধি জাহাজ চলাচল হ'ল ॥ ৮২ ॥

ধোঁৱাঁব জাহাজ প্রথম অহা

এবং আমাব ভ্রাতা গৌৰীকান্তকে বিবাহ কবাব আবশ্যক হোৱাতে জেষ্ট ৰমাকান্তব যুক্তি মতে, উজানব কলঙ্গপুৰব চতুৰ্দলৈব জীয়েক কেতেকীক জীউৱামব পৰা অনাই, বৈশাগ মাহে ৰুদ্রেশ্বৰে বিবাহ কবালে। ঐ বিবাহে পৃথক খেল কৃষ্ণৰাম বৰুৱা প্রভিতি, ৰমাকান্ত ও ৰতিকান্ত ও গোপীকান্ত জেষ্ট আদিকে, কৌশলে খোৱান গ'ল ॥ ৮৩ ॥

গৌৰীকান্তব বিবাহ

অতঃপৰ, জেষ্ট মাহে বিষ্ণুকান্তব জ্বৰ হৈ ঐ ৰুদ্রেশ্বৰ সাকিনে মৃত হয়। তৎ অন্ত্যেষ্টি ক্রিয়া তস্য স্ত্রীৰ দ্বাৰা হৈছিল ॥ ৮৪ ॥

বিষ্ণুকান্ত মৃত

এই সনৰ জুন মাসে মিথি সাহেব কালেক্টৰ, ডেপুটি কমিচনাৰ হৈ ৰৰ কাছাৰীত গ'ল। তেউৰ জেম্বা লাখৰাজ চেৰস্তা থাকিল। ইস্পেচীয়েল ডুটী কমিচনৰ খেতাবে মকর্দ্দমা নিষ্পত্তি কৰিছিল। তৎকর্ম্মে উইমেষ সাহেব কালেক্টৰ হ'ল ॥ ৮৫ ॥

মিথি সাহেব ডেপুটী কমিশনৰ উইমেষ কালেক্টৰ

এওঁ সাহেবে খেৰাজী ৰূপীতত ১৲ টাকা, ৰবিত ॥০ আনা, বস্তিত ॥০, ফৰিঙ্গতিত ॥০ আনা, বাউতলীত ॥০ আনা, লাখৰাজ তদর্দ্ধ মতে, ও গত সনৰ মত শতকৰা ১৪।০ অনা কমিচন দি একসনা ম্যাদে বন্দবস্ত কৰিলে। এবং শতকৰা ১ পুৰা মান মাটি বাদ দি বন্দবস্ত কৰিলে ॥ ৮৬ ॥

আৰু এই সনে মহাৰাণী বিক্টোৰিয়া কোইনৰ মুখাকৃতি মুণ্ডৱালা কম্পানী টাকা বাহেৰ হ'ল ॥ ৮৭ ॥

মহাৰাণী মোহৰ

ও মঞ্জি ১৮৩৯ ইংৰেজীৰ ২৩ জুলাই একটাং মেহানবীচ্ ২৫ টকাত মকৰব হওঁ। এবং কর্ম্মত আমাব সাহেব বৰ ভাল পাইছিল। এবং ৰতিকান্ত দেৱানীৰ মহৰিৰ ও জজ্জত্ত ৰৰকটকী

মঞ্জি একটাং মেহানবীচ্

বব খাটনিয়াব আছিল। ও বঙ্গালী গঙ্গাগোবিন্দ নামক ওকীল একজন বব বল্লভ আছিল ॥ ৮৮ ॥

এই সনে উজানব পুবন্দব বাজা লাল-বন্দী প্রাপ্ত দেশত, তৎপুত্র কামেশ্বব চাবিঙ্গ বাজা খাজানা সাধাতে অনেক দৌবাত্য হোবাত, বিষয়াকতেক, বায়ত, তেজপুব ও নগাঞ জেলায় আহি জিনকিঞ্চন কমিচনব সাহেবক জনোবাত, আবো লাল-বন্দীব খাজানা কতেক মাফ পাবব বিষয় প্রার্থনা কবাতে, কমিচনব সাহেব আজেন্টীব চেবেস্তাদাব সহিত উজানে যাই তদন্ত কবাতে, বাজাদিব দৌবাত্যে প্রজা স্থানান্তবে যোবা হেতু, লাল-বন্দাব টাকা মাফ চোবা বিববণে সদবে বেপট কবিলে ॥ ৮৯ ॥

লালবন্দীব প্রজা স্থানান্তব

সদবে বেপত

লাল-বন্দী বাতিল

১৭৬১ শক ও ১২৪৬ সন বাঙ্গালা ও ১৮৩৯।৪০ ইংবেজী।

এই সনে জিনকিঞ্চন কমিচনব ও উইমেষ সাহেব, কালেক্টব হল। এওঁ অত্যন্ত বাগী আছিল ও কমিচনব ও ডেপুটী কমিচনব মিথি সাহেব সহিত অবর্গ আছিল। জিলাত হুকুম দিয়া মাত্রে আপীল হয়। আপীলে কাগজ কৈফিয়ৎ তলব হলেই *বোবকাবী শুনা মাত্রে অত্যন্ত ক্রোধযুক্ত হৈ বব ধুম্‌ধাম্ কবে এবং আপীলতো প্রায় হুকুম বদ হয়। সে হেতু অধিক অধিক মতে আপীল হব ধবিলে ॥ ৯০ ॥

বাগী উইমেষ সাহেব

আক গক কাটি মাংসব দোকান দিয়াতে ডাঙ্গা হৈ মকর্দ্দমাত, ব্রজকান্ত বায় দাবোগা, মৃত্যুঞ্জয় চেবেস্তাদাব, কালীবায় পেচকাব ববখাস্ত হয় ॥ ৯১ ॥

গক কাটা মোকর্দ্দমা

সে যাহওক, এওঁ কালেক্টব সাহেব, পবগণা সকল গত সনব নিবিখমতে, এক এক সনা ম্যাদে বন্দবস্ত কবিলে। সেইমত হাজো পবগণা গৌবীকান্ত সহিত বন্দবস্ত কবাতে, মঞ্চি পবগণাব সকল কর্ম্ম অথচ ঠাকুবীয়া, কাকতী দ্বাবা বন্দবস্ত কবুলিয়ৎ লৈ

টোকা—* বিজ্ঞাপন, হুকুমপত্র।

সেই অনুসাবে খাজনা লৈ সবকাবে শোধাইছিলোঁ। ও গৌবীকান্তকে ঘবতে পঢ়াইছিলোঁ ॥ ৯২ ॥ গৌবীকান্তক পঢ়োৱা।

আমাব শান্তি বিবাহত সোণব খাৰু নিদিয়া হেতু আমাব বব বেজাব হ'ল। বমাকান্ত ও বতিকান্ত প্রভিতিব যুক্তিমতে, আমি ও গৌবীকান্ত ১৩০০৲ টাকাব গহনাব মূল্য বাবতে দেববব বৰদলৈ, তৎদুহিতৃ পদ্মাব নামে, দেৱানীত নালিচ্ কবিলোঁ। স্ত্রী-ধন বুলি জবাব দিলে। সেই সময় বতিকান্ত দেৱানীব মহবিব আছিল ও বাঙ্গালী বাণীনাথ পেচকাব আছিল ॥ ৯৩ ॥ গহনাব বাবদ মকৰ্দ্দমা

উজানখণ্ড, পুবন্দব বাজা লাল-বন্দীব টাকা মাফ পাবব নিমিত্তে প্রার্থনা কবায়, প্রজাদিক দৌবাত্ম্য কবা হেতু, সদবব পবা পুবন্দব বাজাক বৰখাস্ত কবিবব হুকুম আহাতে, ভাদ্রমাহে লাল-বন্দী বহিত কবি বাজাক বৰখাস্ত কবিলে ও পুনব ইংবেজীব দখল হ'ল ॥ ৯৪ ॥ লাল-বন্দী বহিত

তদপব, এই সনে উজান চাহব খেতি ওলিয়াই চাংকাকতীব ঘবব মণিবামক দেৱান পাতিলে। তাবে পবাহে চাহব খেতি চলিল ॥ ৯৫ ॥ চাহ খেতি আবম্ভ

সক জনা যোগেশ্বব গোসাঞী, মোক মন্ত্র দিবব কাবণে আগ্রহি ধবিছিল। মঞি মন্ত্র নলওঁ বুলি জবাব দিয়াতে, মোব নামে হাজো পবগণা থকা ও জামিন হোৱা বুলি ৩০০৲ টাকা বোসমব* বাবত মোব নামে দেৱানীত নালিচ্ কবাতে, কোন বোশম দিবব বন্দবস্ত কবা নাই বুলি জবাব দিয়াতে, ডিচ্‌মিচ্ হল ॥ ৯৬ ॥ যোগেশ্বব গোসাঞীব মকৰ্দ্দমা আবম্ভ

তদপব আমাব জেষ্ট থকাতে একখন পচি দোলা, লোহাব দাপোণ, ঢেকব আনিছিল। সেই দোলা কলেশ্বৰে ঘব পোবাতে পুবিলে। ঢেকব, দাপোণ আছিল। সেই দোলাব জন্যে মোক অনেক ধমক ও ঘবলৈ মানুহ পঠাই গালাগালি কবিছিল। মঞি যোগেশ্বব গোসাঞীক দাপোণ ও ঢেকব দিয়া

টোকা—* অর্থাৎ বস্থম—কব, ইয়াত টকাব ভুত বুজাইছে।

অসহ্য হৈ সেই ঢেকৰ, দাপোণ মোহনবায় পানী ফোকনৰ দ্বাৰা তৈয়াৰ কৰাই দিলোঁ। তথাপি, মন্ত্ৰ নলওঁ বুলি কৈছিলোঁ ॥ ৯৭ ॥

পৰগণে বৰিগোগ বালিকুচি গ্ৰামে, বেজীয়া নামে একটি দৈবজ্ঞ আছিল। ও তাৰে ভাতিজা ধৰ্ম্মেশ্বৰ নামে লৰা এটি পাগলা মত আছিল। অথচ সেই লৰাটিৰ ১৪।১৫ বৎসৰ মান হৈছিল। বালিকুচীয়া গোসাঞী সহিত মাটিৰ মকৰ্দ্দমা লাগি, গোহাটীত আছিল। ঐ বেজীয়া ও ধৰ্ম্মেশ্বৰ এটা পুৰণা মৈলা এঙ্গা চোলা পিন্ধি বাঙ্গালাৰ কাখত থাকে। পাচে সাহেব বাহিৰ ওলালে, চালাম দি সাহেবেৰ পাচে পাচে ফুৰে। এইদৰে কতোদিন আছিল। একদিন সাহেবে মোত সোধাতে মঞি সকল কথা কলোঁ। তদবধি দিনে দিনে, সেই ৰূপে বাঙ্গালায় যাই থাকে। এবং সাহেব সহিত মঞি ও অনন্য আমলা সহিত যাই গঙ্গাবিলত থকা গ'ল। ও যজ্ঞদত্ত কটকীও আমাৰ সহিত লগ লাগি সাহেব সহিতে থকা হৈছিল। তাতো সেই দৰে দুই জনে সাহেবক দেখা দি চালাম দিয়াত পুনৰ সোধাতে, কেৱল দুখীয়া, মাটিৰ মকৰ্দ্দমা নিমিত্তে অহা, কলোঁ। এবং যজ্ঞদত্ত কটকীয়ো কলে। পাচে, দৰখাস্ত দিব কোৱাত, সেইমত দৰখাস্ত লিখাই দিয়াতে বালিকুচীয়া গোসাঞীক ধৰি আনি জবাব লৈ বেদখলী মাটি জেম্মা কৰি দিলে। কিন্তু ধৰ্ম্মেশ্বৰ তদ্ৰূপ পুৰণা কটা এঙ্গাচোলা পিন্ধি, যতে ততে সাহেবক দেখা দি চালাম দিয়ে। তাতো নজৰ পৰি সুধিলে,—"তই বিবাই কৰাইছ?" সি সকলে, "নাই, মঞি দুখীয়া, কোনে ছোৱালী দিব?" সাহেবে কলে,—"মঞি বিবাহ কৰাই দিম। ক'ত ছোৱালী আছে, চাই, মোত কবি।" এবং মোত আৰু যজ্ঞদত্ত কটকীক কলে,—তোমালোকে এটি চান্দা কৰি সকল চৌধাৰী পটোৱাৰীৰ নাম লিখাই, টাকা লিখাবা। মঞো দিম।" আমালোকে তদ্ৰূপ মতে ফৰ্দ্দ কৰি সকল লোকৰ দ্বাৰা লিখালোঁ, ও

সাহেবে বেজীয়া দৈবজ্ঞৰ বিয়া পতা

সাহেব ২৫ টাকা, আমালোকেও ৩'৪ টাকা-কৈ দিয়া হ'ল। সৰ্ব্ব মোট ৩০০ মান টকা হল। সেই টকা কটকীৰ হাতত আছিল। পাচে, পাতিদৰঙ্গৰ কোন এক দৈবজ্ঞৰ ছোৱালী আছে বুলি কোৱাতে, তাক ধৰাই আনি কয়েক টাকা ৰূপ দি' ধমক দিয়াতে, ভয়তে দিবৰ স্বীকাৰ কৰিলে এবং বিবাহ পাতিলে। সেই বিবাহে মেম-সাহেব ৰাতি গৈছিল ও যজ্ঞদত্ত কটকী প্ৰভিতি আমলা গৈছিল। মঞি যোৱা নহল। বিবাহে উৎসৰ্গ দিব লাগে বুলি কোৱাতে, সাহেব ও অনন্য লোকেও কিছো কিছো দিলে। বিবাহ অন্তেও সিহঁতৰ হাতত দুইশমান টকা ৰৈছিল ॥ ৯৮ ॥

দ্বিতীয় অধ্যায়

১। বাজ্য বিস্তাব

১৭৬২ শক ও ১২৪৭ সন বাঙ্গালা ও
১৮৪০।৪১ সন ইংবেজী।

এই সনেও জিন্‌কিঞ্চন কমিচনব ও মিথি সাহেব ডিপুটী কমিচনব। তেওঁব জেম্বায় দেৱানী ও ফৌজদাবী আপীল ও লাখৰাজ চেৰস্তা থাকিল। ইস্পেচীয়েল ডুটী কমিচনব খেতাপে মকর্দ্দমা নিষ্পত্তি কবিছিল ॥ ৯৯ ॥

উইমেষ সাহেব :—কামৰূপে উইমেষ সাহেব কালেক্টব। এওঁ গত সনব নিবিখমতে পৰগণা সকল এক এক সনা ম্যাদে বন্দবস্ত কবিলে। ও হাজো পৰগণা গৌৰীকান্ত নামে বন্দবস্ত। আমি ঠাকুবীয়া কাকতী দ্বাবা বন্দবস্ত পূর্ব্বক খাজানা তহচীল কবাই সবকাবে দাখিল কবিছিলোঁ। ও গৌৰীকান্তক ঘবতে ব্যাকবণ পঢ়াইছিলোঁ ॥ ১০০ ॥

পৰগণা বন্দবস্ত

দেৱানীব মকর্দ্দমা অনেক তদবিব কবাতো দেববব ৰবদলৈব খাটনিব জোৰে উইমেষ সাহেব মকর্দ্দমা ডিচ্‌মিচ্ কবি এই হুকুম দিলে,—ৰবদলৈব জীয়েক পদ্মা বর্ত্তমান থাকা প্রযন্তে গহনাদি ভোগ কবি থাকিব। খৰচ কবিব নোৱাৰিব। কৌত হলে, আমি দুই দাবীব মাল পাম। এই হুকুম দিলে। সেহেতু উভয় ওকিলব কিচ্ ১৫০ টাকা আমাব ভৰণি হ'ল ॥ ১০১ ॥

আমাব দেৱানী মকর্দ্দমা ডিচ্‌মিচ্

তদপৰ হাজো পৰগণায় প্রথম মনু পাটৱাবী মকৰব হৈছিল। সেই কৌত হোৱাতে জয় নামক পটৱা দণ্ডবীক মঞ্চি মকৰব কবিলোঁ। কিন্তু সেই পৰগণাত চাপাচী ৰাখা বুলি মকর্দ্দমা-জাত কবি মোক অনেক হাইৰান্ কবি মনত বেজাব দিছিল।

জয় পটোৱাবী কৌত

অবশেষে মকর্দ্দমা কৰি গোহাটীত থকাতে হাইজা বেমাৰ হৈ মৰিলত, কয়েদীয়ে শগুনঠুঁটি বালিত পেলাওতে তাতে শগুনে খালে ॥ ১০২ ॥

তদপৰ ১৮৪১ ইংৰেজীৰ ১৮ ডিচাম্বৰ, ২২৲ টাকাত মোক্ একটাং ৰোবকাৰী নবীচ উইমেষ সাহেৱ মকৰৰ কৰিলে। এবং শীতকালে তেহোঁৰ সঙ্গে মপস্বল গলোঁ। ও তেওঁৰ সঙ্গে মেমো গৈছিল ॥ ১০৩ ॥

মঞ্জি একটাং নবীচ্

এবং মপস্বল ভ্রমণ কৰি উইমেষ সাহেৱ থানা বৈদ্যগড় পোৱা গ'ল। ইতিমধ্যে মিথি সাহেৱ ডেপুটী কমিচনৰ কতেক চিপাহী সহিত বৈদ্যগড় পালে, এবং শ্রুত হ'ল বাক্সা দুৱাৰ ভোটৰ পর্ব্বতৰ কিনাৰ প্রযন্ত ইংৰেজীয়ে দখল কৰিব। পৰদিন সাহেৱ আমলাগণ সহিত, মঞ্জি যাই তামোলপুৱত থকা গ'ল। চিপাহীয়ে ৰাত্রি বেঢ়ি আছিল ॥ ১০৪ ॥

ভোটৰ বাক্সা দুৱাৰ দখল হেতু যোৱা

তদপৰ অথচ ফেব্রুৱাৰী-ফাগুন মাহে ইস্তাহাৰ জাৰি কৰিলে যে, বাক্সা দুৱাৰসকল ভোটৰ পর্ব্বত পর্য্যন্ত ইংৰেজীৰ দখল। আগত সন হৈতে পেয়াল মুৱত খাজানা দিব লাগিব। আৰু ভোটৰ বিষয়া ভোলানাথ তালুকদাৰক আনি সৰকাৰৰ দখলে দুৱাৰসকল আহিল বুলি, চমজাই দিলে। আৰু তালুকদাৰৰ মুখে সকল কথা সুধি ললে। এবং যি যি ভোট নামদানিত আছিল, ইংৰেজীৰ দখল হোৱা শুনি সেইসকল পর্ব্বত উঠি গল ॥ ১০৫ ॥

বাক্সা দুৱাৰসকল দখল

তামোলপুৱতে ৩ দিন মান থাকি তাৰপৰ হাউলী থকা গ'ল। তাতে ২ দিন থাকি কুঞ্চৰী খাতা নামে, প্রায় পর্ব্বতৰ ওচৰত উখ ঠাইত থকা গ'ল। তাতে কিল্লা কৰিবৰ উপক্রম হ'ল। এবং ডিপুটী কমিচনৰ সাহেৱৰ লগত ৰমাকান্ত দৌৰাৰ চেৰস্তাৰ হৈ গৈছিল। তদপৰ ভোটৰ সহিত কোন গোলমাল নহল। কুঞ্চৰী খাতাৰ কিল্লায় চিপাহী ৰাখি সকলো গোহাটী যহা হ'ল ॥ ১০৬ ॥

খাতাত ইংৰাজৰ কিল্লা

২। উইমেষ কালেক্টৰ সাহেৰ ৰৰখাস্ত

১৭৬৩ শক, ১২৪৮ সন বাঙ্গালা, ১৮৪১।৪২ ইংৰাজী।

এই সনেও জিনকিঞ্চন কমিচনৰ ও মিথি সাহেৰ ডিপুটী কমিচনৰ ও উইমেষ সাহেৰ কালেক্টৰ আছিল। এওঁ সাহেৰে পৰগণা সকল গত সনৰ নিৰিখ মতে এক এক সনা ম্যাদে বন্দৰস্ত কৰিলে। কিন্তু এওঁ সাহেৰ অত্যন্ত ৰাগী ও খাটনিয়াৰ সকলৰ কথা ৰৰকৈ শুনা হ'ল। এহাতে কমিচনৰ ও ডিপুটী কমিচনৰ সাহেৰ অত্যন্ত নাৰাজ হল ॥ ১০৭ ॥

পৰগণা বন্দৰস্ত

হাজো পৰগণাত গৌৰীকান্ত সহিত একসনা ম্যাদে বন্দৰস্ত কৰিলে। এৰং জয় পটৱাৰী মৃত হোৱাতে, গণোকে পটৱাৰী মকৰৰ হ'ল। মঞ্জি ঐ পটৱাৰী ও ঠাকুৰীয়া দ্বাৰা খাজানা তহচীল কৰাই আনি সৰকাৰে দাখিল কৰি সকল সৰকাৰী কৰ্ম্মৰ আঞ্জাম্ দিছিলোঁ ॥ ১০৮ ॥

গণো পটোৱাৰী

সে যাহক ঐ উইমেষ সাহেৰ কালেক্টৰ মোক ১৮৪২ ইংৰেজী ১৪ জুলাই একটীং পেচ্‌কাৰ ৩০৲ টকা দৰমহাত মকৰৰ কৰিলে। তেওঁ মোক ৰৰ ভাল পাইছিল এৰং খুছি হৈ ছাওগণ কাষ্টেৰ এটী ৰাইটীং সক পেৰা, একখন হাতকৰত দিছিল। তদপৰ আচালতন ব্যক্তি হাজিৰ হোৱাতে পুনৰ মোক ঐ সনৰ ৯ নওম্বৰ, ২১ টাকাত একটীং ৰোৰকাৰী নৰীচ মকৰৰ কৰে॥ ১০৯ ॥

মঞ্জি একটীং পেচ্‌কাৰ

তদপৰ কমাৰকুচিৰ শিহুডেকা নামে একজন পৰগণাত কণ্টক ওলাই চাপাচী ৰাখাদি ৰাৰত দৰখাস্ত দি মোক অনেক হাইৰান্ কৰিছিল। অৱশেষে একো কৰিব নোৱাৰি তেওঁ পৰলোক হল। তাৰে পৰাহে কণ্টক গুচিল ॥ ১১০ ॥

শিহুডেকা কণ্টক

শীতকাল হোৱাতে মঞ্জি ও অনন্য আমলা ও জজ্ঞদত্ত কটকী সহিত উইমেষ কালেক্টৰ সাহেৰ মপস্বল ভ্রমণ কৰি ফেব্রুৱাৰী অথচ ফাগুন মাহে থানা নলৰাৰী পালোঁ। এনেতে উইমেষ

াহেব কালেক্টৰ কামৰ পৰা বৰখাস্ত হৈ শীঘ্রে আপন পল্টনে ৱাজিৰ হবৰ কাৰণে কামাণ্ডীনৰ পৰা হুকুম অহাতে নলবাৰীৰ াৰা হাজোৱেদি মেমসহিত গোহাটী আহি কলিকাতা গ'ল। আমালোকে গুৱাহাটী আহিলোঁ। তৎকৰ্ম্মে জান্বটলৰ জুনিয়ৰ ইন্চার্জ হ'ল। এওঁ ইনচার্জ হৈ বাক্সা দুৱাৰ আদি পেয়াৰ্ক ৰিবৰ হুকুম জাৰি কৰিলে। এবং কাগজ দাখিল কৰাতে াঙ্গনি, টাঙ্গনি, (১) বন্দবস্ত কৰিলে ॥ ১১১ ॥

উইমেষ সাহেব বৰখাস্ত

জান্বটলৰ ইন্চার্জ

এই সনৰ আষাৰ মাহে বৰপানী হই ৰুদ্রেশ্বৰ গড়ৰ পশ্চিমে ধাকাতে চোতাল আদি তল যোৱাতে, সকলো বৰ বিৰক্ত হেন হাৰা গ'ল ॥ ১১২ ॥

বৰপানী

৩। স্কুল স্থাপন। কেতুগ্রহ। ভোটৰ লগত বন্দবস্ত।

১৭৬৪ শক, ১২৪৯ সন, ১৮৪২।৪৩ ইংৰেজী। জিনকিঞ্চন কমিচনৰ ও মিথি সাহেব ডিপুটী কমিচনৰ ও জান্বটলৰ সাহেব ইন্চার্জ কালেক্টৰ। এওঁ বাক্সা দুৱাৰসকল ও পৰগণাসকল গত সনৰ নিৰিখমতে এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। হাজো-পৰগণাও গৌৰীকান্ত সহিত এক এক সনা ম্যাদে বন্দবস্ত কৰাই ঠাকুৰীয়া কাকতীৰ দ্বাৰা খাজানা আদায় কৰি, সৰকাৰে দাখিল কৰাই সকল কৰ্ম্মৰ আঞ্জাম দি আছিলোঁ ॥ ১১৩ ॥

পৰগণা ও দুৱাৰ বন্দবস্ত

এবং হাজোত এটা ইস্কুল ঘৰ কৰিবৰ সৰকাৰৰ পৰা আদেশ হৱাতে বলোদেও শৰ্ম্মা ৰাজখোৱাকে কৰিবৰ আজ্ঞা দেওৱা গৈছিল। কিন্তু হীনত্ব কৰ্ম্ম কৰিব দিয়া বুলি তাচ্ছল্য জ্ঞান কৰাতে কানুৰাম শৰ্ম্মা পুৰুহিতকে কৰিবৰ আজ্ঞা দিৱাতে তেওঁ ঠাকুৰীয়াদি দ্বাৰা মানুহ নি তৈয়াৰ কৰালে। এহাতে তেওঁৰ প্রতি বৰ সন্তোষ হলোঁ ॥ ১১৪ ॥

হাজোৰ ইস্কুলঘৰ

এই সনৰ আষাৰ মাহে অত্যন্ত ব্রহ্মপুত্রৰ পানী বাঢ়ি,

টোকা—(১) টাঙ্গনি—মাটিৰ লেখ বুজাবলৈ কৰা তাগ বা চহৰ।

ৰুদ্রেশ্বৰৰ পৰা উঠিবৰ উদ্যম

ৰুদ্রেশ্বৰৰ গড়ৰ পশ্চিমে থাকাতে চোতাল ৰৱঘৰৰ ভেঁটি তল যোৱাতে, আমি ও জেষ্ট গোপীকান্ত ও কলীয়া কানাই ও চানা ওৰফে কল্পনাথ ৰৱদলৈ প্রভিতি সকলো ৰৱ বিৰক্ত হৈ, তাৰপৰা উঠি নদী অথচ ব্রহ্মপুত্র কিনাৰত, ঘৰ সাজিবৰ যুক্তি হোৱাতে, প্রথম মাজুজনা গোসাঞীৰ পাচ ফালৰ পর্ব্বতৰ পশ্চিম ভূঁই মাটিৰ পৰা আহি, ওখ ঠাই ডোখৰত হাবি কটা গ'ল। তাতে পর্ব্বতৰ নখ বুলি কতো কতো লোকে আশঙ্কা দেখোৱাত, ৰৱ পুখুৰীৰ পূৰফালে হাবি কটা গৈছিল। তাতো পৰীক্ষিত পুখুৰীৰ কাখত ঘৰ কৰা ভাল নহয় বুলি লোকজনে মানা কৰাত, তাকো এৰি, অশ্বক্রান্তৰ নিকট মোৰ পাট্টাকৈ লোৱা মাটিৰ হাবি কাটি ঠাই সাফ্ কৰি, একজোৰা কমাৰো আনি দা-কুঠাৰ কৰান গৈছিল। কিন্তু তাতো ব্রহ্মপুত্রৰ হেচা পৰে বুলি মৰঙ্গীয়াল ভকত ৺মাতৃ মানা কৰাতে, অৱশেষে মাজুজনা গোসাঞীৰ পশ্চিম মটীয়াৰ দক্ষিণ নদীৰ কিনাৰে হাবি মাটি পছন্দ হ'ল।

নদীকাখৰৰ মাটিলোৱা

কিন্তু কৃষ্ণৰাম ভণ্ডাৰ বৰুৱা বাটকে সীমা কৰি জঙ্গল পাট্টা কৰি লোৱা হেতু তেওঁকে, স্বত্ব ত্যাগ কৰি, মৌৰশী পাট্টা কৰি দিবৰ ধৰাত, তেওঁ সম্মত হৈ একখন সাধা কাগজত লিখি দিলে। পাচে হাবি কাটি ঠাই সমান হেন নেদেখি, আৰু টিলাৰ নখ হেন দেখি, কিছো ঠেলি, পশ্চিমৰ ফালে ঘৰ কৰিলোঁ। জেষ্ট গোপীকান্ত পূৰত, মোৰ কাখতে কলীয়া কানাই ও অনাদৰ মাতুলক ও দয়া বেথাইক ঘৰ কৰিব দিলোঁ। ও হলকান্ত কৃষ্ণৰাম বৰুৱাৰ পূৰে ও কল্পনাথ পশ্চিমে হাবি কাটি ঘৰ কৰিলে। ও টোকৰ শর্ম্মা ৰতিকান্তৰ ঘৰত আছিল। তাৰপৰা খেদাতে নদীৰ কিনাৰ হলকান্তৰ ওচৰ আহত গছৰ কাখতে ঘৰ কৰি আছিল। আমিও আঘোণ মাহে উঠি আহি অথচ ৰুদ্রেশ্বৰৰ পৰা আহি, ঐ নদীৰ কিনাৰে ঘৰ ললোঁ॥ ১১৫ ॥

নদীৰ কিনাৰে ঘৰ কৰা

তদপৰ নগাঞৰ পৰা বিগি সাহেৰ আহি কালেক্টৰ চাৰ্ভ

গ্রহণ কৰিলে। তেওঁ সাহেবে মোক ১৮৪৩ ইংৰেজী ২০ ফেব্রুৱাৰী আচালতন পৰৱানা নবীচ ২০৲ টাকাত মকৰৰ কৰিলে। তেওঁ মোক বৰ ভাল পাইছিল ॥ ১১৬ ॥

মঞ্চি পৰৱানা নবীচ মকৰৰ

এই সনৰ মাঘ মাহৰ পৰা মহামাৰী হৈ অনেক লোক মৰিছিল। তাতে ভয় হৈ আমালোকে ৰুদ্রেশ্বৰত কতেক দিন আছিলোঁ। তাতে মাঘৰ ১৩ দিন যোৱাত গৌৰীকান্তৰ পুত্ৰ এটি জন্ম হয়। নামাকৰণ কৰণে শ্রীচন্দ্রকান্ত নাম হয়। তদপৰ মাৰী নিবৃত্তি হোৱাতে পুনৰায় সপৰিবাৰে নদীৰ কাষৰৰ স্বকীয় ঘৰ লোৱা হল ॥ ১১৭ ॥

শ্রীচন্দ্রকান্তৰ জন্ম।

তদপৰ বিগি সাহেব কালেক্টৰ ভাঠী যোৱাতে ডালটীন সাহেব আহি কামৰূপে কালেক্টৰ হ'ল। এবং এই সনৰ ফাগুনৰ শেষ, চৈত্রৰ আদিত আকাশে পশ্চিম দিকে শুক্লবর্ণ দীর্ঘাকৃতি কেতুগ্রহ উদয় হৈ চাৰি মাসতক (১) মহামাৰীতে অনেক লোক মাৰে ॥ ১১৮ ॥

ডালটীন সাহেব কালেক্টৰ

আৰু এই সনে ভোটৰ এলাকা বাস্‌কা দুৱাৰ প্রভিতি নামদানি সৰকাৰে দখল কৰাতে ১০,০০০ দশ হাজাৰ টাকা ভোটৰ ৰাজাক দিবৰ নিয়ম হ'ল। এই সনাবধি দি আছিল ॥ ১১৯ ॥

ভোটৰ ৰাজাক দশহাজাৰ টাকা দিয়া নিয়ম।

৪। গোলাম-বন্দী খালাচ।

১৭৬৫ শক ও ১২৫০ সন ১৮৪৩।৪৪ ইংৰেজী।

এই সনেও জিন্‌কিঞ্চন কমিচনৰ ও মিথি সাহেব ডিপুটী কমিচনৰ ও ডালটীন সাহেব কালেক্টৰ। এওঁ কালেক্টৰ গত সনৰ নিৰিখ নিয়মত পৰগণা সকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। ও হাজো পৰগণা গৌৰীকান্ত সহিত বন্দবস্ত। আমি ঠাকুৰীয়া কাকতী দ্বাৰা খাজানা সধাই আনি সৰকাৰে দাখিল কৰোঁ। ও মধ্যে দেখিবৰ, শিক্ষা কৰিবৰ কাৰণে, হাতী বা

পৰগণা বন্দবস্ত

টোকা—(১) মাসতক=মাহলৈ (তক=লৈ)

দোলাৰে পঠাওঁ। কিন্তু তেওঁ লৰামানুহ হেতু, আমাৰ পুৰুহিত কানুৰাম শৰ্ম্মাকে দেৱলীয়া চৌধাৰী হুজুৰে (১) এত্যালা (২) দি মকৰৰ কৰি দিলোঁ॥ ১২০॥

প্রথম দুহিতৃ জন্ম

এই সনৰ বৈশাগ মাহে আমাৰ প্রথম দুহিতৃ এটী নদীৰ কাখৰ মাটিত জন্ম হয়। নামাকৰণ কৰণে বসন্তকালত জন্মহেতু বসন্তী নাম হয়। অর্থাৎ আহ্লাদিত হৈ বসন্তী নাম দিয়া গল॥ ১২১॥

মঞ্জি আচালতন ৰোবকাৰ

তদপৰ ১৮৪৪ ইংৰেজীৰ ১ জুলাই আমাকে ডালটীন সাহেৰ আচালতন ৰোবকাৰী নৰীচ্ ২২৲ টাকাত মকৰৰ কৰে॥ ১২২॥

আচালতন পেচ্কাৰ

ঐ ১৮৪৪ ইংৰেজীৰ ৫ আক্টুবৰ আচালতন পেচ্কাৰ ৪০৲ টাকাত মকৰৰ কৰে॥ ১২৩॥

কৃষ্ণৰাম চেৰস্তাদাৰ

আৰু কৃষ্ণৰাম বৰুৱা কমিচনাৰিত ১৫৲ টাকাত পঞ্চায়ত আছিল। তাৰেপৰা আহি ডালটন সাহেৰৰ আমলে ফৌজদাৰীৰ চেৰস্তাদাৰ ৬০৲ টাকাত মকৰৰ হয়॥ ১২৪॥

এৰং এইসনৰ আশ্বিন মাহে দেৱদত্ত ৰৱদলৈৰ জীয়েক শ্রীতিলমতীক গোপীকান্ত বৰুৱাই বিবাহ কৰাৰ জন্য ধৰে॥ ১২৫॥

গোলাম-বান্দী খালাচ্

আৰু গোলাম-বান্দীসকল খালাচ দিবৰ ১৮৪২ সনে আইন হোৱা বুলি ফৌজদাৰীৰ পৰা খালাচ দিবৰ ধৰিলে। এই কর্ম্মত জান্বটলৰ জুনিয়ৰ সাহেৰ বৰ উৎযোগী, ও ৰাধানাথ কটকী ফৌজাদাৰীৰ মহৰিৰ, এতৎ কর্ম্মে বৰ ৰাগী আছিল। দৰখাস্ত লিখাই কয়েদ ৰাখা বুলি দৰখাস্ত দিয়া মাত্রে খালাচেৰ হুকুম জাৰি কৰে। আৰো এক একখানি খালাচৰ ফয়চলা দিবৰো নিয়ম হৈ, দিছিল। এহাতে গোটেই কামৰূপ ও আসাম দেশত হাহাকাৰ হ'ল॥ ১২৬॥

তদপৰ কামৰূপৰ সকল মহন্ত ও ব্রাহ্মণ একত্র হৈ অযুত

টোকা—(১) হুজুৰে=মান্যজনৰ ঠাইত।

(২) এত্যালা=এত্লা=ডাঙৰ লোকলৈ সম্বাদ। আচালতন=নিগাজী।

শিবপূজা কৰি অশ্বক্রান্তত জমা হৈ পূর্ব্ব মত দাসদাসী ব্রহ্মোত্তৰ বহাল ৰাখাৰ প্রার্থনায় ১০০০ একহাজাৰ কেতা দৰখাস্ত জিনকিঞ্চন কমিচনৰ সাহেবৰ হুজুৰে দাখিল কৰাতে কিছো হুকুম নিদিলে ॥ ১২৭ ॥

গোলাম বান্দী ৰাখিবৰ বাবদ দৰখাস্ত

আৰো এই সনৰ মাঘ মাহতে সৌমাৰ পীঠত তামুলী ফৰিঙ্গ উজায়। ও কামৰূপত ব্রাহ্মণক কুলী ধৰি আলিৰ কৰ্ম্ম কৰায় ॥ ১২৮ ॥

তামুলী ফৰিঙ্গ

আৰু এই সনৰ মাঘ মাহতে জেলা তেজপুৰৰ গৰ্ডন সাহেব কালেক্টৰ, অকা ডফলাক, ফি নামে বৎসৰ বেতন ২০ টাকা দেওৱাৰ বন্দবস্ত কৰি চাৰি দুৱাৰৰ পঁচা গুচালে ॥ ১২৯ ॥

৫। দহ-সনা বন্দবস্ত।

১৭৬৬ শক, ও ১২৫১ সন, ১৮৪৪।৪৫ ইংৰেজী।

এই সনেও জিনকিঞ্চন কমিচনৰ ও মিথি সাহেব ডিপুটী কমিচনৰ ও ডালটীন সাহেব কালেক্টৰ। এওঁ ডালটীন সাহেব, মঞ্জি, শম্ভু বাগচী, শর্ম্মণ চেৰস্তাদাৰ, সাহেবৰ লগত দক্ষিণ কুলে যাই, দক্ষিণ সৰু বংশৰ পৰগণাৰ হীৰাপাৰাত থাকি, ৰায়তৰ সহিত ১০ সনা ম্যাদে বন্দবস্ত কৰা যায়। অথচ পাট্টাৰ পিঠিত লিখি দিয়া যায় যে তোমি ১০ বৎসৰলৈ মাটি ইস্তফা দিব নোৱাৰিবা। আৰো যত মাটি বেচিকৈ ভাঙ্গিবা, তাৰ খাজানা দশ বৎসৰ সৰকাৰে অথবা চৌধাৰী লব নোৱাৰিব। এহাতে মঞ্জি কৈছিলোঁ, যোত্রহীন হলে, ৰায়তে ইস্তাফা দিব নোৱাৰিলে, ৰায়তৰ পক্ষে বিষম হব। সাহেব গ্রাহ্য নকৰি, ৰায়তক তলব দি আনি সকল মহৰিৰ দ্বাৰা ঐ মত লিখাই দিছিল ॥ ১৩০ ॥

দশসনা বন্দবস্ত

আৰু গত সনৰ নিৰিখ মতে পৰগণাসকল ৩।৪ সনা ম্যাদে বন্দবস্ত কৰিলে ও হাজো পৰগণা গৌৰীকান্ত সহিত ৩ সনা

ম্যাদে বন্দবস্ত কবিলে। মঞ্চি ঠাকুবীয়াগণে সহিত বায়তব খাজানা তহচীল কবাই, সবকাবে দাখিল কবাই, সবকাবী সকল কর্ম্মব আঞ্জাম দিছিলোঁ ॥ ১৩১ ॥

মঞ্চি খোচ্‌নামী পোৱা

ও প্রেম্‌বর্টন্ সাহেব ভোটান্তে যোৱাত, বচদ্‌কুলীব আঞ্জাম দিয়াত খোচ্‌নামী পবৱানা প্রাপ্ত হৈছিলোঁ ॥ ১৩২ ॥

কিন্তু গৌবীকান্তক হাজো পবগণায় পঠাও হয়, লবামানুহ। এহেতু তেওঁব লগত সহায় হবব কাবণে কানুবাম শর্ম্মা ববদেউবী পুৰুহিতকে দেৱলীয়া চৌধাবী মকবব কবি পবৱানা দিলোঁ। তেওঁ ঠাকুবীয়াইতব দ্বাবা খাজানা লৈ গৌবীকান্তক দিয়ে। তেওঁ মোব পাশ পঠাই দিয়ে। পবে সবকাবে দাখিল কবোঁ। এইমতে চলিছিল ॥ ১৩৩ ॥

মঞ্জিবাব জন্ম

আবো এই সনব অগ্রায়ণ মাহব ১০ দিন যোৱাত গৌবীকান্তব দুহিতৃ এটী জন্ম হয়। নামাকবণ কবণে মঞ্জীবা নাম দিয়া হল ॥১৩৪॥

তদপব শীতকাল প্রবেশ হোৱাতে ডালটীন সাহেব কালেক্টবেব সহিত মপস্বল ভ্রমণ কবি ফুবিছিলোঁ। এওঁ সাহেব অতি পবিশ্রমী আছিল ॥ ১৩৫ ॥

৬। দুর্য্যোগ।

১৭৬৭ শক, ১২৫২ সন, ১৮৪৫।৪৬ ইংবেজী।

এই সনেও জিন্‌কিঞ্চন কমিচনব ও মিথি সাহেব ডিপুটী কমিচনব। ও ডালটীন সাহেব কালেক্টব। এওঁ সাহেব গত সনব নিবিখমতে পবগণাসকল ৩।৫ সনা ম্যাদে বন্দবস্ত কবিলে।

পবগণা বন্দবস্ত

ও হাজো পবগণাও গৌবীকান্ত সহিত ৩ সনা ম্যাদে বন্দবস্ত। ও কানুবাম শর্ম্মা দেৱলীয়া চৌধাবী খাজানা তহচীল কবি মোব পাশ পঠায়। মঞ্চি সবকাবে দাখিল কবি, সকল বিষয়ব লেঠা মাবি আছিলোঁ ॥ ১৩৬ ॥

অতঃপব এই সনব আষাব মাহব ১৭ দিন যোৱাত ৰবিবাব

নদী কাখৰৰ মাটিত ৰৰঘৈণীৰ পুত্ৰ এটি জন্ম হয়। আমি পেচকাৰী কৰ্ম্মত গোহাটীত থকাতে ঘিণ লগা বন্দী ঘৰগিৰী যাই মোত খৰৰ কোৱাতে খুচি হৈ তেতিয়াই গাৰ কাপুৰ জোৰ সলাই তাক বকচিচ্ দিলোঁ। এবং তদপৰ আমাৰ শহুৰ দেবদত্ত দ্বাৰা গণনা কৰোৱাত শ্ৰীকমলাকান্ত নাম হয় ॥ ১৩৭ ॥

পুত্ৰ কমলাকাৰ জন্ম

আমালোক নদীৰ কাখৰৰ মাটিত ঘৰ কৰি আছিলোঁ। তাতে লৰাটি বেমাৰ হৈ মৃতকল্প, মাকৰ কোলাত হ'ল ; সেই দেখি অত্যন্ত দুঃখিত হৈ লৰা ৰক্ষা ও মঙ্গলৰ জন্যে হঠাৎ ১০০,০০০ একলক্ষ তোলসী ৺মাধৱত দিবৰ আগ কৰা পৰে, চিকিৎসাদি কৰাতে ক্ৰমে আৰাম হ'ল ॥ ১৩৮ ॥

একলক্ষ তুলসী দিব আগকৰা

তদপৰ নদীৰ কাখৰৰ মাটিতে জেষ্ট গোপীকান্ত বৰুৱাদি সহিত আমি আছিলোঁ। কিন্তু কৃষ্ণৰাম বৰুৱা, জেষ্ট গোপীকান্তৰ ঘৰৰ গোহালিৰ হালুৱা গৰু মেলি নি হাল বায়। তাক কলে, "মোৰ মাটিতে আছে, নিলে যদি নিলে।" এইকথা কয়। এহাতে জেষ্ট বিৰক্ত হৈ ধীৰ ৰৰদলৈৰ মঙ্গলা হালগিৰী থকা মাটি খণ্ড উদং হোৱাত তালৈকে উঠি গ'ল, অথচ কদ্রেশ্বৰে গ'ল ॥ ১৩৯ ॥

জেষ্ট গোপীকান্ত কদ্রেশ্বৰে যোৱা

জেষ্টজনা কদ্রেশ্বৰে যোৱাতে মোৰ মন বৰ বিৰক্ত হ'ল এবং যি মৌৰশী পাট্টা কৃষ্ণৰাম ভণ্ডাৰী বৰুৱাই লিখি দিছিল, সেই পাট্টাৰ বাহিৰে মোৰ কিছো ঘৰ পৰাতে, আৰু সেই পট্টাখন, পুনঃ পুনঃ, কৃষ্ণৰাম ওৱাপছ চোৱাতে বিৰক্ত হৈ ওৱাপছ দিলোঁ। এবং জাগা-বজাগা মাটি চাই সোণাৰি ভেঁটিত জঙ্গলা হৈ থকা মাটি পূবে পিতনি, পশ্চিমে আহতৰ আলি, উত্তৰে গড়, দক্ষিণে চেপাপতা জান, এহি চৌহৰ্দ্দে মাটি পট্টা কৰি, সৰকাৰৰ পৰা লৈ, হাৰি কাটি, ঘৰ কৰিবৰ উদ্যম কৰিলোঁ ॥ ১৪০ ॥

সোণাৰি ভেঁটি মঞ্জি পাট্টা কৰি লোৱা

ৰমাকান্ত ও ৰতিকান্ত ও লক্ষ্মীকান্ত নদীৰ কাখৰৰ মাটিত আছিল, কিন্তু লগুণ দিবৰ সময় হোৱাতে দেৱৰৰ ৰৰদলৈৰ খেলৰ বুলি লগুণ নিদিয়াত, মঞ্চে লগুণ দিলোঁ ॥ ১৪১ ॥

লক্ষীকান্তৰ উপনয়ন

তদপৰ বিবাহৰ সময় হোৱাতে জীউ মিত্ৰৰ জীয়েক পতিমাক বিবাহ কৰালে। কিন্তু সেই ছোৱালীৰ অল্প কালতে মৃত্যু হ'ল ॥ ১৪২ ॥

ও দেৱৰৰ বৰদলৈ, আলহীৰ পুতেক মিহিৰাম ও শ্ৰীজয়ৰামক যোৰহাটৰ পৰা অনাই, লক্ষ্মীকান্তৰ বহিনী মালতীক মিহিৰামত বিবাহ দিলে ॥ ১৪৩ ॥

এসকল কৰ্ম্ম তেওঁলোকক ভৰসা কৰি নকৰাত ৰমাকান্ত ও ৰতিকান্ত অনেক মতে হিংসা কৰিব ধৰিলে। সেই দেখি দেৱৰৰ বৰদলৈৰ বহিনী ডালিমীয়ে, তৎপুত্ৰ-লক্ষ্মীকান্তক মোৰ হাতে ধৰাই গতাই দিলে। আৰো কলে,—"বপা, লৰাটোক লগুণো দিছ, কদাচ নেৰিবি, মোৰ শপত।" মঞো স্বীকাৰ কৰি কলোঁ, "মোক নেৰেমানে মঞি কদাচ নেৰোঁ" ॥ ১৪৪ ॥

তদপৰ সোণাৰি ভেঁটিত ঘৰ কৰিবৰ উদ্যম কৰাতে, তেওঁলোকে তালৈকে যাবৰ কোৱাতে, মোৰ পশ্চিমে মিহিৰামক, তদ পশ্চিমে লক্ষ্মীকান্তক মাটি দিলোঁ ও ঘৰ কৰিবৰ জন্যে সাহায্য কৰিছিলোঁ ॥ ১৪৫ ॥

ৰৰঘৈণীৰ প্ৰথম বেমাৰ

অতঃপৰ ঐ সোণাৰি ভেটিতে ঘৰ তৈয়াৰ হোৱাতে অগ্ৰায়ণ মাসে ৺মাতৃ সহিত যাই ঘৰ ললোঁ। এবং ৰাতি ৰৰঘৈণীয়ে ভাত ৰান্ধি সকলোকে খুৱালে ও তেওঁ খাই শয়ন কৰিব গৈছিল। মঞো শয়ন কৰিছোঁ, কিন্তু নিদ্ৰা হোৱা নাই। এনেতে মঞি শয়ন কৰা চালপীৰাৰ কাষত থিয়হৈ, ভৰিৰ পৰা জিনজিনাই আহিছে বুলি, পানী দে, বুলি বিলাহী বেটীক আৰ্ত্তৰাৱে মাতিৰ ধৰাত, কাঁহৰ কলহৰে পানী দিয়াতে গোটেই কলহ পানী খালে। আৰু পানী আন বুলি কোৱাতে তৎক্ষণাৎ আনি দিয়াতে, আৰু আন বুলি কোৱাতে খালে। ও পুৰিছে পুৰিছে বুলি সেই শোৱনিঘৰতে পানী পাৰেমানে মুৰত ঢালি মাটিত

অচেতন হৈ পৰিল। বিলাহীয়ে আটাহ পাৰিব ধৰিলে। মঞি উঠা নাই ; মানুহবো হঠাৎ এনে নৰিয়া হয়নে!

তদপৰ মাতৃয়ে আটাহ পাৰিব ধৰাত উঠি হাত চাওঁ যে কেবল অচেতন ও নাড়িয়ো কিছো ব্যতিক্রম হেন পালোঁ। এনেতে গৌৰীকান্ত উপস্থিত হৈ ধৰাধৰি কৰি মাৰল ঘৰে আনিলে। তেতিয়া প্রায় নিশা দুপ্রহৰ মান হৈছিল। তেতিয়াই ৰুদ্রেশ্বৰৰ পৰা জেষ্ট গোপীকান্ত ও ক'লীয়া কানাইক নিবৰ মানুহ পঠালোঁ ॥ ১৪৫ ॥

তদপৰ তেওঁলোক সেই ৰাতিতে উপস্থিত হৈ ভৌতিকৰ ক্রিয়া কৰি চাওঁ বুলি চতুর্ম্মুখ ও ৰসসেন্দুৰ মিছিৰী পানী সহিত মাৰি কটাৰীৰে মুখ মেলি খোৱাৰ ধৰাত, কেতিয়াবা এইমাত্র কয়,—"মোক পোৰে" পুনৰ অচেতন হয়। এইদৰে থাকোতে ৰাতি পোৱাল। পৰে নানা স্থানৰ পৰা বৈদ্য ও নিদানী ঔষধ আনি খুৱাব ধৰাত ক্রমে মাঘ মাহ পালে। তথাপি শয্যাগত সুগুচিল ॥ ১৪৬ ॥

পূর্ব্বপাৰ পৰগণাৰ আঠগঞা বৈদৰ নাম শুনি তেওঁকে আনি চিকিৎসা কৰাতে চৈত্র মাহে সন্ধ্যাৰ পৰা মানুহৰ হাতত ধৰি উঠিব পৰা হল। শৰীৰ অত্যন্ত কৃশতা হৈছিল ॥ ১৪৭ ॥ ৰবৈণী কিছু আৰাম

আৰো এই সনৰ আশ্বিন মাহৰ ১০ দিন যোৱাৰ পৰা ১৩ দিন পর্য্যন্ত শ্রীশ্রীকামাখ্যা ঠাকুৰাণীৰ পীঠত স্ত্রীৰ ক্রন্দন হৈছিল ॥ ১৪৮ ॥ কামাখ্যাত স্ত্রীৰ ক্রন্দন

ও এই সনৰ পৌষ মাহত ১৮৪৫ ইংৰেজীৰ ডিচাম্বৰ মাহত ৺উমানন্দৰ দক্ষিণে গোহাটীত পাকা গীর্জ্জাঘৰ এটা তৈয়াৰ কৰি উলিয়ায় ॥ ১৪৯ ॥ গোহাটীত পাকা গীর্জ্জাঘৰ

আৰো ঐ সনৰ শ্রাবণৰ ২৩ দিন যোৱাত ৰাত্রি ভূঁইকম্প হৈ, উমানন্দ ও কামাখ্যা ও ৰুদ্রেশ্বৰ ও শুক্রেশ্বৰ দেৱালয়ৰ মঠ ভগ্ন হয়। তাৰপৰা তিনদিনতক ২৫টা ভূৰঃকম্প হয় ॥ ১৫০ ॥ ভূৰঃকম্প মঠ ভগ্ন

জেষ্ট গৌৰীকান্ত ৰুদ্রেশ্বৰে মঙ্গলা হালগিৰীৰ মাটিত যাই দেবদত্ত ৰৱদলৈৰ জীয়েক শ্রীতিলমতীক বিবাহ কৰায় ॥ ১৫১ ॥

৭। চোৰ বৈদ। বৰ পানী। অনাবৃষ্টি। পুৰন্দৰ ৰাজাৰ পৰলোক।

১৭৬৮ শক, ১২৫৩ সাল, ১৮৪৬।৪৭ ইংৰাজী।

এই সনেও জিন্‌কিঞ্চন কমিচনৰ ও মিথি সাহেব ডিপুটী কমিচনৰ ও ডালটীন সাহেব কালেক্টৰ। এওঁ সাহেব গত সনৰ নিৰিখ ও নিয়মমতে পৰগণাসকল ৩।৫ সনা ম্যাদে বন্দবস্ত কৰিলে ও হাজো পৰগণা গৌৰীকান্ত সহিত বন্দবস্ত ও কানুৰাম শর্ম্মা দেৱলীয়া চৌধাৰী। তেওঁলোক সহিত গৌৰীকান্ত খাজানা তহচীল কৰি পঠায়। মঞ্জি সৰকাৰে দাখিল কৰোঁ। আখেৰিতে মোখনিয়াৰ খাত আদি বাবত ৩০০।৪০০৲ টাকা ও খাজানাৰ বাকী, সৰকাৰে দাখিল কৰোঁ। প্যাদাজাৰি হব নিদোওঁ, নিজৰ পৰা দিওঁ ॥ ১৫২ ॥

পৰগণা বন্দবস্ত

দেৱলীয়া চৌধাৰী

কৃষ্ণৰাম বৰুৱা চেৰস্তাদাৰ মকৰৰ হৈ লোকসকলক বশীভূত কৰিছিল, ও ডালটীন সাহেব সহিত বৰ ভাল ও খাটনি কৰিছিল ॥ ১৫৩ ॥

এই সনৰ জৈষ্ঠ মাহৰ আখেৰিতে শ্রীমতী ৰৱৈণীৰ বেমাৰ ভাল হল, কিন্তু কাৰ ঔষধত ভাল হল, নির্ণয় কৰিব পৰা ন'গল। নানা ঠাইৰ নানা বৈদ্য ও ঔষধ আনি, নানামত চিকিৎসা কৰা হৈছিল; তথাপি আঠগঞা বৈদ ঘৰত থাকি ৪।৫ মাহ যাবৎ অনবৰত চিকিৎসা কৰাত ভাল হোৱাত, তেওঁৰ নাম হ'ল। এবং তেওঁক কাপুৰ একজোৰা, আৰো সোণা কাণত, হাতত ৰূপৰ খাৰু ও কয়েক টাকা ৰূপ দি ঘৰলৈ যাবৰ বিদায় দিলোঁ। ও হাতী সহিত তেওঁক ঘৰত থৈ আহিবৰ কাৰণে খঞ্জুৰ মাহুতক অনুমতি দি, গোহাটী কছাৰীক গলোঁ। সেইমত বৈদ্যক থৈ আহিল ॥ ১৫৪ ॥

ৰৱৈণী আৰাম

বৈদক পুৰস্কাৰ

সেই সময় ৰৰপেৰা এটা মাৰল ঘৰতে আছিল। তাৰ ভিতৰত কঠালৰ পেৰা এটাত নগদ ৮০০৲ টাকা থৈছিলোঁ। এৰং উজনীয়া ব্ৰাহ্মণ একজন আমাৰ গোসাঞী খোৱাই আছিল। তেওঁ দুই তিন (দিন) অন্তৰে, আটাগুৰি ঘৃতাদি আনি আপুনি খায়, ও অন্যান্য ব্ৰাহ্মণকো খোৱায়। তাকে দেখি গোবিন্দ শৰ্ম্মা ব্ৰাহ্মণে, আত তাত কৈ ফুৰে, "ই বামোণে ক'ত ধন পাইছে, দুই তিন (দিন) অন্তৰে কটি পুৰি খায় ও খোৱায়। কিজানি আমাৰ ডাঙ্গৰীয়া ঘৰৰে কেনেবাকৈ টাকা পালে।" এই কথা মৰঙ্গীয়াল ভকতে শুনি, ৰৰপেৰা মেলি চাৰৰ, মাতৃক, কেইবা দিনো কোৱাত, একদিন চাই যে ৰৰপেৰা মোকলি ও তাৰ ভিতৰৰ কঠালৰ পেৰাটো, কাখত কটা, এৰং টাকা-কড়ি একো নাই, সকলখিনি নিছে। তদপৰ মোৰ বিবেচনা হল, আঠগঞা বৈদক কালি থৈ আহিছে। তেৱে টাকা নিছে, অন্য নহে। এইবুলি তেতিয়াই, হাতীসহিত গৌৰীকান্ত আৰো জীউৰামকো পঠালো যে, "আঠগঞা বৈদক ধৰি শীঘ্ৰে লৈ আহ।" এই কহি প্ৰাতসে পঠাই দিলোঁ॥ ১৫৫॥ টকাচোৰ

সেইদিনা মঞি গোহাটী যোৱা নাই। ভাত খাই উঠি চ'ৰাঘৰতে থিয়া থি কৰি মনত উদ্‌বিগ্ন চিত্তে আছোঁ। তিন প্ৰহৰমান হৈছে, এনেতে শুনিলো যে গৌৰীকান্তে আঠগঞা বৈদক ধৰি লৈ আহিছে। ইতমধ্যে চৰাঘৰে উপস্থিত কৰি কলে যে প্ৰথমেই আঠগঞা বৈদৰ ঘৰত উপস্থিত হৈ আঠগঞা বৈদক বিচাৰ কৰাত, তাৰ ককায়েক হাজিৰ হৈ, তেওঁ নাই, গাঞ ফুৰিৰ গৈছে, এতিয়া আহিব। পাচে, "আমাৰ ঘৰৰ টাকা চোৰ কৰি ভায়েৰে আনিছে" বুলি ধমক দিয়াতে তেওঁ কলে, "মোৰ ভাই দেওলগা ধন মাটিৰ তলৰ পৰা তোলি আনি মোক দিছে।" এইবুলি ধৰাহি এটা সহিতে কয়েক টাকা দিছে। চোৰ ধৰা

"সেই টাকা সমন্বিতে বৈদক লৈ আহিছোঁ।" এই বুলি টাকা উপস্থিত কৰিলে ॥ ১৫৬ ॥

মঞ্জি চ'ৰাঘৰতে টাকা গৰ্ল্টি কৰি চালোঁ, ৪০০ মান টকা হ'ল। বাকী টকাৰ কথা বৈদক সোধাত, নাই-নুই, বুলি কলে। পাছে জীউৰামে, কি সুধিব লাগে, বুলি আঙ্গুলি চেপা দিবৰ উপক্রম কৰাতে, মঞ্জি ভিতৰলৈ গলোঁ। পাচে, আঙ্গুলি চেপা দিয়াত এই কথা কলে, "মঞ্জি জানো অকলে নিছোঁ, পূজাৰী সহিতে দুই জনে নিছোঁ। মোৰখিনি মঞ্জি দিছোঁ; তাৰখিনি সি দিয়ক।" এইকথা শুনি মঞ্জি বাহিৰে চ'ৰাঘৰে আহি ৰাধানাথক সোধাত প্রথম কবুল নকৰিলে, পৰে জীউৰামে টান দিয়াত কবুল কৰি ফুলনি বাৰীৰ পৰা ৪।৫ দফে মাটি খুঁচৰি ২০।৩০ বিশ ত্রিশ টকাকৈ আনি দিলে। সমুলে ৭৪০ টকামান পোৱা গল। আৰো টকাজন্যে টান দিয়াত পোৱা ন'গল। বোধ হল, ঐ ৬০ টকা খোৱাৰ খৰচা দিতে গ'ল। ক'ৰ পৰা দিব, নাহক শাস্তি-বন্দী, কৰিবৰ কাম নাই। এহা যে পোৱা গল, ইও ভাগ্যৰ বিষয়। এইবুলি তেওঁলোক দুই জনকে গোহাটী নি প্রথম মহেশচন্দ্র বৰুৱা ডিপুটী কালেক্টৰত কলো যে "মোৰ ৮০০৲ টকা চুৰি কৰি দুই জনে নিছিল। ৬০৲ টকামান পোৱা নগ'ল। সেই টকা মঞ্জি ত্যাগ কৰিলোঁ। তথাপি সিহঁতক এৰি দিব খোজোঁ।" "কেনেকৈ এৰি দিবা? সাহেৰত কৈ গতাই দিয়াগৈ।" সেই অনুসাৰে ডালটিন সাহেৰত সমুলি টাকা পোৱা বুলি বাযুন দুইক এৰি দিবৰ কথা কোৱাতে, "কি কাৰণে এৰি দিম" বুলি সিহঁতক থানালৈ পঠাই দি কয়েদ কৰিলে। বিচাৰ কৰি দৌৰায় সপৰ্দ্দ (১) কৰি সাত সাত বৎসৰ কাটেক দিলে ॥ ১৫৭ ॥

সৈ কঢ়োৱা শাস্তি

দণ্ডবিধান

এই সনৰ জৈষ্ঠ মাহৰ ৫ দিন যোৱাত গধূলি সময় ভূবঃকম্প হৈ গোহাটীৰ গীর্জ্জাঘৰৰ অগ্রভাগ চিঙ্গি পৰে। পৰে সেহেতু

গীর্জ্জাঘৰ ভাঙ্গি পৰা

টোকা—(১) দৌৰায় সপৰ্দ্দ = ফৌজদাৰী বিচাৰত সমর্পণ।

বাৰিক মেষ্টৰ (১) সাহেবকে লাট সাহেব চাৰিহাজাৰ টাকা জৰিমানা কৰে ॥ ১৫৮ ॥

আৰো এই সনৰ আষাৰ মাহৰ ৩২ তাৰিখে ব্রহ্মপুত্রৰ পানী বাঢ়ি উজনীৰ মাজোলীখণ্ড দেশ ডুবাই সত্র সভা তল কৰি অনেক গৰু মানুহ মাৰে। ও দক্ষিণপাট সত্রৰ নামঘৰ তল যায় ও কমলাবাৰী ভঁৰাল তল যায়। আউনীআটী সত্র তল যায়; অন্যকি মহাপ্রভুক কলৰ ভেল কৰি মাটি দি তাতেই ধোৱাইছিল। গোসাঞী ঈশ্বৰে সেইমত (২) ভোৰ কৰি মাটি দি ভোজন কৰিছিল। শিবসাগৰৰ পুখুৰী তল গৈছিল। আৰো ডিবৰুগড়ৰ কাছাৰী ও বৰপেটা সত্র তল গৈছিল। পহু অনেক ব্রহ্মপুত্রত উটিছিল। গোটে ।০ আনা ৵০ আনা দাম হৈছিল। আৰো অনেক মৰিছিল। থুকুৰলীয়া ও বৰখেলীয়াত কেৱল দুর্গন্ধময় হৈছিল ॥ ১৫৯ ॥

বৰ পানীত আউনী-আটী সত্র ও শিবসাগৰ পুখুৰী

আৰু এই বৎসৰৰ শ্রাবণ মাহৰ পৰা অনাবৃষ্টি হেতু খেতিৰ অনেক হানি হল ॥ ১৬০ ॥

অনাবৃষ্টি

এই সনৰ ১৬ আশ্বিন, ৪৬ ইংৰেজীৰ ১ আক্টুবৰ শুক্লা ত্রয়োদশী তিথিত পুৰন্দৰ সিংহ ৰাজা উজানে মূত্রকৃচ্ছ্র বেমাৰে মৃত হয়। তৎপুত্র কামেশ্বৰ সিংহ যুবৰাজ হয়। পৰে ৰাজা নাম লয় ॥ ১৬১ ॥

পুৰন্দৰ ৰাজা মৃত

আৰো এই সনৰ আঘোণৰ পৰা ১৭৬৯ (৩) শকতক বৃহৎ মাৰী হয় ॥ ১৬২ ॥

বৃহৎ মাৰী

আৰো এই সনে পুৰন্দৰ ৰাজাৰ খুৰা ইন্দু গোহাঞী সদৰ আমীন মকৰৰ হয় ॥ ১৬৩ ॥

ইন্দু-গোসাঞী সদৰামীন

আৰো এই সনে মাধৰ দেৱালয়ৰ গঙ্গাধৰ দলৈ ফৌত হৱাতে দলৈপদ খালী হ'ল। সেহেতু আমাৰ পুৰুহিত কানুৰাম

টোকা—(১) ৰাজহৱা পঁচা তোলা বিষয়া।
(২) ভুৰ বুজাইছে। (৩) শকলৈ।

কানুৰাম শর্ম্মা দলৈ মকৰৰ

শর্ম্মাকে দলৈ মকৰৰ কৰাৰ অভিপ্রায়ে তেওঁক, ঘৰৰ পৰা মানুহ পঠাই, মতাই অনালোঁ। এবং দলৈ হবৰ কোৱাত, "কেনেকৈ হম" বুলি কোৱাতে মঞ্জি কলো "তোমি টকাকড়ি একো খৰচ কৰিব নালাগে। যত লাগে মঞ্জি কৰিম। কিন্তু তোমাৰ ভাই-ভাগী ও অন্য কিছো ব্রাহ্মণ, পাৰা যদি টিকিট্ দিবৰ আনাগৈ।" এই কৈ ঘৰে পঠাই দিলোঁ। পৰে কেইজনমান লোক অহাতে টিকট্ দিয়ালোঁ এবং গেৰুৱাৰ ৰামেশ্বৰ শর্ম্মা নামেও কেইজনমানে টিকট্ দিলে। পাচে, মঞ্জি সাহেবত বুজাই কোৱাতে, কানুৰাম শর্ম্মাকে দলৈ মকৰৰ কৰিলে ॥ ১৬৪ ॥

৮। উজানে সত্রাদি দর্শন।

১৭৬৯ শক, ১২৫৪ সন, ১৮৪৭।৪৮ ইংৰেজী।

এই সনেও জিন্‌কিঞ্চন কমিচনৰ সাহেব ও মিথি সাহেব ডিপুটী কমিচনৰ। ও ডালটীন সাহেব কলেক্টৰ। এও সাহেব অত্যন্ত পৰিশ্রমী আছিল। পৰগণাসকল গত সনৰ নিৰিখ ও নিয়ম মতে ৩।৫ সনা ম্যাদে বন্দবস্ত কৰিলে। হাজো পৰগণা গৌৰীকান্ত সহিত ৩ সনা ম্যাদে বন্দবস্ত কৰিলে। কানুৰাম শর্ম্মা দেৱলীয়া চৌধাৰী মাধব দেবালয়ৰ দলৈ মকৰৰ হৱাতে, গৌৰীকান্ত নিজে খাজানা তহচীল কৰিবৰ ঠাকুৰীয়াহঁতৰ কবুলিয়ৎ লৈ বন্দবস্ত কৰি দিলোঁ। সেই অনুসাৰে খাজানা পঠায়। মঞ্জি সৰকাৰে দাখিল কৰোঁ ও আখেৰি কিস্তিতে ৩০০।২০০ টাকা বাকী পৰিলে মঞ্জি নিজৰ পৰা দি জেঙ্গা ভাঙ্গো ॥ ১৬৫ ॥

পৰগণা বন্দবস্ত

তদপৰ মঞ্জি উজানে যাই শ্রীশ্রীআউনী-আটীয়া অধিকাৰী গোসাঞী সেৱা ; ও সত্র, ও বঙ্গপুৰ, গৰগাঞ প্রভিতি দেখিবৰ মনস্থে ১৮৪৮ ইংৰেজী ১৮ জানৱাৰী ৬ মাঘ ডালটীন সাহেবৰ

হুজুৰে এত্যালা (১) দিয়াতে ৩০ জানৱাৰী ১৮ মাঘ ইস্তক (২) দুই মাহৰ ছুটী বিনা একটানে ২০ জানৱাৰী ১১ মাঘ দিলে ॥ ১৬৬ ॥

তদপৰ আমি ১৯ মাঘ জীউৰাম ও টোকৰ মিত্র ও হৰিহৰ শর্ম্মা সাড়া, ও ধনো সাড়া, আৰু একজন লগুৱা লৈ, বাঙ্গালী ছোট পানছৈ নাউ একখন তিনজন মানুহ সহিত, শম্ভু বাগ্‌চি চেৰস্তাদাৰ, বন্দবস্ত কৰি দিয়াতে, উজানে ৰওনা হৈ গলোঁ। ও ৰৰাবৰ গৈ তেজপুৰ পালোঁ ॥ ১৬৭ ॥ উজানে ৰওনা

এবং তেজপুৰ পাই, সেই সময় ৰমাকান্ত মনচুফ হৈ তাতে থাকাতে প্রাতঃকালে উঠি, তেওঁ সহিত দেখাহৈ, জিজ্ঞাসামতে, গোসাঞী ঈশ্বৰক সেৱা কৰিব আহিছোঁ বুলি কোৱাত, তেওঁ কলে "গোহাঞী ঈশ্বৰ অর্দ্ধোধয়ে গঙ্গাস্নান কৰিবৰ কাৰণে, সত্রৰ পৰা ৰওনাহৈ আহিছে। বাটত আহোঁতে লগ ধৰিব পাৰা, নেপাৰ পাৰা।" এই কথা শুনি, মঞি ত্রস্তমতে, তেতিয়াই বিদায়হৈ আহি উজানে নাউ মেলি দিলোঁ ; কিন্তু কোন সুঁতি গোসাঞী ভটীয়াই যায় ! এই ভাবনাত থাকিলোঁ। ক্রমে গৈ বিশ্বনাথ পালোঁ। তাতে বিশ্বনাথ দর্শন কৰি ৰওনা হলোঁ ॥ মোৰ এই ভাৱনা হল : গোসাঞী ভটীয়াই আহিলে, অনেক নাউ আহিব, জানিব পৰা যাব। কিন্তু সুঁতিয়ে কোন বা ভটীয়ায়, দেখা নাপাওঁ,—এই ভাবি নাৱৰ চৰটত (৩) বহি চাই গৈছিলোঁ ॥ ১৬৮ ॥ আউনী-আটী সত্রাধিকাৰ, অর্দ্ধোদয় স্নান

তদপৰ কাখে, উত্তৰ পাৰে আমি উজাই গৈছোঁ। বেলা অলপ ভাঠী দিছে। এনেতে দেখিলোঁ, অনেক নাউ ভটীয়াই আহিছে। এবং মাজেদি ভটীয়াই অহাতে আমাৰ সমান

টোকা—(১) = এত্যালা = জাননী (ইয়াত দৰখাস্ত)।

(২) ইস্তক = পৰা (যেনে, মাঘৰ পৰা)।

(৩) চৰট = চৰঠ = ছৈৰ বাহিৰে, নাৱৰ দুই মুৰে, বঠা মাৰিবলৈ বখা মুকলি ঠাই।

হ'ল। নিশ্চয় গোসাঞীৰ নাউ জানি ৰিঙ্গিয়াই জীউৰামৰ দ্বাৰা কোৱালোঁ। এনেতে গোসাঞী৺ (ৰ) নাউ, ডেকাজনা ও ঘিণাই চৰন্ধুৱা প্রভিতিৰ নাউ চপালে। এবং মঞি উঠি প্রথম চৰন্ধুৱা আতা সহিত দেখাহৈ সকল কথা কলোঁ। কেৱল গোসাঞী৺ সেৱা ও গৰগাঞ ৰঙ্গপুৰ দেখিব আহিছোঁ। তদপৰ চৰন্ধুৱা আতাই নি গোসাঞী ঈশ্বৰক সেৱা কৰালে। যি নিয়া গৈছিল, সকলো দি সেৱা কৰিলোঁ। গোসাঞীয়ে কলে, "তোমি ৰওনা হৈ আহিছা, আমি খবৰ নাপাওঁ।" তাতে মঞো কলোঁ "বন্দীয়েও খবৰ নাপাওঁ, কেৱল তেজপুৰত ৰমাকান্ত মনচুফৰ মুখেহে বার্ত্তা পালোঁ প্রভু৺ ৰওনা হৈ ভটীয়াই আহিছে।" গোসাঞী কলে, "ভাল হৈছে। আমাক দেখাহৈ সেৱা কৰিলা এবং মাজোলীত যি দেখিব খোজা, আমাৰ হাতী লৈ সকলো দেখিবা।" এই বুলি একখন চিঠি চাউল ভঁৰালীলৈ মোৰ হাততে দিলে। তদপৰ ডেকাজনাকো সেৱা কৰি বিদায় হৈ ও চৰন্ধুৱা আতাকো যি নিছিলো দি, বিদায় হৈ আহি, নাৱলৈ আহিলোঁ। এবং গোসাঞী প্রভিতিৰ নাউ ভটীয়াই দিলে। আমিও উজানে ৰওনা হলোঁ ॥ ১৬৯ ॥

গোসাঞী সহিত সাক্ষাৎ

তদপৰ আমি উজাই গৈ আউনীআটী সত্র পালোঁ। এবং সত্র উঠি মহাপ্রভুক সেৱা কৰি, ও ৰৰদেউৰী বুঢ়া বাপুক সেৱা কৰি কথোপকথন হৈ, চাউল ভঁৰালীক দেখাহৈ চিঠি দিলোঁ। এবং তিন দিন নাৱতে আছিলোঁ। ৰোজ, সিধা-চাউল ভঁৰালীয়ে দিছিল। হাতী দিয়াতে তাৰে পৰা গৈ কমলাবাৰী সত্র দেখি পুনৰ আহি নাৱতে থকা গ'ল ॥ ১৭০ ॥

সত্র দেখা

তদপৰ ৰৰদেউৰী বাপু সহিত অনেক আলাপ-প্রলাপ কথাবার্ত্তা সুধি বিদায় হৈ ৰওনা পূর্ব্বক, দক্ষিণপাট সত্র পালোঁ। তাতে নাউ চপাই ৺যাদৰ ৰায় ঠাকুৰ ও অধিকাৰ বুঢ়া গোসাঞীক সেৱা কৰি উজাই গৈ, দিখৌ নদীৰ মুখ পালোঁ।

দক্ষিণপাট সত্র দেখা

তাৰ পৰা উজাই গৈ, তিনদিনে ৰঙ্গপুৰ শিৱসাগৰ জেলা পাই কৃষ্ণকান্ত বৰুৱা খুৱা মহৰিৰ ঘৰতে থাকি, অনেক কথাবার্ত্তা সুধিলোঁ। ও হৰনাথ পর্ব্বতীয়া পেচ্‌কাৰ ও দূতীৰাম ফৌজদাৰীৰ চেৰস্তাদাৰ ও কিনাৰাম চাংকাকতী মহেফেজ ও দত্তৰাম পুলিচ মহৰিৰ সহিত দেখা হলোঁ। এবং ৰংপুৰ নগৰ ও চহৰ দেখিলোঁ। ও তলাতল, ৰংঘৰ দেখিলোঁ। এবং ৰংপুৰে দদাইদেৱৰ ঘৰে ১৭ দিন থাকি অনেক কথাবার্ত্তা অথচ এদেশৰ লোক বিষয়া সকল পূর্ব্বে কি লোক, কি ৰকমে আছিল, পৰে কেনেকৈ বিষয়-বাসনা পালে। ও আমাৰ ঘৰৰ পুকৰী নামা ও কোন ৰাজাই কি মর্য্যাদা দিলে, ইত্যাদি অনেক কথা সুধি, লিখি লিখি, লৈছিলোঁ॥ ১৭১॥

ৰংপুৰত বুৰঞ্জীৰ সমল গোটোৱা

তদপৰ গৰগাঞ নগৰাদি চাই ঘূৰি, একদিনে আহিবৰ মনস্থ হোৱাতে হৰনাথ পর্ব্বতীয়া বৰুৱাই হাতী এটা দেৱালে, তাতে উঠি মেটেকাদি গড় এটা পাৰ হৈ নাজিৰা পালোঁ। এবং আমাৰ পুৰুষ সকলৰ ঘৰ থকা ঠাই চাই, বুঢ়া মজুন্দাৰ অথচ ময়ুৰ মজুন্দাৰে বোৱা বকুল গছ দেখিও সেৱা কৰিলোঁ। তাতে দক্ষ ঘৰগিৰী ও আনলোকে কৈছিল, আমাৰ বংশৰ পুৰুষ কেজন বিহীন হলে একটি ডাল খহি পৰে, কিন্তু সেয়ে বৰ ও ক্ষ ক্রমে পৰে, অর্থাৎ বৰলোক হলে বৰ ডাল ; সৰুলোক হলে ক্ষ ডাল খহে॥ ১৭২॥

নাজিৰাত ময়ুৰ মজুন্দাৰে বোৱা বকুল গছ

অতঃপৰ খোদৰ আলিদি উত্তৰ মুখে গৈ দিখৌ নদী পাৰ হৈ ড়গাঞৰ তলাতল ঘৰ কিছো দূৰৰ দেখি, এইটো কাৰ কাকুৱা ল বুলি সোধাত সৰু ঘৰগিৰী প্রভিতিয়ে কলে, এইটিকে ৰঙ্গ তলাতল ঘৰ, বোলে। পাচে ক্রমে গৈ ওচৰতে নামি উঠি লাতল ঘৰ চালোঁ। ওপৰে সাত কোঠা ও তলেও সাত কোঠা। ন্তু আমি তলৰ কোঠাত প্রবেশ হোৱা ন'হল ; অন্ধকাৰময়, াদি থাকিব পাৰে। এই আশঙ্কা লোকজনে কলে। ও

গড়গাঞৰ তলাতল ঘৰ

ওপৰৰ সাত খলপা দেখিলোঁ। ঘূৰি ঘূৰি যাই জখলাদি উঠি গলে এক কোঠা পায়, তদপৰ পুনৰ ঘূৰি এক কোঠা পায় এবং প্ৰকাৰ ক্ৰমে কোঠা ওপৰলৈ সৰু হৈ গৈছে ও ওপৰৰ কোঠ সৰু, ১০।১২ জনা লোক বহিব পাৰি। তাত উঠিলে, বহু দূৰলৈ গাঞ আদি দেখা যায় ও সুন্দৰ বতাহ পোৱা যায়, আৰু তাত চাৰিওফালে ৰেল দিয়া। সেই তলাতল ঘৰ দেখি বোধ কৰিলোঁ শঙ্খাকৃতি; মধ্যে কোঠা ডাঙৰ, অধঃ উৰ্দ্ধে সৰু ॥ ১৭৩।

বামুণৰ বাৰী

যে যাহক তাতে মিঠা পুখুৰী ও তাল গছ দুই জোপা ও বামোণৰ বাৰী দেখিলোঁ। পূৰ্ব্বে হেনু বামোণৰ মাটি আছিল। গৰগঞা ৰজা নগৰ কৰাতে বামোণে ওজৰ কৰাত সেই ঠাইতে বামোণক নিৰ্ভয় ৰাখিলে, তাতেহে বামোণৰ বাৰী মাটি বোলে, কিন্তু মঞি দেখাত কিছো হাবিহে থকা দেখিলোঁ। আৰু নগৰখনো হাবি। লোকজনে সেই তলাতল ঘৰৰ ইটা খানি মাটি ওলিয়াই মিঠা পুখুৰীত ধুই, কিঞ্চিৎ কিঞ্চিৎ সোণা ও ডালিমা পানা বাখৰ প্ৰাপ্ত হৈছিল। তাকে দেখি মঞি লোক-

প্ৰাচীন কীৰ্ত্তি নষ্ট হব নিদিয়া

জনত কৈছিলোঁ, "অল্প দ্ৰব্য জন্যে প্ৰাচীন ৰাজাৰ কীৰ্ত্তি কিয় নষ্ট কৰ? নকৰিবিহঁক!" এইমত বাধাদি সকল দেখি উত্তৰ ভাগে ফিৰি আহি গধূলা সময় ৰংপুৰ পাই দদাইদেৱৰ ঘৰে থাকি অনেক কথাবাৰ্ত্তা সুধিলোঁ। তাতে দদাইদেৱে কৈছিল, মোৰ লৰাহঁতে এইসকল কথা নোসোধে, কেবল ধন অলঙ্কাৰেহে সোধে ॥ ১৭৪ ॥

দ্বিতীয় বিবাহৰ কাৰণে কাকডঙ্গাত ছোৱালী চোৱা

এইসকল অথচ অনেক কথাবাৰ্ত্তা সুধি, ১৭ দিন ৰংপুৰত থাকি পাচে ভটীয়াই আহিবৰ কাৰণ দদাইদেৱত বিদায় হলোঁ। এনেতে দদাইদেৱে কলে, "কাকডঙ্গাত মঞি বিবাহ কৰোঁ। মেকুৰী দলৈৰ ঘৰৰ মালতীৰ ককায়েক ঘিণৰ, ভাল ছোৱালী এটী আছে। তাকে বিবাহ কৰি যোৱাগৈ।" এইবুলি একখন চিঠি মোৰ হাতত দিলে। মঞো বিবেচনা কৰিলোঁ, শ্ৰীমতী

ৰৱঘৈণী প্ৰায় সৰ্ব্বদা বেমাৰ হৈ থাকে ; একাৰণে বিবাহ কৰাব পাৰিলে ভাল। কিন্তু চৈত মাহ পৰিল। দুই মাহৰ ছুটীৰ অলপ মাত্ৰ বাকী আছে। আৰু একমাহৰ ছুটীৰ এত্যালা দি ভটীয়াই আহি মহগড়ৰ খুঁটিত নাও ৰাখিলোঁ ॥ ১৭৫ ॥

এবং তাৰপৰা উঠি যোৰহাট দেখিবৰ মনস্থ হোৱাত যাদু�ৰাম বৰুৱা পাশ হাতী খুজি পঠালোঁ। তেওঁ হাতী পঠাই দিয়াতে তাতে উঠি কালীনী পথাৰেদি যাই, যোৰহাটৰ হলকান্ত ডেকা বৰুৱা মৌজাদাৰৰ ঘৰত থাকি যোৰহাট দেখিলোঁ। এবং যোৰহাট
যাদুৰাম ডেকা বৰুৱাৰ ঘৰে গৈ দেখা হৈ যোৰহাট ও তৰাজান দেখি দুইদিন আছিলোঁ। তাৰে পৰা মহগড়ৰ খুঁটিৰ নাৱত উঠি ভটীয়াই আহি দেৱৰগাঞত নাও ৰাখিলোঁ ॥ ১৭৬ ॥

সেই দেৱৰগাঞেদি কাকডঙ্গালৈ ওচৰ বুলি কোৱাত, হংসধৰ গোসাঞী পাশ হাতী খুজি পঠালোঁ। নিদিয়াত থাকি, তাৰে পৰা ভটীয়াই ধনশিৰী নদীৰ মুখ পাই সেই নদীয়েদি উজাই চাৰিদিনে মৰঙ্গী পাই হলিৰাম ডেকা বৰুৱা সহিত দেখা মৰঙ্গী
হৈ সকল বৃত্তান্ত কলোঁ, এবং "বিবাহ কাৰণ কাকডঙ্গালৈ আপুনি যাব লাগে ও মঞো কিমতে যাওঁ, উপায় কৰিব লাগে", এই কথা কলোঁ। এনেতে সন ফিৰিল ॥ ১৭৭ ॥

৯। দ্বিতীয় ভাৰ্য্যা গ্ৰহণ। অন্যান্য খবৰ।

১৭৭০ শক, ১২৫৫ সাল, ১৮৪৮।৪৯ ইংৰেজী।

এই সনৰ বৈশাখ মাস প্ৰবেশ হ'ল। হলিৰাম ডেকা বৰুৱা, চৰণ ভঁৰালী বৰুৱাৰ পুত্ৰ হয়। তৎপুত্ৰ হলিৰাম ও জীউৰাম হয়। জীউৰাম লখীমপুৰত পেচকাৰী কৰ্ম্মত আছিল। জীউৰাম
ও চৰণ ভঁৰালী বৰুৱা সহিত আমাৰ পিতাৰ বন্ধুতা আছিল। পেচ্‌কাৰ
তাক হলিৰাম ডেকা বৰুৱাই জানে। সেহেতু, তেওঁ আমাক বৰ প্ৰীতি আলাপ-প্ৰলাপ কৰিছিল। তেওঁৰ যুক্তিমতে, তেওঁ

সহিত মৰংখোৱা গোহাঞীৰ ঘৰে খচকিতে গৈ, দেখা হলোঁ এবং বহিৰ দলিচা দি জিজ্ঞাসা কৰাতে সকল বৃতান্ত কলোঁ, এবং কাকডঙ্গা যাই বিবাহ কৰাবৰ কাৰণে হাতীৰ কথা কলোঁ। পৰশুৰাম মৰংখোৱা গোহাঞী হাতী দিবৰ স্বীকাৰ কৰিলে, বিদায় হলোঁ। তদপৰ তৎপুত্রক দেখা হলোঁ এবং পুৰন্দৰ ৰাজাৰ দুহিতৃ ৰূপহী আইদেও সেই সময় মৰংখোৱা গোহাঞীৰ পুত্রৰ ভার্য্যা হৈ আছিল। তেওঁ আহি আপন পতি সহিত বহাতে দেখা হৈ স্বকীয় স্থান, অথচ হলিৰাম ডেকা বৰুৱা সহিত আহি গধূল সময় আপন নাৱতে আহি থাকিলোঁ। ও কাকডঙ্গা যাবৰ উৎযোগ কৰিলোঁ ॥ ১৭৮ ॥

মৰংখোৱা গোহাঞী

ৰূপহী আইদেও

পৰদিন হাতী আহি উপস্থিত হৱাতে নাৱত কেবল বাঙ্গালী দুই জন মাল্লা নাউ সহিত, তাতে অথচ মৰঙ্গীত, ৰাখি হলিৰাম সহিত মঞি হাতীত উঠি কাছাৰী চালোঁ। সেই সময় যোগাই শর্ম্মা নামে একজন পেচকাৰ আছিল। তেওঁ সহিত দেখা হৈ কাকডঙ্গা ৰওনা হৈ, গধূল সময় পাই, নাহৰৰ ঘৰত থাকিলোঁ ॥ ১৭৯ ॥

কাকডঙ্গা

তদপৰ দিন ধার্য্য কৰি, অথচ দদাইদেৱৰ চিঠি ছোৱালীৰ বাপেকক দি, বিবাহৰ দিন কৰি, হলিৰাম ডেকা বৰুৱাৰ যুক্তি-মতে যোৰহাটৰ পৰা ঢুলীয়া আৰু দোলা মানুহ আনি, ও ঘিণৰ ঘৰতে শ্রাদ্ধাদি কৰি বিবাহৰ মানুহক খোৱাই, বিবাহ সাজি, ঘিণৰ জীয়েক গেন্ধৌক বিবাহ কৰান গেল। এবং পুনৰ নাহৰৰ ঘিণৰ ঘৰতে থকা গ'ল। ও সৰু সৰু চাপৰ ঘৰ, তাত থকাত বৰ ক্লেশ পোৱা হৈছিল। যাহক, তাতে তিনদিন থাকিলোঁ। নাহৰৰ ঘিণৰ দুই স্ত্রী। সৰু স্ত্রীৰ নাম সেন্দুৰী। নাহৰ মৌজাদাৰৰ কাকতী আছিল ॥ ১৮০ ॥

গেন্ধৌ, দ্বিতীয় বিবাহ

সে যাহক তিনদিনৰ পৰে, আমি মৰঙ্গীলৈ, সেই হাতীৰে ৰওনা হলোঁ এবং আমাৰ বিবাহিতা জনাকো কৌশলে আনি,

নাৱত তোলি, পৰদিনা হলিৰামত বিদায় হৈ ৰওনা হৈ, ছয় দিনে আহি, গোহাটী আপন ঘৰ পাই, সৰকাৰী কৰ্ম্মত হাজিৰ হলোঁ ও কৰ্ম্মত প্ৰবৰ্ত্তন হলোঁ ॥ ১৮১ ॥

গোহাটীলৈ ভাৰ্য্যাক অনা

আমাৰ জেষ্ট গোপীকান্ত বৰুৱা সেই সময় কমিচনৰীৰ "ৰিবন্থ" (১) চেৰস্তাত মহাফেজ মকৰৰ আছিল। তেওঁ কমিচনৰ সাহেবেৰ হুজুৰে এত্যালা দিলে যে কামৰূপৰ কালেক্টৰিৰ শ্ৰীহৰকান্ত শৰ্ম্মা বৰুৱা ছুটী লৈ উজানে গৈছিল। এ আপীচে ৰেপট কৰা নাই। তাতে সাহেবেৰ কৈফিয়ত তলৰ হোৱাতে পূৰ্ব্বাপৰ কমিচনাৰীত ৰেপট কৰাৰ নিয়ম নাই। আপন চেৰস্তাৰ আমলা মঞি ছুটী দিছোঁ। এমত লিখাতে, আগলৈ ছুটীৰ প্ৰাৰ্থনা কৰিলে ৰেপট কৰাৰ আদেশ হ'ল। তাৰে পৰাহে এই নিয়ম হ'ল ॥ ১৮২ ॥

ছুটীত ৰেপট কৰা নিয়ম

এই সনেও জিন্‌কিঞ্চন্‌ কমিচনৰ ও মিথি সাহেব ডেপুটী কমিচনৰ ও ডালটীন সাহেব কালেক্টৰ। এওঁ সাহেবে গত সনৰ নিৰিখ ও নিয়মমতে পৰগণা সকল ৩।৫ সনা ম্যাদে বন্দবস্ত কৰিলে। ও হাজো পৰগণা গৌৰীকান্ত সহিত ৩ সনা ম্যাদে বন্দবস্ত কৰিলে। আমাৰ যুক্তিমতে, ঠাকুৰীয়া কাকতী দ্বাৰা খাজানা তহচীল কৰি মোৰ পাশ পঠায়। সেই অনুসাৰে সৰকাৰে দাখিল কৰোঁ ॥ ১৮৩ ॥

আমি পেচকাৰী কৰ্ম্মত আছিলোঁ। ১৮৪৯ ইংৰেজী ১৮ সেপ্তাম্বৰ ডালটীন সাহেব আমাকে একটীং চেৰস্তাদাৰ ৬০ টকাত মকৰৰ কৰে ॥ ১৮৪ ॥

মঞি একটীং চেৰস্তাদাৰ মকৰৰ

এই সনৰ পৌষ মাহে মাধৱ দেবালয়ৰ কানুৰাম শৰ্ম্মা দলৈ ফৌত হোৱাতে, ঐ দেবালয় হাজো পৰগণাৰ মধ্যস্থ ও আমি মাতব্বৰ জানি ডালটীন সাহেব গৌৰীকান্তকে ১৮৪৯ ইংৰেজীৰ ২৫ জুলাই সাজৱাল মকৰৰ কৰিলে। সেহেতু মঞি মাধৱ

গৌৰীকান্ত সাজ্‌ৱাল মকৰৰ

টোকা—(১) ৰিবন্থ="ৰেভিনিউ"=ৰাজহ্‌।

দেৱালয়লৈ যাবৰ উদ্যম কৰিছিলোঁ, এনেতে মোক দেখা হবৰ কাৰণে উজনিৰ পৰা জীৱৰাম পেচ্‌কাৰ আহি পালে। তেওঁ সহিত দেখা ও আলাপ-প্রলাপ কৰি দুইদিন ৰাখি বিদায় দি মঞি মাধৱ দেৱালয়ে গলোঁ। তাতে মাধৱৰ পূজা সেৱাৰ বন্দৱস্ত কৰি আহিলোঁ। ও সকল ৰায়তে সম্মত হৈ গৌৰীকান্তকে সেৱা চলোৱা মকৰৰ কৰোঁ বুলি বন্দৱস্ত কৰিলে। ও আমিও কলোঁ, "তোমালোক সকলোৱে যদি ইচ্ছা হয়, দৰখাস্ত, হাজিৰ হৈ দিব পাৰা", এইবুলি কৈ আহিলোঁ ॥ ১৮৫ ॥

কৃষ্ণৰাম বকৱা

এবং ডালটীন সাহেবেৰ আমলে কৃষ্ণৰাম বৰুৱা মৌজাদাৰীৰ চেৰস্তাদাৰ হৈ প্রায় সকল লোককে বশীভূত কৰিলে। এবং কমিচনৰ সাহেব কদাচিত কোন সময় তেওঁৰ ঘৰে আহি ৰাগিচা চাই যায়, ও ডালটীন সাহেব কালেক্টৰো কোন কোন সময় ঘৰে আহি ৰাগিচা চাই যায়। ও মপস্বলৰ পৰা আহিলেও বেলা থাকিলে ঘৰ সোমাই ৰাগিচা চাই যায় ও ডালটীন সাহেবেৰ বল্লভ আছিল। এহাতে সকল লোক ভয় কৰিছিল। অন্যকি ৰমাকান্ত ও ৰতিকান্ত, আমাৰ জেষ্ট গোপীকান্ত বৰুৱাও বশীভূত হেন আছিল। কেৱল মোক বশীভূত কৰিব নোৱাৰিলে। মঞি তেওঁৰ ঘৰেও নাযাওঁ ॥ ১৮৬ ॥

* * * *

অশ্বক্রান্ত ও পাণ্ডুৰ ঘাট

এই সনে ৰাপুৰাম ৰৰফোকন অশ্বক্রান্ত ও পাণ্ডুৰ ঘাটে ঘাটিয়াল মকৰৰ হৈ মানুহ পাৰ কৰায় ॥ ১৮৭ ॥

বৃষ্টিৰ জল-জোখা কল স্থাপিত

আৰো এই সনৰ ৰহাগ মাহৰ পৰা বৃষ্টিৰ জল জোখাৰ কল স্থাপিত হয় ॥ ১৮৮ ॥

কালীকান্তৰ বিবাহ

আৰো রুদ্রেশ্বৰ, জেষ্ট গোপীকান্ত বৰুৱা থাকাতে তদপুত্র কালীকান্ত, দেওবৰ ৰৰদলৈৰ জীয়েক বিলাইক বিবাহ কৰায় ॥ ১৮৯ ॥

খাতা পৰগণাৰ তন্ত্রশঙ্কৰা নামে মহাপুৰুষীয়া একখনি

সত্ৰ আছিল। কৃষ্ণৰাম বৰুৱা ফৌজদাৰী চেৰেস্তাদাৰ, সেই সত্ৰখনি লাক্‌পাক্ কৰি নামজাৰি কৰি ললে। এৰং দৈণী দুইজনাক লৈ খাত ও ঘোড়ামাৰা ভ্ৰমণ কৰিবগৈ। শেষে তন্ত্ৰশঙ্কৰাত থাকি আগৰ মূৰ্ত্তি, ভাগৱত গুচাই নতুন কৰি দিলে; এহাতে লোকজন বৰ বেয়া পালে। ও তেওঁ মেধি হৈ খুটাত তোলী-তলচা বৰ গাৰু লৈ বহিছিল। তাৰপৰা চৈত্ৰমাহৰ আখেৰি দুইজনা দৈণী সহিত আপন ঘৰে আহি জ্বৰ বেমাৰ পৰিল॥ ১৯০॥ তন্ত্ৰশঙ্কৰা সত্ৰ

১০। হাজোৰ সেৰাচলোৱা আৰু দলৈৰ মধ্যে বিৰোধ।

১১৭১ শক, ১২৫৬ সন, ১৮৪৯।৫০ ইংৰেজী।

এই সনেও জিন্‌কিঞ্চন কমিচনৰ ও মিথি সাহেব ডিপুটী কমিচনৰ সাহেব ও ডালটীন সাহেব কালেক্টৰ॥ ১৯১॥

এওঁ কালেক্টৰ সাহেব গত সনৰ নিৰিখমতে পৰগণা সকল ৩।৫ সনা ম্যাদে বন্দবস্ত কৰিলে। ও হাজো পৰগণাও পেয়াল কৰি কাগজ দাখিল কৰাতে ৩ সনা ম্যাদে বন্দবস্ত কৰিলে। ও মোৰ দিহা-যুক্তি মতে ওৱাচিল(১) তহচীল(২) ও সৰকাৰৰ লেঠা মাৰি আছিলোঁ॥ ১৯২॥ পৰগণা বন্দবস্ত

এই সনৰ বৈশাগ মাহে কৃষ্ণৰাম ফৌজদাৰীৰ চেৰেস্তাদাৰ বেমাৰ পৰি থাকাতে ভেদবমি হল। এৰং টান হোৱাত ডালটীন সাহেব কালেক্টৰ আহি ঔষধ খোৱাইছিল; ভাল নহল, ফৌত হ'ল। আমি, অথচ মঞি নগলোঁ॥ ১৯৩॥ কৃষ্ণৰাম বৰুৱা ফৌত

মাধৱ দেৱালয়ৰ কানুৰাম দলৈ ফৌত্ হোৱাতে গৌৰীকান্তকে সাজ্‌ৱাল(৩) মকৰৰ কৰিছিল। সেহেতু, সকল ৰায়ত ও বিষয়া

টোকা—(১) ওৱাচিল=আদায়, প্ৰাপ্ত।
(২) তহচীল=আদায় কৰা, সাধি অনা (খাজানা)।
(৩) সাজ্‌ৱাল=দেৱালয়ৰ ভোগ আদিৰ বাবে বিষয়া।

হাজো-দেৱালয়ত গৌৰীকান্ত সেৱা-চলোৱা

গোটখাই পূৰ্ব্বকথামতে গৌৰীকান্তকে সেৱাচলোৱা মকৰৰ কৰিবৰ নিমিত্তে, ডালটীন কালেক্টৰ সাহেবেৰ হুজুৰে দৰখাস্ত দিয়াতে, কোনো লোকৰ ওজৰ আছেনে নাই, জানিবৰ কাৰণে, ইস্তাহাৰ জাৰি কৰাত, সকল ৰায়তে সন্মত হৈ ইস্তাহাৰতো লিখি দিলে ; সেহেতু, ৰাইজৰ টিকিট মতে—১৮৫০ ইং ১১ জানুৱাৰী, ১২৫৬ সনৰ ২৬ পৌষ গৌৰীকান্তকে সেৱাচলোৱা শ্রেণীত নামজাৰি কৰি, আমাৰ কহত মতে, কমিচনৰ সাহেবৰ হুজুৰে এত্যালা ৰেপট পঠালে ॥ ১৯৪ ॥

তদপৰ দলৈপদ খালি হোৱাতে আমাৰ সন্মতি মতে উমাদত্ত শৰ্ম্মা কতেক ৰৱদেউৰী আনি দলৈপদৰ টিকিট্ দিয়ালে। এবং ৰামেশ্বৰ শৰ্ম্মাও কতেক লোকেৰ ও ৰৱদেউৰী দ্বাৰা টিকিট্ দিয়ালে। পাচে মোৰ পুৰুষাৰ্থ ও ফিকিৰতে ফাগুন মাহ, উমাদত্ত দলৈ মকৰৰ হ'ল। ৰামেশ্বৰ হৰ নোৱাৰি ফিৰি ঘৰে গ'ল ॥ ১৯৫ ॥

হাজো মাধৰ দেৱালয়ে উমাদত্ত দলৈ মকৰৰ

উমাদত্ত শৰ্ম্মা দলৈ মকৰৰ হৈ কমিচনৰ সাহেবৰ হুজুৰে দৰখাস্ত দিলে যে, মাধৰ দেৱালয়ৰ মঞ্জি দলৈ মকৰৰ হৈছোঁ, এতিয়া সেৱাচলোৱাৰ কোন আবশ্যক নাই। পূৰ্ব্বে কানুৰাম দলৈৰ জেম্বায় খাজানাদি সকল কৰ্ম্মৰ ভাৰ আছিল। তেওঁ ফৌত্ হোৱাতহে সাজ্ৰাল হৈছিল। এক্ষণ মোৰ জেম্বা কৰক। তাহাতে জিন্‌কিঞ্চন্ কমিচনৰ সাহেব ঐ সনৰ ৬ মাৰ্চ্চ ২৪ ফাগুণ, খাজানাদি সমস্ত ভাৰ দলৈৰ জেম্বা কৰাতে সেৱা-চলোৱা অৱসৰ হ'ল। কমিচনৰ সাহেব নিশ্চয় জানিছিল যে দেৱালয় সকলৰ দলৈহে সর্ব্বাধিকাৰ ; এইহেতু সকল দেৱালয় দলৈৰ জেম্বা হ'ল। কিন্তু উমাদত্ত, দলৈ হৈ যে দৰখাস্ত দিছিল, এইটি কৰ্ম্ম গোহাটীৰ ভাল ভাল কয়েক লোকৰ পৰামর্শ ও যুক্তি-মতে দিছিল ॥ ১৯৬ ॥

উমাদত্ত দলৈৰ পৰ খাজানাদি কৰ্ম্মৰ ভাৰ

তদপৰ আমি একটীং চেৰস্তাদাৰ হৈতে আপন আচালতন

পেচ্‌কাৰী কৰ্ম্মতে পুনঃ ১৮৫০ ইংৰেজী ২১ ফেব্রুৱাৰী যাওঁ ॥ ১৯৭ ॥ আমি পুনঃ পেচ্‌কাৰী পদে

অতঃপৰ ডালটীন সাহেব কালেক্টৰ ছোটনাগপুৰৰ কমিচনৰ হৈ যোৱাতে, তৎকৰ্ম্মে ডেবিড্ ইষ্‌কাট্ কমিচনৰ সাহেবেৰ পুত্ৰ —চার্লচ ইষ্‌কাট্ সাহেব কালেক্টৰ হ'ল ॥ ১৯৮ ॥ ডালটীন সাহেব যোৱাত ইষ্‌কাট্ সাহেব মকৰৰ

১১। চার্লচ ইষ্কাট সাহেব।

আসামৰ দ্রব্যজাত বিলাতলৈ পঠোৱা—ভোটক কৰ দিয়া।

১৭৭২ শক, ১২৫৭ সন, ১৮৫০।৫১ ইংৰেজী।

এই সনেও জিন্‌কিঞ্চন্ কমিচনৰ ও মিথি সাহেব ডিপুটী কমিচনৰ ও চার্লেচ ইষ্‌কাট্ সাহেব কালেক্টৰ ॥ ১৯৯ ॥

এওঁ ইষ্‌কাট্ কালেক্টৰ সাহেব গত সনৰ নিৰিখমতে ও নিয়মানুসাৰে পৰগণাসকল ৩।৬ সনা ম্যাদে বন্দবস্ত কৰিলে ও হাজো পৰগণা গৌৰীকান্ত সহিত ৩ সনা ম্যাদে বন্দবস্ত কৰিলে ॥ ২০০ ॥ পৰগণা বন্দবস্ত

আমি ঠাকুৰীয়া মকৰৰ, কবুলিয়ৎ লৈ বন্দবস্ত কৰি দিয়াতে, সেইমতে খাজানা গৌৰীকান্ত তহচীল কৰি মোৰ পাশ পঠায়। মঞি, সৰকাৰে দাখিল কৰোঁ ও আখেৰিতে—৩০০।৪০০৲ টাকা বাকী পৰিলে মঞি দৰমহাৰ (পৰা) দিওঁ। প্যাদা জাৰি হব নিদোঁ ॥ ২০১ ॥

এওঁ ইষ্‌কাট্ সাহেব কালেক্টৰ হৈ ১১ বাজাত কাছাৰী (ত) হাজিৰ হয়। ৪ বাজাত কাছাৰী বৰখাস্ত কৰি বাঙ্গালায় যায়। লগত ২০০।৩০০ মানুহ পাচে যায়। বাঙ্গালা সোমালে বাহিৰত বহি থাকে। পুনৰ গধূল সময় হাৱা খাবৰ গলে কতোদূৰ লোকজন, পাচে পাচে যায়। সাহেব গাড়ী বা ঘোড়াত উঠি গলেহে, আপোন আপোন স্থানে যায় ॥ ২০২ ॥ ইষ্‌কাট্ সাহেবৰ সঙ্গে ২০০।৩০০ মানুহ

আৰো ইষ্‌কাট্ সাহেব অসমীয়া লোকক বৰ ভাল পাইছিল।

অসমীয়াক ভালপোৱা। ন-গোসাঞী আদিক পৰগণা দিয়া

তেওঁ কৈছিল যে, মোৰ পিতা এই আসাম দেশ দখল কৰিলে; এই দেশীয় লোকক মঞি প্রতিপালন কৰি ভালকৈ ৰাখিব লাগে; ও যোগেশ্বৰ সৰুজনা গোসাইক দক্ষিণ সৰু বংশৰ পৰগণা ও শ্রীধৰ মাজুজনা গোসাইক পশ্চিম কাছাৰী মহল পৰগণা মোৰ হতুৱাই হুকুম লিখাই দিছিল। তেওঁ মোক লৈ মপস্বললৈ ভ্রমণ কৰি ফুৰিছিল। লগত আমলা ও উমেদাৰী সহিত ৩০০।৪০০ লোক ফুৰিছিল॥ ২০৩॥

ইষ্‌কাট্‌ সাহেব চিকাৰপ্রিয়

এওঁ সাহেবৰ লগত ৭।৮টা হাতী লৈ ফুৰিছিল। চিকাৰ কৰাত বৰ আসক্তি আছিল; ৰাধাকান্ত বৰুৱা সাহেবৰ লগত সর্ব্বদা চিকাৰ কৰি ফুৰিছিল। ঐ চিকাৰেই ৰাধাকান্ত বৰুৱাৰ খাটনি। এওঁ সাহেব কার্ত্তিক মাহৰ পৰা মপস্বলে ৰওনা হয়, এবং ৰাতিও দুপ্রহৰ সময় বাহিৰ হৈ গতি কৰে। তেওঁৰ সঙ্গে আমলাদি ও ভাৰীসকল, সাড়া টেকেলাদি মাজে মাজে জোৰা লৈ গতি কৰে। এইমতে ময়ো সাহেব সহিত ভ্রমণ কৰি গঙ্গাৰিল, পাতিদৰঙ্গ পালোঁ। এনেতে বিহু ওচৰ হোৱাতে সাহেবত কৈ মঞি হাতীৰে ২৯ পৌষ ঘৰলৈ আহিলোঁ।

শ্রীৰত্নকান্তৰ জন্ম। কেতেকীৰ ঈর্ষা

ৰবিবাৰ ৰাত্রি ২২।৪০ পল গতে শ্রীৰত্নকান্ত জন্ম হ'ল। শ্রীৰত্নকান্ত জন্ম হোৱা(ত) বোৱাৰী কেতেকীৰ কিছো অন্তৰে ঈর্ষা হ'ল, ভালকৈ প্রকাশ কৰা নাছিল। পৰদিন প্রাতসে সাহেবৰ পাশ যাই গঙ্গাৰিলে হাজিৰ হলোঁ॥ ২০৪॥

তদপৰ সাহেব সহিত নানাস্থান ভ্রমণ কৰি বৰপেটা ও দক্ষিণকুল হৈ চৈত্র মাহে আপন ঘৰ পোৱা গ'ল॥ ২০৫॥

ৰাধাকান্ত বৰুৱা মনচুফ মকৰৰ

এবং এওঁ সাহেবেৰ দিনতে ৰাধাকান্ত বৰুৱা মনচুফ ও হেট্‌মুৰা ওবফে জগন্নাথ মনচুফ হৈ বৰপেটা যায়। ও মপস্বলে ৰচদৰ বৰ ধুমধাম হৈছিল॥ ২০৬॥

আৰু এই সনৰ ভাদ্রৰ ১৩ দিন যোৱাত ১৮৫০ ইং আগষ্ট মাহত প্রধান লাটপাদুৰী সাহেব গোহাটী আহি সাহেব

লোকৰ মহলালৈ চাৰি দিন থাকি লখীমপুৰ ডিব্‌ক্কলৈ যাই, পুনৰ গোহাটী আহি ভটীয়াই যায় ॥ ২০৭ ॥ লাটপাহুৰী গোহাটী অহা

এই সনৰ আখেৰি সময় ইষ্‌কাট্‌ সাহেব বেমাৰ পৰি ঢাকায় চিকিৎসা কাৰণ গ'ল। তথায় ফৌত্‌ হ'ল। তৎকৰ্ম্মে ই, এ, ৰৌলট্‌ সাহেব কালেক্টৰ হ'ল ॥ ২০৮ ॥

আৰো, এই সনতে ডিব্‌ক্কৰ বিএছ সাহেব শদিয়া ফালৰ পৰা ৰূপৰ মাটি ও সোণৰ মাটি, ৰঙা পাথৰ, ক'লা পাথৰ, ও পীত পাথৰ, ও বগা পাথৰ উলিয়াই আসাম দেশৰ উৎপন্ন অন্যান্য বস্তু সহিতে বিলাতে পঠায় ॥ ২০৯ ॥ অসম দেশৰ মাটি পাথৰ ও উৎপন্ন বস্তু বিলাত পঠোৱা

এই সনৰ বৈশাগ মাহতে ভোটৰ ধৰ্ম্মৰাজা ও দেবৰাজাৰ কটকী অহাত শ্রীশ্রীজিনকিঞ্চন আজেণ্ট নৱাৱ গবর্ণৰ ও জানাৰেল্‌ সাহেব ইস্কুল ঘৰতে বৈঠক কৰি, ভোটৰ পর্ব্বতৰ নামদানি, ইংৰেজ দখল কৰাতে, তদ পৰিবর্ত্তে প্রতি বৎসৰ ১০,০০০ দশ হাজাৰ টাকা দিবৰ নিয়ম কৰি কটকীক বিদায় দিলে। এবং গীর্জ্জা ঘৰৰ কাৰণ চিপাহীৰ যুদ্ধ কৰা কাৰাজ কৰি দেখোৱালে ॥ ২১০ ॥ ভোটৰ ৰাজাক বাৎসৰিক ১০,০০০ টাকা দিয়া নিয়ম

১২। মঞ্জি চেৰস্তাদাৰ।

১৭৭৩ শক, ১২৫৮ সন, ১৮৫১।৫২ ইংৰেজী।

এই সনেও জিন্‌কিঞ্চন কমিচনৰ ও মিথি সাহেব ডিপুটী মিচনৰ ও কাপ্তান ই, এ, ৰৌলট্‌ সাহেব কালেক্টৰ ॥ ২১১ ॥

এওঁ সাহেব কালেক্টৰ গত সনৰ নিৰিখ ও নিয়মমতে পৰগণা কলৰ ম্যাদ গতে, ৩।৫।১০ সনা ম্যাদে বন্দবস্ত কৰিলে। ও াজো পৰগণাৰো পেয়াল কৰি কাগজ দাখিল কৰাতে ১০ সনা াদে গৌৰীকান্ত সহিত বন্দবস্ত হ'ল ॥ ২১২ ॥ পৰগণা বন্দবস্ত

আমাৰ যুক্তি ও পৰামর্শ মতে ঠাকুৰীয়াহঁতৰ পৰা খাজানা । তহচীল কৰি মোৰ পাশ পঠায়। মঞ্জি সৰকাৰে দাখিল

কৰি লেঠা মাৰোঁ ও সন আখেৰিতে ৩০০।৪০০ টাকা বাকী পৰিলে তাকো নিজৰ পৰা দি লেঠা মাৰোঁ ; প্যাদা জাৰি হব নিদোঁ ॥ ২১৩ ॥

সকজনা ন-গোসাঞী সন্তুষ্ট

আমাক মন্ত্র দিবৰ কাৰণে যোগেশ্বৰ সকজনা গোসাঞী অনেক প্রকাৰ টান মকৰ্দ্দমা কৰি অনেক বৎসৰ ক্ষান্ত হৈ, কোনোমতে মন্ত্র দিব নোৱাৰি শান্ত হৈ ৺মাতৃক ৰৰকৈ কোৱাতে মৰঙ্গীয়াল ভকতৰ যুক্তিমতে ৺গোবিন্দৰ মন্ত্র, আষাৰ মাহে লোৱালত, তাতে গোসাঞী বৰ সন্তোষ হ'ল ॥ ২১৪ ॥

মঞ্জি আচালতন চেৰস্তাদাৰ

মঞ্জি প্রথম পেচ্‌কাৰী কর্ম্মতে আছিলো। ৰৰপেটায় জগন্নাথ মনচুফ ফৌত হোৱাতে তৎকর্ম্মে শম্ভু বাগ্‌ছি চেৰস্তাদাৰ অনিচ্ছাতো গ'ল। সেই সময় চেৰস্তাদাৰসকল মনচুফ হবৰ নিয়ম হৈছিল। শম্ভু বাগ্‌চী চেৰস্তাদাৰ মনচুফিত যাবৰ অস্বীকাৰ হোৱাতো পঠালে। তৎকর্ম্মে ১৮৫২ ইংৰেজীৰ ২৫ আগষ্ট ও ১২৫৮ সনত মোক আচালতন চেৰস্তাদাৰ ৮০৲ টকাত মকৰৰ কৰিলে ॥ ২১৫ ॥

তদপৰে শীতকাল প্রবেশ হোৱাতে, তেওঁ সহিত মপস্বল, জাগা জাগা, ভ্রমণ কৰি ফুৰিছিলোঁ, ও ফাগুন মাহৰ শেষে গোহাটী অহা হয় ॥ ২১৬ ॥

১৩। ঘনকান্ত সিংহ যুবৰাজ ও ৰাণী পদ্মৰেখা। বসন্তীৰ বিবাহ।

১৭৭৪ শক, ১২৫৯ সাল, ১৮৫২।৫৩ ইংৰেজী।

শ্রীশ্রীজিন্‌কিঞ্চন কমিচনৰ ও মিথি সাহেব ডিপুটী কমিচনৰ ও কাপ্তান ৰৌলট্‌ সাহেব কালেক্টৰ ॥ ২১৭ ॥

পৰগণা বন্দ বস্ত

এওঁ কালেক্টৰ সাহেব গত সনৰ নিৰিখ ও নিয়মমতে পৰগণাসকল ৩।৫।৫০ সনা ম্যাদে বন্দবস্ত কৰিলে। ও হাজো পৰগণা গৌৰীকান্ত সহিত ম্যাদি বন্দবস্ত (কৰিলে)। আমি

যুক্তি কৰি গৌৰীকান্ত দ্বাৰা ঠাকুৰীয়াইঁতৰ পাশ খাজনা সধাই সৰকাৰে দাখিল কৰোঁ ॥ ২১৮ ॥

ঘনকান্ত সিংহ যুবৰাজ আমাৰ সহিত বৰ প্ৰণয় ও প্ৰীত কৰিছিল। সৰ্ব্বদা মাতি নি কথাবাৰ্ত্তা জিজ্ঞাসা কৰে। এবং তেওঁৰ ৰাণী পদ্মৱেখাও মোক বৰ স্নেহ কৰিছিল। সৰ্ব্বদা বই-বাৰ্ত্তা লৈ থাকে। ও উত্তৰ পাৰ দক্ষিণ পাৰে মানুহ পঠাই থাকে। ও গোহাটীত থকাত ৪।৫ দিন অন্তৰে যোগানৰ ম'হৰ গাখীৰ ৰাণীৰ দ্বাৰা মোৰ পাশে পঠাই দিয়ে। ও ময়ো যুবৰাজ দেৱতাক লোহাৰ বৰগছা ও মাইকা-পোৱালি গৰু ও অন্যান্য দ্ৰব্যজাত দি আপ্যায়িত ৰাখিছিলোঁ ॥ ২১৯ ॥

ঘনকান্ত সিংহ যুবৰাজ ও ৰাণী পদ্মৱেখাৰ মোৰ প্ৰতি স্নেহ

পদ্মৱেখা ৰাণীও বৰ গধুৰ গহীন-গম্ভীৰ আছিল। লিখা-পঢ়াতো পাৰ্গত আছিল। ভাঠীবেলা পুথি পুৰাণ শুনে। মঞি গলে গোটা তামোলপাণ ও ধপাত খাবলৈ দিয়ায় ॥ ২২০ ॥

ৰাণী পদ্মৱেখা

তদপৰ আমাৰ দুহিতৃ বসন্তীক বিবাহ দিবৰ সময় হ'ল। ৰবঘৈণীয়ে, ছোৱালীটি বিবাহ দিবৰ হ'ল। ক'ত দিয়ে, ঠিকনা কৰক, বুলি,—সৰ্ব্বদা কৈ থাকে। মঞি কওঁ, দিম। এই ছোৱালী উজানৰ ফালৰ ভাললোকসকলে ধৰিছিল। কিন্তু মোহত থাকি দূৰ স্থানলৈ দিবৰ মন নহল। অন্তঃকৰণে আলহী পুত্ৰ শ্ৰীজয়ৰামত বিবাহ দিবৰ মনস্থ কৰি আছিলোঁ। কিন্তু ক'তো এই কথা প্ৰকাশ কৰা নাছিলোঁ। পাচে, ৰবঘৈণীৰ তাগদাতে কোষ্ঠী অনাই দেওবৰ ৰবদলৈৰ দ্বাৰা জোৰা, কাৰ্ত্তিক মাহে চোৱালোঁ। জোৰা নাহে বুলি কলে। পাচে, মঞি বিষণ্ণ হৈ ৰবদলে সদৰামীনত সোধাত কলে, "পৰ্ব্বতৰ কালীচৰণ ন্যায়ৰত্ন পৰ্ব্বতীয়া গোসাঞী আছে। তেওঁ সিদ্ধ পুৰুষ। তেওঁ বুলিলেই বিবাহ দিব পাৰি।" মঞি কলোঁ, "গোসাঞী সহিত মোৰ চিনাজনা নাই, আপুনিও ওলাওক, মঞি সহিতে যাওঁ।" তাতে সদৰামীন সম্মত হোৱাতে, একদিন তেওঁ সহিতে

দুহিতৃ বসন্তীৰ বিবাহৰ প্ৰস্তাব

ৰাশি জোৰা নাহা

সিদ্ধপুৰুষ পৰ্ব্বতীয়া গোসাঞীৰ উপদেশ

পৰ্ব্বতলৈ গৈ ভৈৰবীত গোসাঞীক দেখা দি সেৱা কৰিলোঁ। জিজ্ঞাসামতে, সদৰামীন, আমাৰ পিতাৰ নাম কৈ পৰিচয় দিয়াতে, বৰ আনন্দ হৈ সোধাতে কোৱা গ'ল। আৰো, দুইখন কোষ্টীকো দিলো। তদপৰ কোষ্টী চাই, সভাপতি শৰ্ম্মা দ্বাৰা পুথি চাই, বচন মাতিলে, "এই জোৰাত বিবাহ হলে ধ্রুব দ্বাদশ বৰ্ষত বিধবা হব। জোৰা দিব নোৱাৰি।" তাতে, সদৰামীন ও মঞি প্রার্থনা কৰি কলো,—"প্রভু সিদ্ধ পুৰুষ; বিবাহ কৰাবৰ আজ্ঞা দিলেই বিবাহ দিব পাৰি।" তাতে গোসাঞীয়ে ক'লে, "বাঙ্গালা মলুকত ছোৱালীৰ কোষ্টী নাৰাখে। কশ্চিৎ, পুৰুষৰ কোষ্টী ৰাখে। জোৰা নাচায়। উভয়েৰ মনঃপূত ও শুদ্ধ হলেই উত্তম জোৰা হয়। এতেকে উভয়েৰ মন শুদ্ধ, পূত হলে, বিবাহ দিব পাৰে।" এমত কহাতে গোসাঞীক সেৱা কৰি বিদায় হৈ আহিলোঁ॥ ২২১॥

বিবাহত সুবর্ণ দান

বাটত আহোঁতে সদৰামীনে কলে,—"বপা, প্রথমেই ১৲ এক টকা সুবর্ণ উৎসর্গ কৰি বিবাহ দিয়া। সর্ব্বদোষ নিবাৰণ হব। তাতে সিদ্ধ পুৰুষৰ বাক্য হৈছে, কিছু ভয় নাই।" তাতে কলো, "বিবাহ দিনা আপুনি গৈ, আগত থাকি, সোণ একটকা উৎসর্গ দিব।" সদৰামীন স্বীকাৰ হ'ল॥ ২২২॥

বসন্তীৰ বিবাহৰ সমাৰোহ

তদপৰ অগ্রায়ণ মাহে বিবাহৰ আয়োজন কৰি অতি সমাৰোহে শ্রীজয়ৰামত বিবাহ দিয়া গ'ল। ঐ বিবাহে অনেক মানুহ ও অনেক লোক ও অনেক দ্রব্য হৈছিল। ঢুলীয়া ৪।৫ জোৰা ও হাজোৱলীয়া গায়ন-বায়ন ও নাচনিয়াৰ দুই জোৰ ও মাধব বৰদলৈ ও বিষয়া ও কমাৰকুচীয়া ৰজত চন্দ্র চৌধাৰী ও বিজয়ৰাম ও মধুৰাম চৌধাৰী প্রভিতিক ঘৰ কৰাই দিছিলো। তেওঁলোক ও ৰজাঘৰৰ গায়ন-বায়ন নাচনিয়াৰ ও লিগিৰীহঁত, ও নাগিনী আইটী প্রভিতি অনেক লোক ও যাত্রাগান ও ঢুলীয়াহঁতৰ ভাৱনা ও চণ্ডীমঙ্গল ও দুর্গামঙ্গল প্রভিতি গান ও

াজানা, সাতদিনীয়াকৈ হৈছিল। বৰ ডাঙৰ দুই ভঁৰাল দ্রব্য স্থূৰে ভৰিছিল। একটা ডাঙৰ ঘৰ, চক্ৰ-মলা-কলহৰে ভৰিছিল। ডামাই বৰা প্রভিতি ৩।৪ জনা ভঁৰালী, ও শিয়ালী বৰা ও ামোণ বৰা, সকল বিষয়ৰ তালাপী-তদাৰক, ও গৌৰীকান্ত ও লক্ষ্মীকান্তক ভালমানুহক জলপান আদি কৰাৰ নিযুক্ত কৰা হৈছিল। সেইমত সুচাৰুমতে কৰ্ম্ম সম্পাদন হ'ল ॥ ২২৩ ॥

আৰু সাতখন দোলাৰ দ্বাৰা পানী তোলা হৈছিল। বিবাহ ঃগ্নি নিজে দিয়া হ'ল। কুশছেদন সময় মোৰ চক্ষুৰ লোতক ৰৱ্‌সৱ্ কৰি পৰিব ধৰিলে। পাচে বিবেচনা কৰা গল, এই ছোৱালীটিৰ মাক ক'ৰ আছিল! পৰৰ জীয়াৰী আনি গৃহাশ্রম হ'ল। এতিয়া এই ছোৱালী পৰৰ ঘৰলৈ আবশ্য যাব। এহাত শোক কৰাৰ আবশ্যক কি? এই বিধতাৰ সৃষ্টি ও সংসাৰ। এই ভাবি চক্ষুৰ লোতক মুচি দৃঢ়ভাবে কৰ্ম্ম সম্পাদন হ'ল। এই বিবাহে ৰাত্রি এনেহে মানুহ হৈছিল যে কতেক কতেক লোক বহিবৰ জাগা নাপালে। থিয় হৈহে বিবাহ াইছিল ॥ ২২৪ ॥ কন্যা সম্প্রদান

এই বিবাহে বৰক দিয়া সোণৰ আঙঠি এক, পাটৰ ধুতি ১, াদৰ ১, তাম-পিতল এক সঁজুলি, ও কোষা-অর্ঘা ১ জোৰ, ালপীৰা ১, তোলী ১, পাটী ১, তলতপৰা ১, আঠুৰা ১, গাৰো ১, ানাত ১, খনীয়া কাপুৰ ১, দক্ষিণা ৰূপ ৫ টকা, সুবর্ণ ॥০ (দুই) হা ॥ ২২৫ ॥ বিবাহত দ্রব্যজাত দিয়া

ঐ বিবাহে ছোৱালীক দিয়া ঃ—॥ ২২৬ ॥

পৰ সোণখতা
সঁচাকৰা খাৰু—১ জোৰ

াণৰ, পোৱাল
হিত ছোটমণিৰে বিৰি—১ ধাৰ
াণৰ থুপীয়ামণি— ১ থোপা

সোণৰ বাখৰামি
গেজেৰা সহিত মণি—১ থোপা

সোণৰ সৰু
গেজেৰা সহিত মণি—১ „

৫ দফা

যৌতুকৰ অন্যান্য দ্রব্যজাত

৫ দফা

সোণৰ আঙঠি বাখৰামি—৭ গোট
সোণৰ বাখৰামি কেৰু— ১ জোৰ
চবুজৰ বাখৰামি কেৰু— ১ „
ৰূপৰ টেমা সোণখতা—১ টা
ৰূপৰ টেমী— ১ „
কিংখাপৰ মেখেলা— ১ খন
গাজৰ বিহা— ১ খন
পাৰি দিয়া জুৰীয়া কাপোৰ—১ „
মছদৰৰ মেখেলা— ১ „
পাটৰ বিহা— ১
খনীয়া কাপোৰ— ১

২২ দফা

যুবত হোৱাত দিয়া ঃ—

চালপীৰা সহিত তোলী— ১ দফা
গাৰোপাটী, আঠুৰা— ১ „
তাম-পিতল সঁজোলি—১ „
বানাত— ১ „
বৰকাপুৰ— ১ দফা
মোগাৰ বিহামেখেলা —২ জোৰ

১৪। জুডিচীল কমিচনৰ।

মোৰ মিল সাহেৰ সহিত আলোচনা।

১৭৭৫ শক, ১২৬০ সন, ১৮৫৩।৫৪ ইংৰেজী।

জুডিচীল কমিচনৰ ও ডিপুটী কমিচনৰ

জিনকিঞ্চন কমিচনৰ ও মিথি সাহেৰ ডিপুটী কমিচনৰ ও কাপ্তান ই, এ, ৰৌলট্ সাহেৰ কালেক্টৰ আছিল। কিন্তু এই সনে ডেপুটী কমিচনৰ নাম গুচি জুডিচীল কমিচনৰ নাম হল, ও কালেক্টৰ নাম গুচি ডেপুটী কমিচনৰ হল ॥ ২২৭ ॥

পৰগণা বন্দবস্ত

কাপ্তান ৰৌলট্ সাহেৰ ডেপুটী কমিচনৰ ও আমি চেৰস্তাদাৰ কমিচনৰ সাহেৰৰ আজ্ঞামতে ৰূপীত ফিৰা ১৷৷০ টাকা ও বাউতলীত ১৲ টাকা, ফৰিঙ্গতিত ১৲ টাকা, বৰিত ১৲ টাকা, বস্তিত ১৲ টাকা, লাখৰাজ তদৰ্দ্ধ নিৰিখমতে ৩।৪।৫।১০ সন ম্যাদে বন্দবস্ত কৰিলোঁ ॥ ২২৮ ॥

দেৰোত্তৰ, ব্রহ্মোত্তৰ ও ধর্ম্মোত্তৰ বন্দবস্ত

আৰু এওঁ সাহেৰে দেৰোত্তৰ ও ব্রহ্মোত্তৰ ও ধর্ম্মোত্তৰ পৃথক পৃথক নম্বৰ কৰি ঐ ৩।৪।৫।১০ সনা ম্যাদে বন্দবস্ত কৰিলে ॥ ২২৯ ॥

তদপৰ চেৰস্তাসকল তহ্‌কীক্ কৰিবৰ কাৰণে সদৰৰ হুকুম, শ্রীশ্রীমিলছ জজ সাহেব আহিব বুলি, চিঠি জাৰি হ'ল। এবং কাগজপত্রকো মোট মোট তলব দিয়াতে, পঠাই দিয়া হৈছিল। পৰে তেওঁ ৰওনা হ'ল, শুনা গ'ল ॥ ২৩০ ॥ মিলসাহেব অহা

একদিন কাছাৰীতে ৰৌলট্ সাহেবক মঞি জিজ্ঞাসা কৰিলোঁ,—"মিলছ্ জজসাহেব যি যি কাগজ ও কৈফিয়ৎ আদি তলব দিছে, সময় সময়, পঠাই আছোঁ। এতিয়া ৰওনা হৈ আহিছে। কিন্তু কি কাগজ তলব কৰে, পূৰ্ব্বাৰ্থে জানিলে তৈয়াৰ কৰি ৰাখিব (পাৰোঁ)।" তাতে সাহেবে কলে, "কোন সময়ত কি কাগজ, আহি, তলব দিয়ে, ও সোধে, তাক এতিয়া কব নোৱাৰি; এতেকে সাৱধানে প্রস্তুত থাকা। যেতিয়া যি তলব কৰে ও সোধে, দিব, কব লাগিব।" এমত কলে ॥ ২৩১ ॥ প্রস্তুত থকা

তদপৰ মঞি জগমোহন ৰায় পেচ্‌কাৰ ও জনার্দ্দন ও পাতমল মহৰিৰ দ্বাৰা চেৰস্তাৰ সকল কাগজ ও বহী আদি চাই ঠিক্‌ঠাক্ কৰি ৰাখিলোঁ ॥ ২৩২ ॥

তদপৰ ১৮৫৪ ইংৰেজীৰ ১৫ মেই দিবা ৪টা সময় উর্ব্বশীৰ কাখত জাহাজ সহিত মিলছ্ সাহেব উপস্থিত হৈ, গত সনৰ খাজানা কিমান বাকী আছে বুলি চিঠিৰ দ্বাৰা ৰৌলট্ সাহেবেক জিজ্ঞাসা কৰাত, তৎক্ষণাৎ ১৯০৭২৲ টাকা বাকী থাকা বুলি লিখা গ'ল ॥ ২৩৩ ॥ মিলসাহেব গোহাটী পহুচা

তদনন্তৰ, পৰদিনা ১৬ মেই ১২৬০ সনৰ (ইং ১৮৫৪ৰ) ৫ জৈষ্ঠ সোমবাৰ ৯টা সময় মিলছ্ সাহেব এজলাচ কৰা তক্তাত খাৰা হৈ, "কালেক্টৰিৰ চেৰস্তাদাৰ কাহা", বুলি জিজ্ঞাসা কৰাতে সকল আমলা লোক চালাম দিবৰ গৈছে। মঞি তেতিয়াই চালাম দি আগত খাৰা হলোঁ। সেই সময় পাগ্-জামা পিন্ধিছিলোঁ। পাচে, সাহেব, থিয়ৈ থিয়ৈ, লাখৰাজ মকর্দ্দমা কেনেকৈ কজু হ'ল, তাৰ বৃত্তান্ত সুধিলে। মঞি কলো, "প্রথমতে

লাখৰাজ মকৰ্দ্দমা কথা সোধা

লাখৰাজদাৰ সকলৰ প্রতি ইস্তাহাৰ (১) জাৰি কৰিলে, আপন আপন লাখৰাজ, আপন দাৱা, সাব্যস্ত কৰে। তদ্‌পৰ হাকিম সুৰ্দ্দে (২) হৈ মকৰ্দ্দমা ৰুজু কৰি ইস্তকচাৰি (৩) লোৱাতে, কোন ৰাজাই কি কাৰণে ব্রহ্মোত্তৰ বা ধর্ম্মোত্তৰ ও দেৱোত্তৰ দিলে, ও দখল আছেনে নাই লিখাই দিয়াৰ পৰ, ভোগ দখলে আছে নাই মৌজাদাৰসকলৰ পৰা পেয়াল কৰি কাগজ দাখিল কৰিবৰ হুকুম হয়। এদিগে ওৱাৰিচেৰ প্রমাণ লৈ মজুন্দাৰৰ পেৰাক গজ সহিত মিলানি হয়। তদপৰ পঞ্চায়তৰ ৰায় লৈ মাটি বহাল, বাজেপ্ত, ইস্পেচীয়েল ডুটী খেতাপে কৰিছে।" এইমত কলোঁ ॥ ২৩৪ ॥

লাখৰাজ মকৰ্দ্দমা জএন্

তদপৰ সুধিলে, "কিমান হৈছিল?" "৭০০ মকৰ্দ্দমা ৰুজু হৈছিল", কলোঁ। "তন্মধ্যে সৰকাৰৰ পক্ষে কিমান আপীল হৈছে কি নাই?" "১৩ মকৰ্দ্দমা অকয়া সত্রৰ, সৰকাৰৰ পক্ষে ডিক্রি হল।" এমত কহাতে চকীত বহি মোত কলে, ও সম্বোধন কৰি কলে, "আজি ফৌজদাৰী চেৰস্তা চাওঁ। কালিলৈ তোমাৰ চাম" বুলি কোৱাতে মঞি তক্তৰ পৰা নামি আহি চেৰস্তাৰ কর্ম্ম-কার্য্যত প্রবর্ত্ত হলোঁ ॥ ২৩৫ ॥

ফৌজদাৰী কাগজপত্র চোৱা

১৭ মেই মিলছ জজ সাহেব ফৌজদাৰীৰ কাগজপত্র ৰাধামোহন গোসাঞী চেৰস্তাদাৰৰ দ্বাৰা চালে ও আবশ্যক কথা সুধিলে ॥ ২৩৬ ॥

তথা সাহেব কালেক্টৰী তদন্ত

পৰদিন ১৮ মেই ৯টা সময় কাছাৰীত উপস্থিত হৈ কালেক্টৰ চেৰস্তাৰ কাগজ-পত্র আমাৰ দ্বাৰা প্রত্যেক বহী কাগজ চাই দুপ্রহৰ সময় ডিপুটী কালেক্টৰক চালাম দিয়া বুলি আহ্বান কৰি, অথচ মোত কৈ "টীপনি" খাবৰ কোঠাত সোমাল ॥ ২৩৭ ॥

টোকা—(১) ইস্তাহাৰ = জাননী, ঘোষণাপত্র।

(২) সুৰ্দ্দে = (সৰ্‌দ বা সৰ্‌সৰ্?) বোধহয়—শুদ্ধ বা নিৰপেক্ষ বা সদয়।

(৩) ইস্তকচাৰি = Initial statement by the complainant. হাকিমৰ আগত পহিল কোৱা কথা।

তদপৰ মহেশচন্দ্ৰ বৰুৱা ডিপুটী কালেক্টৰ যাই পীৰিত বহাতে মোৰ দ্বাৰা সৰাসৰিৰ মকৰ্দ্দমা বিলম্ব হোৱা দেখি ডিপুটী কালেক্টৰক বৰ খং কৰিলে এবং তেওঁ যতই কথা কয়, ততই খঙ্ উঠে। এবং "মকৰ্দ্দমা এত বিলম্ব হয়, তোম কেছা ডিপুটী কালেক্টৰ দেখেঙ্গে।" ৰৌলট্ সাহেব সাক্ষাত এক পীৰিতে বহি আছে। পাচে, মঞ্জি মিল সাহেবৰ খং দেখি, হাতজোৰ কৰি কলোঁ, "আপুনি খং কৰিব পাৰে এবং বহাল ৰৰখাস্তকো কৰিব পাৰে। কিন্তু এতদ্দেশে সম্পূৰ্ণ আইন নচলে ; একাৰণে আইন বহির্ভূত প্রদেশ বোলে। এই আসাম কায়েদাবন্দী (১) মতে, ডিপুটী কালেক্টৰ পাশ দৰখাস্ত গলে প্রথম ১৫ দিন ম্যাদে এত্যালা নামা জাৰি হয়। তদপৰ হাজিৰ নহলে আৰো ১৫ ম্যাদে ইস্তাহাৰ হয়। তদনুযায় হাজিৰ হলে ইস্তকচাৰি ও সাক্ষী প্রমাণ লোৱা হয়। মাটি বেজায়েৰ ওজৰ হলে সৰেজমী পেয়াল হেতু আমীন তয়েলাত হয়। এহাতে কাজে কাজে কোন কোন মকৰ্দ্দমা ২।৩ মাহৰ বিলম্ব হয়। এহাতে ডিপুটী কালেক্টৰৰ পৰ দোষ আসিব নোৱাৰে" ॥ ২৩৮ ॥

মহেশচন্দ্ৰ, ডিপুটী কালেক্টৰৰ পৰ অনুযোগ ও খং

খং নকৰিবৰ, কাৰণ দেখোৱা

এইমত কোৱাতে অগ্নিত জল ঢালিলে যেনে নির্ব্বাণ হয় তদ্রূপ শান্ত হৈ মোত কলে, "এই কায়েদাবন্দী কোনে কৰিছে ?" মঞ্জি কলোঁ "ৰাবাট্সন কমিচনৰ সাহেব এই কায়েদাবন্দী কৰিছে। এহা গবর্ণমেণ্টৰ মঞ্জুৰী।" তাতে সাহেব কিছু মৌন হৈ থাকি মোত কলে, "সৰাসৰি কিয় বোলে ?" মঞ্জি কলো, "শীঘ্রে মকৰ্দ্দমাজাত হব লাগে, এই সৰাসৰি বোলে" ॥ ২৩৯ ॥

মিল সাহেব শান্ত হোৱা

সৰাসৰি অর্থ কোৱা

তাতে সাহেব মোত কলে, "১৭৯৯ সনেৰ ৭ আইন মতে দস্তক-জাৰি হব পাৰে। কি কাৰণ দস্তক-জাৰি নহয় ? দস্তক-জাৰি কৰি ২৪ ঘণ্টাৰ মধ্যে টাকা নিদিলে ফাটাক চালান হব

মিল সাহেব দস্তকজাৰি কৰিব দিয়া

টোকা—(১) কায়েদাবন্দী = বন্ধা নিয়ম বা আইন।

পাৰে।" মঞ্চি কলোঁ, "দস্তক-জাৰি বন্দবস্তি কায়েমী (১) মলুকেৰ প্ৰতি হব পাৰে। এদেশ খাস্ বন্দবস্তি, এহাত দস্তক-জাৰি হোৱা উপযুক্ত বোধ নহয়। বিশেষ আইন জাৰি কৰাৰ কমিচনৰ সাহেবেৰ এক্তাৰ। তেহো জাৰি কৰা নাই।" তাতে মিল সাহেব কলে, "কোছ মজ্কা (২) নেহি, দস্তক-জাৰি হব পাৰে।" এইমাত্ৰ ॥ ২৪০ ॥

গোলাম-বান্দী ৰহিত নকৰিবলৈ দৰখাস্ত পঢ়ি শুনোৱা

তদপৰ চৌধাৰী দৰখাস্ত দিয়াত,—মোক পঢ়িব দিলে। পঢ়ি শুনালোঁ। গোলাম বন্দী খালাচ দিয়া বাবত যে ভাল লোকেৰ দুৰ্গতি হৈছে। মোত সুধিলে, "তোমাৰ খালাচ হৈছে?" মঞ্চি কলোঁ, "সাহেব মোৰো খালাচ দিছে। এহাতে আমা-লোকৰ জাত কুল মান-মৰ্য্যাদা সকল গৈছে।" সাহেব হাঁহি মোৰ হাতৰ পৰা দৰখাস্ত নি পিঠিত নিজে ইংৰেজী হুকুম লিখি মোত কলে, "মেজেষ্টৰ সাহেবেৰ কৈফিয়ৎ তলব কৰিছোঁ, চমজাই দিয়া।" সেইমত চমজাই দিলোঁ ॥ ২১৪ ॥

চৌধাৰীৰ জেম্বায় পুলিচ্ ৰাখিবলৈ দৰখাস্ত শুনোৱা

তদপৰ দেবোত্তৰ ও ব্ৰহ্মোত্তৰ ও ধৰ্ম্মোত্তৰৰ খাজানা লোৱা আৰো চৌধাৰী সকলৰ জেম্বায়, আগে পুলিচ্ থাকা, ইদানিক নাথাকা; ও তজবিজ্ কৰাৰ ভাৰ থাকা, ইদানিক নাথাকা; তাহা ৰাখিবৰ কামনা পাঠ কৰি শুনালোঁ। জিজ্ঞাসা মতে ইষ্কাট্ কমিচনৰ সাহেব ঐ মত জিম্বা কৰি ৰাখা চমজাই কোৱাতে, হাতৰ পৰা দৰখাস্ত নি পিঠিত ইংৰেজীতে হুকুম লিখি মোত কলে, "কালেক্টৰ সাহেবেৰ কৈফিয়ৎ তলব কৰিছোঁ, চমজাই দিয়া।" সেইমত মঞ্চি চমজাই দিলোঁ। তদপৰ কাছাৰী বৰখাস্ত হ'ল। সাহেব উঠি বিস্ব সাহেবেৰ বাঙ্গালাত থাকিল ॥ ২৪২ ॥

তদপৰ দিনা সাহেব কাছাৰী নাহিল। দেৱবৰ ববদলৈ

টোকা—(১) কায়েমী = চিৰস্থায়ী বন্দবস্ত।

(২) মজ কা = লোকচান, আপত্তি।

প্রধান সদৰামীন ও কেফায়ৎ উল্লা সদৰামীন, ঐ মিথি সাহেবেৰ বাঙ্গালায় মিল সাহেবক চালাম দিবৰ গৈছিল। তেওঁলোক দুইজনে আহি, মঞ্জি ৰৌলট্ সাহেবৰ এজলাচে থাকোতে, ৰেলৰ বাহিৰে থাকি, প্রধান সদৰামীনে কলে, "বপা, তোমাক মিল সাহেবে চালাম দি মাতিছে।" এনে কোৱাতে ৰৌলট্ সাহেবে কলে, "যোৱাগৈ"। যাবৰ উদ্যত হৈছোঁ, এনেতে এক চিঠি আৰ্দালী হাতত দি ৰৌলট্ সাহেবৰ পাশ পঠায়। সাহেবে মোত কলে, "মিল সাহেবে তোমাক মাতিছে, শীঘ্রে যোৱা।" এমত কোৱাতেই পর্ব্বতৰ ওপৰ বাঙ্গালায় উপস্থিত হৈ এক আৰ্দালী দ্বাৰা কৈ পঠালোঁ ॥ ২৪৩ ॥

মিল সাহেব মোক তলব দি নি কথা সোধা

কোৱামাত্রে সাহেব যাবৰ অনুমতি দিয়াতে, সাক্ষাত হৈ চালাম দিয়াতে চকীত বাহিবৰ অনুমতি দিলে। তাতে মঞ্জি কলো "আমাৰ হাকিমানে চকী দিয়া নাই। খাৰা হৈ এজলাচ কৰাতে বৰ ক্লেশ জানি বহিবৰ পীৰি দিছে। তাতে বহি এজলাচ ও কাগজপত্র শুনাওঁ। খামাখা আপুনাৰ আগত চকীত বহা মোৰ উচিত কর্ম্ম নহয়।" তাতে সাহেব কিছো ঈর্ষা কৰি কলে,—"কি, কালেক্টৰিৰ দেৱান(ক) চকা নিদিয়ে! মঞ্জি হুকুম দিছোঁ, বহা।" এমত কোৱাতে মঞ্জি চকীত বহিলোঁ এবং কথাবার্ত্তা সুধিব ধৰিলে ॥ ২৪৪ ॥

মিল সাহেবে মোক চকি দি কথা সোধা

প্রথম,—বন্দবস্ত ক্রম সুধিলে,—"কায়েম বন্দবস্ত কৰিলে কেনে?" মঞ্জি কলোঁ, "মঞ্জি সৰকাৰ গবর্ণমেণ্টৰ চাকৰিত আছোঁ। গবর্ণমেণ্টৰ যাতে ভাল হয়, তাকে কোৱা উচিত। আদৌ কায়েমী বন্দবস্ত হলে, গবর্ণমেণ্টৰ হাত বন্দ হয় অর্থাৎ জমি-জমা বৃদ্ধি কৰিব নোৱাৰে। এইকাৰণে সেই বন্দবস্ত হোৱা বিহিত বোধ নকৰোঁ।" সাহেব সেই কথা স্বীকাৰ কৰি থাকিল ॥ ২৪৫ ॥

কায়েমী বন্দবস্ত অনুচিত

দ্বিতীয়ত,—"ফৰিঙ্গতি মহল সকল নিলাম কৰি বন্দবস্ত

কৰিলে কেনে?" তাতে মঞি কলোঁ, "এদেশে ভাললোক ভিতৰত ধনী লোক নাই। সামান্য * * হীন লোক মধ্যে ধ লোক আছে। মহল নিলাম হলে সিবিলাকে ডাকি লৈ, মো খৰিদা মহল বুলি, ৰায়তক অনেক প্রকাৰ দৌৰাত্ম্য কৰি খাজা লব। অৱশেষে, ৰায়ত স্থানান্তৰ হৈ সৰকাৰৰ লোকচান গণ্ডগোল (হব)। এহাত ভাল বিবেচনা নকৰোঁ।" এ কহাতে, সাহেব, শেষে গোলমাল হব পাৰিব বুলি স্বীক কৰিলে॥ ২৪৬॥

মহল নিলাম অনুচিত

তৃতীয়ত,—"আলিৰ কাখৰৰ মাটি আৰু জঙ্গলৰ কাখ মাটিৰ নিৰিখ কম। বন্দবস্ত আছেনে নাই", বুলি সোধা মঞি কলোঁ, "কম বন্দবস্ত নাই। ৰুপিত ফি পুৰা ১৷৷০ টাৰ বৰি ও বাওতলী ও ফৰিঙ্গতিত ও বস্তিত এক এক টাক লাখৰাজ, তদৰ্দ্ধমতে বন্দবস্ত আছে।" সাহেব কলে, "সড় কাখৰৰ মাটি গৰু হাতী আদি যাতায়াত কৰাতে, শস্য খায়। জঙ্গলৰ কাখৰৰ শস্য বন্য জন্তুৱে খায়। একাৰণে সেই সক কম নিৰিখ হোৱা আৱশ্যক।" মঞি কলোঁ, "আসাম ৰাজ আমলে বৰি-বস্তিৰ ও ফৰিঙ্গতিৰ খাজানা নাছিল। কে ৰুপিতৰ এক আনা ডেৰ আনা মাত্র খাজানা আছিল। মা আমলে চন্দ্রকান্ত ৰাজাই দক্ষিণ কুলে ।৵০ আনা কৰি খাজা লগোৱাত 'ছয় আনি' পৰগণা নাম হ'ল। আৰু ফৰিঙ্গতি বস্তিতলী অস্থিৰ মাটি, পানীয়ে তল কৰি আহুধান নিয়ে। জঙ্গলী, বন্য জন্তুৱে শস্য নষ্ট কৰে। এহেতু ত্রিগুণী ও চৌ অর্থাৎ ফৰিঙ্গতি ৩ পুৰাই ১ পুৰা, ও বাওতলী ৪ পুৰাই ১ পু গৰ্ত্তিক্রমে, এক আনা, আদ আনা অথচ চৰতীয়া, তিনৰতীয়া খাজানা লৈছিল।" এই সকল কথা শুনি চন্দ্রকান্ত ৰাজা দিনৰ পৰা ইংৰেজীৰ আমলে, সন সন, কিপ্রকাৰ বন্দব হৈছিল, তাৰ এটি লিষ্টি তৈয়াৰ দিবৰ আজ্ঞা দিয়াতে, এক ৰা

আলি-কাখৰৰ ও জঙ্গল-কাখৰৰ মাটিৰ খাজানা কম হোৱা উচিত

ছয় আনি পৰগণা

তৈয়াৰ কৰি লিষ্টি দিলোঁ। সেইদিন দিবা অৱসান হোৱাতে, বিদায় দিয়াতে আহি কাছাৰী সোমাই কাগজপত্ৰ ৰাখি গোহাটীৰ ঘৰত থাকিলোঁ ॥ ২৪৭ ॥

ৰাতি ওপৰত কোৱা লিষ্টি তৈয়াৰ কৰি কাছাৰীত গলোঁ। ইতিমধ্যে মিল সাহেব একজন আৰ্দালী পঠাই মোক মতাই নি বাঙ্গালাত চকীত বহাই, কথাবাৰ্ত্তা সুধিব ধৰিলে। এবং লিষ্টি তৈয়াৰ কৰি দিয়াতে ইংৰেজীতে তৰ্জমা কৰি দিব দিয়াত, তৰ্জমা কৰাই পাচে দিলো ॥ ২৪৮ ॥

চতুর্থ,—মিলছ্ সাহেব সুধিলে, "প্ৰত্যেক জিলায় দুইতিন-চাৰিজন ডিপুটী কালেক্টৰ মপস্বল থাকি খাজানা তহচীল কৰিব, আৰু মাটিৰ মকৰ্দ্দমা বিচাৰ কৰি নিষ্পত্তি কৰি দিব। আৰু তেওঁলোকেই পেয়াল কৰিব। ডেপুটী কালেক্টৰ সকলে ২৫০৲ টাকা দৰমহা পাব। মঞি এইমতে প্ৰথম কটক জেলায় বন্দবস্ত কৰিছিলোঁ। ইয়াত, সেইমত বন্দবস্ত কৰিলে, আপুনি কেনে দেখে"—বুলি সোধাত, মঞি কলোঁ, "এইমত বন্দবস্ত কৰিব পাৰিব কিন্তু মঞি বিবেচনা কৰোঁ, প্ৰত্যেক ডিপুটী কালেক্টৰৰ দৰমহা আৰো তেওঁৰ লগত খাজানা সাধা নাজিৰ ও হিসাব ৰাখা মহৰিৰ, খাজানা ৰাখা মহৰিৰ, ও প্যাদা টেকেলা লাগিব, এক এক আপীচ হব। এহাতে সৰকাৰ গৱৰ্ণমেণ্টৰ অধিক খৰচ পৰিব। এহা ভাল বোধ নহয়।" সাহেব কলে, "অধিক খৰচ হব হয়।" স্বীকাৰ কৰি মোত কলে, "কিমতে বন্দবস্ত হলে আপুনাৰ মতে ভাল হয়, মোত কওক" ॥ ২৪৯ ॥

প্ৰতি জিল্লাত দুই তিনিজন ডিপুটী কালেক্টৰ ৰখাত খৰচ অধিক

তাতে মঞি কলোঁ, "সাহেব, আইন মতে তিনপ্ৰকাৰ বন্দবস্ত। প্ৰথমতে, খাচ্ (১); দ্বিতীয়তে কায়েমী চিৰস্থায়ী বন্দবস্ত; তৃতীয়ত, ইজাৰা (২) বন্দবস্ত। সম্প্ৰতি এদেশে

তিনপ্ৰকাৰ বন্দবস্ত

টোকা—(১) খাচ্ = পোনে পোনে অৰ্থাৎ ৰায়তৰ লগত।

(২) ইজাৰা = নিৰ্দ্দিষ্ট জমাত ম্যাদি বন্দবস্ত।

খাচ বন্দবস্তৰ দিগদাৰী

খাচ্‌মত বন্দবস্ত। কিন্তু সম্পূর্ণ খাচ্‌মত বন্দবস্ত হলে জনাজাত ৰায়ত পাশ খাজানা তহচীল, সন সন পেয়াল, অনেক দিগদাৰী। বিশেষ আসাম মলুক দখল হবৰ অনেক দিন হল

কায়েমী উচিত নহয়

একাৰণে খাচ্‌ বন্দবস্ত হোৱা ভাল বোধ নহয়। ও কায়েমী বন্দবস্ত হোৱা উচিত নহয়। একাৰণে মাটিৰ নিৰিখ থিৰ ৰাখি বিশ বিশ ম্যাদে, মহল পৰগণা বন্দবস্ত কৰি চৌধাৰী

২০ বছৰ ম্যাদী বন্দবস্ত ভাল

সকলক শতকৰা ২০ টাকা কমীচন দি, বিশ্‌ বৎসৰ ম্যাদে ঐ ম্যাদ মধ্যে লাভ লোকচান জেম্বা থাকিব। কেবল নদী সীকস্ত ও বিশেষ দৈব ঘটনা ব্যতিৰেক, খাজানা কমতি হব নোৱাৰিব ও কিস্তি মত খাজনা আদায় কৰিব। কিন্তু খেলাপ (১) হলেই মহল হস্তান্তৰ হব। কিন্তু ম্যাদ মধ্যে যদি চৌধাৰী কি মৌজাদাৰ ৰায়তক বেজায় বদিয়ত্‌ কৰে, চৌগুণ ডিক্রি হব, মহল গুচিব নোৱাৰিব। কেৱল কিস্তি খেলাপ হলে মহল যাব আৰু ২০ বৎসৰ ম্যাদ গতে পুনৰায় বন্দবস্ত সময়, মাটিৰ নিৰিখ বৃদ্ধি কৰা আবশ্যক জানিলে কিছো বৃদ্ধি কৰি বন্দবস্ত হব। এইমত হলে গবর্ণমেণ্টৰ ও তহচীলদাৰ বা চৌধাৰী ও ৰায়তৰ পক্ষে ভাল বিবেচনা কৰোঁ।” তাহাতে সাহেব সম্মত হৈ মোত কলে, “এইমত বন্দবস্ত আপুনাৰ সাহেবেৰ দ্বাৰা মৌলৈ ৰেপট কৰাই দিব ;” এইবুলি সেইদিন বিদায় দিলে ॥ ২৪৯ ॥

তদপৰ মঞ্জি কাছাৰীত সোমাই ৰৌলট্‌ সাহেবক এই সকল বৃতান্ত কলো। তদপৰ জিন্‌কিঞ্চন কমিচনৰ সাহেবেৰ বাঙ্গালাত সোমাই প্রথম অবধি মিল সাহেব, যি যি কথা সুধিলে, যি যি কৈছিলোঁ, ৰোজ-বৰোজ, ৰৌলট্‌ সাহেবত, কাছাৰীত কৈ, কমিচনৰ সাহেবেৰ বাঙ্গালায় যাই, সাহেবত কওঁ তাৰ পাচেহে ফুৰিব যায়, এবং মঞ্জি গোহাটীৰ ঘৰত থাকোঁ ॥ ২৫০ ॥

টোকা—(১) খেলাপ=নিয়ম লঙ্ঘন।

পৰদিন কাছাৰীত পাগ্‌জামা সহিতে ৯ বাজাত হাজিৰ হৈ ৰৌলট্‌ সাহেবত আইন আদি দেখাই পূৰ্ব্বোক্ত কোৱামতে ৰপট কৰালোঁ। ও জনাজাত যি মহলৰ যত বাকী আছে, তাৰো এটি ইংৰেজীতে তৰ্‌জমা কৰাই লৈছোঁ, এনেতে একজন আৰ্‌দালী আহি মোক তলৰ দি নিয়াই চকীত বহুৱাই অনেক কথাবার্ত্তা সুধিলে। সেই চলতে গোলাম বান্দী সকল খালাচ দিয়াতে যে দুৰ্গতি, মান-মর্য্যাদা জাতিকুল গ'ল, সংক্ষেপতে কিছো কোৱা গ'ল। তদপৰ বন্দবস্তি ৰেপট্‌ ও বাকীৰ ফৰ্দ্দ দিলোঁ। সাহেব লৈ, "কালিলৈ উজান যাম" বুলি কৈ, মোক বিদায় দিলে॥ ২৫১॥

গোলাম বান্দী খালাচ দিয়াত দুৰ্গতি

মঞি কাছাৰী আহি সকল বৃতান্ত ৰৌলট সাহেবত কলোঁ। কাছাৰী তদপৰ বৰখাস্ত হ'ল। তদপৰ মঞি যাই সকল বিষয় কমিচনৰ সাহেবত কলোঁ। 'শুনি পাচে, ফুৰিবলৈ গ'ল॥ ২৫২॥

তদপৰ মিল সাহেব নিজা, অহা জাহাজ দ্বাৰা উজাই নগাঞ ও দৰঙ্গ তেজপুৰ ও শিৱসাগৰ প্রভিতি ফুৰি, পুনৰ ১৪ দিনৰ ঘুৰত আহি শুক্রেশ্বৰ ঘাটত জাহাজ চপাই, পৰদিন কাছাৰীত উপস্থিত হোৱা মাত্রে একজন আৰ্‌দালী দ্বাৰা মোক জাহাজত নি, মোক অনেক কথা সুধিলে অর্থাৎ "এ জেলায় অনেক বাকী, নগাঞ জেলায় বাকী নাই;" এই বুলি থিয় হৈ ঘুৰি ফুৰে, পুনঃ পুনঃ তাকে কয়। তদপৰ মঞি কলোঁ, "সাহেব, গত সন মাৰী হৈ অনেক গৰু মানুহ মৰিল। সেহেতু, জেলাৰ কালেক্টৰ ও কমিচনৰ সাহেব, চৌধাৰী সকলৰ প্রার্থনামতে ২।৩ মাহ ম্যাদ; এহেতু বাকী আছে। শীঘ্রেই আদায় হব," কলোঁ। তাতে সাহেব, মনে মনে থাকিল॥ ২৫৩॥

খাজানা অনাদায়ৰ কাৰণ

তদপৰ সাহেব কলে, "মঞি শুনিছোঁ, এদেশে অনেক জুঠা মৌল উলিয়াই ব্রহ্মোত্তৰ ও ধর্ম্মোত্তৰ ও দেবোত্তৰ বহাল কৰি নিছে।" তাতে মঞি কলোঁ, "কোনো দুষ্ট দুৰ্ম্মতি লোকে

ব্রহ্মোত্তৰাদিত জুঠা দলীল-বদনাম অমূলক

আপোনাক জনাব পাবে কিন্তু লাখৰাজদাৰ সকলে দলীল অথচ মহজৰ (১) ও তামৰ ফলি দাখিল কৰে। তদপৰ আসাম ৰাজাৰ আমলৰ পেৰা কাগজ সহিত মিলানি, সাক্ষী আদিৰ দ্বাৰা প্রমাণ হলে পঞ্চায়তৰ ৰায় মূৰত বহাল দিয়ে। এহাত, কি মতে কৃত্তিম হব পাৰে। যদি কোনোজনে কৃত্রিম দলীল দাখিল কৰি বহাল কৰি নিছে, তাহাৰ কোনো প্রমাণ নাই ; ও কোনো ব্যক্তিয়ে সেই বিষয় দাদখাঁ (২) হোৱা নাই। যদ্যপি দাদখাঁ হোৱাতো বিচাৰ নকৰিলে, তেনেহলেই আমাৰ সকলত দোষ অর্পিব ; নতু কিমতে তাত সোভা কি আশঙ্কা হব পাৰে ?" এমত কহাতে মনে মনে থাকিল। দিন আখৰ হ'ল। মোক সেইদিন বিদায় দিয়াতে, জাহাজৰ পৰা কাছাৰীত আহি সকল বৃতান্ত কলোঁ। তদপৰ সাহেব উঠাতে কাছাৰী বৰখাস্ত হ'ল। আমলাসকল স্থানে স্থানে গল। মঞ্জি কমিচনৰ সাহেবৰ বাঙ্গালাত সোমাই, সাহেবত সকল কথা কলোঁ অর্থাৎ যিমত প্রশ্ন কৰিলে, যিমত উত্তৰ দিলোঁ। সাহেব শুনি উঠি, মোক বিদায় দি ফুৰিব গ'ল ॥ ২৫৪ ॥

মিল সাহেবক জমাৰ তাএন দিয়া

তদপৰ দিনা কাছাৰীত উপস্থিত হোৱাতে কিছো কিছো বিলম্বে একজন আৰ্‌দালী আহি মোক তলব দিছে বুলি কোৱাতে মঞ্জি ৰৌলট্ সাহেবত কৈ জাহাজত গলোঁ। এবং পূর্ব্ব দিন কোৱামতে গত সনৰ কামৰূপৰ সাৰা জমা ২৯৯০০০ দুই লক্ষ নিৰান্নবৈ হাজাৰ যে হৈছে, তাৰ এটি ফর্দ্দ দিলোঁ। পূর্ব্বে কমিচনৰ সাহেবৰ দ্বাৰা তলব কৰি নিয়া কাগজ সহিত মিলানি কৰাতে মঞ্জি দিয়া ফর্দ্দতকৈ, পূর্ব্বে দিয়া ফর্দ্দত বেচি দেখি মোত সোধাতে কলোঁ ; "মঞ্জি এতিয়া যি ফর্দ্দ দিছোঁ, এই ঠিক্।" সাহেবে কলে "কমিচনৰ বেচি লিখে, তুমি কমতি

টোকা—(১) মহজৰ—মোহৰ।
(২) দাদখাঁ—প্রার্থী, দাবী কৰোতা।

কৰি দিছা; কেনেকৈ মঞি মানিম?" মঞি কলোঁ, "মঞি দিয়াই ঠিক্। কমিচনৰ সাহেব কেনেকৈ বেচি লিখিছে, সাহেবত সুধিলেহে কব পাৰোঁ।" তাতে সাহেব সন্মত হৈ "কালিলৈ খোলোচা কৰি দিবা", বুলি মোক বিদায় দিলে। মঞি সেই শুক্রেশ্বৰৰ ঘাটৰ পৰা আহি সাহেবত সকল কথা কলোঁ এবং কাছাৰী বৰখাস্ত হোৱাতে একত্রে সাহেব সহিত আই, মঞি কমিচনৰ সাহেবত সকল কথা কলোঁ। এবং কামৰূপৰ সাৰা জমা কম হৱা কথা কোৱাত, "কালিলৈ কাছাৰীত চালেহে কব পাৰি;" এইবুলি সাহেব ফুৰিব গ'ল। মঞি বহাত গৈ থাকিলোঁ॥ ২৫৫॥

পৰদিন কাছাৰীত উপস্থিত হৈ হৰিমল বৰা মহৰীক বৰ কাছাৰী পঠাই কলোঁ যে "তোমি কমিচনৰ সাহেবত মোৰ সালাম দি কবা যে, কামৰূপৰ সাৰা জমা কম বুলি মিল সাহেব ৰিছে। কিমতে কাগজ দিছিল, তাক চাব। যদিহে ভুল হেছে, তবে মিল সাহেবলৈ একখানি চিঠি লিখিব" এই কৈ হৰিমল বৰা মহৰিক পঠাই দিলোঁ॥ ২৫৬॥

ইতিমধ্যে মিল সাহেবেৰ আৱ্দালী আহি মোক তলব দিছে বুলি কোৱাতে ৰৌলট্ সাহেবত কৈ মঞি জাহাজলৈ গলোঁ। তাতে অন্যান্য কথা সুধিলে। এনেতে কমিচনৰ তাৰ পৰা চিঠি আহিল। সাহেব পঢ়ি চাই মোত কলে, "পূৰ্ব্বে যে কমিচনৰ সাহেব মোৰ পাশ কাগজ পঠাইছিল, তাত ভুল। তোমি যে কৈছা, এই সত্য", এই বুলি জেলাজাতৰ তাএন মোক দি সকলোৰে ঠিক দি দিলে। এবং ঠিক দি দিলোঁ॥ ২৫৭॥

জমা কম-বেছিৰ আশঙ্কা দূৰ কৰা

	মাটিৰ জমা তাএন বা কমীসন	আবকাৰী	ষ্টাম্প্	লালবন্দী
জেলা জাতৰ জমাৰ তাএন	কামৰূপ— ২৯২৩০৪৸/৯৸০	১১৯২	০	০
	দৰঙ্গ— ১৫৭৭৯৫।৶/৯	২৫৮৫	০	০
	নগাওঁ— ১২৯৮৭৩৸৫	২৯৪৭॥০	০	০
	শিবপুৰ— ১১৪৪৬৩।২	৬৬৫৭॥০	০	০
	লখীমপুৰ— ৫০৬৯১।১০	১৮৭৯৮।০	০	০
	গোৱালপাৰা ১৪০২২॥৬	২০৫।৶/২	৭৭১৩	৬৭৭০০৸৶৹
	মোট টকা ৭৫৯১৫১/০৸০	৩৪২৩১॥৶/২	৭৭১৩	৬৭৭০০৸৶৹

সর্ব্বমোট টকা ৮৬৮৭৯৬॥৶/৬৸০

আমি ঠিক দি সাহেবক দিলোঁ। সাহেব লৈ দিবা অৱসানে মোক বিদায় দিয়াতে, কাছাৰী আহি ৰৌলট্ সাহেবত সকল কলো। তদপৰ কাছাৰী বৰখাস্ত হল এবং মঞ্জি কমিচনৰ সাহেবৰ বাঙ্গালাত সোমাই সেদিনৰ সকল বৃতান্ত কলো। এবং শুনি ফুৰিবলৈ গ'ল ॥ ২৫৮ ॥

তদপৰ দিনা কাছাৰীত উপস্থিত হৈ কৰ্ম্মত প্রবর্ত্ত হৈছোঁ, এনে সময়তে মিল সাহেব একজন আৰ্দালী পঠাই মোক তলব দিয়াতে, ৰৌলট্ সাহেবত কৈ মঞ্জি শুক্রেশ্বৰৰ জাহাজত মিল সাহেবেৰ সাক্ষাত হোৱাতে মোত কলে, "বাঙ্গালী কত(১) আমলা ও অসমীয়া কত; ও মছলমান কত ঠিকনা দিয়া।" মঞ্জি তেতিযাই আমাৰ চেৰস্তাৰ ঠিকনা দিলো। সাহেব বোলে, "নহয়, সকল আপীচৰ লাগে।" তাতে মঞ্জি কলোঁ, "মঞ্জি কাছাৰী গলেহে পাৰোঁ।" সাহেব অনুমতি দিয়াতে কাছাৰী আহি ৰৌলট্ সাহেবত কোৱাত, তেতিয়াই ৰাধামোহন গোসাঞী চেৰস্তাদাৰ ও মাধব পেচ্কাৰৰে আগত কোৱাতে, তেতিয়াই ফৰ্দ্দ কৰি দিলে। সেই অনুসাৰে মোট কৰিলে,

মিল সাহেবক অসমীয়া, বঙ্গালী আমলাৰ তাএন দিয়া

টোকা—(১) কত=কিমান, কেইজন।

সাহেব জাহাজত থকাতে দিলোঁ। তেওঁ লৈ মোত কলে, "কালিলৈ মঞ্জি ভাটী যাম" বুলি চালাম দি বিদায় দিয়াতে কাছাৰী আহি, ৰৌলট্ সাহেবত সকল কথা কলোঁ। এৰং কাছাৰী ৰৰখাস্ত হোৱাতে, মঞ্জি কমিচনৰ সাহেবৰ বাঙ্গলাত সোমাই সেই সকল কথা কলোঁ। শুনি ফুৰিব গল। ময়ো গোহাটীৰ ঘৰতে থাকিলোঁ। তদপৰ দিনা মিল সাহেব ভাটী গ'ল ॥ ২৫৯ ॥ মিল সাহেব ভাটী যোৱা

এই সনৰ জৈষ্ঠ মাহৰ ১৬ দিন যোৱাত অৰ্কিক বাসৰে (১) নিশা দুৰ্গাকান্ত পুত্ৰ, ৰৰঘৈণীৰ উদৰে জন্ম হয়। দুৰ্গাকান্ত জন্ম হোৱাতে আমাৰ ভ্ৰাতৃবধূ গৌৰীকান্তৰ স্ত্ৰী কেতেকীৰ, ঈৰ্ষা হ'ল। প্ৰকাশ কৰি কৈছিল যে, "মঞ্জি সমানে সমানে ভাগ লম" ॥ ২৬০ ॥ দুৰ্গাকান্তৰ জন্ম

মিল জজ সাহেব ভাটী যোৱাতে মঞ্জি একদিন কাছাৰীত ৰৌলট্ সাহেবত সুধিলোঁ যে, মিল সাহেব যি যি কাগজাদি তলব দিছিল, সকলো দিলোঁ। আৰু ইয়ালৈ অহাতো যি কথা সুধিলে, তাৰো সকল উত্তৰ দিলো। কিন্তু সাহেৰ আমাক ভাল পালে কি বঞা পালে, তাক একো জানিব নোৱাৰিলোঁ। তাতে সাহেব কলে, "তোমাক ৰৰ ভাল বুলি শলাগিছিল, ও সোধাত অসমীয়া বুলি কৈছিলোঁ।" আৰো কলে, "দেৱানীৰ পেচ্কাৰ মাধবৰ কি হৈছিল ? মিল সাহেব কথাবার্ত্তা সোধাত, ভালকৈ কব নোৱাৰিলে। মিল সাহেব সোধাত মঞ্জি বেমাৰী বুলি কলোঁ; তাৰ কি হৈছিল ?" মঞ্জি কলোঁ, "সাহেব, আপুনি এক কথা সুধিলে কব নোৱাৰে, তাতে মিল সাহেব সদৰৰ পৰা তহকীক্ হেতু আহিছে, এহাত অবশ্য হৃদয় হল্কা (২) ৰ পাৰে" ॥ ২৬১ ॥ মিল সাহেব মোক শলাগা

টোকা—(১) অৰ্কিক বাসৰে = অৰ্ক বাসৰে = ৰবিবাৰে।

(২) হল্কা = দুৰ্ব্বল।

তদপৰ ৰৌলট্ সাহেব মোত কলে, "মিল সাহেব এই কথ
সুধিছিল যে, গৱর্ণমেন্টৰ যি দেশৰ যি লোক, তাকে মকৰ
কৰাৰ অভিপ্রায়। এ কামৰূপে বাঙ্গালী পৰদেশী লোক অনেক
আছে!" তাতে, ৰৌলট্ সাহেব কলে, "বাঙ্গালী লোক নহলে
কার্য্য নচলে; সেহেতু মকৰৰ হৈছে।" তাতে, মিল সাহেব কলে
"কালেক্টৰিৰ চেৰস্তাদাৰ বাঙ্গালী কি অসমীয়া? আৰো প্রধান
সদৰামীন ও সদৰামীন, মুনচেফ্ সকল অসমীয়া কি বাঙ্গালী?
বুলি সোধাত "অসমীয়া বুলি কলোঁ।" তাতে মিল সাহেব কলে
"যদি অসমীয়া হয়, কি মতে কর্ম্ম চলিছে?" তাতে ৰৌলট্
সাহেবে মোত কলে, "বোলে মঞি বৰ চৰম পাই এইমাত্র কলোঁ
মঞি মকৰৰ কৰা নাই, আগৰে মকৰৰ আছে।" এমত কহাতে
মিল সাহেব মনে মনে থাকিল ॥ ২৬২ ॥

মিল সাহেবৰ মত,— আসামত অসমীয়া কর্ম্মচাৰী মকৰৰ উচিত

তদুত্তৰে মঞি ৰৌলট্ সাহেবত কলোঁ, "আপুনি চৰম পা
পায়, কেৱল অনুচিত কথা কলে। কিয়নো ইতঃপূর্ব্বে বাঙ্গালী
নহলে কর্ম্ম নচলিছিল হয়, কিন্তু মঞি ১৮৪৯ ইংৰেজী ৰ
১২৫৫ সনে উজান শিবপুৰ প্রভিতি জেলাত দেখি আহিলোঁ
শিৱসাগৰত সকল লোক অসমীয়া, ও তেজপুৰে ৩।৪ জন মাত্র
বাঙ্গালী, সকল অসমীয়া, তেওঁলোকৰ দ্বাৰা কর্ম্ম চলিছে
ইদানিক বাঙ্গালীৰ অপেক্ষা নকৰে।" এমত কোৱাতে ৰৌলট্
সাহেব মনে মনে থাকিল ॥ ২৬৩ ॥

মঞি কওঁ উজনিত অসমীয়া। ইয়াত কিয় নহব?

তদপৰ শীতকাল পৰাতে তেওঁ সহিত মফস্বল ভ্রমণ ক
নানা স্থানে স্থানে ফুৰিলোঁ। এবং তিচী ও গেণ্ডঁ ও যব ধান
খেত্ কৰিবৰ কাৰণে, ৰায়ত ও চৌধাৰী লোকক চমজাই বী
দিয়া হৈছিল ॥ ২৬৪ ॥

তিচি, যব ও গেণ্ডঁ ধানৰ খেতিত উৎসাহ

তদপৰ ফাগুন মাহে গোহাটী অহা হ'ল। সোমা
সদৰামীনৰ পুতেক মহীধৰ, দুর্ল্লভৰ কাখৰ মাটীত
কৰে ॥ ২৬৫ ॥

মিল সাহেব আহি মোত, যি যি ৰকম কথা সুধিলে, তদুত্তৰে
ৰ বিষয়ৰ উত্তৰ দিলোঁ। এবং দিন দিন ঘনকান্ত যুবৰাজ ঘনকান্ত
ৰৰ সন্তোষ ও প্ৰীত হ'ল। ও একদিন মোক মাতি নি ৰাজাক
ন্দ হৃদয়ে সোধাত সকলো কলোঁ। অতি যশস্বিন কথা শুনি উপদেশ
সহিত মোৰ প্ৰতি, ৰৰ প্ৰীতি হ'ল। এবং দুৰ্গোৎসবাদিত
লাদি মতাত নাহে। যুক্তি সোধাত বিশেষ যুক্তি দিলোঁ,
ৎ তেওঁ যিমতে বহে, বহোক। অন্যসকলক দলিচা ও ঠঙ্গা,
ঞ্চী, নগাঢাৰি দিব দিলোঁ। সেইমত দিয়াতে সকল
ধৰিলে ॥ ২৬৬ ॥

১৫। মঞ্জীৰাৰ বিবাহ। মণিৰাম দেৱানৰ কথা।

১৭৭৬ শক, ১২৬১ সন, ১৮৫৪।৫৫ ইংৰেজী।

এই সনেও জিনকিঞ্চন্ কমিচনৰ ও মিথি সাহেব ডিপুটী
চনৰ অথচ জুডিচীল কমিচনৰ ও ৰৌলট্ সাহেব ডিপুটী আমি
চনৰ। আমি চেৰস্তাদাৰ আছিলোঁ ॥ ২৬৭ ॥ চেৰস্তাদাৰ
এইসনে ৰৌলট্ ডিপুটী কমিচনৰ সাহেব, গত সনৰ নিৰিখ-
কপিত ফি পুৰা ১৷৷০ টাকা, ৰাওতলী ও ফৰিঙ্গতি, ৰবি,
তে ১৲ এক এক টকা, লাখৰাজ তদৰ্দ্ধমতে, ৩।৪।৫।১০ সনা
দে চৌধাৰী সকলৰ সহিত বন্দবস্ত কৰিলে। এবং হাজো জমি বন্দবস্ত
ণাও গৌৰীকান্ত সহিত বন্দবস্ত হ'ল। আমাৰ চুক্তি মতে
ীয়াহঁতৰ দ্বাৰা খাজানা তহচীল কৰি মোৰ পাশ পঠায়।
সৰকাৰে দাখিল কৰোঁ। আখেৰিতে যি বাকী পৰে,
য়া, তেতেলীয়া প্ৰভিতি হাজোৰ পৰগণাৰ মাটিৰ খাজানা
৪০০ শও দৰমহাৰ পৰা মঞি দি লেঠা মাৰোঁ ॥ ২৬৮ ॥
নগাঞৰ সোমদত্ত সদৰামীনে তৎপুত্ৰ মহীধৰৰ কাৰণ
ৰাক ধৰিছিল। আমাৰ দিবৰ সম্মত নাছিল। এনেতে
দত্ত সদৰামীন নগাঞে ফৌত হোৱাতে দেৱৰৰ ৰৱদলৈ,

তদমোটে নকৰৰ হল। মহীধৰৰ মাকে, সেই ছোৱালীকে ধ
ইয়ালৈ উঠি আহিম বুলি প্ৰবোধ দিয়াতে, বোধকৰোঁ তৎদে
ছোৱালী দিবৰ সন্মত হোৱাতে, গৌৰীকান্তও সন্মত হৈ অন্য
ঠিক কৰি, মোত সোধাত, মঞ্চি কলোঁ, "ছোৱালীৰ উপযুক্ত ব
নহয়। আৰু সিহঁত যে ইয়ালৈ উঠিব আহিব খুজিছে, ই
ফাকি। ইয়াত ছোৱালী দিলে অনেক বেজাৰ পাবা
গৌৰীকান্তই কলে, "যমে নিয়াও নিয়া, জোঁৱায়ে নিলেও নিয়া
তাতে মঞ্চি ভাল, এনে বুলিলো। মাতৃয়েও কলে, "সিহ
উঠি আহিব" ॥ ২৬৯ ॥

মঞ্চিৰাৰ বিবাহৰ কথা

তদপৰ, মহীধৰ তস্য মাক সহিতে আহি গোহাটীত ক
বাপেক দেৱৰৰ সদৰামীনৰ ঘৰতে আছিল। মঞ্চি কে
কৰিছিলো, যদি গৌৰীকান্তৰ ছোৱালী দিয়ে, ইয়াতে ব
বাপেকৰ সাহায্যে কৰাব। পাচে যলৈ যায়, যাব। তদ
মঞ্চি সাহেব সহিত মপস্বল ভ্ৰমণ কৰি, বাক্সা দুৱাৰৰ সুবৰ্ণখা
পালো। তাতে গৌৰীকান্তৰ চিঠি পালোঁ যে মহীধৰে আম
ঘৰৰ কাষৰৰ মাটিখণ্ডলৈ উঠি আহিব খোজে, মঞ্চি ঘৰ সাৱি
দিব খোজোঁ। তাতে মঞ্চি বিবেচনা কৰিলো,—খামাখা উ
আহিলে, সদৰামীনে ও অন্যলোকে বঞা বুলিব ; একাৰণে মঞ্চি
গৌৰীকান্তলৈ চিঠি লিখিলোঁ,—"সম্প্ৰতি মহীধৰ উঠি আহি
নালাগে। মাটিকো দিব নালাগে। মঞ্চি ইয়াৰ খাগ্‌ৰাবাৰী
তাৰপৰ বজালি, তাৰপৰ নলবাৰী, তদপৰ হাজো যাই গোহা
পামগৈ। এহাতে ১৫।১৬ দিন হব পাৰে। মঞ্চি গৈ পা
বিবেচনা কৰিম" ॥ ২৭০ ॥

তদপৰ মঞ্চি সেইক্ৰমে মপস্বল ভ্ৰমণ কৰি আহি গোহা
পালোঁ যে, মহীধৰে সেই মাটিত ঘৰ তোলিছে। মঞ্চি
গৌৰীকান্তক কলোঁ যে, মহীধৰক এইপাৰে আনিলি হয়, অ
কৰ্ম্ম নকৰিলি ॥ ২৭১ ॥

মোৰ মাটিত মহীধৰে ঘৰ তোলা

অতঃপৰ মহীধৰ উঠি আহি মাক সহিত তাতে আছিল। কুৱাত সদৰামীনে মোক মতাত মঞি গৈছিলোঁ। বহু সমাদৰ ৰ জলপান দি কাখতে মাটিত বহি কলে, "বপা, তোমালোকৰ হুৰ্ত এতিয়া মিত্র কৰিছোঁ, এনে নহয়। আগৰ পৰাই মিত্র। তিয়া দেখা, ছোৱালী দিওঁ বুলি মোৰ ভতিজাক তোমাৰ তা সিপাৰে তোলি নিলে।" তাতে মঞি কলোঁ, "আপুনি ল হলে, আপুনাৰ ভতিজা যাৰ কিয়, ও আপুনি বা কিয় ৰি দিব?" এনে কোৱাতে মনে মনে থাকিল॥ ২৭২॥ দেয়ৰৰ বৰদলৈৰ অনুযোগ

তদপৰ মহীধৰ থকা মাটিখণ্ডৰ পশ্চিম ফালে অমুকাৰ ায়েক তাতে আছিল। তাৰ জীয়েক অমুকীক বিবাহ দিছিল। চছো দিন পৰেই জামাতা ফৌত হ'ল। জীয়েক বিধবা হৈ তে আছিল॥ ২৭৩॥

একদিন চৈত্রমাহে লখীৰাম লেখাৰু সহিত অশোকাষ্টমী ান কৰিব গৈ ব্রহ্মপুত্রৰ কাখত বহি প্রণাম কৰি জল হাতত াছো, এনেতে লেখাৰুয়ে কলে, "দৌতা শুনিছেনে?" কি বুলি ধিলোঁ। তেওঁ কলে যে, "আপোনাৰ মাটিত অমুকী আছে; ইৰ হেনু গর্ভ হৈছে॥ ২৭৪॥ বাঁৰীৰ কথা

এই কথা শুনি মই আচর্য্য বোধ কৰি কলোঁ, কিছু শুনা ই। পাচে স্নান কৰি আহি চ'ৰাঘৰ পাই গৌৰীকান্তক তিলোঁ। ঘৰৰ পৰা ওলাই অহাত সুধিলোঁ, "বিধবাৰ নু গর্ভ হৈছে। তঞি শুনিছনে?" শুনিছোঁ বুলি কলে। তে মই কলোঁ, "যদি শুনিছ, মোত কিয় নকৈ আছ? তঞি াৰ জীয়েৰক দিবৰ মন কৰিছ। যদিবা নিদিয়, তথাপি সেই ছিলাতে মানুহটো একেবাৰে নষ্ট যায়। মঞি জানো ামাৰ দুহিতৃক সদৰামীনৰ পুতেক চন্দ্রধৰলৈ ধৰিছিল। মালোকৰ দিবৰ সন্মত নহল। এতিয়া মহীধৰক দিবৰ মন বিছা। এহেতু মহীধৰলৈ যেনেকৈ ছোৱালী নপৰিব, এই বাঁৰীক গোহাটীলৈ নিয়াৰ কাৰণ

ফিকিৰ কৰিছে। এতেকে, ছোৱালী পৰক কি নপৰক অকাৰণত মানুহটো নষ্ট হোৱা ভাল নহয়। অবশ্য ইয়ৰ উপায় কৰিব লাগে।" গৌৰীকান্ত কলে, "কি উপায় কৰ কৰোক" ॥ ২৭৫ ॥

তদপৰ মঞি ভাবিচিন্তি থাকিলোঁ। ৰাত্রি ভোজন ক শয়ন কৰিলোঁ, কিন্তু ভাবিচিন্তি থাকোতে নিদ্রা নাহে এবেলি শয়ন কৰো। পুনৰ উঠোঁ। ৰৰঘৈণীয়ে সুধি "দৌতা, কিয় টোপনি নাহে? অসুখ কৰি আছে?" ত কলোঁ, "তোমাৰ দদায়ে মহীধৰক ঐৰূপ নষ্ট কৰিব ধৰি তাকে কিৰূপে ৰক্ষা কৰিম, তাকেহে ভাবিচিন্তি থাকাতে নি

মহীধৰৰ ৰাবে চিন্তা

অহা নাই।" তাতে ৰৰঘৈণী কলে, "দৌতা, কেনেকৈ য় লৰাটোক ৰক্ষা কৰক।" মঞি কলো, "তাকেহে ভাবি আছে এই বুলি শয়ন কৰিলো। ভালকৈ নিদ্রা নাহিল, শেষ নি অলপ নিদ্রা হ'ল॥ ২৭৬ ॥

পাচে, প্রাতসে মঞি উঠি চ'ৰাঘৰত বহি, মানুহ প ঈশৰাম ও মোহন চৌধাৰী ও ক'লীয়া কানাই ও কমল প্রভিতিক মাতি নি সুধিলোঁ। "আমাৰ গোট জ্ঞাতিৰ ভিত

ৰক্ষাৰ যুক্তি

একজনক আৰু অপৰজনে একেবাৰে নষ্টকৰি ব্রহ্মপুত্রত পেল খোজে। তাকে ৰক্ষা কৰিব পায় কি নাপায়? আৰু ৰ কৰিলে ধর্ম্ম যশস্যা আছে কি নাই?" তাতে, তেওঁলোকে এ কথা কলে, "ৰক্ষা কৰিব পায়, আৰু ধর্ম্ম আৰু যশস্যা হয়॥" ২৭

তাতে মঞি কলোঁ,—"মোৰ মাটি খণ্ডত এক বিধবা আছে তাইৰ গর্ভ হৈছে বুলি শুনিছো। তোমালোকে শুনিছা নাই?" কোনোসকলে কলে, শুনা নাই। কোনোসকলে ক শুনিছোঁ। মঞি কলোঁ, "বিধবাক ইয়ালৈ আনি সোধাত আছেনে?" সকলোৱে কলে, "একো দোষ নাই। জ্ঞাতিয়ে সুধিব পাৰোঁ॥" ২৭৮ ॥

তদপৰ মঞ্চি তেতিয়াই মানুহ পঠালোঁ, "অমুকী বিধবা সিপাৰৰ পৰা যদি আহিছে, লৈ আহ।" কিয়ৎখন পৰেই বিধবাক নি উপস্থিত কৰাতে, মঞ্চি সুধিলোঁ,—"তোৰ গর্ভ হৈছে বুলি শুনিছোঁ। হয় কি নহয়। যদি হৈছে, কাৰ দ্বাৰা হৈছে, ধর্ম্মত কবি। অনাহকত লোকক নষ্ট নকৰিবি। তঞ্চিতো বঞ্চা হ'লি। যি তোৰ দোষী, সত্য কথা ক। তদ্বাৰা তোক জীবদ্দশা প্রযন্ত প্রতিপাল কৰিবৰ উপায় কৰি দিয়াওঁ"॥

তাতে বাঁৰীয়ে আগে কিছু মোড়ামোড়ি কৰি থাকি কলে, "অমুক বেজেই মোৰ দোষী।" তাতে আমি কলোঁ, "যদি সি দোষী হয়, অবশ্য তাৰ দ্বাৰা তোক লিখাই দিওঁ: জীবদ্দশাতক তোক প্রতিপাল কৰি থাকিব।" এই বুলি তাক আনিবলৈ মানুহ পঠালোঁ। বিচাৰি মাজগাঞৰ (পৰা) নি উপস্থিত কৰিলে। তাক সোধাত প্রথমে কিছু মোড়ামোড়ি কৰি, শেষে কবুল কৰিলে। তেতিয়াই মঞ্চি কলোঁ, "বিধবাজনী নষ্ট হল; এতেকে তঞ্চি তাইক জীবদ্দশা প্রযন্ত প্রতিপাল কৰি থাকিবি। তাইক এৰি গলে ১০০৲ একশ টাকা দিব লাগিব। এইদৰে বাঁৰীক একখন দলীল লিখি দে।" সি সন্মত হোৱাতে তেতিয়াই লিখাই বাঁৰীৰ হাতত দি সকলোকে বিদায় দিলোঁ॥ ২৭৯॥

বাৰীক সোধা

অমুক বেজ দোষী স্বীকাৰ আৰু বিধবাৰ প্রবর্ত্তন

তদপৰ সদৰামীনে এইকথা শুনি মোক কিছু অনুযোগ কৰিছিল। মঞ্চি কৈছিলোঁ, মোৰ মাটিত আছে, সেই গতিকে, আৰু গোট-জ্ঞাতিৰ ভিতৰ; এইগতিকেও মঞ্চি সুধিব পাৰোঁ, একাৰণে সোধা গল। সেহেতু একো অশুদ্ধ হোৱা নাই। এতিয়া তেওঁ বাঁৰীক নিয়াই সুধিব খোজে, সোধক। মঞ্চি মানা নকৰোঁ। এইমত কোৱাতে মনে মনে থাকিল॥ ২৮০॥

সদৰামীনৰ আপত্তি

তদপৰ শ্রীগৌৰীকান্ত ও তস্য স্ত্রীৰ, নিতান্ত মহীধৰকে মঞ্জীৰাক দিবৰ মনস্থ হোৱাতে ঐ ১২৬১ সনৰ অগ্রায়ণ মাহে বিবাহৰ উদ্যম কৰি, মহীধৰক বিবাহ, গৌৰীকান্তৰ দ্বাৰা দিয়া

মঞ্জীৰাৰ বিবাহ ও যৌতুক

গ'ল। ঐ বিবাহে যি যি দিয়া গল আৰু যুবৎ হোৱাতো, যি যি দিয়া গল, নীচে লিখা গ'ল ॥ ২৮১ ॥

ৰৰক দিয়া :—

পাতৰ ধুতি-চাদৰ	—১ জোৰ	তাম-পিতল এক সঁজুলি	—১
সোণৰ আঙঠি	—১ টা	চালপীৰা, তুলী, আঠুৰা, গাৰু, পাটী, ৰৰকাপোৰ বানাত	—১
কোষা অর্ঘা	—১ জোৰ		৫

মঞ্জীৰাক দিয়া ও যুবৎ হোৱাত দিয়া নীচে লিখা গল :—

ৰূপৰ সোণখতা খাৰু	—১ জোৰ	কিংখাপৰ মেখেলা	—১
সোণৰ উকা বিৰি, প্ৰবাল, সোণৰ মণি সহিত	—১ ধাৰ	গাজৰ বিহা	—১
সোণৰ খুপিমণি	—১ থোপা	পাৰি দিয়া জুৰীয়া কাপোৰ	—১
সৰু গেজেৰা সহিত মণি	—১ থোপা	মছদৰৰ মেখেলা	—১
বাখৰামি গেজেৰা সহিত মণি	—১ ,,	পাটৰ বিহা	—১
সোণৰ বাখৰামি আঙঠি	—৫ গোট	খনীয়া কাপোৰ	—১
সোণৰ বাখৰামি কেৰু	—১ জোৰ	ইজা	—১০
চবুজৰ বাখৰামি কেৰু	—১ ,,		দফা ১৬
ৰূপৰ টেমা	—১ টা		
ৰূপৰ টেমি	—১ টা		
	দফা ১০		

যুবৎ হোৱাত দিয়া :—

তাম-পিতল এক সঁজুলি	—১
চালপীৰা সহিত তুলী-পাটী, গাৰু আঠুৰা, ৰৰ-কাপোৰ বানাত সঁজুলি	—১

পাছে মঞি ৰৌলট্ সাহেৰ সহিত মপস্বল ভ্ৰমণ কৰিছিলোঁ ॥ ২৮২ ॥

মণিৰাম দেৱান ঘনকান্ত সিংহৰ দেৰীঘৰত

এই সনে উজানৰ মণিৰাম দেৱান কামেশ্বৰ যুবৰাজৰ পুত্ৰ কন্দৰ্পেশ্বৰ ৰাজাক, মলুক লাল-বন্দী কৰাই দিম বুলি ভটীয়াই আহি ঘনকান্ত সিংহ যুবৰাজৰ দেৰীঘৰতে আছিল। এইকথা সকলদিগে ৰাষ্ট্ৰ হৈ গ'ল। একদিন মঞি কাছাৰী অন্তে

জিনকিঞ্চন কমিচনৰ সাহেবৰ বাঙ্গালায় যাই দেখা হলোঁ। সাহেব সমাদৰ পূৰ্ব্বক চকীত বহুৱাই মোত সুধিলে,—"ৰাল, শুনিছানে মণিৰাম দেৱান, কন্দৰ্পেশ্বৰ ৰাজাক, মলুক লাল-বন্দী কৰি দিবৰ কাৰণে কলিকাতা যাবৰ আহিছে।" মঞি কলোঁ, —"হয় শুনিছোঁ।" পুনৰ মোত সুধিলে,—"ক'ত আছে?" তদুত্তৰে কলোঁ,—"ঘনকান্ত যুবৰাজৰ ঘৰত আছে।" সাহেব কলে,—"কি, ঘনকান্ত যুবৰাজ চামিল হলনে?" তাতে মঞি কলো,—"কি চামিল? ৪৬০৲ টাকা পেনচীন পায়, খৰচে নোজোৰে, তিনি চাৰি হাজাৰ টাকাৰ ধাৰ! বোধকৰোঁ, থাকিবৰ ঠাই নাপাই, দেবীঘৰ উদং দেখি তাতে আছে।" সাহেব মনে মনে থাকি, অন্যান্য কথা সুধি বিদায় দিয়াতে অহা গ'ল॥ ২৮৩॥

কমিচনৰ সাহেবৰ সন্দেহ শুচোৱা

তদপৰ ঘনকান্ত যুবৰাজ মোৰ সহিত বৰ আপ্যায়িত ভাৰসা ৰাখিছিল; ও তেওঁৰ ৰাণী পদ্মৱেখাও বৰ প্ৰীতি ৰাখি আমাৰ ৰৱণৈী সহিত বৰ প্ৰণয়; ও সৰ্ব্বদা লা-লিগিৰী পঠাই থাকে। যুবৰাজ, মোক মাতি নিবৰ কাৰণে, দিমে মানুহ পঠায়। মঞি উত্তৰ পাৰৰ পৰা কাছাৰী কৰিছিলোঁ; এবং মঞি চেৰস্তাদাৰ; তাতে মণিৰাম মলুকৰ জন্যে আহিছে; ইয়াত গলে বা কোন ৰেপট কৰে। সেই কাৰণে যোৱা নাছিলোঁ। নিত্যে নিত্যে নাৰায়ণ লিগিৰাক পঠোৱাত একদিন কাছাৰী অন্তে, বাহিৰ বাহিৰ গৈ, যুবৰাজৰ ঘৰত সোমালোঁ। যুবৰাজ, নিলগতে মোক দেখি মোক কলে,—"মঞি মাতি পঠাওঁ, নাহে আৰু নাহে।" মঞি কলোঁ,—"কিনো জৰুৰী কথা হৈছে, পুনঃ পুনঃ মাতি পঠায়? মঞি অবজৰ নাপাওঁ।" যুবৰাজ দেৱতা কলে,—"জৰুৰী দেখিহে মাতিছোঁ।" মঞি "কি জৰুৰী কৰ্ম্ম হৈছে, কওক", বুলি কলোঁ। তাতে যুবৰাজ কলে, "উজনিৰ কন্দৰ্পেশ্বৰ ৰাজা প্ৰভিতি ও ডাঙৰীয়া সকলেও মণিৰামক মোক্তাৰ দি দেশ লাল-বন্দী কৰি নিবৰ কাৰণে পঠাইছে; এবং মোকো আহি ধৰিছে; খৰচ-

যুবৰাজে মতাতো নোযোৱাৰ কাৰণ

মণিৰাম দেৱানক যুবৰাজে সোণৰ ভৃঙ্গাৰ দিবলৈ খোজা

পত্রকো চাই, অন্য কি আছে, সোণৰ ভৃঙ্গাৰ এটা আছে; যদি বোলে, তাকে দিওঁ। এইসকল কথা সুধিবলৈকেহে মাতিছোঁ॥" ২৮৪ ॥

মোক উপদেশ খোজা

পাচে মঞি কিছুমান (সময়) মৌনে থাকি পৰে কলোঁ।— "দেৱতা, মোতনো ইসকল কথা কিয় সোধে ? বৰ, বৰ, লোক, দেৱবৰ সদৰামীন, মহেশচন্দ্র বৰুৱা ডিপুটী কালেক্টৰ ও বলোৰাম ফোকন আছে। এইসকলত সোধক।" তাতে যুবৰাজ কলে —"সেই সকলত মঞি সোধো, সুধিম ; নোসোধো নাই আপুনি কি কয়, কওক॥" ২৮৫ ॥

বিশেষ প্রত্যুত্তৰ দি যুবৰাজক নিষেধ কৰা

তদুত্তৰে মঞি কলোঁ,— দেৱতা পূর্ব্বে উজনি খণ্ড পুৰন্দৰ সিংহ ৫০,০০০ পঞ্চাশ হাজাৰ টাকাত লাল-বন্দী পোৱাত্তে এই মণিৰাম কালেক্টৰি চেৰস্তাদাৰ ও কাশীনাথ তামুলী ফুকন দেৱানীৰ, ও লঠৌ ফৌজাদাৰীৰ চেৰস্তাদাৰ থাকাতে ৰাজাৰ বদনাম হৈ লাল-বন্দী গুছিল। এতিয়াও যদি মোক সুধিছে মণিৰামৰ কথা শুনিব লগা নাই ; বৰং তেওঁক ইয়াৰ পৰা বিদায় দিয়ক। তেওঁ ইয়াত থাকিলে মঞি দেৱতাৰ ঘৰে নাহোঁ কিয়নো, কমিচনৰ সাহেবে মোত সুধিছিল,—মণিৰাম, মলুক কন্দর্পেশ্বৰ ৰাজাক, লাল-বন্দী কৰি দিবৰ কাৰণ আহিছে ?— ক'ত আছে ?—মঞি কলোঁ, যুবৰাজৰ দেৰীঘৰত আছে। তাতে সাহেব কলে,—যুবৰাজ চামিল হলনে ?—মঞি কলোঁ,— সাহেব, কি চামিল হব! ৪৬০৲ টাকা পেন্‌চীন্ পাই খায় নোজোৰে ; তিনি চাৰি হাজাৰ টাকাৰ ধাৰ, মঞি জানোঁ মণিৰাম, ক'তো থাকিবৰ ঠাই নাপাই, দেৰীঘৰ উদং দেখি ধৰি, তাতে আছে। অন্য কথা নাই। এই কথা সাহেবত কৈ আহিছোঁ। এতেকে মণিৰাম ইয়াত থাকিব নালাগে, বিদায় নিয়ক। আৰু তেওঁ থকা দেখি মঞি অহা নাই। তেওঁ গলেহে আহিম।" এই বুলি যুবৰাজক বিদায় হৈ আহিলোঁ॥ ২৮৬॥

তদপৰ দুই কি তিনদিনৰ মূৰত শুনিলোঁ, মণিৰাম যুবৰাজৰ ঘৰপৰা গৈ চন্দ্রসেনৰ ঘৰত, মোৰ পাচ ফালে আছেগৈ। এই কথা শুনি মঞি কাছাৰী অন্তে যুবৰাজৰ পাশ গলোঁ। মাক দেখিয়ে যুবৰাজে হাঁহি হাঁহি কলে,—"মণিৰামে মোক খং কৰি চন্দ্রসেন সদৰামীনৰ ঘৰলৈ গ'ল।" মঞি বহি, দেৱতাত কলোঁ,—গ'ল, ভাল হল; সেহেতু মঞি আহিছোঁ। দেৱতা, তেওঁৰ কথা নুশুনিব। পৰে দেখিব। কি হয় শুনিব, দেখিব। এই বুলি অনন্য কথা কৈ আহিলোঁ ॥ ২৮৭ ॥

মণিৰাম যুবৰাজৰ ঘৰৰ পৰা যোৱা

মণিৰাম এইবেলি কলিকাতায় গ'ল। তাতে একমাহ মান থাকি যুবৰাজলৈ, নানাৰকম চিঠি লিখে যে, "চন্দ্রকান্ত ৰাজাই মোৰ অনা কৰিছিল, এতিয়া মঞি চৈধ অনা কৰিছোঁ। সেই খনিও পুৰ হব, অথচ কন্দর্পেশ্বৰ ৰাজাই মলুক পাব।" এমত চিঠি পাই ৰবিচন্দ্র বৰুৱা সহিত (ঘনকান্ত যুবৰাজে) অসন্তোষ কৰে যে, মোৰ বুদ্ধিতেহে মণিৰামক খৰচাদি নিদিয়াত, তেওঁৰ সুক গুচিল। মঞি সান্ত্বনা কৰি কওঁ হয়, নামানে। তদপৰ কিছুদিন পৰে এনে খবৰ হ'ল,—কন্দর্পশ্বৰে উজনি খণ্ড লাল-বন্দী পালে। আহিব লাগিছে। এই কথাত যুবৰাজৰ বেজাৰৰ পাই নাই। মঞি কলোঁ, যদি কন্দর্পেশ্বৰ উজনি খণ্ড পাই, মঞি কমিচনৰ সাহেবৰ দ্বাৰা এক খণ্ড দিয়াম। এনে কৈছিলোঁ ॥ ২৮৮ ॥

মণিৰাম কলিকাতা যোৱা

১৬। বংশত জন্ম-মৃত্যু। মণিৰাম দেৱানৰ কথা।

খেল বিভাগ—মৰঙ্গীয়াল ভকতৰ পৰলোক।

১৭৭৭ শক, ১২৬২ সন, ১৮৫৫।৫৬ ইংৰেজী।

শ্রীশ্রীজিন্‌কিঞ্চন কমিচনৰ ও মিথি সাহেব জুডিচীল কমিচনৰ ও বৌলট্ সাহেব ডিপুটী কমিচনৰ। মঞি চেৰস্তাদাৰ ॥ ২৮৯ ॥

পৰগণা বন্দবস্ত

এওঁ ৰৌলট্ ডিপুটী কমিচনৰ বা কালেক্টৰ, গত সনৰ নিৰিখ মতে, পৰগণাসকল ৩।৫।১০ সনা ম্যাদে বন্দবস্ত কৰিলে। ও দেৱোত্তৰ ও ব্ৰহ্মোত্তৰ ধৰ্ম্মোত্তৰ পৃথক পৃথক নম্বৰে বন্দবস্ত কৰিলে ॥ ২৯০ ॥

জয়ন্তীৰ জন্ম

আৰু এই সনৰ শ্ৰাবণ মাহৰ ১০ দিন যোৱাতে শ্ৰীজয়ন্তী জন্ম হয়। এই সনে গোপীকান্ত বৰুৱা ৰূদ্ৰেশ্বৰে থাকাতে, তৎপুত্ৰ কালীকান্ত কাজিয়া কৰাতে তেওঁৰ স্ত্ৰী শ্ৰীতিলমতীক

গোপীকান্তৰ উইল

১৬ কাৰ্ত্তিক হেৰানামা অথচ উইল কৰি দ্ৰব্যজাত ৰূদ্ৰেশ্বৰৰ জঙ্গলাবাদী ২৫ পুৰা মাটি লিখি দিয়ে। মঞি ও ৰত্নেশ্বৰ শৰ্ম্মা প্ৰভিতিক সাক্ষী লিখে ॥ ২৯১ ॥

লক্ষ্মীকান্তৰ মাক মৰা ও কৰ্ম্ম

ঐ সনৰ কাৰ্ত্তিক মাহে পুৰ্ণিমা তিথিত লক্ষ্মীকান্তৰ মাক ত হয়, অথচ ডালিমী মৃত হয়। ৺কৰ্ম্মৰ দিনা সদৰামীনে দক্ষিণা দিছিল। যি পইচা দিছিল, ব্ৰাহ্মণক দক্ষিণা দিয়াত ঢুকাল; আৰু পইচা লক্ষ্মীকান্তৰ হাতত নাই বুলি কলে। তাতে সদৰামীনে মোত সুধিলে—"বপা, কি হব?" তাতে মঞি কলোঁ, "লক্ষ্মীকান্ত এতিয়া ব্ৰহ্মশাপত পৰিবনে?" এই বুলি তেতিয়াই গৌৰীকান্তক দাউৰাই পঠাই দিলোঁ যে, উত্তৰ গোহাটীৰ শয্যা তৈয়াৰী বাবদ ৫০৲ টকাৰ মাঞীক কৈ একতোড়া লৈ আহা। তেওঁ লৰি গৈ একতোড়া পইচা দিয়াতে মঞি সদৰামীনৰ হাতত পইচা, তোড়া সহিত দিলোঁ। ৫০৲ টকাৰ বুলি কলোঁ। তেতিয়াই খুলি ব্ৰাহ্মণক দক্ষিণা দিলে। মঞি আগতে আছিলোঁ। প্ৰত্যেকক ৵০ অনাৰ কম নহয়। পাচে, অৱশেষ ২০৲ কি ৩০৲ টকা মানৰ পইচা ৰৈছিল। মোক দিয়াত মঞি নাৰাখি কলোঁ, "খুৰীৰ কৰ্ম্মৰ জন্যে আগবাঢ়ি আহিছে, মোক নালাগে, লক্ষ্মীকান্তই নিয়ক," বুলি কোৱাতে তেওঁৰে হাততে দিলে ॥ ২৯২ ॥

লক্ষ্মীকান্তৰ মাক মৰা ও কৰ্ম্ম

তদপৰ ভোজৰ দিনা, সকল গ্যাতি জমা হোৱাতে ঈশাই,

দুর্ব্বাসা একত্রে ভোজ খাবলৈ সদৰামীনে নিষেধ কৰি কলে, "সিহঁতৰ গুৰুঘৰৰ দায় লাগিছে, আমাৰ সহিত খাব নোৱাৰে।" তাতে মঞ্চি কলোঁ, "কিনো দায়? সিহঁত কাটনিপাৰৰ শিষ্য আছিল। শৰণ হোৱা নাই, এইমাত্রহে।" তাতে সদৰামীনে কলে, "গুৰুঘৰৰ দায় হলে, সকলোৰে দায়।" তাতে মঞ্চি কলোঁ, "গুৰুঘৰৰ দায় হলেও কি দায়, বিবেচনা কৰিব লাগে; বিশেষ কাটনিপাৰৰ মহন্তে আমাৰ প্রতি হুকুমজাৰি কৰাৰ একো এক্তিয়াৰ নাই! দায়, বুলিলেও, কি দায়, এহাৰ বিবেচনা কৰা কর্ত্তব্য। যোগেশ্বৰ সৰু জনা গোস্বামী, মঞ্চি মন্ত্র নোলোৱা হেতু, মোৰ ৰৰঘৈণীক বান্ধনী পতাত, ৰমাকান্ত ও ৰতিকান্ত ও গোপীকান্ত জেষ্টক হাক দিয়াতে তেওঁলোকে নাখাই উঠি গ'ল। তথাপি আপনালোকে ভোজ খোৱাতে বান্ধনী পাতি, কর্ম্ম সম্পাদন কৰা হ'ল! এতিয়ানো ইহঁতৰ গাত কি দায়? তথাপি যদি আপুনি দায় হেন দেখিছে, সিধা দিয়ক, পৃথকে খাওক।" ॥ ২৯৩ ॥

ঈশাই ও দুর্ব্বাসা আলগ হোৱা

সদৰামীনে কলে, "এক কঠা চাউলকো ঈশাই ও দুর্ব্বাসা পাব নোৱাৰে।" এনে কোৱাতে খং উঠি, ঈশৰাম ও মোহন প্রতি চাই কলোঁ, "ঈশাই ও দুর্ব্বাসা, এনেহে দায় কৰিলে, চাউল এক কঠাও পাব নাপায়?" এইবুলি তেতিয়াই "আমিও তোমালোকৰ সহিত নাখাওঁ," বুলি উঠি আহি, আমাৰ ঘৰত বহি, ২৪ কাত্তিক, একখন এক্ৰাৰ, ঈশৰাম ও মোহন ও দুর্ব্বাসা, ক'লীয়া কানাই সহিত মঞ্চি মুৰব্বী হলোঁ। তদবধি পৃথকমতে খাই প্রবর্ত্তি আছিলোঁ কিন্তু মহীধৰৰ প্রতি পূর্ব্বোক্ত দোষাৰোপণৰ ঈর্ষা আছিল। তেওঁলোকৰ চামিল হলেহে ভোজ খাব বুলি কোৱাতে, মঞ্চি চামিল হৈছোঁ বুলি কবৰ অনুমতি দিয়াতে তদ্রূপ কৈ, সকলোৰে মাজত বহি ভোজ খালে। তদপৰ আমালোকৰ চামিল হ'ল। এই কৌশলে মহীধৰক মাজতে

বহোৱাই ভোজ খোৱালোঁ ও মঞি মুৰব্বী হৈ প্রবর্ত্তন কৰি আছিলোঁ ॥ ২৯৪ ॥

তদপৰ মণিৰাম কলিকাতাৰ পৰা আহি, কতোদিন একজন কাঞা সহিত ভৰল্‌মুখত থকাত, এনে খবৰ হ'ল, লালবন্দীৰ হুকুম লৈ আহি উজনি যাই হুকুম জাৰি কৰিব। যুবৰাজৰ অসন্তোষৰ ঠাই নাই! একদিন কমিচনৰ সাহেবত সোধাত, মণিৰামৰ ফাকি বুলি মোত কলে। যুবৰাজত কোৱাতো মান্তি নহয়। মণিৰাম ভৰল্‌মুখৰ পৰা আহি, পুনঃ চন্দ্রসেনৰ ঘৰতে আছিল। তালৈকে, গর্গৰাম সদৰামীন ও দেৱৰৰ (ৰৰদলৈ) প্রধান সদৰামীন গৈছিল। মঞি নগলোঁ। তাৰেপৰা মণিৰাম কাঞা সহিত উজানে গ'ল ॥ ২৯৫ ॥

মণিৰাম কলিকাতাৰ পৰা আহা ও উজনি যোৱা

মৰঙ্গীয়াল ভকত আমাৰ বৰ হিতৈষী লোক আছিল। বুদ্ধি ও যুক্তিতে বৰ নিপুণ। তেওঁ উদাসিন। ইতঃপূর্ব্বে ভকতৰ সঙ্গ লবৰ ইচ্ছা হৈ, যাবৰ কাৰণ মোত কৈছিল; তাতে মঞি বৰ দুঃখিত হলোঁ। তদপৰ কলে, "মঞি মৰিলে, কর্ম্মকাণ্ডৰ কথা নকওঁ, কিন্তু নিবৰ ও অগ্নিকর্ম্মৰ লোক নাই; সেহেতু মোৰ কুলীয়া দুই তিনৰ সঙ্গতি কৰিন পাৰিলে ভাল; সেহেতু মঞি উদাসিন দুইতিনিজনমান ভকতক ৰাখি গোসাঞী ঘৰৰ নাম-প্রসঙ্গ কৰি থকাকৈ ৰাখিবৰ মন কৰিছিলোঁ। কিন্তু (ইচ্ছা) কৃত কর্ম্ম কোনো মতে সিদ্ধি কৰিব নোৱাৰিলোঁ।" পাচে, একদিন এই কথা লখীৰাম লেখাকৃত কোৱাতে তেঞো স্বীকাৰ কৰিলে যে, "দেৱতা একো সংশয় নকৰিবা, কলিতা ভকতৰ অন্তিমকাল হলে, মঞি পুত্র সহিত নিম ও সংস্কাৰাদি কর্ম্ম কৰিম।" এহাতে মঞি বৰ সন্তোষ হলোঁ এবং ভকতেও ভাল বুলিলে ॥ ২৯৬ ॥

মৰঙ্গীয়াল ভকতৰ প্রসঙ্গ

তদপৰ, মৰঙ্গীয়াল ভকত, ওৰফে গোপীনাথৰ গ্রহণী বেমাৰ হৈ অতিসাৰ মত হল। নানা ঔষধ খোৱাতে ভাল নহল।

অগ্রায়ণ মাসে হৰি স্মৰণ পূৰ্ব্বক মৃত্যু হ'ল। আমি অত্যন্ত শোকাকুল হলোঁ এবং লখীৰাম লেখাৰু, তৎপুত্ৰ শ্রীপূর্ণা, পূৰ্ব্বেই উপস্থিত হৈ নিলে। মঞো সঙ্গে গৈ ব্রহ্মপুত্রৰ কিনাৰে অগ্নিকর্ম্ম আগত থাকি কৰালোঁ। এবং মাসান্তে লখীৰাম লেখাৰুৰ দ্বাৰা সংক্ষেপ মতে অষ্টাদশ দান সহিতে কর্ম্ম কৰালোঁ। ও তেওঁ চকত যোৱাতে, আমাৰ মাতৃ, ৰৰঘৈণী প্রভিতি শোকাবিষ্ট হৈছিল। তেওঁ বিহীন হোৱাতে আমাৰ ঘৰৰ খেতি-পথাৰ শাক তৰকাৰী আদিৰ বীজ গ'ল ॥ ২৯৭ ॥ মৰঙ্গীয়াল ভকতৰ পৰলোক গমন

মণিৰাম উজনি পোৱাতে অনেক বৰুৱা ফোকন উপাসক হৈ, আম কঠাল আদি অনেক প্রাপ্ত হল। তদপৰ শুনা গল কন্দর্পেশ্বৰ ৰাজা সহিত গোহাটীত লাল-বন্দীৰ হুকুম জাৰি কৰিব। তদপৰ কন্দর্পেশ্বৰ ৰাজা সহিত আহি, কাঞাপটি ঘাটত নাৱতে কেইদিনমান থাকি যুবৰাজ পাশ আহি গ'ল। তদপৰ কমিচনৰ সাহেবেৰ কুকুৰমুতা বাগিচাত আছিল। কমিচনৰ সাহেবেৰ অনুমতি লৈ কন্দর্পেশ্বৰ ৰাজা সহিত দেখা হৱাতে, "দুইতিন দিনতে মণিৰাম দেৱান কলিকাতায় যাব, লাল-বন্দীৰ হুকুম লৈ আহিব। মঞো উজাই যাম," বুলি কলে। তদপৰ মণিৰাম কলিকাতা ও কন্দর্পেশ্বৰ উজানে ৰুদ্রনাথ গগৈ, উমা চৌধাৰী সহিত গ'ল ॥ ২৯৮ ॥ মণিৰাম কলিকাতা যোৱা

কন্দর্পেশ্বৰ উজানে যোৱা

উমাদত্ত দলৈৰ কথা

মাধৰ দেৱালয়ে উমাদত্ত দলৈ কয়েক বৎসৰ খাজানাদি সকল কর্ম্মৰ আঞ্জাম দি আছিল। কয়েক ৰৰদেউৰীলোকে মাধৰৰ টাকা মৎসৰিফ্ হোৱা বাবত, নিকাচেৰ প্রার্থিত হোৱাতে, বৌলট্ সাহেব, নাম ৰৰভাগ পৰগণাৰ গৌৰীনাথ চৌধাৰী ও উত্তৰ সকৰবংশৰ পৰগণাৰ গৌৰীকান্তকে নিকাচ্ কৰাৰ কাৰণ, পঞ্চায়ত মকৰৰ কৰিলে। তাহাতে উমাদত্ত দলৈ ভয় খাই

উমাদত্ত দলৈ পৰ নিকাচৰ মোকৰ্দ্দমা

"গৌৰীকান্তকে সেৱা চলোৱা কৰ্ম্ম ও খাজানাৰ ভাৰ লিখাপড় কৰি এৰি দিওঁ। মঞ্জি কেৱল দলৈ কৰ্ম্মত থাকো।" এইবুলি বাৰ বাৰ, মোত কয়। মঞ্জি সিহঁতৰ কথা বিশ্বাস নকৰাত জয়শঙ্কৰ গুহ মোক্তাৰৰ দ্বাৰাও মোত কোৱাইছিল। তাতে মঞ্জি কৈছিলো, "সিহঁতৰ কথাত একো বিশ্বাস নাই, এতেকে সিহঁতৰ কথা মোত নকবা।" এইমত উত্তৰ দিওঁ ॥ ২৯৯ ॥

তদপৰ একদিন জয়শঙ্কৰ গুহ মোক্তাৰ সহিত উমাদত্ত দলৈ মোৰ ঘৰে আহি, পুনঃ মোত কোৱাতে, মঞ্জি সাহেবত সোধে বুলি, সেইদিন উত্তৰপাৰৰ ঘৰপৰা বিদায় দিলো। তদপৰ

বৌলট্ সাহেবত সোধা

বৌলট্ সাহেবত মঞ্জি সোধাতে, দলৈয়ে লিখাপড়া কৰি দিলে হব পাৰে, বুলি কলে ॥ ৩০০ ॥

অতঃপৰ মঞ্জি বৌলট্ সাহেব সহিত কমলপুৰ প্রভিঙ্গি মফস্বল যাবৰ জন্যে প্রাতসে উদ্যম কৰিছোঁ, এনেতে উমাদত্ত দলৈ জয়শঙ্কৰ গুহ সহিত উপস্থিত হৈ, পুনঃ সেইকথাকে কলে। তাতে মঞ্জি কলো, "আজি সাহেব সহিত মঞ্জি যাই কমলপুৰত থাকিম। তাৰপৰ ক্রমে থানা-বথনা ফুৰিম। যদি তোমাৰ নিতান্তই ইচ্ছা হৈছে, তবে তোমি সাহেবত কৈ কমলপুৰে যাবা। তাতে লিখাপড়া কৰি দিবা।" এই কৈ বিদায় দিলে এবং ক্রমে খাই বৈ ওলালোঁ। সাহেবলৈ অপেক্ষা কৰি আছোঁ। ইতিমধ্যে সাহেব আহি উপস্থিত হোৱাতে হাতীত উঠি সাহেব সহিত লগলাগি গলো ॥ ৩০১ ॥

তৃতীয় অধ্যায়

(শক ১৭৭৮—৭৯)

চিপাহী-বিদ্রোহাদি বিবরণ

ক—১৭৭৮ শক। ১২৬৩ সন। ১৮৫৬-৫৭ ইং

রাণী পদ্মবেখা ও কমিচনরর মেমর সংবাদ

জিন্‌কিঞ্চন্ কমিচনর, ও মিথিসাহেব কর্ণেল হোরাতে ৎকর্ম্মে বিচ্ জুডিচীল কমিচনর হ'ল। ও বৌলট্ সাহেব উপুটী কমিচনর ও কলেক্টর। মঞ্চি চেরস্তাদারী কর্ম্মতে াছিলোঁ ॥ ৩০২ ॥

এওঁ বৌলট্ সাহেব গত সনর নিবিখ ও ১৪।০ আনা ণতকরা কমিচন দি, ম্যাদগতে পরগণাসকল ৩।৫।১০ সনা ম্যাদে ন্দবস্ত করিলে ॥ ৩০৩ ॥

ঘনকান্ত যুবরাজ, কন্দর্পেশ্বর রাজা উজানখণ্ড লাল-বন্দী নিশ্চয় পার, এই প্রতীতি তেওঁর হৈ, সর্ব্বদা বেজারতে থাকে। এবং তেওঁর রাণী পদ্মবেখাও বেজার করে, "আমারহে একো হল।" তাতে মঞ্চি যুবরাজত কলোঁ, "দেরতা বেজার করিব, পূর্ব্বেও মঞ্চি কৈছোঁ ও এতিয়াও কওঁ, মঞ্চি— কমিচনর সাহেবের দ্বারা এক খণ্ড আপুনাক দিয়াম। কিন্তু কমিচনর সাহেবের মেম সহিত রাণীয়ে অপ্যায়িত করোক। যি কর লাগে মঞ্চি দুইজনাতে কম। কেরল রাণীয়ে মেমসাহেব সহিত—দেখা-সাক্ষাত করি অপ্যায়িত করোক।" যুবরাজে কলে, "মেমে দেখা-সাক্ষাত নকরে, মঞ্চি এত্যালা করাইছিলোঁ।" মঞ্চি দেখা-সাক্ষাত করাই দিম বুলি স্বীকার করি, বিদায় হৈ াহিলোঁ ॥ ৩০৪ ॥

কমিচনর সাহেবের মেম সহিত পদ্মবেখা রাণী দেখা করা যুক্তি

কমিচনৰ সাহেৱ ও তেওঁৰ মেম পাশ মঞ্জি প্ৰায় সৰ্ব্বদ কাছাৰী অন্তে বা কাছাৰী বন্দত যাওঁ। মেমসাহেৱ বাঁহৰ শলিৰ পৰ্দ্দাৰ ভিতৰত থাকি, হনুমান আদি চাকৰৰ দ্বাৰা, ফুলৰ মালা ও আতৰ গাত দিয়াই বৰ খুচি পায়। আৰু দুই তিন দিন অন্তৰে বাগিচাৰ শাক-তৰকাৰি নানা, ও জিকা ও কাকিৰ ও মধুৰিআম আদিৰ দুইখন ভাৰ কৰি মোৰ পাশ পঠাই দিয়ে। মঞ্জি সেই সকল দ্ৰব্য ঘনকান্ত সিংহ যুবৰাজ আমাৰ ঘৰে পঠাই দিওঁ। ও ইষ্ট মিত্ৰ সকলক দি আপুনিও ভোজন কৰো। ও মঞো মধ্যে মধ্যে মিছিৰী ও ওলা পি পঠাওঁ। অথবা কোন সময় নিজে যাই দিওঁ; বৰ খুচি পা আৰু আম আদিৰ আচাৰো দিয়ে। মঞ্জি কওঁ—"আপোনা লোকৰ তৈয়াৰী আচাৰ কেনেকৈ খাম?" মেমসাহেৱ কয় "আমিতো তাক স্পৰ্শ নকৰোঁ। শূদ্ৰলোকে তৈয়াৰ কৰে আৰু ৰৌদ্ৰত দিয়ে, তাত কি দোষ আছে।" মঞ্জি কওঁ "ভাল খাম।" এইবুলি লওঁ কিন্তু নিজে গ্ৰহণ কৰা নাছিলোঁ লোকজনক দিওঁ। মেমে এনেহে স্নেহ কৰিছিল যে 'মো বেটা' বুলিহে কথা কৈছিল। ও কোন কোন সময় মাটি-বাৰী কাজিয়া লাগিলেও মাতি নি কয়। সেইসকলৰ জেঙ্গা মাৰি দিওঁ॥ ৩০৫॥

কমিচনৰ সাহেৱেৰ মেম দ্ৰব্য দিয়া

একদিন মঞ্জি মেমসাহেৱেৰ পাশ যাই কলোঁ যে, "ঘনকা যুবৰাজৰ ৰাণীয়ে আপোনাৰ সহিত সাক্ষাত হবৰ, মো আগত কৈছে। তেওঁৰ সহিত সাক্ষাত হব লাগে।" তে কলে, "মঞ্জি কেতিয়াও সাক্ষাত নহওঁ; কিয়নো ইতঃপূৰ্ব পৰ্ব্বতীয়া কুঞৰী সহিতে মঞ্জি অপ্যায়িত কৰাতে, মো বদনাম হৈছিল।" তাতে মঞ্জি (কলো), "সেই পৰ্ব্বতী কুঞৰী গত হোৱাত, সেই দিন নথকাত, কি বদনাম হব মঞ্জি আছোঁ। আৰু মোক আপুনি বৰ অনুগ্ৰহ ও মৰ

পদ্মৱেখা ৰাণী সহিত বৰ সাহেৱেৰ মেম দেখা-হবৰকোৱা

ৰ, সকলোৱে জানে। ৰাণীয়েও জানি, মোক ধৰাতে মঞ্চি
াতে স্বীকাৰ কৰিলোঁ যে মঞ্চি সাক্ষাত কৰাই দিম।
তিয়া যদি আপুনি ৰাণী সহিত সাক্ষাত নকৰে, মঞ্চি
ককালে মিছাত পৰিলোঁ। আগলৈ কোনে মোক বিশ্বাস
ৰিব? আগলৈকো মানুহ গুচিলোঁ!" পাচে কিছোমান
বি উত্তৰ দিলে, "কিয়নো আহিব খোজে?" মঞ্চি কলোঁ,
স্প্রতি একো কথা নাই, কেৱল দেখা-সাক্ষাত, চিনাপৰিচয়
ত্র। ৰৱলোকৰ স্ত্রীসকলে ৰৱলোকৰ স্ত্রীৰ সহিত দেখা-
ক্ষাত হয়।" তাতে মেমসাহেৱ কলে, "মঞ্চি সাহেৱত
াকোৱাকৈ দেখা দিব পাৰোঁ। কিন্তু সাহেৱ মোৰ মুৰব্বী,
ক আষাৰ সোধো।" তাতে মঞ্চি কলোঁ, "সুধি সাক্ষাত হয়,
ধৰা নুসুধি হয়, অবশ্য হবই লাগিব।" এইবুলি বিদায় হৈ
াহিলোঁ॥ ৩০৬॥

তাৰপৰ দুই কি তিনদিন পৰে, মেমসাহেৱক এত্যালা
য়াই সাক্ষাত হৈ সোধাত কলে "ৰাণী মোৰ সহিত সাক্ষাত
ৰ কথা সাহেৱত সোধাত, সাক্ষাত হব দিছে; এতেকে
াহিব।" মঞ্চি কলোঁ, "কোনদিনা, কোন সময় আহিব?"
মমসাহেৱ) কলে "কালিলৈ ৯ বাজা সময়ত আহিব।"
ঞ্চি কলোঁ "ন' বাজাত কেনেকৈ আহিব, শুই থাকে; বাৰ
া মানত আহিব পাৰিব।" তাতে স্বীকাৰ হৈ কলে
াহিব।" মঞ্চি বিদায় হৈ আহিলোঁ॥ ৩০৭॥

দেখা হবৰ মেমসাহেৱ স্বীকাৰ হোৱা

সেই সময়, মঞ্চি উত্তৰ গোহাটীৰ ঘৰৰ পৰা কাছাৰী কৰি
ছিলোঁ। কাছাৰী অন্তে মেমসাহেৱৰ পাশ যাই, অনুমতি
ও হোৱাতে, সেইপিনে, যুৱৰাজৰ ঘৰে যাই সকল বৃত্তান্ত
কালিলৈ ন' বাজাত ৰাণী যাব লাগে বুলি কোৱাতে, ৰাণী
া যাই কবৰ কথা কোৱাতে, ভিতৰ পকীঘৰে গৈ, ৰাণীত
া "কালিলৈ ৰৱসাহেৱেৰ মেম সহিত সাক্ষাত হবৰ যাব

লাগে। প্রাতসে উঠি গা-পা ধুই পাৰে যদি খাব, নো
যদি এনেই ওলাব, পৰে আহি খাব।" ৰাণীয়ে
"ন'বাজাত কেনেকৈ যাম?" মঞ্চি বোলোঁ "নহয়, স
একেৰকমে থাকিব লাগেনে? কার্য্য-কর্ম্ম সময়ে, এ
উদ্যোগ কৰিব লাগে। মঞ্চি অনেক পুৰুষার্থ কৰি এইটি
কৰিছোঁ। আপুনি মেমসাহেবত একো কব নালাগে, '
দেখা-সাক্ষাত জন্যে আহিছোঁ। আমাক প্রতি সদয় থা
লাগে।' এইমাত্র কব। আৰু একখন থালত ওলা-মি
পদ্মৱেখা ৰাণী দ্রব্য নিয়া অপৰ থালত খিচমিচ্ দ্রাক্ষা চোহোৰা লব।" তাতে কুঞ্
কলে, "আপুনি আহি মোক লৈ যাবহি।" মঞ্চি কলোঁ "
সিপাৰে যাম; আহিব পাৰো কি নোৱাৰোঁ! যদি প
আহিম।" এইবুলি বিদায় হৈ, উত্তৰ পাৰে আহি
গধূলি হ'ল ॥ ৩০৮ ॥

মোৰ মতলব এই,—মেমসাহেবেৰ সহিত কোঞ
ঘনকান্ত যুবৰাজৰ ও ৰাণীৰ হিত কৰা অপ্যায়িত কৰি দিওঁ। এবং মঞ্চি কমিচনৰ সাহেবত
আৰু মেমৰ হতুৱা কোৱাই আসামৰ এক খণ্ড দিয়াম।
সম্পূর্ণে দিয়াবকো নোৱাৰোঁ, তথাপি লাক-পাক্ কৰি কেই
মান গাওঁ বা পৰগণাকে দিয়াম ॥ ৩০৯ ॥

তদপৰ ৰাতি মঞ্চি ভাবিলোঁ, এইটি কর্ম্ম কেবল ঘনৰ
যুবৰাজ আৰু পদ্মৱেখা ৰাণীৰ উপকাৰ জন্যে সংঘটিত কৰি
প্রাতসে গোহাটী যোৱা যুক্তি কিন্তু তেওঁলোকৰ সকল কর্ম্ম শিথিল; এতেকে ৰাণী গা
কৰি থাকিব। সময়মত উপস্থিত নহলে দেখা নহব। এই
মঞ্চি ৰৱঘৈণীত কলোঁ "শীঘ্রে ভাত ৰান্ধিবা। মঞ্চি
ৰাজাতে যুবৰাজৰ ঘৰে ও ৰাণীৰ পাশ যাব যাম।" ৰ
সকল কলোঁ; আনন্দ হৈ থাকিল ॥ ৩১০ ॥

প্রাতসে মঞ্চি উঠি নিয়মমত খাই-বৈ, আঠ ৰা
যুবৰাজৰ ঘৰে উপস্থিত হৈ বুজ ললোঁ যে, যুবৰাজ ঘৰ

ন কৰি আছে। লিগিৰাইঁতক কলোঁ "শীঘ্ৰে জগা, ও
ঞৰীও শয়নেতে আছে।" আমি বিৰক্ত হৈ তাগাদা
ৰাতে, উঠি শৌচ কৰিব গ'ল এবং ন'টা বাজি গ'ল। তাতে
াগাদা কৰি থাকাতে দশ বাজিবৰ সময় হ'ল। মঞ্জি নাৰায়ণ
াগিৰাত কলোঁ "তহঁতে কুঞৰীক খড়খড়িত তোলাই লৈ
াহ, মঞ্জি কাছাৰী যাওঁ। মঞ্জি হাচ্‌মত জমাদাৰত কৈছোঁ,
ণীক ভিতৰলৈ মেমসাহেবৰ পাশ সোমাই দিব॥" ৩১১॥

মঞ্জি যুব-
ৰাজাৰ ঘৰ
হৈতে
কাছাৰী
যোৱা

তদপৰ মঞ্জি বিৰক্ত হৈ কাছাৰী গলোঁ। তেতিয়া দশ বাজি
ল। মঞ্জি চেৰস্তাৰ কাগজপত্ৰ চাই কৰ্ম্ম কৰিছোঁ, এনেতে
ীলট্ সাহেব উপস্থিত হৰাতে কালেক্টৰিৰ এজলাচ কৰিছোঁ।
নুমান ১১টা বাজিছে, নাৰায়ণ লিগিৰা যাই পাৰ্শে খাড়া হৈ
লে, "কুঞৰী আহিছে, কিন্তু আপুনি নগলে সাক্ষাত নহব।"
ঞি ভাবিলোঁ, কি হব! আজি কালেক্টৰি এজলাচ! নগলেও,
মসাহেব আৰু যুৱৰাজৰ মনকষ্টত পৰিম! এতেকে নগলে
য়। এই ভাবি সাহেবত কলোঁ, "মোৰ উদৰ মন্দ হৈছে,
হ যাব লাগে। জনার্দ্দন মহৰীয়ে কাগজ শুনাওক, মঞ্জি
হাৰ পৰা আহোঁ।" এইবুলি গৈ মেম সাহেবেৰ তাত
ামালোঁ। তেওঁ চকী পাৰি, অলঙ্কাৰাদি পৰিধান কৰি বহি
াছে। কুঞৰী অহা নাই! নাৰায়ণত কলোঁ, "কুঞৰী
াহিছে বুলি কলি, কত আহিছে! দাউৰি যা, লৈ আহ।"
ক দাউৰিয়াই পঠালোঁ। তদপৰ, (মেম সাহেব) কলে যে
ঞি ১০॥ বাজাৰ পৰ বাটচাই আছোঁ। এতিয়া ১১টা বাজি
ল, বাৰ বাজে! মঞ্জি কাৰবাৰ চাকৰাণী নেকি, আহিব
াহিব বুলি বাট চাই থাকিম?" মঞ্জি কলোঁ "আপুনি বৰ
হেবৰ বাণী আৰু পদ্মৰেখা বাণীও বাণী! বাজ-বাজৰানেৰ
াই বেলেগ। সিবিলাক, খাওঁতে-বঞোতে দিন যায়। অভ্যাস
ৰিব? কদাপি নেৰে! যদি আপুনি খং কৰি দেখা নিদিয়ে,

কমিচনৰ
মেম বাট
চাই থাকা

পদ্মবেখা ৰাণী ৰৰ সাহেবেৰ মেম পাশ যোৱা

তবে মঞি আপোনাৰ আৰু যুবৰাজ, তেওঁৰ ৰাণীৰ, খঙত পৰিম এতেকে মোক প্ৰতি অনুগ্ৰহ ৰাখি কিছো অপেক্ষা কৰোক মঞি চাওঁগৈ আহিছেনে নাই।" এইবুলি ৰাজবাটলৈ বেগ আহি দেখিলোঁ, সদৰামীনৰ ঘৰৰ আলিৰ পৰা পশ্চিম মু খড়খড়ি দ্ৰুত বেগে আহিছে। ওচৰ চপাতে মঞি মেমসাহেব কলোঁ "আহিছে, আপুনি ভালকৈ বৈঠক কৰোক" ॥ ৩১২ ॥

কমিচনৰ সাহেবেৰ মেম সহিত ৰাণীৰ সাক্ষাত

ইতিমধ্যে খড়খড়ি ও লিগিৰী-লিগিৰাহঁত সহিতে ৰা উপস্থিত হৱাতে, মঞি খড়খড়িৰ পৰা নমাই বাঙ্গালাত তোলিনি পশ্চিম ফালে কোঠাৰ পৰ্দ্দা দাঙ্গি কোঞৰী ও নাগিনী আইটী ভিতৰ সোমাই দিলোঁ। ও সোণৰে বন্ধোৱা হোকা ভিতৰ নিবৰ ধৰিছিল। মঞি হাকদি ফিৰাই আনিলোঁ। এ কমিচনৰ সাহেব কাছাৰীত গৈছিল। লা-লিগিৰী ও লিগিৰাহঁ ইপিনে-সিপিনে বাঙ্গালাৰ বস্তুবাৰী চাই পিত্‌পিত্ কৰি ফু ধৰিলে। মোৰ ভয় লাগিল, কিবা ইহঁতে চোৰ কৰিব; পা এটা বদনাম হব! এইবুলি, হাচ্‌মত জমাদাৰ ও চাপৰাি হঁতক নজৰ দিবৰ কলোঁ। আৰো মঞি নিজে দৃষ্টি ক আছিলোঁ ॥ ৩১৩ ॥

ৰাণী দেখাহৈ অহা

তদপৰ কিয়ৎক্ষণপৰ, ৰাণী মেমসাহেব সহিতে দেখা-সাক্ষ হৈ বাহিৰ হৈ অহাতে খড়খড়িত তোলি লা-লিগিৰী সহি পঠাই দিলোঁ। মঞো কাছাৰীত গৈ, অন্তে, কাছাৰী বৰখা কৰি যুবৰাজ পাশ যাই সকলো কলোঁ! বৰ সন্তোষ হ ও ৰাণীৰ পাশ যাই, যেঙ্গেকৈ প্ৰীতি ৰব, তাকে বুজাই কৈ উ গোহাটী ঘৰে আহিলোঁ ॥ ৩১৪ ॥

কদ্ৰনাথ গগৈ ও উমা চৌধাৰী মোৰ চিঠি মতগোহাটী অহা

কন্দৰ্পেশ্বৰ ৰাজা উজনি যোৰহাটতে আছিল। ও তে সঙ্গে মাধবৰাম ৰাজখোৱাৰ পুতেক কদ্ৰনাথ গগৈ, উমা চৌধ গৈছিল। ইতিমধ্যে কদ্ৰনাথ গগৈৰ বুঢ়ী মাক মৃত হোৱ সিহঁতৰ ঘৰৰ কোৱামতে, কদ্ৰনাথ গগৈ শীঘ্ৰে আহি

লিখাতে গোহাটী আহিল। সেই লগতে উমা চৌধাৰীও আহিল ॥ ৩১৫ ॥

(২) চিপাহী বিদ্রোহত মণিৰাম আদি।

মণিৰাম কলিকাতাত কিছোদিন আছিল। এনেতে, চিপাহী সকল চাম্বা টোটা দাঁতেৰে কাটিবৰ, তৈয়াৰ কৰি দিয়াতে, সকলোৱে 'জাত ধ্বংস কৰিমনে' এইবুলি ইংৰেজ ঘৰৰ কাম এৰি, থানে থানে চিঠি লিখি দলাদলি হ'ল। এনেতে সৌৰাষ্ট্র-দেশৰ নানাসাহেব নামক একজন বিদ্রোহী হৈ, ঐ সকল চিপাহীসকলৰ সহিত একগাথা হৈ, জেলায় জেলায়, হঠাতে সাহেব লোকক যেই য'তে পাই, মাৰিব ধৰিলে। এবং খাজানা-খানা লুট কৰিব ধৰিলে। ইতিমধ্যে মণিৰাম ভাঠীৰ কোন ৰাজা জমিদাৰৰ নামে, আৰু উজানৰ—কন্দর্পেশ্বৰ ৰাজাৰ নামে চিঠি লিখিছিল। সেই চিঠি ধৰা পৰাতে মণিৰামক ধৰি কলিকাতায় কয়েদ কৰিলে ॥ ৩১৬ ॥

চিপাহী বিগৰা

মণিৰাম কয়েদ

সেই সময় সকলখানে বিদ্রোহ হৈ তোলপাৰ লাগিল। উজানে হালিডে সাহেব ডিপুটী কমিচনৰ ও হৰনাথ পর্ব্বতীয়া বৰুৱা দাৰোগা হৈ কন্দর্পেশ্বৰ ৰাজা ও মৰঙ্গখোৱা গোহাঞী, ৰাম বেজবৰুৱাৰ পুতেক পিয়ালি শর্ম্মাক ধৰি কয়েদ পূর্ব্বক, কন্দর্পেশ্বৰ ৰাজাৰ ঘৰ ক্রোক কৰি সর্ব্বস্ব সৰকাৰ ঘৰে নি, কন্দর্পেশ্বৰ ৰাজা প্রভিতিক, কলিকাতায় জাহাজ দ্বাৰা পঠালে। আৰু সেই সময় মাজেষ্টৰ সাহেবসকলক বিদ্রোহী লোকক ফাঁচী দিবৰ আইন জাৰি কৰিলে। এগ্লৌ সাহেব গোৱাল-পাৰাত মেজেষ্টৰ হৈ দুই-তিনিজন লোকক ফাঁচী দিয়া শুনা গৈছিল ॥ ৩১৭ ॥

বিদ্রোহত কন্দর্পেশ্বৰ ৰাজা প্রভিতিক কয়েদ কৰি কলিকাতা পঠালে

অৱশেষে শিবপুৰ জেলাৰ দূতীৰাম ফৌজদাৰীৰ চেৰস্তাদাৰ বিদ্রোহী ব্যাপাৰে কয়েদ হৈ কলিকাতায় চালান হ'ল। এনে

দূতীৰাম চেৰস্তাদাৰ কয়েদ ও কলিকাতায় চালান

সময়তে জিন্‌কিঞ্চন্ কমিচনৰ সাহেৰ সহিত মঞ্চি বহি থকাতে সাহেৰ মোত কলে "আজি দূতীৰাম চেৰস্তাদাৰ ভাঠী চাগান হ'ল। ই বৰ আচর্য্য, দূতীৰামো গ্রেপ্তাৰ হ'ল!" তাতে মঞ্চি কলোঁ "দূতীৰাম বৰ সম্পর্ক নহয়। ঐতিয়া ইংৰেজ ঘৰৰ ফৌজদাৰীৰ চেৰস্তাদাৰ, ৬০৲ টাকা দৰমহা পায়; তেওঁ অন্যথা কৰা বোধ নহয়।" এৰং সাহেৰ শলাগি থাকিল। কিন্তু তাৰে পৰা সকলোৰে আশঙ্কা হল। সে যাহক, সেই সময় জেলায় জেলায়, নানা গোল। যেয়ে যতে পায়, যাৰ সমন্ধি যাৰ কিছো আখেজ, বিদ্রোহী চামিল কৰি দিয়ে। ও জেলায় জেলায়

গোহাটীত সাহেৰ লোক বন্দুক লোৱা

সাহেৰলোক বন্দুক ধৰি চহৰত ৰাত্রি পহৰা দিয়ে। আমাৰ গোহাটীতো, ৰৌলট্ সাহেৰ বন্দুক লৰৰ ও নিজ শৰীৰ ৰক্ষাৰ জন্যে, সাৰধানে থকা কৈছিল। মঞ্চি বন্দুক ধৰিব নহল। কেফায়ৎউল্লা সদৰামীন ও * মুন্সী বন্দুক লৈ পহৰা দিছিল! ও ৰৌলট্ সাহেৰ ছদ্মৰেশে তামাম ৰাতি ফুৰিছিল! ও ঘনকান্ত যুৱৰাজৰ ঘৰেও গৈছিল; একো গোলমাল নাপালে॥ ৩১৮॥

তদপৰ বিদ্রোহী ব্যাপাৰসকল জেলায় জেলায় হৈ, নানা-সাহেৰ অনেক অন্যায় কৰি সাহেৰ-বিবি সকলক মাৰিলে। আৰো থানে থানে খাজানা লুট হৰ ধৰিলে। পৰে পাতিয়ালা ৰাজা ও শিখ চিপাহীৰ সাহায্যে আৰো লণ্ডনৰ পৰা গোড়া চিপাহী অহাতে, কিছো লোকক ধৰি কয়েদ ফাঁচী দিয়াতে, ও নানাসাহেৰ পলায়ন কৰাতে, কিছো দমন হল। এৰং মণিৰাম ও পিয়ালি শর্ম্মাক উজনিলৈ নি, ফাঁচী দিলে। ও মৰঙ্গখোৱা গোহাঞী ও দূতীৰাম চেৰস্তাদাৰক কালাপানী দিলে। ও

মণিৰাম ও পিয়ালিক ফাঁচী দিয়া

কন্দর্পেশ্বৰ খালাছ পোৱা

গৰৰ্ণৰ জানৰেল কেনিং বাহাদুৰ কন্দর্পেশ্বৰ ৰাজাক অলপ বয়স বুলি খালাছ দি ক্রোকি দ্রব্যসকল নিয়া ওৰাপোছ দিলে। এৰং তেওঁ খালাচ হৈ কলিকাতায় থাকিল॥ ৩১৯॥

এৰং কন্দর্পেশ্বৰ ৰাজাৰ মাক লক্ষ্মীপ্রিয়া ও ৰাণী কমলাপ্রিয়া

গোহাটী আহি উগ্রতাৰায় ঘৰ কৰি থাকিল। তাতে ঘৰ পোৰাতে পুনৰ গোপীকান্ত বৰুৱা সাহায্য কৰি ঘৰ তোলাই দিলে। ও কন্দর্পেশ্বৰৰ ভ্রাতা একজন স্থানতে মৃত হল। তদপৰ মাধৰাম ৰাজখোৱাৰ মাটি এক খণ্ড, তৎপুত্র ৰুদ্রনাথ গগৈ দিয়াতে, আলিৰ পূব কাখত কমলাপ্রিয়া ৰাণী সহিত থাকিল। তেতিয়া সৰু একটী কন্যা আছিল ॥ ৩২০ ॥

কন্দর্পেশ্বৰ মাক ও ৰাণীগোহাটী ৰহা

(৩) মঞি আলি ও পুল তৈয়াৰ কৰা।

তদপৰ এই সনে আমাকে ৰৌলট্ সাহেব, ইস্তক সিন্দুৰী ঘোপা নাগায়েদ অশ্বক্রান্ততক, সড়গ তৈয়াৰ কৰিব হুকুম দিয়াতে, ইস্তক অগ্রায়ণ মাহ নাগায়েদ মার্চ্চ মাহতক, কুলিৰ দ্বাৰা সড়গ তৈয়াৰ কৰি, ঘোৰাজানৰ পুল তৈয়াৰ কৰিলোঁ। আৰো ইস্তক ৰজাদুৱাৰ নাগায়েদ কিলিং (তিলিং) গাঞৰ ঘোৰা-জানতক, চহৰৰ সড়গ তৈয়াৰ ও নতুন ৰাস্তা বাহিৰ কৰি দি, শ্রীযুত ৰৌলট্ সাহেৰ সহিত হাতীৰে যাই, উত্তৰ গোহাটীৰ উত্তৰ ফালে গড়কে সীমা নিধার্য্য কৰিলোঁ ॥ ৩২১ ॥

ইস্তক সিন্দুৰী ঘোপা সড়গ তৈয়াৰ কৰা

উত্তৰ গোহাটী চহৰৰ সড়গ তৈয়াৰ কৰা

তৃতীয় অধ্যায় (ক্রমশঃ)

(খ) ১৭৭৯ শক। ১২৬৪ সন। ১৮৫৭-৫৮ ইং

১। পৰগণা পেয়াল ও বন্দবস্ত।

এই সনেও জিন্‌কিঞ্চন্ কমিচনৰ সাহেব ও বিচ্ ডিপুটী অথচ জুডিচীল কমিচনৰ ও ৰৌলট্ ডিপুটী কমিচনৰ বা কালেক্টৰ আছিল। মঞ্জি চেৰস্তাদাৰ ॥ ৩২২ ॥

পেযাল ও বন্দবস্ত

চৌধাৰীসকলে পেয়াল কৰি কাগজ দাখিল কৰাতে পূৰ্ব্বোক্ত কাগজ সহিত, কমী-বেচি, মৌজামৌজা, কানুনগো দ্বাৰা কৰাই, কি কাৰণ কমী হয়, তদ্বিষয়েৰ পেয়াল তদন্ত হয়। অথবা আমীন তএনাত হয়। বেচি মাটি বাহেৰ হলে, আমীনৰ খৰচা চৌধাৰী পাশ আদায় হয়। বাহেৰ নহলে পেয়ালী কাগজ মঞ্জুৰ হৈ জমাবন্দী তৈয়াৰ হয়। তদপৰ অথচ গত সনৰ নিৰিখ মতে জমাবন্দী হয়। তাতে কমিচন বাদ ও সাৰা জমা স্থিৰ হয়। এবং পূৰ্ব্বোক্ত ম্যাদ গতে পুনৰায় ৩।৫।১০ সনা ম্যাদে বন্দবস্ত হয়। ও কবুলিয়ৎ লৈ সনন্দ তৈয়াৰ কৰি দিয়া হয় ॥ ৩২৩ ॥

২। ঘনকান্ত যুবৰাজক যুক্তি দিয়া।

ঘনকান্তসিংহ যুবৰাজ মোত, সর্ব্বপ্রকাৰ ভাৰসা কৰিছিল যে "কমিচনৰ সাহেবত কৈ মোৰ ভাল কৰিব।" আৰু মণিৰাম যে আপুনি নষ্ট হল ও লোকজনকো নষ্ট কৰিলে, তাকো তেওঁ জানি, সম্পূর্ণ মতে মোক বিশ্বাস কৰিলে। এবং মঞো যুবৰাজৰ যাতে ভাল হয়, তাকেহে চিন্তোঁ। এবং তেওঁৰ ঘৰ-বাৰী সকলোৰে তদাৰক ও তালাপী ও খৰচ-পত্ৰ আদিবো, মোৰ পৰ

ভাৰ, অর্পণ কৰিব খুজি, কৈছিল। মঞি সৰকাৰ ঘৰৰ কর্ম্মত আছোঁ, অবজৰ নাপাওঁ বুলি স্বীকাৰ নকৰিলোঁ। কিন্তু মঞি দিহা-যুক্তি দিব পাৰোঁ। সেইমত চলিলে দেৱতাৰ ভাল হব পাৰিব এমত কলোঁ ॥ ৩২৪ ॥

যুবৰাজ ঘৰৰ সকল ভাৰ অর্পণ কৰিব খোজা

যুবৰাজ দেৱতা কিছো মন দুখ কৰি কলে "কৃষ্ণৰাম বৰুৱা প্রভিতি মোৰ ঘৰত চর্দ্দাৰি কর্ম্ম কৰি গৈছে। এতিয়া আপুনি কিছো চৰম কৰে হবলা!" মঞি কলোঁ "চৰম নকৰোঁ, মোৰ সৰকাৰী কর্ম্মত অবজৰ নাই ; তথাপি দেৱতাৰ বাক্যমত মঞি ভাল যুক্তি দিব পাৰো। সেই মত আচৰণ কৰিলে ভাল হব। আৰু ৮।১০ দিন অন্তৰে আহি বুজ বিচাৰ কৰি যাব পাৰোঁ। নতু মঞি লিপ্ত হৈ সর্ব্বদা যাতায়াত কৰি থাকি কর্ম্ম কৰাব নোৱাৰোঁ।" মোৰ মতলব এই, লিপ্ত হৈ কর্ম্ম নকৰোঁ। দিহা যুক্তি দিম ॥ ৩২৫ ॥

যুবৰাজে কলে "ভাল কি যুক্তি দিয়ে দিয়ক।" "আদৌ", মঞি কলোঁ "বহী এটি কৰি পেনচিন্ আদি জমা ও ঘি খোৱা-বোৱা ও চাকৰ আদিক দিয়া যায়, তাক খৰচ লিখিব। সেই নিয়মত হৈছে কি, নাই, মঞি ১০।১৫ দিন অন্তৰে দেখিম।" এইমত কোৱাতে, আনন্দৰাম হাজৰিকা মহৰীক আনি সেইমত বহী কৰি লিখিব দিলে।

যুক্তি দিয়া

দ্বিতীয়ত, লা-লিগিৰী অধিক কি কাম? আৱশ্যক যি লাগে, তাকে বাখি দৰমহাৰ নিয়ত কৰি দিলোঁ।

তৃতীয়ত, চিপাহী অধিক কিয় লাগিছে! পাঁচজন চিপাহী হলেই যথেষ্ট হব। তাৰো যাক যাক বাখিব, নিবন্ধ কৰি দিলোঁ।

চতুর্থ, একজন ভঁৰালীৰ কি কাম! সেই শুকুৰা ভঁৰালীক লিগিৰা বাবদ বখা যাওক। আৰো ভঁৰালৰ সকল দ্রব্যৰ এটি বহি কৰি, তাতে ঘি ঘি দ্রব্য ও অলঙ্কাৰ আদি লিখি ভণ্ডাৰৰ পেড়াত বহীটি থাকিব। ও ভঁৰালৰ সঁচাৰ কুঞ্চৰীৰ হাতত

থাকিব। যেতিয়া পকী খোলাৰ আবশ্যক হয়, কোঞৰী যাই, আগত থাকি শুকুৰা হাতত চাবি দিব। সি খোলি আবশ্যকমত দ্রব্য উলিয়াই বন্দপূর্ব্বক, তেতিয়াই চাবি কোঞৰীৰ হাতত দিব। ও পুনর্ব্বাৰ সোমোৱাৰ আবশ্যক হলে, সেইমত কোঞৰী আগত থাকি, খোৱাই, চাবিদ্বাৰা বন্দ কৰাই চাবি হাতকৈ লব।" যুবৰাজে স্বীকাৰ পোৱাতে সেইমত কৰা হ'ল ॥ ৩২৬ ॥

ভঁৰালীৰ আবশ্যক নথকা

তদপৰ মঞ্চি মাজে মাজে যাই জমা-খৰচ বহী চাই—যুবৰাজ ও পদ্মৱেখা ৰাণীক দেখা দি আহোঁ। ও কমিচনৰ সাহেবৰ মেমে ওলা-মিছিৰী, শাক-তৰকাৰী, মাজে মাজে পঠাব ধৰিলে। ও মঞ্চো ৰাণীৰ দ্বাৰা মাজে মাজে ওলা-মিছিৰী পঠাই দিয়া যায়। আৰু একদিন মেমৰ পাশ যাবৰ কথা কৈছিলো। যাম বুলি, যাবৰ নহল ॥ ৩২৭ ॥

মধ্যে মধ্যে মঞ্চি তদাৰক কৰা

৩। যুবৰাজৰ হকে কমিচনৰ সাহেব ও মেমক কোৱা।

মঞ্চি কমিচনৰ সাহেব আৰো তেওঁৰ মেম, বেগম পাশ, মাজে মাজে যাওঁ। একদিন মেমসাহেবত কলোঁ "যুবৰাজৰ ৰাণী আপুনাৰ পাশ অহাৰ তাৎপর্য্য এই,—আপুনি আজেণ্ট নৱাব গৱর্ণৰৰ ৰাণী। ইচ্ছা কৰিলে, কি কর্ম্ম কৰিব নোৱাৰে! তেওঁলোকৰ পিতা ও পিতামহসকল আসাম দেশত ৰাজত্বি কৰিছিল। এতিয়া একো নাই। কেৱল ৪৬০৲ টাকা পেনচিন্ মাত্র পায়, খৰচা নোজোৰে। চাৰি পাঁচ হাজাৰ টাকাৰ ধাৰ হৈছে; এতেকে আপুনি অনুগ্রহ কৰি, সাহেবক কৈ এক জেলা ৰা কয়েক মৌজা দি ৰাজাক ৰক্ষা কৰিলে আপুনাৰ নাম ও যশস্যা থাকে।" মেমসাহেবে কলে "তোমি সাহেবত কৱা।" মঞ্চি কলোঁ "মঞ্চি সাহেবত কম, কিন্তু আপুনাতহে ভাৱসা।" মেমসাহেব কলে "ৰাক্, আগে তোমি কৱা, পাচে মঞ্চি কম॥" ৩২৮॥

যুবৰাজৰ কথা কোৱা

তদপৰ একদিন কমিচনৰ সাহেৱ সহিত অনন্য কথা-বাৰ্ত্তা হৈ থাকোঁ। এনেতে ঘনকান্ত যুৱৰাজৰ কথা উলিয়াই কৌশলতে কলোঁ "তেওঁৰ প্রবর্ত্তনৰ উপায় নাই। ৪৬০৲ টাকা পেনচিন্ পায়, খৰচে নোজোৱে; চাৰি পাঁচ হাজাৰ টাকাৰ ধাৰ হল। আপুনি উপায় নকৰিলে ৰক্ষা নাই। পূৰ্ব্বে ৰাবট্‌চন কমিচনৰ এক ৰেপট কৰি, এই উজনি খণ্ড, পুৰন্দৰ ৰাজাক লালবন্দী কৰি দিলে। এতিয়াও আপুনি এক জেলা বা কয়েক মৌজা দিলে, ধাৰ-ঋণ নোহোৱাকৈ প্রবর্ত্তি থাকিব পাৰে।" তাতে কমিচনৰ সাহেৱ হাঁহি কলে "আজিকালি সদৰৱালা ৰৰ চৈতানমত হৈছে! তথাপি মঞি এক উপায় কৰিম। কিছোদিন চবুৰ থাকক।" এমত কলে। তদপৰ মেমসাহেৱ পাশ যাই এতৎ বৃত্তান্ত কৈলে "মঞি সাহেৱত কম। এতিয়া ৰাক যোৱাগৈ" বুলি বিদায় দিয়াতে আহি, যুৱৰাজ পাশ যাই, সকলো, এবং কমিচনৰ সাহেৱ পাশ, কেৱল সাক্ষাত হৰৰ যাৱৰ কলোঁ; ও গৈছিল, মোত কৈছিল ॥ ৩২৯ ॥

যুৱৰাজৰ কথা কমিচনৰ সাহেৱত কোৱা

এই সনৰ আষাঢ় মাহৰ ২৮ দিন যোৱাতে শনিবাৰে, আমাৰ সৰু ঘৈণী শ্রীমতী গেঙ্কো ওৰফে গুলঞ্চীৰ পুত্র এটি হল। নামাকৰণে শ্রীধর্ম্মকান্ত নাম হয় ॥ ৩৩০ ॥

মোৰ পুত্র হোৱা

৪। ৰাণী পদ্মৱেখা ও ঘনকান্ত যুৱৰাজ সংবাদ।

ঘনকান্তসিংহ আৰু তেওঁৰ ৰাণী, আমাক ৰৰ ভাল পাইছিল। এবং সকল কথা আমাত পেট ভাঙ্গি কয়। যুৱৰাজৰ ভাল একজনী নাচনিয়াৰ আছিল। যুৱৰাজে তেওঁক ৰৰ ভাল পাই, চমুৱা কুৱৰী নাম দি, সোণৰ খাৰু, পঢ়ি-দোলা দিৱৰ মনকৰি, দেৱৰৰ ৰৰদলৈত সুধিছিল। তেওঁ অনুমতি দিয়াতে যুৱৰাজে দিৱৰ মন কৰিছিল। এই কথা পদ্মৱেখা ৰাণীয়ে শুনি মোত কলে, "তাই মোৰ সহিত এনেই পীড়া-পীড়ি কৰে।

একজনী নাচনিয়াৰৰ কথা

তাতে সোণৰ খাৰু, পঢ়ি-দোলা দিলে, মোক মানিবনে? এতেকে আপুনি, তাই চমুৱা কুৱৰী ও দোলা-খাৰু নোপোৱা কৰি দিয়ক" অগত্যা কৰি ধৰি কলে ॥ ৩৩১ ॥

তদপৰ, মঞ্চি একদিন যুবৰাজ দেৱতাত সুধিলোঁ। তাতে যুবৰাজে কলে "হয়"। তদুত্তৰে মঞ্চি কলোঁ "দেৱতা, এতিয়া-লৈকে আপনাৰ কুস্বভাব পৰিবৰ্ত্তন নহল। আপোনাৰ কি ৰাজত্বি আছে? আৰো বা কি যুবৰাজ! ৪৬০৲ টাকা প্রবর্ত্তনৰ হেতু পেনচিন্ মাত্র পায়! ইহাতে চমুৱা কোঞৰী, কি বিষয়া পতাৰ, কি এক্তাৰ আছে! লোকজনে শুনি হাঁহিব! আৰু আপোনাৰ ঘৰত আপুনি কন্দল লগাবৰ কি কাম? এতেকে দেৱতা, যদি মোৰ কথা শুনে, সেইটি কৰ্ম্ম কৰিবৰ ক্ষান্ত থাকক। এবং নাচনিয়াৰক এনেই যি স্নেহ-মৰ্ম্ম কৰে, কৰোক।" এই বুলি কোৱাত ক্ষান্ত থাকিল ॥ ৩৩২ ॥

কোঞৰী নপতা

ৰাণী, মোৰ কথামতে, যুবৰাজ মৰমৰ নাচনীয়ানীক কোঞৰী নপতা নিশ্চয় জানি, বৰ প্রীত হল। এবং যুবৰাজ দেৱতা আৰু পদ্মৱেখা ৰাণীৰ আগত যদি, কোনোজনে কিঞ্চিৎ-মাত্র বিষম কথা কব খোজে, পূর্ব্বার্থে তাৰ বিহিত সম্বোধন দিয়ে। অথচ, মোৰ যেনে স্বভাৱ ও গধূৰ-গম্ভীৰতা গুণ, প্রকাশ কৰে, ও অন্য লোকসকলৰ মুখে, ও ৰাজদ্বাৰেও নিজ শৰীৰৰ যশস্বিন কথা শুনিলে বৰ প্রীত, আনন্দ হয় ॥ ৩৩৩ ॥

নাচনীয়ানী কোঞৰী নাহোৱা

কোন সময় যুবৰাজৰ কাষত মঞ্চি বহি নানা ৰকম কথা-বার্ত্তা হৈ থাকোঁ। তদপৰ ৰাণীৰ পাশ ভিতৰে গলে গোটা তামুল-পাণ দিয়ে। ৰবিচন্দ্র বকৰাই কাটি দিয়ে অথবা নিজে কাটি খাওঁ। ও ধঁপাত থাবলৈ সৰু হোকা এটি অনাই দিয়ে। খাই-বৈ ৰাণীত বিদায় হৈ, পুনঃ যুবৰাজৰ কাষত বহি কথা-বার্ত্তা হৈ আহোঁ। ৰাতি কি দিন এই দস্তুৰে যাওঁ আহোঁ। ইহাতো যুবৰাজ বৰ প্রীত হয়, বোধ কৰোঁ ॥ ৩৩৪ ॥

মঞ্চি যুবৰাজ ঘৰে যোৱা

৫। যুবৰাজৰ আমাৰৈ বিশ্বাস ও মৰম।

আৰো কোন কোন সময়, দিনতে যুবৰাজ পাশ মঞি কথাবার্ত্তা হৈ বহি থাকোঁ। তাতে ফুলৰ চাকি বা কেতেকী ফুল থাকে। মোৰ হাতত নিজে তোলি 'ঘৈণীক দিয়কগৈ' বুলি কোৱাতে, দেৱতাই দি পঠাইছে বুলি, ৰাণীৰ হাতত দিওঁ। তাৰপৰ কথাবার্ত্তা হৈ পুনৰ যুবৰাজৰ কাখত বহি, কথাবার্ত্তা হৈ বিদায় হঞি আহোঁ। আৰু যুবৰাজ দেৱতা ৰাণীৰ দ্বাৰা মেজাঙ্কৰি চুৰিয়া ও হাতী দাঁতৰ ফণি ও কাকৈ ও দস্তানা, নাৰায়ণ লিগিৰাৰ দ্বাৰা পঠাই দিয়ে। ও যোগানৰ ম'হৰ গাখীৰো তিনদিন পাঁচদিন অন্তৰে পঠাই দিয়ে। ও যুবৰাজে কয় "তোমিও আমাক দ্রব্যজাত দিছা, ও আমিও দিব লাগে; তেহে প্রীতি থাকে" এইদৰে প্রীতি আহ্লাদে আছিলোঁ ॥ ৩৩৫ ॥

ৰাণীৰ হাতত ফুল দিয়া

মোক দ্রব্য দিয়া

৬। ঘনকান্ত যুবৰাজৰ অন্তিম কাল।

যুবৰাজ দেৱতাৰ শৰীৰ, বৃদ্ধি পাব ধৰিলে। আৰো এলাহ, —সর্ব্বদা বহি শুই থাকিব খোজে। মঞি, কঠিনমতে আহাৰ কৰা ও টোলৰ ভিতৰতে ভাঠী বেলা ভ্রমণ কৰাৰ কথা কওঁ। ও ঘৃত কটা পুৰী, তেলাল মাছ খাবৰ নিষেধ কৰি থাকোঁ। একদিন মোৰ আগত কলে যে, "মোৰ অণ্ডকোষৰ কাষতে চাৰি পাঁচটামান খকৰা বেঙ্গেনামত উঠিছে। চেপি দিলে মাখনৰ মত বাহেৰ হয়।" তাতে মঞি বুজিলোঁ, এওঁৰ মেদ্‌ৰোগৰ এই উপসর্গ হৈছে। যুবৰাজক কলোঁ "যি হৈছে হওক, চেপি নিদিব।" এবং নাৰায়ণ কটকীক মাতি কলোঁ "দেৱতাক বুজি কষায়ণ দৰপ সেৱন কৰা।" তদপৰি মঞি কথাবার্ত্তা হৈ বিদায় হৈ আহিলোঁ ॥ ৩৩৬ ॥

যুবৰাজৰ শৰীৰ পীড়া

তদপৰ দুই কি তিনদিন পৰে, মঞি যুবৰাজ পাশ গলোঁ। তাতে কলে যে "বিচিত্ত (অণ্ডকোষত) বেঙ্গেনাৰ নিচিনা

হৈছিল বুলি আপোনাত কৈছিলোঁ। তাৰে এটাত এলাহি বকচ্ ডাক্তৰত কৈ মলম লগাই দিয়াতে সেইটো লোপ পালে। তদবধি মোৰ শৰীৰ জ্বালা হৈছে।" মঞ্চি কলোঁ "দেৱতা সুসুধি এই কৰ্ম্ম কৰিলে। ভাল নহল।" যাহক, কটকীক মাতি আনি শান্ত দৰপ খুৱাবৰ কথা কৈ, ভিতৰে গৈ ৰাণীত কলোঁ। তাতে ৰবিচন্দ্ৰ বৰুৱাও আছিল। কৈ, মঞ্চি আহিলোঁ, নিশি চাৰিদণ্ডমান হৈছিল ॥ ৩৩৭ ॥

এলাহি বকচ্ ডাক্তৰ মলম দিয়া

পৰদিন কাছাৰী গৈ, অন্তে গোহাটীৰ ঘৰত জল খাই যুবৰাজ পাশ গলোঁ। দেৱতা বৈঠকখানা ঘৰৰ মাজৰ কোঠাত শয়ন কৰি আছে। কাখতে বহি দৌতা দৌতা বুলি মতাতে বাগৰ দি মোৰফালে মুখ কৰি ক'লে যে "মোৰ শৰীৰটো বৰ জ্বালা কৰিছে।" মঞ্চি গাত হাত দি চালোঁ যে, শৰীৰটো চেঁচা পালোঁ। এবং হাত চোৱাতে নাড়ি কিছো বিষম হেন পালোঁ। তদপৰ পকী-বাঙ্গালাৰ ঘৰৰ ভিতৰ বাণী পাশ যাই কলোঁ "আজি দেৱতাৰ গা বঞা; ঔষধপাতি খুৱাব লাগিল।" তাতে ৰবিচন্দ্ৰ বৰুৱা বহি আছিল; বাণীয়ে কলে "বেৱস্থা কৰি ঔষধ খুৱাব লাগিল।" পাচে বৰুৱাই জপাৰ পৰা ঔষধ উলিয়াই কিস্তি সহিতে খুৱাবলৈ, লৈ গল। তদপৰ মঞ্চি কোঞৰীত বিদায় হৈ ভিতৰৰ পৰা আহি যুবৰাজ কাখতে বহিলোঁ। তেতিয়া যুবৰাজ বহি ঔষধ খাই, মুখ ধুইছে। আন্দাজ, ৰাত্ৰি ছয় দণ্ড-মান হৈছে, এনেতে মঞ্চি গোহাটীৰ ঘৰে আহি, ৰান্ধি, ভাত খাই শয়ন কৰি থাকিলোঁ ॥ ৩৩৮ ॥

যুবৰাজ ঔষধ খোৱা

এবং ভাদ্ৰমাহ, তেতিয়া মোৰ লগত উপনৈ (১) (উপেন) শৰ্ম্মা ব্ৰাহ্মণ আছিল। তেওঁ প্ৰাতসে উঠি ব্ৰহ্মপুত্ৰত স্নান কৰি গৈছে, এনেতে মঞ্চি উঠি মুখ ধুব ধৰিছোঁ। ঐ ব্ৰাহ্মণে কলে

টোকা—(১) উপনৈ=ধেমেলীয়া উপ-নাম।

"যুবৰাজ ৰাতি মৰিল, নদীৰ কাষতে ধৰি দিব ধৰিছে।" মঞ্চি শুনি "কি ক বামোণ, আচর্য্য কথা!" বামোণে কলে "দোতা মঞ্চি সঁচা কথা কৈছোঁ।" তদপৰ মঞ্চি দ্রুত বেগে গৈ পোন সড়গ পোৱাতে দেখিলোঁ, বাটঘৰৰ সম্মুখে গৰাত অগ্নি জ্বলিব লাগিছে। তদপৰ কোঞৰী পাশ গলোঁ ফেৰাঙ্গালাৰ বাৰাণ্ডাত বহি ৰোদন কৰি আছে। মঞ্চি সোধাতে কব ধৰিছে। ভাদ্রমাহ ॥ ৩৩৯ ॥

যুবৰাজ ফৌত হোৱা ধৰণ

ৰাণীয়ে কলে "আপুনি যোৱাৰ পৰে দেৱতা সন্ধ্যা কৰিবৰ কাৰণে গোসাঞী ঘৰে যাই আহিব খোজাত, দেৱতা খোজ কঢ়াত হালি যায়। মঞ্চি দেখি লিগিৰাইতক, ধৰ্ ধৰ্ বুলি কোৱাতে, ধৰি খোজ কঢ়াই বৈঠকখানায় নি বহুৱালে। তাতে মঞ্চি চাওঁ যে হাতভৰি চেঁচা। সোধাত 'পানী ছুই আছোঁ।' সেই হেতু চেঁচা বুলি কোৱাতে মঞ্চি পানৰ টিকিৰা খোৱাৰ ধৰিছোঁ। তদপৰ দেৱতা শয়ন কৰিলে। এবং অত্যন্ত কফ দেখি, বকৰা ৰবিচন্দ্রক মাতিব, চিপাহী পঠোৱাতে আহিল। তেতিয়া নিশা দুই প্রহৰমান হৈছিল। তেতিয়া ঔষধ খোৱালে। এবং চাৰিঙ্গ ৰাজাও আহিল। তদপৰ কফ অত্যন্ত বেচি হোৱাতে, বাহিৰে নিয়াতে শৰীৰ এৰিলে।" ইয়াকে কলে ॥ ৩৪০ ॥

যুবৰাজ ফৌত হোৱা বিবৰণ

৭। যুবৰাজ স্বর্গী হোৱাত।

তদপৰ মঞ্চি ঘৰে গৈ, খাই-বৈ কাছাৰী গলোঁ। এবং বৌলট্ সাহেব কাছাৰী উপস্থিত হোৱাতে আমি আমলাগণ ও ফৌজদাৰীৰ চেৰস্তাদাৰ ৰাধামোহন গোসাঞী ও দেৱানীৰ মাধব পেচকাৰ প্রভিতি তক্তত উঠি চালাম দিয়াতে, প্রথমেই সাহেব মোত সুধিলে "ওৱাল, বড় তাজ্জব! ঘনকান্ত যুবৰাজ মৰিল?" মঞ্চি কলোঁ, হয়। এনেতে মাধব পেচকাৰে

মিছা কলঙ্ক দিয়া

ইংৰেজীতে কৰ ধৰিলে যে ৰবিচন্দ্ৰ বৰুৱা যাই জহৰ খোৱাতে মৰি গল। সাহেৰ মোত সোধাতে মঞি কলোঁ, মিছা, আপন স্থৈল বেমাৰে মৃত্যু হৈছে। তেতিয়া মাধৰ পেচকাৰে মহা-নীলকণ্ঠ ঔষধৰ নাম লৈছিল। সেই ঔষধ জহৰ (১) নোহোৱা বুলি মঞি কৈছিলোঁ। তথাপি পুনঃ পুনঃ জহৰ খোৱালে বুলি কৈছিল। সাহেৰেও মনেৰে ঠিক হেন মানি থাকিল। তদপৰ আমি আপন আপন চেৰস্তায় গলোঁ। সেইদিন শনিবাৰ, গোহাটীত থাকিলোঁ ॥ ৩৪১ ॥

বৌলট্ সাহেৰ পাশ যুবৰাজৰ সকল বিৰৰণ কোৱা

পৰদিনা মঞি বৌলট্ সাহেৰেৰ বাঙ্গালায় যাই উপস্থিত হোৱাতে, প্ৰথমেই মোত সুধিলে "ওৱাল, ঠিকনা হলনে?" মঞি কলোঁ "আপুনি কি ভাবিছে?" সাহেৰ কলে "ৰবিচন্দ্ৰ জহৰ খোৱাই মাৰিলে।" তাতে মঞি কলোঁ "সাহেৰ উজনি দেশত এইদৰে মিছা বিদ্ৰোহী ব্যাপাৰ উলিয়াই কয়েক কয়েক মানুহ নষ্ট কৰিলে। আমাৰ ইয়াতো নষ্ট কৰিবৰ মন কৰিছিল। কিন্তু আপুনি ও কমিচনৰ সাহেৰ সাক্ষাত থকাত, নোৱাৰিলে। এতিয়াও নিশ্চয় জানিব, তেওঁ আপুনাৰ, মেদ বেমাৰত তেল-ফুটি মৰিল।" এৰং পূৰ্ব্বৰ পৰা সকল বৃতান্ত ও এলাহি-বকচ্ ডাক্তৰৰ মলম দিয়া আদি সকল কথা কলোঁ। তাতেহে সাহেৰ নিশ্চয় জানি থাকিল ॥ ৩৪২ ॥

কমিচনৰ সাহেৰত বিৰৰণ কোৱা

তদপৰ মঞি কমিচনৰ সাহেৰেৰ পাশ যাই চালাম দিয়াতে "ওৱাল, বড় তাজ্জব কথা, ঘনকান্ত যুবৰাজ ফৌত হল।" পাচে, মঞি চকীত বহি পূৰ্ব্বৰ পৰা সকল বৃতান্ত ও আপোনাৰ এজেন্টি চেৰস্তাৰ এলাহি বকচ্ ডাক্তৰৰ দ্বাৰা মলম দিয়াতে শৰীৰ জ্বালা হৈ আপোনাৰ মেদ ৰোগে তেল ফুটি মৰিল। অন্য একো কাৰণ নাই। এই সকল কথা কোৱাতে তাকে নিশ্চয় জানি থাকিল ॥ ৩৪৩ ॥

টোকা—(১) জহৰ=বিষ।

ঘনকান্ত যুবৰাজৰ কৰ্ম্ম

এবং তেতিয়া যুবৰাজৰ পুত্ৰ শ্ৰীকেশবকান্ত সৰু নাবালক আছিল ; সেহেতু, পদ্মবেখা ৰাণীয়েই অন্ত্যেষ্টি ক্ৰিয়াদি কৰি কৰ্ম্ম ললে। ও মাসান্তে কৰ্ম্মৰ আয়োজন কৰি, হাতত টকা নাই, অন্য ঠাইত ধাৰে নাপাই মোত কোৱাতে, মঞ্জি ঘৰৰ পৰা নি ৪০০৲ টাকা বিনাখতে দিলোঁ। এবং কৰ্ম্মৰ দিনা মঞ্জি যাই, আগত থাকি, কৰ্ম্ম কৰাই, মানুহ-দুনুহক খোৱাবৰ তদ্বিৰ কৰিছিলোঁ। ৰাণীৰ আক্ৰান্তত থাকি মঞ্জি নিজে ব্ৰাহ্মণসকলৰ দক্ষিণা ১৲ ৷৷০ ।০ একটকা ও আষ্ট আনা, চাৰি আনাকৈ দিছিলোঁ। অৱশেষ ১৫০৲ টাকামান খোৱাতে ৰাণীৰ হাতত দিলোঁ। তাতে ৰাণীয়ে হাঁহি কৈছিল "অন্য হোৱা হলে এই-খিনি টাকা পোৱা নগল হয়!" ॥ ৩৪৪ ॥

কেশবকান্ত সিংহৰ পেনচিন ৰেপট

তদপৰ পেন্‌চিনৰ ৰেপট কৰিবৰ সময়, মঞ্জি আগত আছিলোঁ। সেই সময় কমিচনৰ সাহেব মোত কৈছিল "কন্দর্পেশ্বৰ ৰাজা ও তেওঁৰ মাক সহিত দন্দেজ। কিজানি ইহঁতৰো কাজিয়া হয়!" তাতে মঞ্জি কলোঁ "সাহেব ইখিলাকৰ মাতা পুত্ৰৰ একো চিন নাই (১) ; এহেতু ৰাণী তৎপুত্ৰৰ নামে ৰেপট কৰোক। আৰু বাপেক যুবৰাজ আছিল, সেইখিনি খেতাবকো দিয়ক।" সেইমত সদৰে ৰেপট কৰিলে ॥ ৩৪৫ ॥

৮। মোৰ প্ৰতি কমিচনৰ সাহেবৰ কুনজৰ নিবাৰণ।

বৌলট্ সাহেব সদৰে চিঠি লিখা

আমি চেৰস্তাদাৰী কৰ্ম্ম কৰি আছিলোঁ। বৌলট্ সাহেব আমাৰ কৰ্ম্ম-কাৰ্য্যত নৈপুণতা দেখি বৰ সন্তোষ্ট হৈ একখন বৰ ডাঙৰ খিয়ৈ মানুহটোক দেখা বৰ আৰ্চী ও বাবু-বিলাস নামক এক কেতাপ, ও ভাৰতবৰ্ষৰ ইতিহাস এক, ও ইংৰেজী-বাঙ্গালা ডাঙৰ ডিক্‌সনাৰী এক কেতাব দিছিল। আৰু সদৰৰ পৰা কৈফিয়তাদি তলব হলে, মোক সুধিহে কৈফিয়ৎ লিখে। এবং

টোকা—(১) তিন্ন ভাৱ নাই।

চিঠি লিখিও মোক পড়ি শুনায়। ও দোষ ধৰিলে, পুনঃ সেইখিনি কাটি, পুনৰ মঞ্জি কোৱা মতে লিখি কেৰাণীক চাফ কৰিব দিয়ে। ও মঞ্জো বৌলট্ সাহেবৰ যাতে সুখ্যাতি হয়, তাৰেহে চেষ্টা কৰোঁ ॥ ৩৪৬ ॥

মঞ্জি সকলো, লোকজনে ৰটনা কৰা

এই সকল গতিকে, লোকসকলে ৰটিব ধৰিলে আমি যি কৰোঁ সেই। বৌলট্ সাহেব কেৱল নাম মাত্র। ও চৌধাৰী সকলে কোন কথাত আপীল কৰিলে এবং কমিচনৰ সাহেবৰ বাঙ্গালায় যাই কলেও "মঞ্জি কি কৰিম ? হৰকান্ত চেৰস্তাদাৰৰ পাশ কোৱাগৈ।" এমত কয় ॥ ৩৪৭ ॥

আৰু কমিচনৰ সাহেবেৰ হুকুমৰ পৰ তেওঁ আপত্তি কৰি বোর্ড ৰিবন্নু (ৰেবিনিউ), ও গবর্ণমেণ্টে ৰেপট কৰে। তাতে কোনোটো, কমিচনৰ সাহেবেৰ হুকুম ৰদো হয়। ইতঃপূর্ব্বে ঘনকান্ত সিংহ যুবৰাজ হাজো যাব খোজাতে, কমিচনৰ সাহেব ঘৰ-বাসা, ৰচদ দিবৰ অনুজ্ঞা কৰিছিল। বৌলট্ সাহেব— 'মঞ্জি হুকুম নিদো' বুলি কোৱাত, মঞ্জি আপত্তি কৰি কলোঁ "কমিচনৰ সাহেবেৰ হুকুম আপুনি নামানা, যুক্তিযুক্ত নহে। গবর্ণমেণ্টৰ চার্কুলৰ জাৰি আছে যে ওপৰিৱালা হুকুম দিলে, অসঙ্গত হলেও আপন ভাষাতে জনাব। তাতো যদি সেই হুকুম জাৰি কৰিব দিয়ে, অৱহেলে জাৰি কৰিব। এতেকে আপুনি সেই হুকুম নামানিবৰ এক্তাৰ নাই।" এবং প্রকাৰ আপত্তি কৰাতো 'মোৰ সহিত তক্ৰাৰ কৰা!' এমতো মোত কৈছিল। এই সকল কাৰণে, কমিচনৰ সাহেব, বৌলট্ সাহেবেৰ প্রতি নাৰাজ হ'ল। ও মঞ্জিহে বৌলট্ সাহেবেৰ দ্বাৰা আপত্তি কৰাওঁ, এনেটো বুজিও, মোৰ প্রতি নাৰাজ কিছো হ'ল ॥ ৩৪৮ ॥

বৌলট্ সাহেব পৰ কমিচনৰ সাহেব নাৰাজ হোৱা

কেফায়ৎ উল্লা সদৰামীন ও যজ্ঞদত্ত ৰৰকটকী প্রায় সর্ব্বদা, কমিচনৰ সাহেবেৰ পাশ যায়। দুয়ো জনাক ভাল পায়।

কথাৰ কৌশলে, কোন কথা উত্থাপন হলেই 'আমি যি কৰো সেই, ৰৌলট্ সাহেব সাথী মাত্ৰ' ; এই কথা তেওঁলোকৰ আগত কয়। তেওঁলোকে আহি মোৰ আগত কেইবাদিনো কয়। "মঞি কওঁ, তোমালোকেই জানা, মঞি কমিচনৰ সাহেবৰ হুকুম মানিবলৈ কোৱাত 'মোৰ সহিত তক্ৰাৰ্ কৰা!' এই কথা কয়। মঞি কি কৰিম, এনে কথা কওঁ।" কেফায়ৎ উল্লাই কয় "আপুনি যি কৈছে, হয়; তথাপি আপুনাৰ পৰ কমিচনৰ সাহেব নাৰাজ থকা, ভাল নহয়। এতেকে এহাৰ সুযুক্তি, উপায় কৰিব লাগে। আপুনি আগত ৰবিবাৰে এই কটকীৰ বাহায় আহিব। তিনিজনে একটা যুক্তি কৰিম।" এইবুলি কাছাৰীৰ পৰা তিনিজন আপন আপন স্থানে গলোঁ ॥ ৩৪৯ ॥

মোৰ প্ৰতি কমিচনৰ সাহেবেৰ অনুযোগ

তদপৰ একদিন যজ্ঞদত্ত কটকীৰ বাসায় যাই, বহি, কেফায়ৎ উল্লা সদৰামীনক মতাই আনিলোঁ, এবং তিনোজনে বহি অনেক কথোপকথনহে, এই স্থিৰ হল যে আগত ৰবিবাৰে তিনিও জনা একত্ৰে, ৰৌলট্ সাহেবেৰ বাঙ্গালায় যাই একে মুখে এই কথা কম "আপুনি কমিচনৰ সাহেবেৰ হুকুম সকল অমান্য কৰে। এহাতে সাহেব আপনাৰ প্ৰতি নাৰাজ আছে। আপুনি কমিচনৰ সাহেবক পিতৃবৎ মানিব লাগে। আৰু তেওঁ আপুনাৰ প্ৰতি সন্তুষ্ট থাকিলে, আপুনাৰ অচিৰে উন্নতি হব।" ও আমি তিনিজনে এইমত একত্ৰে কলে, অৱশ্যে সম্মত হব যেহেতু আমি তিনিও জনাক সাহেব ভাল পায়; আমালোকৰ কথা এৰিব নোৱাৰে। তদপৰ তিনিও জনা একত্ৰে কমিচনৰ সাহেব পাশ এক মুখে এই কথা কম যে "আমি তিনি জনাই আপুনাক এটি ভিক্ষা মাগিব আহিছোঁ।" অৱশ্যে সুধিলে কম "ৰৌলট্ সাহেবক আপুনি পুত্ৰবৎ দয়া কৰি সৰ্ব্ব অপৰাধ ক্ষেমা কৰিব লাগে।" অবশ্যে তেওঁ সম্মত হব। উভয়ৰ প্ৰীত হলেই আমালোকৰ মঙ্গল।" এহাই ঠিক কৰা গ'ল। অন্যে কেহো ইহা নাজানে॥ ৩৫০ ॥

অনুযোগ নিবৃত্তিৰ উপায়

মঞ্জি ও কেফায়ৎ, যজ্ঞদত্ত, বৌলট্ সাহেব পাশ যাই কথা হোৱা

এবং ৰবিবাৰ হোৱাতে, সোনকালে গৈ বন্ধু মুন্সীৰ তাতে বহিলোঁ। তদপৰ কেফায়ৎ উল্লা ও যজ্ঞদত্ত কটকী যোৱাতে একত্র হৈ, বৌলট্ সাহেবেৰ বাঙ্গালায় যাই উপস্থিত হোৱাতে, চকীত বহোৱাই জিজ্ঞাসা কৰাতে কলোঁ "আপুনি এই তিনিকো ভাল পায় ও আমিও যাতে আপুনাৰ ভাল ও উন্নতি হব, তাৰেহে শ্রেস্থা (চেষ্টা) কৰোঁ ; এতেকে আপুনি আমাৰ তিনিজনাৰ কথা মানিব লাগে। কমিচনৰ সাহেব আপুনাৰ প্রতি অসন্তুষ্ট থাকাতে, আমালোক বৰ দুঃখিত আছোঁ, এই জন্যে আমাৰ প্রার্থনা এই, কমিচনৰ সাহেব যি আজ্ঞা কৰে, তাৰ কোনো আপত্তি নকৰি, সেই হুকুম মানি, তেওঁৰ সহিত প্রীতি কৰিব লাগে। এবং তেওঁ আপুনাৰ পিতৃ যেনে, তেনে। তেওঁ সন্তুষ্ট থাকিলে, খোদা আপুনাৰ প্রতি সন্তুষ্ট হৈ, অচিৰেই আপুনাৰ উন্নতি হব।" তাতে সাহেব হাঁহি কলে "কেৱল কমিচনৰ বেজায়েতা হুকুম দিয়ে, সেহেতু মঞ্জি আপত্তি কৰোঁ। বাৰো, এতিয়া তোমালোকে কলা, মঞ্জি কোনো আপত্তি নকৰো।" এনে কোৱাতে, তিনি জনাই চালামদি কলোঁ "এতিয়াই আমি তিনিও, কমিচনৰ সাহেব পাশ যাই, সর্ব্বদোষ ক্ষমা কৰি আপোনাক পুত্রবৎ দায়া কৰিবৰ, কথা কওঁ। ও কোনোমতে সম্মত কৰিম।" পাচে, সাহেব হাঁহি থাকিল। ॥ ৩৫১ ॥

কমিচনৰ সাহেব সন্তোষ হোৱা

তদপৰ আমি তিনিও, তেতিয়াই, কমিচনৰ পাশ যাই চালাম দিয়াতে, চকীত বহোৱাই সুধিলে "ওৱাল কি হৈছে ? তিনিও একত্রে আছিলা !" তাতে প্রথমত, কেফায়ৎ উল্লাই কলে "সাহেব আপুনি আমাৰ তিনিও জনক যথেষ্ট পুত্রবৎ দায়া কৰে। আমালোকেও পিতৃবৎ মাননা কৰোঁ। সম্প্রতি এটি ভিক্ষা মাগোঁ যে, বৌলট্ সাহেবেৰ সর্ব্ব দোষ ক্ষেমা কৰি আপুনি পুত্রবৎ দায়া কৰিব লাগে। আপুনি অসন্তুষ্ট থাকিলে, খোদা অসন্তুষ্ট থাকে।" তাতে সাহেব কলে "কর্ম্ম-কার্য্যত

মঞ্চি তেওঁক ভাল পাওঁ, কিন্তু প্রত্যেক হুকুমৰ পৰ আপত্য কৰে ও সদৰে ৰেপট্ কৰে ; এহাতেহে কিছো বিৰক্ত আছোঁ।" তাতে আমি তিনি জনাই কলোঁ "আমি তিনিও জনা ৰৌলট্ সাহেৰ পাশ যাই, কৈ, আপুনাৰ হুকুম পৰ আপত্তি নকৰাৰ, ও আপুনাৰ অনুগত থাকিবৰ, সম্মত কৰাইছোঁ। এবং আপুনি সর্ব্বদোষ ক্ষেমা দি সন্তোষ থাকিব লাগে।" পাচে, কমিচনৰ সাহেৰ সম্মত হল। আমালোক চালাম দি স্ব স্ব স্থানে গলোঁ। ॥ ৩৫২ ॥

কমিচনৰ ও ৰৌলট্ সাহেৰেৰ মিল হোৱা

তাৰ পৰদিনাই কমিচনৰ সাহেৰ প্রথমেই চাঙ্গ্ জাঙ্গত উঠি ৰৌলট্ সাহেৰেৰ বাঙ্গালায় যাই, তাতে—কথাবার্ত্তা হৈ দুইজনে একত্রে বাহিৰ হৈ, কমিচনৰ সাহেৰ তেওঁৰ কাছাৰী ও ৰৌলট্ সাহেৰ আপন কাছাৰী গল। মঞ্চি, তেওঁৰ পাচে পাচে, কাছাৰীলৈ যোৱাত দেখি বৰ সুখী হলোঁ। এবং কাছাৰীত কেফায়ৎ উল্লা সদৰামীন ও যজ্ঞদত্ত কটকীক কোৱাত বৰ আনন্দ হ'ল। এবং তদপৰ কাছাৰী অন্তে ৰৌলট্ সাহেৰ যাই, কমিচনৰ সাহেৰেৰ বাঙ্গালাত সোমাই কথাবার্ত্তা হৈ আপুন বাঙ্গালায় যায়। এই দস্তৰ ৰোজ ৰোজ হোৱাতে আমালোক বৰ সুখী ও আনন্দ হলোঁ। কি কৌশল! ধন্য! ॥ ৩৫৩ ॥

৯। ৰাণী পদ্মৰেখাই পেনচিন্ পোৱা।

পদ্মৰেখা ৰাণীৰ পেনচিন্, তৎপুত্র যুৱৰাজ খেতাপ নোপোৱা

তদপৰ মঞ্চি ৰৌলট্ সাহেৰ সহিত মপস্বল দক্ষিণ কুলে ভ্রমণ কৰি ফাগুন মাহে গোহাটী পালোঁ। এনেতে শুনিলোঁ, পদ্মৰেখা ৰাণীৰ নামে পেনচিন্ মঞ্জুৰ হৈ আহিল। যুৱৰাজ খেতাপ শ্রীকেশৰকান্তৰ মঞ্জুৰ নহল। কোঞৰী পাশ যোৱাতে, তদ্রূপ কৈ, ধাৰে নিয়া টকাখিনি দি, মোত কলে "লৰাটোৰ যুৱৰাজ খেতাপ নিদিলে ; এতেকে আপুনি একবেলি সাহেৰত কৈ ৰেপট্ কৰাওক।" মঞ্চি কলোঁ, "একবেলি নামঞ্জুৰ কৰিলে,

পদ্মৱেখা ৰাণীৰ কথা

আৰু কলে বা কি হব!" পদ্মৱেখা ৰাণী অগত্যা কৰি ধৰাতে ৰাজ বুলি শলাগি আহিলোঁ ॥ ৩৫৪ ॥

১০। কেশৱকান্তই যুৱৰাজ খেতাপ পোৱা।

কেশৱকান্তৰ 'যুৱৰাজ' খেতাপ পোৱা

একদিন মঞি কমিচনৰ সাহেৱ পাশ যাই চালাম দিয়াতে, চকীত বহি সুধিলোঁ—"সাহেৱ ঘনকান্ত যুৱৰাজৰ ৰাণীৰ পেনচিন্ ৫০০৲ টকা মঞ্জুৰহৈ অহা শুনিলোঁ। তৎপুত্ৰ কেশৱকান্তৰ যুৱৰাজ খেতাৱ মঞ্জুৰ নহল।" সাহেৱ কলে "হয়, সদৰৱালা মঞ্জুৰ নকৰিলে।" তাতে মঞি কলোঁ "মঞ্জুৰ নহৱৰ একো কাৰণ নাই। খেতাপ যে ইদানীক কেৱল নাম মাত্ৰ উৎসাহ বৰ্দ্ধন। গৱৰ্ণমেণ্টৰ একো লাভ বা লোকচান নাই; খেতাপ যোগ্য-যোগ্যানুমতে দিয়াত গৱৰ্ণমেণ্টৰ ভাল সেৱাই ৱঞা নাই। লোকজনৰ এনে এটা গৰিমা হয়,—'মঞি গৱৰ্ণমেণ্টৰ পৱা এনে খেতাপ পাইছোঁ'—বুলি গৱৰ্ণমেণ্টৰ হিতকৰ্ম্ম সাধন কৰিৱৰ সম্ভৱ। ও গৱৰ্ণমেণ্টৰ ইহাত কিছো লোকচান নাই। এতেকে আপুনি এইদৰে পুনৰ্ব্বাৰ একৱাৰ ৱেপট্ কৰক। যদি এই ৱেলিও নামঞ্জুৰ কৰে, পুনৰ্ব্বাৰ আপুনাত নকওঁ।" এই বুলি কোৱাতে—সাহেৱ তেতিয়াই ৱেপট্ কৰাতে একমাহ মুৰতে 'যুৱৰাজ' খেতাপ মঞ্জুৰহৈ অহাতে, যুৱৰাজ খেতাপ প্ৰাপ্ত হৈ ৰহিল। সেই সময় মঞি নাছিলোঁ, মপস্বল ভ্ৰমণ কৰিৱ গৈছিলোঁ। পৰে গোহাটী প্ৰাপ্ত হোৱাত কমিচনৰ সাহেৱ ও ৰাণী মোৰ আগত কৈছিল ॥ ৩৫৫ ॥

১১। ৱৌলট্, কমিচনৱৰ প্ৰিয়পাত্ৰ হোৱা।

ৱৌলট্ সাহেৱ, কমিচনৰ সাহেৱেৰ ৱৰ প্ৰিয়পাত্ৰ হ'ল। এৱং ৱোজ ৱোজ, প্ৰথম ৱৌলট্ সাহেৱেৰ ৱাঙ্গালায় যাই কথা-ৱাৰ্ত্তা হৈ, দুয়োজন একত্ৰে ওলাই আহি, কমিচনৰ সাহেৱ ৱৰ

কাছাৰী ও ৰৌলট্ সাহেবে আপন কাছাৰী যায়। কাছাৰী অন্তে ৰৌলট্ সাহেব কমিচনৰ বাঙ্গালা যাই কথাবার্ত্তা হৈ, আপন বাঙ্গালায় যায়। আৰু সেই সময়ত, কমিচনৰ সাহেবৰ বাঙ্গালাতে বাতি কিহবাই জুই দিয়াতে, কয়েকদিন ৰৌলট্ সাহেব নিজে পহৰা দিছিল। এনে প্রীত হ'ল ॥ ৩৫৬ ॥

ৰৌলট্ সাহেব পহৰা দিয়া ও কমিচনাৰ সহিত মিল হোৱা

চতুর্থ অধ্যায়

(শক ১৭৮০—১৭৮৩)

ইংলণ্ডেশ্বৰী মহাৰাণীৰ ৰাজ্যভাৰ গ্রহণ।

ক—১৭৮০ শক। ১২৬৫ সন। ১৮৫৮—৫৯ ইং।

বিষয়া সকল—পৰগণা বন্দবস্ত—মঞ্জি মুনচুফ্ হোৱা—মহাৰাণীৰ ৰাজ্যভাৰ গ্রহণ।

এই সনেও জিন্‌কিঞ্চন কমিচনৰ ও বিচ্ জুডিচীল কমিচনৰ ও ৰৌলট্ সাহেব ডিপুটী কমিচনৰ। তেওঁ ছুটী লৈ যোৱাতে লেম্‌সাহেব ইন্‌চার্জ্জ্ হয় ॥ ৩৫৭ ॥

কিন্তু ৰৌলট্ সাহেব ছুটী নৌলওঁতে কমিচনৰ সাহেবেৰ ১৮৫৬ ইংৰেজীৰ ২৫ সেপ্তেম্বৰৰ ২৯৯ নং চিঠিৰ আজ্ঞামতে কপিত কি পুৰা ১৷৷০ টকা, বাওতলী ও ফৰিঙ্গতী ৰবিত এক এক টকা, বস্তিত ১৷৷০ টকা, লাখৰাজ তদর্দ্ধমতে পৰগণা সকল ৩৫।১০ সনা ম্যাদে বন্দবস্ত কৰিলে ॥ ৩৫৮ ॥

পৰগণা বন্দবস্ত

হাজো পৰগণাও গৌৰীকান্ত সহিত বন্দবস্ত কৰিলে। আমাৰ যুক্তিমতে ঠাকুৰীয়াহঁতৰ দ্বাৰা খাজানা তহচীল কৰি মোৰ পাশ পঠায়। মঞ্জি সৰকাৰে দাখিল কৰোঁ। হাজো পৰগণাৰ তলীয়া ও তেতেলীয়া মোখনীয়া, ডিমৌ ও হিণ্ডলা দলৰ খাজানা মঞ্জি নিজে দিওঁ। আখেৰিতে ২০০।৩০০ বাকী পৰিলে, মঞ্জি দিওঁ, তথাপি প্যাদাজাৰি হব নিদোঁ ॥ ৩৫৯ ॥

হাজো পৰগণা

পৰে ৰৌলট্ সাহেৰ ছুটী লৈ কলিকাতা যোৱাতে তৎকৰ্ম্মে লেম্ সাহেৰ ইনচার্জ্জ্ হয়। তেওঁ ৰঙ্গিয়াতে মোক একটিং মন্‌চুফ হৈ যাব দিয়াতে মঞ্জি অস্বীকাৰ হলোঁ। সেহেতু মোৰ মুন্‌চেফি্ ৰোল চাট দিবৰ কাৰণে জুডিচীল কমিচনৰ সাহেৰেৰ হুজুৰে ৰেপট্ কৰাতে বিচ্ জুডিচীল কমিচনৰ মোক বাঙ্গালাতে তলব দি নি আশ্বাস দি যাব দিয়াতে মঞ্জি স্বীকাৰ হলোঁ। এবং মোক একটিং মুন্‌চেফ মকৰৰ কৰি হুকুম জাৰি কৰিলে। ইতিমধ্যে ৰৌলট্ সাহেৰ আপন কর্ম্মত হাজিৰ হোৱাতে লেম্ সাহেৰ অৱসৰ হল এবং আমি ৰঙ্গিয়াতে মুন্‌চেফ্ একটিং হৈ যাবৰ চিঠি ৰৌলট্ সাহেৰেৰ হাতত পৰিল। ও তেওঁৰ যুক্তিমতে ৬ নওম্বৰ হৈতে চেৰস্তাদাৰী কর্ম্মত ছুটী লৈ, ৯০৲ টাকা দৰমাহায় ১৮৫৮ ইংৰেজীৰ ২৭ সেপ্তাম্বৰ একটিং মুন্‌চেফ্ হৈ ৰঙ্গিয়া গলোঁ। অর্থাৎ আগে একটিং মুন্‌চেফ্ মকৰৰ হলোঁ, তদপৰ ৰৌলট্ সাহেৰ আপন কর্ম্মত হাজিৰ হোৱাতে, তেওঁৰ যুক্তিমতে—ছয় মাহৰ ছুটী লৈ ৰঙ্গিয়াত গলোঁ ॥ ৩৬০ ॥

মঞ্জি ৰঙ্গিয়াতে একটিং মন্‌চুফ্

মঞ্জি ৰঙ্গিয়াত মুন্‌চুফি

ৰঙ্গিয়াতে মঞ্জি কর্ম্মে প্রবর্ত্ত হৈ আছোঁ। এই সনে ভাৰতবর্ষৰ বিদ্রোহী শেষ হোৱাতে শ্রীশ্রীমহাৰাণী স্বয়ং ভাৰতবর্ষ মলুক গ্রহণ কৰি ইস্তাহাৰ জাৰি কৰিলে। এবং আৰ বেচি মলুক দখন নাকৰা ও হিন্দুৰ ধর্ম্মত হস্তক্ষেপ নকৰাও লিখিছিল ॥ ৩৬১ ॥

মহাৰাণী ভাৰতবর্ষ নিজে গ্রহণ কৰা

জিন্‌কিঞ্চন্‌ কমিচনৰ সাহেব ৰৌলট্‌ সাহেবক বৰ স্নেহ কৰি, তেওঁৰ যাহাতে ভাল উন্নতি হয়, সেই শ্রেষ্টাতে (১) থাকিল। এবং তেওঁৰ খোচ্‌নাম লিখি চাৰাপুঞ্জীতে পলিটিকেল আজেণ্ট মকৰৰ কৰিবৰ ৰেপট্‌ কৰিলে ॥ ৩৬২ ॥

পলিটিকেল এজেণ্ট কৰিবৰ ৰৌলট্‌ সাহেবেৰ নামে ৰেপট্‌

চতুর্থ অধ্যায় (ক্রমশঃ)

খ—১৭৮১ শক। ১২৬৬ সন। ১৮৫৯-৬০ ইং।

বিষয়া সকল—পৰগণা বন্দবস্ত—মঞিঃ পুনঃ চেৰস্তাদাৰ—ঘকুৱা খবৰ।

এই সনেও জিন্‌কিঞ্চন্‌ কমিচনৰ ও জান্‌বটলৰ জুডিচীল কমিচনৰ। অথচ বিচ্‌ জুডিচীল কমিচনৰ কর্ণেল হৈ যোৱাতে, তৎকর্ম্মে জান্‌বটলৰ জুডিচীল কমিচনৰ হ'ল। ও কামৰূপে ৰৌলট্‌ সাহেব ডিপুটী কমিচনৰ। ও আমি পুনৰ চেৰস্তাদাৰী কর্ম্মত হাজিৰ হবৰ হুকুম পোৱাতে, ১৮৫৯ ইংৰেজীৰ ১৯ আপৰেল ১২৬৬ সনৰ ৭ বৈশাখ পুনঃ চেৰস্তাদাৰী কর্ম্মত ৰৌলট্‌ সাহেব পাশ হাজিৰ হৈ, কর্ম্মত প্রবর্ত্ত হওঁ ॥ ৩৬৩ ॥

সাহেব লোক

এবং এইসনে ৰৌলট্‌ সাহেব গত সনৰ নিৰিখ মতে ও নিয়ম মতে পৰগণাসকল ৩।৫।১০ সনা ম্যাদে বন্দবস্ত কৰিলে। ও হাজো পৰগণাও গৌৰীকান্ত সহিত বন্দবস্ত কৰিলে। তেওঁ

টোকা—শ্রেষ্টা=চেষ্টা।

পৰগণা বন্দবস্ত

পৰগণা যাই, আমাৰ যুক্তিমতে খাজানা তহচীল কৰি, সৰকাৰে দাখিল কাৰণ, মোৰ পাশ পঠায়। ও মঞ্জি নিয়মমত দাখিল কৰি, অৱশেষ সাল তামামি শেষে তিনি চাৰিশ টাকা নিজৰ পৰা দিওঁ, তথাপি প্যাদা জাৰি নকৰোঁ॥ ৩৬৪॥

পেয়ালৰ নিয়ম

এই সনে আমি ৰৌলট্ সাহেৱ সহিত মপস্বল ভ্রমণ কৰি ফুৰিছিলোঁ। ও আমাৰ যুক্তিমত, ফৰিঙ্গতি মহলৰ, পৌষ মাসে পেয়াল খতম কৰিবৰ ও ৰুপিত মহলৰ বৈশাগ মাহে, পেয়াল কৰি খতম কৰিবৰ নিয়ম কৰি, ৰৌলট্ সাহেৱ, মঞ্জি কমিচনৰ পাশ যাই, নিয়ম কৰিছিলোঁ॥ ৩৬৫॥

গোপীকান্ত বৰুৱা মোৰ ঘৰে থকা

গোপীকান্ত বৰুৱা তস্য পত্নি শ্রীতিলমতী সহিত, মঞ্জি সোণাৰি ভেটিত থকাতে, মোৰ ঘৰত থাকে। তদ্‌পুত্র কালীকান্ত নদীৰ কাখৰৰ টিলাৰ দক্ষিণে, দেৱৰৰ ৰৰদলৈৰ নিলাম খৰিদা মাটিত ঘৰ কৰে। ও মহাফেজ কিছোদিন মোৰ ঘৰতে থাকি, তদপৰ মোৰ উত্তৰফালে একখণ্ড বাৰী মাটি এৰি দিয়াতে, তাতে ঘৰ কৰি আছিল॥ ৩৬৬॥

ৰৌলট্ সাহেৱ পলিটিকেল এজেণ্ট হৈ চাৰা-পুঞ্জীতে যোৱা। লয়েড্ সাহেৱ তৎকর্ম্মে অহা

তদপৰ ১৮৬০ ইংৰেজীৰ ৩০ মার্চ্চ ১২৬৬ সনৰ ১৮ চৈত্র, ৰৌলট্ সাহেৱ গাৰোৱালে পলিটিকেল এজেণ্ট হৈ চাৰাপুঞ্জীতে গল। তৎকর্ম্মে ঐ সনৰ ২ আপৰেল ২১ চৈত্র নগাঞৰ পৰা কাপ্তান লয়েড্ সাহেৱ আহি চার্জ্জ্ গ্রহণ কৰিলে। তেতিয়া আমি চেৰস্তাদাৰী কর্ম্ম কৰি আছিলোঁ॥ ৩৬৭॥

চতুর্থ অধ্যায় (ক্রমশঃ)

গ—১৭৮২ শক। ১২৬৭ সন। ১৮৬০ ৬১ ইং

১। বিষয়া সকল—পৰগণা বন্দবস্ত—
মঞ্জি ডেপুটী কলেক্টৰ হোৱা—অন্যান্য কথা।

এই সনেও জিন্‌কিঞ্চন্ কমিচনৰ ও বিচ্ জুডিচীল কমিচনৰ। কামৰূপে কাপ্তান লয়েড্ সাহেব ডিপুটী কমিচনৰ-কালেক্টৰ। মঞ্জি চেৰস্তদাৰ ॥ ৩৬৮ ॥

এওঁ লয়েড্ সাহেব গত সনৰ নিৰিখ ও নিয়ম মতে, ম্যাদ গতে পৰগণাসকল, এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। এওঁ সাহেব অত্যন্ত ৰাগী আছিল ॥ ৩৬৯ ॥

এই সনৰ ২৭ জৈষ্ট বিষ্ণুদত্ত বৈনায় গোহাটীত ফৌহ্ হয়। আমি কৰ্ম্ম-কার্য্য খৰচ দি কৰালোঁ ॥ ৩৭০ ॥

আমি লয়েড্ সাহেবেৰ আমলে চেৰস্তাদাৰী কৰ্ম্ম কৰি আছিলোঁ। তেওঁ মোক ভাল পাইছিল। ইতঃমধ্যে ১৮৬০ (ইংৰেজী) সালেৰ ৩২ আইন। ইন্‌কম্‌টেক্‌স্ বিষয় গেজেট জাৰি হৱাতে কাছাৰীত মঞ্জি তেওঁ সহিত এজলাচ কৰি থাকাতে, তেওঁ কোঠাৰ ভিতৰে উঠি গ'ল। এবং কিয়ৎক্ষণ, মোকো তালৈকে মাতি নি চকীত বহুৱাই কলে "মঞ্জি আপুনাক ৩২ আইন মতে আচিচৰ্ ডিপুটী কালেক্টৰ মকৰৰ কৰিব খোজোঁ। আপুনি যাবনে?" মঞ্জি কলোঁ, "আপুনি মোৰ মুৰব্বী, যি কৰ্ম্ম কৰিব দিয়ে, আপুনাৰ আজ্ঞা পালন কৰিম।" এনে কোৱাতে, আনন্দ হৈ মোৰ নামে কমিচনাৰিত ৰেপট্ কৰিলে ॥ ৩৭১ ॥

মোৰ নামে আচিচৰি ৰেপট্‌কৰা

তদপৰ কমিচনৰ সাহেব, মহেশ চন্দ্র বৰুৱা ডিপুটী কালেক্টৰ

পৰ ঐ ৩২ আইনমতে কৰ্ম্ম কৰাৰ অভিপ্ৰায় কৰিলে। এই কথা লয়েড্ সাহেব শুনি, কোঠালৈ মোক মাতিনি কলে "আপুনি শুনিছে কি নাই, কমিচনৰ সাহেব, মহেশ চন্দ্ৰ বৰুৱা ডিপুটী কালেক্টৰকে আচিচৰ্ মকৰৰ কৰি, দুয়ো কৰ্ম্মৰ দৰমহা দিব খোজে। মঞি কেতিয়াও তেওঁক সেই কৰ্ম্ম নিদোঁ। গৱৰ্ণমেণ্ট সহিত লড়ি আপুনাক আচিচৰি অথবা ডিপুটী কালেক্টৰ, এক কৰ্ম্ম দিয়াই দিম।" এই বুলি খং কৰি বকি আছিল। কিছো সাম্য হোৱাত মঞি হাতযোৰ কৰি কলোঁ "আপুনি কমিচনৰ সাহেবক খং কৰা কাম নাই। মঞি ক্ষুদ্ৰ-লোকৰ কাৰণে কমিচনৰ সাহেবেৰ সহিত লড়িবৰ ও কাজিয়া কৰাৰ কাম নাই। আপুনাৰ নেকনজৰ থাকিলে, এই চেৰস্তা-দাৰী ভাল। বদ্নজৰ হলে আচিচৰ কি ডিপুটী কালেক্টৰ ভাল নহয়। কিন্তু মঞি গেজেট দেখিছোঁ, আচিচৰি কৰ্ম্ম জেলাৰ ডিপুটী কালেক্টৰ সকলো কৰিব পাৰিব। সেই অনুসাৰে গোৱালপাৰাত গুণাভিৰাম বৰুৱা ডিপুটী কালেক্টৰৰ পৰ অৰ্পণ হৈছে বুলি শুনিছোঁ।" লয়েড্ সাহেব কয় "নহয়, কমিচনৰ সাহেব দুয়ো কৰ্ম্মৰ দৰমহা মহেশ চন্দ্ৰক দিব খোজে, মঞি কদাপি নিদোঁ। গৱৰ্ণমেণ্টে ৰেপট্ কৰিম।" মঞি পুনঃ পুনঃ কওঁ "মোৰ নিমিত্তে লড়িবৰ কাম নাই।" সাহেব হাঁহি কলে "আপুনি ভয় কৰে হবলা?" মঞি কলোঁ "হয়, কি জন্যে মোৰ নিমিত্তে কাজিয়া কৰিব লাগে।" সাহেব হাঁহি কলে "বাৰু, যেইমতে হওক, তোমাক এক কৰ্ম্ম দিম," বুলি স্বীকাৰ কৰিলে ॥ ৩৭২ ॥

লয়েড্ সাহেব মোক আচিচৰ মকৰৰ কৰিব খোজা

লয়েড্ সাহেব সহিত মোৰ কথোপ-কথন

তদপৰ, আশ্বিন মাহে, মহামাৰি হৰাতে, মহেশ চন্দ্ৰ বৰুৱা ডিপুটী কালেক্টৰ ও তেওঁৰ পুত্ৰ ও ঘৈণী মৃত হৰাতেই, কেতিয়াবা মোৰ নামে কমিচনাৰিত ৰেপট্ কৰাতে মঞ্জুৰী আহিল। সেই দিন সাহেব কাছাৰী অহা নাই। মোক মাতিনি, চিঠি দি, কলে

মঞি ডিপুটী কালেক্টৰ মকৰৰ

"মঞ্চি আপুনাৰ নিমিত্তে ডিপুটী কালেক্টৰি ৰেপট্ কৰাতে কমিচনৰ সাহেৱ মঞ্জুৰ কৰি, সদৰে ৰেপট্ কৰিছে। এতিয়াই তোমি চার্জ্জ্ লৈ কৰ্ম্ম কৰাগৈ।" এমত কহাতে, মঞ্চি কাছাৰী আহি লেম সাহেৱ জুনিয়ৰ পাশ স্বীকৃতিনামা দি ডিপুটী-কালেক্টৰি চার্জ্জ্ লৈ কৰ্ম্মে প্রবর্ত্ত হলোঁ। এৱং ১৫০৲ টাকা দৰমহা হ'ল। মোৰ চেৰস্তাদাৰী পদ খালি হোৱাতে, লয়েড্ সাহেৱেৰ জিজ্ঞাসা মতে পূর্ণৰাম মহাফেজকে মকৰৰ কৰিবৰ কোৱাতে, মকৰৰ কৰিলে। তেতিয়া তেওঁ ছুটী লৈ ঘৰত আছিল। চিঠি দি মাতি আনি, চেৰস্তাদাৰী কৰ্ম্ম কৰিব দিলোঁ ॥ ৩৭৩ ॥

পূর্ণৰাম চেৰস্তাদাৰ হোৱা

মঞ্চি ডিপুটী কালেক্টৰ হৈ, ১০ আইন মতে কৰ্ম্ম কৰি আছিলোঁ। একদিন, কাছাৰীৰ কোঠায় লয়েড্ সাহেৱ মোক মাতি নি, সুধিলে, "বোলে, এই জেলা ভাৰী, আপুনি আচিচৰি কৰ্ম্ম ৩২ আইনমত কৰিবৰ সময় নাপাৰ, এইজন্যে দুইজন আচিচৰ্ মঞ্চি মকৰৰ কৰিব খোজোঁ। আপুনি ভাল মানুহ দুইজন নাম কৈ দিয়ক।" তাতে মঞ্চি বলৰাম ফোকন ও কীর্ত্তিনাথ গোহাঞী ও বন্ধু মুন্সী পেচ্কাৰৰ কথা কলোঁ। তাতে বলৰাম ফোকন বাদ, দুইজনৰ নামে ৰেপট্ কৰিলে। ২৫০৲ টাকা প্রত্যেক দৰমহা ॥ ৩৭৪ ॥

দুইজন আচিচৰ্ কৰা ৰেপট্

তদপৰ আক্টুবৰ শেষে সদৰৰ পৰা মঞ্জুৰ হৈ অহাতে, দুয়োজন আচিচৰ্ ডিপুটী কালেক্টৰ মকৰৰ হল। এৱং আইন দি টেক্স্ বন্দবস্ত কৰিব চমজাই দিলোঁ। কোঠাতে বহি আইন চাইছিল। ইস্তাহাৰ জাৰি কৰিবৰ, মঞ্চি দেখোৱাই দিলোঁ। ও ইস্তাহাৰ জাৰি কৰিলে ॥ ৩৭৫ ॥

টেক্স্ বিষয় ইস্তাহাৰ

২। মহামাৰী—কাম নকৰা আচিচৰ্ (Assessor) মপস্বল ভ্ৰমণাদি

মহামাৰী

এই সময় মহামাৰীতে মোৰ ঘৰৰ বহু মানুহ, জীউৰাম, তস্য স্ত্রী মৰিল। ও শতাবৰ্ত্তন পাঠ কৰা সভাপতি শৰ্ম্মা মৃতকল্প হ'ল। কোনো মতে প্ৰাণ বাচিল। অন্য ব্ৰাহ্মণ ও মাধবানন্দ অধ্যাপকৰ দ্বাৰা কৰ্ম্ম সম্পাদন কৰা হল। ও আমালোকে যাই ৰুদ্রেশ্বৰ দেৱালয়ত সপৰিবাৰে ভাতৃ সহিত থাকি তাৰ পৰাহে কাছাৰী কৰিছিলোঁ। মাৰী সাম্য হোৱাতহে ঘৰ ললোহি ॥৩৭৬॥

আচিচৰ্ দুজনে কৰ্ম্ম নকৰা

নওম্বৰ মাহত, একদিন লয়েড্ সাহেব মোত কলে "আচিচৰ্ দুইজনে একো কৰ্ম্ম কৰা নাই।" মঞি কলোঁ "৩২ আইন কঠিন। তেওঁলোকে চাই বুজিছে আৰো ইস্তাহাৰ জাৰি কৰিছে। যি মতে কৰ্ম্ম কৰিব লাগে, মঞি চমজাই দিছোঁ। কৰ্ম্ম হব।" ইপিনে আচিচৰ্ দুইজনক তদবিৰ্ কৰিলোঁ ॥ ৩৭৭ ॥

মুন্সী আচিচৰ্ মপস্বল নোযোৱা

তদপৰ নওম্বৰ মাহৰ শেষত লয়েড্ সাহেব মপস্বল উত্তৰ কুলে, যাবৰ ওলাল। টেক্স্ বন্দবস্ত জন্যে মুন্সীক লগত নিব ধৰাত নগল। অপৰ আমলাগণ সহিতে মপস্বল গ'ল ॥ ৩৭৮ ॥

শ্রীচন্দ্রৰ বিবাহ হেতু ছোৱালী অনা

শ্রীচন্দ্রকান্তৰ বিবাহ কৰাবৰ সময় হোৱাতে নাউমানুহ পঠাই মাজোলীৰ কৰতি গাঞৰ, শুকুৰা দলৈৰ জীয়েক শ্রীবকুলীক অনা গল ; কিন্তু আগ মাঘ বা ফাগুনত বিবাহ কৰাবৰ মনস্থে তদ্ভ্রাতা প্রভিতিক ৰখা গ'ল। এবং এই যুক্তি গৌৰীকান্ত সহিত কৰা গ'ল ॥ ৩৭৯ ॥

মঞি টেক্স্ বন্দবস্ত কৰা বিষয় চিঠি অহা

তদপৰ ডিচাম্বৰ মাহে লয়েড্ সাহেবৰ মপস্বল হৈতে এক-খানি ইংৰেজী চিঠি পালোঁ যে, আচিচৰ্ দুই জনে ৩২ আইন-মতে টেক্সৰ কৰ্ম্ম অথচ বন্দবস্ত কৰা নাই। সদৰৰ পৰা তৰি কৰি (১) মোৰ কৈফিয়ৎ তলব কৰিছে। এতেকে কীৰ্ত্তিনাথ

টোকা—(১) তম্বি কৰি=ধমকি দি

গোহাঞী আচিচৰক মোৰ পাশে পঠাই দিবা। ও তোমি ডুমৰিয়া প্রভিতি স্থানে শীঘ্রে যাই, দক্ষিণ কুল বন্দবস্ত কৰিবা ॥ ৩৮০ ॥

মঞ্জি চিঠি পাই, কীর্ত্তিনাথ গোহাঞীক, আইন ও বহীজাত সমেত সাহেব পাশ পঠাই মঞ্জি দেবীচৰণ মহৰিৰ সহিত, প্রথম ডুমৰিয়া অঞ্চলে যাই, বন্দবস্ত পূর্ব্বক, গোহাটী আহি গোহাটীৰ বন্দবস্ত কৰিলোঁ। তদপৰ ছয়আনি পৰগণায় ৰওনা হৈ ছয়আনি ও ছয়গাঞ, পানতান, ৰঙদুৱাৰ, মৈৰাপুৰ বন্দবস্ত কৰি লুকি পালোঁ। তাতে থাকি লুকি দ্বাৰ বগাই ও বকো ও বেকানী বন্দবস্ত কৰিছোঁ। ইতিমধ্যে মাঘ মাহ প্রবেশ হব লগা হ'ল। এনেতে ভকতৰাম নামেৰে একজন সাড়া যাই কলে,—সি মোৰ লগতে ফুৰিছিল। তাক মঞ্জি টেকলা কর্ম্মতে ৰাখিছিলোঁ। সি কলে "শ্রীচন্দ্রকান্তৰ বিবাহ পাতিছে, তালৈকে আপুনাক আইদৌতাই মাতিছে। যদি যাব নোৱাৰে, অলঙ্কাৰৰ সঁচাৰ, মোৰ হাতত দিব দিছে।" এইকথা শুনি, "মঞ্জি কেনেকৈ যাম, কোনে ছুটী দিব, সাহেব ওচৰত নাই।" এই বুলি সঁচাৰ তাৰ হাতত দি, মঞ্জি নগৰবেড়া পৰগণা পাই ব্রহ্মপুত্রৰ কিনাৰত তৈয়াৰী বাহাত থাকিলোঁ। এবং শুনিলোঁ যে লয়েড্ সাহেব উত্তৰ কুলে চেঙ্গা বহাৰত আছে ॥ ৩৮১ ॥

কীর্ত্তিনাথ গোহাঞী আচিচৰক মপস্থল পঠোৱা

মঞ্জি দক্ষিণ কুল বন্দবস্ত কৰা

মঞ্জি নগৰবেড়া বেলা দুই দণ্ডমান থকাতে পাই মনে বিবেচনা কৰিলোঁ, যদি শ্রীচন্দ্রকান্তৰ বিবাহ পাতিছে, চাবিও দি পঠালোঁ। তথাপি মঞ্জি নগলে, ঘৰৰ সকলোৱে বেজাৰ কৰিব। আৰো ভ্রাতৃবিৰোধ হব পাৰিব। এই বুলি, তেতিয়াই নগৰবেড়াৰ বন্দবস্ত কৰি, খাগৰ চৌধাৰীক সোধাত, দুই দিনে গোহাটী নাৱেৰে পহুচাই দিম বুলি কোৱাতে, নাউৰ খৰচা দি, "জৰুৰী কর্ম্ম হৈছে, তিন দিন জন্যে গোহাটী যাবৰ ৰওনা হলোঁ" বুলি লয়েড্ সাহেবেৰ হুজুৰে এত্যালা দিলোঁ। এবং

মঞ্জি নগৰ-বেৰা হৈতে গোহাটী অহা।

পুনৰ দক্ষিণ কুলে যোৱা

পুনৰ হীৰাপাৰা যাই দক্ষিণ কুল বন্দবস্ত কৰা

দেবীচৰণ মহৰি দ্রব্যজাত সমেত ও লগুৱাদি সহিতে ও হাতী সহিতে চ'মূৰীয়া সত্রে থাকিবৰ, ও মঞি গোহাটী হৈতে পুনৰ দক্ষিণ সৰু বংশৰ হীৰাপাৰা হৈ চ'মূৰীয়া সত্রত উপস্থিত হম, বুলি কেৱল ক'লামণি লগুৱা লৈ, প্রাতসে ৰওনা হৈ দুপ্রহৰ সময় জল তৰাতৰিতে খাই, সান্ধ্য সময় হীৰাপাৰাৰ নাম গৰাত ভাত খাই থাকিলোঁ। তদপৰ প্রাতসে উঠি নাউ মেলি দুপ্রহৰ সময় শোৱালকুচিৰ বালিত উঠি, গা ধুই, তৰাতৰিতে জল খাই সন্ধ্যাৰপৰা নিশা এক প্রহৰ সময় ঘাট পালোঁ। তাত পানী তোলা ঘৰ নেদেখি, ক'লামণি সহিত উঠি ঘৰে আহিলোঁ; একো ৰাই-ৰোই নাই। মাধবানন্দ শর্ম্মা অধ্যাপক শোৰৰ উত্তম কৰিছে। ৺মাতৃ ও ৰৰঘৈণী উঠি আহিল। গৌৰীকান্তৰ কথা সোধাতে, পৰগণাত থকা কলে। এবং চাবি পোৱাকো কলে। বিবাহৰ কথা সোধাতে, পাতিব খোজা মাত্র কলে। তাতে, ৰৰঘৈণী ও ৺মাতৃকো খং কৰি, ৰাতি থাই বৈ, প্রাতসে সেই নাৱেৰে ভটীয়াই হীৰাপাৰাত মধুৰাম চৌধাৰী-ঘৰত থাকি, নাউ বিদায় দি পঠালোঁ॥ ৩৮২॥

পৰদিনা, মধুৰাম চৌধাৰীৰ হাতী লৈ ৰওনা হৈ সন্ধ্যা সময় চ'মূৰীয়া সত্রত মহৰিৰসকল সহিত থাকি, পৰদিনা টেক্‌সৰ বন্দবস্ত কৰিলোঁ। এবং পৰদিনা পূর্ব্ব চ'মূৰীয়া যাই, তাতে থাকি বন্দবস্ত পূর্ব্বক, পৰদিনা দক্ষিণ সৰুবংশৰ হীৰাপাৰাত থাকি বন্দবস্ত (কৰিলোঁ)। তাৰ পৰদিন ৰাণীৰ গড়ল মৌজাত থাকি ৰাণীৰ বন্দবস্ত পূর্ব্বক গোহাটী আহিলোঁ॥ ৩৮৩॥

শ্রীচন্দ্রৰ বিবাহ

এনেতে ফাগুন মাহ পৰিল দেখি শ্রীচন্দ্রকান্তৰ বিবাহ পাতি, গৌৰীকান্তক অনালোঁ। এবং হাজোৱলীয়া গায়ন-বায়ন ও নাচনিয়াৰ ও ঢুলীয়া-কালীয়া আনি পানী তোলাই সমাৰোহে শ্রীযুকুলীক শ্রীচন্দ্রকান্তক বিবাহ কৰালোঁ॥ ৩৮৪॥

৩। বন্ধু মুন্সী সংবাদ—আন আন খবৰ—বিবাহাদি।

তদপৰ বন্ধু মুন্সী আচিচৰ ও আজেণ্টিৰ পেচ্‌কাৰী কৰ্ম্ম হতে বৰখাস্তৰ হুকুম অহাতে, অৱসৰ হল ॥ ৩৮৫ ॥ মুন্সি বৰখাস্ত

ইতঃমধ্যে জিন্‌কিঞ্চন্ কমিচনৰ সাহেব পেনচিন্ লৰৰ হুকুম অহাত, তৎকৰ্ম্মে হফ্‌কিঞ্চন্ কমিচনৰ হৈ ১৮৬১ ইংৰেজীৰ ২৭ ফেব্রুৱাৰী ; ১২৬৭ সনৰ ১৭ ফাগুন চার্জ্জ্ ললে ॥ ৩৮৬ ॥ জিন্‌কিঞ্চন্ পেনচিন্ লোৱাত হফ্‌কিঞ্চন্ কমিচনৰ

বিচ্ জুডিচীল কমিচনৰ ছুটী লোৱাতে, তৎকৰ্ম্মে ১৩ মার্চ্চ চৈত্ৰ শ্ৰীযুত ৱৌলট্ সাহেব গাৱোৱালৰ পৱা আহি, একটিং জুডিচীল হয় ॥ ৩৮৭ ॥ ৱৌলট্ জুডিচীল কমিচনৰ

শ্ৰীকমলাকান্ত এই সনে, আবকাৰীৰ একটিং মহৰিৰ মকৰৰ কৰি দিওঁ ॥ ৩৮৮ ॥ কমলাকান্ত মহৰিৰ

এবং কালেক্টৰিত ৫৲ টাকাৰ খোৱাক-খোৰ কৰ্ম্ম এটি খালি আছিল। সেইটি কৰ্ম্মতে আমাৰ ভতিজা শ্ৰীচন্দ্রকান্তকে মকৰৰ কৰাৰ নিমিত্তে লয়েড্ সাহেবেৰ বাঙ্গালায় যাই কোৱাতে, "মকৰৰ কৰিম" বুলি কৈছিল। কয়েকদিনপৰেই, কেৰ (কেৰ ?) সাহেব জুনিয়ৰকে চার্জ্জ্ দি, লয়েড্ সাহেব মপস্বলে গ'লে, জুনিয়ৰ সাহেব অন্য এটাকহে মকৰৰ কৰিব, এই ভাবি মঞ্জি গোহাটীত থকাতে, শ্ৰীচন্দ্রকান্তক লগত লৈ, কাছাৰী যাওঁতে, বাঙ্গালাত সোমাই শ্ৰীচন্দ্রকান্তক বেৰৰ আৰ কৰি থৈ, মঞ্জি সাহেবক চালাম দিয়াতে, বহিবৰ চকী দিলে। এবং বহি সাহেবত সুধিলোঁ "আজি আপুনি মপস্বল যাব হবলা ?" সাহেব কলে "এতিয়াই উত্তৰ কুলে যাম।" তাতে মঞ্জি কলোঁ "সাহেব কালেক্টৰিত পাঁচ টকাৰ খোৱাক-খোৰৰ মোট এটি খালি আছে। তাতে আমাৰ ভতিজা এটিক মকৰৰ কৰিবৰ কাৰণ আপুনাত কোৱাতে, কবুল কৰিছিল। এতিয়া আপুনি কেৰ' সাহেবক চার্জ্জ্ দি, আজি মপস্বলে যায়। ঐ সাহেব অন্য লয়েড্ সাহেব মপস্বল

লোককহে মকৰৰ কৰিব। এই তুচ্ছ কথা পুনঃ পুনঃ আপুনাত কৰৰ চৰম লাগে।" এনে কোৱাতে, সাহেবে কলে "মঞি পাহৰি আছোঁ।" এই বুলি জেবৰ পৰা সৰু বহী এটী উলিয়াই কি নাম বুলি সোধাত, শ্রীচন্দ্রকান্ত বুলি কলোঁ। তেতিয়া শ্রীচন্দ্রক মাতিলোঁ। তেওঁ সাহেবক চালাম দি হাজিৰ হল। সাহেব বহীটীত নাম লিখি মোত কলে "আপুনি কাছাৰী যাওক। মঞি কাছাৰীত যাই হুকুম দি সেইপিনে অশ্বক্রান্ত ঘাটে পাৰ হৈ, মপস্বল যাম।" এইবুলি বিদায় দিয়াতে মঞি শ্রীচন্দ্রকান্ত সহিত কাছাৰী আহি ডিপুটী কালেক্টৰি গাদীত বহিছোঁ মাত্র, এনেতে লয়েড্ সাহেব কাছাৰী যাই দেখিলে, তেওঁ বহা গাদী চকীতে ফেৰ' সাহেব বহিছে। কাথতে থিয় হৈ ঐ সাহেবক ইংৰেজীতে গালি পাবিছে যে, "তঞি মোৰ গাদীত বহিবৰ এক্তাৰ নাই।" এবং প্রকাৰ নানা তিরস্কাৰ কৰাতে, তেওঁ তত নাপাই টুপী লাঠী এৰি ৰেলৰ ওপৰেদি যাই, আপুনি জুনিয়ৰ গাদীত বহিল। তেতিয়াই থিয় হৈ জেবৰ পৰা বহী ওলিয়াই পূর্ণৰাম চেৰেস্তাদাৰক হুকুম দি চকীত বহিল। তদপৰ, দেৱানীৰ ও কালেক্টৰি ও ফৌজাদাৰীৰ চহীৰ কাগজ অনাই চহী কৰি, তাৰেপৰা পাৰঘাটে পাৰ হৈ, মপস্বলে গল ॥ ৩৮৯ ॥

শ্রীচন্দ্রকান্তক মকৰৰ কথা

লয়েড-ফেৰ' বিৰোধ

ফেৰ' সাহেব জুনিয়ৰ বৰ লজ্জা পাই, কমিচনৰ সাহেবৰ হুজুৰে ৰেপট কৰাতে জিন্‌কিঞ্চন্ কমিচনৰ লয়েড্ সাহেবৰ কৈফিয়ৎ তলৰ কৰি উভয়কে শান্ত্বনা অথচ সমঞ্জস্ কৰি ৰাখিলে। তদপৰহে, হফ্‌কিঞ্চন্ সাহেবক চার্জ্জ্ দিলে ॥ ৩৯০ ॥

এই সনে নদীৰ কাখৰৰ মাটি খৰিদ বাবতে পশু ৰামক ৩১৲ টাকা ও জজ্তোৰাম দলৈক ১০৲ টাকা দি মাটি কিনি লওঁ ॥ ৩৯১ ॥

মুন্সীৰ খাটনি

মুন্সী আচিচৰ্ ও এজেণ্টিৰ পেচ্‌কাৰি কর্ম্ম হইতে বৰখাস্ত হোৱাতে, মোক নানামত খোচামতি কৰি কলে যে "মঞি পেচ্‌কাৰি কর্ম্মতে আছিলোঁ। মোক আপুনি আনি

আচিচৰ্ মকৰৰ কৰিলে। এতিয়া আচিচৰি কৰ্ম্ম গ'ল, তাত খেতি নাই। পেচ্‌কাৰি কৰ্ম্মও গল, এতিয়া মঞি মৰা পৰিলোঁ। আপুনি অনুগ্রহ কৰি মোক ৰাখক।" মঞি কলোঁ "মোত দোষ নাই আৰু লয়েড্ সাহেবতো দোষ নাই। তোমি আপুনি খাৰাপ কৰিছা, মঞি কি কৰিম? এতিয়া কি সাধ্য আছে।" এই বুলি কাছাৰী গ'লোঁ। তদপৰ কাছাৰীৰ পৰা অহাতো বাটতে চালাম দি নানামত মিনতি কৰি কৰ ধৰিলে। এবং গোহাটীৰ বাসায় যায়ো অনেকমতে মিনতি কৰি, সাবেক পেচ্‌কাৰি কৰ্ম্ম ৰখাৰ কথা কৈ, ৰোজ ৰোজ কাছাৰী যোৱা অহাতো কৈ, মোক বৰ দিগ কৰিলে॥ ৩৯২॥

একদিন মঞি কলোঁ "তোমি যে মোক সর্ব্বদা দিগ্ কৰা, মঞি কি কৰিম? নতুন কমিচনৰ হৈছে, আমাৰ সহিত চিনা-জুন্না নাই। বিশেষ সদৰ হৈতে তোমি ৰৰখাস্ত হৈছা। তথাপি যদি পাৰা, বুঢ়া কমিচনৰ দ্বাৰা নতুন কমিচনৰত চোপাৰিচ কৰাই সদৰে ৰেপট্ কৰোৱা।" তাতে মুন্সীয়ে নতুন কমিচনৰৰ সহিত অবর্গ থাকা কথা কলে। মঞি কলোঁ "কি উপায় আছে, কৰিম?" কালু মুন্সীয়ে কলে "আপুনি লয়েড্ সাহেব সহিত ভাল আছে। সাহেবত মোৰ কথা কৈ পেচ্‌কাৰি কৰ্ম্মত ৰাখিবলৈ, গবর্ণৰ সাহেবৰ ঠাই ৰেপট কৰিলে, হব পাৰিব।" মঞি কলোঁ "লয়েড্ সাহেব যেনে ৰাগী, তাক জানা; তথাপি তোমাৰ জন্যে মঞি চেষ্টা কৰি দেখিম। তোমি বৰ তৰাতৰি নকৰিবা।" ॥ ৩৯৩॥

৪। লয়েড্ সাহেব ব্রাহ্মণ জাতিৰ কথা সোধা।

তদপৰ মঞি একদিন লয়েড্ সাহেবৰ পাশ যোৱাত, সাহেব থিয় হৈ আছিল। মোক দেখিয়েই "ওৱাল, ডিপুটী কালেক্টৰ সাহেব, মঞি এটী কথা সোধো, কব লাগে। আপুনাৰ

লয়েড্ সাহেৰ ব্ৰাহ্মণ জাতিৰ কথা সোধা

নিচিনা একজন ভদ্রলোক মোত কৈছে, প্রথম পৰমীশ্বৰ খোদা যেতিয়া সৃষ্টি কৰে, তেতিয়া সকল মছলমানহে হ'ল। তন্মধ্যে কয়েকলোক ডিঙ্গিত পৈতা লৈ—'আমি ব্রাহ্মণ' বুলি কলে। তাৰে পৰাহে ব্রাহ্মণ হ'ল। হয়নে?" মঞি অবাক হলোঁ। কি কম! সত্য কথা কলে বা কি জানি খং উঠে! যাহক, সত্য কথাই কোৱা ভাল, যেই কি নহওক। এই বুলি, কলোঁ "সাহেব, মঞি অসত্য কথা কব নোৱাৰু। পৰমীশ্বৰ যেতিয়া সৃষ্টি কৰিবৰ ইচ্ছা হ'ল, প্রথমেই মুখৰ পৰা ব্রাহ্মণ; বাহুৰ পৰা ক্ষত্রিয়; উৰুৰ পৰা বৈশ্য জাতি; চৰণৰ পৰা শূদ্র জাতি সৃজি, ব্রাহ্মণে ভিক্ষাটন কৰি পৰমীশ্বৰক উপাসনা; ক্ষেত্রিয়ে ৰাজত্বি কৰি দুষ্টক দমন, ব্রাহ্মণাদি সন্তক পালন; ও বৈশ্য জাতি কৃষি, বাণিজ্য, গোচাৰণ কৰিব; শূদ্রে তিনিও জাতিৰ পৰিচর্য্যা, খেদ্মত কৰিব। পৰে ঐ সকল জাতিৰ সংসর্গ হৈ নানা জাতি হল। মঞি ইয়াকেহে কব পাৰোঁ।" যেতিয়াই এনে বুলি কলোঁ, তেতিয়া পূর্ব্বে কোৱাজনক গালি পাৰিব ধৰিলে। "* * * মোৰ আগত এনে মিছা কথা কয়!" এইবুলি মোক চকীত বহিব দি আলমাৰিৰ পৰা দুটা কেতাব আনি চকীত বহি পঢ়ি আছিল। পৰে মোত কলে "মঞি সংস্কৃত জানোঁ আৰু বেদ, ভাগৱত, পুৰাণ পঢ়িছোঁ। মঞি জানোঁ, ব্রাহ্মণ সকলোতকৈ উত্তম।* মোৰ আগত মছলমান হৈতে ব্রাহ্মণ হোৱা কয়? কিন্তু এতিয়া ব্রাহ্মণ, জমীন আসমান্ হৈতে ফৰক্ হৈছে।" তাতে মঞি কলোঁ "একথা সত্য, আমি ব্রাহ্মণ সকলে স্বধর্ম্ম এৰি চাকৰি কৰিছোঁ; এ গতিকে হীন হৈছোঁ।" সাহেবে স্বীকাৰ কৰি অন্যান্য কথা কৈ বিদায় দিলে। মঞি আহিলোঁ॥ ৩৯৪॥

৫। বন্ধু মুন্সীৰ হকে কোৱা—মুন্সীৰ কৰ্ম্ম প্ৰাপ্তি।

এহাৰ দুই কি তিনদিন পৰে, মঞ্চি বাঙ্গালায় যাই সাহেবক চালাম দিয়া মাত্ৰে, চকীত বহোৱাই সমাদৰ পূৰ্ব্বক সুধিলে "কিবা কৰ আছেনে?" মঞ্চি কলোঁ "সাহেব এটী কথা কবৰ আছে। মুন্সী সহিত, মঞ্চি প্ৰায় সকৰে পৰা একত্রে চলাফিৰা কৰি, গোহাটীত আছোঁ। আপুনি আচিচৰ্ মকৰৰ কৰাৰ নিমিত্তে দুইজন ভাললোকৰ নাম সোধাতে, মঞ্চি তেওঁ ও কীৰ্ত্তিনাথ গোহাঞীৰ নাম কোৱাতে, আপুনি ৰৈপট্ কৰি মকৰৰ কৰিলে। এজেন্টীৰ পেচ্কাৰৰ পৰা আহি, মকৰৰ হল। তদপৰ আপুনি মপস্বল নিৰ ধৰাত, নোযোৱা হেতু, আচিচৰ্ ও পেচকাৰি কৰ্ম্ম হৈতে বৰখাস্ত হল। এতিয়া মোৰহে বদ্নাম হল।" এনে কোৱাতে, তেওঁ কলে "সি বঞ্চা লোক; টেক্সৰ একো কৰ্ম্ম কৰা নাই। আপুনি ও মঞ্চি বন্দবস্ত কৰিলোঁ। আৰু মঞ্চি মপস্বল নিৰ ধৰাত, নগল। মোকেহে গালি পাৰে।" তাতে মঞ্চি কলোঁ "আপুনি জানো গালিপাৰা শুনিছে?" সাহেবে কলে যে "দুস্তি মানুহে মোলৈ মপস্বল লিখিছে।" মঞ্চি কলোঁ "কি কাৰণ আপুনাক গালি পাৰিব? যি দুস্তি মানুহে আপুনালৈ লিখিছে, সে ব্যক্তি এই মুন্সীৰ শত্রু হৰ পাৰে; তাক মানিব লগা নাই।" সাহেবে কলে "সি বৰ বেয়া মানুহ।" এইবুলি চালাম দিয়াতে, আহিলোঁ। কাছাৰী যাওঁতে বাটত মুন্সীয়ে লগ ধৰি নানামত মিনতি কৰি কলে। মঞ্চি কলোঁ "আজি তোমাৰ কথা কৈছিলোঁ, কিন্তু শান্ত কৰিব পৰা নাই।" সকল বিবৰণ কলোঁ। তেওঁ চালামৰ ওপৰি চালাম দি, মোক ৰক্ষা কৰক বুলি অনেক মিনতি কৰিলে॥ ৩৯৫॥

মুন্সীৰ কাৰণে কোৱা।

তদপৰ দুইদিন পৰে সাহেবেৰ বাঙ্গালায় যোৱাতে, সাহেব চকীত বহোৱাই সোধাতে কলোঁ "সাহেব অন্য কথা নাই, তেওঁৰ সহিত একত্রে গোহাটীত ডাঙৰ হলোঁ। এতিয়া বৰখাস্ত

লয়েড্ সাহেৱ সম্মত হোৱা

হোৱাতে, তেওঁৰ প্রবর্ত্তনৰ উছিলা নাই। আৰো মঞি বদ্‌নামত পৰিলোঁ। এতেকে আপুনি তেওঁৰ পেচ্‌কাৰি কর্ম্মটি ৰাখি দিলে তেওঁ প্রবর্ত্তিব পাৰে। মঞো বদ্‌নামৰ পৰা নিষ্কৃতি হওঁ।" সাহেৱে কলে "ৰাক, মঞি উপায় কৰিম।" এইবুলি চালাম দিয়াতে, আহিলোঁ। মুন্‌সী ৰাটত লগ ধৰি মোত কোৱাতে, বিবৰণ কলোঁ॥ ৩৯৬॥

আৰু দুইদিনৰ পৰে সাহেৱৰ ৰাঙ্গালায় যাই চালাম দিয়াতে, চকীত বহিব দিলে। এবং জিজ্ঞাসামতে মুন্‌সীৰ কথা কলোঁ যে "আপুনি তেওঁৰ পেচ্‌কাৰি কামটি ৰাখিবৰ নিমিত্তে কমিচনৰ সাহেৱৰ যোগে, গৱর্ণমেণ্টে ৰেপট্ কৰিলে, অবশ্য হব।" সাহেৱ, ৰেপট্ কৰিম, বুলি স্বীকাৰ কৰিলে ও মোক বিদায় দিয়াতে কাছাৰী গলোঁ। ৰাটতে, মোক মুন্‌সী লগ ধৰাতে, ৰেপট কৰিবৰ কবুল কৰা কথা কলোঁ। আনন্দ হৈ চালাম দি, তেওঁ গল। মঞি কাছাৰীত গলোঁ। আহোঁতেও ৰাটত লগ ধৰি অনেক মিনতি কৰি কলে॥ ৩৯৭॥

তদপৰ দুই দিনৰ পিচে, পুনৰ সাহেৱৰ ৰাঙ্গালায় যোৱাতে সাহেৱ চকীত বহিব দিলে। মঞি বহি সাহেৱত সুধিলোঁ "আপুনি যে মুন্‌সী বিষয় ৰেপট কৰোঁ বুলিছিল, কৰিলে কি নাই!" সাহেৱ কলে "মঞি ৰেপট পঠালোঁ।" এনে কোৱাতে, মঞি চালাম দি, কাছাৰী গলোঁ। ৰাটতে মোক মুন্‌সী লগ ধৰাতে মঞি কলোঁ, "সাহেৱে ৰেপট পঠাইছে বুলি, আজি মোত কলে। কিন্তু মঞি তেনেকৈ বিশ্বাস কৰা নাই। তোমি বৰ কাছাৰী যাই বুজ লবা।" এইবুলি কাছাৰী গলোঁ। তদপৰ কাছাৰী অন্তে ৰাটতে মোক লগ ধৰি কলে "হয়, ৰেপট কৰিছে।" তাতে তেওঁ কলে, "যেতিয়া ৰেপট কৰিলে, অবশ্য হব। কিন্তু মঞি সাহেৱক একৱেলি দেখা হব খোজোঁ। আপুনি সাক্ষাৎ কৰাই দিয়ক।" মঞি কলোঁ "ৰাক,

খামা খাই নোৱাৰি, কয়েকদিন চবুৰ কৰা।" এই বুলি বাসায় আহিলোঁ। পৰদিন কাছাৰী যোৱাত পুনৰ মুন্সীয়ে আগ্রহি ধৰিলে। মঞি বাৰু, বুলি স্বীকাৰ কৰিলোঁ ॥ ৩৯৮ ॥

তদপৰ দিনা মঞি সাহেবৰ বাঙ্গালায় যাই চালাম দিয়াত চকীত বহি কলোঁ, "সাহেব, সেই মুন্সী বিষয় আপুনি ৰেপট্ কৰিছে, অবশ্য হব। কিন্তু তেওঁ আপুনাৰ সহিত সাক্ষাৎ হবৰ আহিবৰ খোজে।" সাহেব বোলে "কি কাৰণ আহিব লাগিছে ?" মঞি কলোঁ "তেওঁ আপুনালৈ বৰ ভয় কৰে। এবেলি আপুনাক দেখা পালে, তেওঁৰ ভয় গুচে, বৰ সন্তোষ হয়। দেখা দি চালাম দি যাব, এহাত কি খেতি আছে ?" সাহেবে হাঁহি কলে "বাৰু, আহিব পাৰে।" মঞি—"কেতিয়া আহিব ?" সাহেব —"কালিলৈ ন'বজাত আহিব।" এনে কোৱাতে মঞি চালাম দি আহিলোঁ। বাটত মুন্সীয়ে চাই আছে। মোক দেখি চালাম দি সোধাত—"কালিলৈ ন'বজাত যাব দিছে। কিন্তু তুমি একো নকবা, চালাম দি আহিবা।" এই কথা কলোঁ। এবং কাছাৰীৰ পৰা অহাতো লগ ধৰি অনেক মিনতি কৰি কলে। তদপৰ বাসায় গলোঁ। পৰদিন কাছাৰী যাওঁতে বাটত লগ ধৰি কলে "মঞি সাহেবৰ পাশ যাই, চাপৰাছি দ্বাৰা এত্যালা দিয়াতে সাহেব ওলাই আহি সুধিলে। তাতে মঞি কলোঁ, 'চালাম দিবলৈ আহিছোঁ।' সাহেবে কলে, 'তোমাৰ কথা ডিপুটী কালেক্টৰ সাহেব মোত কৈছে।' এই বুলি বিদায় দিলে।" মঞি বোলোঁ, ভাল হৈছে ॥ ৩৯৯ ॥

লয়েড মুন্সী সাক্ষাৎ

তদপৰ সদৰৰ পৰা তেওঁক আপন পেচ্‌কাৰি কৰ্ম্মত মকৰৰ কৰাৰ হুকুম অহাতে, মকৰৰ হ'ল। মোক চালামৰ ওপৰি চালাম এবং ৰক্ষা কৰিলে বুলি ধন্যবাদ দিলে ॥ ৪০০ ॥

মুন্সী মকৰল

এই সনে কালীকান্ত নদীৰ কাষৰৰ মাটিত থকাত চৈত্ৰ মাহে (পুত্ৰ এটি) জন্ম হয় অৰ্থাৎ পুষ্পকান্ত জন্ম হয় ॥ ৪০১ ॥

চতুর্থ অধ্যায় (ক্রমশঃ)

ঘ—১৭৮৩ শক। ১২৬৮ সন। ১৮৬১-৬২ ইং।

বিষয়া সকল—পৰগণা বন্দবস্ত—বিবাহাদি ঘৰুৱা খবৰ।

হফ্‌কিঞ্চন কমিচনৰ ও ৱৌলট্‌ সাহেব একটিং জুডিচীল কমিচনৰ। কামৰূপে লয়েড্‌ ডিপুটী কমিচনৰ। তেওঁ ছুটী যোৱাতে, মেই মাহে, ১২৬৮ সনৰ জৈষ্ট মাসে লেফ্‌টেনাণ্ট্‌ এণ্ড সাহেব, তৃতীয় শ্রেণীৰ ইন্‌চার্জ্জ্‌ ডিপুটী কমিচনাৰ হয়। তেওঁ যোৱাতে, ১৮৬২ ইংৰেজীৰ ৯ জানৱাৰী ২৬ পৌষ লেম সাহেব জুনিয়ৰ হৈ, মকৰৰ হয়॥ ৪০২॥

লয়েড্‌ ডিপুটী কমিচনৰ ও কালেক্টৰ হৈ গত সনৰ নিৰিখ মতে অর্থাৎ ৰুপিত ফি পুৰা ১৷৷০ টাকা, বস্তিত ১৷৷০ টাকা; ৱাউতলী, ফৰিঙ্গতি, ৰৰিত, এক এক টাকা নিৰিখে; লাখৰাজ তদর্দ্ধ মতে, পৰগণাসকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। এবং হাজো পৰগণা গৌৰীকান্ত সহিত বন্দবস্ত থাকাতে, তেওঁ মোৰ যুক্তি পৰামর্শ মতে, ঠাকুৰীয়াইঁতৰ দ্বাৰা খাজানা তহচীল কৰাই, মোৰ পাশ পঠায়। মঞ্জি সৰকাৰৰ লেঠা মাৰো এবং আখিৰিতে দুই তিন শত টাকা সৰকাৰে দাখিল কৰোঁ॥ ৪০৩॥

পৰগণা বন্দবস্ত

এবং কমলাকান্তৰ জন্যে উজানি যোৰহাটৰ পৰা ৱৌমুৰীয়া ঘৰৰ শান্তিৰাম শর্ম্মাৰ বহিনী—শ্রীমাহিন্দ্রীক, নাউ-মানুহ পঠাই আনাতে, এই সনৰ ৰৈশাগ মাহে বিবাহ কৰান যায়। ঐ বিবাহে, হাজোৱলীয়া গায়ন-বায়ন, নাচনিয়াৰ ও ঢুলীয়া-কালীয়া সহিত পাঁচদিনীয়া কৈ পানী তোলাতে বৰ ক্লেশ, লোক-জনৰ হৈছিল। মহাসমাৰোহে বিবাহ সম্পাদন হ'ল॥ ৪০৪॥

শ্রীকমলা-কান্তৰ বিবাহ

ঐ বিবাহৰ পৰদিনাই হাজো পৰগণাৰ লাখৰাজ বাজেপ্তি খাজানা গৌৰীকান্ত পাশ তলৰ হৈ প্যাদা জাৰি হোৱাতে,

গৌৰীকান্তে কলে, "মঞি বিবাহতে আবদ্ধ আছোঁ। মপস্বল খাজানা বাকী আছে। সাধি আনি দিম। মোক ৫০০ পাঁচ শত টাকা দিওক।" মঞো সত্য মানি স্থিতৰ পৰ ঐ টাকা ৺মাতৃৰ মোকাবিলায় দিলোঁ। তাতে ৺মায়ে স্বাত্যপৰ (১) টাকা দিয়াতে বেজাৰ পূৰ্ব্বক কৈছিল "বাপা, টাকা আছে দেখিহে ককায়েৰে দিছে! নহলে, কৰ দিলে হয়? এতিয়াও সাধি আনি ককায়েৰক দিবা।" এই বুলি চক্ষুৰ লোতক মুচিলে ॥ ৪০৫ ॥

গৌৰী-কান্তক পাঁচশ টকা দিয়া

তদপৰ নদীৰ কাখৰৰ মাটি খৰিদ বাবতে ৭ বৈশাগ জজ্ঞোৰাম দলৈক ২৮৲ টাকা দিলোঁ ॥ ৪০৬ ॥

মাটি খৰিদ

পূৰ্ণৰাম চেৰস্তাদাৰ কালেক্টৰিৰ চেৰস্তাদাৰ আছিল, কিন্তু লুকিৰ সিদ্ধান্ত-পত্ৰ নোপোৱাত থাকি চচ্‌পণ্ড হোৱাতে ১৩ জুলাই ৩০ আষাঢ় ঠাকুৰদাস নাজীৰ একটিং চেৰস্তাদাৰ হয় ॥ ৪০৭ ॥

পূৰ্ণৰাম চেৰস্তাদাৰ চচ্‌পণ্ড

মুন্সী আচিচৰ্‌ পূৰ্ব্বেই বৰখাস্ত। তদপৰ কীৰ্ত্তিনাথ গোহাঞীও কৰ্ম্ম কৰিব নোৱাৰা হেতু বৰখাস্ত হোৱাতে, ১৮৬০ ইংৰেজীৰ ৩২ আইন মতে কৰ্ম্ম কৰাৰ কাৰণ, আচিচৰ্‌ ডিপুটী কালেক্টৰ, ১৮৬১ ইংৰেজীৰ ১৪ আগষ্ট, ১২৬৮ সনৰ ৩১ শ্ৰাৱণ মকৰৰ হয়। অথচ ঠাকুৰদাস একটিং চেৰস্তাদাৰ থাকোঁতেই মকৰৰ হয়। ও তৎ নাজীৰি কৰ্ম্মত ২১ আগষ্ট মথুৰনাথ শৰ্ম্মা মকৰৰ হয়। তদপৰ ঠাকুৰদাস একটিং চেৰস্তাদাৰ আচিচৰ্‌ হোৱাতে, ফৌজাদাৰিৰ চেৰস্তাদাৰ ৰাধামোহন গোস্বামী, ১৮৬১ ইংৰেজীৰ ২২ আগষ্ট ১২৬৮ সনৰ ৭ ভাদ্ৰ কালেক্টৰিৰ চেৰস্তাদাৰ হয়। কিন্তু লয়েড্‌ সাহেৰ ভাল নোপোৱাতে ৰাধামোহন গোস্বামী চেৰস্তাদাৰ, নগাঞৰ হাবিৰাম বৰুৱা চেৰস্তাদাৰ সহিত আপোচে বদলা-বদলি হৈ ১৮৬২ ইং ২১

ঠাকুৰদাস আচিচৰ্‌ হোৱা

ৰাধামোহন চেৰস্তাদাৰ হোৱা

টোকা—(১) স্বাত্যপৰ=স্থিতি হৈ থকাৰ পৰা।

মার্চ্চ ১২৬৮ সনৰ ৯ চৈত্ৰ হাবিৰাম কালেক্টৰিৰ চেৰস্তাদাৰ হয় ॥ ৪০৮ ॥

এগ্‌লৌ ইনচার্জ্জ্‌ কমিচনৰ

তদপৰ হফ্‌কিঞ্চন্‌ কমিচনৰ ছুটী লোৱাতে তৎকৰ্ম্মে এগ্‌লৌ সাহেব ইনচার্জ্জ্‌ কমিচনৰ হয়। অর্থাৎ ১৮৬২ ইংৰেজীৰ নওম্বৰ মাহে মকৰৰ হয় ॥ ৪০৯ ॥

বিবৰ জুডিচীল কমিচনৰ

ও বিবৰ সাহেব জুডিচীল আপন কৰ্ম্মে মকৰৰ ও হাজিৰ হোৱাতে, ৱৌলট্‌ সাহেব আপন কৰ্ম্মে গাৰোৱালে গ'ল। অর্থাৎ বিবৰ সাহেব ১৮৬২ ইং ১২ ডিচাম্বৰ জুডিচীল কমিচনৰ হয় ॥ ৪১০ ॥

পঞ্চম অধ্যায়

১৭৮৪ শক। ১২৬৯ সন। ১৮৬২-৬৩ ইং।

বিষয়া সকল—পৰগণা বন্দবস্ত—ঘকৱা খবৰ।

লেঃ গৱর্ণৰৰ সভাৰ বিবৰণ—মন্তব্য—সত্রাধিকাৰক সতর্ক কৰা—অন্যান্য।

হফ্‌কিঞ্চন্‌ কমিচনৰ। ও ৱৌলট্‌ সাহেব একটিং জুডিচীল কমিচনৰ যোৱাতে, পুনৰ বিচ্‌ জুডিচীল কমিচনৰ। কামৰূপে লয়েড্‌ কালেক্টৰ। এওঁ ছুটী লৈ কলিকাতা যোৱাতে এণ্ড সাহেব ইনচার্জ্জ্‌ হয় ॥ ৪১১ ॥

লেম সাহেব ইন্‌চার্জ্জ্‌

১৮৬৩ ইংৰেজীৰ ১১ আপ্‌ৰেল ১২৬৯ সনৰ ৩০ বৈশাগ ডব্‌লিও বেকট্‌ সাহেব ইন্‌চার্জ্জ্‌ হয়। তেওঁ ২৭ জুন ইস্তফা দিয়াতে লেম্‌ সাহেব ইন্‌চার্জ্জ্‌ হয় ॥ ৪১২ ॥

এই সনে লয়েড্ কালেক্টৰ সাহেব পৰগণা সকল গত সনৰ নিৰিখ মতে এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। ও হাজো পৰগণাও গৌৰীকান্ত সহিত বন্দবস্ত কৰিলে ॥ ৪১৩ ॥ পৰগণা বন্দবস্ত

গৌৰীকান্ত আমাৰ দিহা-যুক্তিমতে ঠাকুৰীয়ালোকৰ পাশ খাজানা তহচীল কৰি মোৰ পাশ পঠায়। মঞি সৰকাৰে দাখিল কৰোঁ। এবং মোখনীয়া প্ৰভিতিৰ খাজানা মঞি নিজে দিওঁ। আৰু পৰগণাৰ খাজানাও আখেৰিতে দুই তিনি শও বাকী পৰে। প্যাদাজাৰি নোহোৱাকৈ মঞি জেঠা মাৰোঁ। এবং গৌৰীকান্তৰ ক্ৰমে মতি কিছু বিগৰিল ; ঠাকুৰীয়া, কাকতী-সকলক আপন মতলবে লব ধৰিলে ॥ ৪১৪ ॥ গৌৰীকান্ত আপন মতলবে চলা

এণ্ড সাহেবেৰ খানচামা একজনৰ, গত সনে ঠাকুৰদাস আচিচৰ্ বেছিকৈ খাজানা লগোৱা বুলি ওজৰ কৰাতে, এণ্ড সাহেব বহীজাত তলৰ দি ঐ বহীসকল হফ্‌কিঞ্চন্ কমিচনৰক দেখোৱালে। কমিচনৰ সাহেব দেখি, ৰায়ত প্ৰভিতিৰ বেজায়কৈ টেকস্ লগোৱা বুলি, প্ৰথম ঠাকুৰদাস, তদপৰ ড্ৰাইবৰ ডেপুটী কালেক্টৰক নি সোধাতে আৰু কৃষিকৰ লোকৰ টেকস্ নাই লগোৱা বুলি কোৱাতে, প্ৰথম কাৰ্য্যকাৰক, মোক নি সোধিলে। এবং মঞি ৬০০৲ টাকাৰ উৰ্দ্ধ লভ্য হলে, শতকৰা ২৲ টাকা টেকস্ লগোৱা, ও কমতি হ'লে, নলগোৱা, কিন্তু কৃষি বেপাৰ হলে, উভয়েৰ লভ্য জমানা কৰি টেকস্ লগোৱা কথা কোৱাত, "ঠাকুৰদাস ও ড্ৰাইবৰ নলগোৱা ও তোমি লগোৱা বুলি কলা ; এহাত বেআইনী হৈছে" বুলি কমিচনৰ হফ্‌কিঞ্চনে কলে। তাতে মঞি কলোঁ, "ফিনান্‌চীল ডিপাটমেণ্টৰ চৰ্‌কুলৰ জাৰি আছে, কৃষি ও বেপাৰ হলে, দুইকো গোট কৰি টেকস্ লগাবৰ বিধান আছে। মঞি সেইমত বন্দবস্ত কৰিছোঁ, একো বেআইনী হোৱা নাই। ঠাকুৰদাস ও ড্ৰাইবৰে কিমত কৈছে, মঞি নাজানোঁ। মঞি যিমতে বন্দবস্ত কৰিছোঁ, তাক কৈছোঁ। টেক্স্ বিষয় আমাৰ কৈফিয়ৎ

তথাপি যদি আপুনি বেআইনী বুলিছে, তবে হুকুম দিয়ক, সেই-মত বন্দবস্ত হব।" পাছে কমিচনৰ সাহেব সেইমত ৰোকাৰি (১) দিবৰ হুকুম দিলে ও তৈয়াৰো কৰিছিল। পাচে এণ্ড সাহেব কলে, "কমিচনৰ সাহেবে কৈছে, আগে যিমতে বন্দবস্ত কৰিছা, এতিয়াও সেইমত বন্দবস্ত কৰা। সদৰলৈ ৰেপট চিঠি লিখিছে। যিমত আজ্ঞা আহে সেইমত কৰিবা," এনে কলে। তদপৰ শুনিলোঁ যে সদৰৰ পৰা বেআইনী নোহোৱা বুলি চিঠি আহিল কিন্তু কমিচনৰ সেই চিঠি জাৰি নকৰিলে ॥ ৪১৫ ॥

ইন্‌ক্রৌনঞ্চ্ সাহেব

সে যাহক, এণ্ড সাহেব যোৱাতে, তৎকর্ম্মে ১৮৬২ ইং ৯ জুলাই ১২৬৯ সনেৰ ১৯ আষাড় ইন্‌ক্রৌনঞ্চ সাহেব ইন্‌চার্জ্জ কালেক্টৰ হল ॥ ৪১৬ ॥

তদন্তৰ লয়েড্ সাহেব আপন কর্ম্মত হাজিৰ হ'ল। এণ্ড সাহেবৰ বৃতান্ত তেওঁত কোৱা গ'ল ॥ ৪১৭ ॥

তদপৰ হফ্‌কিঞ্চন্ কমিচনৰ ছুটী লৈ কলিকাতা যোৱাতে, জি, এইছ, হৰটন্ সাহেব একটিং কমিচনৰ হৈ, ১৮৬২ ইংৰেজীৰ ৪ জুলাই ১২৬৯ সনৰ ২২ আষাড় চার্জ্জ ললে ॥ ৪১৮ ॥

এচ্‌লি বিডন্ লেফ্‌টেনাণ্ট্ (২) গবর্ণৰ সাহেব আসামৰ জেলাজাত দেখিবৰ আহি ২২ জুলাই গোহাটী পাহুছি ২৫ জুলাই কাছাৰীত উপস্থিত হল। এবং কাছাৰী বেঞ্চত থিয় হোৱাতে লয়েড্ সাহেব কাছাৰীৰ সকল চেৰস্তা আঙ্গুলিৰে দেখালে। তদপৰ, মোক দেখালে পৰ, কোঠা সোমাল। তেতিয়া মঞ্জি ডেপুটী কলেক্টৰ আছিলোঁ ॥ ৪১৯ ॥

এচ্‌লি বিডন লেঃ গবর্ণৰ গোহাটী অহা

অতঃপৰ মোক তলৰ দি কোঠালৈ নি, কয়েকখন তামৰ ফলি মতালে। ও তামত কিয় লিখিলে বুলি সোধাতে—"জুই

টোকা—(১) ৰোকাৰি (ৰোকৰ = জমা-খৰচ লিখা বহী) = জমা-খৰচ লিখন। অথবা—ৰোবকাৰী = বিজ্ঞাপন।

(২) মূল পুথিত—লেপণ্টণ্ট। এইদৰে সকলো ঠাইতে।

পুৰিলে আৰু পানী পৰিলেও নষ্ট নহয় হেতু, আসাম ৰাজা তাম্র পত্রত লিখাই দিছে" বুলি কলোঁ। আৰু প্রথম ৰৰ পঞ্চায়তৰ সিদ্ধান্ত পত্র ও লাখৰাজৰ ফয়চলা একখন পঢ়ি শুনালোঁ। কম্পাচ্ নক্সা দেখি যাই খাজাঞ্চী, ও জমা চেৰস্তা, ও মহাচেৰস্তা, ও মহাফেজ চেৰস্তা দেখিলে। ২৬ জুলাই ইস্কুল দেখি, ২৭ জুলাই জাহাজত সভা কৰিলে। এবং থুৰীয়া তাম্বুল এক একখন, ও আতৰ, চেকেট্রৰেৰ দ্বাৰা দি বিদায় দিলে। ও সভা বিসর্জ্জন হ'ল। ২৮ জুলাই উজানে গ'ল ॥ ৪২৭ ॥

কাছাৰী দেখা

সভা এইপ্রকাৰ হৈছিল। ২৬ জুলাই, আন্দাজ তিনটা সময়, লয়েড্ সাহেব কাছাৰীতে মোক মাতি নি চকীত বহোৱাই সমাদৰপূর্ব্বক কলে, "কালিলৈ জাহাজত লেফ্টেনাণ্ট্ গবর্ণৰ সাহেব বৈঠক কৰি সভা কৰিব।" এতেকে কাৰ কি মর্য্যাদা মোত সোধাতে কলোঁ। নিজে সাহেব লিখি ললে। এবং সভাহলৈ মোকো যাবৰ কলে। তাৰপৰা মঞি আহিলোঁ কিন্তু মোৰ ঐ সভাহে যাবৰ ইচ্ছা নাছিল; কিয়নো পর্ব্বতীয়া, ন-গোসাঞী প্রভিতি, সেই সভাহত বহিব। সেই শ্রেণীতে মঞো বহিলে সিবিলাকে(ৰ) মনত ঈর্ষা হব। এইকথা জয়গোপাল মনচুক্ সহিত কোৱাকৈ কথোপকথন হৈছিলোঁ ॥ ॥ ৪২১ ॥

লেঃ গবর্ণৰ সভাৰ আয়োজন

যাহক ২৭ জুলাই লয়েড্ সাহেব ন বজাত শুক্রেশ্বৰত জাহাজ থাকাতে লেফ্টেনাণ্ট্ গবর্ণৰ সাহেব পাশ যাওঁতে একজন চাপৰাছি পঠাই মোক ও জয়গোপাল মনচুফত কোৱালে। মঞি জাহাজলৈ আহিলোঁ। তেওঁলোকো অলপ বিলম্বে আহক এই বুলি জাহাজে গ'ল। তদপৰ মঞি আৰু জয়গোপাল মনচুফ একত্রে যাই ছোট ভাট্যালীয়া নাৱৰ দ্বাৰা পাৰ হৈ জাহাজত উঠিলোঁ। হৰটন্ কমিচনৰ দুইকো নি দক্ষিণফালে শাৰীত নি চকীত বহোৱালে। তেতিয়া দক্ষিণফালে প্রথম

সভাৰ ৰবৰিণ

পৰ্ব্বতীয়া গোসাঞী ও তদপৰ যোগেশ্বৰ ন-গোসাঞী বহি আছে। তদপৰ শ্রীকেশৱকান্ত যুবৰাজ ও খগেশ্বৰ চাৰিং ৰাজা উপস্থিত হোৱাতে, ন-গোসাঞীৰ দক্ষিণ পার্শ্বে চকীত, কমিচনৰ ও লয়েড্ সাহেব, নি বহোৱালে। তদপৰ নিত্য-শোভনচন্দ্র দিহিঙ্গৰ গোসাঞী উপস্থিত হোৱাতে, চাৰিং ৰাজাৰ দক্ষিণ পার্শ্বে চকীত বহোৱালে। উত্তৰ প্রান্তে সাহেব, দুই চেকেট্টৰ, তদপৰ কমিচনৰ ও জুডিচীল কমিচনৰ ও কালেক্টৰেৰ আসন; ও উত্তৰ দক্ষিণে শিক চিপাহী বন্দুক সমেত খাড়া আছিল। ইতিমধ্যে লেফ্টেনাণ্ট্ গবর্ণৰ সাহেব চেকেট্টৰ সাহেবান ও কমিচনৰ সাহেব সহিত উপস্থিত হোৱাতে, সকলো খাড়া হৈ চালাম দিলে। তদপৰ চকীত পূবমুখ হৈ বহাতে সকলো স্ব স্ব আসনে বহিল ও বহিলোঁ। তদপৰ কমিচনৰ সাহেব প্রথম পর্ব্বতীয়া গোসাঞীক নি গবর্ণৰ সাহেব পাশ উপস্থিত কৰাতে চালাম দিলে, এবং 'ভালে আছা' বুলি সম্বোধন দিয়াতে, 'ভালে আছোঁ', এই বুলি কোৱাতে চালাম দি বিদায় দিয়াতে, আহি স্বকীয় আসনে বহিল। এবং প্রকাৰে একাদিক্রমে কমিচনৰ ও কালেক্টৰে সকলো এতদ্দেশীয় লোকক নি সাক্ষাৎ ও সম্বোধন কৰালে। তদপৰ মোক নি সাক্ষাৎ কৰোৱাতে, ঐ মত চালাম ও সম্বোধন দিয়াতে স্ব আসনে আহি বহিলোঁ। তদপৰ জয়-গোপাল ও বলোৰাম ফোকনক নিলে ও সেই মত সম্বোধন পৰ বহিল ॥ ৪২২ ॥

তদপৰ লেফ্টেনাণ্ট্ গবর্ণৰ পূব মুখে খাড়া হৈ বক্তৃতা কৰিলে, এবং বহিলত, কমিচনৰ সাহেব বুজাই কলে:—"গবর্ণৰ সাহেব এই আসাম মলুকক ও লোকসকলক ধন্যবাদ দিছে। আৰু ২০ বৎসৰেৰ মধ্যে, আৰু ভাল হব। মঞি অসমীয়া বুলি নাজানোঁ। যি বক্তৃতা ইংৰেজীতে কৰিছোঁ, কমিচনৰ সাহেবে তর্জ্জমা কৰি দিব।" এমত চমজালে। তদপৰেই চেকেট্টৰ একজন আহি

প্ৰথম পৰ্ব্বতীয়া গোসাঞীক মচলা সহিত থুৰীয়া পান সহিত তাম্বুল একখন, আতৰ দি ক্ৰমে মোক ও জয়গোপাল ও বলৰাম ফোকনকে দিয়াতে গৱর্ণৰ সাহেব উঠিল। সভা বিসর্জ্জন হল ও হিতাহিতি লাগিল। পুনৰ ভাট্যালীয়া (১) নাৱত উঠি পাৰ হোৱা হ'ল ॥ ৪২৩ ॥

তদপৰ দিনা গৱর্ণৰ সাহেব উজানে ৰওনা হৈ গল। মঞো কাছাৰীত বহিছোঁ, এনেতে যোগেশ্বৰ ন-গোসাঞী মোলৈ একখনি চিঠি লিখি—'মোৰ সহিত এক শ্রেণীতে চকীত বছিলা' বুলি অনেক তিৰস্কাৰ—প্রায় গালাগালি, লিখাতে মনে মনে থাকিলোঁ। বেলা তিনটা সময় লয়েড্ সাহেব কাছাৰীতে মোক মাতি নি চকীত বহোৱাই সমাদৰ পূর্ব্বক সুধিলে, "কালি যে সভা হৈছিল, কেনে হৈছিল?" তাতে মঞি কলোঁ, "ভাল হৈছিল। কিন্তু আমাৰ দেশত পর্ব্বতীয়া গোসাঞী ও ন-গোসাঞী, ৰজাৰ বংশৰ যুবৰাজ, এই সকল মান্যৱান লোক। সেই সকলৰ শ্রেণী মতে আমালোক বহাতে বোধকৰো কিছু ঈর্ষাক্ত (২) হব পাৰে।" যেতিয়াই এনেকৈ কলোঁ, অগ্নিত ঘৃত দিয়া মতে জ্বলি উঠি, আমাৰ দেশক অনেক ভৎ'সনা কৰি বকি আছিল। "এনে দেশ মঞি কোনোখানে দেখা নাই। ভাল মানুহ ডিপুটী কালেক্টৰ ও মনচুফ ও সদৰামীন প্রভিতি মাটিত বহিব। গোসাঞী ৰাজাৰ বংশ বুলি উচ্চাসনত বহিব?" এই বুলি কৈ আছিল। পৰে মোক বুজালে "দেখা তোমালোকৰ ৰাজা ক্ষুদ্র এক মলুকৰ ৰাজা আছিল। সেই ৰজাই ফোকন বৰুৱা ও গোসাই পাতিছিল। সেই ৰাজা গুচিল, এতিয়ালৈকে মর্য্যদা আছে। মহাৰাণী ভাৰতবর্ষৰ অধিপতি। তেওঁ মনচুফ, ডেপুটী কালেক্টৰ আদি বিষয়া পাতিছে। সিহঁতৰো মর্য্যদা ইজ্জত

সভাৰ বিষয়ে মতামত

টোকা—(১) ভাট্যালীয়া=ভাটীদেশৰ।
(২) ঈর্ষাক্ত=ঈর্ষাযুক্ত।

নহে ?" এই বুলি বকি আছিল। পৰে শান্ত হোৱাতে মঞ্চি কলোঁ "সাহেব কোনেও কোৱা নাই, মঞ্চিহে অনুমানে কৈছিলোঁ। সভা ভাল হৈছে।" এনে কোৱাতে সাহেব মনে মনে থাকিল পৰ, কাছাৰী বৰখাস্ত হল। সকল স্থানে স্থানে গ'ল ॥ ৪২৪ ॥

ঘৰ স্থানান্তৰ

এই সনে আমি ও লক্ষ্মীকান্ত, সোণাৰি ভেঁটিত থকাতে পচোৱা বতাহত জুইৰ বৰ সংশয় বুলি নদীৰ কাষৰৰ মাটিত যাবৰ কাৰণে মোৰ আগত কোৱাতে, মোৰো ও গৌৰীকান্তৰ উৎসাহ হল দেখি, যজ্ঞৰাম দলৈ প্ৰভিতিৰ খৰিদা মাটিত ঘৰ কৰি, অগ্ৰায়ণ মাসে ঘৰ ললোঁ। মোৰ পশ্চিমে, লক্ষ্মীকান্তৰ পূৰ্ব্বে গোপীকান্ত বৰুৱাক ঘৰ কৰিব মাটি দিলোঁ। সেইমত ঘৰ কৰিলে। কিন্তু শ্ৰীজয়ৰাম ও মিহিৰাম বৈনাই, তাতে আগৰ মাটিতে থাকিল ॥ ৪২৫ ॥

সভাত বহা বিষয় শ্ৰীশ্ৰীআউনীআটী গোস্বামীক সতৰ্ক কৰা

লেফ্‌টেনাণ্ট্‌ (১) গৰ্ণৰ উজাই যাই শিৱসাগৰ জেলাতো ঐ মত সভা কৰাতে শ্ৰীশ্ৰীআউনীআটী অধিকাৰ দত্তদেৱ গোস্বামী, হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ শ্ৰেণীত চকীত নবহি, তোলী-গাৰু লৈ বহাতে, হৰটন্‌ কমিচনৰ সাহেব, অগত্যা পূৰ্ব্বক চকীত বহোৱালে। পূৰ্ব্বোক্ত মতে সভা বিসৰ্জ্জন হল। কিন্তু লেফ্‌টেনাণ্ট্‌ গৰ্ণৰ সাহেব হৰনাথ পৰ্ব্বতীয়া বৰুৱা সদৰামীন, আউনীআটীয় গোসাঞীৰ শিষ্য হেতু, তেওঁক চকী দিয়াতে, সেই শ্ৰেণীৰ চকীত নবহা জানি, অমান্য কৰা বুলি দণ্ড বিষয় গৰ্ণমেণ্টে ৰেপট কৰিলে পৰে, হুকুম আহিল যে, আমালোকৰ দাৰা-দস্তুৰ গোসাঞীয়ে নাজানে কাৰণ এই বেলি দোষ মাফ দিয়া গ'ল। আয়েন্দা (২) এমত নকৰিব। ইংৰেজৰ দাৰা-দস্তুৰ

ন-গোসাঞীৰ কোপ শান্ত

মতে চলিব ; নচলিলে দণ্ডনীয় হব। এমত চমজাই দিব হুকুম আহিল। সেইমত চমজাই দিলে। তাৰে পৰাহে যোগেশ্বৰ ন-গোসাঞীৰ আমাৰ প্ৰতি কোপ শান্ত হ'ল ॥ ৪২৬ ॥

টোকা—(১) মূল পুথিত "লেপণ্টণ্ট"।

(২) আয়েন্দা = আগলৈ।

ষষ্ঠ অধ্যায়

১৭৮৫ শক। ১২৭০ সন। ১৮৬৩-৬৪ ইং।

বিষয়াসকল—পৰগণা বন্দবস্ত—ভাই ভাই বিভক্ত হোৱা—বংশৰ লোক ও সম্পত্তি হানি—ঘৰ লৰোৱা—মঞি মপস্বল কৰা।

এইসনে হৰটন্ কমিচনৰ যোৱাতে পুনৰ হফ্‌কিন্সন কমিচনৰ হ'ল। ও এগ্‌লৌ জুডিচীল কমিচনৰ, কামৰূপে লেম সাহেব ইন্‌চার্জ্জ হ'ল ॥ ৪২৭ ॥

পৰগণা বন্দবস্ত

এওঁ লেম সাহেব, কমিচনৰ সাহেবেৰ অনুমতি মতে গত সনৰ নিৰিখ ও নিয়ম মতে পৰগণাসকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। ও হাজো পৰগণাও গৌৰীকান্ত সহিত বন্দবস্ত কৰিলে। তেওঁ ঠাকুৰীয়া পাশ খাজানা তহচীল কৰি, সৰকাৰে দাখিল কাৰণে মোৰ পাশ পঠায়। মঞি দাখিল কৰোঁ এবং মোখনীয়া প্ৰভৃতি খাতৰ খাজনা মঞি নিজৰ পৰা দিওঁ, প্যাদা জাৰি হব নিদোঁ ॥ ৪২৮ ॥

গৌৰীকান্তৰ হিচাব মঞি সুবুজা

এক দিন মহাফেজ ককাইৰ মোকাবিলায় পৰগণাৰ জমা-খৰচ বুজাতে, ভালকৈ বুজাব নোৱাৰিলে। আৰু খং উঠে দেখি, বহীজাত তাক দিলোঁ,—"তঞি যি কৰ, কৰ; মঞি হিচাব সুবুজোঁ। কিন্তু তোৰ পৰগণা, তঞি খাজানাদিৰ জেঙ্গা ভাঙ্গিবি। মোক টকাৰ জন্যে নধৰিবি।" এই মত কলোঁ ॥ ৪২৯ ॥

গৌৰীকান্তক বিভক্ত কৰা

তদপৰ গৌৰীকান্ত অন্যখানে ধাৰ কৰা, আৰু কাঞাইঁতবো সহিত লেন দেন কৰি, কাপোৰ আদি দ্ৰব্য অনা, টাকা কড়ি অনা শুনি বিৰক্ত হলোঁ। এবং তৎপুত্ৰ চন্দ্ৰকান্ত ঢাকাপটি প্ৰভিতিৰ জিনিচপত্ৰ অনা যাবত দুইজনা দোকানী নালিচ

কৰিব খোজা, লক্ষ্মীকান্ত মুখে শুনিলোঁ। আৰু সেই সময় লেম সাহেব চার্জ্জ্‌লৈ মোৰ খাত-পাম মাটি থাকা চেৰস্তাদাৰক সোধাত, ভায়েকৰ নামে থাকা কলে। ও মঞি একত্রে আছোঁ। শ্রীচন্দ্রকান্তৰ নামে গোচৰ কৰিলে ও গৌৰীকান্তৰ নামে গোচৰ হলে, মঞি ডেপুটী কালেক্টৰ আছোঁ কাৰণ, কৰ্ম্মৰ ব্যাঘাত হব পাৰিব। এই ভাবি ঢাকাপটিৰ দুইজন বেপাৰীক কাছাৰীতে আনি বহী চাই, ১৫০৲ টাকাদি বহী ওৰাচিল লিখালোঁ। সেই সময় গৌৰীকান্ত পৰগণাত আছিল। চিঠি দি অনালোঁ এবং তৎপুত্রৰ সকল বৃতান্ত ও টাকা, দুইজন বেপাৰীক দিয়া কলোঁ ॥ ৪৩০ ॥

ঢাকা-পটিত শ্রীচন্দ্রকান্তৰ দেনা পৰিশোধ কৰা

মঞি ভাবিলোঁ, গৌৰীকান্ত ও তৎপুত্র, টাকা-কড়িৰ নানা মত লেঠা লগাব ধৰিলে। আৰু ভ্রাতৃবধূৰো এনে ভাব হ'ল,— যতই ধাৰ-ঋণ হয়, মঞি সুজিম। তদর্থে কিছো ভাবনা নোহোৱা হল যেন জানিলোঁ। এহাতে মোৰ কৰ্ম্মত লেঠা লাগিব অথবা দোচৰা জাগায় বদলি কৰিব। এহেতু বিভক্ত হোৱা কথা কওঁ। সিও জানি, ধাৰ কৰা ও খৰচ-পত্র কৰা কঠিন হব। আৰু সৰকাৰে ও অন্যলোকেও বিভক্ত হোৱা জানিব। এই বিবেচনা কৰি, মহাফেজ ককাই ও কলীয়া কানাই ও লক্ষ্মীকান্তক মাতি আনি, গৌৰীকান্তৰ মোকাবিলায় সকল বৃত্তান্ত কলোঁ। এবং গৌৰীকান্তক কলোঁ, "তোমি আৰু তোমাৰ পুত্র এইপ্রকাৰ নানা টাকা-কড়িৰ লেঠা লগোৱা। পূর্ব্ব হৈতে তোমাক বাৰ বাৰ চমজাই আছোঁ। তথাপি তোমি ও তোমাৰ পুত্রে মোৰ কথা নুশুনে আৰু নুশুনা। বিবেচনা কৰি চাবা, তোমি পৰগণা খোৱা এটি পাই-পইচা মোক নিদিয়া। ও পিতাৰ কৰ্ম্ম কৰোঁ, তাতো দা-দক্ষিণা আদি মঞি দিওঁ। তোমি মাত্র বহি কৰ্ম্ম কৰা। আৰু কাপোৰ-কানি আদি, মঞি যি লওঁ, তোমাকো দিওঁ, মঞো লওঁ। তোমাক নিদিয়াকৈ মঞি

গৌৰীকান্তক বিভক্ত কৰা কথা

নলওঁ। আৰু হাজো পৰগণাৰ মোখনীয়া প্ৰভিতি মাটিৰ খাজানাও, ও পৰগণাৰ, শেষত, দুই তিনি শত বাকী পৰিলে, মঞি দিওঁ। তথাপি তোমি ও তোমাৰ পুত্ৰ ধাৰ-ঋণৰ লেঠা লগোৱা! মঞি কি মতে তিষ্টিম? সৰকাৰী কৰ্ম্ম বা কি মতে থাকিব! এতেকে তোমাৰ সহিত মঞি এই আষাৰ মাহে বেলেগ হলোঁ। পূৰ্ব্বে শ্ৰীকমলাকান্তৰ বিবাহৰ পৰ দিনা ৫০০৲ পাঁচ শত টাকা দিলোঁ। তাক দিওঁ বুলি নিদিলা! তাক নালাগে। এতিয়া, আৰু এই ৫০০ পাঁচ শত টাকা দিছোঁ; মোট এক হাজাৰ দিয়া হ'ল। আৰু টাকা নোপোৱা। গহনা-পাতি পূৰ্ব্বে বোৱাৰীহঁতক ও জীয়াৰীহঁতক দিছোঁ আৰু যাক যি দিবলগা আছে ক্ৰমাৎ দিম। মাটি-বাৰী সকল তোমাৰ নামে আছে; মঞি তাৰ খাজানা ওৱাচিল তহচীল কৰা উচিত নহয়। পৰে, যাক যেনেকৈ হয়, বিবৰ্ত্তি দিম। সম্প্ৰতি তোমিয়েই ওৱাচিল তহচীল কৰি সৰকাৰৰ লেঠা মাৰিবা। যি লাখেৰাজ মাটিৰ মুনাফা আছে, দিবা। ও লোণ তৈল খৰচাদি মঞি পূৰ্ব্ববৎ দিম। একেলগে খোৱা, বিভক্তে খোৱা, খাবা। তেওঁ আজিৰ পৰা বিভক্ত হলোঁ, জানিবা।" এই বুলি পাঁচ শত টাকা তেতিয়াই দিলোঁ॥ ৪৩১॥

মোৰ মতলৰ এই,—বিভক্ত হলোঁ বুলি কলে, গৌৰীকান্ত ভয় খাই খৰচ পত্ৰ সঙ্কোচ কৰিব। পৰে, ৺মাতৃ ও ৰৰঘৈণী 'হঠাৎ একৰ্ম্ম, কিয় বেলেগ হ'ল!' বুলি আৰ্চ্য্য মানি সোধাত, 'ভয় খাবৰ জন্যেহে কৰিছোঁ, ভাত পূৰ্ব্ববত একত্ৰে ৰান্ধা' বুলি কোৱাতে ৰান্ধিলে। এবং গৌৰীকান্তক মতাত নগল। ও নিংনা ভঁৰালীয়ে সোধাত, ভঁৰালৰ পৰা লোণ তেল চাউল দিব দিলোঁ। শ্ৰীচন্দ্ৰৰ মাকে জৱাব দিলে, "কেচু ওলালে কি পুনৰ গাঁত পায়! আৰু কি সেই কথা হব!" এই বুলি চাউল আদি নাৰাখি বিভক্ত খালে॥ ৪৩২॥

মোৰ মতলৰ

কেচু-ওলালে কি পুনৰ গাঁত পায়?

কালীকান্ত ফৌত

কালীকান্ত নদীৰ কাষৰৰ মাটিতে আছিল। জ্বৰ হৈ শ্রাবণ মাহে তাতে ফৌত হ'ল ॥ ৪৩৩ ॥

তদপৰ আশ্বিন মাহ পৰিল। গৌৰীকান্ত পৰগণায় গ'ল। মঞি গোহাটীত আছিলোঁ। ৰাত্রি ঘৰ পুৰিলে। প্রাতঃকালে, মঞি খৰৰ পাই পাৰ হৈ আহিলোঁ। গৌৰীকান্তৰ ফালৰ দ্রব্য ওলাল, ঘৰ মাত্র পুৰিলে। মোৰ গহনাদি ৰৰপেড়াৰ ভিতৰত কাষ্টৰ দুইটা পেড়াৰ ভিতৰত পুৰিলে। এৰং দক্ষিণাবর্ত্ত শঙ্খও এটা আছিল, সিও পুৰি ভস্ম হল। কাপুৰ পুথি ও বেই মাত্র ওলাল। ও নগদ টাকাও লোহাৰ পেড়াৰ ১০।১২ টাকা ৰূপা মত গোট হ'ল। তাৰে কিছো দা-কটৰীৰে প্রভেদ হল। কতো গ'লি গোট হ'ল। মঞি ও গৌৰীকান্ত লক্ষ্মীকান্তৰ ঘৰতে থাকিলোঁ। ও মহাফেজ ককাইৰ ঘৰ নুপুৰিলে, ৰ'ল ॥ ৪৩৪ ॥

ঘৰ পোৰা

মঞি লক্ষ্মীকান্তৰ ঘৰতে থাকি সেই ঠাইতে ঘৰ কৰিবৰ উদ্যম কৰিছিলোঁ। গৌৰীকান্ত পৰগণাৰ পৰা আহি,—'এই ঠাইত এক বৎসৰ নৌ-হৰে, এইমান দুর্গতি হল! ঠায়ো ঠেক; ইয়াত ঘৰ নকৰোঁ, আগৰ ঠাইতে ঘৰ কৰোঁ' বুলি কোৱাত মঞি বিবেচনা কৰিলোঁ, গৌৰীকান্ত আগৰ সোণাৰি ভেঠিত ঘৰ কৰিলে, মঞি ইয়াত থকা উচিত নহয়। বিশেষ, জয়ৰাম মিহিৰাম সেই ঠাইতে আছে, তালৈকে যোৱা ভাল। হেন জানি একমাহৰ অনুগ্রহৰ ছুটীলৈ, সেই সোণাৰি ভেঁটিত ঘৰ কৰি অগ্রায়ণ মাহে ঘৰ ললোঁ। ও মহাফেজ ককাই ৰূদ্রেশ্বৰে পুনৰ গ'ল। পৰে পুষ্পকান্তৰ মাক নদীৰ কাষৰৰ পৰা ৰূদ্রেশ্বৰে যাই পৃথক মতে থাকে ॥ ৪৩৫ ॥

সোণাৰি ভেঁটীত ঘৰ কৰা

তদপৰ মঞ্জি গৌৰীকান্তক দিয়া টাকা অঙ্কিত কৰিলোঁ ঃ— ॥ ৪৩৬ ॥

গৌৰীকান্তক দিয়া টকা

পৰগণে হাজোৰ মোখনীয়া প্ৰভিতি
খাতৰ তেউ পৰগণাৰ নিজে কৰ্ম্ম কৰা

ইস্তক, মঞ্জি নিজে দিয়া	১৭০০৲
১২৬৮ সনৰ বৈশাগ মাহে দিয়া	৫০০৲
এই ১২৭০ সনে বিভক্ত হোৱাত দিয়া... ...	৫০০৲
	২৭০০৲

তদনন্তৰ মঞ্জি সৰকাৰী কৰ্ম্মত, অথচ ছুটী বাদে, ডিপুটী কালেক্টৰি পদে হাজিৰ হৈ মপস্বলে তয়েনাত হলোঁ। এবং স্থানাস্থান ভ্ৰমণ কৰি, পৰতাল কৰি ফুৰিছিলোঁ। এবং ৰামদিয়াৰ মহীৰাম চৌধাৰী চাপাচী ৰাখা বাবত, তাতে একমাহমান থাকি চাপাচী তদন্ত পূৰ্ব্বক নিৰ্দ্দেশ জানি, ৰেপট পঠাই পূৰ্ব্বপাৰ, পাতি দৰঙ্গ আদি পৰতাল কৰি, গোহাটী আহিলোঁ॥ ৪৩৬ ॥

মপস্বলে পৰতাল কৰা

সপ্তম অধ্যায়

১৭৮৬ শক। ১২৭১ সন। ১৮৬৪-৬৫ ইং

বিষয়া সকল—পৰগণা বন্দবস্ত—ভোটৰ লগত যুঁজ—মঞি যুঁজত ইংৰাজৰ আজেণ্ট—সম্পত্তি বিভাগ—অন্যান্য কথা।

হফ্‌কিঞ্চন কমিচনৰ ও এগ্‌লৌ সাহেব জুডিচীল কমিচনৰ। ও লয়েড্‌ সাহেব ডিপুটী কমিচনৰ। পৰে এওঁ দানাপুৰে যোৱাতে, বেবান্‌ সাহেব কিয়ৎকাল কৰ্ম্ম কৰে। পৰে তেউ ভাঠী যোৱাতে, ছেয়াৰ সাহেব ডিপুটী কমিচনৰ হয়॥ ৪৩৭॥

পৰগণা বন্দবস্ত

লয়েড সাহেব ডিপুটী কমিচনৰ গত সনৰ নিৰিখ ও নিয়ম মতে পৰগণা সকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। ও হাজো পৰগণাও গৌৰীকান্ত সহিত বন্দবস্ত কৰিলে। তেওঁ স্বয়ং পৰগণাৰ ঠাকুৰীয়া, কাকতী, মকৰৰ কৰি, খাজানা শোধায়। কিন্তু আখেৰি শেষ কিস্তিত খাজানা বাকী জন্যে বৰ টানা-টানি; জামিনদাৰ, ও ঠাকুৰীয়া, কাকতী, টাকা ভৰিব ধৰিলে॥ ৪৩৮॥

ইংৰাজে দেৱানগাৰী লোৱা।

এই সনৰ অগ্রায়ণ মাস অবধি মঞি মপস্বল ভ্রমণ কৰি পৰতাল কৰি, বাক্‌চা দুৱাৰৰ তামোলপুৰ ও ঘোড়ামাৰা প্রভিতি ফুৰি বিৰক্ত হলোঁ। এবং অগ্রায়ণ মাহে কেম্বল সাহেব কয়েক চিপাহী সহিত যাই, ভোটৰ পর্ব্বত দেৱানগাৰী ললে। কিন্তু ভোটৰ সহিত পুনৰ গোলমাল হব সম্ভব, জানি ফাগুন মাহে এক মাহৰ অনুগ্রহৰ ছুটী লৈ ঘৰতে থাকি দুর্গাকান্তৰ উপনয়ন দিবৰ মন কৰি, আয়োজন কৰিব ধৰিলোঁ। এবং শ্রীমান মল সোণাৰিক আনি ঘৰতে ৰাখি পোৰা গহনাদি তৈয়াৰ ও ভাল কৰাবৰ আৰম্ভ কৰিলোঁ। ইতিমধ্যে, গৌৰীকান্তৰ স্ত্রী, আমাৰ বোৱাৰী কেতেকী, ভাগ বস্তু নিদিয়ে বুলি, অনেক

ধুমধাম কবাতে, মঞি বিবক্ত হৈ, সোণাবিব কাম কবা মহকুফ্ কবিলোঁ। ও সেই সময় ভোট পুনর্ব্বাব দেবানগাবী লোবাতে বব গোলমাল হল। এবং ইংবেজী ঘবব, চিপাহী ফৌজ চলিব ধবিলে। মঞি ভাবিলোঁ, কিজানি দেশব বিভ্রাট হয়, ক'ব বস্তু কলৈ যায়, থাকে,—বুজিব নোবাবি। পোবা দ্রব্যজাত সম্পূর্ণে ভাল কবিব নোবাবিলোঁ। যাহক, কত কথা শুনিম? ভাগ কবিয়ে দিওঁ! এই বুলি মহাফেজ ককাইক মতাই আনি ৺মাতৃ-মোকাবিলায়, ভাগ কবি দিলোঁ।

ভোটে দেৱানগাবী পুনর্ব্বাব লোৱা।

দেশব বিভাট ভাবি দ্রব্যজাত ভাগ কবা

(১) ৰূপব জাবী	—১
তামব ৰূপখতা জাবী	—১
কাঁহব শবাই	—১
মিনাকবা বাখবামি বিবি	—১
হীবাপতা বেৱাব কেৰু	—১ জোব
মিনাকবা মুনিহ কেৰু	—১ „
ৰূপব সোণখতা কাপঘবা	—১ টা
পোবা বাখব ডালিমা	—৩০০ মান
হীবা আঙ্গঠি	—২ টা
	৯ দফা
বাখবপতা আঙ্গঠি	—১
	১০ দফা

শ্রীচন্দ্রকান্তক দিয়া :—

সোণব বাখবামি গাম খাৰু	—১ জোব
সোণব লং বাখবামি কেৰু	—১ „
সোণব মালামণি	—১ ধাব
সোণব হাব	—১ ধাব
সোণব বব ডালিমাব আঙ্গঠি	—১ গোট
	৫

গৌবীকান্তব স্ত্রীক দিয়া :—

সোণব ওকা খাৰু	—১ জোব
ৰূপব সোণখতা খাৰু	—১ „
বাখবামি আঙ্গঠি	—৫ গোট
সোণব ওকা বিবি	—১ ধাব
সোণব বাখবামি কেৰু	—১ জোব
তথা বেৱাব কেৰু	—১ „
সোণব ওকা বিবি	—১ „
সোণব গেজেবা	—১ টা
তথা চন্দ্র মণি	—১ টা
সোণব বাখবামি গলপতা	—১ ধাব
কিংখাপব মেখেলা	—১ খন
গাজব বিহা	—১ „
জুবীয়া কাপুব	—১ „
পাটব বিহা-মেখেলা	—১ জোব
খনীয়া কাপুব	—১ খন
	১৫ দফা

টোকা—(১) গৌবীকান্তক দিয়া।

তস্য জীয়েক মঞ্জীৰাক		ইজা	—৭ দফা
দিয়া সোণৰ খাৰু	—১ জোৰ	সোণৰ গেজেৰা	
ৰূপৰ খাৰু	—১ জোৰ	সহিত ছোট মুকুতা	—১ ধাৰ
সোণৰ বাখৰামি কেৰু	—১ ,,	কিংখাপৰ মেখেলা	—১ খন
মিনাকৰা কেৰু	—১ ,,	গাজৰ বিহা	—২ ,,
আঙ্গঠি বাখৰামি	—৫ গোট	জুৰীয়া কাপুৰ	—১ ,,
সোণৰ আদমহীয়াৰ		ক'লা কাৰ্চিপি	
গলপতা	—১ ধাৰ	মেখেলা	—১ ,,
সোণৰ জামুগুটীয়া		গছদিয়া কাপুৰ	—১ ,,
বিৰি	—১ ধাৰ	পাৰি দিয়া কাপুৰ	—১ ,,
	৭ দফা		১৪ দফা

॥ ৪৩৯ ॥

* * * *

মূল পুথিৰ ১৭৪ আৰু ১৭৫ পৃষ্ঠাত একো লিখা নাই।

—সম্পাদক

এই সকল দ্রব্য ভাগ কৰি দিলোঁ এক ডলাতে। গৌৰীকান্তে লৈ ভিতৰলৈ গ'ল। কিয়ৎক্ষণ পৰে পুনৰ সেই ডলা সহিতে দ্রব্যজাত আনি কলে, "মোক একো নালাগে, ককাইৰ দ্রব্য ককায়ে নিয়ক।" এই বুলি কোৱাতে মহাফেজ ককাই ও মঞ্চি জানিলোঁ, তেওঁৰ দ্বৈণীয়েকে মানা কৰাতহে ফিৰাই আনিলে। পূৰ্ব্বে তেওঁ কৈছিল, "সমান ভাই, সমান সমান ভাগ লম।" সেই কথা সকলোৱে জানে। মঞ্চি একো মতা নাছিলোঁ। মহাফেজ ককায়ে তেওঁক অনেক তিৰস্কাৰ কৰি কলে, "মূৰ্খ তোক ককায়েৰে অনুগ্রহ কৰি দিছে। নিদিলে, তোৰ একো দাবী নাই।" এই বুলি কোৱাতে, সেই সকল দ্রব্য লৈ গ'ল ॥ ৪৪০ ॥

পৰে ফাগুন মাহে দুর্গাকান্তৰ উপনয়ন দিবৰ জন্যে উত্তম কৰি, উপনয়ন দি হোম কৰিছোঁ, এনেতে লয়েড্ সাহেব কালেক্টৰ একজন চাপ্ৰাচী পঠাই মোক তলৰ দিলে। মঞি কলোঁ "দেখিছ, সাহেবত চালাম দি কৰি, কালিলৈ মঞি যাম, আজি যাব নোৱাৰোঁ।" এনে কোৱাতে চাপ্ৰাচী গ'ল ॥ ৪৪১ ॥

দুর্গাকান্তৰ উপনয়ন

তদপৰ দিন মঞি খাই বৈ সোনকালে সাহেবৰ পাশ গলোঁ। তেতিয়া সাহেব লতাশিলৰ বাঙ্গালাতে আছিল। [illegible]ৰ ওচৰ সড়গতে সাহেব কাছাৰীলৈ অহাত, বাটতে লগ পাই, চালাম দিয়াতে বোলে "ভোটে পুনৰ দেৱানগাৰী ললে। ফৌজ গৈছে। আৰু আহিব। তোমি এজেণ্ট মকৰৰ হৈছা। বঙিয়াত খাকি চিপাহীৰ কুলী আদি যোগাৰ কৰিব লাগে। কাছাৰীৰ পৰা ২০০০৲ দুই হাজাৰ টাকা লৈ এতিয়াই যোৱাগৈ।" মঞি কলোঁ "মোৰ ছুটী আছে।" সাহেবে কলে "কিছু খেতি নাই, সৰকাৰী জৰুৰী কৰ্ম্ম; নগলে নহয়।" তদপৰ কাছাৰী যাই, দুই হাজাৰ টাকা ললোঁ। আৰু সাহেব কলে "লাগে, আৰু টাকা নিয়া।" মঞি কলোঁ "নালাগে, যেতিয়া লাগে, নিম।" আৰু সাহেবে কলে "১০ আইন মকৰ্দ্দমাকো কৰিবা। চৌধাৰী সকলে ত্রুটী গাফিলি, বচদ কুলী আদিৰ কৰিলে, তোমি বহাল বৰখাস্ত কৰি বেপট কৰিবা। এই এক্তাৰো দিলোঁ।" এনে কোৱাতে, দেবীচৰণ মহৰিৰ, চেৰস্তাৰ কাগজাদি লৈ, বেলা চাৰি দণ্ড মান থাকাতে, পাৰ হলোঁ। সেইদিন বৰ পচোৱা বতাহ হৈছিল ॥ ৪৪২ ॥

ভোটৰ গোলমাল ও মঞি এজেণ্ট হৈ বঙিয়া যোৱা

পাৰ হৈ ঘৰ পোৱাতে ৺মাতৃ ও বৰ বৈণীৰ আগত বৃত্তান্ত কোৱাতে, "কামো নালাগে ও যাবকো নালাগে" বুলি কোৱাতে, মঞি নির্ভয় পূর্ব্বক কোৱাৰ পৰ ভাত বান্ধিলে। এবং খাই-বৈ যাওঁতে নিশা চাৰি দণ্ডমান হৈছিল। তামাম

কামো নালাগে, যাবকো নালাগে

ৰাতি যাই ৰঙিয়াৰ ব্ৰহ্মানন্দ দলৈৰ ঘৰ পাই থাকিলোঁ। এনেতে, ৰাতি পোৱাল ॥ ৪৪৩ ॥

ৰচদ কুলী ও গোৰা পহুচা

প্ৰভাত হোৱাতে দলৈৰ আগত সমস্ত বৃতান্ত কৈ চৌধাৰী সকলৰ পাশ ৰচদ কুলী তলৰ দি ১০ আইনৰ মোকৰ্দ্দমা কৰিবৰ আৰম্ভ কৰিলোঁ। ও কুলী পহুচাতে গোহাটী হৈতে চালান হোৱা ৰচদ আদিৰ বোৰা, ৰাত্ৰিদিবা দ্বাৰ বাক্‌চাৰ তামোল-পুৰে চালান কৰিব। ইতিমধ্যে গোড়া গোহাটী হৈতে ৰওনা হৱা, তাহাদেৰ খাদ্য সামগ্ৰী প্ৰস্তুত ৰাখাৰ ৰোৱকাৰী পোৱাতে দেৱীচৰণ মহৰিৰ সহিত যুক্তি পূৰ্ব্বক হাঁহ-পাৰ, পাঠা-খাহী, দুদ্, খৰি-কাঠ, তলৰ দিয়া গ'ল। এনেতে গোড়া পাঁচশও, প্ৰভাতে যাই পহুচাতে, তৰাতৰিতে প্ৰথমে দুদ্ কয়েক দি, পৰে, পাঠা ও খাহী পহুচাতে, কয়েক তেওঁলোকক দি, ৰাতি ৰওনা কৰি পঠালোঁ। তদপৰ দিনা, হফ্‌কিঞ্চন্ কমিচনৰ

দেৱানগাৰী পুনৰ ইংৰাজে লোৱা

পহুচাতে, তেওঁকো যোগাৰ দি, দেৱানগাৰী পঠালোঁ। এবং পুনৰ কমিচনৰ সাহেব গোড়া শিক্ চিপাহী দ্বাৰা যুদ্ধ কৰি ভোটক হঠাই দেৱানগাৰী লৈ, ৰঙিয়া পহুচাতে, গোহাটী পঠালোঁ। তদপৰ লয়েড সাহেব ৰঙিয়া পহুচি চাই, গোহাটী আহিল। তেওঁ দানাপুৰ জেলায় ডিপুটী কমিচনৰ হৈ যাব,

চিপাহী লোকৰ বাৰিক তৈয়াৰী

মোত কলে। এবং দানাপুৰ যোৱাতে ৰেবান সাহেব ইনচার্জ্জ্ হল। তদপৰ চৈত্ৰ মাহৰ শেষ হোৱাতে ৰঙিয়াত চিপাহীলোক থাকিবৰ বাৰিক অথচ ঘৰ তৈয়াৰ কৰিবৰ হুকুম পালোঁ ॥ ৪৪৪ ॥

মঞি জ্বৰ হৈ গোহাটী অহা

এবং চৌধাৰীলোকৰ পাশ খেৰ বাঁহ ও কাষ্টাদি তলৰ দি ঘৰ তৈয়াৰ কৰিবৰ আৰম্ভ কৰিলোঁ। ও সেই কৰ্ম্ম গঙ্গানাথ মনচুফ্ ও ৰৰপেটা হৈতে মাকেঞ্জি সাহেব আহি তদ্বিৰ কৰিব ধৰিলে। সেই সময় অল্প অল্প বৃষ্টি। সেই বৃষ্টিতে তিতি কুলীৰ দ্বাৰা ঘৰ কৰাইছিলোঁ। অনেক মেহনত হোৱাতে মোৰ জ্বৰ ও বাত হৰ ধৰিলে। তিন দিন অনাহাৰ। গোহাটী

যাৰৰ নিমিত্তে মোক, মেকেঞ্জি সাহেবত কোৱাতে, তেওঁ ছুটী দিব নোৱাৰা কলে। এনেতে গৌৰীকান্ত খেৰ বাঁহৰ গোলমালত ৰঙিয়া পহুচাতে, ভাত দুটামান ৰান্ধি দিলে। খাব নোৱাৰিলোঁ। ক্ৰমে জ্বৰ বেচি হল। মঞ্জি গোহাটী ৰওনা হলোঁ বুলি ৰেবান সাহেবেৰ পাশ এত্যালা পঠাই, দোলাৰে গোহাটী ৰওনা হৈ বেলা দুই দণ্ডমান থকাতে পালোঁহি ॥ ৪৪৫ ॥

অষ্টম অধ্যায় (শক ১৭৮৭-৮৯)

ক—শক ১৭৮৭। ১২৭২ সন। ১৮৬৫-৬৬ ইং

বিষয়া সকল—পৰগণা বন্দবস্ত—নৰীয়া পৰা—বংশত জন্ম-মৃত্যু—বিবাহ—আন আন খবৰ।

এইসনে হফ্‌কিঞ্চন্ কমিচনৰ ও এগ্‌লৌ সাহেব জুডিচীল কমিচনৰ ও কামৰূপে ৰেবান সাহেব ইনচার্জ্জ্। তেওঁ যোৱাতে ছেয়াৰ সাহেব ডিপুটী কমিচনৰ হল ॥ ৪৪৬ ॥

মঞ্জি গোহাটীৰ ঘৰ পাই ঔষধাদিৰে চিকিৎসা কৰাতে, জ্বৰ বাত কিছো শান্ত হোৱাতে, ৰেবান পাশ হাজিৰ হৈ ডিপুটী কালেক্টৰি কৰ্ম্মত থাকিলোঁ। পুনৰ ৰঙিয়া যোৱা নহল। কিন্তু মধ্যে মধ্যে কাছাৰীতে জ্বৰ উঠে। পৰে ঔষধ খোৱাতে ভাল হ'ল ॥ ৪৪৭ ॥ মোৰ জ্বৰ

ৰেবান সাহেব ভাঠী যোৱাতে, ১৮৬৫ ইংৰেজীৰ ৬ জুলাই, ছেয়াৰ সাহেব ডিপুটী কমিচনৰ হ'ল। এওঁ সাহেব পৰগণাসকল, গত সনৰ নিৰিখ ও নিয়ম মতে, এক এক সনা ম্যাদে বন্দবস্ত কৰিলে ॥ ৪৪৮ ॥ ইংৰাজ বিষয়া বদলি

পৰগণা বন্দবস্ত

হাজো পৰগণাও গৌৰীকান্ত সহিত বন্দবস্ত কৰিলে। তেওঁ আমাৰ যুক্তি-দিহামতে নচলি, নিজে ঠাকুৰীয়া, কাকতী আদি মকৰৰ কৰি, খাজানা তহচীল কৰি সৰকাৰে দাখিল কৰে। কিন্তু মোখনীয়া প্ৰভিতি মাটিৰ খাজানা মঞি দিওঁ। আখেৰি কিস্তিৰ খাজানা ঠাকুৰীয়া, কাকতী সকলোৱে ভৰে ॥ ৪৪৯ ॥

কালীকান্ত ফৌত শ্রীভূমিৰ জন্ম

এই সনৰ শ্রাবণ মাহে কালীকান্ত নদীৰ কাখৰৰ মাটিত থকাতে ফৌত হ'ল। ও ফাগুন মাহে শ্রীভূমিকান্ত জন্ম হয়। তাৰ পৰে ৰুদ্রেশ্বৰে যায় ॥ ৪৫০ ॥

শ্রীকেশৰৰ জন্ম

আৰু এই সনৰ আশ্বিন মাহৰ ৩ দিন যোৱাতে শ্রীকেশৰকান্ত জন্ম হয় ॥ ৪৫১ ॥

শ্রীদেব-কান্তৰ জন্ম

ও কার্ত্তিক মাহৰ ১৬ দিন যোৱাত মঙ্গলবাৰ নিশা ১১ দণ্ড সময় সোণাৰি ভেঁটিত শ্রীদেবকান্ত জন্ম হয় ॥ ৪৫২ ॥

শ্রীমতী জয়ন্তীৰ বিবাহ

আমাৰ দুহিতৃ শ্রীমতী জয়ন্তীৰ বিবাহৰ সময় হল। এবং টোকৰ ওৰফে পশুৰাম টঙ্গাদলৈৰ ঘৰৰ পুতেক শম্ভুৰামলৈ ধৰি 'সোণাৰি ভেঁটিলৈকে উঠি যাওঁ' বুলি কোৱাতে, মাধবানন্দ অধ্যাপকৰ যুক্তি মতে, অগ্রায়ণ মাহৰ ১৩ দিন যোৱাতে শম্ভুৰামত মঞি নিজে বিবাহ দিওঁ। এবং ঐ বিবাহে দিয়া দ্রব্য :—

বিবাহে দিয়া দ্রব্য

বৰক দিয়া :—

সোণৰ আঙুঠি	—১ টা
পাটৰ ধুতী-চাদৰ	—১ জোৰ
কোখা-অৰ্ঘা	—১ ,,
তাম-পিতল	—১ সজোলী
তোলী, পাটী, গাৰু	
আঠুৰা, বানাত, চালপীৰা	—১ দফা
মোট	৫ দফা

শ্রীজয়ন্তীক দিয়া :—

ৰূপৰ সোণখতা খাৰু	—১ জোৰ
বাখৰপতা আঙুঠি	—৫ টা
সোণৰ বাখৰামি কেৰু	—১ জোৰ
তথা মিনা কৰা কেৰু	—১ ,,
সোণৰ ওকা বিবি	—১ ধাৰ
সোণৰ বিৰিসহ থুপীয়া মণি	—১ থোপা
ৰূপৰ টেমী	—১ টা
কিংখাপৰ মেখেলা	—১ খন
গাজৰ বিহা	—১ ,,
বানাৰসী বিহা	—১ ,,
পাৰি দিয়া কাপোৰ	—১ খন
পাটৰ বিহা মেখেলা	—১ জোৰ
পৰে দিয়া বাখৰপতা আঙুঠি	—২ টি

মোট ১৩ দফা

শ্রীজয়ন্তীক দিয়া :—

ইজা	—১৩
সোণৰ বাখৰামি গলপতা	—১ ধাৰ
সোণৰ বাখৰপতা বিবি	— ,,
কপূৰৰ বাখৰপতা খাৰু	— ১ জোৰ
ৰূপৰ টেমা	— ১ (মঞ্জি খৰচ)
কাঁহৰ কাহী	— ১ খন
তথা বাটি	— ২ টা
পিতলৰ চৰিয়া	— ১ ,,
কাঁহৰ কলহ	— ১ ,,
তথা লোটা	— ১ ,,
পিতলৰ লোটা	—১ ,,
নগদ	—১০০৲ টাকা

সৰ্ব্ব মোট—২৩ দফা

তদপৰ বিবাহন্তে ও খোপাখোপনী সভা অন্তে, মপস্বল ভ্রমণ পূৰ্ব্বক পৰতাল কৰি ফুৰিছিলোঁ। শেষে উত্তৰ সৰুবংশৰ দামপুৰ মৌজাৰ বালকৰাম চৌধাৰীৰ গ্রেণ্টৰ মাটি তহ্‌কীক্ কৰি গোহাটী আহিলোঁ ॥ ৪১৩ ॥ মপস্বল ভ্রমণ

অষ্টম অধ্যায় (ক্রমশঃ)

খ—১৭৮৮ শক। ১২৭৩ সন। ১৮৬৬-৬৭ ইং।

বিষয়া সকল—পৰগণা বন্দবস্ত—সম্পত্তি বিভাগ—মঞ্চি তেজপুৰে মুনচুফ—অন্যান্য খবৰ।

হফ্‌কিঞ্চন্ কমিচনৰ, ও এগ্‌লৌ সাহেব জুডিচীল কমিচনৰ। কামৰূপে ছেয়াৰ সাহেব ছুটী লোৱাতে কার্ণীগী সাহেব ইন্‌চার্জ্জ হয়। মঞ্চি ডিপুটী কালেক্টৰিতে আছিলোঁ ॥ ৪৫৪ ॥

প্রথমত ছেয়াৰ সাহেব গত সনৰ নিৰিখ ও নিয়মমতে পৰগণাসকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। হাজো পৰগণাও গৌৰীকান্ত সহিত বন্দবস্ত কৰিলে ॥ ৪৫৫ ॥

এই সনৰ জৈষ্ঠ মাহে মঞ্চি কাউৰবাহাৰ ধান আনিব কাৰণে নাউ-মানুহ পঠালোঁ। বোধকৰোঁ চেচামুখ-মান পাইছিল, এনেতে শ্রীমান গৌৰীকান্ত, কাউৰবাহা আদি খাতত তেউৰ নামজাৰি থাকা বুলি ধান আনিব নিষেধ কৰাতে, মঞ্চি অবাক হৈ, বৰককাই গোপীকান্ত বৰুৱাক মাতি পঠালত, আহিল। এবং তেউৰ নামজাৰি থকা বুলি কাউৰবাহাৰ ধান আনিব নিষেধ কৰা বুলি কোৱাতে, তেউ গৌৰীকান্তক অনেক তিৰস্কাৰ কৰি কলে যে, "পাপীষ্ট, মূর্খ, সকলো মাটিবাৰী ককায়েৰে কৰিছে। তঞ্চি এটা পইচাকো দিয়া নাই। তেওঁ সৰকাৰী কর্ম্মত আছে। তোমালৈ সৰল চিত্ত দেখি, সকল মাটি তোমাৰ নামজাৰি কৰি দিছে ও লৈছে! এতিয়া তোমি ধান আনিবৰ মানাহি কৰা! তোমাৰ সমান মূর্খ কোন আছে?" এইমত তিৰস্কাৰ কৰি, মোক শান্ত্বনা কৰি কলে, "বপা, তোমাৰ ভায়েৰ মূর্খ; সেহেতু এনে কথা কয়।

শ্রীগৌৰী কান্তৰ নিষেধ

তোমি ধান আনা। বেজাৰ নকৰিবা।" মঞি কলোঁ, "ধান আনিম কিন্তু তেউৰ আশয়টি কেনে বুজক!" এইবুলি কলোঁ ॥ ৪৫৬ ॥

কিন্তু মঞি বিবেচনা কৰিলোঁ, "মঞি বৰ্ত্তমানে ইমান। মঞি অবৰ্ত্তমানে মোৰ লৰাহতে মাটিবাৰী পাবনে? এতেকে মঞি বৰ্ত্তমানে বিভাগ কৰি এটি ফৰ্দ্দ কৰি দিয়া ভাল।" এইবুলি ফৰ্দ্দ এটি কৰি শ্রীকমলাকান্ত, এটি মহাফেজ ও এটি গৌৰীকান্তক দি কলোঁ, "এইমত নামজাৰি কৰি দিয়া। খাজানা ধানৰ তোমিয়েই নিৰ্ব্বাহ কৰিবা।" কিন্তু নামজাৰি কৰি নিদিলে। মাটি জমা ফৰ্দ্দ মত :— জমি ভাগ কৰি দিয়া

শ্রীচন্দ্রকান্তৰ :—
পৰগণে হাজোৰ
মোখনীয়াৰ খেৰাজ
তলীয়াৰ
তেতেলীয়াৰ
ডিমৌৰ
কেন্দুকুচি-লাখৰাজ— ২০
ওখবাৰ খেৰাজ

শ্রীগৌৰীকান্তৰ :—
পূৰ্ব্বপাৰ পৰগণাৰ
লাখৰাজ— ১২ পুৰা
তথা বাজপ্তী

শ্রীকমলাকান্তৰ :—
কাউৰবাহা খেৰাজ
পৰগণে খাতাৰ
কেন্দুকুচি লাখৰাজ— ২০

শ্রীৰত্নকান্তৰ :—
ৰৰিগোগৰ কৰকুচিৰ
লাখৰাজ গৰাবাদ— ৪০

শ্রীদুর্গাকান্তৰ :—
পাতিদৰঙৰ নকুচি
খেৰাজ— ২২
পূৰ্ব্বপাৰ মলঙৰ
খেৰাজ— ২২

শ্রীধর্ম্মকান্তৰ :—
শিলভঁৰালৰ লাখৰাজ—
৪০ পুৰা
মোৰ পৰগণে হাজোৰ
হিড়লাদলৰ লাখৰাজ—
১০ ,,

এইমতে ফৰ্দ্দ কৰি দিলোঁ। তাতে মহাফেজ ককায়ে কৈছিল "শ্রীদেৱকান্তক মাটি নিদিলা?" মঞি কলোঁ, "নাই

নাই, পাৰোঁ যদি পাচেকৈ দিম।" এমত কলোঁ। ঐ দশ বাৰ পুৰা মাটি মঞ্জি গৌৰীকান্ত নামে ৰাখাৰ কাৰণ এই;— লৰাহঁতে আমাক ধান খাব নিদিলে, সেই মাটিৰ পৰা প্ৰবৰ্ত্তন হব॥ ৪৫৭॥

ডেপুটী কালেক্টৰি পদ উঠাত আমি মুনচুফ হোৱা

এই সনৰ শ্ৰাবণ মাহে গোহাটীতে আছিলোঁ, তথাপি ফৰ্দ্দমত নামজাৰি কৰি নিদিলে। এনেতে এ জেলাৰ ডেপুটী কালেক্টৰি পদ 'এবালিচ্' (১)। মোক তেজপুৰে ২০০৲ টাকা দৰমহাত মনচুফ মকৰৰ কৰি, তেজপুৰ যাই লঠৌধৰ ফুকন পাশ চার্জ্জ্ লৈ, তেওঁক বিদায় দিবৰ ১৮৬৬ ইংৰেজী ৩১ জুলাই, হফ্‌কিঞ্চন্ কমিচনৰ সাহেবেৰ হুকুম পোৱাতে, ২৪ শ্ৰাবণ শ্ৰীশম্ভুৰাম জামাতা ও জয়ৰাম, দাসী ও নেতো লগুৱাক লৈ ৰওনা হৈ নাৰেৰে ৮ দিনত যাই পাই, লঠৌফুকনৰ পাশ ১ আগষ্ট চার্জ্জ লৈ লেম সাহেব পাশ হাজিৰ হৈ, হাতীমতাৰ ঘৰতে থাকিলোঁ॥ ৪৫৮॥

জিন্‌কিঞ্চন্ কমিচনৰ ফৌত্

তাতে ১৮৬৬ ইংৰেজী ২৮ আগষ্ট, ১২৭৩ সনৰ ১৩ ভাদ্ৰ মঙ্গলবাৰ, ৩ বজাৰ সময়, জিন্‌কিঞ্চন্ কমিচনৰ সাহেব গোহাটীত জ্বৰ হৈ ফৌত্ হোৱা শুনিলোঁ। এওঁ সাহেবক আসামৰ সকল লোকে ভাল পাইছিল॥ ৪৫৯॥

দেৱৰৰ ৰৱদলৈ ফৌত

ঐ হাতীমতা দৈবজ্ঞৰ ঘৰে থাকি কুমাৰ গাঞৰ ওচৰত মটীয়াত ঘৰ কৰিবৰ আৰম্ভ কৰিলোঁ। এবং আশ্বিন মাহৰ পূজাৰ বন্দ হোৱ, ছুটীৰ জন্যে এক মাহৰ এত্যালা দিয়াতে, সদৰে ৰেপট কৰিলে। এবং বন্দৰ ভিতৰতে মঞ্জুৰী পহুচাতে, লেম সাহেব পাশ্ চার্জ্জ দি গোহাটী ৰওনা হৈ দুই দিনে সংক্ৰান্তি দিনা গোহাটী সন্ধ্যাৰ পূৰ্ব্বে পাওঁ। দেৱৰৰ ৰৱদলৈ, ঐ দিনে ফৌত হোৱা; অশ্বক্ৰান্তত খবি দিয়া, নাৱতে খবৰ পালোঁ। তদপৰ ঘৰত উঠি কেইদিন মান আছিলোঁ॥ ৪৬০॥

টোকা—(১) এবালিচ্ = Abolished = উঠাই দিয়া।

পুনৰ কার্ত্তিক মাহে ৰঙনা হৈ যাই, তেজপুৰ পহুচাতে মটীয়াৰ ঘৰতে থাকিলোঁ। ও চার্জ্জ্ গ্রহণ কৰিলোঁ ॥ ৪৬১ ॥

তদপৰ মটীয়াতে এটি চৌচাল ঘৰ কৰি ফাগুন মাহে ঐ ঘৰ লওঁ। শ্রীমান ৰত্নকান্তক শ্রীমতী ৰঘৈণী মোৰ পাশ পঠাই, শ্রীমতী জয়ন্তী দ্বিতীয় বিবাহ অথচ যুৱৎ হোৱা লিখাতে, শান্তি লবৰ কাৰণে শ্রীশম্ভুৰামক গোহাটী পঠাই, শ্রীৰত্নকান্তক মোৰ লগত ৰাখিলোঁ ॥ ৪৬২ ॥ শ্রীজয়ন্তীৰ শান্তি বিবাহ

ঐ তেজপুৰ থাকাতে,—শ্রীকমলাকান্তে ঈশৰামক ছয় শও টাকাদি পাখামাৰা খাত লোৱা শুনিলোঁ ॥ ৪৬৩ ॥

অষ্টম অধ্যায় (ক্রমশঃ)

গ—শক—১৭৮৯। ১২৭৪ সন। ১৮৬৭-৬৮ ইং।

বিষয়া সকল—পৰগণা বন্দবস্ত—মঞ্জি প্রথম শ্রেণীৰ মুনচুফ আৰু সদৰামীন আৰু দ্বিতীয় শ্রেণীৰ মেজেষ্টাৰ—ঘৰুৱা খবৰ।

হফ্‌কিঞ্চন্ কমিচনৰ ও বিবৰ সাহেব জুডিচীল কমিচনৰ। কামৰূপে ছেয়াৰ সাহেব ডিপুটী কমিচনৰ ও কালেক্টৰ। তেজপুৰে লেম সাহেব কালেক্টৰ ॥ ৪৬৪ ॥ ইং বিষয়া

ছেয়াৰ সাহেব কামৰূপে গত সনৰ নিৰিখ মতে ও নিয়ম মতে পৰগণাসকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। হাজো পৰগণাও গৌৰীকান্ত সহিত এক সনা ম্যাদে বন্দবস্ত হ'ল ॥ ৪৬৫ ॥ পৰগণা বন্দবস্ত

আৰু এই সনৰ বৈশাগ মাহৰ ৩০ দিন যোৱাত শ্রীচন্দ্রকান্তৰ কন্যা এটী জন্ম হয়। নাম শ্রীকুমুদী ॥ ৪৬৬ ॥ শ্রীকুমুদীৰ জন্ম

তেজপুৰে আমি মুনচুফ ও ফৌজদাৰী ২য় শ্রেণী মাজেষ্টৰ

আমি তেজপুৰে মুনচেফ ও ফৌজাদাৰীৰ দ্বিতীয় শ্রেণীৰ মাজেষ্টৰ হৈ কর্ম্ম কৰিছিলোঁ। নগাঞৰ ৰাধাকান্ত বৰুৱা মুনচেফ্ তেজপুৰে বদল হব হেতু, তেওঁৰ পাশ চার্জ্জ্ লবৰ হুকুম পোৱাতে. শ্রীৰত্নকান্ত ও শ্রীজয়ৰাম সহিত ৰওনা হৈ লাউখোৱা ঘাটে পাৰ হৈ, হাতী ঘোঁৰা পাল্কী অহাতে, ৭ জুন ২৫ জৈষ্ট ৰওনা হৈ বেলা চাৰি দণ্ড মান থকাতে পাই, মহীধৰৰ ঘৰত থাকি, ৮ জুন ২৬ জৈষ্ট ৰাধাকান্ত হৈতে চার্জ্জ্ গ্রহণ কৰি কর্ম্মে প্রবর্ত্ত হলোঁ। ও ফিলিপ্ সাহেব ও মিছিল সাহেব আচিষ্টণ্ট্ সহিত দেখা হলোঁ ॥ ৪৬৭ ॥

নগাঞে বদলি

ৰণ্জয় ফোকনৰ বেমাৰ দেখা

এবং ৰণ্জয় ফোকন নাজীৰৰ সেই সময় বেমাৰ। তেওঁক দেখিলোঁ ও তেওঁৰে মাটি একখণ্ড লৈ ঘৰ কৰি ওচৰতে থাকিলোঁ ॥ ৪৬৮ ॥

আমি নগাঞে ১ম শ্রেণীৰ মুনচুফ

মঞি নগাঞত থকাতে, প্রথম শ্রেণীৰ মুনচুফ ও সদৰামীন ও দ্বিতীয় শ্রেণীৰ মাজেষ্টৰ, ২০০৲ টকাৰ জৰিমনা, ৬ মাহ ফাটক ও বেত দিবৰ এক্তাৰ পালোঁ। আৰু ১৮৬৭ ইং ১৮ মেই হৈতে ১০০৲ একশ টকা বৃদ্ধি হৈ এক যোগে ১৩ মাহৰ ১৩০০৲শ টকা সৰকাৰ হৈতে পালোঁ ॥ ৪৬৯ ॥

জমি নাম-জাৰি অর্থে গোহাটী অহা

গৌৰীকান্ত আমাৰ ফর্দ্দমত নামজাৰি কৰি নিদিয়াত, তেজপুৰৰ পৰাও চিঠি লিখাত, নামজাৰি কৰি, লৰাহঁতক নিদিয়া হেতু, অনেক বিবেচনা পূর্ব্বক গোহাটী যাবৰ নিমিত্তে নিজ কর্ম্মোপলক্ষে ১ ফেব্রুৱাৰী হৈতে ৩১ মার্চ্চতক ২ মাহৰ ছুটী লৈ গোহাটী আহিলোঁ ॥ ৪৭০ ॥

গোহাটীৰ কেঞাপটি বালিত মেলা

সেই সময় গোহাটীত কেঞাপটি বালিত মেলা হোৱাতে, এগ্লৌ সাহেব মোক ও কেফায়ৎউল্লা সদৰামীনক মেম্বৰ মকৰৰ কৰাতে, দ্রব্যজাত পছন্দ্ কৰিছিলোঁ ॥ ৪৭১ ॥

শ্রীমান গৌৰীকান্ত ফর্দ্দমত লৰাহঁতৰ মাটিত নামজাৰি কৰি নিদিয়ে। পূর্ব্বে পঞ্চ ভাই বেলেগ হলোঁ। কি কি

দ্রব্য পালোঁ ও আছে, মহাফেজ ককাই, মাতৃ আছে, সমাজ পাতি তেওঁলোকক সোধোৱা আবশ্যক। এই ভাবি গৰ্গৰাম বৰুৱা সদৰামীন, ও হৰিমল বৰা, ও জ্যেষ্ঠ গোপীকান্ত বৰুৱা, ও জয়ৰাম, ও লক্ষ্মীকান্তক মাতি আনি ফাগুন মাহে ৺মাতৃ মোকাবিলায় সোধালোঁ। অর্থাৎ মঞি এই কলোঁ, "আমি পঞ্চ ভাই পূর্ব্বেই বিভক্ত হলোঁ। তেতিয়া গৌৰীকান্ত সক আছিল। ভাগত যি যি দ্রব্য পাইছিলোঁ, দেৱৰৰ বৰদলৈৰ জীয়েকক, বিবাহৰ জোৰণ দিয়া গ'ল। যি অবশেষ আছিল, ঘৰ পোৰাত পুৰিল। মঞি গৌৰীকান্তক প্রতিপাল কৰি, নিজে পঢ়াই শুনাই, উপনয়ন ও বিবাহ ও পুতেকহঁত ও জীয়েকক উপনয়ন ও বিবাহ দিছোঁ। তেওঁ ৩০ বৎসৰ পৰগণা খাই এটি পাই-পইচাকো মোক নিদিয়ে। সকলো ঘৰৰ খৰচা মঞি দি আছোঁ। ও পিতৃ আর্জ্জনৰ কোনো সম্পত্তি নাই। ও তেওঁৰ আর্জ্জনৰো মোক এটি পাই পইচা দিয়া নাই। মাটিবাৰী হাতী গৰু-গাই কাপৰ-কানি, সকলো মোৰ আর্জ্জনৰ। এতেকে গৌৰীকান্ত ও তদপুত্র ও শ্রীকমলাকান্ত প্রভৃতি, সকল মোৰ পুত্র। এহেতু মঞি পুত্র বিবেচনা কৰি সকলোকে সমানাংশে দিছোঁ। ও মঞি যি ৰাখিছোঁ, তেওঁক তাকে দিছোঁ। এতিয়া মোৰ ফর্দ্দমত, তেওঁৰ নামজাৰি থাকা বুলি, কি কাৰণ নামজাৰি কৰি নিদিয়ে সোধক। এই জন্যে মঞি আহ্বান কৰি আপুনালোকক আনিছোঁ" ॥ ৪৭২ ॥

গৌৰীকান্তৰ বিৰুদ্ধে মেল মতা

সদৰামীন, প্রথম জ্যেষ্ঠ গোপীকান্ত বৰুৱাক সোধাত, তদ্রূপ কলে ও ৺মাতৃকো সোধাত সেই ৰূপ কৈ, পিতাদিনৰ এটি লোটা থাকা, তেওঁ আচৰণ কৰা আন সকল সম্পত্তি মোৰ আর্জ্জনৰ, তেওঁ কোন টাকা-কড়ি মোক বা ককায়েকক নিদিয়া, সকল খৰচা মঞি চলোৱা বুলি কলে ॥ ৪৭৩ ॥

পঞ্চায়ত মেলৰ ফলাফল

তদপৰ গৌৰীকান্তক সোধাতে, কোনো খৰচাদি তেওঁ

নিদিয়া, সকল মাটিবাৰী মঞ্জি কিনি লোৱা বুলি কৈ, কেবল আপত্তি কৰিলে—"কাউৰবাহাখন মোক দিয়ক।" এই বুলি কোৱাতে, মঞ্জি এই কথা কলোঁ, "মোখনীয়াৰ খাতখন হাজো পৰগণাৰ অন্তর্গত। এক সমান মাটি, কছাৰী মানুহো দুইখন খাতে সমান আছে। তেওঁ হাজো পৰগণাৰ চৌধাৰী, এহেতু, কাজিয়া, আয়েন্দা নহবৰ নিমিত্তে কাউৰবাহাৰ খাত, শ্রীকমলা-কান্তক দিছোঁ। ই কি বঞা হৈছে?" তাতে সদৰামীন প্রভৃতি, তেওঁক ধিক্কাৰ দি কলে, "মনচুফে যি বেৱস্থা কৰি দিছে, এহাত আমি কবৰ মুখ নাই। বপা তুমি অবহেলে ফর্দ্দমত নামজাৰি কৰি দিয়া" বুলি কলে। গৌৰীকান্ত সম্মত হ'ল। তেওঁলোক উঠি গ'ল ॥ ৪৭৪ ॥

তথাপি মাটি নামজাৰি কৰি নিদিয়াত, মঞ্জি কেইদিনমান থাকি নগাঞে যাবৰ উদ্যম কৰিলোঁ। এবং মোৰ লগত শ্রীৰত্নকান্ত ওলাল। সেই দিনে নামজাৰি দৰখাস্ত দিওঁ বুলি কোৱাতে, শ্রীমান ৰত্নকান্তক নাৱৰ পৰা তুলি পঠাইছিলোঁ। শ্রীকমলাকান্তৰ নাম জাৰি কৰিবৰ দৰখাস্ত দিয়া বুলি কলে। পাচে, মোৰ লগতে তেওঁ ৰওনা হ'ল। এবং নগাঞ পাই, ১১ মার্চ্চ ২৯ ফাগুন মঞ্জি চার্জ্জ্ গ্রহণ কৰি কর্ম্মে প্রবর্ত্ত হলোঁ ॥ ৪৭৫ ॥

তেজপুৰে চার্জ্জ্ লোৱা

তদপৰ তেজপুৰৰ ৰাধাকান্ত বৰুৱা মুনচেফ বেমাৰ হোৱাতে, তেওঁৰ চার্জ্জ্, মঞ্জি লবৰ হুকুম হৰাতে ১৮৬৮ ইং, ৩, আপৰেল ১২৭৪ চনৰ ২৩ চৈত্র নগাঞেৰ ফিলিপ সাহেবক চার্জ্জ্ দি, যাই, লাউখোৱা ঘাটত থাকি, ৰাতি কুমাৰহঁতে নাউ লৈ অহাতে, পাৰ হৈ যাই, মোৰ টিলাৰ ঘৰতে থাকিলোঁ। পৰদিন, ৫ আপৰেল ২৪ চৈত্র, তেজপুৰৰ লেম সাহেব পাশ হাজিৰ হৈ, ৰাধাপট্ সাহেব পাশ চার্জ্জ্ লৈ কর্ম্মে প্রবর্ত্ত হলোঁ। মোৰ লগতে শ্রীমান ৰত্ন গৈছিল ॥ ৪৭৬ ॥

নৱম অধ্যায় (শক ১৭৯০-৯৩)

ক—১৭৯০ শক। ১২৭৫ সন। ১৮৬৮-৬৯ ইং।

বিষয়া সকল—নগাঞে বদলি—পথৰ কষ্ট—খাজানাৰ নিৰিখ—দ্বিতীয়া ভার্য্যা বিবাহৰ উদ্যোগ—গৌৰীকান্তৰ কথা—অন্যান্য।

হফ্‌কিঞ্চন্ সাহেব কমিচনৰ ও বিবৰ সাহেব জুডিচীল কমিচনৰ। কামৰূপে ছেয়াৰ সাহেব, তেজপুৰে লেম সাহেব, নগাঞে ফিলিপ সাহেব ও মিছিল সাহেব এচিষ্টেণ্ট কমিচনাৰ। কামৰূপে হাবিৰাম বৰুৱা চেৰস্তাদাৰ হৈ, ছেয়াৰ সাহেবেৰ বৰ বল্লভ হৈছিল ॥ ৪৭৭ ॥

মঞ্জি তেজপুৰ হৈতে বদলি

এই সনৰ বৈশাগ ও জৈষ্ট মাহে আমি শ্রীৰত্নকান্ত সহিত তেজপুৰে আছিলোঁ। আষাঢ় মাহে ভাঠীৰ পৰা দ্বাৰিকানাথ ঘোষ মনচুফ্ হৈ আহিব বুলি শুনিলোঁ এবং গেজেট জাৰি হ'ল। পৰে তেওঁ আহি তেজপুৰ পঁহুচাতে, মঞ্জি ৮ জুলাই ২৫ আষাঢ় ঐ মনচুফকে চার্জ্জ দি ২৭ আষাঢ় নাৱেদি শ্রীৰত্নকান্ত ও গুণী ও দুখু সহিত কুমাৰ গাঞৰ নাউ মানুহ লৈ ৰওনা হৈ ভোমোৰাগুৰিৰ উজান মাজুলীত থাকিলোঁ। ২৮ আষাঢ় প্রাতসে নাউ-খোৱাদি দক্ষিণ পাৰে কলিয়াবৰ পর্ব্বত ধৰি, দুপৰীয়া তাতে ভাত খাই পর্ব্বতৰ পূৰফালে, জয়সাগৰ দলেদি কলঙ্গ নদীত পৰি ভটীয়াই যাব বুলি কোৱাত, সেই পিনে, পানী ও হাবি-দলনি'দি যাই, সন্ধ্যা হ'ল। তাতে বক্ষণ হ'ল, নেদেখা হল। নাউ কিছুমান টানি-টুনি, হাবিৰ মাজ, তলে পানী, তাতে থকা গ'ল। থাকিবৰ ঠাই নাই। দুখু আদি কেইজনমান নাৱৰ ছৈৰ ওপৰতে থাকিল। এবং

কলিয়াবৰৰ হাবিৰ মাজত থকা

পানী শুকাৱ ধৰিলে। যাহক, প্ৰভাত হলত দেখা গল, কলং নদীৰ পাৱতে নাউ লাগি আছে। পাচে, সকলোৱে টানি কলং নদীত নাউ পেলাই ভটীয়াই যাই কলিয়াবৰৰ কিছো নামতে, দুপৰীয়া নাউ ৰাখি, ভাত খোৱা গ'ল। সেইদিন ২৯ আষাঢ় ॥ ৪৭৮ ॥

তদপৰ ভাত খাই নাউ ভটীয়াই মেলি দিয়া গ'ল। এবং নদীৰ পাকত থাকি, যাওঁতে যাওঁতে ৰাতি হ'ল। তামাম ৰাতি যাই, জেলাৰ ঘাট পালোঁ। প্ৰভাত হ'ল। এবং ভাত খাই, ৩০ আষাঢ়, ১৩ জুলাই ফিলিপ সাহেৱ ডিপুটী কমিচনৰ পাশ চার্জ্জ্ লৈ কৰ্ম্মে প্ৰবৰ্ত্ত হলোঁ। এবং পূৰ্ব্বোক্ত মাটি, ঘৰতে, থাকিলোঁ। পূজাৰ বন্দত, এই বেলি ছুটী নহল। নগাঞতে পূজা চালোঁ। ও মোৰ দৰমহা ১০০৲ একশও বেচি হোৱাতে ১৩ মাহৰ ১৩০০৲ টাকা একেবাৰে পোৱা গল ॥ ৪৭৯ ॥

নগাঞে চার্জ্জ লোৱা

দৰমহা বৃদ্ধি

এইসনে হফ্‌কিঞ্চন্ কমিচনৰ সাহেবেৰ ১৮৬৮ ইং ১৪ নওম্বৰেৰ ৬৬৫ নম্বৰৰ চিঠিৰ আজ্ঞামত ৰূপিত ফি পুৰা ২॥০ টাকা, বস্তিত ৪৲ টাকা, বাউতলীত ২৲ টাকা, ফৰিঙ্গতিত ২৲ টাকা, বৰিত ২৲ টাকা নিৰিখ ধাৰ্য্য কৰি লাখৰাজ তদৰ্দ্ধমতে এক এক সনা ম্যাদে বন্দবস্ত কৰাৰ হুকুম জাৰি কৰিলে। সেইমত সকল জেলায় হল ॥ ৪৮০ ॥

পৰগণা বন্দবস্ত

আৰু এণ্ড সাহেবেৰ দিনৰে পৰা দস্তুৰমত কাছাৰী, তেওঁ কৰা গুচিল। কোঠা বা অন্দৰত থাকি 'পাৰ্চনেল' দ্বাৰা হুকুম জাৰি কৰায় ॥ ৪৮১ ॥

আৰু পৰগণাসকলৰ চৌধাৰীৰ শতকৰা ১৪।০ আনা কমিচন গুচাই পাঁচ হাজাৰ প্ৰযন্ত ১০৲ টাকা, তদুৰ্দ্ধ হলে ৫৲ টাকা কমিচন দিবৰ হুকুম জাৰি কৰি, তাকো দৰমহা স্বৰূপ দিবৰ ৰেপট সদৰে কৰিলে ॥ ৪৮২ ॥

চৌধাৰীৰ কমিচন

নবম অধ্যায় (ক্রমশঃ)

খ—১৭৯১ শক। ১২৭৬ সন। ১৮৬৯-৭০ ইংরেজী।

শ্রীকালিন্দী ও শ্রীগোলাপী জন্ম—গৌরীকান্তর ধারর বিষয়ে যুক্তি—মঞ্জি ওকীলর জীয়েকক বিবাহ করোরা—অন্যান্য।

এই সনেও হফ্‌কিঞ্চন্ কমিচনর ও এগ্‌লৌ সাহেব ডিষ্ট্রীক্ট কমিচনর। নগাঞে ফিলিপ সাহেব ডিপুটী কমিচনর ও মিছিল সাহেব এচিষ্টেণ্ট কমিচনর গত সনর নিরিখমতে এক এক সনা ম্যাদে বন্দবস্ত করিলে ॥ ৪৮৩ ॥

শ্রীকালিন্দী জন্ম

এই সনর বৈশাগ মাস অবধি মঞ্জি নগাঞতে থাকোঁ। জৈষ্ট মাহে শ্রীকমলাকান্তর দুহিতৃ এটী হয়। নামাকরণে শ্রীকালিন্দী নাম হয় ॥ ৪৮৪ ॥

ছুটী লোরা

নগাঞে ৺পিতার শ্রাদ্ধ করি ভাদ্র মাহে থাকোঁ। ৪ আক্টুবর ১৯ আশ্বিন ইস্তক এক মাহর ছুটী লৈ গোহাটী আহোঁ।

শ্রীগোলাপী জন্ম

ইতিমধ্যে শ্রীচন্দ্রকান্তর গোলাপী নামে কন্যা এটী জন্ম হয় ॥৪৮৫॥

শ্রীগৌরী-কান্তে তেওঁর ধারর কথা কোরা

তদপর মঞ্জি নগাঞে যারর উদ্যত হলোঁ। শ্রীমান গৌরী-কান্ত, ছোট বুলনী ঘরত, মোর কাষতে বহি কলে যে, "ধারতে তল গলোঁ।" মঞ্জি সোধাত কলে, দেৱকান্ত প্রভিতির ৪০০০৲। ৫০০০৲ হাজার টাকার ধার থাকা আরু শতকরা ৫।৩ টাকা সুত। এহাতে আমি অনুমান করি কলোঁ, "৬০০০৲ ছয় হাজার টাকা সুত সহিত হব। মঞ্জি একযোগে আদায় করি দিবর কি শক্তি আছে; তাতে আজি মঞ্জি নগাঞে যাওঁ। তথাপি উপায় করিলে, চুক্তিতে আদায় করিব পারি" ॥ ৪৮৬ ॥

শ্রীমানে কলে, "কি উপায় করে করোক।" মঞ্জি কলোঁ, "পরগণার কমিচন কি পোরা?" ১০০০৲ এক হাজার বুলি

ধাৰ সুজাৰ যুক্তি

কলে। মঞ্চি সৰল চিত্তে কলোঁ, "ঐ এক হাজাৰ কমিচন মধ্যে যদি তোমি সাড়া, টেকেলা ও লগুৱাত খৰচ কৰিও, ৮০০৲ বা ৯০০৲ টাকা মোক দিব পাৰানে ?" তেওঁ কলে, "ঘৰৰ খৰচ চলিলে দিব পাৰোঁ।" "মাহে কিমান খৰচ লাগে ?" তেওঁ কলে, ১০।১২ টাকা হলে চলে। মঞ্চি কলোঁ, "মাহে ১৫৲ টাকা দিম। তোমি বৎসৰৰ শেষে, কমিচনৰ ৮০০৲ বা ৯০০৲ টাকা বাপুৰাম ওকিল বা মহাফেজ ককাইৰ হাতত দি, মোলৈ লিখিবা।" তেওঁ স্বীকাৰ হ'ল। মঞ্চি তেতিয়াই কাৰ্ত্তিক মাহৰ বাবত ১৫৲ টাকা দিলোঁ আৰু কলোঁ, "মাহে মাহে ঐ ১৫৲ টাকা পঠাই থাকিম।" এই বুলি মঞ্চি নগাঞে ৰওনা হলোঁ। এবং ভনীয়েকক দেখিবৰ কাৰণে শ্রীচন্দ্রকান্ত মোৰ লগতে নগাঞে গ'ল। মঞ্চি নগাঞ পাই, ৫ নওম্বৰ ২০ কাৰ্ত্তিক নগাঞৰ চার্জ্জ্ গ্রহণ কৰিলোঁ। তদপৰ অগ্রায়ণ মাস প্রবেশ হোৱাতে, ঐ মাহৰ খৰচা ১৫৲ টাকা হুণ্ডি কৰি, শ্রীমান পাশ পঠালোঁ ॥ ৪৮৭ ॥

ওকীলৰ জীয়েকক বিবাহৰ কাৰণ গহনা অনা

ইতিমধ্যে লখীমপুৰৰ বিষ্ণুৰাম ও জীউৰাম পেচ্‌কাৰৰ পত্র পালোঁ যে, ওকীলৰ জীয়েকক গহনা পিন্ধাই, নি, মঞ্চি বিবাহ কৰাবৰ কাৰণে। সেই চিঠি পাই গহনা আনিবৰ কাৰণে বগা টেকেলাক গোহাটী পঠাই, গহনা নিয়ালোঁ ॥ ৪৮৮ ॥

তদপৰ পৌষ মাহে শ্রীচন্দ্রকান্ত ঘৰে অহাতে পৌষ, মাঘ মাহৰ খৰচ ৩০৲ টাকা দি, আৰু শ্রীচন্দ্রকান্তৰ আঙ্গুঠি সোণৰ এটা কৰাই দিলোঁ। ও বোৱাৰী কাৰণ বনকৰা বিহা একখন দি পঠালোঁ ॥ ৪৮৯ ॥

গহনা পঠোৱা

মাঘ মাহ প্রবেশ হলত, ওকীলৰ জীয়েকক আনিবৰ কাৰণে কলিয়াবৰত নাউ-মানুহ লৈ, বগা টেকেলা ও শান্তিৰাম শর্ম্মাকে গহনা সহিত পঠালোঁ। যথা :—

সোণৰ খাৰু	—১ জোৰ	সোণৰ বাখৰামি আঙঠি	—৫ গোট
সোণৰ বাখৰামি কেৰু	—১ „	কিংখাপৰ মেখেলা	—১
সোণৰ মিনাকৰা বাখৰামি শিকলি		বানাৰসী বিহা	—১
সহিত বিৰি	—১ ধাৰ	খনীয়া কাপুৰ	—১
সোণৰ ওকা বিৰি		পাটৰ বিহা-মেখেলা	—১ জোৰ
পোৱাল সহিত	—১ „	ইজা	—৫
সোণৰ বিৰি সহিত মণি	—১ খোপা		মোট ৭০ দফা
	৫ দফা		॥ ৪৯০ ॥

তদপৰ মঞ্জি নগাঞে থকাতে, ফাগুন মাহ প্ৰবেশ হল। এনেতে মঙ্গলদৈ যাবৰ হুকুম পালোঁ এবং চম্পক নাৰায়ণ মনচুফ আহি নগাঞ পালে। ও ওকীল, জীয়েক সহিত কলিয়াবৰ পাই সম্বাদ দিলে। ও লাউখোৱা ঘাটে বিবাহ কৰাই, ভটীয়াই মঙ্গলদৈ যাবৰ স্থিৰ কৰি ১৮৭০ ইংৰেজীৰ ২ মার্চ্চ, ১২৭৬ সনৰ ২০ ফাগুন চম্পক নাৰায়ণ মনচুফক চার্জ্জ্ দি, লাউখোৱা ঘাট পহুচি, ২৪ ফাগুন ওকীলৰ জীয়েকক, লগত লৈ অহা ব্ৰাহ্মণ, দ্ৰব্যৰ, দ্বাৰা ভোজনী উসৰ্গি বিবাহ কৰাই, ২৬ ফাগুন ওকীলক বিদায় দি, মঞ্জি তেজপুৰ পৰা কুমাৰহঁতৰ নাউ মানুহ লৈ ব্ৰহ্মপুত্ৰে ভটীয়াই শিঙৰী পৰ্ব্বতৰ কাষত ৰাতি থাকিলোঁ ॥ ৪৯১ ॥

ওকীলৰ জীয়েকক বিবাহ কৰোৱা

তদপৰ কড়াইখোৱা ঘাট পাই বামেদি উঠি যাই, মঙ্গলদৈৰ ড্ৰাইবৰ্গ এচিষ্টেণ্ট কমিচনৰ সাহেবেক কাছাৰীত দেখা দি, ১৮৭০ ইংৰেজীৰ ১০ মার্চ্চ, ২৮ ফাগুন তিলক গুপ্ত মনচুফ্ পাশ চার্জ্জ্ লৈ, কৰ্ম্মে প্ৰবৰ্ত্ত হলোঁ। ও বঙ্গচন্দ্ৰ ওকীলৰ ঘৰত থাকি কাছাৰী ওচৰত এক খণ্ড মাটি ও ঘৰ এটা কিনি লৈ, ঘৰ কৰি থকা গ'ল ॥ ৪৯২ ॥

মঙ্গলদৈত থকা

এনেতে কমলাকান্ত ও বৰ ঘৈণীৰ চিঠি পালোঁ, গৌৰীকান্ত সপৰিবাৰে নদীৰ কাষৰে উঠি যোৱা। তদুত্তৰে, তাতে থাকিবৰ লিখিলোঁ। এবং শ্রীচন্দ্রকান্তৰ চিঠি পালোঁ, মাক বাপেকৰ সহিত কিবা দন্দ্ লাগিছিল "মঞি তেওঁলোকক ঘৰ ৰাখিবলৈ কি দৰঙ্গী চাকৰ ৰাখিছোঁ!" এমত তেউৰ মাকে ব্যাখ্যা কৰা লিখি, খৰচ চাইছিল। এবং মঞি বিৰক্ত হৈ, আৰু খৰচা দিয়া নহল ॥ ৪৯৩ ॥

শ্রীচন্দ্রকান্তৰ চিঠি

এবং তাতে (মঙ্গলদৈত) থাকোতে, তেজপুৰৰ লেম সাহেব ১৮৭০ ইংৰেজীৰ ১০ আপ্ৰেল, ১২৭৬ সনৰ ৩০ চৈত্ৰ কামৰূপে বদল হৈ আচালতন ডিপুটী কমিচনৰ মকৰৰ হ'ল ॥ ৪৯৪ ॥

নৱম অধ্যায় (ক্রমশঃ)

গ—১৭৯২ শক। ১২৭৭ সন। ১৮৭০-৭১ ইংৰেজী।

বিষয়া সকল—খাজানাৰ নিৰিখ—মোৰ ৪০০৲ দৰমহা হোৱা—শ্রীৰত্নৰ বিবাহৰ আয়োজন—মোৰ টান নৰীয়া।

হফ্কিঞ্চন্ কমিচনৰ। এগ্লৌ সাহেব জুডিচীল কমিচনৰ। কামৰূপে লেম সাহেব (ডিপুটী কমিচনৰ)। মঙ্গলদৈত ড্রাইবর্গ সাহেব এচিষ্টেণ্ট কমিচনৰ। এওঁলোকে পৰগণাসকল ৰূপিত ২॥ টাকা, বস্তি ৪৲ টাকা, ও বাকী বৰি, ফৰিঙতী বৰিতে দুই দুই টাকা নিৰিখে ও কমিচনো ১০।৫ টাকা দি, এক এক সনা ম্যাদে বন্দবস্ত কৰিলে ॥ ৪৯৫ ॥

এই সনৰ বৈশাগ মাহে মঞ্চি মঙ্গলদৈতে আছিলোঁ। কিন্তু এই মাহৰ শেষত মোৰ জ্বৰ গ্রহণী হোৱাতে, ১৮৭১ ইংৰেজী ২২ মেই, ৯ জৈষ্ট, ১৪ দিনৰ চাট্রফিকেট খৰত ছুটী লৈ নাৱেদি গোহাটী পহুচি চিকিৎসা কৰাত ভাল পাই পুনৰ ৬ জুন ২৪ জৈষ্ট মঙ্গলদৈত উপস্থিত হৈ চার্জ্জ লওঁ ॥ ৪৯৬ ॥

বেমাৰ ভাল হোৱাত মঙ্গলদৈত হাজিৰ হোৱা

তদপৰ মঙ্গলদৈত থাকি শ্রাৱণ মাহে পিতাৰ শ্রাদ্ধ কৰোঁ। ও অগ্রায়ণ মাহ পৰাতে শ্রীমতী বৰ ঘৈণী ও শ্রীদেৱকান্তক নিয়াই, মঙ্গলদৈত থাকোঁ ॥ ৪৯৭ ॥

ইতিমধ্যে মঙ্গলদৈৰ পৰা ড্রাইবর্গ সাহেব বদল হৈ (গলত) বয়ড্ সাহেব (তালৈ) গ'ল। মঞ্চি কাছাৰী যাওঁতে, বাটতে ডাকুৱালে লেফাফা এটী দিলে। ওপৰত মোৰ নাম আৰু ৪০০৲ টাকাৰ অঙ্ক আছে। ভালকৈ পঢ়িব নোৱাৰি ওচৰতে মালখানাত বয়ড্ সাহেব থকাতে তেওঁক দেখোৱালোঁ। তেওঁ মোৰ ৪০০৲ টাকা দৰমহা ১৮৭১ ইংৰেজীৰ ২৪ জানুৱাৰী হৈতে হোৱা গৱর্ণমেন্টৰ সনন্দ চিঠি বুলি কোৱাতে কাছাৰী গৈ বহিলোঁ। এনেতে গেজেট্ পালোঁ, মোৰ দৰমহা হৱনাথ পর্ব্বতীয়া বৰুৱা সদৰামীন মৰাতে হ'ল ॥ ৪৯৮ ॥

আমাৰ ৪০০৲ টাকা দৰমহা হোৱা

তদপৰ মাঘ মাহ পৰাতে ঘৰ উদং দেখি, শ্রীপঞ্চমী দিনা, শ্রীমতী বৰ ঘৈণী ও শ্রীদেৱকান্তক বঙ্গামাটি ঘাটত নাৱত তোলি দিওঁ। মঞো নাৱেদি যাই, একত্রে নাৱত থাকি, পৰদিনা নাউ মেলাই, খড়খড়ি ঘাৰা মঙ্গলদৈ গলোঁ ॥ ৪৯৯ ॥

তদপৰ শ্রীমান বত্নকান্ত জন্মে বিবাহ কৰাবৰ আবশ্যক জানি ছোৱালীৰ অনুসন্ধান পূর্ব্বক জাগীৰ গাথীৰা কাকতী ঘৰৰ পোৱালৰ ভনীয়েক শ্রীকুন্তীক খুজি চাবৰ কাৰণ, জয়নাথ ডেকা ও বেথাৰাম ভকত অহাতে, জাগীক পঠালোঁ। ছোৱালী চালে এবং পোৱালে দিবৰ কবুল কৰিলে। কিন্তু কোষ্ঠী দুর্ব্বাদত্তে নি ২খিছে। তেওঁলোকৰ ঘৰলৈ ছোৱালী নিদি, আমাৰ ঘৰলৈকে

শ্রীবত্নৰ কাৰণে ছোৱালী স্থিৰ কৰা

শ্ৰীৰত্নক ছোৱালী দিবৰ স্থিৰ কৰি, আগত বৈশাগ মাহে ছোৱালী গোহাটী নি, বিবাহ কৰিবৰ কথা কলে। পুনৰ মঞ্চি বেথাৰাম ভকতৰ হাতত খৰচ-পত্ৰ দি চৈত্ৰ মাহে জাগীক পঠালোঁ॥ ৫০০॥

তদপৰে ঐ চৈত্ৰ মাহ শেষে মোৰ জ্বৰ গ্ৰহণী উপস্থিত হোৱাতে, শ্ৰীযুত বলীন্দ্ৰ নাৰায়ণ ৰাজাৰ হাতী এটা আনি, তদ্দাৰা গোহাটী খবৰ দি পঠালোঁ। পৰদিনা শ্ৰীগোপীকান্ত বৰুৱা মহাফেজ ককাই ও শ্ৰীগৌৰীকান্ত ও শ্ৰীকমলাকান্ত উপস্থিত হৈ, চিকিৎসা কৰাতে বেচি হৈ জ্বৰ, জ্বৰাতিসাৰ ও বমি হব ধৰাতে গোহাটী নগলে নহয় জানি ১৮৭১ ইংৰেজী ৮ আপ্‌ৰেল, ২৬ চৈত্ৰ, দুই হপ্তা চাট্টফিকেট খৰত এত্যালা দি শ্ৰীকমলাকান্ত সহিত নাৱেদি গোহাটী ৰওনা হলোঁ। ও গোপীকান্ত জেষ্ট, গৌৰীকান্ত বামেদি হাতীৰে গ'ল। পৰদিন বেলা একপ্ৰহৰ সময় ঘাট পাই খবৰ দিয়াতে, খড়খড়ি পঠালত উঠি গৈ শয্যাত, মাৰল ঘৰতে শোলোঁ। এবং ঔষধপাতি খুৱাব ধৰিলে। ক্ৰমে মঞ্চি উঠিব নোৱাৰা হলোঁ॥ ৫০১॥

আমাৰ জ্বৰাতিসাৰ হোৱা ও গোহাটী অহা

নৱম অধ্যায় (ক্রমশঃ)

ঘ—১৭৯৩ শক। ১২৭৮ সন। ১৮৭১-৭২ ইং।

বিষয়া সকল—পৰগণা বন্দবস্ত—মঞি আৰাম হোৱা—শ্রীৰত্নৰ বিবাহ—নন্দীৰাম ইন্‌চ্‌পেক্টৰ—ভ্রাতৃ ভার্য্যা, বিধবা পদ্মাৰ মৃত্যু ও সম্পত্তি বিভাগ—গঃ জানৰেল মেওক হত্যা—অন্যান্য।

হফ্‌কিঞ্চন কমিচনৰ ও এগ্‌লৌ জুডিচীল কমিচনৰ। কামৰূপে লেম সাহেব ডিপুটী কমিচনৰ। মঙ্গলদৈত বয়ড্‌ সাহেব গত সনৰ নিৰিখ ও নিয়মমতে পৰগণাসকল বন্দবস্ত কৰিলে ॥ ৫০২ ॥

এই সনৰ বৈশাগ মাহে মঞি বেমাৰ পৰি গোহাটীৰ ঘৰতে আছিলোঁ। কিন্তু দুই হপ্তা ছুটী প্রায় যাবলগা হ'ল দেখি, গোহাটীৰ ডাক্তৰ সাহেবক আনি টাকাদিয়েক 'ভিজিট' দি পুনৰ দুই হপ্তাৰ চাট্টফিকেট্‌ লৈ এত্যালাসহ মঙ্গলদৈ পঠালোঁ। ও ডাক্তৰ সাহেবে ঔষধ দিলে। সেই ঔষধ খোৱা নহল ॥ ৫০৩ ॥ ছুটী লোৱা

ইতিমধ্যে জাগীৰ ছোৱালী বহাগত বিবাহৰ থিক হোৱাত ও মোৰো শৰীৰ, ঘৰত ঔষধ খোৱাতে সম্পূর্ণ আৰাম নোহোৱাত, ও শ্রীমান ৰত্নৰ বিবাহ মঞি আগত থাকি পতাৰ মনস্থে গোহাটী, খড়খড়ি দ্বাৰা ডাক্তৰ সাহেবেৰ পাশ যাই পুনৰ কয়েক টাকা দি দুই মাহৰ চাট্টফিকেট্‌ লৈ এত্যালাসহ মঙ্গলদৈ পঠালোঁ ॥ ৫০৪ ॥ ছুটী বঢ়াই লোৱা

তদপৰ জাগীলৈ, ছোৱালী আনিবৰ কাৰণে, ভোটক ও ভদাইক পঠাই, শ্রীৰত্নকান্তক আনিবৰ (কাৰণে) শ্রীগৌৰী-কান্তক নাউ-মানুহ সহিতে পঠালোঁ ॥ ৫০৫ ॥

জাগীৰ পৰা পোৱাল সহিত ছোৱালী ও নগাঞৰ পৰা শ্রীৰত্নকান্ত ও শ্রীগৌৰীকান্ত শ্রীমঞ্জীৰা সহিত পহুচাতে দস্তৰমত পানী তোলী, মোৰ বেমাৰ হেতু মহাফেজ ককাইৰ দ্বাৰা নান্দীমুখ শ্রাদ্ধ কৰাই, ১৫ বৈশাগ বিবাহ কৰান গ'ল। ঐ বিবাহে গর্গৰাম বৰুৱা প্রভিতিক খুৱাই-ধুৱাই, ব্রাহ্মণ জাতি সকলক দক্ষিণা দিয়া গ'ল। ৰাত্রি গান-বাজানাদি দ্বাৰা কর্ম্ম সম্পাদন হ'ল ॥ ৫০৬ ॥

শ্রীৰত্নৰ বিবাহ

তাৰপৰ মোৰ, ক্রমাৎ, শৰীৰ আৰাম হব ধৰিলে। এবং নাউ দ্বাৰা পোৱালক জাগী পঠাই, ছোৱালী ঘৰতে ৰাখি নগাঞে শ্রীৰত্নকান্ত কানুনগোক পঠালোঁ ॥ ৫০৭ ॥

মোৰ শৰীৰ কিছো আৰাম হ'ল, মঙ্গলদৈ যাবৰ ওলালোঁ। কিন্তু ভাতপানী ৰান্ধি খোৱাটো টান দেখি, শ্রীচন্দ্রকান্তক লগত নিবলৈ শ্রীগৌৰীকান্তক কলোঁ; যাব বুলি কলে। এবং পৰগণাতে আছে। মঞি যাবৰ আগদিনালৈ 'একত্রে আহিম' বুলি হাতী খুজি লৈ গ'ল। পৰে গৌৰীকান্ত আহিল ও চন্দ্রকান্ত নাহিল। তেওঁৰ কথা শুশুনা কলে। পাচে,—মঙ্গলদৈ, নগলেও নহয়; টান মচকিল, ভাত দিব পাৰিব বুলি, শ্রীজয়ৰাম বেজবৰুৱাক লগত লৈ ৰওনা হৈ যাই, ২৯ মেই, ১৬ জৈষ্ট মঙ্গলদৈত চার্জ্জ ললোঁ ॥ ৫০৮ ॥

ছুটী অন্তে মঙ্গলদৈ যোৱা

কিছো দিন পৰে ফিছৰ সাহেবক ধৰি ১২ টকাত জয়ৰামক মকৰৰ কৰি দিলোঁ ॥ ৫০৯ ॥

তদপৰ আষাড় মাহে দেৱৰৰ ৰৰদলৈৰ জীয়েক পদ্মা ফৌত হোৱা খবৰ পাই কর্ম্ম কৰিবৰ কাৰণে, শ্রীকমলাকান্ত পাশ টাকা পঠাই চিঠি লিখোঁ ॥ ৫১০ ॥

পদ্মা বিধবা ভাতৃবধূৰ মৃত্যু

ঐ আষাড় মাহে নন্দীৰাম ইন্‌চ্‌পেক্টৰ বদল হৈ আহি উপস্থিত হোৱাতে হলিৰাম বৰুৱাৰ পুত্র জানি সমাদৰ পূর্ব্বক ঘৰ এটা দি ৰাখিলোঁ ॥ ৫১১ ॥

তদপৰ শ্ৰাবণ মাহে কুন্তী বোৱাৰী গোহাটীত যুবৎ হোৱা শুনি ও চিঠি পাই শ্ৰীমান ৰত্নকান্তকে শাস্তি লবৰ কাৰণে গোহাটী আহিবৰ লিখাতে, ছুটী নোপোৱা বুলি লিখিলে ॥৫১২॥

ভাদ্ৰ মাহে নন্দীৰাম ইন্‌চ্‌পেক্টৰৰ ঘৈণীয়েক, হীৰামতীৰ জীয়েক আহি উপস্থিত হোৱাতে, নন্দীৰামে ফিৰাই পঠাব খুজিছিল। মঞি বিবেচনা কৰিলোঁ—অনেক দিনৰ পৰে গিৰীয়েকৰ কাষলৈ দূৰ স্থানৰ পৰা আহিছে। মঞি নন্দীৰামক তিৰস্কাৰ কৰি ঘৈণীয়েকক সৰু জীয়েক এটী সহিত ৰখাই, মাউ ফিৰাই পঠালোঁ। সেই নাৱতে, মোৰ লগত থকা গুৱাই বড়া তাৰ ঘৰে নগাঞে গল। তাৰপৰ নন্দীৰাম তস্য ঘৈণীয়েক সহিত দন্দ কৰি থাকে। মোৰ পাশ ৬০০৲ টাকা আমানত হৈছিল ॥ ৫১৩ ॥ নন্দীৰাম ইন্‌চ্‌পেক্টৰ

মঞি গোহাটীৰ পৰা খবৰ পালোঁ। শ্ৰীমান কমলাকান্ত, সদৰামীনৰ জীয়েক পদ্মাৰ কৰ্ম্ম কৰিলে। শ্ৰীমান গৌৰীকান্ত মহাফেজ ককাই ও লক্ষ্মীকান্তক নি চন্দ্ৰধৰৰ ঘৰে যাই, মৃত পদ্মাৰ মাল আনিব ধৰাত, নিদিয়াত, ফিৰি আহিল ॥ ৫১৪ ॥

তদপৰ শৰৎকালি আশ্বিন মাহৰ পূজাত ছুটী লৈ ঘৰে আহিব খোজাত, ফিছৰ সাহেব গোহাটী যোৱা হেতু, ছুটী নিদি কেবল পূজাৰ ১২ দিনৰ ছুটী জেলাৰ সাহেব মঞ্জুৰ কৰিলে। সেহেতু ২৫ অক্টোবৰ হৈতে ১২ দিনৰ ছুটী লৈ গোহাটী আহি, শ্ৰীগৌৰীকান্ত সহিত চন্দ্ৰধৰ ববদলৈ ঘৰে যাই, মৃত পদ্মাৰ মাল চোৱাত, ৮০৲ টাকা তেওঁৰ বায়েক ধাৰ কৰা বুলি, মোলৈ চাই কোৱাত, ঐ টাকা বাবত জয়নাথ ববদলৈক মুখেৰে জামিন দি সোণৰ কেক ১ জোৰ, চিপত মণি ১ ধাৰ, বাখৰ পতা আঙ্গুঠি ৫ গোট, সোণৰ বিৰি ১ ধাৰ আনিলোঁ। পৰদিনা জয়নাথ ববদলৈ লক্ষ্মীকান্তৰ ঘৰে অহাতে, ৮০৲ টাকা দি পঠালোঁ। কিন্তু গৌৰীকান্তৰ ঘৈণী কেতেকী বোৱাৰী অনেক মৃত পদ্মাৰ গহনা অনা

ধুমধাম কৰিব ধৰিলে যে বস্তু আনি মোহ ধৰিছে। কিয় নিদিয়ে? পাচে দুই দিনৰ মুৰত উমাকান্ত ও লক্ষ্মীকান্ত ও মহাফেজ ককাই ও জয়ৰাম বেজবৰুৱা ও জয়ৰাম জামাতাক মতাই নিলোঁ। এবং সোণৰ খাৰু আদি মাল, সকলোৰে মোকাবিলায়, শ্রীগৌৰীকান্তৰ আগত দি কলোঁ যে, এতিয়া এই মাল দুই ভাগ হব লাগে কি নালাগে। তাতে কলে, হব লাগে।

গহনা ভাগ কৰা

তেতিয়া মঞি উমাকান্তত কলোঁ, দুই ভাগ কৰা। সেই মত ভাগ কৰিলে। কিন্তু ৺মাতৃয়ে তেতিয়া চিপত্ মণিধাৰ ও ছোট মুকুতা-ধাৰ তেওঁৰ জোৰণৰ বুলি কোৱাতে, মঞি কলোঁ— "তোমাৰ হলেও আমালোকে পাওঁ। ভাগ কৰক।" তদনুসাৰে দুই ভাগ কৰিলে॥ ৫১৫ ॥

তাৰে এক ভাগত মঞি হাতেৰে ছুই কলোঁ "মঞি ভাগ পালোঁ কিন্তু এই মাল হৈতে মোক বঞ্চিত কৰিবৰ জন্যে গৌৰীকান্ত তস্য ঘৈণীয়েকে অনেক যন্ত্রণা-মন্ত্রণা কৰিছিল যে, শ্রীচন্দ্রকান্তক পদ্মাই পুত্রস্থানী কৰি ৰাখিহে, বানামা কৰি মালখিনি দিয়ে। এইমত মন্ত্রণা কৰি ৪।৫ দিন সদৰামীনৰ জীয়েক পদ্মাক গোপনে ৰাখে। ঘৰৰ পৰা ওলাই যাওঁতে বেটীহঁতে দেখি কয়; তেহে, ৺মাতৃ ও আমালোকে জানোঁ। আৰু পদ্মা ফৌত হোৱাতো মঞি খৰচা দি কৰ্ম্ম কৰালোঁ। সেই মাল আনিবৰ কাৰণে, চন্দ্রধৰৰ ঘৰে গৈছিল, মাল নিদিলে। এই সকল নানা ফিকিৰ কৰিছিল। মঞি চাই আছিলোঁ, কি কৰে কৰোক। কিন্তু গৌৰীকান্তে আগে মোত কোৱা হলে, সমুলি মাল, তাক মঞি এৰি দিলোঁ হয়। এতিয়াও, যি হল, হল। মোৰ ভাগৰো, সমুলি মাল, মঞি তাক এৰি দিলোঁ। কিন্তু পিতৃৰ দিনৰ মোক এটা বস্তু দিয়ক, মঞি সেৱা কৰি থাকিম।" এনে বোলাতে সকলোৰে ধন্যবাদ দিলে। তেতিয়া সকলোৰে অনুমতি মতে ছোট বাৰৰপতা বিৰি এক ধাৰ দিলে।

মোৰ ভাগৰ মাল গৌৰী-কান্তক দিয়া

আৰু গৌৰীকান্তৰ ভাগৰ ৮০৲ টাকা মধ্যেৰ ৪০৲ টাকাত মাৰি, ছোট মুকুতা ধাৰ দিলে। যেতিয়া টাকা দিব পাৰে, নিব বুলি, সকল মাল তেওঁক দিলোঁ ॥ ৫১৬ ॥

তদপৰ মঞ্জি মঙ্গলদৈ যাবৰ কাৰণে ৰওনা হৈ গোহাটীত হফ্‌কিঞ্চন্ কমিচনৰ সাহেবক শুক্রেশ্বৰৰ বাঙ্গালাত দেখা দি, লতাশিলৰ পদ্মৰেখা ৰাণীক দেখা দি বিদায় হৈ, লতাশিলৰ ৰালিত ৰাতি থাকি, পৰদিনা ৰওনা হৈ, যাই ৬ নওম্বৰ মঙ্গলদৈ চার্জ্জ গ্রহণ কৰিলোঁ। এবং নন্দীৰামৰ আমানতিৰ ৬০০৲ টাকা দিলোঁ। কার্ত্তিক মাহে, তেওঁ বদলি হৈ ঘৈণীয়েক সহিত গল। ॥ ৫১৭ ॥ মঙ্গলদৈত চার্জ্জ লোৱা

তাহাৰ পৰ অগ্রায়ণ মাহে শ্রীদুর্গাকান্ত ও শ্রীধর্ম্মকান্ত গোহাটীত পৰীক্ষা দি ইস্কুল বন্দ হোৱাত শ্রীশম্ভুৰাম জামাতা সহিত মোক দেখা হবৰ কাৰণে মঙ্গলদৈ যায়। দুর্গাকান্ত ৰেমাৰ পৰি ভাল হোৱাতে শম্ভুৰাম সহিত গৌহাটী আহে। শ্রীধর্ম্মকান্ত থাকিল। কিন্তু তেওঁৰ ৰেমাৰ হল দেখি, শ্রীৰৰ-ঘৈণীক নিয়ালোঁ। পৰে আৰাম হোৱাতে, গোহাটী পঠাই দিওঁ। সেইদিনা ডাইনী গাৱঁত থাকি পৰদিনা গ'ল ॥ ৫১৮ ॥ ৰৰ ঘৈণীক গোহাটী পঠোৱা

অতঃপৰ শ্রীশ্রীমেয়ো গৱর্ণৰ জানৰেল আন্দামান দ্বীপে যোৱাতে, একজন মচলমান, জাহাজত উঠিবৰ যোৱাতে, ছিৰীত ছুৰীৰ দ্বাৰা পেটত খুঁচি, পানীত পেলাই মাৰিলে। তদর্থে, শোক কৰাৰ, ও কলা কাপৰ পৰিধান কৰাৰ কাৰণ, শ্রীবয়েড্ সাহেব মোত কৈছিল। কিন্তু তদ্রূপ আচৰণ নহল। অন্যান্য লোক, সাহেবান, আচৰণ কৰিছিল। পৰে তৎকর্ম্মে শ্রীশ্রীনর্থব্রুক গৱর্ণৰ জানৰেল হল ॥ ৫১৯ ॥ গৱর্ণৰ জানৰেল মেয়ো ফৌত

নর্থব্রুক গৱর্ণৰ জানৰেল

কুন্তী বোৱাৰী যুবৎ হৈ গোহাটীত থকা শুনিলোঁ। এবং ছুটী লৈ আহিবৰ কাৰণে শ্রীমান বত্নকান্তক লিখাতে, ছুটী নোপোৱাত শান্তি দি থৈ আহিবৰ কাৰণে, শ্রীমতী ৰৰ ঘৈণী ও

শ্রীকমলাকান্তকে লিখিলোঁ। কিন্তু বসন্ত ওলোৱা গতিকে যাব নোৱাৰিলে। পৰে কুন্তী বোৱাৰী বসন্ত ওলাই ভাল হোৱাতে ফাগুন মাহৰ শেষে শ্রীমতী বৰ ঘৈণী ও মাধৱ দত্ত অধ্যাপক সহিতে বোৱাৰীক নগাঞে শান্তি দি অধ্যাপক গোহাটী আহিল। বৰ ঘৈণী তাতে থাকিল ॥ ৫২০ ॥

শ্রীবত্নই কুন্তী বোৱাৰীক শান্তি লোৱা

দশম অধ্যায়

১৭৯৪ শক। ১২৭৯ সন। ১৮৭২-৭৩ ইং।

বিষয়া সকল—পৰগণা বন্দবস্ত—প্রথম মণ্ডল নিযুক্তি—
ওকীলৰ জীয়েকৰ কথা—আন ঘৰুৱা খবৰ—
চীফ কমিচনৰ শাসন প্রৱর্ত্তন।

শ্রীশ্রীহফ্‌কিঞ্চন্ কমিচনৰ ও এগ্‌লৌ জুডিচীল কমিচনৰ। কামৰূপে লেম সাহেব ডিপুটী কমিচনৰ ॥ ৫২১ ॥

এই সনে, পৰগণা সকল গত সনৰ নিৰিখ মতে এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। আৰু পৰগণা সকলৰ জঙ্গলা মাটি ফি পুৰা ফৰিঙ্গতী নিৰিখে ২৲ টাকা খাজনা কবুল ধৰি নক্সামত দৰখাস্ত কৰিলে, তদন্তক্রমে পাট্টা দিবৰ নিয়ম কৰিলে ॥ ৫২২ ॥

জঙ্গলা মাটিৰ খাজানা

আৰু ঠাকুৰীয়া কাকতী উঠাই মণ্ডল মকৰৰ কৰিলে। প্রত্যেক মণ্ডলৰ মাহে ৬৲ টকা দৰমহা ও চৌধাৰী সকলৰ নাম উঠাই মৌজাদাৰ নাম দিলে। আৰু যি কমিচন তহচীল অন্দৰে পাইছিল, তাকে দৰমহা গণ্য কৰি সৰকাৰৰ পৰা সাল্‌তামামিতে নিবৰ নিয়ম কৰিলে ॥ ৫২৩ ॥

মণ্ডলৰ দৰমহা চৌধাৰী নাম ওচাই মৌজাদাৰ নাম ও দৰমহা

এই সনৰ বহাগ মাহে বৰ ঘৈণী নগাঞতে আছিল। গোহাটীৰ ঘৰ উদং হল হেতু, পঠাবৰ কাৰণে মঞি মঙ্গলদৈৰ পৰা নগাঞে শ্রীৰত্নকান্ত কানুনগোকে চিঠি লিখনে বহাগৰ শেষে পঠাই দিয়ে। প্রথম জৈষ্ট মাহে বৰঘৈণী মঙ্গলদৈ সোমাই মোত কলে, "বোৱাৰীক শান্তি দি থৈ আহিছোঁ।" এবং দুই ৰাতি মঙ্গলদৈত আছিল॥ ৫২৪ ॥

বৰ ঘৈণী নগাঞৰ পৰা মঙ্গলদৈ অহা ও যোৱা

এনেতে গোহাটীত মহাফেজ ককাইৰ জ্বৰ হোৱা শুনিলোঁ। ও ঘৰ উদং দেখি জৈষ্ট মাহে বৰ ঘৈণীক গোহাটী পঠাই দিলোঁ। কয়েক দিন পৰে মহাফেজ ককাই জ্বৰ বেমাৰ হৈ ঢুকাল। সক জনা, যোগেশ্বৰ গোসাঞীৰ চিঠি কাছাৰীতে পালোঁ। এবং বিমর্ষ হৈ নৰপতি শর্ম্মাৰ হাতত কর্ম্ম কৰিবৰ কাৰণে নগদ ১০০৲ এক শ টকা পঠাই শ্রীকমলাকান্তকে চিঠি লিখিলোঁ॥ ৫২৫ ॥

মহাফেজ ককাইৰ মৃত্যু

শ্রীবিষ্ণুৰাম ওকীলৰ জীয়েকক—গত সনৰ শিৱৰাত্রি দিনা ওকীলৰ চিঠি পাইছিলোঁ, বহাগত পঠাওঁ বুলি নপঠালে। সেহেতু, ভাদ্রমাহে মোৰ লগত থকা গুৱাই কেওট বুঢ়াক, ও জয়নাথ ডেকা, মানুহ এজনী দিয়াতে সেই সহিতে, আনিবৰ কাৰণে নাউ মানুহ পঠাই, পঠালোঁ। তদপৰ আশ্বিন মাহৰ শেষে শ্রীকুঞ্জৰাম, ওকীলৰ পুতেক ও সক চকু বেটী, শ্রীশুকুৰা, আৰু একজন লোক সহিত জীয়েক আহি পালেহি দেখি, গোহাটী চিঠি লিখি শ্রীমাধব দত্ত অধ্যাপকক নিয়াই কার্ত্তিক মাহে শান্তি ললোঁ। কিন্তু আমাৰ নিজ ঘৰ নেদেখা হেতু অগ্রায়ণ মাহে গোহাটী ৺মাতৃপাশ পঠাই দিলোঁ॥ ৫২৬ ॥

ওকীলৰ জীয়েক সক ঘৈণীক শান্তি লোৱা ও গোহাটী পঠোৱা

তদপৰ পৌষমাহে নগাঞে শ্রীমতী কুন্তী বোৱাৰীৰ গর্ভ হোৱা শুনিলোঁ। এবং ফাগুন মাহে সক ঘৈণীক মঙ্গলদৈ নিয়াতে শ্রীমতী বৰ ঘৈণীও পৃথক নাৱে বঙামাটি ঘাট পহুচা শুনিলোঁ। ঘৰ উদং কৰি অহা বুলি বৰ ঘৈণীক থং কৰি ফিৰাই পঠাই, সক

সক ঘৈণীৰ সহিত বৰ ঘৈণী মঙ্গলদৈ যোৱাত, বৰ ঘৈণীক ফিৰত পঠোৱা

ঘৈণীক খড়খড়ি দ্বাৰা মঙ্গলদৈ নিওঁ। ৰৰ ঘৈণী ফিৰি গোহাটী গ'ল ॥ ৫২৭ ॥

কাপ্তান কিটিং প্ৰথম চীফ্ কমিচনৰ

এবং হফ্‌কিঞ্চন্ কমিচনৰ পেনচিন লৈ ভাটী যোৱাতে ১৮৭৪ ইংৰেজীৰ ১৩ ফেব্রুৱাৰী ও ৩ ফাগুন, শ্ৰীযুত কাপ্তান কিটিং চীফ্ কমিচনৰ হৈ চার্জ্জ্ ললে। এই অবধি আসাম দেশে চীফ্ কমিচনৰ হ'ল ॥ ৫২৮ ॥

(প্ৰথম খণ্ড সমাপ্ত)

সোণামুৱাৰ

সদৱামীন হৱকান্ত শর্ম্মা মজুন্দাৰ বৰুৱাৰ

আত্মজীৱনী

দ্বিতীয় খণ্ড

(শক ১৭৯৫—১৮১১)

চীফ্* কমিচনৱৰ শাসন

প্রথম অধ্যায়

ক—১৭৯৫ শক। ১২৮০ সন। ১৮৭৩-৭৪ ইং।

বিষয়া সকল—পৱগণা বন্দবস্ত—শ্রীৱত্নৱ দ্বিতীয় বিবাহৱ উদ্যোগ—অন্যান্য।

এইসনে শ্রীশ্রীকিৰ্টিং চীফ্ কমিচনৱ ও এগ্‌লৌ সাহেব জুডিচীল কমিচনৱ ॥ ৫২৯ ॥

কামৰূপে লেম সাহেব ডিপুটী কমিচনৱ গত সনৱ নিৱিখ মতে পৱগণাসকল এক এক সনা ম্যাদে বন্দবস্ত কৱিলে ॥ ৫৩০ ॥

এই সনৱ বৈশাগ মাহে, মঞ্চি মঙ্গলদৈত আছিলোঁ। জৈষ্ঠ মাহে নগাঞে শ্রীমতী কুন্তী বোৱাৰীৰ গর্ভ ও বেমাৰ হোৱা শুনি, শ্রীমতী বৱ দৈণীক নগাঞে যাবৱ কাৱণ লিখাতে, শ্রাৱণ মাহে শ্রীদুর্গাকান্ত ও শ্রীদেবকান্ত সহিত ৱওনা হৈ যাই নগাঞে আছিল। আশ্বিন মাহে প্রবেশ হ'ল। বোৱাৰী আৱাম নোহোৱা শুনি ভৱক (ভৱত ?) নামক দৈবজ্ঞক আনি গুৱাই

* চৌকা—মূল পুথিত "সীৱ কমিসনৱ।"

নগাঞে শ্রীকুম্ভী বোৱাৰী মৃত

বড়া সহিতে বামে নগাঞে পঠাই দি কাছাৰী অহাতে, শ্রীৰত্ন-কান্তৰ চিঠি পালোঁ, লৰা এটি হৈ বোৱাৰী মৃত হ'ল। তদনন্তৰ মানুহ পঠাই বাটৰ পৰা বৈদ্যক ফিৰাই নিলোঁ। ও কৰ্ম্ম কৰিবৰ ১০০৲ টকাৰ নোট পঠালোঁ ॥ ৫৩১ ॥

শ্রীৰত্নৰ বেমাৰ ও গৌৰীকান্ত নগাঞে যোৱা

তদপৰ কৰ্ম্ম কৰি শ্রীমান ৰত্নকান্ত কার্ত্তিক মাহে বেমাৰ হোৱা চিঠি পাই অতি বেস্ত হৈ ঔষধ পাতি পঠাই, গোহাটীৰ পৰা শ্রীমান গৌৰীকান্তক হাতীৰ দ্বাৰা নিয়াই, জয়নাথ ডেকা সহিত নগাঞে পঠাই দিলোঁ যে সকলোকে গোহাটী (হৈতে) লৈ যায়। তাহাৰ পৰ, গৌৰীকান্ত যাই জীয়েকৰ ঘৰত আছিল। পৰে মঞি চিঠি লিখাতে শ্রীমানৰ ঘৰে যাই আছিল। বেমাৰ কিছু আৰাম হোৱাতে বৰ ঘৈণী সহিতে সকলো গোহাটী গ'ল ॥ ৫৩২ ॥

শ্রীৰত্নৰ ছোৱালী চাবৰ কাৰণে উজানলৈ শ্রীগৌৰী-কান্তক খৰচ দিয়া

শ্রীমান ৰত্নকান্ত চিকিৎসা কৰি অগ্রায়ণ, পৌষ, মাঘ, গোহাটীত আছিল। ইতিমধ্যে, মাঘ মাহে শ্রীমান গৌৰীকান্ত সপৰিবাৰে আওনীআটী সত্ৰ ও জীওৰাম পেচ্‌কাৰৰ পাশ যাবৰ কাৰণ কড়াইখোৱা ঘাট পাই, মোৰ পাশ যাই খৰচৰ কথা কোৱাতে ৮০৲ টকা পঠাই দিলোঁ। তদপৰ ৰঙামাটি ঘাট পহুচি খৰৰ দিয়াতে, ঘোড়াৰ দ্বাৰা মঙ্গলদৈ নিয়ালোঁ। এক ৰাতি আছিল। এবং আৰু কিছু খৰচ দি কলোঁ যে "উজনিত শ্রীৰত্নকান্ত জন্যে (ছোৱালী) ঠিকনা কৰি মোলৈ লিখিবা।" এই বুলি কড়াইখোৱা ঘাটত তোলি দিলোঁ ॥ ৫৩৩ ॥

শ্রীজয়ন্তীৰ কন্যা জন্ম নাম ৰোহিণী থোৱা

আৰু এই সনৰ মাঘ মাহৰ ২১ দিন যোৱাত শ্রীজয়ন্তী ও শ্রীশম্ভুৰামৰ শ্রীৰাজেশ্বৰী নামে কন্যা এটি হয়। পৰে ৰোহ-ঠেহ কৰি থকা হেতু মঞি শ্রীৰোহিনী নাম দিলোঁ ॥ ৫৩৪ ॥

শ্রীমান ৰত্নকান্তৰ ছোৱালীৰ কথা শ্রীমান গৌৰীকান্তত কৈ কড়ি (টকা) পঠালোঁ হয়, তথাপি মোৰ মন শান্ত নহৈ,

শ্রীকণিকা ও দাসীক ছোৱালী বিচাৰি উজানে পঠাই দিলোঁ ॥ ৫৩৫ ॥

শ্রীৰত্নৰ জন্ম শ্রীকণিকা ও দাসীক ছোৱালী চাবলৈ পঠোৱা

তদপৰ শ্রীমান ৰত্নকান্ত আৰাম হোৱাতে ফাগুন মাহে নগাঞে যাবৰ নিমিত্তে, সকলো লৰাহঁত নাৱে ৰওনা হৈ ৰঙামাটি ঘাট পালে। তাৰে পৰা শ্রীৰত্নকান্ত, ও শ্রীকমলাকান্ত, ও শ্রীদুর্গাকান্ত যাই মোক দেখা হৈ এক ৰাতি আছিল। পৰ দিনা সকলো ৰঙামাটি ঘাটত উঠি, শ্রীৰত্নকান্ত নায়েদি নগাঞ গ'ল, অপৰ লৰাহঁত গোহাটী গ'ল ॥ ৫৩৬ ॥

আৰাম হৈ শ্রীৰত্ন নগাঞে যোৱা

এই সনৰ ফাগুন মাহৰ ৩ দিন যোৱাত শ্রীচন্দ্রকান্তৰ বিচিত্রী নামে কন্যা জন্ম হয় ॥ ৫৩৭ ॥

শ্রীচন্দ্রৰ বিচিত্রী কন্যা জন্ম

হাজো পৰগণা, এই সন শ্রীচন্দ্রকান্তৰ জেম্মা থকাত চৈত্র মাহৰ আখেৰি কিস্তিত ১২০০৲ টাকা খাজানা বাকী নিমিত্তে লেম সাহেব ফৌজদাৰীত সপর্দ্দ কৰিবৰ মনস্থ হোৱা শুনি, ৪০০৲ টাকা শ্রীকমলাকান্ত পাশ পঠাই আৰু যি লাগে ধাৰ কৰি লেঠা মাৰি দিবৰ লিখাতে, হাবিৰ পুতেকৰ পাশ শতকৰা ১৲ টাকা সূতে ধাৰ কৰি, ৪০০৲ টাকা লৈ মোট ৮০০৲ টাকা আৰু লক্ষীকান্তে ১০০৲ টাকা, ও ঠাকুৰীয়া কাকতী দ্বাৰা বাকী টাকা দিয়াই লেঠা মাৰিলে। ফৌজদাৰীত সপর্দ্দ কৰা শুচি, পৰগণা ৰ'ল ॥ ৫৩৮ ॥

৮০০৲ টকা দি শ্রীচন্দ্র-কান্তৰ খাজানাৰ লেঠা মাৰা

তদপৰ কণিকা ও দাসী উজানে যাই, নানা স্থানে ছোৱালী চাই, ভাল নাপাই, মাজোলীত শ্রীবাপলী ৰৰদলৈৰ জীয়েকক পছন্দ কৰি বুঢ়া চৰন্দুৱা ও শ্রীগৌৰীকান্ত মোলৈ লিখি, সিহঁত কাৰ ঘৰৰ বুলি শ্রীগৌৰীকান্ত সোধাত, সিহঁত বেজবৰুৱা ঘৰৰ, ও উমা দাৰোগা প্রভিতি সিহঁতৰ বংশ; হলিদলৈৰ পুত্র বাপালী ভাল ঘৰ বুলি লিখি, কোষ্ঠীৰ নকল পঠাবৰ লিখিলোঁ ॥ ৫৩৯ ॥

শ্রীৰত্নৰ জন্ম মাজোলীত ছোৱালী পছন্দ কৰা

তদপৰ কোষ্ঠীৰ নকল পঠাই তাতে যাই বিবাহ কৰাবৰ শ্রীবাপালী ও শ্রীশ্রীআউনীআটীয়া অধিকাৰী গোসাঞী লিখাতে, কোষ্ঠীৰ দ্বাৰা জোৰা চোৱাই শ্রীৰত্নকান্তকে নগাঞে চিঠি লিখাতে, ভকতৰ জীয়ৰী বুলি অমনস্থ পূর্ব্বক উত্তৰ লিখাতে, আমি পুনৰ লিখিলোঁ,—"সিহঁত ভাল ঘৰৰ। আউনীআটী সত্রৰ কাখত থাকিলেই ভকত হয়নে?" ইত্যাদি লিখি ছুটী লৰৰ লিখিলোঁ ॥ ৫৪০ ॥

শ্রীৰত্নৰ আপত্তি

উজনি সত্রত শ্রীগৌৰীকান্ত থাকাতে লিখিলোঁ যে, বোৱাৰী সহিত তাতে থাকি বৈশাগ মাহে শ্রীৰত্নক বিবাহ কৰাই, একেলগে আহিব। এখেৰ পৰা শ্রীৰত্নকান্ত ও শ্রীকমলাকান্তক পঠাব ধৰিছোঁ ॥ ৫৪১ ॥

বিবাহৰ আয়োজন

তদপৰ শ্রীবলীন্দ্র নাৰায়ণ ৰাজাৰ নাও একখন লৈ গোহাটী পঠালোঁ। তাতে বিবাহৰ সামগ্রী—ৰোকা-চাউল, তামোল-পাণ আদি ও গহনা লৈ মঙ্গলদৈ আহে। এবং তদনুসাৰে শ্রীকমলাকান্ত ২৮ চৈত্র মঙ্গলদৈ পহুচে ॥ ৫৪২ ॥

ইত্যবসৰে, গৌৰীকান্ত ভটীয়াই আহি কড়াইখোৱা ঘাটে পহুচি ক'লামণি ও ধনীৰামক পঠাই দিলে। ৰাত্রি এক প্রহৰ সময় সিহঁত উপস্থিত হোৱাতে, মঞি আচর্য্য হৈ, সিহঁতক—কৰপৰা আহিলি—বুলি সোধাত, সিহঁতে, "গৌৰীকান্ত সহিত উজাই সত্রলৈ যোৱা; তাৰপৰা কলঙ্গপুৰে জীৱৰাম পেচ্‌কাৰৰ পাশ যাই, তাৰে পৰা ৰাহিৰ ৰাহিৰ আহি, কড়াইখোৱা ঘাট পাই, নাও ৰান্ধি, আমাক আপুনাৰ পাশ পঠাই দিছে", বুলি কলে ॥ ৫৪৩ ॥

শ্রীগৌৰী-কান্ত প্রতি আমাৰ বিৰক্তি

মঞি বৰ বিৰক্ত হৈ কলোঁ যে আসাৰে আগত বৈশাগ মাহে মাজোলীতে বিবাহ পাতি শ্রীকমলাক সালঙ্কাৰে গোহাটীৰ পৰা আনিছোঁ ও শ্রীৰত্নলৈকো লিখিছোঁ,—তাৰেপৰা যাই বিবাহ কৰাই, শ্রীগৌৰীকান্ত সহিত একলগে শুচি আহিব। তথাপি

যে, সি আহিল! যাহক শ্রীকমলাক পঠাই বিবাহ কৰাম বুলি বেজাৰ কৰাত, সিহঁত তেতিয়াই নাৱলৈ গ'ল ॥ ৫৪৪ ॥

পৰদিন, প্রাতঃকালে শ্রীগৌৰীকান্ত কড়াইখোৱা ঘাটৰ পৰা উঠি যাই, মোৰ কাখতে বহি কলে যে, "তেওঁৰ ঘৈণীয়েকক ভটীয়াই গোহাটী পঠালে। তেওঁ শ্রীকমলাকান্ত সহিত উলাই যাই, বিবাহ কৰাই আহিব। এই হেতু, আহিল," বুলি কলে। তথাপি মঞি বেজাৰতে 'যা যদি যা' বুলি কলোঁ ॥ ৫৪৫ ॥

তদপৰ গধূল সময়, শ্রীকমলাকান্ত সহিত ২৯ চৈত্র, নাৱত কড়াইখোৱা ঘাটত তোলি দি, লাওখোৱা ঘাটত শ্রীৰত্নকান্তক তোলি লৈ বহাগ মাহে বিবাহ কৰাবৰ বন্দবস্ত কৰি, ৰওনা কৰি পঠালোঁ। ও ঐ দিনে বিহু আৰু আমাৰ হাতী ও বিষ্ণুনাৰায়ণ কোঞৰৰ হাতীকো বামেদি পঠাম বুলি কৈ গহনাদি দিলোঁ ॥ ৫৪৬ ॥

আমাৰ ও বিষ্ণু-নাৰায়ণ কোঞৰৰ হাতী পঠোৱা

এই সনৰ চৈত্র মাহে শ্রীৰত্নকান্তৰ বোৱাৰীক দিয়া :—

সোণৰ খাৰু—	১ জোৰ	পাৰি দিয়া কাপুৰ—	১
সোণৰ বাখৰামি কেৰু—	১ „	পাটৰ বিহা মেখেলা—	১
তথা বাখৰামি গলপতা—	১ ধাৰি	খনিয়া কাপোৰ—	১
সোণৰ ওকা বিৰি পোৱাল,			১০ দফা
সোণৰ মণি সহিত—	১ ধাৰ	পৰে দিয়া প্রাচীন্ত	
সোণৰ বাখৰপতা আঙঠি	১ গোট	বাখৰামি বিৰি—	১ ধাৰ
	৫ দফা	সর্ব্বমোট—	১১ দফা
কিংখাপৰ মেখেলা—	১		
গাজৰ বন কৰা বিহা—	১		

বিবাহত দিয়া দ্রব্যজাত

॥ ৫৪৭ ॥

প্রথম অধ্যায় (ক্রমশঃ)

খ—১৭৯৬ শক। ১২৮১ সন। ১৮৭৪-৭৫ ইং

বিষয়াসকল—পৰগণা বন্দবস্ত—শ্বিলঙত চীফ কমিচনৰ থকা—শ্রীৰত্নৰ দ্বিতীয় বিবাহ—আমাৰ কৃত গীতা গ্রন্থ—তীর্থ যাত্রা—অন্যান্য।

এই সনে শ্রীশ্রীকিটিং চিফ্ কমিচনৰ সাহেব ও এগ্‌লৌ জুডিচীল কমিচনৰ, কামৰূপে লেম সাহেব ডিপুটী কমিচনৰ। মঙ্গলদৈত বয়েড্ সাহেব এচিষ্টেণ্ট কমিচনৰ ॥ ৫৪৮ ॥

(এওঁলোকে) গত সনৰ নিৰিখ মতে পৰগণা ও মৌজা-সকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে।

আৰু কমিচনৰ সাহেব শাল-কাষ্টৰ পৰ বৰকৈ নজৰ শ্বিলিঙ্গত সর্ব্বদা থাকাৰ নিয়ম কৰিলে ॥ ৫৫০ ॥

শ্রীজয়নাথ ডেকাক নগাঞে পঠোৱা কাৰণ

মঞ্জি মঙ্গলদৈত থাকি ১ বৈশাগ, আমাৰ হাতী মঞ্জুৰ মাহুত সহিত আৰু বিষ্ণুনাৰায়ণ কোঞৰৰ হাতী কেৰয়াত লৈ জয়নাথ ডেকাক নগাঞে পঠাই, এই বন্দবস্ত কৰি দিলোঁ যে, ১১ বৈশাগ শ্রীৰত্নকান্তক উজানে বিবাহ হেতু লাউখোৱা ঘাটত নাৱত তোলি ৰওনা কৰি দি, তেওঁ তেজপুৰেদি ভূৰামৰ ছোৱালী চাই আহিব। ও বামেদি, দুই হাতী আগধৰি মাজোলী যাই পহুচিব ॥ ৫৫১ ॥

বিবাহ হেতু টকা পঠোৱা

২ বৈশাগ শ্রীশ্রীআউনীআটীয়া গোসাঞীকে চিঠি লিখি, বিবাহার্থে সম্প্রতি ৫০৲ টাকা গাধীৰ, গুৱ, তামোল পান বাবত, লোট পঠালোঁ। এবং শ্রীৰত্ন ও শ্রীকমলা ও শ্রীগৌৰীকান্তক ৰওনা কৰি পঠালোঁ,—২৯ বৈশাগ বিবাহ ত'তে হব। ও বুঢ়া চৰঙ্গুৱাকে চিঠি লিখিলোঁ,—যদ্যপি, কদাচিত ২৯ বৈশাগ বিবাহ

হৰ নোৱাৰে, তবে অন্য দিন এটা জৈষ্ট মাহতে কৰি, শ্রীবাপালীৰ জীয়েকক বিবাহ কৰাব ॥ ৫৫২ ॥

শ্রীচন্দ্রৰ জামিনৰ লোক

হাজো পৰগণাৰ শ্রীচন্দ্রকান্তৰ জামিন, দেৱকান্ত, যজ্ঞৰাম দলৈক দিবৰ কাৰণে লক্ষ্মীকান্তকে চিঠি লিখোঁ ॥ ৫৫৩ ॥

মাহাৰা কাকতীৰ জীয়েকক চাই, কণিকা দাসী আহিব লিখোঁ

৬ বৈশাগ, কণিকাৰ চিঠি পাওঁ,—উজানৰ পৰা তেওঁলোক আহিব কি বিবাহৰ সাপক্ষে থাকিব। তদুত্তৰে ৭ বৈশাগ চিঠি লিখোঁ,—মাহাৰা কাকতীৰ জীয়েকৰ ঠিকনা কৰি, বামে দাসী সহিত আহিবৰ বিষয় ॥ ৫৫৪ ॥

শ্রীৰত্নকান্ত লাউখোৱা ঘাটে যোৱা

১৩ বৈশাগ, জয়নাথ ডেকা তেজপুৰৰ পৰা পহুচি শ্রীৰত্নৰ চিঠি পাই, ১১ বৈশাগ ৰওনা হৈ লাউখোৱা ঘাটে যোৱা। ও গৌৰীকান্ত হাতীৰে উজানে আগধৰি যোৱা, থিৰাং কলে ও লিখিলে ॥ ৫৫৫ ॥

লৰাহঁত উজানে ৰওনা

১৪ বৈশাগত, শ্রীশ্রীআউনীআটীয়া গোস্বামীকে চিঠি লিখোঁ, লৰাহঁত ১২ বৈশাগ লাউখোৱা ঘাটৰ পৰা ৰওনা হৈ যোৱা। ২৯ বৈশাগ কদাচিত বিবাহ নহলে, জৈষ্ট মাহৰ আগ পক্ষতে দিন এটা কৰাই শ্রীৰত্নৰ, শ্রীবাপালীৰ জীয়েক সহিত বিবাহ কৰাব ॥ ৫৫৬ ॥

জীৱৰাম পেচ্‌কাৰ ও বিষ্ণুৰাম ওকিলক চিঠি

১৫ বৈশাগ,—জীৱৰাম পেচ্‌কাৰ ও বিষ্ণুৰাম ওকিলক পত্র লিখোঁ,—মাজোলীত বাপালীৰ জীয়েক সহিত শ্রীমান ৰত্নকান্তৰ বিবাহ হেতু লৰাহঁত ১২ বৈশাগ ৰওনা হৈ যোৱা। পাৰিলে, তেওঁলোক যাই বিবাহ কৰায়। এবং তেওঁলোকলৈ খাম্পা থঙ্গা তিনখন পঠাই দিওঁ ॥ ৫৫৭ ॥

২৮ বৈশাগ,—শ্রীগৌৰীকান্তৰ উজানৰ পৰা ১৯ বৈশাগৰ চিঠি পাওঁ,—১৮ বৈশাগ, হাতীয়েদি সত্র পহুচা ও বিবাহৰ কাৰবাৰ কৰা। ও লৰাহঁত নাৰেদি আহি নোপোৱা ॥ ৫৫৮ ॥

৩০ বৈশাগ, শ্রীকমলাকান্তৰ ২৪ বৈশাগ,—শ্রীৰত্নকান্তৰ ২৩ বৈশাগৰ চিঠি পালোঁ,—২২ বৈশাগ সত্র পহুচি নামঘৰত

২৯ বৈশাগ শ্রীৰত্নৰ বিবাহ হোৱা

উঠি, বিবাহৰ আয়োজন কৰা। পৰে চিঠি পালোঁ,—২৯ বৈশাগ সুমঙ্গলে বিবাহ হোৱা ॥ ৫৫৯ ॥

১ জৈষ্ঠ, শ্রীবয়েড্ সাহেব ও ফিছৰ সাহেব সহিত ইস্কুলত কমিটী কৰা যায়। শ্রীক্ষেত্রত দুর্ভিক্ষ হেতু চান্দা হয়। ও ফিছৰ সাহেব নগাঞে বদলি হৈ যাব, কলে ॥ ৫৬০ ॥

শ্রীৰত্ন নগাঞে অহা

৬ জৈষ্ঠ, উজান সত্রৰ পৰা শ্রীগৌৰীকান্তৰ ৩০ বৈশাগৰ চিঠি পাওঁ,—২৯ বৈশাগ সুমঙ্গলে বিবাহ হোৱা হেতু, শ্রীৰত্নকান্ত নগাঞে ৰওনা হৈ যোৱা ॥ ৫৬১ ॥

৭ জৈষ্ঠ, মঞ্জি পূৰ্ব্বে ছুটীৰ এত্যালা দিয়াতে নামঞ্জুৰ হোৱা খবৰ পাওঁ ॥ ৫৬২ ॥

৮ জৈষ্ঠ,—শ্রীশ্রীআউনীআটীয়া গোস্বামীৰ ৩ জৈষ্ঠ, শ্রীৰত্নকান্তৰ ৫০ বৈশাগৰ, চিঠি পাওঁ—২৯ বৈশাগ বিবাহ হোৱাতে দোচ্ৰা নাৱে নগাঞে ৰওনা হোৱা ॥ ৫৬৩ ॥

শ্রীকমলা যোৰহাটে যোৱা

৯ জৈষ্ঠ,—শ্রীৰত্নকান্তৰ, ৭ জৈষ্টৰ চিঠি পাওঁ,—৬ জৈষ্ট নগাঞ পহুচা। ও শ্রীকমলাকান্ত ও গৌৰীকান্ত যোৰহাটে যোৱা ॥ ৫৬৪ ॥

১১ জৈষ্ট, বিষ্ণুৰাম ওকিলৰ ৬ জৈষ্টৰ পত্র পালোঁ,—আমাৰ পত্রৰ উত্তৰে খঞ্জুৰ মাহুত আমাৰ হাতী অপৰ হাতী সহিত খৰচাভাবে তথাতে থাকা। ও খৰচা কয়েক টাকা দি পঠালোঁ ॥ ৫৬৫ ॥

১৩ জৈষ্ট হাবিৰাম চেৰস্তাদাৰৰ পুত্র দেবনাথৰ চিঠি পাওঁ, শ্রীচন্দ্রকান্তক দিয়া বাবত শ্রীকমলাকান্তে ধাৰ কৰা ৪০০৲ টাকা পঠাবৰ কাৰণে ॥ ৫৬৬ ॥

ধাৰৰ টাকা পঠাবত

কেন্দুকুচিৰ মাটি লোৱা

শ্রীদুর্গাকান্তৰ চিঠি পাওঁ,—কেন্দুকুচিৰ শ্রীচন্দ্রকান্তৰ মাটি ২০ পুৰা তস্য, অথচ সিহঁতৰ দেনাত ক্রোক হোৱা বাবত। তদুত্তৰে নিলামত খবিদ কৰি লৱৰ লিখোঁ ॥ ৫৬৭ ॥

২৫ জৈষ্ঠ,— খঞ্জুৰ মাহুত সহিত আমাৰ হাতী ও বিষ্ণু-নাৰায়ণ কোঞৰৰ হাতী মোৰ পাশ মঙ্গলদৈ পহুচে ॥ ৫৬৮ ॥ হাতী পহুচা

শ্রীৰত্নকান্ত নগাঞৰ ২৩ জৈষ্টৰ চিঠি পালোঁ,— শ্রীগৌৰী-কান্ত ও শ্রীকমলাকান্ত অদ্য ৭॥০ বজাত উজানৰ পৰা নগাঞ পাই, ঐ ৰোজ গোহাটী ৰওনা হৈ যোৱা ॥ ৫৬৯ ॥ শ্রীকমলা গোহাটী যোৱা

৮ আষাঢ়,—শ্রীশম্ভুৰাম জামাতাকে চিঠি লিখোঁ,— এই মঙ্গলদৈ স্থানে মোৰ পাশে আহিবৰ বিষয় ॥ ৫৭০ ॥

১৪ আষাঢ়,—শ্রীকমলাকান্তৰ চিঠি পাওঁ,—কেন্দুকুচিৰ মাটি ২০ পুৰা ৫২৫ টাকাত নিলামত খৰিদ কৰা ॥ ৫৭১ ॥ কেন্দুকুচিৰ মাটি লোৱা

১৬ আষাঢ়,—জীৰৰাম পেচ্‌কাৰৰ চিঠি পাওঁ,—আমাৰ কৃত গীতা গ্রন্থ শুনি অতি হর্ষ পোৱা ॥ ৫৭২ ॥ আমাৰ কৃত গীতা গ্রন্থ

৩০ আষাঢ়,—শ্রীদুর্গাকান্ত ও শ্রীশম্ভুৰাম জামাতা মঙ্গলদৈ পহুচে। ২ শ্রাৱণ পুনৰ গোহাটী পঠাওঁ ॥ ৫৭৩ ॥ শম্ভুৰাম মঙ্গলদৈ

১১ শ্রাবণ,—শ্রীলাটুস সাহেব মঙ্গলদৈ পহুচে। তেওঁৰ সহিত কথোপকথন ॥ ৫৭৪ ॥

১৯ শ্রাৱণ, ৩ আগষ্ট,—আমি ভাঠী যাবৰ মনস্তে পূজাৰ বন্দ সমেত ৩ মাহৰ ছুটীৰ এত্যালা দিওঁ ॥ ৫৭৫ ॥ ভাঠী যাবৰ ছুটীৰ এত্যালা

১ ভাদ্র—১৬ আগষ্ট, শ্রীশ্রীনর্থব্রুক গবর্ণৰ জানৰেল কাছাৰ পহুচে, খবৰ পাওঁ ॥ ৫৭৬ ॥ গবর্ণৰ জানৰেল

৪ ভাদ্র—শ্রীশম্ভুৰাম জামাতা গোহাটীৰ পৰা পহুচে। গধূল সময়, শ্রীলাটুস্ সাহেব পাশ হাজিৰ কৰি, মকৰৰ কৰিবৰ কওঁ ; স্বীকাৰ কৰে ॥

৬ ভাদ্র—শ্রীশম্ভুৰাম জামাতাকে ২৫ টাকাত একটিং মহৰিৰ মকৰৰ কৰে ॥ ৫৭৭ ॥ শম্ভুৰাম মকৰৰ

১২ ভাদ্র, ২৭ আগষ্ট ১৮৭৪ ইং শ্রীশ্রীনর্থব্রুক গবর্ণৰ জানৰেল গোহাটী পহুচি, ১৫ ভাদ্র, ৩০ আগষ্ট ভটীয়াই কলিকাতা যায় ॥ ৫৭৮ ॥ গবর্ণৰ জানৰেল যোৱা

১৮ ভাদ্র, ২ সেপ্তাম্বৰ,—আমাৰ ছুটীৰ এত্যালাতে—২ মাহৰ অনুগ্রহৰ ছুটী দিব খোজা চিঠি পাই, ৩ মাহৰ নহলে নহয়, বুলি পুনৰ চিঠি লিখোঁ ॥ ৫৭৯ ॥

গঙ্গাস্নান যাব খোজা

২০ ভাদ্র—শ্রীমান গৌৰীকান্তকে চিঠি লিখোঁ,—ভাবী গঙ্গাস্নানে ৺মাতৃ সহিত আমি যাব খোজা, ও তেওঁ ওলাবৰ বিষয় ॥ ৫৮০ ॥

২৯ ভাদ্র, ১৩ সেপ্তাম্বৰ, শ্রীমিছিল সাহেব মঙ্গলদৈ পহুচে। ৩০ ভাদ্র, মঞ্জি তেওঁক খাজানা-খানাৰ ছাবি আদি চমজাই দিওঁ। ৭ আশ্বিন মঞ্জি ৩ মাহৰ ছুটী পাওঁ ॥ ৫৮১ ॥

৩ মাহৰ ছুটী

৭ আশ্বিন,—শ্রীজীৱৰাম পেচ্‌কাৰকে চিঠি লিখোঁ,—মঞ্জি ভাঠী যাবৰ কাৰণে ৩ মাহৰ ছুটী লোৱা। তদ্বিষয় গোহাটীতে শ্রীকমলাকান্তকে লিখোঁ যে, বাঙ্গালী নাও একখন ঠিকনা কৰি ৰখা বিষয় ॥ ৫৮২ ॥

ভাঠী যোৱা বিষয় লিখা

১০ আশ্বিন, ২২ সেপ্তাম্বৰ লাটুস্‌ সাহেব চক্ষুৰ বেদনাতে বদল হৈ, তেজপুৰে যায়। তৎকর্ম্মে মিছিল সাহেব হয় ॥ ৫৮৩ ॥

লাটুস্‌ সাহেব যোৱা

১৮ আশ্বিন, ৩ আক্তুবৰ,—মিছিল সাহেব সহিত বাটত দেখা ও কথোপকথন। কালিলৈ ছুটী গ্রহণ কৰি গোহাটী যাবৰ বিদায় হলোঁ। তদপৰ— বাসাত ৰেপট্‌ শুনি, ১০ আক্তোবৰ হৈতে— তিনি মাহৰ ছুটী গ্রহণ পূর্ব্বক, গোপীনাথ শর্ম্মা চেৰস্তাদাৰৰ পাশ চার্জ্জ দি, ৰোবকাৰী, মিছিল সাহেব এচিষ্টেন্ট পাশ পঠাই বেলা দুইটা সময় সক্ক দৈণী ও শুকুৰা, ও সক্ক চক্ষু, ও গুণী সহিত ৰওনা হৈ ধলপুৰৰ বালিত থাকিলোঁ। ও মঙ্গলদৈৰ ঘৰ আদি শ্রীশম্ভুৰাম জামাতা ও জয়ৰাম জেম্বা ৰাখিলোঁ ॥ ৫৮৪ ॥

মঞ্জি তিনি মাহৰ ছুটী পোৱা

ভাঠী যাত্রা

২৬ আশ্বিন ধলপুৰ হৈতে ৰওনা হৈ দুইটা সময় গোহাটী ঘৰ পাওঁ ॥ ৫৮৫ ॥

৫ কার্ত্তিক, ২১ আক্তুবৰ ভাঠী গঙ্গা স্নানে উষা যাত্রা কৰি ৺মাতৃ ও শ্রীবৰ দৈণী ও মহাকেজনী ও সুপাহী শাশুৰী ও

গৌৰীকান্ত ও দুর্গাকান্ত ও টোকৰ মিত্র ও যজ্ঞৰাম দলৈ ও গুণী ও ভাখৰী ও জয় টেকেলা, মাধবানন্দ অধ্যাপক সহিত ঘাটত বাঙ্গালী নৌকাত উঠি বওনা হৈ অশ্বক্রান্তত স্নান কৰি ভটীয়াই যাই, ১৪ কার্ত্তিক গোৱালন্দ পালোঁ। এবং পদ্মা নদী ও বেল দেখোঁ॥ ৫৮৬॥ ভাঠী হৈ গোৱালন্দ

১৬ কার্ত্তিক, ১ নওম্বৰ দিবা ১১টা সময় নাউ গোৱালুন্দতে এৰি, সকলো বেলত উঠি ৰাতি ৮টা সময়, কলিকাতাৰ শিয়ালদহ পহুচি, ৰাতি একজন লোকৰ ঘৰত, কেৰেয়া কৰি থাকিলোঁ। খোৱা নহল॥ ৫৮৭॥ শিয়ালদহ

১৭ কার্ত্তিক, প্রাতসে তথা হৈতে ৺কালীঘাট, ঘোৰাৰ গাড়ীদি যাই, ছয় দণ্ড সময় পাই, ৺গঙ্গাদর্শন কৰোঁ। কাল অশুদ্ধ হেতু, বিধিমত শ্রাদ্ধ নহল॥ ৫৮৮॥ কালীঘাট

১৮ কার্ত্তিক, গঙ্গাস্নান কৰি ভাঠী বেলা গাড়ীত উঠি গৌৰীকান্ত ও দুর্গাকান্ত ও যজ্ঞৰাম দলৈ সহিত কলিকাতাৰ গবর্ণৰ সাহেবেৰ বাঙ্গাঙ্গা ও গঙ্গাৰ সাঁকো প্রভিতি ও বড়বাজাৰ ও চীনাবাজাৰ আদি দেখি ফিৰি আহি পুনৰ কালীঘাটত থাকোঁ॥ ৫৮৯॥ গঙ্গাস্নান ও কলিকাতা চহৰ দেখা

১৯ কার্ত্তিক, ৫ নওম্বৰ,—গোহাটী শ্রীকমলাকান্তকে চিঠি লিখোঁ। ভাঠী বেলা কলিকাতাৰ বড়বাজাৰ দেখোঁ ও গলিৰ ৰাষ্টা দেখোঁ। সভাচান্দ্ ও যশ্ৰাজৰ গোলাৰ জোৱাৰমল পাশ যাই, ৪৪৲ টাকাৰ গুণা, ৬৲ টাকাৰ সূতা, নগদ মোট ৫০৲ টাকাত লৈ গোহাটীত দিবৰ কাৰণে চিঠি লিখি, পুনৰ কালীঘাটে থাকিলোঁ॥ ৫৯০॥ কলিকাতা চহৰ দেখা

২১ কার্ত্তিক, ৬ নওম্বৰ শুক্রবাৰ,—যজ্ঞৰাম দলৈ জাহাজ দ্বাৰা জগন্নাথে যাবৰ বিদায় হ'ল। আমালোক পুনৰ গোৱালন্দ যাবৰ কাৰণে উদ্যম পূর্ব্বক, দিবা ৪টা সময় কালীঘাটৰ পৰা বওনা হৈ—শিয়ালদহ পালোঁ। এবং ১৫ জন মানুহৰ তৃতীয় গোৱালন্দ পহচা

কেলাচেৰ ডেড়াভাড়া ৫০৲ টাকাৰ হুণ্ডী দি টিকিট লৈ, ৰাতি ৮টা সময়, ৺মাতৃ ৰৰঘৈণী প্ৰভিতি সহিত, ৰেলত ৰওনা হৈ তামাম্ ৰাতি যাই, প্ৰভাতে গোৱালন্দ পালোঁ। এবং হাৰো মাঝিৰ পাঞ্চৈ নৌকা এক পাই, কেৰেয়া পূৰ্ব্বক লৈ, তাতে উঠি বামত ভাত খালোঁ ॥ ৫৯১ ॥

২২ কাৰ্ত্তিক, ৭ নওম্বৰ নৌকাৰ গোলমালে, তাতে থকা গল। ২৩ কাৰ্ত্তিক বেলা দুপ্ৰহৰ সময়, ঐ পাঞ্চৈ নৌকায় ৰওনা হৈ পদ্মা নদী পাৰ হৈ উজান নাউজৰাত থাকোঁ ॥ ৫৯২ ॥

নাউজৰা

কৈলাচৰ

২৪ কাৰ্ত্তিক, ৯ নওম্বৰ, তথা হৈতে ৰওনা হৈ কৈলাচৰত ৰাতি থাকোঁ ॥ ৫৯৩ ॥

ফুলবাৰীয়া

২৫ কাৰ্ত্তিক, ১০ নওম্বৰ, তথা হৈতে ৰওনা হৈ ফুলবাৰীয়া গ্ৰামৰ বালিত থাকোঁ ॥ ৫৯৪ ॥

বেলবাৰী

২৬ কাৰ্ত্তিক, ১১ নওম্বৰ, তথা হৈতে ৰওনা হৈ বেলবাৰীৰ বালিত উত্তৰ পাৰে থাকোঁ ॥ ৫৯৫ ॥

২৭ কাৰ্ত্তিক, ১২ নওম্বৰ, তথা হৈতে ৰওনা হৈ চিৰাজগঞ্জৰ ভাঠী বালিত থাকোঁ ॥ ৫৯৬ ॥

চিৰাজগঞ্জ

২৮ কাৰ্ত্তিক, ১৩ নওম্বৰ, তথা হৈতে ৰওনা হৈ চিৰাজগঞ্জত থাকোঁ ॥ ৫৯৭ ॥

২৯ কাৰ্ত্তিক, ১৪ নওম্বৰ, তথা হৈতে ৰওনা হৈ চিৰাজগঞ্জত

চাৰাগ্ৰাম

চাউল আদি খৰিদ কৰি, চাৰাগ্ৰামত থাকোঁ ॥ ৫৯৮ ॥

৩০ কাৰ্ত্তিক, ১৫ নওম্বৰ, তথা হৈতে ৰওনা হৈ মাণিকগঞ্জত

মাণিকগঞ্জ

থাকোঁ ॥ ৫৯৯ ॥

১ অগ্ৰায়ণ, ১৬ নওম্বৰ তথা হৈতে ৰওনা হৈ বগুৰা জেলাৰ

গ্ৰামৰ-লখিলা

গ্ৰামৰলখিলা গ্ৰামত থাকোঁ ॥ ৬০০ ॥

২ অগ্ৰায়ণ, ১৭ নওম্বৰ তথা হৈতে ৰওনা হৈ বগুৰা জেলাৰ

মোছাপাৰা

মোছাপাৰাত থাকোঁ ॥ ৬০১ ॥

৩ অগ্রায়ণ, ১৮ নওম্বৰ, তথা হৈতে ৰওনা হৈ খাটীয়ামাৰি গ্রামৰ বালিত থাকোঁ ॥ ৬০২ ॥ খাটীয়ামাৰি

৪ অগ্রায়ণ, ১৯ নওম্বৰ, তথা হৈতে ৰওনা হৈ ৰঙ্গপুৰ জেলাৰ কালীগঞ্জত মানাস্ নদীত থাকোঁ ॥ ৬০৩ ॥ কালীগঞ্জ

৫ অগ্রায়ণ, ২০ নওম্বৰ তথা হৈতে ৰওনা হৈ জামালপুৰ জেলাৰ মাদিৰগঞ্জত দক্ষিণ পাৰে পর্ব্বতৰ কিনাৰত থাকোঁ। উত্তৰে চিলমাৰি ॥ ৬০৪ ॥ মাদিৰগঞ্জ

৬ অগ্রায়ণ, ২১ নওম্বৰ, তথা হৈতে ৰওনা হৈ চিলমাৰিৰ উজান বালিত, দক্ষিণ পাৰে থাকোঁ ॥ ৬০৫ ॥ চিলমাৰি

৭ অগ্রায়ণ, ২২ নওম্বৰ, তথা হৈতে ৰওনা হৈ ৰৌমাৰি এৰাই শলমাৰিত ৰাতি থাকোঁ ॥ ৬০৬ ॥ ৰৌমাৰি

৮ অগ্রায়ণ, ২৩ নওম্বৰ, তথা হৈতে ৰওনা হৈ ৰঙ্গপুৰ জেলাৰ যাত্রাপুৰ গ্রামৰ মাজোলী বালিত থাকোঁ ॥ ৬০৭ ॥ যাত্রাপুৰ

৯ অগ্রায়ণ, ২৪ নওম্বৰ, তথা হৈতে ৰওনা হৈ শিঙ্গীমাৰি বালিত থাকোঁ ॥ ৬০৮ ॥ শিঙ্গীমাৰি

১০ অগ্রায়ণ, ২৫ নওম্বৰ, তথা হৈতে ৰওনা হৈ ধুবুৰীৰ ভাঠী মণিচৰে থাকি গোৱালপাৰা·· ···(পাওঁ) ॥ ৬০৯ ॥ মণিচৰ

১১ অগ্রায়ণ, ২৬ নওম্বৰ, তথা হৈতে ৰওনা হৈ দক্ষিণ পাৰ ফকীৰগঞ্জত থাকোঁ। উত্তৰে ধুবুৰী ॥ ৬১০ ॥ ফকীৰগঞ্জ

১২ অগ্রায়ণ, ২৭ নওম্বৰ, তথা হৈতে ৰওনা হৈ, চেনিপাৰা দক্ষিণ পাৰে থাকোঁ ॥ ৬১১ ॥ চেনিপাৰা

১৩ অগ্রায়ণ, ২৮ নওম্বৰ, তথা হৈতে ৰওনা হৈ চান্দৰ-ডিঙ্গি পর্ব্বতৰ কাষৰ বালিত থাকোঁ ॥ ৬১২ ॥ চান্দৰ-ডিঙ্গি

১৪ অগ্রায়ণ, ২৯ নওম্বৰ, তথা হৈতে ৰওনা হৈ পগলাটেকৰ ভাঠী, বালিত থাকোঁ ॥ ৬১৩ ॥ পগলাটেক

১৫ অগ্রায়ণ, ৩০ নওম্বৰ, তথা হৈতে ৰওনা হৈ গোৱালপাৰাৰ ভাঠী পঞ্চৰত্ন পর্ব্বতৰ পূবফালে, বালিত থাকোঁ ॥ ৬১৪ ॥ পঞ্চৰত্ন পর্ব্বত

১৬ অগ্রায়ণ, ১ ডিচাম্বৰ, বেলা এক পৰ মান হোৱাতে গোৱালপাৰা পাওঁ। বালিত ভাত খাই ভাঠী বেলা পূর্ণানন্দ বৰুৱা একষ্ট্রা এচিষ্টেণ্ট কমিচনৰ ও প্রিয়নাথ বৰুৱা চুপ্রেডেণ্ট(১) সহিত হৈ চীফ্ কমিচনৰ সাহেবেৰ চেকেট্টৰ (২) নামে চিঠি লিখিলোঁ যে, মঙ্গলদৈত বেমাৰ হৈ থাকোঁ। হাৱাপানী বড়দাস্ত্ (৩) নহয়। গোহাটী ৰাখাৰ বিষয় ॥ ৬১৫ ॥

গোৱাল-পাৰা বদলি কাৰণ চিঠি

১৭ অগ্রায়ণ ২ ডিচাম্বৰ, অথ, প্রাতে তথা হৈতে ৰওনা হৈ নগৰবেৰা পর্ব্বতৰ উত্তৰ বালিত থাকোঁ ॥ ৬১৬ ॥

নগৰবেৰা

১৮ অগ্রায়ণ, ৩ ডিচাম্বৰ, তথা হৈতে ৰওনা হৈ নগৰবেৰ ভাঠী বালিত থাকোঁ ॥ ৬১৭ ॥

১৯ অগ্রায়ণ ৪ ডিচাম্বৰ—তথা হৈতে ৰওনা হৈ নগৰবেৰ পর্ব্বতৰ উজান বালিত থাকোঁ ॥ ৬১৮ ॥

২০ অগ্রায়ণ, ৫ ডিচাম্বৰ, তথা হৈতে ৰওনা হৈ পূৰ্ব্ব চ'মুৰীয়া, মন্দিয়া গ্রামৰ বালিত থাকোঁ ॥ ৬১৯ ॥

চ'মুৰীয়া মন্দিয়া গ্রাম

২১ অগ্রায়ণ, ৬ ডিচাম্বৰ তথা হৈতে ৰওনা হৈ পূৰ্ব্ব চ'মুৰীয়াৰ দুৰামাৰি বালিত থাকোঁ ॥ ৬২০ ॥

দুৰামাৰি

২২ অগ্রায়ণ, প্রাতসে তাতে থকাতে, যোগেশ্বৰ সকলজন গোসাঞী কার্ত্তিক মাহে ফৌত হোৱা ও শ্রাদ্ধ যোৱা, মহেশ্বৰ নাৰৰীয়া ভটীয়াই যোৱাতে কলে ॥ ৬২১ ॥

যোগেশ্বৰ গোসাঞী ফৌত হোৱা

২৩ অগ্রায়ণ, ৮ ডিচাম্বৰ তথা হৈতে ৰওনা হৈ দক্ষিণ সৰ বংশৰ পৰগণাৰ হীৰাপাৰাত থাকোঁ ॥ ৬২২ ॥

হীৰাপাৰা

২৪ অগ্রায়ণ, ৯ ডিচাম্বৰ, তথা হৈতে ৰওনা হৈ খানামুখত ৰাতি থাকোঁ ॥ ৬২৩ ॥

খানামুখ

২৫ অগ্রায়ণ, ১০ ডিচাম্বৰ, তথা হৈতে ৰওনা হৈ শগুনঠুঁটি বালিৰ পৰা খোৱা দি ব্রহ্মপুত্রৰ, উত্তৰ পাৰে হৈ, অশ্বক্রান্তত

উত্তৰ গোহাটী ঘৰ পহুচা

টোকা :—(১) চুপ্রেডেণ্ট = Superintendent.

(২) চেকেট্টৰ = Secretary. (৩) ৰবদাস্ত্ নহয় = সহ্য নহয়

স্নান পূর্ব্বক বেলা ভাঠী সময়ত উত্তৰ গোহাটী ঘৰ পাই, গোপীনাথ চেৰস্তাদাৰ মঙ্গলদৈ ও উজান বিষ্ণুৰাম ওকীলকে চিঠি লিখোঁ। আমি ৺মাতৃ ও ৰৰঘৈণী সহিত, নান্দীমুখ শ্রাদ্ধ নকৰা হেতু, গোসাঞী ঘৰতে থাকোঁ ॥ ৬২৪ ॥

২৬ অগ্রায়ণ, অদ্য তীর্থ নান্দীমুখ শ্রাদ্ধ কৰোঁ। ও ব্রাহ্মণ গাতি কয়েক জনক ভোজন কৰাই গৃহে প্রবেশ হওঁ ॥ ৬২৫ ॥ গৃহ প্রবেশ

১ পৌষ, ১৫ ডিচাম্বৰ,—অদ্য গোহাটী যাই শ্রীলেম সাহেব সহিত বাঙ্গালায় দেখা। তথা হৈতে দ্রাইবর্গ সাহেব সহিত দেখা, কথোপকথন ॥ ৬২৬ ॥

২ পৌষ, শ্রীশ্রীকিটিং চীফ্ কমিচনৰ বৰ কাছাৰীতে থাকাতে দেখা ও কথোপকথন, ও কলিকাতাৰ কথা সোধা, ও 'কোনদিন আহিলা',—সোধাতে, কলোঁ,—গলিৰ দিগে দুর্গন্ধ ও গৰম, ও অনেক লোক, নিশ্বাস বন্ধ হোৱা আদি কথা কোৱাতে হাঁহিলে। আৰু মঞি গোৱালপাৰা হৈতে গোহাটী থকা বিষয় এক চিঠি লিখা কথা সোধাতে, সম্প্রতি একো কব নোৱাৰা, ও দ্রাইবর্গ সাহেবত কবৰ কথা কলে। তেওঁতে পুনৰ আহি সোধাতে, সম্প্রতি মঙ্গলদৈ মঞি যাবৰ কলে ॥ ৬২৭ ॥ কিটিং চীফ্ কমিচনৰ সাহেব সহিত দেখা

৩ পৌষ, মঙ্গলদৈৰ শ্রীমিছিল সাহেবেৰ চিঠি পাওঁ। মঞি মঙ্গলদৈ যাবৰ একো হুকুম নোপোৱা হেতু, গোহাটীত চীফ্ কমিচনৰ সাহেবত, মঞি সুধিবৰ লিখে ॥ ৬২৮ ॥ মিছিল সাহেবৰ চিঠি

৫ পৌষ, ১৯ ডিচাম্বৰ, শ্রীএগ্লৌ জুডিচীল কমিচনৰ সাহেব সহিত দেখা হওঁ ও কথোপকথন, ও সম্প্রতি মঞি মঙ্গলদৈ যাবৰ কথা কলে ॥ ৬২৯ ॥

৬ পৌষ ঘৰে থাকোঁ..... ॥ ৬৩০ ॥

৯ পৌষ ঈশ্বৰামৰ বস্তিমাটি ২৭০৲ টাকাত লিলাম হোৱাতে ৰতিকান্ত ওকীলে খৰিদ কৰাতে, তাৰ পাশ, ৩০০৲ টাকাত শ্রীকমলাকান্ত খৰিদ কৰে ॥ ৬৩১ ॥ ঈশ্বৰামৰ মাটি খৰিদ

গোহাটী অহা

১০ পৌষ, ২৪ ডিচাম্বৰ, বৰ-কাছাৰীত এগ্‌লৌ সাহেৱ সহিত মিছিল সাহেৱ থকা শুনি, তথা যাই। পুনৰ ১০ জান্‌ৱাৰী গোহাটী আহি, গঙ্গানাথ মুনচুফ পাশ চার্জ্জ্‌ লৱৰ কথা কলে॥ ৬৩২॥

গঙ্গানাথ মুনচুফৰ চিঠি

১১ পৌষ, অদ্য বৰ দিন হেতু ঘৰে থাকোঁ। গঙ্গানাথ মুনচেফৰ চিঠি পাওঁ,—তেওঁ গোৱালপাৰা যোৱা ও মঞ্জি গোহাটীতে থকা ঠিক হোৱা লিখে॥ ৬৩৩॥

জামাতা শম্ভুৰামৰ জ্বৰ হেতু মঞ্জি মঙ্গলদৈ যোৱা

১২ পৌষ,—গোপীনাথ চেৰস্তাদাৰ মঙ্গলদৈৰ পৰা আহি মোক দেখা দিয়ে এবং একখন জয়ৰামৰ চিঠি দি কলে যে, আমাৰ জামাতা শম্ভুৰামৰ জ্বৰ হোৱা। শুনি মঙ্গলদৈ যাবৰ উদ্যম কৰি ১৪ পৌষ শ্রীধর্ম্মকান্তক লগত লৈ গুণী লগুৱা সহিতে ৩টা সময়, মঙ্গলদৈ ৰওনা হৈ, দক্ষিণ পাৰে পদ্মৰেখা ৰাণীক দেখা দি, লতাশিলৰ উজান মাজোলী বালিত থাকিলোঁ। ১৬ পৌষ তথা হৈতে ৰওনা হৈ ভাঠী সময় ৰঙামাটি ঘাট পাই মোৰ নিজ হাতীৰে যাই, ৰাত্রি ৮টা সময়, মঙ্গলদৈৰ ঘৰ পাওঁ। এবং জামাতাক দেখি ঔষধ খোৱাওঁ॥ ৬৩৪॥

১৭ পৌষ, ৩১ ডিচাম্বৰ কাছাৰীত হাজিৰ হৈ গঙ্গাগোবিন্দ মুনচুফ সহিত দেখা। এবং চন্দ্রমোহন গোস্বামী মুনচুফ পাশ চার্জ্জ্‌ গ্রহণ কৰি কর্ম্মে প্রবর্ত্ত হওঁ॥ ৬৩৫॥

আমি গোহাটী বদলি হোৱা

১৮ পৌষ, ১ জান্‌ৱাৰী,—কাছাৰী বন্দ। ও মঞ্জি গোহাটীতে মুনচুফি কর্ম্মত মকৰৰ হোৱা আসাম গেজেটত ছাপে। তাহা চন্দ্রমোহন গোস্বামী আহি দেখালে॥ ৬৩৬॥

শম্ভুৰাম জামাতা ফৌত

১৯ পৌষ, ২ জান্‌ৱাৰী শনিবাৰ কাছাৰীত দেৱানী কৰোঁ। ৰাতি শম্ভুৰাম জামাতা জ্বৰাতিসাৰতে ফৌত হ'ল। আমি শোকে-দুখে অস্থিৰ হৈ, ভাৰলুৱা ঘৰৰ ব্রাহিৰামৰ সমন্ধীয় দুই-দৈবজ্ঞক অনাই জয়ৰাম সহিত নিয়াই যথাবৎ অগ্নিকর্ম্ম কৰা গল। অথচ নিজে থাকি অগ্নিকর্ম্ম কৰালোঁ। অতিকষ্টে, ৰাতি ৰাহিৰ ঘৰতে থকা গ'ল॥ ৬৩৭॥

২২ পৌষ, ৫ জানুৱাৰী মঙ্গলবাৰ, দেৱানী কৰোঁ। দিবা ৫টা সময়, মিছিল সাহেব মপস্বলৰ পৰা পহুচাতে, বাঙ্গালা যাই চার্জ্জ্ দিবৰ সোধাত, চন্দ্রমোহন গোস্বামীক চার্জ্জ্ দি গোহাটী যাবৰ কথা কোৱাতে, তেতিয়াই কাছাৰী যাই চার্জ্জ দিলোঁ ॥ ৬৩৮ ॥ গোহাটী বদলি হোৱাত চার্জ্জ্ দিয়া

২৩ পৌষ, মঞ্জি গোহাটী যাবৰ উদ্যম হৈছোঁ, এনেতে এগ্লৌ জুডিচীল কমিচনৰ সাহেবেৰ বোৰকাৰী পালোঁ যে শীঘ্রে গোহাটীত গঙ্গানাথ মুন্চুফ পাশ চার্জ্জ্ লবৰ। তখনেই, মিছিল সাহেবক কাছাৰীতে বিদায় হৈ মাটিবাৰী ঘৰ আদি জইৱামৰ জেম্বা পূর্ব্বক শ্রীধর্ম্মকান্ত সহিত, মোৰ হাতীৰে যাই, ৰঙামাটিৰ ঘাটত নাৱত উঠি, হাতী বামে গোহাটী পঠাই, মঞ্জি নাৱেদি গৈ, ধলপুৰত ৰাতি থাকো ॥ ৬৩৯ ॥ গোহাটী যাত্রা

২৪ পৌষ, ৭ জানুৱাৰী বৃহস্পতিবাৰ প্রাতে ধলপুৰ হৈতে ৰওনা হৈ ১২ বাজাৰ সময় গোহাটী পাই, কাছাৰী ঘাটতে নাউ ৰাখি কাছাৰীত উঠি, গঙ্গানাথ মুনচুফ পাশ চার্জ্জ লৈ কর্ম্মে প্রবর্ত্ত হলোঁ। অথচ ফৌজদাৰী ও দেৱানী ও কালেক্টৰি কৰি টেটৰ সাহেব ও এগ্লৌ জুডিচীল কমিচনৰ সাহেবক কাছাৰীত দেখা হৈ, গোহাটীৰ বাসা দেখি উত্তৰ পাৰৰ ঘৰে যাওঁ ॥ ৬৪০ ॥ গোহাটী পহুচি চার্জ্জ লোৱা

২৯ পৌষ শম্ভুৰামৰ কর্ম্ম তস্য ভায়েকৰ হতুৱা কৰাওঁ ॥৬৪১॥ ভাদৈক শ্রীকিনাৰামলৈ বিবাহ কৰোৱা

২০ ফাগুন জীউৰামৰ জীয়েক ভাদৈক শ্রীকিনাৰামত বিবাহ দিয়াওঁ। ও অলঙ্কাৰ, ৰূপৰ থাৰু ও সোণৰ কেৰো, জীউৰামক গা-ধন ২০৲ টাকা দিওঁ ॥ ৬৪২ ॥

১৫ চৈত্র, হাজো পৰগণা গৌৰীকান্ত সহিত পুনৰ বন্দবস্ত কৰোৱাত এই সনৰ বাকী বাবত শ্রীমান গৌৰীকান্তকে ২০০৲ টাকা ও তদ্বাবতে সুজিৰাম কাঞাৰ দ্বাৰা থত লৈ দিয়াই, বাকীৰ লেঠা মৰাওঁ ॥ ৬৪৩ ॥ শ্রীগৌৰীকান্তৰ খাজানাৰ লেঠা মৰা

৩০ চৈত্র, নীলকণ্ঠ ও দত্তৰামকে চিঠি লিখোঁ মিছিৰ (মিশ্র ?) চেৰস্তাদাৰৰ জীয়েক বাবত ॥ ৬৪৪ ॥

প্রথম অধ্যায় (ক্রমশঃ)

গ—১৭৯৭ শক। ১২৮২ সন। ১৮৭৫-৭৬ ইং।

বিষয়া সকল—পৰগণা বন্দবস্ত—শ্রীশ্রীটেম্পল লেঃ গৱর্ণৰ অহা—মহাৰাণীৰ প্রথম পুত্র কলিকাতা অহা—বিশ্বেশ্বৰ গোসাঞীৰ অপমৃত্যু—শ্রীৰত্নই শান্তি বিবাহ কৰোৱা—অন্যান্য খবৰ।

শ্রীশ্রীকিটিং চীফ্ কমিচনৰ ও এগ্‌লৌ জুডিচীল কমিচনৰ। কামৰূপে লেম সাহেব ডিপুটি কমিচনৰ ॥ ৬৪৫ ॥

এই সনে পৰগণা সকল গত সনৰ নিৰিখ মতে এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। হাজো পৰগণাও গৌৰীকান্ত সহিত বন্দবস্ত কৰিলে ॥ ৬৪৬ ॥

অশোকাষ্টমী স্নান

১ বৈশাগ—অশোকাষ্টমী হেতু ব্রহ্মপুত্রত স্নান কৰোঁ ও,—॥ ৬৪৭ ॥

৪ বৈশাগ শ্রীৰাপালীৰ জীয়েকক পঠাবৰ কাৰণ বুঢ়া চৰন্ধুৱাকে চিঠি লিখোঁ ॥ ৬৪৮ ॥

আমাৰ তেজপুৰ ও মঙ্গলদৈৰ মাটিৰ কথা

৭ বৈশাগ তেজপুৰৰ, আমাৰ নামৰ মাটি অন্য নামে লিখান কাৰণে ধনঞ্জয় সিং পেচকাৰকে চিঠি লিখোঁ। ও মঙ্গলদৈৰ মাটি ইস্তফা দি জয়ৰাম পাশ পঠাওঁ ॥ ৬৪৯ ॥

মাটি তহকীক

৮ বৈশাগ গোহাটীত ফোফাইৰ মাটি সৰেজমি তহকীক্ কৰোঁ ॥ ৬৫০ ॥

কমিটী

১৩ বৈশাগ গোহাটীৰ ইস্কুল ঘৰত, ঘৰৰ কমিটী কৰোঁ ॥ ৬৫১ ॥

দূতীৰামলৈ চিঠি

২৩ বৈশাগ লখীমপুৰৰ দূতীৰামলৈ চিঠি লিখোঁ জীয়েকৰ কোষ্টীৰ নকল পঠাবৰ বাবত ॥ ৬৫২ ॥

২ জৈষ্ঠ ৰাত্রি শুক্রেশ্বৰ দেবালয়ত 'ৰামৰাজ্যাভিষেক' অভিনয়, নাটক গান দেখা যায়। সেই নাটকে শ্রীএগ্‌লৌ সাহেব প্রভিতি সাহেব লোক গৈছিল ॥ ৬৫৩ ॥ সাহেব লোক অসমীয়া আভিনয় দেখা

৬ জৈষ্ঠ দূতীৰামৰ জীয়েকৰ কোষ্ঠী পাওঁ ॥ ৬৫৪ ॥

১১ জৈষ্ঠ, সুৰকান্ত, কৃষ্ণকান্ত বৰুৱাৰ পুতেক ফৌত হোৱা নীলকণ্ঠৰ চিঠি পাওঁ ॥ ৬৫৫ ॥ সুৰকান্ত ফৌত

১৩ জৈষ্ঠ, লেম সাহেবৰ বাঙ্গালায় যাই শ্রীৰত্নকান্তকে নগাঞৰ পৰা গোহাটীত মকৰৰ কৰা কথা কওঁ ॥ ৬৫৬ ॥ শ্রীৰত্নক গোহাটী অনা কোৱা

২০ জৈষ্ঠ, দূতীৰামৰ জীয়েকৰ সহিত দুর্গাকান্তৰ জোৰা অহাত, আগত আশ্বিন বা কার্ত্তিকত বিবাহ কৰাবৰ বিষয় লিখোঁ ॥ ৬৫৭ ॥ শ্রীদুর্গা-কান্তৰ বিবাহৰ কন্যা

৩১ জৈষ্ঠ, ১৩ জুন, শ্রীপদ্মৱেখা ৰাণীৰ হাতী লৈ দেশ বেল-তলাৰ নন্দীৰামৰ মাটি, দুৱাৰ আন্দা মৌজাৰ বশিষ্ট দেবালয়ৰ মাটি, সড়গত কিমান গৈছে, তাৰ তহকীক, ঠিকনা কৰি, মটৰীয়া মৌজাৰ বলৰাম ফোকনৰ মাটি তহকীক কৰি, ৰাতি ৮টা বাজিবৰ সময় গোহাটী পাই থাকোঁ। মাহুতক কিছো দি বিদায় দিওঁ ॥ ৬৫৮ ॥ বেলতলা মাটি তহকীক

৪ আষাঢ় মঙ্গলদৈত চন্দ্রমোহন গোস্বামী মুনচুফ উন্মত্ত হৱা শুনো····· ॥ ৬৫৯ ॥ চন্দ্রমোহন গোস্বামী উন্মত্ত

২০ আষাঢ়, ৩ জুলাই, দিবা ৮ বাজিবৰ সময় লেম সাহেবৰ বাঙ্গালায় যাই, শ্রীচন্দ্রকান্ত মৌজাদাৰক (হাজোৰ পৰা) বড়ন্তি পৰগণায় বদল নকৰি, গৌৰীকান্ত সহিত পুনৰ হাজো পৰগণা বন্দবস্ত কৰাৰ আগ্রহি কোৱাতে, সন্মত হৈ পুনৰ গৌৰীকান্তৰ জেম্বা কৰিলে ॥ ৬৬০ ॥ হাজো গৌৰীকান্ত জেম্বা

২৫ আষাঢ়, ৮ জুলাই, শ্রীশ্রীটেম্পল লেফ্‌টেনাণ্ট গবর্ণৰ ছোট জাহাজ একখনি দ্বাৰা গোহাটী পহুচি, ২৬ আষাঢ় শিলিঙে যায়। ১৩ জুলাই গোহাটী পহুচি, মঙ্গলদৈ যায় ॥ ৬৬১ ॥ লেঃ গবর্ণৰ গোহাটী আহি শিলং যোৱা

৩১ আষাঢ়, মঞ্জি ছত্ৰাকাৰ দেবালয় দেখোঁ ॥ ৬৬২ ॥

লেঃ গৱর্ণৰ কলিকাতা যোৱা

১ শ্ৰাৱণ ১৬ জুলাই লেফ্‌টেনাণ্ট গবর্ণৰ টেম্পল সাহেৱ মঙ্গলদৈৱ পৰা আহি কলিকাতা যায় ॥ ৬৬৩ ॥

অন্নদা ফোকনৰ বিবাহ

১৪ শ্ৰাৱণ, পূর্ণানন্দ বৰুৱা একষ্ট্ৰা এচিষ্টেণ্ট কমিচনৰ জীয়েক সহিত অন্নদাৰাম ফোকনৰ বিবাহত, দিনত কমলনাথ ফোকনৰ ঘৰত, নাউজানত থকাতে, তালৈকে যাওঁ ॥ ৬৬৪ ॥

পাৰ জাহাজ পাতা

১৭ শ্ৰাৱণ, ১ আগষ্ট,—ব্ৰহ্মপুত্ৰৰ ঘাটত, পাৰ হবৰ কাৰণে সৰু জাহাজ পাতে ॥ ৬৬৫ ॥

* * * *

২৪ শ্ৰাৱণ ভৱলুসত্ৰৰ নামঘৰৰ বেৰা দিবৰ বন্দবস্ত কৰোঁ ॥ ॥ ৬৬৬ ॥

প্ৰথম ফেৰী জাহাজ চলা

১ ভাদ্ৰ,—আজিৰ পৰা, ঘাটত পাৰ হোৱা ফেৰী জাহাজ ভালকৈ চলে ॥ ৬৬৭ ॥

১০ ভাদ্ৰ, শ্ৰীবাপালিকে চিঠি লিখোঁ, তস্য জীয়েকক পঠাবৰ বিষয় ॥ ৬৬৮ ॥

৩১ ভাদ্ৰ, কাছাৰীতে লেম সাহেৱ মোক মাতি নি নতুন ৰামকুমাৰ মুনচুফকে দেৱানীৰ ভাৰ দিবৰ সোধাতে, সম্মত, নতুন বুলি নিদিলোঁ ॥ ৬৬৯ ॥

ও লেম সাহেৱ যোৱাতে নতুন "হিনু" সাহেৱ সহিত বাঙ্গালায় দেখা ও সম্মান পূর্ব্বক বহুৱাই কথোপকথন কৰিলে ॥ ৬৭০ ॥

কামাখ্যা দর্শন

১৮ আশ্বিন, ৺কামাখ্যা পর্ব্বতে যাই ভগবতী দর্শন কৰোঁ ॥ ৬৭১ ॥

২০ আশ্বিন, শ্ৰীৰত্নকান্ত নগাঞৰ পৰা পহুচে ॥ ৬৭২ ॥

গোসানী দেখা

২৩ আশ্বিন, গঙ্গানাথ মুনচুফ ঘৰে গোসানী দেখোঁ। ও ৰজাঘৰৰ গোসানী চাওঁ ॥ ৬৭৩ ॥

২৫ আশ্বিন, ৰবিবাৰ বিজয়া দশমীত খেল নাউ। ও নাউ খেলাওঁ ॥ ৬৭৪ ॥ খেল নাউ খেলোৱা

২৭ আশ্বিন, কার্ণেগী সাহেব সহিত দেখা, কথোপকথন। মঞি কাছাৰীত ফৌজদাৰী কৰোঁ ॥ ৬৭৫ ॥ কার্ণেগী সাহেব

৪ কার্ত্তিক, ২০ আক্তুবৰ শ্রীৰত্নকান্ত ও শ্রীবেথাৰাম ভকতক নগাঞে ৰওনা কৰি পঠাওঁ ॥ ৬৭৬ ॥

৯ কার্ত্তিক, ৰামকুমাৰ মুনচুফ নগাঞে যাব কাৰণ, শ্রীৰত্নকান্তকে চিঠি লিখো ॥ ৬৭৭ ॥

১৫ কার্ত্তিক, শ্রীৰত্ন নগাঞ পহুচা, চিঠি পাওঁ ॥ ৬৭৮ ॥

২২ কার্ত্তিক, সৰুজনা যোগেশ্বৰ গোস্বামীৰ বাৎসৰিক কর্ম্ম কাৰণ, তেওঁলোকৰ ঘৰে যাওঁ ॥ ৬৭৯ ॥

১১ অগ্রায়ণ, ২৬ নওম্বৰ শুক্রবাৰ দেৱানী কৰোঁ ॥ ৬৮০ ॥

শ্রীশ্রীমহাৰাণীৰ প্রথম পুত্র শ্রীশ্রীপ্রিন্স অফ ওৱেলচ্ ২৩ ডিচাম্বৰ কলিকাতা পহুচিব, খবৰ হয়। তদবধি ১২ দিন কাছাৰী বন্দ হবৰ গেজেট জাৰি হয় ॥ ৬৮১ ॥ মহাৰাণীৰ পুত্র কলিকাতা অহা কথা

২৭ অগ্রায়ণ কন্দর্পেশ্বৰ ৰাজা শ্রীশ্রীমহাৰাণীৰ পুত্র দেখিবৰ কাৰণে কলিকাতা ৰওনা হয় ॥ ৬৮২ ॥

৩ পৌষ শ্রীশ্রীআউনীআটীয়া ধর্ম্মেশ্বৰ শর্ম্মা ডেকা গোসাঞী 'গয়া' কৰিবৰ কাৰণে গোহাটী পহুচে ॥ ৬৮৩ ॥ ডেকা গোসাঞী গয়ালৈ যোৱা

৪ পৌষ প্রাতে, ডেকাজনা গোসাঞীক ভৰলুৰ পাৰে নাৱত সেৱা কৰি, কাছাৰী যাই দেৱানী কৰোঁ। পুনৰ কাছাৰী বাদ নাৱেৰে যাই সেৱা কৰি উত্তৰ পাৰেৰ ঘৰে যাওঁ ॥ ৬৮৪ ॥

২৩ ডিচাম্বৰ—অদ্য মহাৰাণীৰ পুত্র কলিকতা পহুচে হেতু কাছাৰী বন্দ। কিন্তু মঞি কাছাৰী কৰি ৩ টা সময় নাৱে যাই অশ্বক্রান্তত ডেকাজনা গোসাঞীক সেৱা কৰোঁ ॥ ৬৮৫ ॥ মহাৰাণী পুত্র অহা হেতু কাছাৰী বন্দ

ডেকা গোসাঞীৰ ব্ৰাহ্মণ সেৱা

১৪ পৌষ কাছাৰী বন্দ। কিন্তু মঞি ফৌজদাৰী কৰি ৰাতি অশ্বক্রান্তত থাকি গোসাঞীৰ ব্রহ্মভোজৰ কাৰবাৰ কৰোঁ। ১৫ পৌষ ডেকাজনা ভটীয়াই যায়॥ ৬৮৬ ॥

যোগেশ্বৰ গোসাঞীৰ ঘৰ পোৱা

৭ মাঘ যোগেশ্বৰ সৰুজনা গোসাঞীৰ ঘৰ দিনতে পোৱে। ১০ মাঘ ৰবিবাৰ বাৰ্ত্তা লবৰ কাৰণে ঐ গোসাঞী ঘৰে যাওঁ ॥ ৬৮৭ ॥

শ্রীৰত্নৰ বেমাৰ

২৯ মাঘ নগাঞৰ ৰমাকান্তৰ চিঠি পাওঁ, শ্রীৰত্নকান্তৰ বেমাৰ হোৱা। ১ ফাগুন শ্রীৰত্নকান্তৰ বেমাৰ শুনি শ্রীকমলাকান্তকে নাৱে পঠাওঁ। ৫ ফাগুন শ্রীৰত্ন আৰাম হোৱা চিঠি পাওঁ ও আহিবৰ বিষয় লিখোঁ॥ ৬৮৮ ॥

বিশ্বেশ্বৰ গোসাঞী মৰা

এবং যোগেশ্বৰ গোসাঞীৰ পুত্র বিশ্বেশ্বৰ ডেকা গোসাঞী কমিটী কৰি উত্তৰ পাৰে অহাত উৰ্ব্বহীৰ উত্তৰ পাৰে শিলত খুন্দা খাই নাউ কাতি হোৱাত পানীত পৰি মৰিল। ও শ, তালাছ কৰি নাপালে॥ ৬৮৯ ॥

১২ ফাগুন শ্রীৰাপালীৰ জীয়েকক আনিবৰ কাৰণে নাউ মানুহ সহিত শ্রীভদাইক পঠাওঁ॥ ৬৯০ ॥

২৩ ফাগুন ৰবিবাৰ, মঞি এগ্‌লৌ জুডিচীল কমিচনৰ সহিত দেখা। তেওঁ পেনচিন্ লৈ ভাঠী যাবৰ কথা কয়॥ ৬৯১ ॥

শ্রীকমলা ও শ্রীৰত্ন গোহাটী পহুচা

২৫ ফাগুন শ্রীকমলাকান্ত ও শ্রীৰত্নকান্ত নগাঞৰ পৰা গোহাটী পহুচে॥ ৬৯২ ॥

এগ্‌লৌ সাহেৰ যোৱা

৩ চৈত্র, ১৫ মার্চ্চ, এগ্‌লৌ সাহেৰ জুডিচীল কৰ্ম্ম এৰি ভাঠী যায়॥ ৬৯৩ ॥

নগাঞে যোৱা

১৮ চৈত্র, ৩০ মার্চ্চ, দিবা ১১ টা সময়, কাছাৰীত চীফ্ কমিচনৰ কিটিং সাহেবেৰ চিঠি পাওঁ। নগাঞৰ ৰামকুমাৰ মুনচুফ বেমাৰ হোৱাতে, কিয়ৎকালৰ জন্য মঞি তথাতে যাবৰ বিষয়॥ ৬৯৪ ॥

তদপৰ লেম সাহেব সহিত কথোপকথন। শ্রীকমলাকান্ত ও দুর্গাকে গতাই দিলোঁ॥ ৬৯৫ ॥

২৩ চৈত্র, ৪ আপৰেল, "হিনু" সাহেবকে চার্জ্জ দি লেম সাহেবেক বিদায় হৈ ঘৰে আহিলোঁ॥ ৬৯৬ ॥

শ্রীবাপালাৰ জীয়েক গোহাটী পহুচা

২৪ চৈত্র, মঞ্জি নগাঞে যাবৰ উদ্যত হৈছোঁ, এনেতে, উজনি মাজোলীৰ পৰা শ্রীবাপালীৰ পত্র ও জেঠায়েক সহিত জীয়েকো, ভদাই সহিত পহুচে॥ ৬৯৭ ॥

শ্রীৰত্নই বাপালীৰ জীয়েকক শাস্তি কৰোৱা

২৫ চৈত্র শ্রীমতী বোৱাৰী, বাপালীৰ জীয়েক যুবৎ হয়। মঞ্জি নগাঞে নগলে নহয়; একাৰণে শ্রীৰত্নকান্তৰ ছুটী থকা হেতু শান্তি লৈ, বোৱাৰী সহিত পৰে নগাঞে যাবৰ বেৱস্থা কৰি, ২৬ চৈত্র, ৭ আপৰেল শুক্রবাৰ দিবা ১ টা সময়, শ্রীধর্ম্মকান্ত ও গুণী ও শুকুৰা ও সতাক লগত লৈ নগাঞে ৰওনা হৈ ৩০ চৈত্র চাপৰমুখত যাই থাকোঁ॥ ৬৯৮ ॥

প্রথম অধ্যায় (ক্রমশঃ)

ঘ—১৭৯৮ শক। ১২৮৩ সন। ১৮৭৬-৭৭ ইংৰেজী

বিষয়া সকল—পৰগণা বন্দবস্ত—নগাঞে ৰওনা ও নগাঞে চার্জ্জ লোৱা—গঙ্গাতীৰৰ আখৰা—শ্রীৰত্নৰ শান্তি বিবাহৰ খবৰ—জুডিচীল কমিচনৰ গুচি জজ খেতাপ হোৱা—শাশুৰীৰ মৃত্যু—ৰাধাকান্ত মুনচুফৰ মৃত্যু—মাতৃৰ পৰলোক হোৱা—শ্রীৰত্নৰ ঋণ—শ্রীগৌৰীকান্ত ও শ্রীচন্দ্রকান্তক দিয়া টকা—অন্যান্য।

শ্রীশ্রীচীফ্ কমিচনৰ, কিটিং সাহেব

কিয়ৎকাল জন্যে লেম সাহেব জুডিচীল (কমিচনৰ)। এওঁ সাহেব গত সনৰ নিৰিখ বেৱস্থা মতে পৰগণা সকল এক এক সমা ম্যাদে বন্দবস্ত কৰিলে॥ ৬৯৯ ॥

নগাঞৰ পহুচা শ্রীধর্ম্মৰ জ্বৰ

১ বৈশাগ, মঞি চাপৰমুখ হৈতে ৰওনা হৈ ২ বৈশাগ ৰাতি ৯ টা সময়, শ্রীৰত্নৰ ঘৰতে থাকোঁ। ৰাতি, শ্রীধর্ম্মকান্তৰ জ্বৰ হয়॥ ৭০০ ॥

৩ বৈশাগ, শ্রীফিলিপ সাহেৰ ও মিছিল সহিত দেখা, কথোপকথন। গুড্‌ফ্রাইদে, সবৰ কাছাৰী বন্দ হেতু, আগত ৬ বৈশাগ চার্জ্জ লবৰ কথা কয়॥ ৭০১ ॥

৪ বৈশাগ, গোহাটীৰ পৰা অহা নাউ-মানুহ পঠাই দিওঁ ॥ ৭০২ ॥

গঙ্গাতীৰৰ আখৰা

৫ বৈশাগ, ডেকাজনা গোসাঞীৰ চিঠি পাওঁ। গঙ্গাতীৰৰ আখৰা উঠাবৰ, কি ৰখা, তাৰ যুক্তি সোধে॥ ৭০৩ ॥

আৰু শ্রীৰাপালীয়ে পুতেক দূতীৰাম দ্বাৰা শান্তি লবৰ লিখে ॥ ৭০৪ ॥

নগাঞত চার্জ্জ লোৱা

৬ বৈশাগ, ১৭ আপৰেল সোমবাৰ, মঞি ফিলিপ সাহেৰ পাশ চার্জ্জ লওঁ॥ ৭০৫ ॥

১০ বৈশাগ, গোহাটীত শ্রীদেবকান্ত ও শ্রীজয়ন্তী বেমাৰ হোৱা চিঠি পাওঁ॥ ৭০৬ ॥

শ্রীৰত্নই শান্তি লোৱা

১২ বৈশাগ, শ্রীকমলাকান্তৰ চিঠি পাওঁ। শ্রীৰত্নকান্ত ৯ বৈশাগ শান্তি লোৱা, ও ১৭ বৈশাগ নগাঞৈ ৰওনা হৈ যাব, লিখে ॥ ৭০৭ ॥

মহীধৰৰ জায়েকৰ বিবাহ

১৫ বৈশাগ, মহীধৰ নাজীৰৰ জীয়েকৰ সহিত কলীয়াবৰৰ টিপিৰামৰ পুতেকৰ বিবাহ হয়॥ ৭০৮ ॥

শ্রীধর্ম্মকান্তৰ অথো (১) জ্বৰ। বাসায়, বিবাহৰ পৰা যাই, ঔষধ খোৱাওঁ॥ ৭০৯ ॥

শ্রীৰত্ন সপৰিবাৰে নগাঞৈ যোৱা

২৪ বৈশাগ, শ্রীৰত্নকান্তৰ চিঠি পাওঁ,—নগাঞৈ, বোৱাৰী ও শ্রীদূতীৰাম ও জেঠায়েক সহিত ৰওনা হোৱা॥ ৭১০ ॥

টোকা :—(১) আথো = অত্যন্ত, অতিপাত।

২৭ বৈশাগ, শ্রীকমলাকান্তৰ চিঠি পাওঁ,—শ্রীদেবকান্ত ও শ্রীজয়ন্তী আৰাম হোৱা। ও লেম সাহেব তেউক ছয়ানী পৰগণা দিয়া ॥ ৭১১ ॥

২৯ বৈশাগ, শ্রীধর্ম্মকান্ত কিছো আৰাম হয়। ও নগাঞে, নতুন তৈয়াৰী ঘৰ, মঞি লওঁ ॥ ৭১২ ॥

৩ জৈষ্ট, গঙ্গানাথ মুনচুফ গোহাটী, ও হলিৰাম গোৱালপৰা যাব, চিঠি পাওঁ ॥ ৭১৩ ॥ সপৰিবাৰে শ্রীৰত্ন নগাঞ

গধূলা, শ্রীৰত্নকান্ত ও শ্রীমতী বোৱাৰী ও দূতীৰাম ও জেঠায়েক, নগাঞ পহুচে ॥ ৭১৪ ॥ পহুচা

১১ জৈষ্ট, শ্রীজীৱৰাম পেচ্‌কাৰৰ চিঠি পাওঁ, দূতীৰামক প্রাচিত কৰাই, তেউৰ জীয়েকক বিবাহ কৰাবৰ বিষয় ॥ ৭১৫ ॥

১৫ জৈষ্ট, শ্বিলিঙ্গে চীফ্ কমিচনৰ পাশ এত্যালা পঠাওঁ, গোহাটী বদলি বিষয় ॥ ৭১৬ ॥ গোহাটী অহা চেষ্টা

১৬ জৈষ্ট, গঙ্গানাথ মুনচুফ গোৱালপাৰা হইতে গোহাটী পহুচে ॥ ৭১৭ ॥

২৫ জৈষ্ট, শ্রীকমলাকান্ত ও গিৰিধাৰী ওকীল, ও ৰগা-ভোটক চিঠি লিখোঁ। শ্রীদুর্গাকান্ত জন্যে ভোটকৰ জীয়েকক খুজিবৰ বিষয় ॥ ৭১৮ ॥

৩২ জৈষ্ট, শ্রীশ্রীওৱাইট্ চিবিল জজ সাহেব হৈ নগাঞ পহুচে। এই জনা অবধি জুডিচীল গুচি, জজ খেতাপ হল। ও ৰিবন্থু (ৰেভিনিউ) পক্ষে কমিচনৰ হ'ল ॥ ৭১৯ ॥ জুডিচীল কমিচনৰ উঠি জজ খেতাপ

১ আষাড়, গিৰীধাৰী ওকীলৰ চিঠি পাওঁ, দূতী (দূতীৰামৰ ?) জীয়েকক দুর্গাকান্তলৈ বিবাহ দিব খোজা। ও জীৱৰাম পেচ্‌কাৰক চিঠি লিখোঁ,—দূতীৰাম, তেউৰ জীয়েকক, দুর্গাকান্তলৈ বিবাহ কৰোৱা ভাল নহয়। প্রকাৰান্তৰে বিবাহ গুচাবৰ বিষয় ॥ ৭২০ ॥

৫ আষাড়, শ্রীকমলাকান্তৰ চিঠি পাওঁ, আমাৰ শাশুৰী

শাশুৰীৰ মৃত্যু

সুপাহী, ৩২ জৈষ্ট মঙ্গলবাৰ, ফৌত হোৱা হেতু, অষ্টাদশ দান সহিত কৰ্ম্ম কৰাবৰ কাৰণ। ৬ আষাঢ় কমলাকান্তকে চিঠি লিখোঁ ॥ ৭২১ ॥

জজ সাহেৱ আমাক ছিলহটে বদলি নকৰিবলৈ লিখা

৭ আষাঢ় ২৫ জুন, খবৰ পাওঁ, কিটিং চীফ্ কমিচনৰ, মোক ও গঙ্গানাথ মুনচুফক ছিলহটে বদলি কৰাৰ বিষয়, হাইকোটে ৱেপট কৰাতে, জজ সাহেৱ, পুৰণা লোক, অলপতে, সিবিলাকে পেনচিন পাব, বদল নকৰাৰ বিষয় লিখে ॥ ৭২২ ॥

ৰাধাকান্ত মুনচুফ্ ফৌত

১৪ আষাঢ় মঙ্গলবাৰ ৰাধাকান্ত মুনচুফ গোহাটী উত্তৰ পাৰত তেউৰ ঘৰতে ফৌত্ হয় ॥ ৭২৩ ॥

'এডলীয়া বট' সত্রলৈ যোৱা

২৬ আষাঢ় ৰবিবাৰ 'এডলীয়া বট'ৰ সত্রে যাই, দাসী ৰাজমেধিৰ বেমাৰ দেখোঁ ॥ ৭২৪ ॥

৩১ আষাঢ়, বদলাবদলি ৱেপট্ হোৱা শুনি, মঞ্জি ৬ মাহৰ ছুটীৰ এত্যালা দিওঁ ॥ ৭২৫ ॥

মাতৃৰ পৰলোক হোৱা

২ শ্ৰাবণ, শ্ৰীকমলাকান্ত ও শ্ৰীগৌৰীকান্তৰ চিঠি পাওঁ, মাতৃ, ১ শ্ৰাবণ শনিবাৰ, দিবা দুপ্ৰহৰ সময়, জ্ব বেমাৰে, কালপ্ৰাপ্ত হ'ল। কাছাৰীতে চিঠি পাই তেতিয়াই, বাসায় যাই স্নান কৰি, ১৪ দিনৰ ছুটীৰ, গোহাটী যাবৰ এত্যালা দিয়াতে, ডিপুটী কমিচনৰ ছুটী দিবৰ নোৱাৰা বুলি কলে। ঐ দিনে শ্ৰীশুকুৰাৰ মাক মৰে ॥ ৭২৬ ॥

ছুটীৰ জন্যে শিলিঙে টেলিগ্ৰাফ্

৪ শ্ৰাবণ, ১৮ জুলাই, মঞ্জি কাছাৰী নাযাই ১৪ দিনৰ ছুটী জন্যে ৬৷৵০ আনা খৰচ দি, শিলিঙ্গে চীফ্ কমিচনৰ পাশ টেলিগ্ৰাফ কৰোঁ। কিন্তু কিজানি ছুটী নাপাওঁ, এই ভাবি, অষ্টাদশ দান সহিত, শ্ৰীমান গৌৰীকান্ত কৰ্ম্ম কৰাৰ জন্যে ৫০০৲ টাকাৰ নোট ও কৰ্ম্মৰ ফৰ্দ্দ কৰি, শ্ৰীকমলাকান্ত পাশ, ৱেজষ্টৰী কৰি পঠাওঁ। ও গৌৰীকান্তকো লিখোঁ। প্ৰাতসে স্নান কৰি মাতৃ-তৰ্পণ কৰোঁ ॥ ৭২৭ ॥

৫ শ্রাৱণ—মাতৃ-তর্পণ। কাছাৰী নাযাই কর্ম্মৰ বেৱস্থা কৰি শ্রীকমলাকান্ত ও গৌৰীকান্তকে চিঠি লিখোঁ॥ ৭২৮॥ মাতৃ তর্পণ অঙ্গ অশৌচ

লখীমপুৰৰ জীউৰাম পেচ্‌কাৰ ও দূতীৰামকে চিঠি লিখোঁ—অঙ্গ অশৌচ হ'ল; দুর্গাকান্ত পুত্র বিবাহ কৰাব নোৱাৰে, আন হাইত ছোৱালী দিবৰ বিষয়॥ ৭২৯॥ হেতু দুর্গাকান্ত বিবাহ কৰিব নোৱাৰা

৭ শ্রাৱণ, ২১ জুলাই—প্রাতসে তর্পণ কৰোঁ। কাছাৰী নাযাওঁ। দিবা ১টা সময়, ১৪ দিনৰ ছুটী চীফ্ কমিচনৰ মঞ্জুৰ কৰা টেলিগ্রাফ পাই, যাবৰ উদ্যম কৰি শ্রীকমলাকান্তকে চিঠি লিখি, ২২ জুলাই হৈতে ছুটী গ্রহণ পূর্ব্বক ৰাত্র ১১টা সময়, শ্রীৰত্নকান্ত ও বোৱাৰীক নগাঞে ৰাখি, শ্রীধর্ম্মকান্ত ও সতা ও শুকুৰা সহিত ৰওনা হৈ, তামাম ৰাতি আহি ৯ শ্রাৱণ দুপ্রহৰ সময়, উত্তৰ পাৰৰ ঘৰ পাওঁ॥ ৭৩০॥ ৺মাতৃৰ শ্রাদ্ধ কাৰণ, উত্তৰ গোহাটী অহা

১০ শ্রাৱণ—শ্রাদ্ধৰ আয়োজন কৰোঁ। ৺মাতৃৰ শ্রাদ্ধ

১১ শ্রাৱণ—অষ্টাদশ দান সহিত শ্রাদ্ধ কৰোঁ। মোৰ বেঞা এটা হৈ বৰ ক্লেশ হেতু, গৌৰীকান্তৰ দ্বাৰা নাম-দান দিয়াওঁ॥ ৭৩১॥ * * * *

শ্রীশ্রীবে'লি চীফ্ কমিচনৰ

(১৮০১ শক। ১২৮৬ সন। ১৮৭৯-৮০ ইং।)

৩০ ফাগুন, ১২ মার্চ্চ—গোহাটী, মঞ্জি যাই 'ডনেচন' ডিপুটী কমিচনৰ সাহেব প্রভিতি সহিত চহৰৰ কমিটী কৰোঁ। বৰ ফোকন ওৰাৰচিয়ৰ বৰখাস্ত হৈ পোৱাল··· ··মকৰৰ হয়॥ ৭৩২॥ চহৰৰ কমিটী

শ্রীৰত্নকান্ত ও নন্দীনাথ চেৰস্তাদাৰৰ চিঠি পাওঁ—, ভোমসিং (ভীমসিং ?) প্রভিতিৰ মোট ১১৫৭৲ টাকা ধাৰ হোৱা লিখে। এহাতে মন বিৰক্ত হৈ, তেওঁক দিয়া টাকাৰ ফর্দ্দ অথচ তায়েন, পৰপিঠিত লিখা গ'ল:— শ্রীৰত্নৰ ধাৰ মৰা বাবত দিয়া টকাৰ ফর্দ্দ

টোকা:—মূল পুথিৰ ১৭৯৮ শকৰ ১২ শ্রাৱণৰ পৰা ১৮০১ শকৰ ২৯ ফাগুনলৈ পাত পোৱা নহল। —সম্পাদক

১২৭৬ সনৰ ২৮ ফাগুন
মঙ্গলদৈ অহা ইস্তক ১২৮১,
সনৰ আষাড়তক পঠোৱা—২২৫০৲
১২৮১ সনৰ ২১ শ্রাৱণ
মঙ্গলদৈ হৈতে নোট ২০০৲
১২৮২ সনৰ ১৬ কার্ত্তিক
গোহাটী হৈতে ৩০০৲
১২৮৩ সনৰ ১ আষাড
নগাওঁ থকাত ২৫০৲
১২৮৪ সনৰ ১০ পৌষ
ভোম সিংহক সুতে দিবৰ ১০০০৲
১২৮৬ সনৰ ২২ চৈত্র
পাঠান যায় ৩০০৲
মোট ৪৩০০৲
(আদায়) পাওনা হল ৪০১।৶০
বাকী ঋণ ৩৮৯৮।৶০

১২৮৫ সনৰ ৯ আশ্বিন
শ্রীৱত্নৰ চিঠিসহ পোৱা যায়,
ভোম সিংহৰ
আচল বাবদ ২০০৲
সুত ১০১।৶০
১২৮৫ সনৰ ১ মাঘ
শ্রীৱত্ন গোহাটী অহাত দিয়ে
নগদ ১০০৲
মোট ৪০১।৶০

মঞ্জি বিৰক্ত হোৱা কাৰণ ও তীর্থ ভ্রমণৰ মনস্থে থকা

শ্রীমান ৰত্নকান্ত নগাঞে ৪০ টকাত কাননগো আদি কর্ম্ম কৰাতো, ওপৰোক্ত টাকাদি ধাৰ মাৰিব নোৱাৰিলে। আৰু ধাৰ বেচি হৈ যোৱা, আৰু শ্রীকমলাকান্ত ঈশৰামৰ পাখা-মাৰা খাত্ লৈ অনেক টাকা ভৰোৱা, শেষে খাত্খনি ইস্তফা দিয়া, ও শ্রীদুর্গাকান্ত কথা নুশুনি কলিকাতা যোৱা, ও শ্রীধর্ম্মকান্ত ইস্কুলত নপঢ়া, ও কাছাৰীত এপ্রেণ্টীচ্ মকৰৰ কৰি দিয়াতো সর্ব্বদা হাজিৰ নথকা, ও লৰাহঁতে অন্য কোন তদ্বিৰ নকৰা ইত্যাদি হেতুকে মন বিৰক্ত হৈ সকলোকে বিভক্ত ক্রমে, মঞ্জি তীর্থাদি ভ্রমণৰ মনস্থে থাকিলোঁ ॥ ৭৩৩ ॥

শ্রীচন্দ্রকান্তৰ কন্যা জন্ম

১ চৈত্র, ৰাত্রি শ্রীচন্দ্রকান্তৰ কন্যা এটী জন্ম হয় ॥ ৭৩৪ ॥

৫ চৈত্র, ভটো ভঁৰাল কাকতীৰ ঘৈণী, খুৰী আহি তীর্থ কৰি উপস্থিত হোৱাতে—

৯ চৈত্র বিদায় দি গোহাটী পঠাওঁ।

১২ চৈত্র গোহাটী হৈতে যায় ॥ ৭৩৫ ॥

ঈশবামব খবিদা মাটি বাবত কালিন্দী মকর্দ্দমা কবাতে শ্রীকমলাকান্ত জিত হয়। হাইকোটে আপীল কবাতে চানি বিচাব জন্য আহে ॥ ৭৩৬ ॥

১৫ চৈত্র, ভবলুব আউনীআটী সত্রে যাই নতুনকৈ অহা শ্রীবঘুনাথ বাজমেধিক দর্শন হওঁ ॥ ৭৩৭ ॥

২২ চৈত্র, শ্রীবত্নকান্ত পাশ ৩০০৲ টাকাব নোট পঠাওঁ; ধাব শোজা কাবণ ॥ ৭৩৮ ॥

২৭ চৈত্র, চেকেটুব (চেক্রেটাবী) সাহেব একটিং জজ হয় ॥ ৭৩৯ ॥

শ্রীমান গৌবীকান্ত ও তৎপুত্র শ্রীচন্দ্রকান্তকে যে গহনাদি দিয়া গৈছে, তাহা ওপবে লিখা গৈছে। তদতিবিক্ত যি নগদ দিয়া হৈছে, তাহা নীচে লিখা গ'ল। তেউ সহিত আমালোকব কোনো সংস্পর্শ নাই। ইচ্ছামত দিলে দিব পবা যায়; কোনো দাবী নাই ॥ ৭৪০ ॥ শ্রীগৌবী-কান্ত ও শ্রীচন্দ্র-কান্তকে দিয়া টাকা

শ্রীগৌবীকান্তক দিয়া :—	শ্রীচন্দ্রকান্তক দিয়া :—
মোখনীয়াব খাত প্রভিতিব খাজানা দিয়া নগদ বাঙ্গালা ১২৮৮ সনতক…৩৫৬৬/০	ইস্তক ১২৭০ সন নাগায়েদ্ ১২৮৫ সনতক… ১২৩৫৷৷০

দ্বিতীয় অধ্যায়

১৮০২ শক। ১২৮৭ সন। ১৮৮০-৮১ ইং।

শ্রীশ্রীবে'লি সাহেব চীফ্ কমিচনব (Sir S. C. Bayley, K. C. S. I.)

বিষয়াদি—পাবগণা বন্দবস্ত—জাহাজত জুইলগা—বংশত জন্ম, মৃত্যু, উপনয়ন, বিবাহ—বিশিষ্ট লোকব মৃত্যু—পুত্র দুর্গাকান্তব বেমাব—দ্বাদশস্কন্ধ ভাগবত—ইন্দুমতীব ক্রন্দন—কাবেল যুদ্ধব

সৈনিকৰ পৰিয়াল কাৰণ চান্দা —বে'লি সাহেব লেঃ গৱর্ণৰ হৈ ভাঠা যোৱা—এলিয়ত চীফ্ কমিচনৰ হোৱা—মঞ্জি কৰ্জ্জা কৰা টাকা দিয়া—বৰ কাছাৰীত বজ্রপাত —লোকেল বেট্—অন্যান্য খবৰ।

ইংৰাজ বিষয়া সকল

শ্রীশ্রীবে'লি সাহেব চীফ্ কমিচনৰ ও শ্রীৱার্ড সাহেব জজ কমিচনৰ। কামৰূপে ডনেচন সাহেব ডিপুটী কমিচনৰ, গত সনৰ নিৰিখ ও বেৱস্থামতে পৰগণা সকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে ॥ ৭৪১ ॥

১ বৈশাগ—অশ্বক্রান্তত স্নান কৰি ৺জনার্দ্দন ঠাকুৰ সেৱা কৰি আহোঁ ॥ ৭৪২ ॥

৬ বৈশাগ —কিলিং (তিলিং) গাওঁৰ ঘৰৰ টেক্চ্ বেজায়েৰ তহকীক কৰোঁ ॥ ৭৪৩ ॥

৭ বৈশাগ—ৰবিবাৰে অশোকাষ্টমী হেতু ব্রহ্মপুত্রত স্নান কৰোঁ ॥ ৭৪৪ ॥

৮ বৈশাগ—ৰজাদুৱাৰৰ ঘৰৰ টেক্চ্ বেজায়েৰ তহকীক কৰোঁ ॥ ৭৪৫ ॥

কোম্পানীৰ জাহাজত জুই লগা

১১ বৈশাগ, ২২ আপ্রেল—দিবা সন্ধ্যা বাদ ৭টা সময় ৰাতি 'নগাহিলে' ৰচদ আদি নিয়া কোম্পানীৰ জাহাজত জুই লাগি কয়েক মানুহ গৰু ঘোৰাদি নষ্ট হয়। আৰু আন্দা বোট একখনত জুই লাগি ভাঠী যায়। পৰেহে আনে ॥ ৭৪৬ ॥

১৬ বৈশাগ—গোহাটীত থাকি থানেশ্বৰ শর্ম্মা কণ্ট্রাকদাৰৰ আগত, ইটা পোৰাৰ ও কাৰবাৰ কৰাৰ কথা কওঁ ॥ ৭৪৭ ॥

২৬ বৈশাগ, ৭ মেই—গোহাটী যাই চন্দ্রসেনৰ খেহনিপাৰা খাতৰ মকর্দ্দমাত জীৱনেশ্বৰ ও ৰত্নেশ্বৰ গোসাঞীৰ মান্য মত ডনেচন ডিপুটী কমিচনৰ সাহেব পাশ হাজিৰ হৈ সাক্ষী কওঁ ॥ ৭৪৮ ॥

২৯ বৈশাগ—শ্রীমতী নগঞা বোৱাৰীৰ হাতত বিষ হেতু কেহনাথ বৈদ্যৰ দ্বাৰা জৰাওঁ। এবং……॥ ৭৪৯ ॥

৩০ বৈশাগ—তেওঁৰ ভৌতিক পীড়া হোৱাতে শ্রীকমলাকান্ত চিকিৎসা কৰাত শান্ত হয়। প্রাতসে, একজন সন্ন্যাসী দ্বাৰা চিকিৎসা কৰাত ভাল হয় ॥ ৭৫০ ॥

৩ জৈষ্ট, ১৫ মেই—ঈশৰাম ও কালিন্দীৰ মকর্দ্দমা হাই-কোটে ডিচ্‌মিচ্ হোৱা শুনো ॥ ৭৫১ ॥

শ্রীচন্দ্রৰ জীয়েক গোলাপীৰ বিবাহ

১৬ জৈষ্ট শুক্রবাৰ—অদ্য ৰাতি শ্রীচন্দ্রকান্তৰ জীয়েক শ্রীগোলাপী সহিত শ্রীবলোৰ বিবাহ হয় কাৰণ, তথায় যাওঁ ॥৭৫২॥

হলিৰাম এঃ এঃ কমিচনৰৰ জীয়েক সহিত শ্রীকেশৰৰ বিবাহৰ কথা

২২ জৈষ্ট—গোৱালপাৰাৰ পৰা হলিৰাম একষ্ট্রা এচিষ্টেণ্ট কমিচনৰৰ চিঠি পাওঁ—জীয়েকক শ্রীকেশবকান্তক বিবাহ দিবৰ বিষয় সোধে ॥ ৭৫৩ ॥

ও বাপুৰাম ওকীল কাশীৰ পৰা অহা শুনো ॥ ৭৫৪ ॥

১ আষাড়—গোহাটীত থাকোঁ। ও বাপুৰাম ওকীল আহি ভাটীৰ সংবাদ কয় ॥ ৭৫৫ ॥

চহৰৰ কমিটী কৰা

৪ আষাড়—ডনেচন ডিপুটী কমিচনৰ প্রভিতি চহৰেৰ কমিটী কৰোঁ। এবং অগত্যা পূর্ব্বক বিষ্ণু দৈবজ্ঞক উত্তৰ পাৰৰ মহৰিৰ মকৰৰ কৰোঁ ॥ ৭৫৬ ॥

১১ আষাড়—হলিৰাম বৰুৱা একষ্ট্রা এচিষ্টেণ্টক চিঠি লিখোঁ, —তেওঁৰ জীয়েক শ্রীকেশৱকান্তলৈ বিবাহ দিলে ও শ্রীগৌৰী-কান্তে যদি খুজিছে, আমি তাত অসম্মত নহওঁ ॥ ৭৫৭ ॥

জীৱনেশ্বৰ ও ৰত্নেশ্বৰ গোসাঞীৰ মাক ফৌত্

২৯ আষাড়—যোগেশ্বৰ সৰুজনা গোসাঞীৰ সৰুজনা দৈণী জীৱনেশ্বৰ ও ৰত্নেশ্বৰ গোসাঞীৰ মাক ফৌত্ হয় ॥ ৭৫৮ ॥

৩০—আষাড় তেওঁলোকৰ ঘৰে যাই খবৰ লওঁ ॥ ৭৫৯ ॥

শ্রীদুর্গা-কান্তৰ গদ্য-ছন্দৰ "দ্বাদশ স্কন্ধ ভাগৱত"

২ শ্রাৱণ—কলিকাতাৰ পৰা প্রেৰিত শ্রীদুর্গাকান্তৰ—গদ্য-ছন্দৰ 'দ্বাদশস্কন্ধ ভাগৱত' পাওঁ ॥ ৭৬০ ॥

৮ শ্রাৱণ—নগাঞ হৈতে শ্রীৰত্নকান্তৰ চিঠি পাওঁ, ৯০৲ টকাত তৰ জমা নবীচ মকৰৰ হোৱা ॥ ৭৬১ ॥

কলিকাতাত দুর্গাকান্তৰ জ্বৰ-সর্দ্দি

৯ শ্রাৱণ—কলিকাতা হৈতে শ্রীদুর্গাকান্তৰ চিঠি পাওঁ, জ্বৰ-সর্দ্দি বেমাৰ হোৱা ॥ ৭৬২ ॥

১১ শ্রাৱণ—ৰবিবাৰ—শ্রীমাধব চন্দ্র কলীয়াবৰৰ পৰা আনি, সৰুজনী ঘৈণীক বিবাহ কৰায়। ঐ বিবাহে যাওঁ ॥ ৭৬৩ ॥

১৬ শ্রাৱণ—দুর্গাকান্তৰ অপৰ এক চিঠি পাওঁ—নতুন এক বেমাৰ উপস্থিত হোৱা ॥ ৭৬৪ ॥

শ্রীদুর্গা-কান্তলৈ ঔষধ ও টেলিগ্রাফ

১৭ শ্রাৱণ, ডাকত ঔষধ পঠাওঁ এবং ১১ বজাত টেলিগ্রাফ কৰোঁ—'শৰীৰ কিমতে আছে?' একটা সময় খবৰ আহে—শৰীৰ ভালে থাকা ॥ ৭৬৫ ॥

শ্রীদুর্গা-কান্তক আহিবৰ কাৰণ লিখা

২২ শ্রাৱণ, শ্রীদুর্গাকান্তকে চিঠি লিখোঁ—শীঘ্রে আহিবৰ বিষয় ॥ ৭৬৬ ॥

শ্রীৰত্ন আচালতন কেৰাণী হোৱা

২৬ শ্রাৱণ, শ্রীৰত্নকান্তৰ চিঠি পাওঁ—৬০৲ টাকাত আচালতৰ কেৰাণী মকৰৰ হোৱা ॥ ৭৬৭ ॥

শ্রীদুর্গা-কান্তৰ চিঠি আহিবৰ কাৰণ তাঁৰে টকা

৩২ শ্রাৱণ, দুর্গাকান্তৰ চিঠি পাওঁ, অথচ লোকনাথ নামিৰ চিঠি পাওঁ,—আমাৰ প্রেৰিত ৫০৲ ও ১০৲ টাকা পোৱা। ৎ বেমাৰ কিছো কম পৰা ॥ ৭৬৮ ॥

১ ভাদ্র—তাঁৰে খবৰ আহে,—বেমাৰ কিছো বেচি হোৱা ৫০৲ টাকা খৰচ পঠালে, আহিব পৰা লিখাতে ঐ টাকা তাঁৰে পঠাই দিওঁ ঐ ৰোজ ॥ ৭৬৯ ॥

২-৩ ভাদ্র—কোন খবৰ নাপাই, ৩ ভাদ্র লগুৱা দুখীৰাম ৎ ভৈৰৱনাৰায়ণ দাস নামে টেলিগ্রাফ কৰোঁ। ঐ ৰোজ কোন খবৰ পোৱা নগল ॥ ৭৭০ ॥

৪ ভাদ্র, দিবা ১০ টা সময় ভৈৰব নাৰায়ণৰ তাঁৰে খবৰ আহে দুর্গাকান্ত কিছো ভাল হোৱা। ৩ ভাদ্র, ধুবুৰী মুখে—ৰেলে ৰওনা হৈ যোৱা। দিবা ১ টা সময় দুর্গাকান্তৰ কাউনিক (কাউনীয়া?) পহুচা; খৰচ পঠাবৰ বিষয়। ২০৲ টাক হলিৰাম বৰুৱা পাশ ধুবুৰী পঠাই দিওঁ ॥ ৭৭১ ॥

৯ ভাদ্র—দুর্গাকান্তৰ চিঠি পাওঁ—গধূল সময় ধুবুৰী পহু হলিৰামৰ ঘৰত থাকা। ৩ টা সময়, হলিৰামৰ টেলিগ্রাফ পাওঁ —বেমাৰ বেচি হোৱা, একজন যাবৰ বিষয়॥ ৭৭২ ॥

১০ ভাদ্র—শ্রীক'লাক, শ্রীনন্দী ও শ্রীকিনাৰামক জাহাজত পঠাই দিওঁ॥ ৭৭৩ ॥

ও মহীধৰ নাজীৰ বেমাৰ পৰি নগাঞৰ পৰা অহাতে শ্রীলখীধৰ বৰদলৈৰ ঘৰে যাওঁ॥ ৭৭৪ ॥

১২ ভাদ্র—জন্মাষ্টমী—ৰামাওঁত বাবা, মোৰ ঘৰে থাকোঁতে, তেওঁৰ দ্বাৰা কৰাওঁ॥ ৭৭৫ ॥

*১৪ ভাদ্র—মহীধৰ নাজীৰ গোহাটীত ফৌত্ হয়॥ ৭৭৬॥ মহীধৰ নাজীৰ ফৌত্

১৯ ভাদ্র—দিবা ১০ টা সময় শ্রীকমলাকান্ত, দুর্গাকান্ত সহিত জাহাজত আহি ঘৰ পহুচে। এবং ৰামাওঁত বাবা ঔষধ খোৱায়॥ ৭৭৭ ॥ দুর্গাকান্ত ঘৰ পহুচা

২৫ ভাদ্র—গোহাটীৰ পৰা আহি মঞ্জি ৫ টা সময় ঘাট পহুচাতে, নাৱতে খবৰ পাওঁ,—ভোটকৰ জীয়েক, আমাৰ বোৱাৰী, ফিকা বেমাৰে ফৌত্ হয়॥ ৭৭৮ ॥ আমাৰ বোৱাৰী ফৌত্

৪ আশ্বিন—ভোটকৰ জীয়েকৰ কর্ম্ম শ্রীধর্ম্মকান্তৰ দ্বাৰা কৰান যায়॥ ৭৭৯ ॥

১৪ আশ্বিন—নগঞা বোৱাৰী ও শ্রীইন্দুমতী ও বৰঘৈণী নগাঞে যাবৰ কাৰণে গধূলি নাৱত তোলি দিওঁ। কিন্তু শ্রীইন্দুমতী, ওৰে ৰাতি, শ্রীজয়ন্তীৰ জন্যে ক্রন্দন ; মাক, বৰঘৈণী ৰাখিব নোৱাৰে। ও শ্রীজয়ন্তীৰো (বিধবা জীৰ) ক্রন্দন হেতু, মোৰ হৃদয় বিদীর্ণ হেতু,—॥ ৭৮০ ॥ শ্রীইন্দুমতীৰ ক্রন্দনত মোৰ হৃদয় বিদীর্ণ

১৫ আশ্বিন—নাৱৰ পৰা শ্রীইন্দুক ফিৰাই আনোঁ॥ ৭৮১ ॥ শ্রীইন্দুক ফিৰাই অনা

২০ আশ্বিন—লখীলাল বাবু উজানে ফৌত হয়॥ ৮৮২ ॥

২১ আশ্বিন, পুষ্পধৰেৰ ভায়েক ডম্বকধৰৰ বিবাহে যাওঁ॥৭৮৩॥

---

* মূলত, ভুলতে ১৪ শ্রাৱণ লিখা আছে। —সম্পাদক।

২ কার্ত্তিক—শ্রীমতী ৰৱঘৈণী ও শ্রীমতী নগঞা বোৱাৰী ও শ্রীচন্দ্রৰ মাকক নগাঞে পঠাই দিওঁ। ইন্দুক পঠাব নোৱাৰি ৰাখিলোঁ। তদ্বিষয়,— ॥ ৭৮৪ ॥

৩ কার্ত্তিক—শ্রীৰত্নকান্তকে লিখোঁ ॥ ৭৮৫ ॥

১০ কার্ত্তিক শুক্রবাৰ—গোহাটী যাই থাকোঁ ॥ ৭৮৬ ॥

শ্রীদুর্গাকান্ত আৰাম হোৱাতে কামৰ চেষ্টা

১১ কার্ত্তিক— শ্রীডনেচন্ ডিপুটী কমিচনৰ সাহেবৰ বাঙ্গালায় যাই শ্রীদুর্গাকান্ত, আৰাম হোৱাতে, তৰজমা নবীচ মকৰৰ কৰা কথা কওঁ ॥ ৭৮৭ ॥

শ্রীকালিন্দী যুবত্

২১ কার্ত্তিক শুক্রবাৰ—দিবা ১১ টা সময়, শ্রীকালিন্দী যুবত হয় ॥ ৭৮৮ ॥

২৩ কার্ত্তিক—সন্ধ্যা সময়, শ্রীৰৱঘৈণী বোৱাৰীক থৈ নগাঞৰ পৰা পহুচে ॥ ৭৮৯ ॥

২৯ কার্ত্তিক—দিহিঙ্গৰ বিনন্দচন্দ্র গোসাঞী জাহাজেদি নগাঞে যায় ॥ ৭৯০ ॥

কন্দর্পেশ্বৰ ৰাজা পাশ যোৱা।

ও ভাঠীৰ পৰা আহি শ্রীলেম সাহেব নগাঞে যায় ॥ ৭৯১ ॥

১৩ অগ্রায়ণ, ২৭ নওম্বৰ—গোহাটীত থাকোঁ ও কন্দর্পেশ্বৰ ৰাজা পাশ যাওঁ ॥ ৭৯২ ॥

হিতকৰী সভাত, কাবেলৰ যুদ্ধত মৰা সৈন্যৰ স্ত্রী-পুত্রৰ কাৰণে চান্দা।

১৪ অগ্রায়ণ—গোহাটীত থার্কি হিতকৰী সভাত উপস্থিত শ্রীকন্দর্পেশ্বৰ ৰাজা প্রভিতি সহিত কাবেলৰ যুদ্ধত সৈন্য সকল মৰা স্ত্রী-পুত্র সকলৰ জন্যে চান্দা কৰা যায় ॥ ৭৯৩ ॥

২২ অগ্রায়ণ— শ্রীচন্দ্রকান্তৰ জীয়েক গোলাপী যুবত হয় ॥ ৭৯৪ ॥

চহৰৰ কমিটী

৭ মাঘ, ১৯ জানুৱাৰী—গোহাটী যাই শ্রীডনেচন্ ডিপুটী কমিচনৰ সাহেব প্রভিতি সহিত চহৰৰ কমিটী কৰোঁ ॥ ৭৯৫ ॥

জীউৰাম পেচ্কাৰ ফৌত

৮ মাঘ— জয়নাথ দলৈ, তস্য স্ত্রী সহিত আহি তৎপুত্র পুষ্পৰ কাৰণে শ্রীৰোহিণীক ফোঁট পিন্ধাবৰ কথা কয় ॥ ৭৯৬ ॥

১০ মাঘ—জীউৰাম পেচ্কাৰ ৫ মাঘ ফৌত হোৱা, তৎপুত্র সদানন্দৰ চিঠি পাওঁ ॥ ৭৯৭ ॥

১৭ মাঘ—শ্রীদুর্গাকান্তর বেমার বেচি হোৱাতে হিন্দুস্থানী হেকিম এক জনক অথচ সেখ নাবু ডাক্তরক আনি দেখাই নজর বাবদ ৫৲ টাকা দি, গোহাটী পঠাই দিওঁ ॥ ৭৯৮ ॥

দুর্গাকান্তর বেমার চিকিৎসা সেখ নাবু ডাক্তরর দ্বাৰা

২৮ মাঘ—শ্রীভূমির উপনয়ন হয় ॥ ৭৯৯ ॥

১ ফাগুন—দুর্গাকান্তর বেমার বেচি জন্য গোপাল বাবাক আনি দেখাওঁ ; এবং চিকিৎসা কৰোঁ বুলি কয় ॥ ৮০০ ॥

গোপাল-বাবার দ্বাৰা চিকিৎসা

৭ ফাগুন—শ্রীৰত্নকান্ত ৯০৲ টাকা দৰমাহাত ১৪ জানুৱাৰী ইস্তক আচালতন মকৰর হোৱা চিঠি পাওঁ ॥ ৮০১ ॥

শ্রীৰত্নকান্তর দৰমহা ৯০৲ টাকা

১২ ফাগুন—গোপাল বাবা আহি দুর্গাকান্তক ঔষধ খুৱাই যায় ॥ ৮০২ ॥

২২ ফাগুন, ৩ মার্চ্চ—শ্রীশ্রীবেলি সাহেব চীফ্ কমিচনর, লেপণ্টণ্ট্ (লেফ্‌টেন্যাণ্ট্) গৱর্ণর হোৱাতে, ভাঠী কলিকাতা যায় ॥ ৮০৩ ॥

বেলি সাহাব লেঃ গৱর্ণর হৈ ভাঠী যোৱা

২৭ ফাগুন, ৯ মার্চ্চ—তৎমোটে শ্রীশ্রীএলিয়ত চীফ্ কমিচনর হয় ও শ্রীৱার্ড জজ-কমিচনর সহিত উজান যায় ॥ ৮০৪ ॥

এলিয়ত চীফ কমিচনর

২৮ ফাগুন—আমার সক ঘৈণীর মৃত কন্যা এটী জন্ম হয় ॥ ৮০৫ ॥

আমার সক ঘৈণীর মৃত কন্যা জন্ম

২৯ ফাগুন, ১১ মার্চ্চ—ডঙ্গৰচি ও যদ্রুপ কাঞার পাশ বন্ধকি বাবত, পাঁচ হাজার টাকা আনোঁ। খত পোৱা নগল। সুজিৰাম ও সৱাল খত ৰাখি টাকা দিলে ॥ ৮০৬ ॥

পাঁচ হাজার টাকা বৰ্জ্জ কৰা

১৪ চৈত্র, ২৬ মার্চ্চ—মঞি গোহাটী যাই শ্রীডনেচন্ ডিপুটী কমিচনর সহিত চহৰর কমিটী কৰি দেশীয় লোকর দ্বাৰা টাকা দিবর ৰায় দিওঁ ॥ ৮০৭ ॥

দেশীয় লোকর দ্বাৰা টাকা দিয়া

২৩ চৈত্র, ৪ আপৰেল—কালিন্দী ঈশৰামর হাইকোটর মকর্দ্দমা ডিচ্‌মিচ্। আমার শ্রীকমলাকান্ত জিত হোৱা খবর পাওঁ ॥ ৮০৮ ॥

বৰকাছাৰীত বজ্রপাত

২৫ চৈত্র, ৬ আপৰেল—অদ্য দিবা বৃষ্টিতে বজ্রপাত হৈ বৰকাছাৰীৰ মাজতে পোৰে। পাচে জুই নুমায় ॥ ৮০৯ ॥

ফি টাকায় এক অনা লোকেল বেট্ হোৱা

শ্রীশ্রীচীফ কমিচনৰ সাহেবৰ ১১ নম্বৰৰ চৰকুলৰ মতে, লোকেল বেট বুলি, ফি টাকায় /০ অনা হিচাবে লবৰ আজ্ঞা হৱাতে, এই সনে আদায় কৰি লয় ॥ ৮১০ ॥

তৃতীয় অধ্যায়

শ্রীশ্রীএলিয়েট সাহেব চীফ্ কমিচনৰ

(Sir C. A. Elliot K. C. S. I.)

(ক)—১৮০৩ শক। ১২৮৮ সন। ১৮৮১—৮২ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—চীফ্ কমিচনৰে মাতাত যাব নোৱাৰা—বংশত জন্ম, মৃত্যু, বিবাহ—ধুমুহা—বিশিষ্ট লোকৰ মৃত্যু—উমানন্দ আদিৰ শিল খহা—কুলীৰ বেপট্—আমাৰ চিকিৎসাত দিহিঙৰ গোসাঞী আৰাম হোৱা—দিহিঙৰ কমিটীত পুলিচৰ কাৰণ লক্ষ টাকা—মঞি কন্দর্পেশ্বৰ ৰাজাৰ বেমাৰ চোৱা—দিহিঙৰ বৰজনা গোসাঞী—চুপ্রেডেণ্ট ও চেৰস্তাদাৰৰ এঃ এঃ কমিচনৰ পদ—গোসাঞীৰ বিবাহ—শ্রীদিননাথ (বেজ) বৰুৱাই কন্দর্পেশ্বৰ ৰাজাৰ বেমাৰ চোৱা—অন্যান্য কথা।

ইংৰাজ বিষয়া সকল

শ্রীশ্রীএলিয়ট চীফ্ কমিচনৰ, ওৱার্ড জজ-কমিচনৰ। ও কামৰূপে ডনেচন্ সাহেব ডিপুটী কমিচনৰ, গত সনৰ নিৰিখ বেৱস্থা মতে পৰগণা সকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে ॥ ৮১১ ॥

৩ বৈশাগ, ১৪ আপৰেল—অদ্য ১০টা সময় শ্রীশ্রীএলিয়ট চীফ্ কমিচনৰ সাহেব, ভাৰত চন্দ্র ওৰৰচিয়ৰ হাতে এক চিঠি পঠাই দিয়ে যে, মঞ্জি চীফ্ কমিচনৰ সাহেব সহিত সাক্ষাত হবৰ কাৰণে যাব লাগে। কিন্তু মোৰ ভেদ-বমি হোৱা সময়, যাব নোৱাৰি সাহেবক চালাম দি পঠাই দিলোঁ ॥ ৮১২ ॥

মোৰ ভেদ-বমি হেতু চীফ্ কমিচনৰ সহিত দেখা কৰিব নোৱাৰা

৫ বৈশাগ—শ্রীমান গৌৰীকান্ত সপৰিবাৰে হলিৰাম বৰুৱাৰ জীয়েকক, শ্রীকেশবকান্ত বিবাহ কৰাবৰ কাৰণে ৰৰপেটা যায়। ও আমাৰ শ্রীধর্ম্মকান্তকো তৎসঙ্গে পঠাওঁ ॥ ৮১৩ ॥

হলিৰাম এঃ এঃ কমিচনৰৰ জীয়েক সহিত শ্রীকেশবৰ বিবাহ হেতু ৰৰপেটা যাত্রা

১০ বৈশাগ—অদ্য শ্রীমতী কালিন্দীক শান্তি দি ওলিয়াই শ্রীহৰচন্দ্রকে দিয়া যায়। তেউক দিয়া দ্রব্য পূর্ব্বে দিয়া সেয়াই :

শ্রীকালিন্দীক শান্তি দিয়া

সোণৰ খাৰু—	১ জোৰ	তাম-পিতল—	১ সজোঁলি
তোলী-পাটী		ৰৰকাপোৰ—	১
গাৰো-আঠুৰা—		পালঙ্গি—	১
তলপৰা—	১ দফা	শ্রীকমলাই দিয়ে।	॥ ৮১৪ ॥

ঐ ১০ বৈশাগ ৰৰপেটায়, শ্রীকেশবকান্ত, হলিৰাম বৰুৱাৰ জীয়েক সহিত বিবাহ হয় ॥ ৮১৫ ॥

শ্রীকেশবৰ বিবাহ

২২ বৈশাগ—ৰৰপেটাৰ পৰা শ্রীধর্ম্মকান্তৰ চিঠি পাওঁ, চাউলখোৱা নদীয়েদি ৰওনা হৈ অহা ॥ ৮১৬ ॥

চাউলখোৱা নদীয়েদি ঘৰলৈ অহা

ৰাতি ৰৰ ধুমুহা হৈ ঘৰ গছ আদি উত্তৰ পাৰ ও গোহাটীত ভাঙ্গে। পাৰ হোৱা জাহাজ ভাঙ্গে। পাৰ হবৰ কাৰণে শ্রীগিৰীশ চন্দ্র ও ওৱাৰচিয়ৰ আহি নাউ একখন, এক দিনৰ কাৰণ কেৰয়াত নিয়ে।

উত্তৰ গোহাটী, গোহাটীত ৰৰ ধুমুহা

২৩ বৈশাগ—কেৰয়া দিওঁ ॥ ৮১৭ ॥

ধুমুহা হেতু শ্রীকেশৰ আদিৰ কাৰণে চিন্তা

ঐ ধুমুহাতে ৰৰপেটাৰ পৰা অহাতে ৰৰ ভয় পোৱা গৈছিল যে—ভয়ানক ধুমুহা ; কিজানি বাটত কি হৈছে ! ॥ ৮১৮ ॥

২৪ বৈশাগ—শ্রীধর্ম্মকান্ত চাউলখোৱাৰ পৰা বামে আহি ঘৰ পায়। ধুমুহা নোপোৱা কথা কয় ॥ ৮১৯ ॥

বিবাহ যাত্রী নিৰাপদে ঘৰ পহুচা

২৭ বৈশাগ ৰবিবাৰ—শ্রীগৌৰীকান্ত ও শ্রীচন্দ্রকান্ত সপৰিবাৰে, বিবাহ কৰাই, ৰৰপেটাৰ পৰা ঘৰ পহুচে। কিন্তু হলিৰামে জীয়েকক পঠাই নিদিলে ॥ ৮২০ ॥

হৰনাথ পর্ব্বতীয়া বকুৱাৰ পুতেক গুণাই

৪ জৈষ্ট—পর্ব্বতীয়া বকুৱা হৰনাথৰ পুতেক গুনাই আহে। তেওঁ সহিত কথোপকথন হওঁ ॥ ৮২১ ॥

কন্দর্পসিংহ ৰাজাৰ মাক ফৌত্

২২ জৈষ্ট—কন্দর্পসিংহ ৰজাৰ মাক লক্ষ্মীপ্রিয়া কুকুৰমুতা সাকিনে ফৌত্ হয় ॥ ৮২২ ॥

শ্রীমাধৰৰাম ৰৰদলৈৰ জীয়েকক শ্রীদেবৰ জন্যে ধৰা

৩১ জৈষ্ট—মঞি গোহাটীত থাকি কন্দর্পেশ্বৰ ৰাজা পাশ যাওঁ ॥ ৮২৩ ॥

তদপৰ, শ্রীমাধৰৰাম ৰৰদলৈ ঘৰে যাই তেউৰ জীয়েকক শ্রীদেবকান্তৰ জন্যে ধৰোঁ। দিবৰ সম্মত হয় ॥ ৮২৪ ॥

"ভোটক" ফৌত্

১৩ আষাড়—"ভোটক" হাইজা ৰেমাৰে প্রাতসে ফৌত্ হয় ॥ ৮২৫ ॥

মোহন চৌধাৰীৰ ঘৈণীয়েক ফৌত্

১৯ আষাড়—মোহন চৌধাৰীৰ ঘৈণীয়েক ফৌত্ হৰাতে সিহঁতৰ ঘৰে যাওঁ ॥ ৮২৬ ॥

মোহন চৌধাৰী ফৌত্

২৪ আষাড়—মোহন চৌধাৰী ফৌত্ হয় ॥ ৮২৭ ॥

জেলাৰ কাছাৰী কোঠাকোঠা বিভক্ত

২৫ আষাড়—জেলাৰ কাছাৰী ভিতৰে কোঠা কোঠা হয় ॥ ৮২৮ ॥

২৯ আষাঢ়—থিৰাই দৈবজ্ঞ ফৌত্ হয় ॥ ৮২৯ ॥ থিৰাই দৈবজ্ঞ ফৌত্

৩০ আষাঢ়—দুৰ্ল্লভৰ বৈণীয়েক "জাপৰী" ৰাতি ফৌত্ হয় ॥ ৮৩০ ॥ দুৰ্ল্লভৰ বৈণী ফৌত

১ শ্ৰাৱণ—শ্ৰীৰত্নকান্তৰ টেলিগ্ৰাফ্ পাওঁ—পুত্ৰ এটি জন্ম হোৱা ॥ ৮৩১ ॥ শ্ৰীৰত্নৰ পুত্ৰ জন্ম

ঐ ১ শ্ৰাৱণ—ৰাতি দুৰ্লভৰ ভায়েক সোণা ফৌত্ হয় ॥ ৮৩২ ॥ দুৰ্লভৰ ভায়েক ফৌত্

* * * *

৩ শ্ৰাৱণ—শ্ৰীচন্দ্ৰকান্তৰ জীয়েক বিচিত্ৰী ফৌত্ হয় হেতু, শ্ৰীচন্দ্ৰকান্ত, শ্ৰীকেশৰ, শ্ৰীবিদ্যা ও তদ্ মাতা আমাৰ ঘৰে যাই থাকে ॥ ৮৩৩ ॥ শ্ৰীচন্দ্ৰৰ জীয়েক বিচিত্ৰী ফৌত্

৫ শ্ৰাৱণ—কালীকান্তৰ মাক ৰুদ্ৰেশ্বৰে দুপ্ৰহৰ সময়, ফৌত্ হয় ॥ ৮৩৪ ॥ কালী-কান্তৰ মাক ফৌত্

২৮ শ্ৰাৱণ—লুকিৰ 'দলপুৰীয়া'ৰ মৰ্দ্দমাত সাক্ষী কৰৰ কাৰণে জজ সাহেবৰ পাশ হাজিৰ হওঁ। কিন্তু সাক্ষী কোৱা নহ'ল ॥ ৮৩৫ ॥

১৩ ভাদ্ৰ, ২৮ আগষ্ট ৰবিবাৰ—হলিৰাম বৰুৱা ৰৰপেটাৰ পৰা আহি, ভাত খাই, সিপাৰে গোহাটী যাই, বাহাত থাকে ॥ ৮৩৬ ॥ হলিৰাম বৰুৱা আমাৰ ঘৰে

১৭ ভাদ্ৰ—উমানন্দৰ পৰ্ব্বত ও মণিকৰ্ণেশ্বৰৰ পৰ্ব্বত ও অশ্বক্ৰান্তৰ পৰ্ব্বতৰ শিল খহে ॥ ৮৩৭ ॥ উমানন্দ আদিৰ শিল খহা

২২-২৪ ভাদ্ৰ—কুলী সম্বন্ধে নিবন্ধ কৰি বেপট্ দিবৰ বিষয় শ্ৰীশ্ৰীচীফ্ কমিচনৰ সাহেবৰ চিঠি পাওঁ কাৰণ, পূৰ্ব্বৰ নিয়ম, কাঁড়ী পাইক ও চমুৰা—ও কাঁড়ীসকলেই কুলীকৰ্ম্ম কৰা বেপট্, ২৪ ভাদ্ৰ পঠাওঁ ॥ ৮৩৮ ॥ কুলী সমন্ধে বেপট্

২৭—ঈশৰামৰ ঘৰ ভাঙ্গি মাটি দখল দিবৰ কাৰণে মুনচেফি

আদালতৰ প্যাদা অহাতে, ঈশৰাম অষ্টাঙ্গে পৰাতে, উমাকান্তৰ মোকাবিলায় ঘৰ তোলি নিবৰ খৰচ ৭৫৲ টাকা ও এক মাহ ম্যাদ দিওঁ ॥ ৮৩৯ ॥

১০ আশ্বিন—হলিৰাম বৰুৱা ৰৰপেটা যোৱাতে বাহিৰ বাহিৰ, শ্রীকেশৰকান্তক নাৱত তোলি লৈ যায় ॥ ৮৪০ ॥

১৪ আশ্বিন—গোহাটী যাই শ্রীগ্রে সাহেৰ সহিত সহৰৰ কমিটী কৰি, পাৰ হোৱা জাহাজ বোর্ড কমিটীত নিদি, মুনচিপেলে ৰাখাৰ ৰায় দিওঁ ॥ ৮৪১ ॥

দিহিঙৰ—লক্ষণচন্দ্র গোসাঞী ফৌত্

২৩ আশ্বিন—দিহিঙৰ লক্ষণচন্দ্র সৰু জনা গোসাঞী ৰাতি কুৰুৱাতে মৃত্যু হয় ॥ ৮৪২ ॥

শ্রীৰত্নৰ পুত্র ফৌত্

২৫ আশ্বিন—শ্রীৰত্নকান্তৰ ব্যাৰিং চিঠি পাওঁ,—পুত্র যদুকান্ত, ২২ আশ্বিন ফৌত্ হোৱা। এৱং আহিবৰ বিষয় লিখোঁ ॥ ৮৪৩ ॥

১ কার্ত্তিক—মাধৱচন্দ্রৰ (ৰায় বাহাদুৰ মাধৱচন্দ্র ৰৰদলৈৰ) মাক সপৰিবাৰে, জাহাজত উজানে যায় ॥ ৮৪৪ ॥

১২ কার্ত্তিক—যোৰহাটৰ পৰা শ্রীবলিকান্ত আহি ভাত খাই ৰৰপেটা যায় ॥ ৮৪৫ ॥

পাৰ জাহাজ ৰালিত লগা

পাৰ হোৱা জাহাজ উত্তৰ পাৰৰ ৰালিত লাগিল। অন্য জাহাজ দ্বাৰা টানি নমাৰ নোৱাৰিলে ॥ ৮৪৬ ॥

২৭ কার্ত্তিক—শ্রীবলিকান্ত, ৰৰপেটাৰ পৰা আহি উজানে যায় ॥ ৮৪৭ ॥

দিহিঙৰ গোসাঞীক চিকিৎসা

৬ অগ্রায়ণ ৰবিবাৰ—শ্রীজগৎচন্দ্র দিহিঙৰ সৰুজনা গোসাঞীৰ হাইজা ৰেমাৰ হোৱাতে, তথায় যাই ঔষধ খোৱাই আহোঁ। ভাল হ'ল ॥ ৮৪৮ ॥

লক্ষ্মীকান্তৰ পুত্র গিৰিকান্ত ফৌত্

২৫ অগ্রায়ণ—লক্ষ্মীকান্তৰ পুত্র গিৰিকান্ত—দুপ্রহৰ সময় ফৌত্ হয় ॥ ৮৪৯ ॥

৯ পৌষ, ২৩ ডিচাম্বৰ, শুক্রবাৰ শ্রীশ্রীএলিয়ট্ চীফ্ কমিচনৰ ও ৰার্ড জজ কমিচনৰ সাহেব প্রভিতি সহিত চহৰৰ কমিটী কৰা যায়। পুলিচৰ খৰচ ও চহৰৰ খৰচ কৰিবৰ কাৰণ এক লক্ষ টাকা দিবৰ স্বীকাৰ কৰে ॥ ৮৫০ ॥ চহৰৰ কমিটীত পুলিচাদিৰ কাৰণ একলক্ষ টাকা মঞ্জুৰ

এবং কমিটী ভাঙ্গি কামাখ্যা পর্ব্বতে যাওঁ ॥ ৮৫১ ॥

২০ পৌষ, ৪ জানৱাৰী মঙ্গলবাৰ, ঈশৰাম আমাৰ খৰিদা মাটিৰ পৰা উঠি যাই গিৰিধাৰী মাটিত বহে ॥ ৮৫২ ॥

২৮ পৌষ, ১১ জানৱাৰী—ঈশৰামৰ খৰিদা মাটি দখল লৈ, শ্রীকমলাকান্তে বচিদ দিয়ে ॥ ৮৫৩ ॥

৭ মাঘ, ১৯ জানৱাৰী, গোহাটী যাই চহৰৰ কমিটী কৰোঁ ॥ ৮৫৪ ॥

৯ মাঘ—শ্রীৰত্নকান্তৰ চিঠি পাওঁ—নগাহিলৰ পৰা মিছিল সাহেব ডিপুটী কমিচনৰ দুই বৎসৰ ছুটী লৈ বিলাত যাব। মোৰ সহিত গোহাটীত সাক্ষাত হবৰ লিখে ॥ ৮৫৫ ॥

১১ মাঘ—ব্রেনবিল সাহেবেৰ মেম পদ্মেশ্বৰী তেওঁৰ জীয়েক পুত্র সহিত আমাৰ ঘৰে আহে। * * * * * পঠাই দিওঁ ॥ ৮৫৬ ॥ ব্রেনবিল সাহেবেৰ মেম পদ্মেশ্বৰী

১৩ মাঘ, ২৫ জানৱাৰী, মিছিল সাহেব অহা বুলি গোহাটী যাওঁ। নহা হেতু শ্রীশিৱপ্রসাদ মুনচুফক কাছাৰীত দেখা হৈ কন্দর্পেশ্বৰ ৰাজাৰ বেমাৰ দেখি ও গোহাটীৰ বাসা দেখি ঘৰে উত্তৰ পাৰে আহোঁ ॥ ৮৫৭ ॥ কন্দর্পেশ্বৰ ৰাজাৰ বেমাৰ চোৱা

দিহিঙৰ বৰ জনা গোসাঞী আহি অশ্বকান্তত থাকে ॥৮৫৮॥ দিহিঙৰ বৰ জনা গোসাঞী

১৯ মাঘ—দিহিঙৰ সৰু জনা গোসাঞীৰ নতুন ঘৰ চাওঁ। তাতে তেওঁৰ সহিত কথোপকথন হওঁ ॥ ৮৫৯ ॥

চুপ্রেডেণ্ট ও চেৰস্তাদাৰ সকলক এঃএঃ কমিচনৰ পদ দিয়া নিয়ম

শ্রীশ্রীচীফ্ কমিচনৰ, চুপ্রেডেণ্ট ও চেৰস্তাদাৰ সকলক, একষ্ট্রা এচিষ্টেণ্ট কমিচনৰ, পদ দিবৰ নিয়ম কৰা হেতু, তদ্বিষয় শ্রীৰত্নকান্তকে লিখাতে জেলাৰ সাহেবেৰ মত লৈ চীফ্ কমিচনৰ সাহেবেৰ হুজুৰে দৰখাস্ত দিবৰ লিখে ॥ ৮৬০ ॥

শ্বিলিঙৰ কাছাৰী ঘৰ পোৰা

২৩ মাঘ, ৪ ফেবৰাৰী—শ্বিলিঙৰ কাছাৰী ঘৰ পোৰা খবৰ পাওঁ ॥ ৮৬১ ॥

জয়ৰামৰ ঘৈণী ফৌত্

২৪ মাঘ—শ্রীজয়ৰামৰ ঘৈণীয়েক তাৰিণী, ৰাতি ঘৰৰ ভিতৰ ফৌত্ হয় ॥ ৮৬২ ॥

২৭ মাঘ—দিহিঙ্গৰ বৰ জনা গোসাঞী অশ্বক্রান্তৰ পৰা উজাই যায়। ভায়েকৰ বিবাহলৈ নাথাকিল ॥ ৮৬৩ ॥

৬ ফাগুন—নগাঞৰ পৰা শ্রীমতী বোৱাৰীক আনিবৰ কাৰণে, শ্রীভদাই সহিত নাউ-মানুহ পঠাওঁ ॥ ৮৬৪ ॥

ফেৰী জাহাজ টানি পানীত পেলায়

৭ ফাগুন—ফেৰী জাহাজ টানি পানীত পেলায় ॥ ৮৬৫ ॥

শ্রীজগৎচন্দ্র গোসাঞীৰ বিবাহ

২০ ফাগুন—শ্রীজগৎচন্দ্র দিহিঙ্গৰ সৰু জনা গোসাঞীৰ বিবাহলৈ দিনতে যাই, কথোপকথন হৈ আহোঁ ॥ ৮৬৬ ॥

২২ ফাগুন—বিবাহ হয়। চ'ৰা ঘৰৰ দলিচাত বহোঁ ও জল খাই আহোঁ ॥ ৮৬৭ ॥

নগাঞ হৈতে শ্রীৰত্নকান্তৰ চিঠি পাওঁ :—

২১ ফাগুন শ্রীমতী বোৱাৰী সহিত তেওঁ ৰওনা হোৱা। ২৫ ফাগুন সন্ধ্যা সময় ঘৰ পৌছে ॥ ৮৬৮ ॥

২৭ ফাগুন শুক্রবাৰ—জয়নাথ দলৈৰ পুত্র পুষ্প কাৰণ শ্রীসইতী প্রভিতি আহি ফোট্ পিন্ধায় ॥ ৮৬৯ ॥

শ্রীৰত্নকান্ত তেওঁৰ নগাঞত ১২৬৩৲ টাকা দেনা বুলি কলে। শ্রীৰঘৈণী আগতে আছিল। শ্রীকমলাকান্তক মাতি, কি উপায়

হৰ সোধাত তেওঁৰ পৰা কিছো উপায় যুক্তি নোহোৱা কোৱাতে, মঞি বিৰক্ত হৈ, এইমত বন্দবস্ত কৰিলোঁ যে মঞি তিন কিস্তিত তেওঁৰ দেনা আদায় কৰিম। কিন্তু তেওঁৰ ৯০৲ টাকা দৰমহা মধ্যে দেনা সমুদয় আদায় নোহোৱাতক, মাহে ৬০৲ টাকা মোক দিব ॥ ৮৭০ ॥ শ্রীৰত্নৰ ধাৰ শুজাৰ বন্দবস্ত

৩ চৈত্র—অদ্য শ্রীৰত্নকান্ত শ্রীমতী বোৱাৰীক ৰাখি, গধূল সময় নগাঞ যায় ॥ ৮৭১ ॥

৮ চৈত্র—"জিনকিঞ্চ" ফেৰী জাহাজ দুৰস্ত হোৱাতে পুনঃ চলে ; মানুহ পাৰ কৰে ॥ ৮৭২ ॥ জিন্‌কিঞ্চ ফেৰী জাহাজ

১২ চৈত্র—শ্রীৰত্নকান্তৰ চিঠি পাওঁ—নগাঞ পহুচা। ১২২০৲ টাকা দেনাৰ ফৰ্দ্দ পঠায় ॥ ৮৭৩ ॥

১৪ চৈত্র—নগাঞ হৈতে দাসী প্রভিতি পহুচে ॥ ৮৭৪ ॥

কন্দর্পেশ্বৰ ৰাজাৰ বেমাৰ হেতু, শ্রীদিননাথ (বেজ) বকৰা চিকিৎসা কাৰণ গৌহাটী অহাত, তেওঁৰ সহিত দেখা হৈ যাওঁ। ॥ ৮৭৫ ॥ শ্রীদিননাথ বকৰাৰ দ্বাৰা কন্দর্পেশ্বৰ ৰাজাৰ চিকিৎসা

কাঞ্চাপটি যাওঁ এবং আমানতি হৈতে ৬০০৲ টাকা বোকা ওৰাপচ দি, শ্রীৰতন লাল হৈতে লৈ, তন্মধ্যে ৩০০৲ টাকা হিচাপ বাকী বাবত ৰতনলালক দিওঁ ॥ ৮৭৬ ॥

১৫ চৈত্র—ঘৰে থাকোঁ। শ্রীদিননাথ (বেজ) বকৰা ঘৰে অহাতে, শ্রীদেবকান্তৰ বেমাৰ দেখা হেতু ৩৲ টাকা দিওঁ ॥ ৮৭৭॥ শ্রীদেবৰ বেমাৰ চোৱা

১৮ চৈত্র—লক্ষ্মীকান্তৰ জীয়েক মাধবী কুকুৰমুতায় ফৌত হয় ॥ ৮৭৮ ॥ মাধবী ফৌত্‌

টোকা :—বোকা—নগদ। ওৰাপচ—ঘুৰাই দিয়া।
আমানতি—জমা টাকা।

শ্রীধর্ম্মকান্তৰ কাৰণে সাহেবত কোৱা

২৩ চৈত্র, ৪ আপৰেল—শ্রীডনেচন ডিপুটি কমিচনৰ সাহেবেৰ বাঙ্গালায় যাই শ্রীধর্ম্মকান্তক সাক্ষাত কৰাই, মকৰৰ কৰিবৰ কথা কওঁ। এবং যতাহত জাহাজত পাৰ হব নোৱাৰি গোহাটীৰ ঘৰতে থাকোঁ ॥ ৮৭৯ ॥

২৬ চৈত্র—ৰজাদুৱাৰৰ সড়গ চাওঁ। জন্ম-মৃত্যুৰ ৰেজষ্টাৰি বহী থানাত চাওঁ ॥ ৮৮০ ॥

(খ) ১৮০৪ শক। ১২৮৯ সন। ১৮৮২-৮৩ ইং।

বিষয়াদি পৰগণা বন্দবস্ত—বংশত ও জ্ঞাতিলোকৰ জন্ম, মৃত্যু, বিবাহ—শ্রীকেম্বল সাহেব—পুত্র দুর্গাকান্ত মৃত—জীৱনৰাম ফোকনক চাট্টিফিকেট্—মুন্‌চিপল কমিটীয়ে, পুখুৰী পোতা বাবত ৩০,০০০ হাজাৰ টাকা কর্জ্জ কৰা—কন্দর্পেশ্বৰ ৰাজা মৃত—শ্রাদ্ধাদিৰ খৰচ জন্য ৩০০০৲ টাকা দিবলৈ কোৱা—শ্রাদ্ধাদিৰ দিহা দিয়া—দক্ষিণা—ৰাজাৰ ৰাণী ও পুতেকক সজ পৰামর্শ—তীর্থ যাত্রাৰ পূর্ব্বে জমি, পুত্র-পৌত্রাদিক ভগাই দিয়া—অস্থাবৰ সম্পত্তি বিভাগ—বাঙ্গালী টাকা দিয়া নিয়ম—তীর্থযাত্রা—তীর্থৰ বিৱৰণ—অন্যান্য কথা।

ইংৰাজ বিষয়া সকল পৰগণা বন্দবস্ত

শ্রীশ্রীএলিয়েট চীফ্ কমিচনৰ ও ৰার্ড জজ কমিচনৰ ও কামৰূপে ডনেচন্ ডিপুটী কমিচনৰ, এই সনে, গত সনৰ নিৰিং ও বেৱস্থা মতে পৰগণা সকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে ॥ ৮৮১ ॥

মঞ্জি টকা ধাৰে দিয়া

১১ বৈশাগ, ২৩ আপৰেল—অদ্য গোহাটী যাই থাকোঁ শ্রীজয়নাথ দলৈৰ অনেক দেনা হেতু, মোৰ পাশ টাকা ধাৰ চোৱাতে, শ্রীগৌৰীকান্তৰ মোকাবিলায়, বিন দলীলে ৩০০৲ টাকা ধাৰে দিওঁ ॥ ৮৮২ ॥

১২ বৈশাগ—শ্রীবাপুবাম ওকীলব জীয়েকব বিবাহ ঘাওঁ ॥ ৮৮৩ ॥ ওকীলব জীয়েকব বিবাহ

১৪ বৈশাগ—শ্রীদিননাথ (বেজ) বকবা সহিত কন্দর্পেশ্বব বাজাব বেমাব দেখিব যাওঁ ॥ ৮৮৪ ॥ কন্দর্পেশ্বব বাজাব বেমাব দেখা

২৪ বৈশাগ—শ্রীবত্নকান্তব দেনা আদায় হেতু, পূর্ব্ব বন্দবস্ত মতে ৪৬০৲ টাকাব নোট পঠাওঁ ॥ ৮৮৫ ॥ শ্রীবত্নব দেনা জন্যে টাকা পঠোৱা

২৬ বৈশাগ, ৮ মেই—ৱার্ড জজ সাহেবেব পাশ হাজিব হৈ দুর্গাকান্তব মোক্তাবি বিষয় 'চাট্টফিট্' (১) (চার্টিফিকেট) ঘব পোবাত নষ্ট হোৱা 'আফিডেবিত' (২) দাখিল কবোঁ। ॥ ৮৮৬ ॥ "চাট্টফিট" বাবত "আফিডেবিত" অশ্বক্রান্তত স্নান

৪ জৈষ্ট, ১৭ মেই—বুধবাব সূর্য্যগ্রহণ হেতু অশ্বক্রান্তত স্নান কবি জপ কবোঁ ॥ ৮৮৭ ॥

২৪ জৈষ্ট, ৬ জুন—শ্রীকেম্বল সাহেব ধুবুবীব পবা বদল হৈ আহি, শ্রীডনেচন্ ডিপুটি কমিচনব পাশ, কামৰূপব চার্জ্জ ললে ॥ ৮৮৮ ॥ শ্রীকেম্বল সাহেব চার্জ্জ্ লোৱা

২৭ জৈষ্ট, ৯ জুন—শ্রীকেম্বল সাহেব সহিত বাঙ্গালায় দেবা ও কথোপকথন। শ্রীধর্ম্মকান্তক চিনাই দিওঁ ॥ ৮৮৯ ॥ কেম্বল সহিত দেখা

৩ আষাড়, ১৬ জুন—দুর্গাকান্ত ও সূর্য্যকান্তব মাটিত নাম জাবি মকর্দ্দমাত "বাত্রা" (বাটোৱাবা) দিবব কাবণে, শ্রীকেম্বল সাহেব ডিপুটী কমিচনব মোব পাশ, পঠাই দিয়ে। এবং মঞ্জি তদন্ত ও কয়েক লোকব জবানবন্দী লৈ সমানাংশে মাটিত নাম জাবিব, ৯ আষাড় দিয়াতে, ১০ আষাড়, আমাব বায় মঞ্জুব কবে ॥ ৮৯০ ॥ দুর্গাকান্ত ও সূর্য্যকান্তব মাটিব নামজাবি

১৪ আষাড়—ধাব শুজা কাবণ পূর্ব্ব বন্দবস্ত মত ২০০৲ টাকাব নোট, শ্রীবত্নকান্ত পাশ পঠাওঁ ॥ ৮৯১ ॥ শ্রীবত্নব ধাবব কাবণ টাকা

টোকা :—(১) Certificate, প্রমাণ পত্র।
(২) Affidavid, শপথ-পত্র, সত্য-পাঠ।

পুত্ৰ দুৰ্গা-কান্ত মৃত

১৯ আষাড়, ২ জুলাই, ৰবিবাৰ, ৰাতি ৮ বাজা সময় দুৰ্গাকান্ত (পুত্ৰ) হৰি স্মৃতি পূৰ্ব্বক শৰীৰ এৰে। শ্ৰীকমলাকান্ত দ্বাৰা অগ্নিকৰ্ম্ম ও শ্ৰীদেবকান্ত দ্বাৰা কৰ্ম্ম ধৰাওঁ ॥ ৮৯২ ॥

শ্ৰীৰত্নৰ ধাৰৰ কাৰণ টাকা

২৩ আষাড়—ধাৰ শুজা কাৰণ পূৰ্ব্ব বন্দবস্ত মত ৪০০৲ টাকা শ্ৰীৰত্নকান্ত পাশ পঠাওঁ ॥ ৮৯৩ ॥

৺দুৰ্গাকান্তৰ শ্ৰাদ্ধাদি কৰ্ম্ম

২৯ আষাড়—শ্ৰীদেবকান্ত দ্বাৰা দুৰ্গাকান্তৰ শ্ৰাদ্ধ ও অষ্টাদ্দ দান কৰাওঁ। ৩০ ৰোজ (আষাড়) সপিণ্ডন কৰাওঁ। ৩১ ৰোজ (আষাড়) জ্ঞাতি ব্ৰাহ্মণক ভোজ দিওঁ ॥ ৮৯৪ ॥

কেম্বল সহিত কথোপকথন

৭ শ্ৰাবণ—গোহাটী যাই, কেম্বল সাহেব সহিত বাঙ্গালা ৮ বজাত সাক্ষাত হৈ কথোপকথন ॥ ৮৯৫ ॥

ৰাজাৰ বেমাৰ দেখা

তদপৰ কন্দৰ্পেশ্বৰ ৰাজাৰ বেমাৰ দেখি * * জাহাজ পাৰ হৈ ঘৰ আহোঁ ॥ ৮৯৬ ॥

জীৱন ৰাম ফোকনক চাট্টফিকেট্

১৭ শ্ৰাবণ, ১ আগষ্ট—বলৰাম ফোকনৰ পুত্ৰ শ্ৰীজীৱন (ৰাম ফোকন) আহি ইণ্টাহান্ (পৰীক্ষা) দিবৰ কাৰণ চাট্টফিকেট্ চাহাতে মঞি চাট্টফিকেট্ দিওঁ ॥ ৮৯৭ ॥

"মুনচিপলৰ" কমিটী,

১৯ শ্ৰাবণ, ৩ আগষ্ট—জাহাজত গোহাটী যাই শ্ৰীকেম্ব সাহেব সহিত 'মুনচিপলৰ' (মিউনিচেপলৰ) কমিটী কৰি খুৰ খুদ্ৰ পুখুৰী পোতা ৰায় দিওঁ। ও কলৰ দ্বাৰা পানী তোলিব ৰায় নিদোঁ ॥ ৮৯৮ ॥

শ্ৰীৰত্নৰ তোলসী কন্যা জন্ম

২০ শ্ৰাবণ, শুক্ৰবাৰ ১১টা সময় শ্ৰীৰত্নকান্তৰ কন্যা এটী জন্ম হয়। ২৫ শ্ৰাবণ জয় দৈবজ্ঞ দ্বাৰা গণনা কৰাই শ্ৰীতোলসী নাম থোৱা যায় ॥ ৮৯৯ ॥

কন্দৰ্পেশ্বৰ ৰাজা ফৌত্

২৮ শ্ৰাবণ, ১২ আগষ্ট শনিবাৰ—প্ৰাতসে কন্দৰ্পেশ্বৰ ৰাজা কুকুৰমুতা সাকিনে ফৌত্ হয়। অশ্বক্ৰান্তত খবি দিয়ে ॥ ৯০০

৪ ভাদ্ৰ—গোহাটীত থাকি ৩ বাজা সময়, শ্ৰীকেম্বল সাহেব ডিপুটী কমিচনৰ সহিত কমিটী কৰা যায়। এবং টিকা দিব

জৰাতৰ দৰখাস্ত শুনা যায়। ও পুখুৰী পোতা খৰছ বাবত ১০,০০০৲ ত্রিশ হাজাৰ টাকা কর্জ্জ কৰা বিষয় শ্রীশ্রীচীফ্ কমিচনৰ সাহেবেৰ পাশ পঠানি চিঠি দস্তখত কৰা যায় ॥ ৯০১ ॥

গধূল সময়, কন্দর্পেশ্বৰ ৰাজাৰ ৰাণী শ্রীৰত্নেশ্বৰী ও তদ্ পুত্র শ্রীকুমুদেশ্বৰ পাশ যাওঁ ॥ ৯০২ ॥

৫ ভাদ্র, ৰবিবাৰ—প্রাতসে শ্রীমাধবৰাম ৰবদলৈৰ ঘৰে যাই শ্রীকমলাকান্ত কাৰণ শ্রীদেৱহৰি জীয়েকৰ কোষ্ঠী আনি, শ্রীৰাপুৰাম ওকীলৰ ঘৰে যাই, গোহাটীৰ বাসায় আহোঁ ॥ ৯০৩ ॥

১৮ ভাদ্র—মঞ্জি মাজো বৌৰ কর্ম্ম কৰোঁ ॥ ৯০৪ ॥

২০ ভাদ্র—শ্রীপুষ্পকান্ত নগাঞৰ শ্রীৰত্নকান্তৰ লগৰ পৰা আহে ॥ ৯০৫ ॥

২৪ ভাদ্র—গোহাটীত থাকি, ৮ বাজা সময় শ্রীকেম্বল সাহেব ডিপুটী কমিচনৰ বাঙ্গালায় যাই কথোপকথন। ও কন্দর্পেশ্বৰ ৰাজাৰ কর্ম্ম কাৰণ ৩০০০৲ তিন হাজাৰ টাকা ৰেপট্ কৰি অনাই দিয়া কথা কওঁ ॥ ৯০৬ ॥

ও ভাটী বেলা ভুবনেশ্বৰ নাউবৈচা ফোকন মোৰ পাশ অহাতে, তেওঁ সহিত কথোপকথন। তেওঁ সহিত শ্রীকেশৰকান্ত যুবৰাজ পাশ যাওঁ ॥ ৯০৭ ॥

২৫ ভাদ্র—গোহাটী থাকি, শ্রীনাউবৈচা ফোকন সহিত কন্দর্পেশ্বৰ ৰাজাৰ ঘৰে যাই, কর্ম্মৰ বুজ লওঁ। ও কুমুদেশ্বৰ গোহাঞীদেও সহিত কথোপকথন। ও ৰত্নেশ্বৰী ৰাণী তৎ পুত্রৰ কথা নিবেদন কৰি কয় ॥ ৯০৮ ॥

২৬ ভাদ্র—গোহাটীত থাকি শ্রীকেশৰকান্ত যুবৰাজ পাশ যাওঁ ॥ ৯০৯ ॥

গোহাটীত পুখুৰী পোতা বাবত ৩০,০০০৲ টাকা কর্জ্জ

মৃত ৰাজাৰ ৰাণী ও পুত্র পাশ যোৱা

শ্রীকমলাকান্ত কাৰণ ছোৱালীৰ কোষ্ঠী

৺ কন্দর্পেশ্বৰ ৰাজাৰ কর্ম্ম জন্যে ৩০০০৲ টাকাৰ কাৰণে সাহেবেক কোৱা

কেশৰকান্ত যুবৰাজ পাশ যোৱা

৺ কন্দর্পেশ্বৰ ৰাজাৰ কর্ম্মৰ বুজ লোৱা

কেশৰকান্ত যুবৰাজক দেখা হোৱা

৺কন্দর্পেশ্বৰ ৰাজাৰ কৰ্ম্মত দক্ষিণা দিয়া

২৭ ভাদ্র—কন্দর্পেশ্বৰ ৰাজাৰ কৰ্ম্মলৈ যাই, ৰাণীৰ আৰু মতে ভাল মানুহৰ ৩।২।১ টাকা ঊৰ্দ্ধ পক্ষে ৬৲ টাকাকৈ দক্ষিণা দিওঁ। মোক ৬৲ টাকা দিয়ে, তদ্ পুত্র কুমুদেশ্বৰে ॥ ৯১০ ॥

৺ৰাজাৰ ৰাণী ও পুত্রক সদ্ পৰামর্শ দিয়া

২৮ ভাদ্র—কন্দর্পেশ্বৰ ৰাজাৰ ৰাণী ও পুত্র পাশ আৰ্বে যাই সদ্ পৰামর্শ দিওঁ। ও গোসাঞীসকলক সিধা ও দক্ষিণা দি পঠাবৰ কথা কওঁ ॥ ৯১১ ॥

২৯ ভাদ্র—পাৰ হৈ উত্তৰ পাৰৰ ঘৰে আহোঁ ॥ ৯১২ ॥

তীর্থ যাত্রাৰ পূর্ব্বে স্ব অর্জ্জিত জমি পুত্র-পৌত্রাদিক ভাগ কৰি দিয়া

৩১ ভাদ্র, ১৫ চেপ্তাম্বৰ শুক্রবাৰ—মঞি ভাঠী তীর্থ যাব মনস্থ হোৱাত, আমাৰ স্ব-আর্জ্জিত খেৰাজ-লাখৰাজ মাটিসকল পুত্র ও দুহিতৃ, নাতিনীসকলক দিয়া গ'ল যথা ॥ ৯১৩ ॥

শ্রীকমালাকান্তৰ :—	খেৰাজ	লাখৰাজ	একুন
খাতাৰ কেন্দুকুচিৰ—	×	২০	২০ পু
কাউৰবাহা—	১৫৲৸০	×	১৫৲৸০ পু
সমুচা—	১৫৲৸০	২০ =	১৭৲৸০

শ্রীৰত্নকান্তৰ ভাগৰ :—	খেৰাজ	লাখৰাজ	একুন
ৰৰি গোগ্, ভৰথ, কৰকুচি—	×	৪০	৪০ পু
সমুচা—	×	৪০	৪০

শ্রীধর্ম্মকান্তৰ :—			
সিন্দুৰী ঘোপা শিলভৰালৰ সমুচা	×	৩৬	৩৬
তথা বাজেপ্তী—	৪	×	৪
পাতি দৰঙ্গ নকুচি—	১৬৸৶১৬	×	১৬৸৶১৬
সমুচা—	২০৸৶১৬	৩৬	৫৬৸৶১৬

শ্রীদেবকান্তৰ খাতাৰ

কেন্দুকুচি—	×	২০	২০	পুৰা
সিন্দূৰী ঘোপা, চিলা—	৩৭।৶	×	৩৭।৶	„
মলঙ্গ তথা রুদ্রেশ্বৰৰ—	৯ ১	×	৯ ১	„
সমুচা—	৪৬।৶১	২০	৬৬।৶১	„

শ্রীজয়ন্তী দেব্যা (দুহিতৃ) :—

হাজোৰ খুদ্র কুলহাটী হিডলা দলৰ সমুচা মানৰ ॥০ দুই দোন বাদ—

মৰা-বা সমেত— ×	×	৮৶১৪	৮৶১৪	লেচা
হাজোৰ ডিমৌৰ খেৰাজ—	৪॥৶৪	×	৪॥৶৪	„
উত্তৰ গোহাটীৰ ৰজাদুৱাৰ বস্তি— ঈশৰামৰ (পৰা) খৰিদা 'টোকৰ'				
শৰ্ম্মাৰ দখলী—	।০	×	॥০	দোন
সমুচা—	৪৮৶০	৮৶১৪/০	১৩/১৮	লেচা

শ্রীমতী কালিন্দী নাতিনী :—

পূৰ্ব্বপাৰ বাঙ্গালাবাৰী সমুচা, ৩ বাজেপ্তী	৫৮৶/১৯	৯৶১৬	১৫৶১৫	„

এইমত ভাগ কৰি ফৰ্দ্দপূৰ্ব্বক নামজাৰি কৰি দিবৰ কাৰণ শ্রীকমলাকান্তক চমজাই দিলোঁ। ও চহৰৰ মাটিসকল, সকলোৰে এজ্‌মালিতে—থাকিবৰ কথা কোৱা হ'ল। যথা :—

দক্ষিণ গৌহাটী লতাশিলৰ দুর্গাকান্তৰ নামৰ ইটাখুলী পুখুৰীৰ দক্ষিণ—	।৶০	ঈশৰামৰ (পৰা) খৰিদা :—	
		ৰজাদুৱাৰৰ···২ পুৰা (২ ২॥০ ?)	
	৮৶/	নিজ ঘৰৰ বস্তি—	৩॥৶/৫ লেচা
		দুর্গাকান্তৰ নামৰ পাঁচসনা ম্যাদি—	॥০ বিঘা
		মোট	৩৭॥

অন্তাৰৰ সম্পত্তি বিভাগ কৰা

১২ আশ্বিন বুধবাৰ—ভাঠী যাবৰ মনস্থে অন্তাৰৰ সম্পত্তি ভাগ কৰি দিয়া গল :— ॥ ৯১৪ ॥

শ্রীকমলাকান্তৰ ভাগৰ :—

সোণৰ হীৰা ও ডালিমা পতা বাখৰামি গাম খাৰু—১ জোৰ
পানা-ডালিমা পতা সোণৰ চাৰকলি— ২৬ গোট
সোণৰ হীৰা-ডালিমা পতা মকৰ কুণ্ডল— ১ জোৰ
হীৰা ১১ খন পতন্নালা
বগী সোণৰ আঙ্গুঠি— ১ গোট
বাখৰ পতা বৰ মুকুতা— ১ „
হীৰা পতা পানাৰ লট্‌কণ সহিত সোণৰ কেন্নল দুগ-দুগী ১ খন
সোণৰ বেন্নাৰ খৰিকা চুঙ্গা ১ টা
সোণৰ 'একবৰি' মোহৰ— ১ „ তথা প্রাচীন এক খণ্ড
মাণিকৰ মণি— ১ (ধাৰ ?)
ৰূপৰ গুড়গুড়ী— ১ টা
ৰূপৰ প্রাচীন ফাচ্চি মোহৰ ১টা
পিতলৰ শৰাই— ১ খন

দফা ১৩

শ্রীৰত্নকান্তৰ :—

হীৰা-পানা-ডালিমা পতা সোণৰ গাম খাৰু— ১ জোৰ
হীৰা-ডালিমা পতা সোণৰ আঙ্গুঠি— ১ গোট
মাজত বৰ পানা একখন ও ডালিমা পতা সোণৰ দুগ-দুগী ১ খন
একবৰি টকা ভৰৰ মোহৰ ১ টা
মাণিকৰ মণি— ১ „
সোণৰ ডালিমা পতা দুগ-দুগী— ১ খন
ৰূপৰ কলহ— ১ টা
পিতলৰ শৰাই— ১ খন
লাল মিনাকৰা হীৰা পতা কেৰু — ১ জোৰ

দফা ৯

শ্রীধর্ম্মকান্তৰ :—

সোণৰ হীৰা-ডালিমা পতা
গাম খাৰু— ১ জোৰ
মিনাকৰা মকৰ কুণ্ডল— ১ „
সোনৰ একবৰি মোহৰ— ১ টা
মাজত হীৰা, দুইফালে
ডালিমা পতা আঙুঠি— ১ টা
সোণৰ দানা দুই মেৰীয়া ১ ধাৰ
সোণখতা ৰূপৰ কাপ ঘৰা—১
মাণিকৰ মণি— ১
পানা-ডালিমা পতা বাজু ১
মৰকতৰ আঙুঠি ১
ৰূপৰ বান বাটি— ১
পিতলৰ শৰাই— ১
দফা ১১

শ্রীদেবকান্তৰ ভাগৰ :—

হীৰা-ডালিমা পতা সোণৰ
গাম খাৰু— ১ জোৰ
সোণৰ হাৰ দুই মেৰীয়া—১ ধাৰ
নীল মিনা, হীৰাপতা কেৰু ১ জোৰ
সোণৰ আঙুঠি— ১ গোট
সোণৰ একবৰি মোহৰ— ১ „
মাণিকৰ মণি— ১ „
হীৰা ডালিমা পতা ছোট
দুগ-দুগী সহিত মুকুতা— ১ ধাৰ
ডাঙৰ পোৱাল— ১ গোট
ৰূপৰ বান বাটি— ১ „
দফা ৯

আমাৰ দুহিতৃ শ্রীজয়ন্তীক :—

পূর্ব্বে দিয়া সেয়াই ১২৮৯ সনৰ
৯ জৈষ্ঠত দিয়া—
বাঙ্গালী সোণৰ মোহৰ—১
পানা পতা দুগ-দুগী— ১
১২ আশ্বিন—
সোণৰ মোহৰ— ১
দফা ৩

মোৰ নিজ জন্যে :—

ৰূপৰ তাউবিশ— ১
বৰ পানা, হীৰা ও ডালিমা,
পতা বাজু— ১
পটি দোলাৰ পিতলৰ
দাপ (ণ)—তথা ১ জোৰ
লোহাৰ ঢেকৰ তৈয়াৰী
হীৰা পতা আঙুঠি— ১ গোট
দফা ৫

পূর্ব্বে দিয়া সেয়াই বৰ
দৈণীক দিয়া :—

সোণৰ বেৱাৰ বিবি— ১
ৰূপৰ, বেৱাৰ সোণখতা
আঠ চুকীয়া টেমা— ১
ৰূপৰ বাখৰ পতা টেমী— ১
ৰূপখতা তামৰ টেমা— ১
ভূটীয়া ৰূপখতা টেমা— ১
দফা ৫

শ্রীৰোহিণী নাতিনীক দিয়া :—

১২৮৯ সনৰ ৯ জৈষ্টত দিয়া

সোণৰ বাখৰ পতা কেক—১ জোৰ

একখনি পানাৰ আঙ্গুঠি— ১ গোট

সোণৰ ৰাজামহৰী মোহৰ ।০ সিকি

ৰূপৰ ছোট থাল— ১ খন

দফা ৪

শ্রীকালিন্দী নাতিনীক দিয়া—পূর্ব্বে দিয়া সেয়াই

১২৮৯ সনৰ ৯ জৈষ্টত দিয়া

সোণৰ মোহৰ মহাৰাণীৰ—১

দফা ১

ৰৰ বোৱাৰী শ্রীমাহিন্দ্রীক আগে দিয়া :—

হীৰাপতা আঙ্গুঠি— ১

ৰূপৰ টেমা— ১

দফা ২

শ্রীকালিন্দীৰ পুত্র জন্ম

১৪ আশ্বিন শুক্রবাৰ—শ্রীমতী কালিন্দীৰ পুত্র এটি জন্ম হয়। গণনাত শ্রীকৃষ্ণচন্দ্র নাম হয় ॥ ৯১৫ ॥

হাতী চিকাৰ

এবং হাতী চিকাৰৰ জন্যে, শ্রীপুষ্পধৰ ৰৰকাকতীক হাতী সহিত পঠান যায় ॥ ৯১৬ ॥

১৮ আশ্বিন—আউনীআটী সত্রৰ পৰা শ্রীবিকা নামলগোৱা ভাঠী তীর্থ যাবৰ আছে। আমাৰ সেই লগে যাবৰ যো নহল ॥ ৯১৭ ॥

২৮ আশ্বিন—হলিৰামৰ জীয়েক সহিত শ্রীকেশবকান্তৰ শান্তি বিবাহ হয় ॥ ৯১৮ ॥

১৫ কার্ত্তিক—আমাৰ সম্পত্তিৰ ভাগ কৰা ফর্দ্দ, নগাঞে শ্রীৰত্নকান্ত পাশ পঠাওঁ ॥ ৯১৯ ॥

২৮ কার্ত্তিক—শেষবাৰ ঈশৰাম, কালিন্দীৰ মকর্দ্দমা ঘটাতে, খৰচা বাবতে ইটাৰ গড় আদি সমুদয় বিক্রি কৰে। খৰচা ত্যাগ কৰা গ'ল ॥ ৯২০ ॥

আমি ভাঠী-তীর্থ যাবৰ অনুমতি লোৱা

৩০ কার্ত্তিক—আমি শ্রীকেম্বল সাহেব ডিপুটি কমিচনৰ বাঙ্গালায় যাই, ভাঠী গঁয়া প্রভিতি যাবৰ অনুমতি লওঁ ॥ ৯২১॥

৪ অগ্রায়ণ, ২০ নওম্বব—গোহাটী যাই শ্রীকেম্বল ডিপুটি কমিচনব সহিত কমিটী কবা যায়, ও বাঙ্গালী টিকা দিবব নিয়ম হয় ॥ ৯২২ ॥ বাঙ্গালী টিকা দিবব নিয়ম

১০ অগ্রায়ণ—* * * শ্রীবজনীব বিবাহ * * * দেবহবিব জীয়েক সহিত ঠিক হয় ॥ ৯২৩ ॥ শ্রীবজনীব বিবাহ ঠিক হোৱা

১২ অগ্রায়ণ—ভাঠী গঁয়া যাবব কাবণে, মঞ্চি নান্দীমুখ শ্রাদ্ধ জন্যে হবিষ কবি ১৩ অগ্রায়ণ শ্রাদ্ধ পবিবর্ত্তে ভোজনী (দান) পূর্ব্বক ১৪ অগ্রায়ণ দিবা ৪টা সময় যাত্রা কবি, শ্রীকিনাবাম ও সতা ও শ্রীবামনপতি পাণ্ডা ও নন্দী সহিত, ও জগবন্ধু পাণ্ডা সহিত অশ্বক্রান্তত থাকোঁ ॥ ৯২৪ ॥ তীর্থ কাবণ ভোজনী দান ও যাত্রা

১৬ অগ্রায়ণ, ১ ডিচাম্বব—শ্রীবজনীব দেবহবিব জীয়েক সহিত বিবাহ হয় ॥ ৯২৫ ॥ শ্রীবজনীব বিবাহ

আমি অশ্বক্রান্তত পেন্‌চিনব সাপঙ্কে থাকোঁ। শ্রীববঘৈণী অতি অগত্যা ও আগ্রহ কবি কাতব হোৱাতে, ভাঠী মোব সহিত যাবব অনুমতি দিয়াতে, নাৱত উঠে। ও পেন্‌চিন্ প্রাপ্ত হওঁ ॥ ৯২৬ ॥ শ্রীববঘৈণীক লগত লোৱা

১৭ অগ্রায়ণ—প্রাতসে অশ্বক্রান্তব ব্রহ্মকুণ্ডত স্নান পূর্ব্বক ভাৰী নাৱত সত্‌বাম গুবিয়াল সহিত উঠি বওনা হৈ, ১১ অগ্রায়ণ দিবা ৪টা সময় ধুবুৰী পাই, নাৱতে থাকি, ২৩ অগ্রায়ণ ভাৰী নাউ ত্যাগ পূর্ব্বক, ধুবুৰীব জাহাজত ১০টা সময় উঠি, ২টা সময় যাত্রাপুৰত উঠি, খচকি যাই ধপনা নদী, নাৱত পাব, সন্ধ্যা সময় হোৱাতে, মোব দক্ষিণ ভবিব অনামিকাঙ্গুলিব নখ উঠি কিছো তেজ নির্গত হৈছিল। তদপব বাম উঠি বালিত কিছো-মাম যোৱাতে, কুবিগাঞব নদী পাব হৈ আর্ডাত (আড্ডাত) থাকোঁ। ২৪ অগ্রায়ণ দিবা ৪টা সময় বেলত উঠি, ৮টা সময় কাউনিয়া ষ্টেচন্ পাই, তাতে নৈহাটীলৈ টিকিট্ ৯টা সময় লৈ, বেলত উঠি, তামাম বাতি যাই, পদ্মা নদী পাই জাহাজত উঠি, অশ্বক্রান্তব ব্রহ্মকুণ্ডত স্নান পূর্ব্বক তীর্থ যাত্রা ধুবুৰীত নাউ ত্যাগ ও জাহাজত উঠা বেল যোগে কুবিগাঞ হৈতে কাউনিয়া ও নৈহাটী

২৫ অগ্রায়ণ ৯টা সময় নৈহাটী পাই, গঙ্গাব পূব পাবে থাকোঁ। ও গঙ্গাস্নান কবোঁ ॥ ৯২৭ ॥

২৫ অগ্রায়ণ, ববিবাব—নৈহাটীত থাকি গঙ্গাস্নান পূর্ব্বক হবিষ থাকোঁ ॥ ৯২৮ ॥

গঙ্গাত, ৺মাতৃ ও ৺দুর্গাকান্তব অস্থি খেপন

২৬ অগ্রায়ণ—তীর্থ পার্ব্বণ পবিবর্ত্তে ভোজনী উৎসর্গ ও ৺মাতৃ ও দুর্গাকান্তব অস্থি খেপন কবোঁ। ও ব্রাহ্মণ কয়েক জনক ভোজন কবান যায় ॥ ৯২৯ ॥

হুগ্‌লি হৈতে বৈদ্যনাথ ও বাঁকিপুব বা মিঠাপুব

২৭ অগ্রায়ণ—দিবা ৮টা সময় ৺গঙ্গা পাব হৈ ঘোবাব দুই গাড়ীব দ্বাবা, ববধৈণী সহিত মঞি এক গাড়ীত উঠি হুগ্‌লিব ষ্টেচনে টিকিট লৈ, ৫টা সময় বৈদ্যনাথ পহুচি আর্ডাত (আড্ডাত) বাতি থাকি, ২৮ অগ্রায়ণ মিঠাপুব বা বাঁকিপুবত দুই বাজাত পহুচি, বাতি তাতে থাকোঁ ॥ ৯৩০ ॥

গঁয়া ধাম পহুচা

২৯ অগ্রায়ণ—মিঠাপুব হৈতে ৭টা সময় বেলত বওনা হৈ গঁয়া ধাম ১১টা সময় পাই, শ্রীমতিলাল সেন পাণ্ডাব অনুমতি মতে পাকা ঘবে থাকা যায়। ও হবিষ কবা যায় ॥ ৯৩১ ॥

গঁয়াত স্নান ও পূজা

১ পৌষ—ফল্‌গু, গঁয়া স্নান পূর্ব্বক বালিত যোবশী কবা যায়। শ্রীমতিলাল সেন ওবফে বালগোবিন্দ পাণ্ডাব পাও-পূজা কবা যায় ॥ ৯৩২ ॥

যোবশী পিণ্ড

২ পৌষ—ফল্‌গু স্নান, গঁয়াব বিষ্ণুপদে শ্রীববধৈণী সহিত যোবশী পিণ্ড দিয়া যায় ॥ ৯৩৩ ॥

কল্পবৃক্ষা-দিত পূজা

৩ পৌষ—অক্ষয় কল্পবৃক্ষে যোবশী ও বিষ্ণুপদে যোবশী কবি, পাণ্ডাব সুফল লোবা যায়। ও পাণ্ডাব পাও পূজা কবা যায়। ১০১৲ টাকা দিয়া যায় ॥ ৯৩৪ ॥

ব্রাহ্মণ ভোজন

৪ পৌষ—ব্রাহ্মণ কয়েকজনক ভোজন কবান যায় ও বাতি ক্ষেত্রে যাবব মনস্থ হ'ল ॥ ৯৩৫ ॥

মিঠাপুব

৫ পৌষ—পাণ্ডাক ১০০৲ টাকা দি বিদায় হোবাতে সুফল দিলে। তদপব ষ্টেচনে আহি ১টা সময় টিকিট্ লৈ, ৫টা সময়

মিঠাপুৰ পহুচি বাসাত জল খাই দোস্ৰা বেলে ৰাত্ৰ ১০টা সময় উঠি ৰওনা হৈ, তামাম ৰাতি যাই,—

৬ পৌষ—প্রাতঃকালে বৈদ্যনাথ পোৱা হ'ল। এবং গৰুৰ দুই গাড়ী লৈ পূব তৰফ বৈদ্যনাথে পহুচি পুষ্করণীত স্নান পূর্ব্বক, মহাদেব দর্শন কৰি, জল খাই, পুনৰ আহি বৈদ্যনাথৰ আর্ডাত ভোজন কৰি ৰাতি থাকোঁ॥ ৯৩৬॥ বৈদ্যনাথ

৭ পৌষ—বৈদ্যনাথ হৈতে ১২টা সময় বেলে বৰ দৈণী সহিত উঠি, বৰ্দ্ধমান জেলাৰ ৰাণীগঞ্জ ৪টা সময় পহুচি ৰাতি থাকোঁ। ৰাণীগঞ্জ

৮ পৌষ—(শ্রী) ক্ষেত্রে যাবৰ কাৰণ গৰুৰ দুই গাড়ী ৩৬৲ টাকাত বন্দবস্ত কৰি ৯৲ টাকা দিয়া যায়॥ ৯৩৭॥ গৰুগাড়ীত ভ্রমণ

৯ পৌষ—ৰাণীগঞ্জ হৈতে প্রাতসে এক গৰুৰ গাড়ী হৈতে ৰওনা হৈ, ৰূপনাৰায়ণ ও দামোদৰ নদী পাৰ হৈ জেলা ৰাঁকুৰা ও মেদিনীপুৰ এৰাই কাঞ্চনী নদী পাৰ হৈ যাই,— ৰূপনাৰায়ণ, দামোদৰ নদী, ৰাঁকুৰা মেদিনীপুৰ, কাঞ্চনী নদী

১৯ পৌষ—বৈতৰণী নদী পাৰ ও কটক জেলাৰ জাজ্পুৰ মহকুমা চহৰে থাকোঁ॥ ৯৩৮॥ বৈতৰণী নদী জাজ্পুৰ

২০ পৌষ—বৈতৰণীত স্নান পূর্ব্বক, তর্পণ, সাল্ঙ্কতা ধেনু এক দান কৰি, খড়্খড়ি ও দোলাৰ দ্বাৰা শ্রীৰৰদৈণী সহিত যাই, ব্রহ্মাৰ নির্ম্মিত সৰোবৰে স্নান তর্পণ ও নাভিগঁয়াত শ্রাদ্ধ পিণ্ড দি ৺বিৰজা দেবীক দর্শন ও সেৱা কৰি বাসায় বৈতৰণী আহি, শ্রীগোবিন্দ শর্ম্মা পাণ্ডা প্রভিতিক ভোজন কৰাই, বিদায় হৈ, থাকোঁ॥ ৯৩৯॥ সাল্ঙ্কতা ধেনু দান ব্রহ্মাৰ সৰোবৰ, নাভি গঁয়া ৺বিৰজা দেবী

২১ পৌষ—ৰাত্রি আন্দাজ এক প্রহৰ থাকিতে তথা হৈতে ৰওনা হৈ, মহানদী প্রভিতি পাৰ হৈ,— মহানদী

২৫ পৌষ—৩টা সময় শ্রীক্ষেত্র পহুচি এবং মঞ্জি শ্রীৰৰদৈণী সহিত সুভগা নদী পাৰ হৈ, শ্রীমন্দিৰৰ ধ্বজা দেখি খচকিতে গ'লোঁ। এবং শ্রীমধু মিশ্র অগ্রসাৰী হৈ আহি চন্দন সৰোবৰত শ্রীক্ষেত্র, সুভগা নদী চন্দন সৰোবৰ

১৮নলা চকী সিংহদ্বাৰ ৺ঘুনাথ মহাপাত্ৰ নাটমন্দিৰৰ পৰা সেৱা

পা-মুখ ধুই, ১৮ নলা চকী এৰাই সিংহদ্বাৰ পালোঁ। ও শ্ৰীৰঘুনাথ মহাপাত্ৰ উপস্থিত হোৱাতে সেৱা কৰি তৎসহিত যাই, নাটমন্দিৰৰ পৰা ৺মহাপ্ৰভুক সেৱা দণ্ডবৎ কৰি পশ্চিম গড়ৰ বাহিৰে ওচৰতে পাকা ঘৰত থকা গ'ল ॥ ৯৪০ ॥

মার্কণ্ড হ্ৰদ, মন্দিৰ সোমাই মহাপ্ৰভুক দৰ্শন ও সেৱা

২৬ পৌষ—৺ক্ষেত্ৰধামে মার্কণ্ড হ্ৰদে স্নান পূৰ্ব্বক মহাপ্ৰভুক, মন্দিৰ সোমাই, শ্ৰীবৰঘৈণী সহিত দৰ্শন ও সেৱা কৰোঁ। তদপৰ বৈকুণ্ঠ নামক স্থানে বৰঘৈণী প্ৰভিতি সহিত যাই, মোৰ ও বৰঘৈণীৰ নামে, ১৫০৲ টাকাত ৰোজ এক সেৱৰ আটীকা; ও শ্ৰীকমলাকান্তৰ নামে ৩১৲ টাকাৰ অখণ্ড প্ৰদীপ; ও শ্ৰীৰত্নকান্তৰ ৩২৲ টাকাৰ অখণ্ড প্ৰদীপ; ও শ্ৰীধৰ্ম্মকান্তৰ নামেও ১০৲ টাকাত ৰোজ তোলসীমালা ১ ধাৰ; শ্ৰীদেৱকান্তৰ নামেও ১০৲ টাকাত ৰোজ তোলসীমালা ১ ধাৰ দিবৰ নিয়ম পূৰ্ব্বক বৈকুণ্ঠস্থানত টাকা দি প্ৰভুৰ বহী ও ৰাজাৰ মহাপাত্ৰৰ বহীত লিখাওঁ। এবং পুনৰ—মহাপ্ৰভুৰ মন্দিৰ প্ৰবেশ হৈ সেৱা কৰি বাসায় যাই মহাপ্ৰসাদ ভোজন কৰোঁ ॥ ৯৪১ ॥

ৰোজ আটীকা অখণ্ডপ্ৰদীপ তোলসী মালা নিজৰ ও পৰিয়ালৰ কাৰণ টাকা দি বহীত লিখোৱা

২৭ পৌষ—শ্বেত গঙ্গাত শ্ৰীবৰঘৈণী সহিত স্নান পূৰ্ব্বক, সমুদ্ৰে যাই স্নান পৰিবৰ্ত্তে শান্তি লৈ শ্ৰাদ্ধ ও পিণ্ড দিয়া যায়। তদপৰ সমুদ্ৰৰ তীৰে তীৰে, বালিয়েদি পূৰ্ব্ব তৰফ যাই, বৰঘৈণী সহিতে চন্দ্ৰতীৰ্থ পোৱা গ'ল। তাতে শান্তি-তৰ্পণ কৰা গ'ল। তদপৰ হনুমান ও অঙ্গদৰ মূৰ্ত্তি দেখি, বালি, বালি, পূৰ-উত্তৰ তৰফ যাই, ইন্দ্ৰদ্যুম্ন সৰোবৰ পোৱা গ'ল। তাতে স্নান, শান্তি পূৰ্ব্বক ও তৰ্পণ কৰি বালমাধৱক দৰ্শন ও মহাদেৱ দৰ্শন কৰি কন্ধি অৱতাৰ দৰ্শন কৰি ৺ঘুনুচা দেৱীক দৰ্শন পূৰ্ব্বক, পুনৰ গাড়ীৰ দ্বাৰা ক্ষেত্ৰে আহি, মহাপাত্ৰ ও ব্ৰাহ্মণ কয়েকজনক ভোজন কৰাই কিঞ্চিৎ দক্ষিণা দি বৰঘৈণী

শ্বেত গঙ্গাত স্নান সমুদ্ৰ তীৰত চন্দ্ৰতীৰ্থত শান্তি তৰ্পণ হনুমানাদিৰ মূৰ্ত্তি দৰ্শন কন্ধি অৱতাৰ, ঘুনুচা দেৱী দৰ্শন

সহিত সেবা দণ্ডবৎ কবা যায়। তদপব মহাপাত্র সকলব ঘবে যাই, ঘব চাওঁ। এবং সঙ্গে ববঘৈণীও যায় ॥ ৯৪২ ॥

২৮ পৌষ—অতি প্রভাতে স্নান পূর্ব্বক ববঘৈণী সহিতে মহাপ্রভুব মঠব ভিতব যাই শয্যা সহিত দণ্ডবৎ। তদপব, মহাপ্রভু সিংহাসনে উঠাতে প্রণাম, দণ্ডবৎ ও সিংহাসন সমন্বিতে —প্রদক্ষিণ। বাহিবে আহি বোহিনীকুণ্ডব জল শান্তি লৈ চতুর্ভুজাক ও অক্ষয়বট দর্শন, সেবা কবি, ৺বালমুকুন্দ ও বিমলা-দেবীক, ও কলি ও একাদশী আদি দর্শন কবি, বাসায় আহি শ্রীগদাধব ও শ্রীঅনন্ত ও শ্রীভীমসেন ও শ্রীবঘুনাথ মহাপাত্রক বিদায় হৈ, গধূল সময়, মহাপ্রভুক মঠ সহিত প্রদক্ষিণ কবি আহিলোঁ। ও শ্রীকমলাকান্তব প্রেবিত ১০০৲ টাকাব মণিঅর্ডাব পোৱা গ'ল কিন্তু জগন্নাথপুব লিখাতে কটক জিলাব পবা নিবব কলে ॥ ৯৪৩ ॥

মহাপ্রভুক শয্যাত ও সিংহাসনত দর্শন দণ্ডবৎ
বোহিণী কুণ্ড
চতুর্ভুজা
অক্ষয় বট
৺বালমুকুন্দ
বিমলাদেবী
একাদশী আদি দর্শন
মঠ সহিত মহাপ্রভুক প্রদক্ষিণ
মকৰ সংক্রান্তি

২৯ পৌষ—অদ্য মকব সংক্রান্তি; অনেক লোক জমা হ'ল। ৮৪ বাব প্রভুক প্রদক্ষিণ লোক সকলে কবিছিল। আমি ববঘৈণী সহিতে বাহিবব পবা প্রণাম কবি আহি, বাসায় থাকোঁ। আগত কল্য গোহাটীমুখে বওনা হবব স্থিব কবিলোঁ ॥ ৯৪৪ ॥

মহাপ্রভুক দর্শন প্রণামাদি অন্তে সিংহদ্বাবে ৺পতিত-পাবন প্রভুক দর্শন এবং গৰুগাড়ী যোগে দণ্ড-ভগা নদী পাব হৈ ৺সাক্ষী-গোপালাদি মূর্ত্তি দর্শন নির্ম্মল বাজাব

১ মাঘ—অতি প্রাতসে স্নান পূর্ব্বক, মহাপ্রসাদ গ্রহণ পূর্ব্বক, শ্রীববঘৈণী সহিতে শ্রীমন্দিব প্রবেশ হৈ মহাপ্রভুক দর্শন, প্রণাম ও সিংহাসন সহিত প্রদক্ষিণ কবি, বাহিব আহি, সিংহ-দ্বাবে ৺পতিতপাবন প্রভুক দর্শন, প্রণাম কবি, শ্রীগদাধব প্রভিতি মহাপাত্রক বিদায় হৈ, শ্রীবামনপতি ও শ্রীজগবন্ধু পাণ্ডা সহিত দুই গৰুব গাড়ীতে যাই দণ্ডভগা নদী পাব হৈ, ৺সাক্ষীগোপাল, ৺ভুবনমোহন মূর্ত্তি দর্শন প্রণাম কবি, যাই, সন্ধ্যা সময় নির্ম্মল বাজাবে থাকা যায় ॥ ৯৪৫ ॥

২ মাঘ—তথা হৈতে ৰওনা হৈ ক্রমাৎ যাই, ১১ মাঘ—দুইটা সময় মেদিনীপুৰ জেলা পহুচি, কাঞ্চনী নদী গাড়ীৰ দ্বাৰা পাৰ হৈ এক ঘৰে থাকিবৰ আয়োজন কৰা হ'ল। এবং তথা হইতে খান্দা নদীয়েদি জাহাজ দ্বাৰা কলিকাতা পহুচি, গোহাটী যাবৰ মনস্থ কৰি থাকাতে সন্ধ্যা বাদ হ'ল। ও জাহাজ উত্তৰ পাৰে নাহা ও খান্দাজানতে থাকিবৰ কোৱাতে, ভাত নাখাই জলগ্রহণ পূর্ব্বক, ৰাতি ৯টা সময়, সেই কাঞ্চনী নদী ৰবঘৈণী সহিতে নামি পাৰ হৈ নদীৰ কাখতে কিছো অপেক্ষা কৰি থাকাতে, ১০টা সময় জাহাজ অহাতে, তাতে উঠি তামাম ৰাতি যাই, প্রভাতে উলুবাৰী পাই, তৰাতৰিতে মঞি গঙ্গাস্নান পূর্ব্বক,—

তথা হৈতে মেদিনীপুৰ কাঞ্চনী নদী খান্দা নদী উলুবাৰী গঙ্গাস্নান

১২ মাঘ—দোসৰা জাহাজত উঠি গঙ্গানদীয়েদি উজাই যাই ১২ টা সময় কলিকাতাৰ গৱর্ণৰ সাহেবেৰ বাঙ্গালাৰ কাখত, উঠি ঘোৰাৰ দুই গাড়ী দ্বাৰা ৺কালীঘাট গঙ্গাৰ পাৰত থাকোঁ ॥ ৯৪৬ ॥

কলিকাতা কালীঘাট

১৩ মাঘ—গঙ্গাস্নান ও ৺কালী ঠাকুৰাণীক দর্শন কৰি দিবা ২ টা সময় শিয়ালদহ দুই গাড়ী দ্বাৰা পহুচি, তথায় ৩ টা সময় ৰওনা হৈ, সন্ধ্যা সময় পদ্মা নদী পোৱাতে জাহাজ দ্বাৰা পাৰ হৈ, দোসৰা ৰেলত উঠি, তামাম ৰাতি আহি কাউনিকা পোৱাতে প্রভাত হ'ল ॥ ৯৪৭ ॥

শিয়ালদহ পদ্মা নদী

১৪ মাঘ—কুৰিগ্রাম পহুচি তথায় থাকোঁ ॥ ৯৪৮ ॥

কুৰিগ্রাম

১৫ মাঘ—ৰেলত উঠি কিছোমান যাই, ধপনা নদী পাৰ হৈ খচকিতে যাই, যাত্রাপুৰত জাহাজত উঠি, ৰাতি ৯ টা সময় ধুবুৰী পাই ৰাতি বৃষ্টিতে উঠি এক ঘৰত থকা গ'ল। কিছো খোৱা নহ'ল। বৰ ক্লেশ পোৱা গ'ল ॥ ৯৪৯ ॥

ধপনা নদী হৈতে, যাত্রাপুৰ তথা হৈতে ধুবুৰী

১৬ মাঘ—প্রভাতে মানুহ থবলৈ যোৱা বেঙ্গাৰ নাউ পাই তাতে উঠি ৰওনা হৈ আহি,— ধুবুৰী হৈতে অশ্বক্রান্ত

২৭ মাঘ—জেলা কামৰূপৰ অশ্বক্রান্ত পাই, তাতে থাকি,— ব্রহ্মকুণ্ডত

২৮ মাঘ—ব্রহ্মকুণ্ডত স্নান পূর্ব্বক ঘৰ উঠি ব্রাহ্মণ ৭ জনক ভোজন কৰাই ঘৰ লওঁ ॥ ৯৫০ ॥ স্নান ও গৃহপ্রবেশ

৩ ফাগুন, ১৪ ফেব্রুৱাৰী—গোহাটী যাই, শ্রীশিৱপ্রসাদ মনচুফ সহিত ও হলিৰাম সহিত কাছাৰীত দেখা ॥ ৯৫১ ॥ গোহাটী যাই শিৱ-প্রসাদাদিক দেখা কৰা

৭ ফাগুন—গোহাটী বলৰাম ফোকন পাশ যাই হাতী এটি খৰিদ কৰি লবৰ কথা কওঁ। ও ভৰলু সত্রে যাই ৰাজমেধিক দেখা ও মহাপ্রভুক সেৱা কৰোঁ ॥ ৯৫২ ॥ বলৰাম ফোকন পাশ হাতী কিনা কথা ও ভৰলু সত্রে যোৱা

১২ ফাগুন—গোহাটী যাই, শ্রীকেম্বল সাহেব ডিপুটী কমিচনৰ সহিত দেখা হওঁ ॥ ৯৫৩ ॥ কেম্বল সাহেব সহিত দেখা হোৱা

২ চৈত্র ৱৃহস্পতিবাৰ—শ্রীমতী ৰৰঘৈণী সহিত নগাঞা বোৱাৰী ও শ্রীইন্দুমতীক ও শ্রীকমলাকান্ত ও তস্য ঘৈণী নগাঞে যাবৰ কাৰণে নাৱত উঠি, ৩ চৈত্র—নগাঞে ৰওনা হৈ যায় ॥ ৯৫৪ ॥

২৪ চৈত্র—শ্রীৰৰঘৈণী নগাঞা বোৱাৰীক থৈ, শ্রীইন্দুমতী সহিত নগাঞ হৈতে, দুপ্রহৰ সময় ঘৰ পহুচে। শ্রীকমলা, তস্য ঘৈণী নগাঞত থাকিল ॥ ৯৫৫ ॥

(গ) ১৮০৫ শক। ১২৯০ সন। ১৮৮৩-৮৪ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—শ্রীশ্রীএলিয়ট চীফ্ কমিচনৰৰ ছুটীত শ্রীশ্রীৱার্ড একটিং চীফ্ কমিচনৰ—তহচীলদাৰৰ ১০৲ টাকা ও মণ্ডলৰ ৬৲ টাকা দৰমহা হোৱা—উত্তৰ গুৱাহাটি ৰজাদুৱাৰ পাহাৰত শ্রীকেম্বল সাহেব বঙ্গলা সজোৱা। শ্রীকেম্বল সাহেব বিলাত যোৱা—শ্রীৰত্নক পুৰস্কাৰ দিয়া—কলিকাতাৰ মেলা—শ্রীৰোহিণীৰ (দৌহিত্রীৰ) বিবাহৰ আয়োজন—অন্য ৰ কথা।

ইংৰাজ বিষয়া সকল

শ্রীশ্রীএলিয়েট চীফ্ কমিচনৰ। তেওঁ ছুটী তিনি মাহৰ লোৱাতে, ৱার্ড জজ সাহেব একটিং হয়। ও কেম্বল সাহেব ডিপুটী কমিচনৰ ছুটী লোৱাতে শ্রীপ্রেমকণ একটিং ডিপুটী কমিচনৰ হয়। এবং গত সনৰ নিৰিখ, বেৱস্থা মতে পৰগণা সকল এক এক সনা ম্যাদে বন্দবস্ত কৰিলে॥ ৯৫৬ ॥

পৰগণা বন্দবস্ত

মঞ্জি অসুস্থ

৭ বৈশাগ—মোৰ শৰীৰে দক্ষিণ পার্শ্বে বিচিৰ কাখে ক্রণ এটি হৈ ক্রমাৎ টান হলত,—

১১ বৈশাগ—শ্রীকমলাকান্ত আহিবৰ কাৰণে নগাঞে টেলিগ্রাফ কৰোঁ॥ ৯৫৭ ॥

১৩ বৈশাগ—সতা লণ্ডৱাৰ বাপেক মৰা শুনি নগাঞৰ পৰা বামে আহি পহুচে॥ ৯৫৮ ॥

মাঞি শয্যাগত

১৪ বৈশাগ- মোৰ বেমাৰ হেতু বষাৰ পুত্র শ্রীথানেশ্বৰক অনাওঁ; পহুচে। মঞি শয্যাগত॥ ৯৫৯ ॥

১৬ বৈশাগ—শ্রীকমলাকান্ত বোৱাৰী সহিত পহুচে॥ ৯৬০।

মঞি কিছো আৰাম পাওঁ

১৭ বৈশাগ—থানেশ্বৰ জাৰাতে কিছো আৰাম পাওঁ। সতা, বাপেকৰ কর্ম্ম কৰিব; ঘৰে পঠাওঁ॥ ৯৬১॥

ডম্বকধৰ (ৰৰকাকতী) মেম্বৰ মকৰৰ

২৩ বৈশাগ—উত্তৰ গোহাটীৰ ৰায়ত প্রজাৰ টিকিট মত ডম্বকধৰ মেম্বৰ মকৰৰ হয়॥ ৯৬২ ॥

৮ জৈষ্ট—শ্রীকেম্বল সাহেব ডিপুটী কমিচনৰ বেমাৰ ৰাতে খিলিঙে যাই ॥ ৯৬৩ ॥ কেম্বল সাহেব খিলিং যোৱা

১ আষাড়—প্রেমকণ সাহেব একটিন্ হয় ॥ ৯৬৪ ॥ প্রেমকণ একটিং ডেঃ কমিচনৰ

১০ আষাড়—শ্রীশ্রীএলিয়েট চীফ্ কমিচনৰ তিনি মাহৰ ট লৈ বিলাতে যোৱাতে, হাইট্ (১) জজ সাহেব একটিন্ হৈ লিঙে যায় ॥ ৯৬৫ ॥ শ্রীশ্রীএলিএট বিলাত যোৱা হাইট্ জজ সাহেব একটিং চীফ্ কমিচনৰ

১৯ শ্রাৱণ—কেম্বল সাহেবেৰ ৰেপট অনুসাৰে, মৌজাদাৰ সেই ৪ জন তহচীলদাৰ মকৰৰ কৰে। এবং মণ্ডল ছয় ছয় কা দৰমহায় ঠাকুৰীয়া ন্যায় মকৰৰ হয়। তহচীলদাৰৰ ১০০৲ কা দৰমহা হয় ॥ ৯৬৬ ॥ তহচীলদাৰৰ ১০০৲ টাকা, মণ্ডলৰ ৬ টাকা দৰমহা

১ ভাদ্র—সক্তজনা গোসাঞীৰ পূৰফালৰ পৰ্ব্বতত কেম্বল হেৰ বাঙ্গালা এটি তৈয়াৰ কৰায় ॥ ৯৬৭ ॥ উত্তৰ গোহাটীত কেম্বল সাহেবেৰ বাঙ্গালা

৭ ভাদ্র—বলৰাম ফোকন ফৌত্ হয় ॥ ৯৬৮ ॥ বলৰাম ফোকন ফৌত্

১৯ ভাদ্র—জয়নাথ নাজীৰৰ ঘৰে যাই শ্রীৰোহিণীক বিবাহ ৰৰ বিষয় উত্থাপন কৰোঁ ॥ ৯৬৯ ॥

১১ কার্ত্তিক—শ্রীলেম সাহেব কাম হৈতে অৱসৰ পেনচীন্ বিলাতে যায়, শ্রীৰত্নকান্তক ঘড়ী এটা ও চাৰ্টফিকেট্ দিয়ে ১৭০ ॥ শ্রীলেম সাহেব বিলাত যোৱা শ্রীৰত্নক ঘড়ী ও চাৰ্ট-ফিকেট্ দিয়া

টীকা :—(১) বুৰঞ্জীমতে "হাৰ্ড" হৰ লাগে (Gait's History of Assam) —সম্পাদক

কলিকাতায় মেলা

১৯ অগ্রায়ণ, ৪ ডিচাম্বৰ—অদ্যবধি ফেব্রুৱাৰী মাহত কলিকাতায় মেলা হয়। তদর্থে লোক জন তথায় যায় ॥ ৯৭১

শ্রীৰোহিণীক শ্রীনোমলীত বিবাহ দিবলৈ ঠিক কৰা

১১ চৈত্র—শ্রীৰোহিণীক বিবাহ কৰিবৰ, জয়নাথ নাজীৰ কোৱাতে, বিবাহ পাচোৱাই পাচোৱাই নিয়ে। সেই দো মঞ্জি নিজে জগত সহিত নাজীৰৰ ঘৰে যোৱাতে, পূর্ব্বে ধুবুৰী চলি যোৱা হেতু, মনত বিৰক্ত হৈ শ্রীনোমলীক বিবা দিবৰ ঠিক কৰি,—

বিবাহৰ আয়োজন

১৬ চৈত্র ৰওনা হৈ যাই এক ৰাতি থাকি, কাউৰবাহা কেন্দুকুচি ও বাহনা হৈ, চাউলৰ ও মানুহৰ বন্দবস্ত পূর্ব্বক,—

২৫ চৈত্র—ঘৰ পাওঁ ॥ ৯৭২ ॥

চতুর্থ অধ্যায়

শ্রীশ্রীৱার্ড* সাহেব চীফ্ কমিচনৰ (Sir W. E. Ward, K. C. S. I.

(ক) ১৮০৬ শক। ১২৯১ সন। ১৮৮৪-৮৫ ইং.

বিষয়াদি পৰগণা বন্দবস্ত—শ্রীশ্রীৱার্ড বাঙ্গুলেৰ জজ যায়—তৎকর্ম্মে জন্‌চন্ হোৱা—দৌহিত্রী শ্রীৰোহিণীৰ বিবাহ ঘৰ পোৱা—জুৰী হোৱাত আপত্তি—বিশিষ্ট লোকৰ মৃত্যু উমানন্দৰ মঠৰ ধোৱাঁ—অন্যান্য।

ইংৰাজ বিষয়া সকল পৰগণা বন্দবস্ত

শ্রীশ্রীৱার্ড একটিং চীফ্ কমিচনৰ, ও জন্‌চন সাহেব ৱ কমিচনৰ। ও কেম্বল সাহেব ডিপুটী কমিচনৰ। এওঁ সনৰ নিৰিখ মতে পৰগণাসকল বন্দবস্ত এক এক সনা ম্যা কৰিলে। কিন্তু তহচীলদাৰ কৰিবৰ মতলবে থাকিল ॥ ৯৭৩

টোকা :—"ৱার্ড" মূল পুথিত "ওৱাইত" লিখা আছে।

১ বৈশাগ—দেহিৰাম পাটগিৰি আহি শ্রীৰোহিণীক ধৰাতে ৰোক্ত বিবৰণ কৈ তেওঁলৈ চিঠি লিখাতে উত্তৰ নোপোৱা হেতু শ্রীনোমলীক দিবৰ ঠিক কৰি ১২ বৈশাগ বিবাহ পতা শ্চয় কৰি কলোঁ ॥ ৯৭৪ ॥

শ্রীশ্রীৱার্ড সাহেব বাঙুলে জজ হৈ যোৱা

১ বৈশাগ, ১৩ আপ্‌ৰেল্—শ্রীশ্রীৱার্ড একটিন্ চীফ্ কমিচনৰ ঙুলে একটিং জজ হৈ যায়। তৎকর্ম্মে জনচন্ সাহেব জজ য় ॥ ৯৭৫ ॥

জনচন একটিং চীফ কমিচনৰ

শ্রীৰোহিণীৰ বিবাহ ও বৰ ও কন্যাক দিয়া দ্রব্যজাত

১২ বৈশাগ, ২৩ আপ্‌ৰেল্—অদ্য শ্রীৰোহিণীকে নোমলীক (১), শ্রীটোকৰ শর্ম্মা দ্বাৰা বিবাহ দিয়া গ'ল। বিবাহে ;—

বৰক দিয়া :—

ৰিধ চুৰিয়া চাদৰ— ১ জোৰ
ণ্ঠপতা সোণৰ
ঙ্গুঠি— ১ টা
ক্ষ্মা-অর্ঘা— ১ জোৰ
াম-পিতল— ১ সঁজুলি
লিঙ্গ, তোলী-পাটী,
সনপৰা, আঠুৰা,
াকাপোৰ সমেত— ১ দফা

শ্রীৰোহিণীক দিয়া :—

সোণৰ বাখৰপতা আঙ্গুঠি —৫ টা
সোণৰ মিনাকৰা বাখৰামি ৰবি এটা, সোণৰ বাখৰামি ৰবি প্রৰাল সহিত ৰূপৰ কোতমণি— ১ থোপা
সোণৰ বাখৰামি গলপতা ৮ গোট (চাপ-কলি)— ১ ধাৰ

শ্রীৰোহিণীক দিয়া (ক্রমশঃ)

সোণৰ ওকা ৰিবি ১ গোট, পোৱাল সহিত মণি— ১ থোপা
সোণৰ ওকা ৰিবি ৮ গোট পোৱাল সহিত— ১ ধাৰ
সোণৰ বাখৰামি কেৰু—১ জোৰ
গাত বনকৰা জুৰীয়া কাপোৰ— ১ খন
বাণাৰসী ৰিহা— ১ খন
পাটৰ ৰিহা-মেখেলা— ১ জোৰ
গুণাকটা খনীয়া— ১ খন

আগে দিয়া :—

সোণৰ বাখৰামি কেৰু— ১ জোৰ
একখনি পাণাৰ আঙ্গুঠি—১ টা
সোণৰ বাজা মহৰী মোহৰ— ১ সিকি
সোণৰ চৰণচাৰ সহিত ছোট মুকুতা— ১ ধাৰ
১৪ দফা

॥ ৯৭৬ ॥

টোকা :—(১) অর্থাৎ শ্রীতিলকচন্দ্র শর্ম্মা চাংকাকতীক। —সম্পাদক

জয়নাথ নাজীৰক শ্ৰীৰোহিণীক ফোট্ পিন্ধোৱা দ্ৰব্যাদি ওভতাই দিয়া

৩১ বৈশাগ—জয়নাথ নাজীৰ শ্ৰীৰোহিণীক ফোট্ পিন্ধোৱৰ হেতু, পূৰ্ব্বে দিয়া দ্ৰব্যসকল শ্ৰীকণিকা ও শ্ৰীধৰ্ম্মকান্ত ও শ্ৰীভূমি দ্বাৰা ১১ দফা মান চমজাই দিয়া গ'ল ॥ ৯৭৭ ॥

ঘৰ-পোৱাত ঈশৰামৰ খৰিদা মাটিত থকাৰ মনস্থ

১ জৈষ্ট, ১৩ মেই, দিবা ১১টা সময়, মঞি ভাত খাই ঘৰঘৰতে শোৱাঠাই, শয়ন কৰিছিলোঁ। শ্ৰীঘৰঘৈণীয়ে চোত মহ ঘৰৰ তিৰোতালোকৰ দ্বাৰা চাকি নৈবেদ্য দি গোপিনী সভ কৰিছিল। সভা সাং হ'ল, এনেতে মাৰল ঘৰৰ মূধত—'দুই জুই'—বুলি চিৎকাৰ কৰাতে তৰাতৰি কৰি, মঞি উঠি তৰ দেখিলোঁ যে মাৰল ঘৰৰ মূধত জুই লাগি এটা ঘৰজাপিৰ সম পুৰিছে। সকুৰাম বন্ধা প্ৰভিতিক তোলি দিলো হয়, জুই নুম নোৱাৰিলে। সকলো ঘৰ পুৰিলে। ঘৰ ঘৰৰ কোঠাত লোহৰ পেৰা আছিল, পুৰিব নহল। অন্য সকল পুৰিলে, কেৱল বাহিৰ বেই ওলিয়ালে। পাচে, ৰাতি তাতে চালি দুই ডোখৰ ৰ থকা হ'ল। কিন্তু তাত নানা কাৰণে থকা অসাধ্য বিবেচন শ্ৰীকমলাকান্ত সহিত কৰি, ঈশৰামৰ খৰিদা মাটিতে ঘৰ সা থাকাৰ মনস্থ হ'ল ॥ ৯৭৮ ॥

২ জৈষ্ট, ১৪ মেই—শ্ৰীলক্ষ্মীকান্তৰ ঘৰত, শ্ৰীঘৰঘৈ প্ৰভিতি সহিতে আহি, খৰিদা মাটিতে ঘৰ সাজিবৰ আৰ কৰা গ'ল ॥ ৯৭৯ ॥

শ্ৰীনোমলীক ইংৰাজী পঢ়োৱা

১৬ জৈষ্ট—ইংৰেজী পঢ়িবৰ কাৰণে, শ্ৰীনোমলীক নগাঞে শ্ৰীৰত্নকান্ত পাশ পঠাওঁ ॥ ৯৮০ ॥

জজ সাহেবৰ পাশ জুৰি হোৱাত আপত্তি দৰ্শন

২৫ আষাৰ ৮ জুলাই—জুৰিৰ জন্যে শ্ৰীজনচন্ জজ সাহেবে পাশ হাজিৰ হৈ, মোৰ ৬০ বৎসৰ উত্তীৰ্ণ হোৱাত, কাৰ্য্যবি আইনেৰ ৩১৯ ধাৰা ও ২৭৮ ধাৰা মতে, জুৰি হয়িতে নাপাৰা আপত্ত্য পূৰ্ব্বক এক দৰখাস্ত দিয়াতে, মোক চাই জুৰি হৈ নাম ছাট দিবৰ হুকুম দিলে ॥ ৯৮১ ॥

১৯ শ্রাবণ—শ্রীবৰঘৈণী ও শ্রীদেবকান্ত ও শ্রীইন্দুক নগাঞে ৰওনা কৰি পঠাওঁ ॥ ৯৮২ ॥

২১ শ্রাবণ—ফিৰিঙ্গী (১) সহিত বজাদুৰাব বস্তি মাটি বদলা-বদলি কৰি দলীল ৰেজষ্টৰি হয় এবং ফিৰিঙ্গী বিলাইব ঘৰ তোলি নি তাৰ বদলি আলিব কাথত ঘৰ কৰে ॥ ৯৮৩ ॥

৩ ভাদ্র—নগাঞে শ্রীৰত্নকান্তৰ পুত্র এটি জন্ম হয়; চিঠি পাওঁ ॥ ৯৮৪ ॥ শ্রীৰত্নৰ পুত্র জন্ম,

১৭ আশ্বিন—খৰিদা মাটিত টিনৰ মাৰল ঘৰ ও শ্রীকমলা ও শ্রীৰ্ম্মৰ খেৰী (২) ঘৰ হোৱাতে লক্ষ্মীকান্তৰ ঘৰৰ পৰা উঠি মাৰল ঘৰতে থাকোঁ ॥ ৯৮৫ ॥ খৰিদা মাটিৰ ঘৰলৈ অহা

সুৰকান্তৰ স্ত্রী বৃন্দা বোৱাৰী ভাঠী তীর্থ যাবৰ কাৰণে তেনায়াৰ নাৱত ভটায়াই আহি পওচাতে, ঘৰে তোলা আনো ও শ্রীকমলাকান্ত(ৰ) ফালে থাকে ॥ ৯৮৬ ॥

৯ অগ্রায়ণ—শ্রীৰবঘৈণী, শ্রীইন্দু ও শ্রীদেবকান্ত সহিত সন্ধ্যা পূর্ব্বে পহুচে ॥ ৯৮৭ ॥ তীর্থযাত্রে মহাফেজনী ও সুৰকান্তৰ স্ত্রী বৃন্দা বোৱাৰী

১৮ অগ্রায়ণ—মহাফেজনী ও সুৰকান্তৰ স্ত্রী বৃন্দা বোৱাৰী ভাঠী যায় ॥ ৯৮৮ ॥ মাধৱ শর্ম্মা অধ্যাপক

৯ পৌষ—মাধৱ শর্ম্মা অধ্যাপক বেনাৰ পৰি ঘৰে যোৱাতে তস্য ঘৰে ফৌত্ হয় ॥ ৯৮৯ ॥ ফৌত্

২০ মাঘ—দুলাল বাবুৰ পুতেকৰ ললিতৰ জোঁয়েক সহিত, বিবাহৰ বৰ সজাতে, সন্ধ্যা সময়, দুলালৰ গোহাটীত ঘৰ পোৱে, তথাপি ঐ বোজ ৰাতি বিবাহ কৰালে ॥ ৯৯০ ॥ দুবাৰ, বিবাহৰ দিন ঘৰ পোৱাতো বিবাহ সম্পাদন

টীকা :—(১) ফিৰিঙ্গী, ব্যক্তিগত ঘৰৰা নাম। জাতিবাচক নহয়।

(২) খেৰী—মূল পুথিত "খেওৰি" আছে।

চীফ্ কমিচনৰ এলিয়ত বিলাত যোৱা

২৯ মাঘ (১)—শ্রীশ্রীএলিয়ট চীফ কমিচনৰ সাহেব ছুটী লৈ বিলাতে যাব। তৎকর্ম্মে ৱার্ড জজ সাহেব, হব শুনা যায় ॥ ৯৯১ ॥

উমানন্দ মঠৰ পৰা ধোৱা ওলোৱা

১৭ ফাগুণ—৺উমানন্দ ঠাকুৰৰ মঠৰ পৰা বহু ধোৱা বাহিৰ হৈছিল ও শিৱলিঙ্গ লৰিছিল ॥ ৯৯২ ॥

আউনী-আটীয়া ধর্ম্মেশ্বৰ শর্ম্মা ডেকা গোসাঞীৰ মৃত্যু

২৬ ফাগুণ, ৮ মার্চ্চ, ৰবিবাৰ—আউনী আটীয়া ধর্ম্মেশ্বৰ শর্ম্মা ডেকা গোসাঞীৰ মাজোলীৰ সত্ৰৰ ঘাটে মৃত হয় ॥ ৯৯৩ ॥

২ চৈত্র—নগাঞে শ্রীযদুকান্ত ফৌজদাৰী চেৰস্তাদাৰ নতুন বন্দবস্তে মকৰৰ হয়। দৰমহা ২০৲ টাকা কমতি হ'ল ॥ ৯৯৪ ॥

চূড়ামণি যোগহেঁতু স্নান

১৮ চৈত্র—চন্দ্রগ্রহণ ৰাত্রি চুড়ামণি যোগ হয়। উপবাসে থাকি, শ্রীৰৰঘৈণী প্রভিতি সহিতে ব্রহ্মপুত্রৰ ঘাটেতে স্নান কৰা গ'ল। কিন্তু ৰৰ বতাহ ৰৰযুণ হেতু কেৱল স্নান মাত্র হ'ল ॥ ৯৯৫ ॥

(খ) ১৮০৭ শক। ১২৯২ সন। ১৮৮৫-৮৬ ইং

বিষয়াদি—পৰগণা বন্দবস্ত—কাবেলে ৰুছিয়া প্রবেশ—কন্দর্পেশ্বৰ ৰাজাৰ পুত্র কুমুদেশ্বৰৰ মৃত্যু—ৰৰঘৈণীৰ হৃদয়ৰ কথা গৌৰীকান্তৰ স্ত্রী মৃত হোৱাতে ৰৰঘৈণীৰ আক্ষেপ—ৰৰঘৈণীৰ শেষ সেৱা ও মৃত্যু—শ্রাদ্ধাদি কর্ম্ম—অন্যান্য কথা।

ইংৰাজ বিষয়া সকল পৰগণা বন্দবস্ত কেম্বল

শ্রীশ্রীৱার্ড একটিং চীফ কমিচনৰ ও জনচন্ সাহেব জজ-কমিচনৰ। ও কামৰূপে কেম্বল সাহেব ডিপুটী কমিচনৰ। এওঁ সাহেব তহচীলদাৰ মকৰৰ হোৱা পৰগণা সেৱাই। অন্য

টোকা :—(১) ২৯ মাঘ—মূল পুথিত ১৯ মাঘ, বোধ হয় ভুলকৈ লিখা আছে। —সম্পাদক।

সকল পৰগণা গত সনৰ নিৰিখ মতে, এক এক সনা ম্যাদে বন্দবস্ত কৰিলে ॥ ৯৯৬ ॥

* * * *

সাহেব বিলাত যোৱাত শ্রীহিমু সাহেব ডেঃ কমি-চনৰ হোৱা কছিয়া কাবেলত প্রবেশ টিনৰ নতুন ঘৰঘৰ লোৱা

৬ বৈশাগ, ১৮ আপ্‌ৰেল—কেম্বল সাহেব, বিষৰ বেদনা হোৱাতে, ছুটীতে বিলাত যাব হেতু শ্রীহিমু (১) সাহেব একটিং হব হেতু, গৌহাটী আহি কেম্বল সাহেবেৰ বাঙ্গালাত থাকে ॥ ৯৯৭ ॥

৭ বৈশাগ, ১৯ আপ্‌ৰেল—"কছিয়া আহি কাবেল (২) প্রবেশ হোৱা শুনা যায় ॥ ৯৯৮ ॥

১৫ বৈশাগ—অদ্য টিনৰ ঘৰ ঘৰত শান্তি-স্বস্ত্যয়ণ ও ব্রাহ্মণ-ভোজন কৰাই শ্রীঘৰঘৈণী সহিত লোৱা যায় ॥ ৯৯৯ ॥

শ্রীহিমু সাহেব ডেঃ কমিচনৰ চার্জ্জ লোৱা ব্রাহ্মণ, দৈবজ্ঞ সমান, ৰেপট্

১৭ বৈশাগ, ২৯ আপ্‌ৰেল—শ্রীকেম্বল সাহেব বিষৰ বেদনাত, ছুটীতে বিলাত যাব হেতু শ্রীহিমু সাহেবকে চার্জ্জ দিয়ে। * * * এবং দৈবজ্ঞক হীন বুলি (ঘৰপেটাৰ) ৰেপট্ নাকচ্ কৰি, ব্রাহ্মণ, দৈবজ্ঞ সমান হোৱা, চীফ্ কমিচনৰ পাশ ৰেপট্ কৰে ॥ ১০০০ ॥

১৮ বৈশাগ, ৩০ আপ্‌ৰেল—শ্রীকেম্বল সাহেব ভাঠী যায় ॥ ১০০১ ॥

পুত্র প্রভিতিৰ হকে সাহেবত কোৱা কন্দর্পেশ্বৰ ৰাজাৰ পুত্র কুমুদেশ্বৰ মৃত। ৰাণী ৰত্নেশ্বৰীক সান্ত্বনা

১ জৈষ্ঠ—শ্রীহিমু সাহেব পাশ, অথচ কেম্বল সাহেবেৰ বাঙ্গালায় থাকাতে কথোপকথন হওঁ। ও শ্রীৰত্নকান্ত প্রভিতি পুত্রৰ কথা কওঁ ॥ ১০০২ ॥

২২ জৈষ্ঠ, ৩ জুন—কন্দর্পেশ্বৰ ৰাজাৰ ৰাণী ৰত্নেশ্বৰী পাশ যাওঁ। তৎপুত্র কুমুদেশ্বৰ চিল্‌হটত, ১৯ জৈষ্ঠ, ৩১ মেই, ৰবিবাৰ, ফৌত্ হোৱা কথা কৈ, আমি সান্ত্বনা পূর্ব্বক, শ্রীকেশৰ কান্ত যুবৰাজ পাশ যাওঁ ॥ ১০০৩ ॥

টোকা :—(১) কাবেল—কাবুল। Kabul.
(২) Colonel Hannay.

১৫ আষাঢ়—শ্রীৰত্নকান্ত নগাওঁ হৈতে সপৰিবাৰ পলচে ॥ ১০০৪ ॥

শ্রীহিনু সাহেবত কছিয়াৰ কথা সোধা

১৮ আষাঢ়, ১ জুলাই—মঞি গোহাটী যাই, শ্রীহিনু সাহেব সহিত কথোপকথন (হওঁ) এবং "কছিয়া"ৰ কথা সোধোঁ। ॥ ১০০৫ ॥

পুত্ৰ সকলক ভাগৰ বস্তু চমজাই দিয়া

১৮ শ্রাৱণ, ২ আগষ্ট ৰবিবাৰ—শ্রীকমলাকান্ত ও শ্রীৰত্নকান্ত ও শ্রীধৰ্ম্মকান্ত ও শ্রীদেৱকান্তকে, আগৰ বিভাগৰ ফৰ্দ্দমত গহনা চমজাই দিওঁ। ও লোহাৰ পেৰাত, ভাগ ভাগ, মত থোৱা যায় ॥ ১০০৬ ॥

শ্রীৰত্নৰ ধাৰ শুজা জন্য শ্রীশ্রীআউ-নীআটীয়া গোসাঞীৰ পৰা ধাৰ কৰা

২৬ শ্রাৱণ—শ্রীৰত্নকান্তৰ নগাঞে ৩৫০০৲ টাকা ধাৰ হোৱাতে ও এটা ফৰ্দ্দ মোক দিয়াতে, ৰৰ বিৰক্ত হলোঁ এবং ধাৰ শুজা জন্য, টাকা ধাৰৰ নিমিত্তে শ্রীশ্রীআউনীআটীয়া গোসাঞীকে চিঠি লিখোঁ। ও বেমাৰ, দিবা ২টা সময় উপস্থিত হয় ॥ ১০০৭ ॥

অশ্বক্রান্তত বাস

৯ ভাদ্র—মঞি অশ্বক্রান্তত বাস কৰি থাকোঁ। শ্রীৰঘু শৰ্ম্মা ৰাজমেধি সহিত কথোপকথন (হয়) ॥ ১০০৮ ॥

ঘৰে অহা

১৪ ভাদ্র—পুনঃ ঘৰে আহোঁ ॥ ১০০৯ ॥

পশু শৰ্ম্মা ফৌত্

২৭ ভাদ্র শুক্রৰাৰ—ৰাতি "টোকৰ" (১) ওৰফে পশু ৰাম ফৌত্ হয় ॥ ১০১০ ॥

শ্রীৰত্নক ভাগৰ দ্রব্য ও ভাঠী যাবৰ টাকা দিয়া শ্রীৰত্নকান্ত গঙ্গাস্নান ও

৮ আশ্বিন—শ্রীৰত্নকান্তকে ফৰ্দ্দ মত ভাগ দ্রব্যসকল চমজাই দিলোঁ। ও ভাঠী যাবে খোজাতে নগদ ৪০০৲ টকা দিলোঁ ॥ ১০১১ ॥

২৩ আশ্বিন—শ্রীৰত্নকান্ত গঙ্গাস্নান ও চিকিৎসা কাৰণ ভাঠী যাব। তদ্ সঙ্গে শ্রীচন্দ্রকান্ত যাবৰ কাৰণে ২ মাহৰ মণ্ডলী

টোকা :—(১) "টোকৰ" = ঘৰত মতা উপকৰা নাম। ব্যক্তিবাচক, জাতিবাচক নহয়।

কর্ম্মৰ, ছুটী, শ্রীশৰৎ চন্দ্র বাবুৰ দ্বাৰা লোৱাই, "দুখী" লগুৱা সহিত— চিকিৎসা জন্য ভাঠী যোৱা

২৫ আশ্বিন যাত্রা কৰি গোহাটীত থাকে। ও—

২৮ আশ্বিন অতি ভোৰে জাহাজত কলিকাতা যায়॥ ১০১২॥

৬ কার্ত্তিক, ২১ আক্টুবৰ—শ্রীৰত্নকান্তৰ চিঠি পাওঁ—৩০ আশ্বিন কলিকতা পহুচা॥ ১০১৩॥ শ্রীৰত্নৰ কলিকাতা পহুচা

৯ কার্ত্তিক—দিবা ৮॥ সময়, শ্রীৰোহিণী যুবৎ হয়॥ ১০১৪॥ শ্রীৰোহিণী যুবৎ

১১ কার্ত্তিক—শ্রীৰত্নকান্তৰ চিঠি পাওঁ, কলিকাতাৰ সূর্য্য কুমাৰ সর্ব্বাধিকাৰ ডাক্তৰৰ দ্বাৰা চিকিৎসা কৰা বাবত॥ ১০১৫॥ ডাঃ সূর্য্য-কুমাৰ সর্ব্বা-ধিকাৰৰ চিকিৎসাত শ্রীৰত্ন

২৬ কার্ত্তিক—শ্রীকেম্বল সাহেৰ ভাঠীৰ পৰা অহাত, তেওঁ সহিত দেখা হওঁ॥ ১০১৬॥ শ্রীকেম্বল ভাঠীৰ পৰা ঘুৰি অহা

২৯ কার্ত্তিক—শ্রীৰৰৈণী ও শ্রীৰোহিণী ও শ্রীইন্দুমতী, মঞি গোহাটীত থকাতে, শ্রীকেশৰকান্ত যুৱৰাজৰ ঘৰে ও কুকুৰমূতাৰ (১) শ্রীমাধৱৰামৰ (ৰৱদলৈৰ) ঘৰে যাই, মোৰ শয়ন ঘৰে যাই উপস্থিত হোৱাতে, পাৰ হৈ একত্রে উত্তৰ পাৰৰ ঘৰে আহোঁ॥ ১০১৭॥ শ্রীৰৰৈণী আদিৰ কেশৱকান্ত যুৱৰাজ আদিৰ ঘৰ দেখা

১৪ অগ্রায়ণ—শ্রীৰত্নকান্তৰ চিঠি পাওঁ,—২১ নওম্বৰ ইস্তক, শ্রীচন্দ্রকিশোৰ (সেন) কবিৰাজৰ (২৯ নং কলুটোলা ষ্ট্রীট, কলিকাতাৰ) চিকিৎসা কৰা বাবত॥ ১০১৮॥ কলিকাতাত কবিৰাজ চন্দ্রকিশোৰৰ চিকিৎসাত শ্রীৰত্ন

২৮ অগ্রায়ণ—শ্রীৰত্নকান্তৰ চিঠি পাওঁ,—চিকিৎসা দ্বাৰা আৰাম পোৱাতে। আহিবৰ কাৰণ, টাকা পাঠান বাবত॥১০১৯॥ শ্রীৰত্ন আৰাম পোৱা

টোকা :—(১) 'কুকুৰমূতা'=বর্ত্তমান "শিলপুখুৰী" বুলি জনাজাত।—সম্পাদক।

মান ৰজা "থিবো" বন্দী

২৮ অগ্রায়ণ—মানৰ মলুক ইংৰেজে দখল কৰি "থিবো" ৰাজাক ধৰি নিয়ে ॥ ১০২০ ॥

১৪ পৌষ—শ্রীৰত্নকান্তৰ চিঠি পাওঁ,—শৰীৰ আৰাম হোৱা ॥ ১০২১ ॥

আৰাম পাই, শ্রীৰত্ন ঘৰে অহা

১৮ পৌষ—১ জানুৱাৰী শ্রীৰত্নকান্ত, শ্রীচন্দ্রকান্ত সহিত ঘৰ পহুচে ॥ ১০২২ ॥

শ্রীবিৰজাৰ উপনয়ন

২৬ মাঘ—শ্রীবিৰজাক লক্ষ্মীকান্তে উপনয়ন দিয়ে ॥১০২৩॥

শ্রীৰৱঘৈণীৰ হৃদয়ৰ কথা

শ্রীৰৱঘৈণীৰ তাগাদা অর্থাৎ "দিনকাল বিসদৃশ (হ'ল)। সৰু লৰাটিক বিবাহ কৰাই, তোমি আমি ভাঠী বৃন্দাবনত থাকোঁগৈ। তাতে, মঞি কালপ্রাপ্ত হলে, যমুনা নদীত টানি পেলাই দিবা। অথবা য'তে মৰোঁ, ত'তে থাকিম ; কর্ম্ম-কার্য্য কৰিব নালাগে। সম্প্রতি, বিবাহ কৰাই এই কাণ্ডৰ জঞ্জাল্ ভাঙ্গো।" এই বুলি তাগাদা কৰাতে বিবাহৰ উদ্যম কৰোঁ ॥১০২৪॥

ৰৱ ঘৰৱ ভেঁটিত সোণ পোৱা শুনা

৬ ফাগুন—ৰৱঘৰৱ ভেঁটিৰ মাটি আদি কাটাতে, সোণ পোৱা, অথচ দেহিৰাম মিস্ত্রিৰীয়ে সোণ পাই নিয়া, শুকুৰ মুখে শুনোঁ ॥ ১০২৫ ॥

৮ ফাগুন—শ্রীগৌৰীকান্তৰ স্ত্রী কেতেকীৰ ভেদ-বমি হোৱাতে,— ॥১০২৬॥

৯ ফাগুন—শনিবাৰ, শ্রীৰৱঘৈণী মোত্ সুধি, দেখিবলৈ যায়। আহি ৰাতি জ্বৰ হ'ল। হাতত কিছো বিষ আগৰে আছিল। তথাপি উঠি-লৰি ফুৰিছিল। এবং ঔষধো খোৱান গৈছিল ॥ ১০২৭ ॥

শ্রীগৌৰী-কান্তৰ স্ত্রী কেতেকীৰ মৃত্যু

১৩ ফাগুন—বুধবাৰ প্রাতসে শ্রীগৌৰীকান্তৰ স্ত্রী কেতেকীৰ মৃত্যু হ'ল। মঞি যাই, দিহা কৰি নিয়াই, শ্রীগৌৰীকান্তৰ দ্বাৰা অগ্নিকর্ম্ম (কৰোৱা) হ'ল। সেই সময়, চন্দ্রকান্ত নাই, ৰঙিয়াত আছিল ॥ ১০২৮ ॥

তদপৰ মঞি স্নান পূর্ব্বক, শ্রীৰৱঘৈণী মাৰল ঘৰতে শয়ন কৰি থাকাতে, কাখতে বহাতে, সুধিলে, "সকৈণী চুকাল।

শ্রীদেৱকান্তৰ বিবাহৰ কি হ'ল ?" মঞি কলোঁ, "তেওঁ ঢুকাল। বিবাহৰ সকল আয়োজন হৈছে। কেবল গাখীৰ মাত্র লগোৱা নাই। তোমি কি কৰা ?" এনে কোৱাতে হুমিয়াহ কাঢ়ি থাকিল। মঞি ৰৱঘৈণীক চাই জ্বৰ শক্ত দেখি শ্রীকমলাক, ঔষধ চাই খোৱাবৰ কলোঁ। কিন্তু ৰৱঘৈণীয়ে টান অমৃত পৰা ঔষধ খোৱাবৰ বাৰ বাৰ নিষেধ কৰি কৈছিল। ৰাত্রি, ৰৱ ঘৈণীৰ জলদোষ মত হৈ, কফৰ আশ্রয় হোৱাতে মাৰল ঘৰতে থাকি ঔষধ খোৱাইছিলোঁ। নাড়ি বিষম পাই, প্রভাতে শ্রীধর্ম্মকান্তৰ দ্বাৰা মহাফেজনীক মতাই আনি মৃত্যুমঙ্গল আয়োজন কৰি ৰৱঘৈণী পাশ যোৱাতে, সজ্ঞানে মোক বিহুৱান দি সেৱা কৰি,—

ৰৱঘৈণীৰ আক্ষেপ

ৰৱঘৈণীৰ শেষ সেৱা

১৪ ফাগুন—বৃহস্পতিবাৰ বেলা দুইটা সময় সজ্ঞানে (ৰৱঘৈণীয়ে) শৰীৰ এৰিলে। শ্রীকমলাকান্ত প্রভিতিৰ দ্বাৰা অশ্বক্রান্তে, অতি সমাৰোহে নি, শ্রীকমলাই অগ্নিকর্ম্ম কৰিলে ও কর্ম্ম ধৰিলে ॥ ১০২৯ ॥

ৰৱঘৈণীয়ে শৰীৰ এৰা, সমাৰোহে অগ্নিকর্ম্ম

২৩ ফাগুন—অষ্টাদশ দান সহিত কর্ম্ম কৰান যায় ॥১০৩০॥

২৪ ফাগুন—শ্রীযোগেশ্বৰ শর্ম্মা ও শ্রীপূর্ণ শর্ম্মা পুৰুহিত (দ্বাৰা) সপিণ্ডণ কৰান যায় ॥ ১০৩১ ॥

২৫ ফাগুন—ভোজ, জ্ঞাতি ব্রাহ্মণক দিয়া যায় ॥ ১০৩২ ॥

শ্রাদ্ধাদি কর্ম্ম

২ চৈত্র—দেহিৰাম মিস্তিৰী ঈশৰাম সহিত গোট খাই শ্রীকিনাৰামে সোণ পোৱা বুলি, কিছো সোণ দাখিল কৰি, শ্রীকিনাৰামৰ পৰ মকর্দ্দমা কৰাতে, শ্রীমথুৰ বাবু ইন্‌চ্‌পেক্টৰ আহি মোৰ ঘৰতে বহি বিচাৰ কৰি যায় ॥ ১০৩৩ ॥

সোণপোৱা মকর্দ্দমা

৮ চৈত্র—গোহাটী কেম্বল সাহেবেৰ বাঙ্গালায় যাই, দেখা হৈ, বাসায় জিৰাই, হলিৰাম মনচুক সহিত সোণাৰাম পেচ্‌কাৰৰ ফাকুৰা চাৰ যাওঁ ও ঘৰে আহোঁ ॥ ১০৩৪ ॥

গোহাটীত সাহেব মনচুক আদিক দেখা হোৱা

সোণাৰাম পেচ্‌কাৰৰ ফাকুৱা চোৱা সোণপোৱা মকৰ্দ্দমা বহাগ বিহু

২৩ চৈত্ৰ—ৰামা চেৰস্তাদাৰ আহি, সোণ পোৱা মকৰ্দ্দমা তহকীক কৰি যায় ॥ ১০৩৫ ॥

৩১ চৈত্ৰ—বিহু ; ঘৰে থাকোঁ ॥ ১০৩৬ ॥

(গ) ১৮০৮ শক। ১২৯৩ সন। ১৮৮৬-৮৭ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—বংশত জন্ম, মৃত্যু, বিবাহাদি—শ্ৰীৰোহিণীক শান্তি দিয়া—বিশেষ লোক সকলৰ মৃত্যু—ঘৃতাদিত মিহল হেতু দণ্ড—উত্তৰ গুৱাহাটীৰ সংস্কৃত স্কুল—মহাৰাণীৰ ৫০ বৎসৰ ৰাজত্বিৰ উৎসব—ইংলেজৰ শ্ৰীক্ষেত্ৰ ত্যাগ—'মুনচিপলৰ' টেক্স্—পানীকলৰ সাহেব—অন্যান্য।

ইংৰাজ বিষয়াসকল পৰগণা বন্দবস্ত ললিতচন্দ্ৰৰ (প্ৰথমা) স্ত্ৰী, জয়নাথ নাজীৰৰ জীয়েক পিয়াহ-সিৰা ৰোগত মৃত ৺কুশদেও গোসাঞীৰ তিথি

শ্ৰীশ্ৰীৱার্ড একটিং চীফ্ কমিচনৰ ও শ্ৰীজন্‌চন্ সাহেব জজ-কমিচনৰ। কামৰূপে, শ্ৰীকেম্বল সাহেব ডিপুটী কমিচনৰ। এওঁ তহচীলদাৰ হোৱা পৰগণা সেয়াই। অন্যসকল পৰগণা গত সনৰ নিৰিখ মতে, এক এক সনা ম্যাদে, বন্দবস্ত কৰিলে ॥১০৩৭॥

জয়নাথ নাজীৰৰ জীয়েক ৰত্নীৰ (১) পিয়াহত সিৰা হয়। ঐ সিৰা, ৰঘুনাথ ডাক্তৰ, কাটি দিয়াতে, ২ বৈশাগ বুধবাৰ ফৌত হয় : দিবা ৩টা সময় ॥ ১০৩৮ ॥

৬ বৈশাগ—৺কুশদেও গোসাঞীৰ পূৰ্ণিমা তিথি ; অশ্বক্ৰান্তে যাই সেৱা কৰি আহোঁ ॥ ১০৩৯ ॥

টোকা :—(১) ৺ৰত্নী ৺ললিতচন্দ্ৰ ৰৱদলৈৰ প্ৰথমা ভাৰ্য্যা। দ্বিতীয়া ভাৰ্য্যা ৺ইন্দুমতী, ৺ৰত্ন তহচীলদাৰৰ দুহিতৃ আৰু সম্পাদকৰ মাতৃ।

—সম্পাদক

৯ বৈশাগ—থুলুকীর বেমার দেখির তস্য ঘরে যাওঁ ॥১০৪০॥

১৩ বৈশাগ—গোহাটী যাই, কাঞ্চাপটি যাওঁ। ও হরিচন্দ্র চাকি মুন্‌চুফ্‌ পাশ যাই, শ্রীসাধন সাজতোলার টেক্স্‌ মাফ্‌ দিবর কথা কওঁ ॥ ১০৪১ ॥

এই আপ্‌বেল মাহর পরা, বৎসর পাঁচ শও টাকার উর্দ্ধ আয়র পর, ফি টাকায়, পাঁচ পাই, ইন্‌কম্‌ টেক্স লগাই একজন মহরির মকরর্‌ হয় ও আমলা পেনচিনদার সকলর, সরকারর পরা কাটি নি, অবশিষ্ট দিয়ে ॥ ১০৪২ ॥

২৪ বৈশাগ—শ্রীরোহিণীক শ্রীজগতর দ্বারা শ্রীনোমলীক শান্তি দি, অলঙ্কার সহিত উলিয়াই দিওঁ :—

[illegible]সপীরা—	১	ধুতি কাপোর :—	
[illegible]গাচার—	১	ছাতিনর মেখলা—	১
কণ্ঠ—	১	তচরর বিহা—	১
[illegible]লী—	১	বেপর—	১
[illegible]ত পরা—	১	হাতী-দাঁতর কাকৈ—	১
[illegible]টা—	১	তথা ফণি—	১
[illegible]ঠুরা—	১	চাবিখনীযা ছুরী—	১
[illegible]মলাই চাদর—	১	আয়নাদিয়া বাইটীং পেরা—	১
[illegible]রা বানাত্‌—	১	সরু হাত-পেরা—	১
[illegible]রো—	১	কাঁহা-বাটি থোরা পেরা—	১
[illegible]চী—	১	বুঢ়ীমাকে দিয়া কাঁহর কাঁহী—	১
[illegible]ইর শিঙর ফণি—	১	তথা বাটি—	১
[illegible]দুর পুরিয়া—	১	তথা কলহ—	১
[illegible]তামর টেমা—	১	পিতলর চরিয়া—	১
চুরা হোয়াত—	১	কিংখাপর মেখলা—	১
[illegible]রর কণ্ঠ—	১	বাণারসী বিহা—	১
বড়া কণ্ঠ—	১	জুরীয়া কাপুর—	১
[illegible]রো—	১	ইজা—	১১
[illegible]ঠুরা—	১		৩৪
তলত পরা কাপুর—	১		
	১১		

শ্রীথুলুকীর বেমার দেখা, গোহাটী যাই মনচুফ পাশ সাধন সাজ তোলার টেক্স মাফ দিবর কোরা

পাঁচ শ টাকার উর্দ্ধে ইন্‌কম্‌ টেক্স্‌

শ্রীরোহিণীক শান্তি দিয়া

লগত দিয়া দ্রব্যজাত

বগা বনকৰা বাণাসৰী		পূৰ্ব্বে দিয়া :—	
মেখলা—	১	কাঁহৰ কাঁহী, ডাঙৰ—	১
বাণাসী বনকৰা চবুজৰ বিহা—	১	তথা সৰু কাঁহী—	১
গুণাকটা খনীয়া—	১	তথা মেলাহি বাটি—	১
বেঙ্গুন ৰঙৰ শাড়ী—	১	তথা বান বাটি—	১
পাটৰ বিহা-মেখলা—	১ জোৰ	তথা খুৰী বাটি—	১
বাণাৰসী বিহা—	১	তথা কৰ্দ্দেসিৰা বাটি—	১
দোলাই—	১	তথা ডগ্‌ডগী লোটা—	১
গছদিয়া গামচা—	১	পিতলৰ কলহ—	১
অপৰ গামচা—	১	অষ্ট ধাতুৰ ঘটী—	১
বেতৰ বিচনী—	১	শৌচৰ পিতলৰ ঘটী—	১
বৰ জাপি—	১	পিতলৰ গিলাচ্—	১
শ্রীৰত্নে দিয়া বনকৰা চোলা—	১	কাঁহৰ চৰিয়া—	১
কাৰ্চিপি দোলাই—	১	পিতলৰ চৰিয়া—	১
পাটৰ মেখলা—	১	কাঁহৰ বটা—	১
তথা বিহা—	১	ইজা—	৪৯
ইজা—	৩৯		৬৩
	৪৮	ৰূপৰ টেমি—	১
		নলীয়া টেমি—	১
		তামোল-খোৱা কটাৰী—	১
		শ্রীজয়ন্তীয়ে দিয়া :—	
		কাঁহৰ ফুলকটা বান-বাটি—	১
		ইজা—	৬৩
			৬৭

॥ ১০৪৩ ॥

ভূমিৰ বিবাহ

২৮ বৈশাগ—শ্রীভূমিকান্তৰ, শ্রীমাধবচন্দ্র বৰদলৈৰ ভনীয়েক শ্রীহেমোৰ সহিত বিবাহ হয় ॥ ১০৪৪ ॥

পুষ্পৰ শান্তি

২৯ বৈশাগ—শ্রীপুষ্পকান্ত মঃ চক্ষুৰ সহিত শান্তি লৈ, ঘৰে নিয়ে ॥ ১০৪৫ ॥

১৬ জৈষ্ঠ—দিবা ১টা সময় আমাৰ সৰু ঘৈণীৰ চিত্রা নাম্নী কন্যা ভেদ-বমিতে ফৌত্ হয় ॥ ১০৪৬ ॥ চিত্রা কন্যা ফৌত্

২০ জৈষ্ঠ—ভূবনেশ্বৰ নাউবৈচা ফোকন নগাঞে ফৌত্ হয় ॥ ১০৪৭ ॥ নাউবৈচা ফোকন ফৌত্

২২ জৈষ্ঠ—ৰজাদুৱাৰে চেনি বকৰা ভেদ-বমিত ফৌত্ হয় ॥ ১০৪৮ ॥ চেনি বকৰা ফৌত্

২৯ জৈষ্ঠ—৺উমানন্দ প্রভুক সেৱা কৰিব যাওঁ ॥ ১০৪৯ ॥

৭ আষাৰ, ২০ জুন, ৰবিবাৰ—ৰৰপেটায় ফটিকচন্দ্র একষ্ট্রা এচিষ্টাণ্ট্ কমিচনৰ ফৌত্ হয় ॥ ১০৫০ ॥ ফটিক চন্দ্র ফৌত্

১০ ভাদ্র, ২ আগষ্ট—ৰায়তৰ টিকিট্ সহ, মঞ্জি উত্তৰ গোহাটী ও গোহাটীৰ মেম্বৰ মকৰৰ হওঁ ॥ ১০৫১ ॥ মঞ্জি মেম্বৰ

১৭ ভাদ্র—গোহাটী যাই শ্রীকেম্বল সাহেব সহিত দেখা হোৱাতে, শ্রীবিডন্ সাহেব একটিং জজ হৈ আহাত, তেউ সহিত সাক্ষাত হবৰ কোৱাতে, জজ সাহেবেৰ বাঙ্গালায়, বাটে ফুৰিব যোৱা হেতু, লগ পোৱা নহল ॥ ১০৫২ ॥ বিডন্ সাহেব জজ

১৩ আশ্বিন—ৰাতি দিননাথ গোহাঞী মহাফেজ ফৌত্ হয় ॥ ১০৫৩ ॥ দিননাথ গোহাঞী ফৌত্

২৩ আশ্বিন শুক্রবাৰ—দিবা ৮টা সময়, থূলুকী (বকৰা) অশ্বক্রান্তত ফৌত্ হয় ॥ ১০৫৪ ॥ থূলুকী ফৌত্

২৪ আশ্বিন—ঘৃত, চেনি আদিত অভক্ষ্য দ্রব্য মিহল দিয়াত মাৰোৱাৰী কয়েকজনৰ ভাঠীত চাজা হয়। এবং জেলা জেলা, কাঞালোক প্রাচিত হয় ॥ ১০৫৫ ॥ ঘৃতাদিত মিহল

৩১ আশ্বিন—লক্ষীকান্তৰ জীয়েক মোলানৰ ঘৈণীয়েক ফৌত্, ভেদ-বমিতে হয় ॥ ১০৫৬ ॥ লক্ষীকান্তৰ জীয়েক ফৌত্

৬ কার্ত্তিক—সুধাইৰ স্ত্রী, দেহীৰাম পাটগিৰিৰ জীয়েক ফৌত্ হয় ॥ ১০৫৭ ॥ পাটগিৰিৰ জীয়েক ফৌত

টোকৰৰ জীয়েক ফৌত্ গিৰিধাৰী স্ত্রী ফৌত্

৭ কার্ত্তিক—শম্ভুৰামৰ স্ত্রী, টোকৰৰ জীয়েক, ফৌত্ হয়॥ ১০৫৮॥

৮ কার্ত্তিক—গিৰিধাৰী গোসাঞীৰ স্ত্রী, ৰবিচন্দ্র বৰুৱাৰ জীয়েক ব্রহ্মপুত্রৰ পানীত পৰি মৰে॥ ১০৫৯॥

দেহীৰাম পাটগিৰি ফৌত্

২১ কার্ত্তিক শনিবাৰ—ৰাতি কুৰুৱাত দেহীৰাম পাটগিৰি ফৌত্ হয়॥ ১০৬০॥

২৩ কার্ত্তিক—মোৰ তল ওঠত ফোড়া এটা হোৱাতে, থানেশ্বৰ খলিফা আহি জাৰে ও ঔষধ দিয়ে॥ ১০৬১॥

লক্ষ্মীনাথ বৰুৱা ফৌত্

২৯ কার্ত্তিক ৰবিবাৰ—লক্ষ্মীনাথ বৰুৱা দেৱৰগাঞে ফৌত্ হয়॥ ১০৬২॥

ওঠৰ বেদনা কাটা

১ অগ্রায়ণ—মঞি গোহাটীত থকাত, কৰিম্ বকশ্ ডাক্তৰ আহি তল ওঠৰ বেদনা কাটি ঔষধ দিয়ে॥ ১০৬৩॥

উত্তৰ গোহাটী সংস্কৃত ইস্কুল

২১ অগ্রায়ণ, ৬ ডিচাম্বৰ—গোহাটী যাই শ্রীকেম্বল ডিপুটী কমিচনৰ সহিত দেখা হওঁ। এবং কাছাৰীত কমিটী কৰি উত্তৰ গোহাটীৰ সংস্কৃত ইস্কুলৰ ঘৰৰ জন্যে ১৫০৲ টাকা দিবৰ মঞ্জুৰ হয়॥ ১০৬৪॥

পূর্ণানন্দ বৰুৱা ফৌত্

২ পৌষ, ১৬ ডিচাম্বৰ—পূর্ণানন্দ বৰুৱা একষ্ট্রা এচিষ্টেণ্ট্ কমিচনৰ, ধুবুৰীত হাইজা বেমাৰে ফৌত্ হয়॥ ১০৬৫॥

মহাৰাণী ৫০ বৎসৰ ৰাজত্বি উৎসব

২০ পৌষ, ৩ জানৱাৰী—গোহাটী যাই শ্রীকেম্বল সাহেবৰ বাঙ্গালায় যাই দেখা হওঁ। এবং মহাৰাণী ৫০ বৎসৰ ভোগ ৰাজত্বি কৰা হেতু উৎসব কাৰণ, শ্রীহৰিচন্দ্র চাকী মনচুফ্ সহিত কমিটী কৰা যায়॥ ১০৬৬॥

অশ্বক্রান্ত সভা

২৭ পৌষ, ১০ জানৱাৰী সোমবাৰ—অশ্বক্রান্তৰ থানত শ্রীৰঘু শর্ম্মা ৰাজমেধি, টিনৰ নামঘৰ কৰি সভা কৰাতে তথায় যাওঁ॥ ১০৬৭॥

উমানন্দে যোৱা

৮ মাঘ—শ্রীজয়ন্তী ও শ্রীৰোহিণী ও শ্রীইন্দুমতী ও সক ঘৈণী সহিত মঞি মণিকর্ণেশ্বৰ ও উমানন্দ সেৱা কৰি ঘৰেআহোঁ॥১০৬৮।

১৪ মাঘ, ২৬ জানৱাৰী—শ্রীকেম্বল সাহেব ডিপুটী কমিচনৰ প্রভিতি সহিত কমিটী কৰি, শ্রীশ্রীমহাৰাণী ৫০ বৎসৰ ৰাজত্বি ভোগ কৰা হেতু তৎ উৎসৱ জন্যে "মুনচিপল" (১) হৈতে, ৫০০৲ টকা দিবৰ মঞ্জুৰ হয় ॥ ১০৬৯ ॥

মহাৰাণী ৰাজত্ব উৎসব জন্যে টাকা

১৯ মাঘ, ৩১ জানৱাৰী—শ্রীকেম্বল সাহেব সহিত ইস্কুলে কমিটী কৰি মহাৰাণী ৫০ বৎসৰ ৰাজত্বি কৰা বাবে উৎসৱ জন্যে চান্দা হয় ৩২৪৲ টাকা ও চহৰৰ ৫০০৲ টাকা, বোর্ড কমিটীৰ ৫০০৲ টাকা। এই সকল টাকা বিলি কৰি, খৰচৰ কাৰণ গুবিন্দৰাম তহচীলদাৰ ও কমলাকান্ত চেৰস্তাদাৰ, ও মঞ্জি ও অভয়বাবু হেড্‌মাষ্টৰ, ও গর্ডন্ সাহেব চাব্-কমিটী হোৱা যায় ॥ ১০৭০ ॥

মহাৰাণী ৰাজত্ব উৎসব জন্যে চান্দা চাব্ কমিটী

৩ ফাল্গুন—ৰৱঘৈণীৰ সম্বৎসৰীয় কর্ম্ম কৰা যায় ॥ ১০৭১ ॥

ৰৱঘৈণীৰ সম্বৎসৰীয় কর্ম্ম

৪ ফাল্গুন—মঞ্জি গোহাটী যাই, পল্টনে মল্লযুদ্ধৰ জাগা ভাল কৰাই আহোঁ ॥ ১০৭২ ॥

মল্লযুদ্ধৰ জাগা

৫ ফাল্গুন, ১৬ ফেব্রুৱাৰী ৮ বজাত—গোহাটী যাই অদ্য ৫০ বৎসৰ ভোগ হেতু ৰাত্রি "আতচ বাজী" ও ৰাস্তা ও গীর্জ্জা-ঘৰ ও ইস্কুল আদিত বস্তি লগোৱা আয়োজনসকল দেখি ১০ বাজাত শ্রীশ্রী (২) জন্‌চন্ কমিচনৰ ও শ্রীকেম্বল সাহেব প্রভিতি ও মঞ্জি ইস্কুল ঘৰত বহিবাতে, (৩) শ্রীকমিচনৰ সাহেব ব্যক্তৃতা (৪) কৰি গুণাভিৰাম বৰুৱা ও শৰৎচন্দ্র বন্দোপাধ্যায়কে ৰায়বাহাদুৰ খেতাপ দিয়াৰ পৰ, নৱকুমাৰ ভট্টাচার্য্য সুন্দৰমত ব্যক্তৃতা কৰি মহাৰাণী ও সাহেব সকলক আশীর্ব্বাদ কৰাতে, বৰ আনন্দ সকলোৱে পালে। তদপৰ সভা বিসর্জ্জন হ'ল ॥ ১০৭৩ ॥

মহাৰাণী ৫০ বৎসৰ ৰাজত্ব ভোগৰ উৎসৱ

টোকা :—(১) মুনচিপল = মিউনিচিপল = মিউনিচিপালিটি (Municipality)।
(২) Sir J. Johnstone. (৩) বহিবাতে = বহাতে।
(৪) ব্যক্তৃতা = বক্তৃতা। —সম্পাদক।

সোণৰ ওকা খাৰু—	১	সোণৰ বাখৰামি কেৰু—	১ জোৰ
সোণৰ বাখৰামি আঙ্গুঠি—	৫	ৰূপৰ টাৰি—	১ টা
সোণৰ বিবি সহিত প্ৰবাল,		তামুল তথা কটাৰী	১ জোৰা
সোণৰ মণি—	১ ধাৰ	কিংখাপৰ মেখলা—	১ খন
সোণৰ বিবি সহিত		গাজৰ বিহা-মেখলা—	১ জোৰ
কোত মণি—	১ ,,	পাটৰ বিহা-মেখলা—	১ খন
সোণৰ বাখৰামি		মোগাৰ তথা—	১ ,,
গলপতা—	১ ,,	খনীয়া কাপোৰ—	১ খন
	৯	ইজা—	৯
			১৭

শ্ৰীদেবৰ বিবাহ

২৩ বৈশাগ, ৫ মেই, বৃহস্পতিবাৰ—শ্ৰীদেবকান্তৰ অদ্য বিবাহ হেতু, মঞি নান্দীমুখ শ্ৰাদ্ধ কৰোঁ। এবং ব্ৰাহ্মণ গ্যাতিক খোৱাই দক্ষিণাদি দি, জাহাজ দ্বাৰা পাৰ কৰাই, বিবাহ কৰাই, প্ৰাতসে জাহাজ দ্বাৰা বৰ-কন্যা ঘৰে আহে ॥ ১০৮৬ ॥

গাড়ীৰ টেক্স্

৩ জৈষ্ট, ১৬ মেই—গোহাটী যাই শ্ৰীশিবপ্ৰসাদ মন্‌চুফ সহিত কাছাৰীত কথোপকথন। তদপৰ, শ্ৰীকেম্বল সাহেবেৰ বাঙ্গালায় যাই, শ্ৰীৰত্নকান্তক মকৰৰ কৰা কথা কওঁ। তদপৰ কাছাৰী যাই, গৰুৰ গাড়ী ও ঘোৰাৰ টেক্চৰ বন্দবস্ত কমিটি কৰা যায় ॥ ১০৮৭ ॥

কলৰ পানীৰ টেক্স্

১০ জৈষ্ট, ২৩ মেই—গোহাটীৰ পানী কলৰ টেক্চ্ লগাৰ বন্দবস্ত কমিটী হয় ॥ ১০৮৮ ॥

কলৰ পানী

১০ জৈষ্ট, ৩১ মেই—এই মাহৰ পৰা গোহাটী চহৰত কলৰ দ্বাৰা পানী তোলে ॥ ১০৮৯ ॥

শ্ৰীকেশৱ-কান্ত যুবৰাজ ঘৰে যোৱা

২৩ জৈষ্ট—গোহাটী যাই, শ্ৰীকেম্বল সাহেবৰ বাঙ্গালা যাই দেখা হওঁ। তদপৰ বাসায় বিশ্ৰাম পূৰ্ব্বক আবেলি—শ্ৰীকেশৱ কান্ত যুবৰাজ পাশ যাই, তৎপুত্ৰ মৃত্যু হোৱা খবৰ লওঁ ॥ ১০৯০

বৰফ তৈয়াৰ ও বিক্ৰী

২৭ জৈষ্ট, ৯ জুন—এই মাহৰ পৰা গোহাটী শুক্লেশ্বৰত বৰফ তৈয়াৰ ও বিক্ৰী হয় ॥ ১০৯১ ॥

৩০ জৈষ্ট—নগাঞ্চ হৈতে নীলকণ্ঠৰ চিঠি পাওঁ, তস্য ঘৈণী, দদাইদেও কৃষ্ণকান্ত বৰুৱাৰ জীয়েক কৌত্ হোৱা ॥ ১০৯২ ॥ নীলকণ্ঠৰ ঘৈণী কৌত্

১২ আষাৰ, ২৫ জুন—শ্ৰীকেম্বল সাহেৰ প্ৰভিতি সহিত কমিটী কৰি, কলৰ পানী প্ৰাৰ্থনা ব্যক্তিৰ মাহে ২৲ টাকা টেক্চ্ দিবৰ, অপৰ টেক্চ্ৰ হাৰে জলৰ থুমৰ টেক্চ্ দিবৰ বিষয় ॥ ১০৯৩ ॥ কলৰ জলৰ টেক্চ্

৫ শ্ৰাবন—ফণিধৰ গোসাঞীৰ মাটিৰ মকৰ্দ্দমাত কমলাকান্ত তহচীলদাৰ পাশ সাক্ষী কওঁ ॥ ১০৯৪ ॥ সাক্ষী কোৱা

১৪ শ্ৰাবন—হৰকান্ত নাজীৰৰ পুত্ৰ শ্ৰীবিষ্ণুকান্ত কলিকতাৰ পৰা বেমাৰ পৰি অহাতে, শ্ৰীজয়ৰাম বেজৰ ঘৰে বেমাৰ চাব যাওঁ। এবং ২৩ শ্ৰাবন কিছো আৰাম হোৱাতে উজানে যায় ॥ ১০৯৫ ॥ শ্ৰীবিষ্ণু-কান্তৰ বেমাৰ চোৱা

২৬ শ্ৰাবন—শ্ৰীসূৰ্য্যকান্তৰ কলিকাতাৰ পৰা চিঠি পাওঁ, তেওঁৰ হাইকোৰ্টৰ মকৰ্দ্দমা জিত হোৱা ॥ ১০৯৬ ॥ শ্ৰীসূৰ্য্যকান্তৰ মকৰ্দ্দমা জিত

২৮ শ্ৰাবন—শ্ৰীঅম্বুৰাম উজনিৰ পৰা আহি আমাৰ ঘৰে থাকে ॥ ১০৯৭ ॥

৩০ শ্ৰাবন—শ্ৰীমাধৰাম মনচুকৰ চিঠি পাওঁ, উমাকান্তৰ উৎযোগে জন্মাষ্টমী কৰিবৰ ॥ ১০৯৮ ॥ জন্মাষ্টমী

শ্ৰীহৰচন্দ্ৰ ও শ্ৰীদুল্লভৰ ৰবি মাটিৰ মকৰ্দ্দমায় শ্ৰীকেম্বল সাহেৰ আহি দেখি, মোক ও ঈশৰাম ও জীৱনেশ্বৰ গোসাঞীক চালিছ (১) দিব কয় ॥ ১০৯৯ ॥

৩২ শ্ৰাবন, ১৬ আগষ্ট—শ্ৰীকেম্বল সাহেৰ সহিত স্ত্ৰী-চিকিৎসা ধাত্ৰী মকৰৰ কথাৰ বন্দবস্ত কৰা যায় ॥ ১১০০ ॥ ধাত্ৰী

২ ভাদ্ৰ, ১৮ আগষ্ট—শ্ৰীঅম্বুৰামক বিদায় দি উজানে পঠাওঁ ॥ ১১০১ ॥

জন্মাষ্টমীৰ আখৰা

৩ ভাদ্ৰ—উমাকান্ত ঘৰে মঞ্চি লক্ষীকান্ত সহিত যাই তস্থ ঘৰে জন্মাষ্টমী কৰিবৰ বেৱস্থা কৰা যায়। তদপৰ সিহঁতৰ কথ মতে গৌৰীকান্ত সহিত যাই, ঈশৰামক চামিল কৰি একগাধ হোৱা যায়। ও লক্ষ্মীকান্তৰ ঘৰত গধূলি আখ্ৰা কৰাৰ বেৱস্থ হোৱাতে ;—৫ ভাদ্ৰ গধূলি আখ্ৰা কৰা যায়॥ ১১০২॥

হলিৰামৰ স্ত্ৰী ফৌত্

১০ ভাদ্ৰ—শুক্ৰবাৰ দিবা ৮ টা সময় হলিৰাম বৰুৱাৰ ঘৈণীয়েক কুকুৰমুতাৰ বাঙ্গালায় ফৌত্ হোৱাতে, বলো প্ৰভিতি অগ্নিসংস্কাৰ কৰে॥ ১১০৩॥

ধাত্ৰী-শিক্ষা ও চহৰত আলো দিয়া

২৮ ভাদ্ৰ, ১৩ আগষ্ট—গোহাটী যাই, শ্ৰীকেম্বল সাহেৱ সহিত কমিটী পূৰ্ব্বক ধাত্ৰী-শিক্ষা, কলিকাতা যাই কৰাৰ ও চহৰত আলো ও গেছ দিবৰ বেৱস্থা হয়॥ ১১০৪॥

উত্তৰ গোহাটী সংস্কৃত স্কুলত পুৰস্কাৰ দিয়া

৩ আশ্বিন, ১৯ সেপ্তাম্বৰ—অদ্য প্ৰাতঃকালে ৮ বাজা সময় উত্তৰ গুৱাহাটীৰ সংস্কুল ইস্কুলে বেণুধৰ বাবু সহিত, ইস্কুলৰ ছোকৰাদিগকে পুৰস্কাৰ দিয়া যায়॥ ১১০৫॥

শ্ৰীভদ্ৰী জন্ম

ঐ বোজ বাত্ৰি ১১ টা সময়, শ্ৰীধৰ্ম্মকান্তৰ কন্যা এটী জন্ম হয়। গণনাতে শ্ৰীভদ্ৰী নাম থোৱা যায়॥ ১১০৬॥

মাধবচন্দ্ৰৰ মাটি

১২ আশ্বিন—আবেলি, ইস্কুল ঘৰত বহি, শ্ৰীমাধব ও শ্ৰীহৰচন্দ্ৰৰ মকৰ্দ্দমাৰ, ঈশৰাম ও জীৱনেশ্বৰ গোসাঞী সহিতে দুল্লভৰ মাটিৰ নিষ্পত্য পূৰ্ব্বক শ্ৰীমাধবচন্দ্ৰৰ মাটি যথার্থ হোৱা লিখি দিওঁ॥ ১১০৭॥

কেশবকান্ত যুবৰাজক উপদেশ

১৭ আশ্বিন—শ্ৰীকেশৱকান্ত যুবৰাজৰ অভিপ্ৰায় মত যাই, তেওঁৰ জীয়েক দুটীক চাৰিঘৰীয়া আহৰ লৰাক দিবৰ কথা কৈ আহোঁ॥ ১১০৮॥

শ্ৰীবত্ত মকৰব

২৮ আশ্বিন—শ্ৰীবত্তকান্ত ৮০৲ টাকা দৰমহায় কামৰূপ জেলাৰ জুড়িচীল কেৰাণী কৰ্ম্মত মকৰব হয়॥ ১১০৯॥

২৯ আশ্বিন—শ্ৰীপুষ্পকান্তৰ গোৰ দেখিব যাওঁ॥ ১১১০॥

১১ কার্ত্তিক, ২৭ আক্টুবৰ—শ্রীশ্রীফিষ্ট্‌প্যাটী নতুন চীফ্‌ কমিচনৰ আহিব হেতু, অভ্যর্থনা কৰাৰ জন্যে, মাণিক ও বেণু বাবু সহিত কমিটী কৰি চান্দা কৰা যায়। মঞি ৩৲ টাকা দিওঁ ॥ ১১১১ ॥ ফিষ্ট্‌প্যাটী চীফ্‌ কমিচনৰ

ও ভাঠীৰ পৰা শ্রীদুর্গীনাথ ফোকন আহে। তেওঁ সহিত উত্তৰ পাৰে আহোঁ ॥ ১১১২ ॥

১৪ কার্ত্তিক, ৩০ আক্টবৰ ৰবিবাৰ—অদ্য দিবা ৩টা সময় শ্রীশ্রীফিষ্ট্‌প্যাটী চীফ্‌ কমিচনৰ জাহাজ দ্বাৰা গোহাটী লতাশিল পহুচে। ৰবিবাৰ বুলি নেটিব লোকৰ সহিত দেখা নহল ॥ ১১১৩ ॥ চীফ্‌-কমিচনৰ গোহাটী পহুচা

শ্রীবত্নকান্তৰ নগাঞে বহুত দেনাৰ ফর্দ্দ এটী আমাকে দিয়াতে, "আমি ঐ দেনা কিমতে আদায় কৰিম ? সামর্থ্য নাই" বুলি যোত্রহীন হবৰ কৈছিলোঁ। কিন্তু তেওঁ প্রতিপাল যাব বুলি কোৱাতে, মঞি তেওঁৰ নিজা কৃত কর্ম্ম দ্বাৰা আৰু মঞি বর্ত্তমানতক অন্ন বস্ত্রৰ দ্বাৰা প্রতিপাল কৰিম বুলি কোৱাতো সম্মত নহৈ, শ্রীশ্রীজনচন্‌ জজ সাহেবত ধৰি ৮০৲ টাকাত মকৰৰ হোৱাত, বিবেচনা কৰি চালোঁ,—যোত্রহীন দেউলীয়া হলে এটা বদ্‌নাম। আৰু আগলৈকো কজি মাৰে। তেওঁৰ দৰমহা ও মোৰ পেনচীন্‌ হৈতে জোতাই ১০০৲ টাকাত কষ্টমতে ঘৰৰ খৰচা চলালে, মাহে ১৫০৲ টাকা দিলেও, ক্রমে ধাৰ মাৰিব পাৰিম। এই ভাবি, পাওনাদাৰ সকলৰে চিঠি লিখি কলোঁ,—"মঞি ক্রমে আচলখিনি আদায় কৰি দিম কিন্তু ছোট ছোট, কিছো এৰিব লাগিব আৰু নালিছ নকৰিবা।" তেওঁলোক সম্মত হ'ল ॥ ১১১৪ ॥ শ্রীবত্নৰ ধাৰ শুজা

তদপৰ মঞি ৫ অগ্রায়ণ—শ্রীবত্নৰ ধাৰ শুজিবৰ কাৰণে, হলিৰাম বৰুৱাৰ পাশ ৫০০৲ টাকা মঞি ধাৰ কৰি আনি, ২১ অগ্রায়ণ শ্রীমন্দীনাথ বৰুৱা পাশ ৫০০৲ টাকা পঠাওঁ ॥ ১১১৫ ॥ নগাঞে টাকা পঠোৱা

২৪ অগ্রায়ণ—শ্রীজীৱনেশ্বৰ গোসাঞীৰ জীয়েকৰ বিবাহে যাওঁ ॥ ১১১৬ ॥

৬ পৌষ—শ্রীৰত্নৰ সাৰদা নাম্নী কন্যা এটী জন্ম হয় ॥ ১১১৭ ॥

গৌৰকান্তৰ মৃত্যু

৮ পৌষ, ২২ ডিচাম্বৰ বৃহস্পতিবাৰ ৰাত্রি ১১টা সময়, গৌৰীকান্ত জ্বৰ বেমাৰে লক্ষ্মীকান্তৰ ঘৰে সজ্ঞানে নামৰ মুখে, পৰলোক হ'ল। শুক্লাষ্টমী তিথি ॥ ১১১৮ ॥

"মনকলী" হাতী—

১৬ পৌষ, ৩০ ডিচাম্বৰ—মোৰ "মনকলী" হাতী বাণ্টা মাৰি হাবিত এৰি দিয়াতে, ৰাতি দুর্গাকান্তৰ দন্তাল হাতীয়ে মত্ত হৈ হানি মাটিত পেলাই থৈছে, বুলি লোধোৱা মাহুতে কোৱাতে, শ্রীকিনাৰাম সহিত মাহুতক পঠাই কোনোমতে হাতীখানি দেখি দুর্গাকান্তক গতাই দিলোঁ, ঔষধ দিবৰ কাৰণে ॥ ১১১৯ ॥

৺গৌৰী-কান্তৰ কর্ম্ম

১৮ পৌষ—৺গৌৰীকান্তৰ কর্ম্ম শ্রীচন্দ্রকান্তৰ দ্বাৰা অষ্টাদশ দান সহিত কৰান গ'ল।

১৯ পৌষ—সপিণ্ডণ।

২০ পৌষ—ভোজ দিয়া গ'ল ॥ ১১২০ ॥

খেৰ-খাগ্‌ৰা আদিৰ ব্যৱহাৰ ও বিক্রীৰ সুবিধা

১৯ পৌষ, ১ জানৱাৰী—শ্রীশ্রীচীফ্‌ কমিচনৰ সাহেব, ৰায়ত সকলে, খেৰ-খাগৰা ও নল ও বাতা, জিলাৰ ভিতৰত বিক্রী ৰ নিজে বেৱহাৰ কৰিব পৰা হুকুম জাৰি কৰে ॥ ১১২১ ॥

শ্রীশ্রীদক্ষিণ—পটীয়া গোসাঞী উর্ব্বশী বালিত

২২ পৌষ—শ্রীশ্রীদক্ষিণপটীয়া অধিকাৰী গোসাঞী ডেক গোসাঞী সহিতে উর্ব্বশীৰ বালিত থকাতে, মঞি যাই সেৱা কৰোঁ এবং কথোপকথন হৈ আহোঁ ॥ ১১২২ ॥

৺যাদব-ৰাইক সেৱা

২৬ পৌষ—শ্রীকমলা ও শ্রীজয়ন্তী ও ইন্দু সহিত যাই মহাপ্রভু যাদবৰাইক সেৱা কৰি, অধিকাৰ ও ডেকাজনাক সেৱ কৰি আহোঁ ॥ ১১২৩ ॥

২৯ পৌষ—পুনৰ শ্রীকমলাকান্ত সহিত সেৱা কৰোঁ ॥ ১১২৪

৩০ পৌষ—বিহু বাবত ভৰলু সত্রে যাই সেৱা কৰোঁ ॥১১২৫॥

৩ মাঘ—শ্রীনোমলী সহিত যাই, শ্রীশ্রীদক্ষিণপটীয়া গোসাঞী ও ডেকাজনাক সেৱা কৰোঁ। দুইটী নক্সা দিওঁ ॥ ১১২৬ ॥ গোসাঞীক নক্সা দিয়া

১১ মাঘ—শ্রীৰত্নকান্তৰ দেনা বাবত শ্রীনন্দীনাথ চেৰস্তাদাৰ পাশ ২৫০৲ টাকা পঠাওঁ ॥ ১১২৭ ॥ নগাঞে টাকা পঠান

১৮ মাঘ, ৩১ জানুৱাৰী—মঙ্গলবাৰ ৰাত্রি ১২ বাজিবৰ সময় শ্রীৰোহিণীৰ লৰা এটি জন্ম হয় ॥ ১১২৮ ॥ শ্রীআনন্দ জন্ম

২০ মাঘ—শ্রীদিননাথ বৰুৱা, ভাঠী তীর্থ যাবৰ কাৰণে লতাশিলৰ ঘুলিত নাউ ৰাখি মোৰ ঘৰে অহাতে সমাদৰ পূর্ব্বক বিদায় দি পঠাওঁ ॥ ১১২৯ ॥ এবং শ্রীদিননাথ (বেজ) বৰুৱা

২২ মাঘ—মঞ্জি তথায় যাই দেখা হৈ আহোঁ ॥ ১১৩০ ॥

২৩ মাঘ—(শ্রীৰোহিণীৰ লৰাটি) গণোৱাত, শ্রীআনন্দ নাম হয়। ও শ্রীনোমলীক চিঠি লিখোঁ ॥ ১১৩১ ॥ শ্রীআনন্দ নাম

৬ ফাগুন—শ্রীমাধব চন্দ্র মনচুফকে চিঠি লিখোঁ। শ্রীইন্দুমতী সহিত, শ্রীললিতৰ জোৰা অহা। আগত বহাগত, আগ বা শেষ পক্ষত বিবাহ কৰান বিষয় ॥ ১১৩২ ॥ শ্রীইন্দুৰ বিবাহৰ দিন

২৮ ফাগুন—শ্রীশ্রীআউনীআটীয়া অধিকাৰ গোসাঞী গোহাটী আহিব হেতু, আমাৰ ঘৰৰ সমুখৰ চাপৰিত বাহৰ কৰা হেতু চাব যাওঁ ॥ ১১৩৩ ॥

৩ চৈত্র—গোহাটী যাই, শ্রীকেম্বল সাহেব সহিত কমিটী কৰি কলৰ পানী খোৱা লোকৰ টেকচ্ বন্দবস্ত কৰা যায় ॥ ১১৩৪ ॥ কলৰ পানী বন্দবস্ত

১৬ চৈত্র—শ্রীশ্রীআউনীআটীয়া অধিকাৰ গোস্বামী আহি মঙ্গলদৈৰ বাহেৰত থকা শুনি, আগবাঢ়ি জীউৰাম পাঁচনি সহিত নাৰেৰে যাই,— ॥ ১১৩৫ ॥ শ্রীশ্রীআউনীআটীয়া গোসাঞীক আগবঢ়াই অনা

১৮ চৈত্র—বেলা এক প্রহৰ সময়, সেৱা কৰি, প্রসাদ লওঁ। এবং তাতে নাৱতে থাকোঁ ॥ ১১৩৬ ॥

পৰদিন, গোসাঞী ভটীয়াই অহাতে, সেই সঙ্গে আহিলোঁ। গধূল হোৱাতে খাৰঘৰৰ ঘুলিত (গোসাঞী) থাকিল। মঞি আহি ঘৰ পাওঁ ॥ ১১৩৭ ॥

২০ চৈত্ৰ, ৰবিবাৰ—গায়ন-বায়ন ও ঢুলীয়া সহিত আমি প্ৰভিতি নাৰেৰে আগবাঢ়ি যাই আনি, কাঞাপটিৰ বালিৰ বাহৰত ৰাখি ঘৰে আহোঁ। ও শ্ৰীৰঘুশৰ্ম্মা ৰাজমেধি তদ্‌বিৰ কৰে ॥ ১১৩৮ ॥

শ্ৰীশ্ৰীআউনীআটীয়া গোসাঞী উত্তৰ গোহাটী বাহৰলৈ অহা

২৪ চৈত্ৰ—বালিত, বতাহত বৰ ক্লেশ পোৱা হেতু, প্ৰাতসে মঞি ব্ৰহ্মপুত্ৰত স্নান পূৰ্ব্বক গোসাঞী ৺ক সেৱা কৰাতে, ৰাত্ৰি বতাহত বৰ ক্লেশ পোৱা, ভাঠী বেলা আহিম বুলি কোৱাত, মোক বিদায় দিলে। (মঞি) আহি, (উত্তৰ গুৱাহাটীৰ) বাহৰৰ ঘৰ-দুৱাৰ পৰিষ্কাৰ পূৰ্ব্বক, পুনৰ পাৰ হৈ আগবঢ়াই আনোঁ। এবং ৰাজাত বাহৰত থাকোঁ ॥ ১১৩৯ ॥

২৭ চৈত্ৰ—গোসাঞী ৺ক ভোজনী দিয়া যায় ॥ ১১৪০ ॥

৩০ চৈত্ৰ—বিহু হেতু অশ্বক্রান্তত স্নান ও থান সেৱা কৰি গোসাঞী ৺ক সপৰিবাৰে সেৱা কৰি আহোঁ ॥ ১১৪১ ॥

আফিং মহলৰ ডাক

এইসনে আফিং মহল ডাক মুৰত ২২,৯০০৲ টাকা হ'ল। খৰিদ্দাৰে পাইক মকৰৰ কৰি, পাট্টা দিব। আফিং সৰকাৰৰ পৰা খৰিদ কৰি দিব, এই নিয়ম হ'ল ॥ ১১৪২ ॥

পঞ্চম অধ্যায়

শ্রীশ্রীফিষ্ট্‌প্যাটী চীফ্‌ কমিচনৰ (Sir D. Fitz-patrick K. C. S. I.)

১৮১০ শক। ১২৯৫ সন। ১৮৮৮-৮৯ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—শ্রীশ্রীআউনীআটীয়া গোসাঞীত শৰিয়ালৰ লোক শৰণ হোৱা—উপনয়নাদি—শ্রীইন্দুৰ বিবাহ উপলক্ষে, শ্রীশ্রীগোসাঞী ও সমূহ বৈষ্ণবলৈ জলপানৰ সম্ভাৰ প্রেৰণ—৫০ বৎসৰ অধিকাৰ হোৱা উৎসৱ—বংশৰ ও জ্ঞাতি লোকৰ মৃত্যু—"হৰিস্মৃতিসুধাকুৰ" পুস্তক—মধুমিশ্র পাণ্ডা—শিলৰ খুটাৰ টেম্ল্‌—সত্রৰ ৰাজমেধিৰ মৃত্যু—আনন্দৰাম বৰুৱাৰ মৃত্যু—নগাঞে শ্রীশ্রীগোসাঞীৰ বেমাৰ চোৱা—অন্যান্য কথা।

শ্রীশ্রীফিষ্ট্‌প্যাটী চীফ কমিচনৰ ও ৰার্ড জজ-কমিচনৰ। কামৰূপে, শ্রীকেম্বল সাহেব ডিপুটী কমিচনৰ। এণ্ড সাহেব তহচীলদাৰ মকৰৰ হোৱা পৰগণা সেৱাই। অন্য সকল পৰগণা কেৱসন পেয়াল মত, এক এক সনা ম্যাদে বন্দবস্ত কৰিলে। আৰু পৰগণা সকলৰ কমিচন গুচাই, তাকে দৰমহা স্বৰূপ "বিল" দি নিবৰ নিয়ম কৰিলে॥ ১১৪৩॥

তহচালৰ পৰগণা-সকলৰ কমিচন, দৰমহা হোৱা

১ বৈশাগ—শ্রীশ্রীআউনীআটীয়া অধিকাৰ গোসাঞীক চাপৰিত সেৱা কৰি নামঘৰত গায়ন-বায়ন নটুৱা নাচ কৰা চাই আহোঁ॥ ১১৪৪॥

নটুৱা নাচ

২ বৈশাগ, শুক্রবাৰ—শ্রীদেবকান্ত ও শ্রীনোমলী, ও নগঞা বোৱাৰী ও কুকৱা বোৱাৰীক, শৰণ কৰান যায়। একটা সময় ঘৰে আহোঁ॥ ১১৪৫॥

শ্রীনোমলী, শ্রীদেব শৰণ লোৱা

৫ বৈশাগ, ১৬ আপ্‌ৰেল—বায়তৰ টিকিট্‌ মতে দুর্গাকান্ত (১) মেম্বৰ মকৰৰ হয়। মোৰ কম হেতু নহল॥ ১১৪৬॥

দুর্গাকান্ত মেম্বৰ

টোকা :—(১) ৺দুর্গাকান্ত বৰুৱা, উত্তৰ গুৱাহাটী শিলসাকোৱা।—সম্পাদক।

শ্রীমতী ইন্দুক জোৰণ পিন্ধোৱা আমাৰ মাটিত শ্রীচন্দ্রকান্তৰ ঘৰ কৰা

৭ বৈশাগ—শ্রীমতী ইন্দুক, শ্রীললিতচন্দ্রৰ জন্য জোৰণ পিন্ধায় হেতু, গোসাঞী পাশ্ যোৱা নহ'ল ॥ ১১৪৭ ॥

এবং শ্রীচন্দ্র, শ্রীলক্ষ্মীকান্ত ঘৰৰ পৰা আহি, আমাৰ সম্মুখৰ মাটিত ঘৰ কৰি লয় ॥ ১১৪৮ ॥

শ্রীইন্দুৰ বিবাহার্থে সবৈষ্ণৱ গোসাঞীক জলপানেৰে সেৱা

১১ বৈশাগ—শ্রীইন্দুমতীৰ ১২ বৈশাগ বিবাহার্থে, গোসাঞী ঈশ্বৰ ও সমূহ বৈষ্ণৱসকলক জলপানৰ সম্ভাৰ দিয়া যায় ॥১১৪৯॥

১২ বৈশাগ, সোমবাৰ—শ্রীদেবকান্তে নান্দীমুখ শ্রাদ্ধ কৰি, ৰাত্রি শ্রীইন্দুক, শ্রীললিতচন্দ্রক বিবাহ দিয়া যায় ॥ ১১৫০ ॥

এই বিবাহে দিয়া দ্রব্য :—

শ্রীললিতচন্দ্র বৰক :—

পালেঙ্গি—	১
ঢাৰি—	১
কঠ—	১
তোলী—	১
তলত পৰা—	১
গাৰো—	১
আঠুৰা—	১
খনীয়া কাপুৰ—	১
সেউজীয়া বানাত—	১
তথা চাদৰ—	১
তামৰ কোখা-অর্ঘা—	১ জোৰ
সোণৰ বাখৰাৰি	
আজুঠি—	১ টা
বেৰাকাঁহী—	১ জোৰ
কাঁহৰ বাটি—	২ টা
তথা লোটা—	১ ,,
তথা কলহ—	১ ,,
তথা চৰিয়া—	১ ,,
	২০

শ্রীমতী ইন্দুক দিয়া :—

সোণৰ বিৰি সহিত	
কোত্মণি—	১ খোপা
সোণৰ বিৰি প্রৱাল	
সহিত—	১ ধাৰ
সোণৰ বাখৰামি	
আজুঠি—	৫ গোট
সোণৰ বাখৰামি কেৰু—	১ জোৰ
ক'লা কাচিপি মেখলা—	১
বাণাৰসা বিহা—	১
গাত গুণাৰ ফুলৰ পাৰি	
দিয়া, জুৰীয়া কাপুৰ—	১
বাখৰামি বিৰি সহিত	
ৰূপৰ কোত্মণি—	১ খোপা
	১২
পাটৰ মেখলা—	১
খনীয়া কাপুৰ—	১
	১৪

১৫ বৈশাগ—৺পুৰুষৰ তিথি পূৰ্ণিমা। প্রাতসে অশ্বক্রান্তত স্নান কৰি থান সেৱা পূৰ্ব্বক গোসাঞী ৺ক সেৱা কৰি, লোক-জনক জলপান কৰাওঁ। ঘৰে আহি পুনৰ যাওঁ ॥ ১১৫২ ॥ ঈশ্বৰ পুৰুষৰ তিথি পালন

১৯ বৈশাগ—শ্রীৰোহিণী ও শ্রীদেৱৰ বোৱাৰীক গোসাঞী ঈশ্বৰত শৰণ কৰান যায় ॥ ১১৫২ ॥ শ্রীদেৱৰ বোৱাৰী ও শ্রীৰোহিণী শৰণ হোৱা

২৩ বৈশাগ শুক্রবাৰ, শ্রীইন্দুমতীক শৰণ কৰান যায় ॥১১৫৩॥ শ্রীইন্দু শৰণ হোৱা

২৫ বৈশাগ, ৰবিবাৰ—অদ্য শ্রীশ্রীদত্তদেৱ আউনীআটীৰ অধিকাৰ হবৰ ৫০ বৎসৰ পুৰ হোৱা হেতু, নগাঞ্চ প্রভিতি স্থানে, অনেক উৎসৱ। সেহেতু মঞ্চি নিজে খৰচ পূৰ্ব্বক কল-পুতি দীপমালা দিয়া হৈছিল। ও দিনতো নামঘৰত গান-বাজানা, নটুৱাৰ নাচ, হৈছিল। ও ৰাত্রিও গান-বাজানা হৈছিল। ৰাত্রি ১১টা সময় ঘৰে আহোঁ ॥ ১১৫৪ ॥ গোসাঞী ৫০ বৎসৰ অধিকাৰ হোৱা উৎসৱ

তদপৰ ৰাত্রি বৰ ধুমুহা হৈছিল। ভঁৰালৰ নাউ একখন দ্রব্যবস্তু মানুহ সৈতে উটি গৈছিল। ৰাতিপোৱা আহিল। কোনো হানি নহল ॥ ১১৫৫ ॥

৫ জৈষ্ট—গোসাঞী ঈশ্বৰ নগাঞ্চে বওনা হৈ যাব জানি, পাটৰ কাপুৰ এক জোৰ, নগদ ৫৲ টাকা দি বিদায়ৰ প্রণাম কৰোঁ। ও বোৱাৰীহঁতে প্রসাদ লয়। ও ৺মহাপ্রভুক পূজা এভাগ দি বিদায় দিলোঁ ॥ ১১৫৬ ॥ গোসাঞীক বিদায় সেৱা

৬ জৈষ্ট, শুক্রবাৰ—দিবা ৩টা সময়, গোসাঞী ঈশ্বৰ নাৱত অথচ চৰা নাৱত উঠি বওনা, নগাঞ্চে হ'ল। মঞ্চি নাৱেৰে লগত গৈ কুকৰাৰ বালিত থৈ, সন্ধ্যা বাদ, ঘৰ পালোঁ ॥ ১১৫৭ ॥ গোসাঞী নগাঞ্চ বওনা

৭ জৈষ্ট—শ্রীৰঘুনাথ শর্ম্মা ৰাজমেধি, চাপৰিৰ বাহৰত থকাতে, মঞ্চি যাই সেৱা কৰোঁ, কথা হওঁ। এনেতে, লক্ষ্মী-কান্তৰ টান হোৱা খবৰ কোৱাতে আহিলোঁ। বাহিৰ ওলিয়াইছে। ৩ বাজা সময় মৃত্যু হ'ল। বিৰজাই অন্ত্যষ্টি ক্রিয়া কৰে ॥ ১১৫৮ ॥ লক্ষীকান্ত মৃত

নৱেশ্বৰ ফৌত্

১৬ জৈষ্ঠ, সোমবাৰ—গধূলি মহাফেজনীৰ ঘৰে ৰুদ্রেশ্বৰে নৱেশ্বৰ শৰ্ম্মা গ্ৰহণী বেমাৰে ফৌত্ হয়। দিননাথ শৰ্ম্মা প্ৰভিতি অগ্নিকৰ্ম্ম কৰে ॥ ১১৫৯ ॥

পৰ্ব্বতীয়া বৰুৱাৰ জীয়েক ফৌত্

হৰনাথ পৰ্ব্বতীয়া বৰুৱাৰ জীয়েক কেতেকী হাইজা বেমাৰে ফৌত্ হয়। * * * ॥ ১১৬০ ॥

ৰাজমেধি দেউ ফৌত্

১৭ জৈষ্ঠ, মঙ্গলবাৰ—প্ৰাতঃকালে ৰঘুনাথ ৰাজমেধি অশ্বক্ৰান্ত থানত ভেদ-বমিতে মৃত্যু হয়। মঞি শুনা মাত্ৰে নাৰেদি গলোঁ। কাল হলত, ভায়েক গঙ্গাৰ দ্বাৰা অন্ত্যেষ্টি ক্ৰিয়াদি কৰাই ঘৰে আহোঁ ॥ ১১৬১ ॥

১৯ জৈষ্ঠ—শ্ৰীদেৱকান্তৰ ঘৈণী যুবত হৈ জাননী দিয়াতে,

নোৱাই-তোলনি

২৩ জৈষ্ঠ—বোকাচাউল, গুৰ, গাখীৰ, চক-মলা, চুলীয়া সহিত সকুঘৈণী বৰ বোৱাৰীক পঠাই নোৱাই-তোলনি তোলা যায় ॥ ১১৬২ ॥

২৭ জৈষ্ঠ—ৰঘুনাথ ৰাজমেধিৰ কৰ্ম্ম হেতু অশ্বক্ৰান্তে যাওঁ ॥ ১১৬৩ ॥

ৰাজমেধিৰ দ্ৰব্যৰ তালিকা

৩২ জৈষ্ঠ—অশ্বক্ৰান্ত থানে যাই গঙ্গাই ও জীউৰাম পাচনি সহিত ভৱলুসত্ৰে যাই, ৰাজমেধিৰ সম্পত্তিৰ তালিকা কৰি আৰকাপুৰ একখন, লুই কাপোৰ একখন, গোসাঞী পাশ পঠাবৰ কাৰণে লৈ আহোঁ ॥ ১১৬৪ ॥

সম্পত্তিৰ তালিকা গোসাঞী পাশ পঠোৱা

৩ আষাঢ়—ৰাজমেধিৰ সম্পত্তিৰ তালিকা ও নগদৰে পাওনাৰ ফৰ্দ্দ কৰি চিঠিতে সকল বিবৰণ লিখি গোসাঞী পাশ জাগীত পঠাওঁ ॥ ১১৬৫ ॥

১২ আষাঢ়—শ্ৰীনন্দৰ পাশ ৰাজমেধিৰ টাকাৰ হিচাব পঠাওঁ ॥ ১১৬৬ ॥

"হৰি স্মৃতি-সুধাকুৰ পুস্তক

২২ আষাঢ়—শ্ৰীশ্ৰীদক্ষিণপটীয়া ডেকাজনা পাশ "হৰিস্মৃতি-সুধাকুৰ" পুস্তক মাজুলীত ডাকত পঠাওঁ ॥ ১১৬৭ ॥

৩১ আষাঢ়—আৰ্‌কাপুৰ একখন, লুই কাপুৰ একখন, জীউৰাম পাচনিৰ হাতত, গোসাঞী পাশ পঠাওঁ ॥ ১১৬৮ ॥

আৰকাপুৰ আদি পঠোৱা

২২ শ্ৰাৱণ ৰবিবাৰ—শ্ৰীদেৱকান্ত কুকুৰমুতা সাকিনে যাই, শ্ৰীমাধৱৰামৰ জীয়েকক শান্তি লৈ ঘৰে আনে ॥ ১১৬৯ ॥

শ্ৰীদেৱকান্তই শান্তি লোৱা

৩ ভাদ্ৰ—গোহাটী যাই, শ্ৰীকেম্বল সাহেবেৰ বাঙ্গালায়, সাহেবত শ্ৰীৰত্নকান্তক উন্নতি কৰাৰ ও শ্ৰীধৰ্ম্মকান্তক মকৰৰ কৰা কথা কওঁ ॥ ১১৭০ ॥

কেম্বল সাহেবক পুত্ৰৰ হকে কোৱা

ও শ্ৰীমধুমিশ্ৰ পাণ্ডা মোৰ ঘৰে আহি থাকে ॥ ১১৭১ ॥

শ্ৰীমধুমিশ্ৰ পাণ্ডা অহা

৬ ভাদ্ৰ—প্ৰাতসে, মধুমিশ্ৰ উজানে যায় ॥ ১১৭২ ॥

* * * * *

কেম্বল সাহেবৰ ছুটীত হিমু সাহেব চাৰ্জ্জ লোৱা

৭ ভাদ্ৰ, ২২ আগষ্ট—শ্ৰীকেম্বল সাহেব ডিপুটী কমিচনৰ ছুটী লোৱাতে, শ্ৰীহিমু সাহেব চাৰ্জ্জ গ্ৰহণ কৰে ॥ ১১৭৩ ॥

হিমু সাহেবক দেখা হোৱা

১০ ভাদ্ৰ, ২৫ আগষ্ট—মিল সাহেবেৰ বাঙ্গালায় শ্ৰীহিমু সাহেবক দেখা দিয়াতে, বৰ সমাদৰ কৰি চকীত বহুৱাই কথা-বাৰ্ত্তা সুধিলে। তদপৰ কাঞ্চাপটি যাই ঘৰে আহোঁ ॥ ১১৭৪ ॥

শ্ৰীৰত্নৰ ধাৰ বাবত টাকা পঠোৱা

১৫ ভাদ্ৰ—শ্ৰীৰত্নকান্তৰ দেনা আদায় হেতু, শ্ৰীনন্দীনাথ বৰুৱা পাশ, ৩৭০৲ টাকা পঠাওঁ ॥ ১১৭৫ ॥

দেৱৰৰ ৰবদলৈৰ ৰৰ স্ত্ৰী কৌত্‌

২ আশ্বিন, ১৭ সেপ্তাম্বৰ সোমবাৰ—দেৱৰৰ ৰবদলৈৰ ৰৰ স্ত্ৰী বুঢ়ী কৌত্‌ হয় ॥ ১১৭৬ ॥

ধাৰৰ টাকা পঠোৱা

১ কাৰ্ত্তিক—শ্ৰীৰত্নকান্তৰ দেনা বাবত, কৰ্ম্মুদ্‌ আলি ওকিলক দিবৰ কাৰণে শ্ৰীনন্দীৰাম বৰুৱা পাশ, ১৫৲ টাকা পঠাওঁ ॥ ১১৭৭ ॥

শ্ৰীচন্দ্ৰৰ ঘৰ পোৱা

২৭ কাৰ্ত্তিক ৰবিবাৰ—ৰাত্ৰি ১২॥০ সময়, শ্ৰীচন্দ্ৰকান্তৰ ঘৰ পোৱে; আমাৰ পথালি ঘৰত থাকে ॥ ১১৭৮ ॥

২৪ অগ্ৰায়ণ—শ্ৰীঘনকান্তী বোৱাৰীৰ ছোৱালী এটী দিবা ৭॥০ বাজাত হৈ,—

২৫ অগ্ৰায়ণ—দিবা ২টা সময় চুকায় ॥ ১১৭৯

শিলৰ খুটাৰ বাবত ফি টাকায় ছয় পাই

৫ পৌষ, ১৯ ডিচাম্বৰ—এই সনৰ পৰা শিলৰ খুটা বাবত, খেৰাজী মাটিৰ খাজানাৰ ফি টাকায় ছয় পাই তহচীলদাৰ সকলে কাটি ৰাখে ॥ ১১৮০ ॥

ভূমিকম্পত মনকলী হাতীৰ মৃত্যু

৯ পৌষ, ২৩ ডিচাম্বৰ ৰবিবাৰ—ৰাত্রি ১১টা সময় এ ভূমিকম্প হয়। সেই কম্পতে মোৰ "মনকলী" হাতী মাহুতৰ ঘৰৰ আগত বান্ধি থৈছিল। তাতে মাটিত পৰিল, উঠিব নোৱাৰিলে। ৰাতিপোৱা কোৱাতে, ঘাহ-পানী দিব দিছিলোঁ ও দিছিল। উঠিব নোৱাৰি,

১১ পৌষ—ৰাত্রি মৃত্যু হোৱা কোৱাত,—

১২ পৌষ—খৰচা দি পোতালোঁ ॥ ১১৮১ ॥

আনন্দৰাম বৰুৱা ফৌত্

৭ মাঘ, ১৯ জানুৱাৰী—আনন্দৰাম বৰুৱা ডিপুটী কমিচনৰ কলিকাতায় ফৌত্ হয় ॥ ১১৮২ ॥

ৰবঘৈণীৰ অস্থি গঙ্গাত লগাবলৈ পঠোৱা

১০ মাঘ—শ্রীৰাপালী ৰবদলৈ তস্য স্ত্রী সহ ভাঠী হৰিদ্বাৰে যাবৰ কাৰণে আমাৰ ঘৰে আহি থাকে ॥ ১১৮৩ ॥

১১ মাঘ—বিদায় দি ৰবঘৈণীৰ অস্থি হৰিদ্বাৰে গঙ্গাত লগাব খৰচা সহিত দিওঁ ॥ ১১৮৪ ॥

পুষ্পকান্তৰ জন্য ব্রজ ভোজ

এবং মহাফেজনী পুষ্পকান্তৰ জন্যে ব্রজভোজ (ব্রহ্মভোজ?) দিয়াতে কদ্রেশ্বৰে যাওঁ। আমি অহাৰ পৰে খুৰীৰ পৰা ভূমি ও পুষ্পকান্তৰ কাজিয়া হয় তদবধি ॥ ১১৮৫ ॥

শ্রীকদাই ভাঠী তীর্থ যোৱা গ্যাতি সকলক নমতাত,—আমি চুড়া-কৰণত নোযোৱা

১৩ মাঘ—যোৰহাটৰ পৰা কপৌ ঘৰৰ শ্রীকদাই তীর্থ কৰিবৰ আহি, ঐ কদাইৰ মাক লুধুৰি,

১৪ মাঘ—দেখা হৈ ভটীয়াই যায় ॥ ১১৮৬ ॥

২৪ মাঘ—সোমবাৰ উমাকান্ত তস্য পুতেকৰ "চুড়াত"(১) আমাক মাতি লগ লবৰ ধৰিছিল। "আমি গ্যাতি সকলৰ সঙ্গতি আছোঁ; তেওঁলোক নগলে যাব নোৱাৰ" বুলি কোৱাতে, "কি বুঢ়া গৰু খালত পৰিছে!" বুলি নমতাত, আমি নগলোঁ ॥ ১১৮৭ ॥

টোকা :—(১) চুড়াত = চুড়াকৰণত।

২৫ মাঘ বুধবাব—শ্রীবিষ্ণুব পুতেক, শ্রীআনন্দিব 'চুড়াকবণে" যাওঁ ॥ ১১৮৮ ॥ শ্রীআনন্দিব চুড়াকবণ

* * * * * * * * *

২৯ মাঘ—ভবলু সত্রে যাই মহাপ্রভুক সেবা কবি মণিকূট নামঘবব মালামালব ফর্দ্দ কবি আনোঁ ॥ ১১৮৯ ॥ ভবলু সত্রব মালামালব ফর্দ্দ

৪ ফাগুন—অশ্বক্রান্ত থানব দ্রব্যজাতব, অশ্বক্রান্তব দ্রব্যজাতব ফর্দ্দ পঠৈয়া

৬ ফাগুন—ভবলু সত্রব ফর্দ্দ কবি, চিঠি সহ, নগাঞে গোসাঞী ঈশ্বব পাশ পঠাওঁ ॥ ১১৯০ ॥

১২ ফাগুন—ৰঘবৈণীব সাম্বৎসবিক শ্রাদ্ধ, ভেউব অভিমতে, মঞি নিজে কবোঁ ॥ ১১৯১ ॥ ৺ৰঘবৈণীব সাম্বৎসবিক শ্রাদ্ধ

১৩ ফাগুন—শ্রীকদাই তস্য মাক ও বোৱাবীয়েক সহিত, তীর্থ কবি আমাব ঘবে অহাতে বিদায় দি পঠাওঁ ॥ ১১৯২ ॥ শ্রীকদাই আদি তীর্থ কবি ঘুবি অহা

১৫ ফাগুন—মধুমিশ্র (পাণ্ডা) (শ্রী)ক্ষেত্রব পৰা আহি, আমাব ঘবে থাকাতে বিদায় দিওঁ ॥ ১১৯৩ ॥ মধুমিশ্রক বিদায় দিয়া

১৭ ফাগুন—বুধবাব মহাফেজনী কদ্রেশ্বৰব উঠি আহি আমাব শ্রীকণব ঘবে থাকে ॥ ১১৯৪ ॥ মহাফেজনী কদ্রেশ্বৰব পৰা উঠি অহা

১৮ ফাগুন—শ্রীলখীধৰব পুতেক ভব কৌত্ হয় ॥ ১১৯৫ ॥ লখীধৰ পুত্র তব কৌত্

১৯ ফাগুন—যজ্ঞসেন চৌধাৰী খাতা পৰগণাব ঘবে কৌত্ হয় ॥ ১১৯৬ ॥ যজ্ঞসেন চৌধাৰী কৌত্

২২ ফাগুন সোমবাব—নগাঞব পৰা শ্রীশ্রীআউনীআটীয়া গোসাঞীব বেমাৰব টেলিগ্রাফ্ ৮ বজাত পাই, তেতিয়াই তবাতবিতে স্নান পূর্ব্বক, গোহাটী যাই, ডাক-জাহাজ নাপাই, ৰাতি জাহাজত থাকি, পৰ বোজ,— শ্রীশ্রীআউনীআটীয়া গোসাঞীব বেমাৰ চাবলৈ

২৩ ফাগুন—ৰওনা হৈ গধূল সময়, তেজপুৰ পাওঁ। ৰওনা তেজপুৰ

২৪ ফাগুন—৮টা সময়, শিলঘাট পাই বাম উঠি স্নান পূর্ব্বক ভোজন কবি, হাতীবে যাই, বাত্রি ১০টা সময় সত্র পাই, প্রসাদ লৈ বাপিবাম ওজাব বাহাত থাকোঁ ॥ ১১৯৭ ॥ শিলঘাট সত্র পহচা

চিকিৎসাত গোসাঞী আবাম নগাঞ যোৱা

২৫ ফাগুন ইস্তক ২৯ ফাগুনতক চিকিৎসা কবাতে গোসাঞী ঈশ্বৰ আবাম হোৱাতে অনুমতি লৈ,—

৩০ ফাগুন—নগাঞ সহৰে যাই, শ্রীদুর্গানাথ ফোকনৰ টোলত, শ্রীবেথাৰাম ভকতৰ বাহাত থাকোঁ ॥ ১১৯৮ ॥

খাগৰিজান

১ চৈত্র—খাগৰিজানে থাকি শ্রীনন্দীনাথ বৰুৱা (পাশ) ও কাঞাপটি যাওঁ ॥ ১১৯৯ ॥

শ্রীগুণাভিৰাম বৰুৱা ও শ্রীনন্দীনাথ বৰুৱা পাশ যোৱা কাঞাপটি

২ চৈত্র—শ্রীগুণাভিৰাম বৰুৱা পাশ যাওঁ। এবং গধূল সময় শ্রীনন্দীনাথ বৰুৱাৰ বেমাৰ শুনি যাই ঔষধ খুৱাওঁ ॥১২০০॥

৩ বোজ (চৈত্র) কাঞাপটি যাই, শ্রীৰত্নকান্তৰ দেনা হিচাব বন্দবস্তি কৰি,—॥ ১২০১ ॥

গোসাঞী ঈশ্বৰ পাশ থকা

৪ চৈত্র—খাগৰিজান হৈতে গৰুৰ গাড়ীতে ৰওনা হৈ গোসাঞী ঈশ্বৰ দেখা হৈ, আগে থকা নামঘৰত থাকোঁ ॥ ১২০২ ॥

৫ চৈত্র—মঞি নগাঞে গোসাঞী ঈশ্বৰ পাশ থাকোঁ ॥১২০৩॥

শ্রীকেম্বল ও শ্রীগেট্ সাহেব নগাঞৰ পৰা উত্তৰ গোহাটী অহা

৬ চৈত্র, ১৮ মার্চ্চ—শ্রীজন্‌চন্ জজ ও কমিচনৰ ছুটী লোৱাতে তৎকর্ম্মে, শ্রীকেম্বল সাহেব একটিং হয়। ও তৎকর্ম্মে শ্রীগেট্ সাহেব একটিং ডিপুটী কমিচনৰ হয়, শ্রীৰত্নৰ চিঠি পাওঁ ॥১২০৪॥

৭ চৈত্র—শ্রীশ্রীআউনীআটীয় গোসাঞী পাশ বিদায় হৈ দিবা ১টা সময়, গৰুৰ গাড়ী দ্বাৰা, শ্রীকিনা ও শ্রীবেঙ্গা সহিত ৰওনা হৈ, চামগুৰিত সন্ধ্যা হ'ল। তামাম ৰাতি যাই, কলিয়াবৰ পোৱাতে, প্রভাত হ'ল ॥ ১২০৫ ॥

শ্রীকেম্বল সাহেব সহিত দেখা হোৱা

৮ চৈত্র—৭॥০টা সময়, ঐ গাড়ীৰ দ্বাৰা, জাহাজ ঘাটত উপস্থিত হৈ, তৰাতৰিতে স্নান পূর্ব্বক অলপ জল খাই, ডাক জাহাজ অহাতে উঠি, ৰওনা হৈ, ৪॥০টা সময় গোহাটী পহুচি, সন্ধ্যা সময় উত্তৰ গুৱাহাটী ঘৰ পাওঁ ॥ ১২০৬ ॥

শ্রীভূমিৰ যৈণী "হেম" ফৌত্

১৬ চৈত্র—মঞি গোহাটী যাই, শ্রীকেম্বল একটিং জজ সাহেব সহিত দেখা, কথোপকথন হওঁ ॥ ১২০৭ ॥

২৪ চৈত্র, ৫ আপ্‌ৰেল—শুক্রবাৰ ৰাতি, ভূমিৰ যৈণীয়েক হেম ফৌত্ হয় ॥ ১২০৮ ॥

ষষ্ঠ অধ্যায়

শ্রীশ্রীফিষ্ট্‌প্যাটী চীফ্‌ কমিচনৰ ও তেওঁৰ সলনি আন আন লোক।

১৮১১ শক। ১২৯৬ সন। ১৮৮৯-৯০ ইং।

বিষয়াদি—পৰগণা বন্দবস্ত—শিলৰ খুটাৰ টেক্স ৰহিত—ৰৰ মুহাত ৰৰপেটা, উত্তৰ গুৱাহাটী ও নগাঞেঁ ক্ষতি—হাজো পৰগণাৰ "ৰাইজ উঠা"—উমানন্দত টেলিগ্রাফ খুটা—ফিষ্ট্‌প্যাটী হায়দ্রাবাদে ৰেচিডেণ্ট হোৱা—একটিং চীফ্‌ কমিচনৰ মিঃ ইয়েষ্টলগুৰ ইস্তফা দিয়া—'লা' সাহেব (Sir Charles Lyall, K.C.S.I., C.I.E. ?) একটিং চীফ্‌ কমিচনৰ—কুইনটন সাহেব (Mr. J. W. Quinton C.S.I.) চীফ্‌ কমিচনৰ হোৱা—উমানন্দত টেলিগ্রাফৰ গুণা—আদমচুমাৰি—মঞ্জি জীবিত থকা প্রমান—প্রিন্স্‌ এলবাট ভিক্টৰ কলিকাতা আহা—জন্ম, মৃত্যু, বিবাহ ও অন্যান্য খবৰ।

শ্রীশ্রীফিষ্ট্‌প্যাটী চীফ্‌ কমিচনৰ ও শ্রীকেম্বল সাহেব একটিং জজ-কমিচনৰ। ও কামৰূপে শ্রীগেট সাহেব একটিং ডিপুটী কমিচনৰ ॥ ১২০৯ ॥ ইংৰাজ বিষয়া সকল

তহচীলদাৰ মকৰৰ হোৱা পৰগণা সেয়াই। অন্য সকল পৰগণা কেৰচন্‌ পেয়াল মত, বন্দবস্ত হ'ল। কিন্তু এই সনে শিলৰ খুটি বাবত ছয় পাই কি টাকায় লোৱা ৰহিত হ'ল ॥১২১০॥ শিলৰ খুটাৰ কৰ ৰহিত

১৪ বৈশাগ, ২৬ আপ্‌ৰেল—কামৰূপৰ একটিং ডিপুটী কমিচনৰ শ্রীগেট্‌ সাহেব মণিপুৰে পলিটিকেল এজেণ্ট্‌ হৈ যোৱাতে, তৎকর্ম্মে শ্রীহেট্‌ সাহেব একটীং হয় ॥ ১২১১ ॥ শ্রীগ্রেট সাহেব মণিপুৰে পলিটিকেল এজেণ্ট হোৱা

টোকা :—(১) ১৮১১ শক হোৱা উচিত ; মূল পুথিত ১৮১০ শক দিয়া আছে।

শ্রীৰত্নৰ দেনা বিষয় নগাঞে লিখা

২১ বৈশাগ—নগাঞতে ভোম সিং কাঞাৰ গোমস্থা নাথমল কাঞাক শ্রীৰত্নকান্তৰ ৯৫৲ টাকা দেনা থাকাতে শ্রীৰতনবাবু, মন্‌চুফি আদালতৰ পৰা ক্রোক কৰাই হেতু, নাথমল ওজৰ কৰাৰ কাৰণ, শ্রীবাপিৰাম নাজিৰকে লিখোঁ ॥ ১২১২ ॥

ৰৰপেটাৰ ধুমুহাত মানুহ মৰা

ও ৰৰ ধুমুহা বতাহ হৈ ৰৰপেটায় মানুহ মৰে। তথায়, বতহু নাজীৰ মৰে ॥ ১২১৩ ॥

উত্তৰ গোহাটীত ধুমুহা, শিলাবৃষ্টি

২৪ বৈশাগ—নিশা দুপ্রহৰ সময় ৰৰ ধুমুহা শিলাবৃষ্টি হয়। আমাৰ বাৰীৰ কদ্রাক্ষ ভাঙ্গি পৰে ॥ ১২১৪ ॥

৩ জৈষ্ট, ১৬ মেই—মহাফেজনীৰ মাটিত পুষ্পকান্ত ও ভূমিকান্ত সমুদায় মাটিত নামজাৰি বিষয় কালেক্টৰিত মকর্দ্দমা হোৱাতে, মহাফেজ উইল কৰি তস্য স্ত্রীক দিয়া বাবতে, মঞ্জি শ্রীহৰিচন্দ্র চাকি মন্‌চুফ পাশ হাজিৰ হৈ, শ্রীৰত্নেশ্বৰ শর্ম্মা সহিত সাক্ষী কওঁ। উমাকান্ত ও শ্রীকমলাকান্ত সিপক্ষে কলে ॥ ১২১৫ ॥ এবং,—

১২ জৈষ্ট—ঐ মকর্দ্দমা ডিচ্‌মিচ্‌ হয় ॥ ১২১৬ ॥

হাজো প্রভিতি পৰগণাত "ৰাইজ উঠা"

১৪ জৈষ্ট ২৭ মেই—হাজো প্রভিতি পৰগণাৰ ৰায়ত * * তহচীলদাৰ পৰ ৰাইজ উঠাতে, শ্রীহেট্‌ সাহেব একটিং ডিপুটি কমিচনৰ ও পুলিচ্‌ সাহেৰ মপস্বল যোৱাতে, ৰাইজে অপমান কৰে ॥ ১২১৭ ॥

তদন্ত

২৬ জৈষ্ট—৭ জুন—শ্রীকেম্বল সাহেব একটিং জজ ও হেট্‌ সাহেব ও পুলিচ সাহেব মপস্বল যাই ৰাইজ উঠা তদন্তক্রমে,

* * * *

দণ্ড

৩০ জৈষ্ট, ১২ জুন—ৰাইজ উঠা মকর্দ্দমায় * * * * * প্রভিতিক ৬।৬ মাহ ফাটেক দিয়ে ॥ ১২১৮ ॥

২ আষাঢ়, ১৫ জুন—শ্রীশ্রীকেম্বল সাহেব একটিং কমিচনৰ, শ্রীলা সাহেবকে চার্জ্জ দি জেলাৰ ডিপুটী কমিচনৰ কর্ম্ম শ্রীহেট্‌ সাহেবৰ পাশ গ্রহণ কৰে ॥ ১২১৯ ॥

৪ আষাঢ় ১৭ জুন—দক্ষিণ গোহাটী হৈতে, উমানন্দৰ পৰ্ব্বতৰ ওপৰেদি, টেলিগ্রাফৰ গুণা দিবৰ কাৰণে খুটা পোতে ॥ ১২২০ ॥

উমানন্দত টেলিগ্রাফৰ খুটা পোতা

৭ আষাঢ়—শ্রীদেবকান্তৰ কন্যা এটী হৈ মৃত হয় ॥ ১২২১ ॥

শ্রীদেবৰ কন্যা মৃত

১২ আষাঢ়, ২৫ জুন—নগাঞে বৰ ধুমুহা হৈ তিনিখন গাঞৰ ঘৰ ভাঙ্গে। ও পৰ্ব্বত কন্দলিৰ ফালে থহে, শুনা যায় ॥ ১২২২ ॥

নগাঞে বৰ ধুমুহা

১৯ আষাঢ়, ২ জুলাই—শ্রীকেম্বল সাহেৰ, বেমাৰ হৈ ছুটী লোৱাতে, তৎকৰ্ম্মে শ্রীহেট্ সাহেৰ চার্জ্জ লয় ॥ ১২২৩ ॥

কেম্বল সাহেৰ ছুটী লোৱা

২৫ আষাঢ়, ৮ জুলাই—গোপাল গোহাঞী ফৌত্ হয় ॥ ১২২৪ ॥

গোপাল গোহাঞী ফৌত্

ও পুষ্পকান্ত চহৰৰ ভিতৰ টিলাৰ পশ্চিমে ঘৰ কৰি কদ্রেশ্বৰৰ পৰা উঠি আহে ॥ ১২২৫ ॥

পুষ্পকান্ত চহৰলৈ উঠি অহা

৩১ আষাঢ়, ১৪ জুলাই—শ্রীশ্রীফিষ্ট্ প্যাটী চীফ্ কমিচনৰ হায়দ্রাবাদে "ৰেচিডেণ্ট" মকৰৰ হোৱাতে তৎকৰ্ম্মে মিষ্টৰ ইয়েষ্টলণ্ড্ গোহাটী পহুচি খিলিঙে যাই,—

ফিষ্ট্ প্যাটী হায়দ্রাবাদে ৰেচিডেণ্ট ইয়েষ্টলণ্ড্ চীফ কমিচনৰ

২ শ্রাবণ—১৭ জুলাই চার্জ্জ গ্রহণ কৰে। এবং ফিষ্ট্ প্যাটী গোহাটী আহি ভাঠী যায় ॥ ১২২৬ ॥

শ্রীশ্রীলা সাহেৰ জজ, গবর্ণমেণ্টৰ চেকেট্টৰ হৱাতে শ্রীশ্রীকেম্বল সাহেৰ পুনৰ জজ-কমিচনৰ চার্জ্জ গ্রহণ কৰে ॥ ১২২৭ ॥

৬ ভাদ্র, ২১ আগষ্ট—শ্রীশ্রীমিষ্টৰ ইয়েষ্টলণ্ড্, চীফ্ কমিচনৰ কাম ইস্তফা দিয়াতে, দোচ্ৰা একজন না-আইসাতক্, লা (১) সাহেৰ ঐ চীফ্ কমিচনৰ চার্জ্জ গ্রহণ কৰে ॥ ১২২৮ ॥

ইয়েষ্টলণ্ড্ চীফ্ কমিচনৰ পদ ইস্তফা দিয়া

১৭ ভাদ্র, ১ চেপ্তাম্বৰ—কালাজ্বৰ হৈ অনেক লোক মৰা বাবত, ইস্কুল ঘৰে কমিটী হয় ॥ ১২২৯(ক) ॥

কালাজ্বৰ

টোকা :—(১) লা সাহেৰ—Sir Charles Lyall, K. C.S.I.

লেঃ গৱর্ণৰ শ্বিলিংযোৱা

এবং শ্রীশ্রীবেলী সাহেব লেপর্ণ্টণ্ট্ (লেফ্‌টেনাণ্ট্) গৱর্ণৰ আহি শ্বিলিং যায় ॥ ১২২৯(খ) ॥

পূর্ণাৰ মাক ফৌত্

১০ আশ্বিন, ২৫ চেপ্তাম্বৰ—ঈসাইৰ ঘৈণীয়েক পূর্ণাৰ মাক, দিবা ৩টা সময় ফৌত্ হয় ॥ ১২৩০ ॥

কুইণ্টন্ চীফ্ কমিচনৰ

৪ কার্ত্তিক—১০ আক্টুবৰ—শ্রীশ্রীকুইণ্টন্ সাহেব আসামে চীফ্ কমিচনৰ হৈ গোহাটী পহুচে ॥ ১২৩১ ॥

টেলিগ্রাফৰ গুণা উমানন্দৰ ওপৰেদি চলে

৮ কার্ত্তিক—২৪ আক্টুবৰ—টেলিগ্রাফৰ গুণা গোহাটি হৈতে উমানন্দত তোলি, ওপৰেদি ৰজাদুৱাৰৰ পর্ব্বতত তোলে এবং চলায় ॥ ১২৩২ ॥

আদমসুমাৰি

২৩ কার্ত্তিক, ৮ নৱম্বৰ—শুক্রবাৰ ৰাতি, "আদমসুমাৰি", সকলখানে পেয়াল কৰে ॥ ১২৩৩ ॥

হলিৰাম বৰুৱা ফৌত্

২৭ কার্ত্তিক,—১২ নৱম্বৰ—হলিৰাম বৰুৱা একষ্ট্রা এচিষ্টেণ্ট কমিচনৰ কুকুৰমুতাৰ খৰিদা বাঙ্গালাতে, ঐ ৰোজ ৰাতি মৃত্যু হৈ থাকে। পৰৰোজ, বলো, ও বংশী, ও বাধা, হলিৰামৰ পুত্র নি অগ্নিকর্ম্ম কৰে ॥ ১২৩৪ ॥

আমি জীবিত পৰীক্ষার্থে ট্রেজাৰী হাকিম পাশ হাজিৰ

১১ অগ্রায়ন, ২৫ নৱম্বৰ—আমি পেনচিন প্রাপ্ত জীবিত (১) আছি কি নাই, পৰীক্ষা কৰাৰ জন্যে, কণ্ট্রোলাৰৰ চিঠিমত, "ট্রেজাৰী"ৰ হাকিম পাশ, মঞ্জি হাজিৰ হবৰ কাৰণে শ্রীআন, এছ, গ্রীন্‌চিট্‌চ্ স্কোৱাৰ একটাং ডিপুটী কমিচনৰ ৰোৱকাৰী পোৱাতে, ১২ অগ্রায়ন—২৬ নৱম্বৰ শ্রীপ্রকাশবাবু একষ্ট্রা এচিষ্টেণ্ট পাশ হাজিৰ হওঁ ॥ ১২৩৫ ॥

ৰবদিন হেতু কেম্বল সাহেবক দেখা হোৱা

১১ পৌষ, ২৫ ডিচাম্বৰ—অদ্য "ৰবদিন" হেতু শ্রীকেম্বল সাহেবেৰ বাঙ্গালায়, শ্রীৰত্নকান্ত ও শ্রীধর্ম্মকান্ত, শ্রীদেবকান্ত সহিত যাই, কথাবার্ত্তা হৈ আহোঁ ॥ ১২৩৬ ॥

২০ পৌষ, ১৮৯০ ইংৰেজীৰ ৩ জানৱাৰী শুক্রবাৰ শ্রীশ্রীবিক্টুৰীয়া কোইন ভাৰতেশ্বৰীৰ নিজ পৌত্র পিন্স আলবর্ট

বিক্টব, ভাবত ভ্রমণার্থে, কলিকাতাব ভাগীবথীব তীবে, অপবাহ্নে অবতীর্ণ হয়। এবং ববলাট শ্রীশ্রীলান্স্‌ডাউন্‌ ও ছোট লাট শ্রীবেলী প্রভিতি অগ্রসব হৈ, সমাদব পূর্ব্বক, কলিকাতায় তোলে। বাতি আতচ্‌বাজি, চাকি ও নাচ্‌ ভোজাদি হয় ॥ ১২৩৭ ॥ প্রিন্স্‌ আলবার্ট বিক্টব কলিকাতা অহা

২৮ পৌষ, ১১ জানবাবী শনিবাব দিবা ১টা সময়, সক ঘৈণীব পুত্র এটি জন্ম হয় ॥ ১২৩৮ ॥ সক ঘৈণীব পুত্র জন্ম

১ মাঘ(১)—সোমবাব প্রাতসে, শ্রীমতী ইন্দু যুবত হয় ॥ ১২৩৯ ॥ শ্রীমতী ইন্দু যুবত

৪ মাঘ—সক ঘৈণীব লবাটি দিনতে গণনাব পব, বাতি ৭ বজাত মৃত্যু হয় ॥ ১২৪০ ॥ সক ঘৈণীব পুত্রব মৃত্যু

৭ মাঘ ববিবাব—প্রাতসে শ্রীবামনপতি পাণ্ডাব লগত অহা কানু শর্ম্মা গ্রহণী বেমাবে ফৌত্‌ হয়। চক্র ও পুর্ণা শর্ম্মা অগ্নিকর্ম্ম কবে ॥ ১২৪১ ॥ কানু শর্ম্মা ফৌত্‌

১১ মাঘ বৃহস্পতিবাব—ইন্দুমতী ধুবনী হয়। কনাই-কোলা স্ত্রীসকলে লয় ॥ ১২৪২ ॥

১৯ মাঘ—পুষ্প ও ভূমিকান্ত, মহাফেজনী নামে মাটিব ৯০৮৷৶০ অনাব দেবানীত মকর্দ্দমা হোবাত বর্ণনা তৈয়াব কবি দিয়া যায় ॥ ১২৪৩ ॥ মহাফেজনীব দেবানী মকর্দ্দমা

২১ মাঘ—গোহাটী যাই, কেঞাপটি যাওঁ। ও শ্রীশিবপ্রসাদ মন্‌চুফব বাসায় যাই কথাবার্ত্তা হৈ আহোঁ ॥ ১২৪৪ ॥ শিবপ্রসাদ মনচুফ সহিত দেখা হোৱা

২৬ মাঘ শুক্রবাব—শ্রীজয়বাম জামাতাব জীয়েক সহিত শ্রীভূমিব বিবাহ হয়। * * * * * * * * * ॥ ১২৪৫ ॥ ভূমিব বিবাহ

* * মাঘ * ফেব্রুবাবী—অদ্য বব ঘৈণীব কর্ম্ম শ্রীকমলাকান্ত ও শ্রীদেবকান্ত দ্বাবা কবান যায় ॥ ১২৪৬ ॥ ববঘৈণীব কর্ম্ম

টোকা :—(১) ৭ মাঘ—মূল পুথিত ভুলকৈ ৫ মাঘ দিয়া আছে।
* *—উহ্য আছে। —সম্পাদক।

ঘনকান্তীৰ আৰোগ্যাৰ্থে বটুক পাঠ

৩ ফাগুন, ১৪ ফেব্রুয়াৰী—উমানন্দৰ শ্রীগোপীচন্দ্র দলৈ দ্বাৰা, শ্রীঘনকান্তী বেমাৰ হৈতে আৰাম জন্য শতাবর্ত্তন বটুক, ৰাতি অন্য ব্রাহ্মণ এক জন সহিত পাঠ কৰান যায় ॥ ১২৪৭ ॥

ঘনকান্তী বোৱাৰী মৃত শ্রীইন্দু যুবত হোৱা

৯ ফাগুন, ২০ ফেব্রুৱাৰী—বৃহস্পতিবাৰ ৰাত্রি ৪টা সময়, শুক্লা দ্বিতীয়া তিথিত ঘনকান্তী বোৱাৰী কাল প্রাপ্ত হ'ল। শ্রীদেৱকান্ত দ্বাৰা অগ্নিকর্ম্ম কৰি কার্য্য লোৱান যায় ॥ ১২৪৮ ॥

শ্রীললিত চন্দ্রক জনোৱা

১০ ফাগুন, ২১ ফেব্রুৱাৰী—শ্রীইন্দু যুবত হোৱা, শ্রীললিত চন্দ্রকে চিঠি দিওঁ ॥ ১২৪৯ ॥

উজানে চিঠি

১৩ ফাগুন, ২৪ ফেব্রুয়াৰী—শ্রীশ্রীআউনীআটীয়া গোসাঞী প্রভিতিকে চিঠি লিখোঁ,—ছোৱালী এটি শ্রীৰত্নকান্তৰ কাৰণে (চাবলৈ) ॥ ১২৫০ ॥

চীফ্ কমিচনৰৰ চিঠি জাৰি

শ্রীশ্রীচীফ্ কমিচনৰ,—হিচাবৰ মহৰিৰ* (বন্ধ কৰাব)* ও চহৰৰ মাটি পুৰা ৩২৲ টাকা হয়,—চিঠি জাৰি কৰে ॥ ১২৫১ ॥

৫ চৈত্র, সোমবাৰ—শ্রীদূতীৰাম ও শ্রীবলিকান্তকে, এটা ছোৱালী ঠিকনা কৰাৰ কাৰণে, চিঠি লিখোঁ ॥ ১২৫২ ॥

মহাফেজনীয়ে মাটি পোৱা

পুষ্প ও ভূমিৰ দেৱানী মকর্দ্দমা (তে) মহাফেজনী তৰসিম্ অর্দ্ধেক মাটি ডিক্রী পায় ॥ ১২৫৩ ॥

মহাৰাণীৰ নাতি স্বদেশ যোৱা

৯ চৈত্র, ২১ মার্চ্চ শুক্রবাৰ—শ্রীশ্রীমহাৰাণী বিক্টুৰীয়া ভাৰতেশ্বৰীৰ নাতি শ্রীপ্রিন্স্ আলবার্ট্ বিক্টৰ, ভাৰত ভ্রমণ কৰি ঐ ৰোজ স্বদেশে যাত্রা কৰে। চাৰে চাৰি মাহ, ভাৰতে ফুৰা হ'ল ॥ ১২৫৪ ॥

শ্রীকেম্বল সাহেব চার্জ্জ লোৱা

১২ চৈত্র, ২৪ মার্চ্চ সোমবাৰ—শ্রীকেম্বল সাহেব, শ্রীবিন্ছীণ্ট্ সাহেব পাশ চার্জ্জ লয় ॥ ১২৫৫ ॥

১৭ চৈত্র, ২৯ মার্চ্চ শনিবাৰ—অদ্য ৰামনৱমী দিবা ২৷৷০ টা সময়, গোহাটীতে নাউজানত জুই লাগি, শ্রীশ্রীকেশৱকান্ত

টোকা :—* * অস্পষ্ট। অনুমানত লিখা হৈছে। —সম্পাদক।

যুবৰাজৰ সমুদায় ঘৰ পোৰাতে, ছত্ৰাকাৰ দেৱালয় যাই আছিল ॥ ১২৫৬ ॥ কেশৱকান্ত যুবৰাজৰ ঘৰ পোৰা

১৮ চৈত্ৰ, ৩০ মাৰ্চ্চ—মঞ্চি ছত্ৰাকাৰ দেৱালয়ত দেখা হৈ, এক সিধা ও নয়নচুকৰ থান এটা দিওঁ। ও শ্ৰীকেশ্বল সাহেৱ পাশ যাই, সাহায্য দিবৰ কথা কওঁ। ও টিপিৰী আইদেৱলৈ সিধা এটা দিওঁ ॥ ১২৫৭ ॥ সিধা দিয়া

২৪ চৈত্ৰ (১), ৫ আপৱেল—শনিবাৰ শ্ৰীইন্দুমতীক আগত ৫ বৈশাগ শান্তি দিবৰ স্থিৰ কৰি, শ্ৰীললিতচন্দ্ৰ (ৱৰদলৈ, স্বামী) ও শ্ৰীমাধবচন্দ্ৰ ৱৰদলৈকে (তস্য জেষ্ট ভ্ৰাতাকে), চিঠি লিখোঁ ॥ ১২৫৮ ॥ ইন্দুমতীৰ শান্তি বিষয় চিঠি লিখা

২৯ চৈত্ৰ, ১০ (২) আপ্ৱেল—শ্ৰীললিতচন্দ্ৰৰ চিঠি পাওঁ, ছুটী নোপোৱাত, ৫ বৈশাগ শান্তি লবৰ আহিব নোৱাৰা ॥১২৫৯॥ শান্তিৰ কাৰণে ললিতচন্দ্ৰ আহিব নোৱাৰা

৩১ চৈত্ৰ—শ্ৰীদূতীৰামৰ চিঠি পাওঁ, শ্ৰীবাপুটিৰ সকটী জীয়েক শ্ৰীৰত্নলৈ দিবৰ বাপেক সম্মত হোৱা বাবত ॥ ১২৬০ ॥



—সমাপ্ত-

টোকা :—(১) মূল পুথিত ২৫ চৈত্ৰ।

(২) „ „ ৭ আপ্ৱেল। —সম্পাদক।

পৰিশিষ্ট—ক

৺হৰকান্ত সদৰামীনৰ আত্মজীৱনীত উল্লিখিত ইংৰাজ বিষয়াসকল ঃ

(সময় অনুসাৰে)

প্ৰথম খণ্ড

সময়	অসমীয়া নাম	ইংৰাজী নাম
১৭৪৪ শক ১৮২২ ইং	ডেভিদ্ ইস্কাট কমিচনৰ	Mr. David Scott, First Commissioner.
১৭৫৫ শক ১৮৩৩ ইং	ৰবাৰ্টচন কমিচনৰ	Mr. T. C. Robertson, 2nd Commissioner.
”	জিন্‌কিন্‌চ্ কমিচনৰ	Lieut. Colonel Francis Jenkins, 3rd Commissioner.
”	কাপ্তান বগল সাহেব	Captain Archibald Bogle.
১৭৫৬ শক ১৮৩৪ ইং	কাৰকট (ৰৰপেটা)	Cracoft.
১৭৫৯ শক ১৮৩৭ ইং	মিথি সাহেব কালেক্টৰ	Lieut. Colonel Matthie
১৭৬০ শক ১৮৩৮ ইং	উইমেষ সাহেব কালেক্টৰ	Weimash (*vice* Matthie promoted to be Commissioner).
১৭৬৩ শক ১৮৪১ ইং	জান বট্‌লৰ জুনিয়ৰ ইন্‌চার্জ্জ	Captain John Butler. (*vice* Weimash recalled to Army).
১৭৬৪ শক ১৮৪২ ইং	বিগি সাহেব কালেক্টৰ	Lieut. H. Bigge. Collector-in-charge.
১৭৬৫ শক ১৮৪৩ ইং	ডালটীন সাহেব কালেক্টৰ (কামৰূপ)	E. T. Dalton.
১৭৬৫ শক ১৮৪৩ ইং	গৰ্ডন্ সাহেব কালেক্টৰ (তেজপুৰ)	Captain J. T. Gordon.
১৭৬৬ শক ১৮৪৪ ইং	প্ৰেমৰটন্ সাহেব	Mr. R. B. Pemberton (Bhutan Expedition).

সময়	অসমীয়া নাম	ইংৰাজী নাম
১৭৬৮ শক ১৮৪৬ ইং	বাৰিক মেষ্টৰ সাহেব	Barrick Master (was fined Rs. 4000/- when the church at Gauhati broke down, in the earthquake.)
১৭৭২ শক ১৮৫০ ইং	চার্লচ্ ইস্কাট	Charles Scott (son of David Scott) Collector *vice* Dalton transferred to Chotanagpur.
"	প্রধান লাট পাদ্ৰী সাহেব গোহাটীলৈ আহে।	(Lord Bishop of Calcutta ?)
"	কাপ্তান্ ই, এ, ৰৌলট্ সাহেব কালেক্টৰ।	Captain E. A. Rowlatt, Collector *vice* Charles Scott deceased.
"	বিএছ সাহেব কপৰ মাটি, সোণৰ মাটি ইত্যাদিৰ নমুনা বিলাতলৈ পঠায়।	Major H. Vetch.
১৭৭৫ শক ১৮৫৩-৫৪ ইং	ডিপুটী কমিচনৰ পদ উঠি জুডিচিয়াল কমিচনৰ হয়। ডিপুটী কালেক্টৰ শুচি ডিপুটী কমিচনৰ হয়।	Post of Deputy Commissioner and Deputy Collector changed to Judicial Commissioner and Deputy Commissioner respectively.
১৬ মেই ১৮৫৪ ইং	শ্রীশ্রীমিলছ্ জজ সাহেব গোহাটীৰ অফিচ্ চায়হি।	Mr. A. J. Mofatt Mills, Chief of the Sadr Dewani and Nizamat Adalat.
১৭৭৮ শক ১৮৫৫-৫৭ ইং	এগ্নৌ সাহেব মেজিষ্টৰ হৈ গুৱালপাৰাত ২।৩ জনক কাঁচী দিয়া শুনা গৈছিল।	W. Agnew (Goalpara).
"	হেলিডে (হলৰইড ?) সাহেব উজনি খণ্ডত . দেশীয় মানুহৰ কথা শুনি বহুত মানুহ নষ্ট কৰিছিল।	Colonel C. Holroyd.

সময়	অসমীয়া নাম	ইংৰাজী নাম
১৭৮০ শক ১৮৫৮-৫৯ ইং	লেম সাহেব ইনচার্জ্জ ডেপুটী কমিচনৰ।	Major Thomas Lamb, Deputy Commissioner in charge *vice* Rowlott gone on leave.
১৭৮১ শক ১৮৫৯-৬০ ইং	কাপ্তান লয়েড্ ডেপুটী কমিচনৰ।	Captain Lloyd, Deputy Commissioner *vice* Rowlott appointed Political Agent at Cherapunjee.
১৭৮২ শক ১৮৬১ ইং ২৭ ফেব্রুৱাৰী	হফ্‌কিন্‌চন্ কমিচনৰ (কমিচনৰ জেন্‌কিন্‌চ্ অৱসৰ লোৱাত)।	Colonel Henry Hopkinson, Commissioner (*vice* Jenkins retired.)
১৮৬১ ইং	ফেৰ জুনিয়ৰ, ইনচার্জ্জ ডেপুটী কমিচনৰ।	Phear Junior, Deputy Commissioner in charge *vice* Lloyd, Deputy Commissioner gone on tour.
১৭৮৩ শক ১৮৬১-৬২ ইং	এণ্ড্ সাহেব (তৃতীয় শ্রেণীৰ কমিচনৰ)।	End.
১৮৬২ ইং ৪ জুলাই	জি, এইচ হল্‌টন, একটীং কমিচনৰ (হফ্‌কিন্‌চন্ কমিচনৰ ছুটী লোৱাত)	G. H. Hulton acting Commissioner *vice* Hopkinson gone on leave.
১৮৬২ ইং ৯ জুলাই	ইনক্রৌন্‌চ্ সাহেব ইনচার্জ্জ কালেক্টৰ (এণ্ড্ সাহেব ছুটী লোৱাত)।	Encrounch, Deputy Commissioner in charge *vice* "End" gone on leave.
১৮৬২ ইং ২২-২৫ জুলাই	এছলী বিডন্ (বিডন?) লেফ্‌টেনাণ্ট গবর্ণৰ গোহাটীলৈ আহে।	Sir Asley Beadon, (Eden?) Lieutenant Governor.
১৭৮৪ শক ১৮৬২-৬৩ ইং ১১ এপ্রিল	ডব্‌লিউ বেকট্ সাহেব ইনচার্জ্জ ডেপুটী কমিচনৰ হয়।	W. Backett, Deputy Commissioner in charge.
১৭৮৬ শক ১৮৬৪-৬৫ ইং	ৰেৱান সাহেব কিছুকাল ডেপুটী কমিচনৰ।	Ravan, Deputy Commissioner.
"	ঐ যোৱাত 'ছেৱাৰ' সাহেব ডেপুটী কমিচনৰ।	Major Sherer, Deputy Commissioner, *vice* Ravan.
" অগ্ৰায়ন	কেম্বল সাহেব দেৱানগাড়ী লয়।	Lieut. R. Campbell.

সময়	অসমীয়া নাম	ইংৰাজী নাম
১৭৮৮ শক ১৮৬৬-৬৭ ইং	কার্ণেগী সাহেব ইনচার্জ্জ ডেপুটী কমিচনৰ (ছেয়াৰ সাহেব ছুটী লোৱাত)।	P. T. Carnegy, Deputy Commissioner *vice* Sherer gone on leave.
১৭৮৯ শক ১৮৬৭-৬৮ ইং	বিবৰ সাহেব জুডিচিয়াল কমিচনৰ।	Captain H. S. Bivar, Judicial Commissioner.
”	ফিলিপ সাহেব ডেপুটী কমিচনৰ।	Captain A. N. Phillips, Deputy Commissioner.
”	মিছিল সাহেব এচিষ্টেণ্ট কমিচনৰ (তেজপুৰ)।	Major T B. Michell, Assistant Commissioner.
১৭৯২ শক ১৮৭০-৭১ ইং	বয়ড্ সাহেব (মঙ্গলদৈ)।	Captain M. O. Boyd.
১৭৯৩ শক ১৮৭১-৭২ ইং	ফিছৰ সাহেব এচিষ্টেণ্ট্ কমিচনৰ (মঙ্গলদৈ)।	Mr. Fisher, Assistant Commissioner.
”	শ্রীশ্রীমেয়ো গবর্ণৰ জানৱেলক আন্দামানত হত্যা কৰে।	Lord Mayo, Governor General (killed at Andamans).
১৭৯৫ শক ১৮৭৩-৭৪ ইং	হফ্কিন্চন্ অৱসৰ লোৱাত ১৩।২।৭৪ তাং কাপ্তান কীটিং চীফ্ কমিচনৰ (প্ৰথম)।	Captain Keatings, Chief Commissioner of Assam.

সময়	অসমীয়া নাম	ইংৰাজী নাম
১৫ শক ৭৩-৭৪ ইং	চীফ্ কমিচনৰ শ্রীশ্রীকীটিং	Colonel Keatings, V.C. ; C.S.I.
"	এগ্‌নৌ জুডিচিয়াল কমিচনৰ।	Agnew, Judicial Commissioner.
"	লেম সাহেব ডেপুটী কমিচনৰ।	Major Thomas Lamb, Deputy Commissioner.
"	বয়ড সাহেব এচিষ্টেণ্ট কমিচনৰ (মঙ্গলদৈ)।	Captain M. O. Boyd, Assistant Commissioner.
"	লাটুচ্ সাহেব (মঙ্গলদৈ পহুচে)।	Lattus.
"	২৭ আগষ্ট—শ্রীশ্রীনৰ্থব্রুক গবর্ণৰ জানবেল গোহাটী আহে।	Lord Northbrook, Governor General comes to Gauhati.
১-৭৫ ইং	টেটৰ সাহেব ডেপুটী কমিচনৰ।	?
"		
৯৭ শক ৭১-৭৬ ইং	২৫ আষাৰ, ৮ জুলাই শ্রীশ্রীটেম্পল লেফটেনাণ্ট গবর্ণৰ।	Sir Richard Temple, Lieut. Governor.
"	হিন্নু সাহেবক হৰকান্ত সদৰামীনে দেখা কৰে।	Captain Hannay, Assistant Commissioner.
ডিচেম্বৰ ৫ শক	কোইন ৱিক্টোৰীয়াৰ পুত্ৰ প্রিন্স্ অফ্ ৱেলচ্ কলিকাতা পহুচে।	Prince of Wales (son of Queen Victoria), reaches Calcutta.
৮ শক ৬-৭৭ ইং	৩২ জৈষ্ঠ, শ্রীশ্রীওৱার্ড্ জজ খেতাপ পায়।	Ward (Judge-Commissioner)
১ শক ৯-৮০ ইং	ডনেচন ডেপুটী কমিচনৰ।	Danison, Deputy Commissioner.

সময়	অসমীয়া নাম	ইংৰাজী নাম
৩ মার্চ্চ, ১৮৮১ ইং	শ্রীশ্রীবেলি সাহেব চীফ্ কমিচনৰ (১৮৭৮-১৮৮১)	Sir S. C. Bayley.
১৮০৩ শক ১৮৮১-৮২ ইং	শ্রীশ্রীএলিয়ট্ চীফ্ কমিচনৰ।	Sir C. A. Elliot, K.C.S.I.
"	ডনেচন্ সাহেব ডিপুটী কমিচনৰ।	Danison, Deputy Commissioner.
"	ওৱার্ড জজ কমিচনৰ।	Ward, Judge-Commissioner
"	ব্রেনবিল সাহেব.....	Branville.
১৮০৫ শক ১৮৮৩-৮৪ ইং	কেম্বল সাহেব যায়—শ্রীহিউ সাহেব একটীং ডেপুটী কমিচনৰ।	Hewett, Acting Deputy Commissioner *vice* Campbell.
১৮০৯ শক ১৮৮৭-৮৮ ইং	শ্রীশ্রীফিষ্ট্‌প্যাটী চীফ্ কমিচনৰ।	Mr. D. Fitz-patrick, Chief Commissioner (1887-79 A.D.
১৮১০ শক ১৮৮৮-৮৯ ইং	মিল সাহেবৰ বাঙ্গালালৈ হৰকান্ত সদৰামীন যায়।	Mr. Mill mentioned above.
"	শ্রীহেট (গেইট্?) সাহেব একটিং ডেপুটী কমিচনৰ	? Acting Deputy Commissioner (Mr. Gait).
১৮১০ শক ১৮৮৮-৮৯ ইং	শ্রীলা সাহেব ডেপুটী কমিচনৰ।	Mr. Lyall (afterwards Sir Charles Lyall, K.C.S.I. C.I.E. ?)
১৮১১ শক ১৮৮৯-৯০ ইং	শ্রীশ্রীকুইণ্টন্ সাহেব চীফ্ কমিচনৰ।	Mr. J. W. Quinton C.S. Chief Commissioner.

পরিশিষ্ট—খ

৺হরকান্ত সদরামীনর আত্মজীবনীত ব্যবহৃত ইংরাজী, আরবী, ফার্চী আদি শব্দাবলী।

(সঙ্কেত ইং = ইংরাজী। সঙ্কেত নথকা শব্দ আরবী বা ফার্চী বা উর্দ্দু বুজিব)

আ

আখেরিতে	শেহত, শেষ সময়ত, towards closing time.
আচালতন	স্থায়ী, নিগাজী, permanent.
আচিচর	কর বা খাজানা নির্দ্ধারণ করোঁতা, an assessor one who fixes raxes of rent.
আদালত	বিচারালয়, a court of justice.
আমলা	কেরাণী, কর্ম্মচারী, a clerk, a ministerial officer of a governmet office.
আমানত	জমা দিয়া টকা, money which is deposited.
আয়েজাম	যোগার দিয়া, furnish, supply.
আয়েন্দা	আগলৈ।
আর্দ্দালী (ইং)	আজ্ঞাবহ কর্ম্মচারী, আজ্ঞাবহ ভৃত্য, an orderly officer, a servant who conveys orders from his master.

ই

ইজারা	নির্দ্দিষ্ট জমাত ম্যাদি বন্দবস্ত, farm, lease, contract, monopoly.
ইন্‌কম্ টেক্স (ইং)	আয়কর, income tax.
ইন্‌চ্‌পেক্টর (ইং)	তত্ত্বাবধায়ক, inspector.
ইন্‌তাহান্	পরীক্ষা, examination.
ইস্তক	পরা, যেনে আজুরাবী ইস্তক—আজুরাবীর পরা, from a point of time.

ইস্তকচাবি — বিচাবকব আগত দিয়া শুচবীয়াব প্রথম জবান-বন্দী, initial statement by the complainant before a magistrate.

ইস্তাহাব — ঘোষণা, জাননী, declaration, notice.

ইস্পিচিয়েল (ইং) — বিশেষ, especial.

এ

একটিন্ (ইং) — অস্থায়ী, acting, officiating.

একুণ — মুঠ, total.

এত্যালা (এত্লা) — জাননী, notice, ছুটীব কাবণে দিয়া দবখাস্ত, an application for leave of absence.

এঞ্জাম — গোটাই আনি জমা দিয়া, collecting and furnishing, supplying.

এবালিচ্ (ইং) — শুচুবা, উঠাই দিয়া, abolish.

ও

ওকীল (ব্রকীল) — উকীল, pleader.

ওয়াচিল — আদায়, acknowledging payment or receipt.

ওয়াপোচ — ঘুবাই দিয়ন, returning.

ওয়াবিচ — উত্তবাধিকাবী, গবাকী, অংশীদাব, an heir at law, owner, share-holder.

ওবফে — আন নাম, উপনাম, another name, alias.

ক

কবুলিয়ৎ — স্বীকৃত কার্য্য, acceptance, যি নিয়মব অধীনে লওঁতাই পট্টা আদি গ্রহণ কবে, conditions in a document under which the lessee accepts the lease.

কমিচন (ইং) — দস্তুবী, commission. বিশেষ অর্থ—চৌধাবী আদিয়ে চবকাবী খাজনা তোলাব বাবে প্রাপ্য মজুবী। Commission granted to chowdharies and mauzadars for collecting rents.

কমিচনর	কোনো বিষয়র তদন্তকারী। Commissioner for special enquiry. তেলীর প্রধান চরকারী বিষয়া commissioner of a valley.
কমিটি (কমিটী) (ইং)	সভা, committee.
কায়েদা	বিধি, নিয়ম, আইন, custom, rule, law.
কায়েমী	স্থায়ী, permanent.
কালেক্টর (ইং)	জিলার রাজস্ব বিষয়ক প্রধান কর্ম্মচারী, chief government officer in charge of rent.
কালেক্টরি (ইং)	রাজস্ব বিষয়ক বিভাগ বা অফিচ (from Collectory or Collectorate) office of the Collector, department for rent.
কেতা	খন, খণ্ড, piece, যেনে—হাজার কেতা দরখাস্ত = হাজারখন দরখাস্ত।
কৈফিয়ৎ	জমা-খরচর বাকী কটা, striking a balance of receipt and expenditure, জবাব, explanation.

খ

খাচ	নিজর, one's own.
খাচ বন্দবস্ত	রায়তর লগত পোনপটীয়া বন্দবস্ত, settlement of land, direct with the ryots.
খানা	ভোজ্য, ভোজ, food, a feast.
খিলাপ (খেলাফ্)	নিয়ম লঙ্ঘন, violation, lapse.
খেরাজী জমি	যি মাটির খাজনা দিব লাগে, revenue paying land.

গ্র

গ্রেপ্তার গ্রেফ্তার	বন্দীকরণ, arresting, placing one under arrest.
গোমস্তা	প্রতিনিধি, কর্ম্মচারী, agent

চ

চার্টিফিকেট্ (ইং)	নিদর্শন পত্র, সনদ, certificate, sanad.

চাপবাছি — চাপবাছ পিন্ধোতা, পিয়ন, লগুৱা, an orderly, a menial servant.

চাপাচী — লুকাই বখা, concealed, suppressed.

চামিল — একত্রিত, যুক্ত, মিলিত, united, annexed, combined.

চেকেট্টব (চেক্রেটাবী) — কার্য্যাধক্ষ্য, সম্পাদক, secretary.

চেবস্তা — বিশেষ কাগজ-পত্রাদিব বিভাগ, department of documentary papers, records etc.

চেবস্তাদাব — কাগজ-পত্রাদিব বিভাগীয় অধিকাবী বিষয়া, an officer in charge of a depertment of papers etc. (চেবস্তা)

জ

জওজে — স্বামী, husband.

জজ (ইং) — বিচাবক, an officer for administering justice.

জবাব — উত্তব, প্রত্যুত্তব, কৈফিয়ৎ, an answer, a reply, an explanation.

জমা-বন্দী — খাজানা ধার্য্য কবা আৰু হিচাপ বখা বহী, a register of assessment of rent.

জহব — বিষ, poison.

জাবি — হুকুম কামত খটোৱা, executing an order, যেনে—ডিক্রীজাবি, পবৱানা জাবি ইত্যাদি।

জালচাজি — ফাঁকি, প্রবঞ্চনা, forgery.

জুবী — চেচন আদালতত জজক সাহায্য কবা বাহিবা ভাল মানুহব মেল ; those who sit with the judge and assist him at sessions trials, jury.

ট

টিকট্ (ইং) — (১) বেল জাহাজ আদিত যাবলৈ আগতে মূল্য দি কিনি লোৱা নিদর্শন ; ticket.

(২) কোনো লোকক দেখা কৰিবলৈ গৈ, তেওঁলৈ নিজৰ নাম লিখি পঠোৱা কাগজ-খণ্ড ; visiting card.

(৩) ডাকযোগে পঠোৱা চিঠি আদিত লগোৱা ষ্টাম্প ; postage.

ড

ডুটি (ইং) কৰ্ত্তব্য, কৰিব লগীয়া কাম ; duty, function.

ত

তক লৈ, extending to ; যেনে জাম্বুৱাবীতক = জাম্বুৱাবীলৈ।

তকৰাৰ্ বিবাদ, dispute.

তম্বিকৰা ধমকি দিয়া, chastise.

তয়েলাট ক্ষমতাপ্রাপ্ত ; empowered.

তলব মাতা কাৰ্য্য ; summoning.

তহকীক তদন্ত, enquiry.

তহচীল খাজানা আদায়ৰ কাৰণে, জিলাৰ বিভাগ বা গাৱঁৰ সমষ্টি ; circle of a district or unit of villages for realising rent.

তহচীল কৰা তহচীলৰ খাজানা তোলা, collecting rent.

তহচীলদাৰ তহচীলৰ খাজানা তোলা বিষয়া ; an officer for collecting rent of a Tahsil.

তাবে অধীনে, under.

তামাম সমস্ত, entire.

তায়েন নির্দ্দিষ্ট, fixed.

দ

দাওৱা দাবী, claim.

দাদখাঁ প্রার্থী, applicant, দাবী কৰোঁতা, claimant.

দায়েৰ বিচাৰৰ নিমিত্তে আদালতত সমর্পণ কৰা, to institute a case, বিচাৰৰ অধীন, pending trial.

দেৱানী আদালত — টকা-কড়ি, জমা-জমি আদি বিষয়ক বিচাৰালয়, civil court.

দৌৰায় সপর্দ্দ — বিচাৰৰ নিমিত্তে আদালতত সমর্পিত, committed to trial in a court of justice.

ন

নকল নবীচ — অনুলিপি কৰোঁতা শিক্ষার্থী ; a copyist who is a novice ; অনুলিপি কৰোঁতা, a copyist.

নজৰ — দৃষ্টি।

নাখেৰাজ (লাখেৰাজ) — নিষ্কৰ জমি, a rent-free land.

নীলাম — প্রকাশ্যকৈ বিক্রী, public sale, auction.

নেক-নজৰ — সু-দৃষ্টি, favorable notice.

প

পৰতাল — সন্দেহ নিৰাৰণৰ কাৰণে কৰা জৰীপ ; a survey for checking.

পৰৱানা — হুকুমৰ জাননী, আদেশৰ বিজ্ঞাপন ; notice of an order.

প্যাদা — আজ্ঞাবহ পিয়ন—চতুর্থ শ্রেণীৰ চাকৰিয়াল—যি উচ্চতন কর্ম্মচাৰীৰ আদেশ বহন কৰে। a servant of the fourth grade who conveys an order of his master, to a person.

পিয়ন (ডাক-পিয়ন) — পত্র বাহক, a postman.

পেচ্‌কাৰ (পেছকাৰ) — বিচাৰক বা উচ্চতন বিষয়াৰ আগত যি কর্ম্মচাৰীয়ে কাগজ-পত্র দাখিল কৰে ; a clerk, a peshkar who places before or reads out papers to a magistrate or a superior officer.

পেয়াল (পিয়ল) — জোখ, মাপ, জৰীপ, গণনা ; measurement, survey, counting.

পেয়াল সৰেজমী — মাটীৰ গৰাকীক আগত থৈ কৰা জৰীপ। measurement of land—in the presence of the owner.

ফ

ফি	প্রত্যেক, each, যেনে—ফি বিঘাত, প্রতি বিঘাত।
ফয়চলা (ফইচলা)	বিচাৰকৰ আদেশ-পত্ৰ, ডিক্রি, নিষ্পত্তি বা সিদ্ধান্ত-পত্ৰ ; an edict, an order, a decree of the civil court.
ফয়চলা নবীচ	ফয়চাল বিষয়ক কৰ্ম্মচাৰী, an officer in charge of edicts, etc.
ফৌত্	মৃত, dead.
ফৌজদাৰী আদালত	শাসন বা দণ্ড বিষয়ে বিচাৰালয়, a criminal court of justice.

ব

বটৱাৰা	বণ্টন, ভগাই দিয়া কাৰ্য্য, allocation.
বদিয়ৎ	জঙ্গল, মৰুভূমি, jungle, desert.
বন্দবস্ত্	ঠিক কৰা কাৰ্য্য, আয়োজন ; settling, arranging.
বৰখাস্ত্	কোনো পদৰ পৰা খেদোৱা কাৰ্য্য, dismissal, ছুটী দিয়া কাৰ্য্য, যেনে—কাছাৰী বৰখাস্ত হোৱাতে ঘৰলৈ আহিলোঁ।
বৰদাস্ত্ কৰ্	সহ্য কৰ্, to bear, to tolerate.
বাজাপ্ত (বাজেয়াপ্ত)	গৰাকী নোহোৱাত বা দোষৰ কাৰণে চৰকাৰৰ হাতলৈ আহা মাটি বা সম্পত্তি, annexed, confiscated property.
বাতিল	ৰহিত, cancelled, rejected, repealed.
বাৰিক	গঞাই পতা বাজহুৱা কামৰ পঁচা তোলা বিষয়া, a village officer appointed by villagers for collecting subscriptions for public feast and festivals etc.
বাৰিক (ইং)	চিপাহী থকা ঘৰ, barrack.
বাৰিক মাষ্টাৰ (ইং)	সেনাধ্যক্ষ, Barrack Master.
বাহাল	আগৰ দৰে ৰাখা কাৰ্য্য, reinstating, continuing as before.

বেজায় (বেজাই) (১) অতিপাত, (২) কষ্টদায়ক ; (1) excessive, (2) painful, troublesome.

বৈঠক বহা কার্য্য, sitting.

ম

মকৰৰ কৰ্ নিযুক্ত কৰ্, to appoint.

মচম্মৎ মাইকী মানুহৰ নামৰ আগত থকা উপাধি। a title placed before the name of a woman. যেনে—মচম্মৎ ফতিমা বিবি।

মজ্‌কা (মাজকা) ক্ষতি, আপত্তি ; loss, objection.

মতলব ইচ্ছা, অভিপ্রায় ; wish, intention.

মৰলগ মুঠ নগদ টকা, total cash money.

মহকুপ্‌কৰ্ }
মহকুফ্‌কৰ্ } বন্ধ কৰ্, to stop.

মহজৰ মোহৰ, শিলালিপি ; a seal, a coin, writing on a stone.

মহল (মহাল) খণ্ড, circle.

মহাপেচ্‌ (মহাফেজ্‌) চিৰস্তাৰ কাগজ-পত্ৰ আদি ৰাখোঁতা ; a record-keeper.

ম্যাদ, মিয়াদ নির্দ্দিষ্ট কাল, fixed period.

মিট্‌মাট্‌ গুচৰীয়া আৰু পদকীয়াৰ সমিল-মিলতা, compromise between disputants, compromise in general.

মুন্সী আৰবী, ফাৰ্চীত ভাল জ্ঞান থকা লোক, one versed in Arabic and Persian.

মেজাজ মন, মানসিক অৱস্থা, mind, state of mind, temper.

মোকাবিলা পৰস্পৰ আলোচনা, পৰামৰ্শ, mutual discussion, consultation.

ৰ

ৰসুম্‌ (ৰছুম্‌) কৰ, টকাৰ সূত বৃত্তি, ডাক খৰচৰ কাৰণে টিকট, tax, interest, duties, postage of a letter.

কজু কব্	দাখিল কব্, to institute a case.
বোক	নগদ টকা, cash, ready money.
বোকব	জমা-খবচ লিখা বহী, cash book.
বোকাবি	জমা-খবচ লিখন, writing of accounts.
বোজ	দিন, দৈনিক, এদিনব খাদ্য সামগ্রী, a day, daily, meal for a day.
বোজকাব	উপার্জ্জন, জীবিকা, earning, livelihood.
বোবকাবি	বিজ্ঞাপন, আদেশ-পত্র, notification of an order.

ল

লেপণ্টণ্ট্ গব্বর্ণব	গব্বর্ণবব তলব খাপব প্রাদেশিক শাসনকর্ত্তা, লেফ-টেনাণ্ট্ গব্বর্ণব, Lieutenant Governor.

স

সদব	জিলাব প্রধান কামব ঠাই, chief town of a district, cheaf seat of a government.
সদবআলা	সদবব ডাঙব বিষয়া, high officer of a town.
সদবামীন	অসমত ইংবাজব প্রথম আমোলত, মনচুফব নিচিনা কর্ম্মচাবী, a judicial officer similar to a munsif, a magistrate of a lower order.
সব্ববাহকাব	(সববরাহ কব্—যোগান দে) চবকাবত খাজানা আদি যোগান দিওঁতা। one who supplies—generally applied to an agent who conducts affairs of the owner of a state or landed property.
সবাসবি	সোনকালে, গোনে গোনে, quickly, directly, straight way.
সাকিন	ঠিকনা, address.
সাজ্বাল	দেবালয়ব ভোগ আদিব বাবে দেবলীয়া কর্ম্মচাবী, an officer in a temple who is respon-

sible for daily offering of meals etc. to the deity of the temple.

স্কুল (ইং) বিদ্যালয়, পাঠশালা, a school.

হ

হদ্দ সীমা, boundary.

হলকা দুর্ব্বল, weak.

হাইরাণ্ (হায়রাণ্) হায়রাণশান্তি, harassed, wearied.

হজুর মান্যজন, a respectable person.

পরিশিষ্ট—গ

'সদরামীনর আত্মজীবনী'র বিশেষ বিশেষ লোক, ঠাই আরু ঘটনার নির্ঘণ্ট। নামর লগত, (দুহিতৃ), (ভৈণী), (দৌহিত্রী), (পুত্র), (বংশ), ইত্যাদিরে হরকান্ত বরুয়ার 'দুহিতৃ' আদি বুজিব।

অ

অকয়া সত্র ৭০
অকা ডফলার বেতন ৪১
অক্ষয় কল্পবৃক্ষ ২৩৬
অক্ষয় বট ২৩৯
অচ্যুতা (পেহী) ৩
অধিকার পতা বিরহণ ২৮
অধিক কালেক্টর অধিক খরছ ৭৫
অর্দ্ধোদয় স্নান ৫১
অনন্ত ২৩৯
অনাদর বরদলৈ ৫, ১৪, ২৪, ৩৮
অনাবৃষ্টি ৪৯
অন্নদা ফোকন ২০২
অভয় বাবু হেডমাষ্টর ২৫৯
অভ্যর্থনা কমিটী,
চীফ্ কমিচনর জন্ত ২৬৫
অযুত শিরপূজা ৪১
অশ্বক্রান্ত ২৭, ৩৮, ৫৮, ১০৫, ১৬২
১৯৩, ১৯৬, ২১২, ২২৩, ২২৭,
২২৯, ২৩৫, ২৪১, ২৫০, ২৫৪,
২৫৮, ২৭১, ২৭৫
অশোকাষ্টমী ২১২
অসমর দ্রব্যজাতর নমুনা বিলাতলৈ ৬৩

আ

আইন 'দহ'র মর্ম্মর্থা ১৫৫
আইন বহির্ভূত প্রদেশ ৭১
আউনীআটী অধিকার গোসাঞী ২৬,
৫০, ৫২, ১৮৬, ১৮৮-১৯০, ২৬০,
২৬৭, ২৭১, ২৮১, ২৮৮
আউনীআটীর অধিকারর
সোণালী জয়ন্তী ২৭১
আউনীআটীর অধিকার
(হরকান্ত বরুয়ার) চিকিৎসাত
আরাম ২৭৪
আউনীআটী সত্র ১৩, ১৪, ১৮, ১৯,
২৪, ৪৯, ১৮৪, ২১০
আঙ্গুলি ছেপা ৪৮
আচলতন পরয়ানা নবীচ (হরকান্ত) ৫৯
আচীচর (Assessor)
১২৭, ১২৮, ১২৯, ১৩২-১৩৫, ১৩৯
আজেণ্ট সাহেব ২৮
আজেন্টি ৩০
আঠগঞা বৈদ ৪৫, ৪৭
আন্দামান ১৭৯
আন্দাবোট ২১২
আনন্দরাম বরুয়া ডেঃ কমিচনর ২৭৪
আফিং মহলর ডাক ২৬৮
আমীন ৭১
আমল (মানর) ২
আলি কাবরর মাটি ৭৪
আলো দিয়া (গুৱাহাটী) ২৬৪
আশ্রবী দলৈ ২৮
আসাম, চীফ্-কমিচনরর অধীন ১৮২

আসামত অসমীয়া চৰকাৰী কৰ্ম্মচাৰী
মকৰৰ উচিত ৮২

ই

ইংৰাজৰ এজেণ্ট, ভোটৰ যুঁজত
(হৰকান্ত) ১৫২, ১৫৪
ইংৰেজী পঢ়োৱা ২৪৬
ইংৰেজী-বঙ্গলা ডিক্সনাৰী ১১৫
ইংৰেজীয়ে দেৱানগাৰী লোৱা ১৫২
ইংলণ্ডেশ্বৰী মহাৰাণীৰ ভাৰতৰ
ৰাজ্যভাৰ গ্ৰহণ ১২১, ১২২
ইন্‌কম্ টেক্স ১২৫, ২৫৫
ইন্‌ক্লোঞ্চ সাহেব ১৪২
ইন্দু গোহাঞী
(পুৰন্দৰ ৰাজাৰ খুৰাক) ৪৯
ইন্দুমতী ২১৫, ২২১, ২৪১, ২৫১, ২৫৮,
২৬৬, ২৬৭, ২৭০, ২৭১, ২৮১,
২৮৩
ইন্দ্ৰদ্যুম্ন সৰোবৰ ২৩৮
ইয়েষ্ট্‌লেণ্ড্ সাহেব ২৭৯
ইস্তকৃচাৰী ৭১

ঈ

ঈশাই (ঈশৰাম ভৰালী বৰুৱা)
৮৬, ৯৩, ১৬৩, ১৯৭, ২১০, ২১২,
২২২, ২২৩, ২৩১, ২৩২, ২৩৪,
২৪৬, ২৫৪, ২৬৪, ২৮০

উ

উইমেষ সাহেব কালেক্টৰ ২৯, ৩০, ৩৪,
৩৫, ৩৬
উকীলখানা গুৱাহাটী ২৫৮
উগ্ৰতাৰা (দেৱালয়) ১০৫
উজান ৰউনা ৫১, ৫২, ৫৭
উজান খণ্ড ৩১
উজনীয়া মেধি ২১
উজীৰৰ ঘৰ ১৮
উত্তৰ গো-গ্ৰাহ পুথি ৫
উত্তৰ গোহাটী ৯৯, ১০২, ১০৫, ১১১,
২৩১, ২৭৬
উত্তৰ সক বংশৰ উপনয়ন ১৫২
(হৰকান্তৰ ১৭৫০ শক)
উমাকান্ত বৰুৱা ১৭৮, ২৬৩, ২৬৪, ২৭৪,
২৭৮
উমাদত্ত চৌধাৰী ৬০, ৯৫, ১৮
উমা দাৰোগা ১৮৫
উমা চৌধাৰী ৯৫, ১০২, ১০৭
উমানাথ ভট্টাচাৰ্য্য ১৪
উমানন্দ দেৱালয় ২৮
উমানন্দ মঠৰ ধোঁৱা ২৪৮
উমানন্দত টেলিগ্ৰাফ্ খুটা পোতা ২৭৪
ঐ গুণা তোলা ২৩৭
উৰাৰ ১৯
উলুবাৰী ২৩

এ

এক একসনা বন্দবস্ত ১৭, ১৯, ৩৬, ৩৯,
১৮৫
একটিং চেৰস্তাদাৰ (হৰকান্ত) ৫৭
একলক্ষ তুলসী মাধৱত দিয়া ৪৫
একাদশী দৰ্শন ২৩৫
এগ্‌লৌ সাহেব ১০৩, ১৪০, ১৪৭, ১৫৭,
১৬০, ১৬৮, ১৬৯, ১৭২, ১৭৫,
১৮০, ১৮৩, ১৮৮, ১৯৭, ১৯৯,
২০০, ২০১, ২০৫
এচ্‌লি বিডন্ (অথবা ৱিডন?) ১৪৫
এণ্ড্রু সাহেব ১৪০, ১৪১, ১৫৫
এন্‌বার্ট ভিক্টৰ, প্ৰিন্স, মহাৰাণীৰ
পৌত্ৰ ভাৰতলৈ অহা ২৮০, ২৮৫
এলাহি বকস্ ডাক্তৰ ১১২, ১১৫

এলিয়েট চীফ কমিচনৰ ২১৭-২১৯, ২২৩, ২২৬, ২৪২, ২৪৩, ২৪৮

ও

ওকীল (বিষ্ণুৰাম) ১৭১
ওকীলৰ জীয়েকক বিয়া কৰোৱা ১৭০, ১৭১, ১৮১
ওখবাৰ ১৬১
ওৱাইট সাহেব (ওৱার্ড) ২৪২-২৪৫, ২৪৮, ২৫৪, ২৬১, ২৬৮

ক

কচুজান ১০
কছাৰী মহল পৰগণা ৬২
কটক (উৰিষ্যা) ২৩৭
কঠিন প্ৰৱৰ্ত্তন ১১
কন্দৰ্পেশ্বৰ সিংহ ৰাজা ৮৮, ৮৯, ৯১, ৯৪, ৯৭, ২০৩, ২১৬, ২২০, ২২৩, ২২৫, ২২৬, ২২৮-২৩০
কন্দৰ্পেশ্বৰৰ ৰাণীক পুত্ৰশোকত সান্ত্বনা ২৪৯
কন্যা সম্প্ৰদান ৬৬
কপৌৰ কদাইৰ তীৰ্থযাত্ৰা ২৭৪
কবুলিয়ত ৩০, ৫০, ৬১
কমলপুৰ (কামৰূপ) ৯৬
কমলনাথ ফোকন ২০২
কমলাকান্ত বকৰা ৪৩—২৭৮ পৃষ্ঠালৈ প্ৰায় সমস্ত পুথি।
কমলাবাৰী সত্ৰ ৭, ৫২
কমলাকান্ত চিৰস্তাদাৰ ২৫৯
কমলাকান্ত তহচীলদাৰ ২৬৩
কমলাপ্ৰিয়া (কন্দৰ্পেশ্বৰ সিংহৰ ৰাণী) ১০৪
কম্পাচ্ নক্সা ১৪৩
কমিচনৰ পৰিমাণ চৌধাৰীৰ ১২, ১৭
কমিচনৰৰ যেম ৯৭—৯৯, ১০১, ১০২, ১০৪, ১০৮
কৰকুচি (কামৰূপ) ১৬১, ২৩০
কৰতি গাওঁ (মাজুলীত, উজানত) ১২৮
কৰিম বক্স্ ডাক্তৰ ২৫৮
কল্পী অৱতাৰ ২৩৮
কলং নদী ১৬৭, ১৬৮
কলংপুৰ ২৯
কলৰ পানী গুৱাহাটীত প্ৰথম ২৬২
কল্পনাথ ৰৰদলৈ ২৪, ৩৮, ৮৬
কলি ২৩৯
কলিকাতা ২, ৩, ৩৬, ৯১—৯৫, ১০৩, ১৯১, ১৯৩, ২০২, ২১০, ২১৭, ২৪৪, ২৫১, ২৭৪, ২৮১
কলিয়া কানাই (দুৰ্গাৰাম) ৫, ১০, ২১, ২৪, ৩৮, ৪৫, ৮৬, ১৪৮
কলীয়াৰৰ ১৬৭, ১৬৮
কলীয়া ভোমোৰা ৰৰফোকনৰ জীয়েক ২০
কড়াইখোৱা ঘাট (দৰং) ১৭১, ১৮৬, ১৮৭
কাউনিকা ২১৪
কাউনীয়া (ষ্টেছন্) ২৩৫
কাউৰবাহা (ঠাই) ১৬০, ১৬১, ১৬৬, ২৩০
কাকডঙ্গা ৫৪-৫৬
কাঞ্চাপাটি (গুৱাহাটীৰ) ২৭৩, ২৮১
ঐ (নগাঞৰ) ২৭৬
কাছাৰ ১৯১
কাছাৰী ঘৰৰ কোঠা ২২০
কাটনি পাৰৰ মহন্ত ৯৩
কাবেল যুদ্ধ ২১৬
কাঞ্চনী নদী ২৩৭, ২৪০
কাৰ্নিগী সাহেব ১৫০, ২০৩
কাম্বুৰাম শৰ্ম্মা ৬, ১৭, ২১, ২৫, ৩১, ৪০, ৪১, ৪৬, ৪৯, ৫০, ৫৭, ৫৯, ২৮১
কাম্বুৰা কটকী ৪
কামৰূপ ১৮, ৫৭, ১৪০, ১৪৭, ১৬০, ১৬৮ ১৭৯, ১৭৫, ২২৬, ২২৭, ২৪১, ২৬৪, ২৭৭
"কামো নালাগে ও যাবকো নালাগে" ১৪৫

কামৰূপে প্ৰবেশ, ইংৰেজৰ ৪
কামৰূপৰ সাৰা জমা ৭৮
কামাখ্যা ২০২, ২২৩
কামাখ্যাত স্ত্ৰীৰ ক্ৰন্দন ৪৫
কামেশ্বৰ সিংহ চাৰিং ৰাজা ১৪, ১৫, ৪৯, ৮৮, ৮৯, ৯১, ৯৪, ৯৭
কায়েদা বন্দী ৭১
কায়েমী বন্দৱস্ত ৭২, ৭৯
কাৰেং ঘৰ (তলাতল ঘৰ) ৫৩
কাৰকট্ সাহেব ১৩
কাঁড়ী পাইক ২২১
কালাজ্বৰ কমিটী ২৭৯
কালীকান্ত বৰুৱা ৫৮, ৯২, ১২৪, ১৩৭, ১৫০, ১৫৮
কালীকান্তৰ মাক ২২১
কালাঘাট ১৯৩, ২৪০
কালীগঞ্জ ১৯৫
কালীচৰণ ন্যায়ৰত্ন পৰ্ব্বতীয়া গোসাঞী ৬৫
কালীনী পথাৰ ৫৫
কালিন্দী ১৬৯, ২১০, ২১৬, ২১৭, ২১৯ ২৩১, ২৩২, ২৩৪, ২৬১
কাশী ২১৩
কাশীনাথ তামোলী ফোকন ১১, ৯১
কিটিং, চীফ্ কমিচনৰ ১৮২, ১৮৩, ১৮৮, ১৯৭, ২০০, ২০৪, ২০৫
কিনাৰাম চাংকাকতী মহাফেজ ৫৩
কিনা হালগিৰী ১৯৯, ২১৫, ২৩৪, ২৫৪, ২৬১, ২৭৬
"কি বুঢ়া গৰু খালত পৰিছে" ২৭৪
কিল্লা ৩৫
কিলিং (টিলিং ?) গাওঁ ২১২
কীৰ্ত্তিনাথ গোহাঞী ১২৭-১২৯, ১৩৫, ১৩৯
কুইণ্টন্ চীফ্ কমিচনৰ ২৮০
কুকুৰমুতা (শুৱাহাটী) ২২০, ২২৫, ২২৯, ২৫১, ২৬১, ২৮০
কুঞৰী খাতা ৩৫
কুন্তী বোৱাৰী ১৭৩, ১৭৭, ১৯৯, ১৮০, ১৮১, ১৮৩
কুমাৰ গাওঁ (তেজপুৰ) ১৬২, ১৬৭, ১৭১
কুমুদী (চন্দ্ৰকান্ত বৰুৱাৰ জীয়েক) ১৬৩
কুমুদেশ্বৰ (কন্দৰ্পেশ্বৰ সিংহৰ পুত্ৰ) ২৩০, ২৪৯
কুকৰা (গাওঁ) ২৯
কুকৰাৰ বোৱাৰী ২৬৮
কুৰিগ্ৰামৰ নদী ২৩৫
কুশদেৱ শ্ৰীশ্ৰীআউনীআটীয় অধিকাৰ গোসাঞী ১৩, ১৮, ২৪, ২৬
ঐ তিথি (৬ বৈশাখ, ১৮০৮ শক) ২৫৪
কেফায়ৎ উল্লা সদৰামীন ৭৩, ১০৪, ১১৬, ১১৮, ১১৯
কেতুগ্ৰহ ৩৯
কেন্দুকুচি ১৬১, ১৯০, ১৯১, ২৩০, ২৩১
কেতেকী বোৱাৰী (ভাই বোৱাৰী) ২৯, ৬২, ৮২, ১৫২-১৫৪, ১৭৭, ২৫২
কেম্বল সাহেবৰ ব্ৰাহ্মণ-দৈবজ্ঞ বিষয়ে ৰেপৰ্ট ২৪৯
কেম্বল সাহেব ১৫২, ২২৭-২২৯, ২৩৪, ২৩৫, ২৪১, ২৪৩, ২৪৪, ২৪৯, ২৫১, ২৫৪, ২৫৭-২৫৯, ২৬১-২৬৪, ২৬৭, ২৬৯, ২৭৩, ২৭৬, ২৭৭-২৮২
কেশৱকান্ত বৰুৱা (চন্দ্ৰকান্ত বৰুৱাৰ পুত্ৰ) ১৫৮, ২০১, ২১৩, ২২১, ২২২, ২৩০, ২৩৪, ২৬৫
কেশৱকান্ত সিংহ যুবৰাজ ১১৫, ১১৯, ১২০, ১৪৪
ঐ পুত্ৰৰ মৃত্যুত সান্ত্বনা দিয়া ২৬২
কেহনাথ (কেশনাথ) বৈদ্য ২১২
কৃষ্ণকান্ত বৰুৱা খুৰা ৩-৮, ৫৩, ২৬৩

কৃষ্ণকান্ত শর্ম্মা ২১
কৃষ্ণরাম ভাণ্ডার বকয়া ২৪, ৩৮, ৪০, ৪৩, ৪৬, ৫৮, ৫৯, ১১৫, ১১৯, ১২০
কলাচর ১৯৪

খ

গেশ্বর চাবিং রাজা ১৪৪
ঞ্জুর ১৯০, ১৯১
টীয়া মাঝি ১৯৪, ১৯৫
ঝিকা চুড়া ২৩২
ঝিকা টানা ২, ১৭
ড়্খরি ২৩৭
াগরাবাবী ৮৪
াগবিজ্ঞান ২৭৬
াগক চৌধারী ১২৯
াতা পরগণা ১৬১
াদ্যত ভেজাল রাবদ দণ্ড ২৫৭
ানা মুখ ১৯৬
ান্দানদী ২৪০
ুদ্র কুলহাটী ২৩১
ধতি—তিচী, গম আদিত উৎসাহ ৮২
ধর, খাগ্রাকাটি বিক্রী করির পারা ২৬৬
ধহনি পারা খাত ২১২
ধাচ্নামি (হরকান্তর) ১৯
ধাপা-খোপনী সভা ১৫৯

গ

ণিরাম বকয়া সদরামীন ১৬৫, ১৭৬
ঙ্গাগোবিন্দ ওকীল ৩০
ঙ্গাগোবিন্দ ফোকন মুন্চুক্ ১৫৬, ১৯৯, ২০২
ঙ্গাতীরর আখরা ২০৫
ঙ্গা দর্শন ১৯৩
ঙ্গার দলৈ ৪৯
ঙ্গারিল ৩২, ৬২
গঙ্গাস্নান ১৯২
গর্ডন সাহেব ৪১, ২৫৯
গদাধর মহাপাত্র (পুরী) ২৩৯
গন্নর জানরেল ৩
গন্নর্মেণ্টর খেতাপ ১২০
গঁয়া ২০৩, ২৩৪, ২৩৬
গরল গাঞি ৭, ৫০, ৫২, ৫৩
গরল মৌজা (রাণী) ১৩০
গরুকাটি মাংসর দোকান (১৭৫৫) ৩০
গলির রাষ্টা (কলিকাতা) ১৯৩
গ্রামরখিলা (গ্রাম উকখিল্য ?) ১৯৪
গিরীশ চন্দ্র অভারছিয়ার ২১৯
গীর্জ্জা ঘর তৈয়ারী, শুয়াহাটী (১৭৬৭ শক) ৪৫
ঐ অগ্রভাগ ভাঙ্গা ৪৮
গীতাগ্রন্থ (হরকান্ত বকয়া কৃত) ১৯১
গ্রীনচাট্চ্ সাহারর হুকুমত, হরকান্ত বকয়াই জীয়াই থকা, প্রমাণ দিয়া ২৮০
গুণাভিরাম বকয়া এঃ এঃ কমিচনর ১২৫
ঐ রায়রাহাদুর হোরা ২৫৯, ২৭৬, ২৭৭
গুরু-ঘরর দায় ৯৩
গুলঞ্চী (২য়া ভার্য্যা) ৫৬, ১০৯
গুয়াকটা (সত্র) ৩
গেরুগেরীয়া পরগণা ২০
গ্রেট সাহেব সহিত কমিটী (গেইট্) ২২২
ঐ পলিটিকেল এজেণ্ট (মণিপুর) ২৭৭
গোকয়া গ্রাম ৫০
গোপাল রারা (চিকিৎসক) ২১৭
গোপিনী সরাহ ২৪৬
গোপীকান্ত বকয়া মহাফেজ ২, ৩, ৬, ৭, ৯, ১১, ১৪, ১৮, ১৯, ২১, ২৩, ২৪, ২৯, ৩৮, ৪০, ৪৩, ৪৫, ৫৭, ৫৮, ৯২, ১২৪, ১৪৬, ১৬০, ১৬৫
গোপীকান্ত শর্ম্মা চিরন্তাদার ১৯২, ১৯৬, ১৯৮

গোবিন্দ ৰাম তহচীলদাৰ ২৫৯
গোবিন্দ শর্ম্মা ৪৭
গোবিন্দ পাণ্ডা ২৩৭
গোলাপী (চন্দ্রকান্ত বৰুৱাৰ দুহিতৃ) ১৬৯, ২১৩, ২১৬
গোলাম-বান্দী খালাছ (১৭৬৫ শক) ৪০, ৪১
গোলাম খালাছত ভালমানুহৰ দুর্গতি ৭২, ৭৭
গোৱালন্দ ১৯৩, ১৯৪
গোৱালপাৰা ১৯, ১২৬, ১৯৫, ১৯৬
গোসাঞী ঈশ্বৰ (আউনী আটী) ৫০, ৫২
গোহাটি (মাজে মাজে, দুই এক পৃষ্ঠা বাদ) ২-২৭৯
গৌৰীকান্ত বৰুৱা কনিষ্ঠ ভাতৃ (মাজে মাজে, দুই এক পৃষ্ঠা বাদ) ৩-২৬৭
গৌৰী নাথ চৌধাৰী (নামৰূপ ভাগ, কামৰূপ) ৯৫

ঘ

ঘনকান্ত সিংহ যুবৰাজ ৬৫, ৮৩, ৮৮, ৯১, ৯৭, ১০০, ১০২, ১০৬, ১০৯, ১১৩
ঘনকান্তি বোৱাৰী, (বত্নকান্তৰ ২য়া ভার্য্যা) ২৭৩, ২৮১
ঘৰপোৱা (হৰকান্ত বৰুৱাৰ) ৩, ১৩, ১৪, ১৭, ৩১, ১৫০, ২৪৬
ঐ কেশৱকান্ত যুবৰাজৰ ২৮২
ঘৰ পোৱাতো বিবাহ (উদাহৰণ) ২৬০
ঘিম (মালতীৰ ককায়েক, কাকডঙ্গা) ৫৪, ৫৬
ঘিনলগা বন্দী ৭, ৯
ঘিনাই চৰঙ্গোৱা ৩, ১৩, ১৪
ঘুঘুচা দেৱী ২৩৮
ঘৃতাদিত মিহল বাবত দণ্ড ২৫৭
ঘোৰামাৰা (কামৰূপ) ৫৯, ১৫২

চ

চকীত বহা অনুমতি ৭৫
চতুর্দলৈ ২১
চতুর্ভুজ ২৩১
চর্দ্দাৰ পঞ্চায়ত ১২
চন্দন সৰোৱৰ ২৩৭
চন্দ্রতীর্থ ২৩৮
চন্দ্রকান্ত সিংহ স্বর্গদেৱ ১, ২, ৩, ৯১
চন্দ্রকান্ত বৰুৱা (বংশ) ৩৯, ১২৮-১৩২, ১৪৭, ১৪৮, ১৬৮-১৭০, ১৭২, ১৭১, ১৭৮, ১৮৪, ১৮৯, ১৯০, ২০১, ২১১, ২১২, ২২০, ২২১, ২৫২, ২৬০, ২৭০, ২৭১
চন্দ্রকান্তৰ মাতৃ (কেতেকী বোৱাৰী) ১৪৯, ২১৮
চন্দ্রকিশোৰ সেন কবিৰাজ (কলিকাতা)
চন্দ্রমোহন গোস্বামী ১৯৮, ১৯৯, ২০০
চন্দ্রধৰ (ৰবদলৈ ?) ৮৫, ১৭৫
চন্দ্রসেন সদৰামীন ৯১, ৯৪, ২১৯
চম্পক নাৰায়ণ মুন্‌চুফ্‌ ১৭৫
চমুৱা ২২
চ'মূৰীয়া (সত্র) ১৩০, ১৯৫
চৰঙ্গোৱা আতা (ঘিনাই) ৩, ১৩, ১৪, ৫২, ১৮৫, ১৮৮, ২০৫
চৰণ ভঁৰালী বৰুৱা ৫
চহৰৰ কমিটী ২০৯, ২১৬, ২১৭, ২২৫, ২৫৯, ২৬৩, ২৬৪, ২৬৫
চহৰৰ মাটিৰ খাজানা ২৮৫
চাউল ভৰালী (আউনী আটী) ৫
চাউল খোৱা নদী ২১৯, ২২৫
চান্দৰ ডিঙ্গি ১৫৫
চাৰা গ্রাম ১৯৫
চাৰাপুঞ্জী ১২৩, ১২৫
চাৰিঘৰীয়া আহমত কেশৱকান্ত যুবৰাজৰ কন্যা বিবাহ দিয়া উপদেশ ২৬৫

াবি দুয়াবব পঁচা ৪১
াবিং বাজা ১৪, ১৬, ১৭, ৩০
াৰ্চ্ ইস্কাট্ ৬১, ৬৩
াচ খেতি (প্রথম) ৩১
চত্রা কন্যা (সক যৈণীব) ২৫৬
চপাহী বিদ্রোহ ১০৩
চবাজগঞ্জ্ ১৯৪
চবাং ফোকননী ২৫
চলমাবি ২, ১৯৫
চলা ২০, ২৩১
চিফ্ কমিচনব ২০৮, ২০৯
চিনা বাজাব (কলিকাতা) ১৯৩
চপ্রেডেণ্ট সকলব এ, এ, কমিচনব পদ ২২৪
চবামণি যোগ স্নান ২৪৮
চবাকবণ, উমাকান্তব পুতেকব ২৭৪
চউনী পবগণা ২০
চকেট্টব সাহেব ১৪৪, ২১০
চঙ্গা (কামৰূপ) ১২৯
চঁচা মুখ (কামৰূপ) ১৬০
চনি পাৰা ১৯৫
চনি বকৰা ২৫৭
চবস্তাদাব সকলব মুন্‌চুফ্ পদ ৬৪, ২২৪
চবস্তাদাব হবকান্ত বকৰা ৬৩, ৬৪, ৮৩
চাব বৈদ ৪৬
চাধাবী ১২, ১৮, ৩২, ৪০, ৭২, ১৫৫, ১৫৬, ১৮০
চাধাবীব কমিচন ১৬৮
চাধাবী জেম্বায় পুলিচ ৭২, ১০৬

ছ

ছত্রাকাব দেৱালয় ২০২, ২৮২
ছয় আনী পবগণা ২, ৭৪, ১২৯
ছয় গাঞ ১২৯
ছিল্‌হট্ ১
ছিল্‌হট্ বদলি বেপট (হবকান্ত বকৰাব) ২০৮
ছুটীব এত্যালা ২০৮
ছেয়াব সাহেব ১৫২, ১৫৭, ১৬০, ১৬৩, ১৬৭
ছোটনাগপুব ৬১

জ

জগৎ (টঙ্গাদৈল ?) ২৫৫
জগৎ চন্দ্র গোসাঞী (দিহিংসত্র) ২২২, ২২৪
জগন্নাথ ধাম ১৯৩
জঙ্গল কাষবব মাটি ৭৪
জন্‌চন্ সাহেব ৬৯, ১০১, ২৪৪, ২৪৫, ২৪৭, ২৫৪, ২৫৯, ২৭৬
জনার্দ্দন ঠাকুব ২১১
জন্মাষ্টমী ২৬৩, ২৬৪
জননী বেটী ৭
জয়গোপাল মুন্‌চুফ ১৩৩, ১৪৫
জয়নাথ ববদলৈ, নাজীব ১৭৭, ২১৬, ২২৪, ২২৬, ২৪৩, ২৪৪, ২৬০
জয়নাথ ডেকা ১৪৬, ১৫০, ১৬২, ১৬৪, ১৬৫, ১৭৩, ১৮১, ১৮৮, ১৮৯, ১৯৮-২০০
জয়ন্তী (দুহিতৃ) ২২, ১৫৮, ১৬৩, ১৮৪ ২০৬, ২১৫, ২৩১, ২৩২, ২৫৮, ২৬৬
জয়বাম (জামাতা) ৬৫, ৬৬, ১৭৮
জয়বাম বেজবকৰা ১৭৮, ১৭৬, ২৬৩
জয়শঙ্কব গুহ মোক্তাব ৯৬
জয়সাগব দ'ল ১৬৭
জাগী (নগাঞ) ১৭৩-১৭৬
জাজপুব ২৩৭
জাতিফুল (মামী) ১০
জান্‌বটলব ফুনিয়ব ৩৭, ৪০, ১২৩
জামালপুব ১৯৫

ট

টিকা দিয়া (Vaccination) ২১৭
টিপিৰী আইদেউ ২৮২
টেক্স বেজায়েৰ তহ্‌কীক ২১১
টেম্পল লেঃ গৱর্ণৰ অসমলৈ অহা ২০১, ২০২
টেলিগ্রাফ, আউনীআটি অধিকাৰৰ পৰা ২৭৫
টেলিগ্রাফৰ গুনা তোলা উমানন্দ দেৱালয়ত ২৮০
টোকৰ মিত্র ওৰফে পৰশুৰাম শর্ম্মা টঙ্গাদলৈ ৩৮, ৫১, ১৯৩, ২৪৫

ঠ

ঠাকুৰ দাস আচিচৰ (Assessor) ১৩৯, ১৪১
ঠাকুৰীয়া ১২, ১৬, ২৫, ৩১, ৩৬, ৩৭, ৩৯, ৪২, ৫০, ৫৭, ৬১, ৬৩, ৬৪, ১২২, ১৪১, ১৪৭, ১৫২, ৫৮, ১৮৫

ড

ডকাইট ৮
ডঙৰচি কাঞা ২১৭
ডনেচন্ ডিঃ কমিচনৰ ২০৯, ২১০, ২১২, ২১৩, ২১৬, ২২৫, ২২৬
ডম্বকধৰ ববকাকতী ২১৫, ২৪২
ডাইনী গাঞ ১৭৯
ডাঙ্গা ৩০
ড্রাইবার্গ সাহেব (ড্রাইবৰ সাহেব) ১৪১, ১৭১-১৭৩, ১৯৭
ডালটিন সাহেব ৩৯, ৪০, ৪২, ৪৬, ৫০ ৫৭-৬১
ডালিমী (লক্ষীকান্তৰ মাতৃ, দেৱস্বৰ ববদলৈৰ ভগিনী) ৩০
ডিবক ৬৩
ডিমৌ ১২২, ১৬১, ২৩১
ডুমৰীয়া ১২১
ডেকা অধিকাৰ (আউনীআটী) ৫২
ডেকা ফোকনৰ জীয়েক ২০
ডেপুটী কমিচনৰ পদ এবালিচ্ (abolished) ১৬২
ডেপুটী কমিচনৰৰ ঠাইত জুডিচীল কমিচনৰ ৬৯

ঢ

ঢাকাপটি (গুৱাহাটী) ১৪৭, ১৪৮
ঢেকৰ ৩১

ত

তৰসিম্ ডিক্রি ২৮১
তৰাজান (যোৰহাট) ৫১
তলাতল ঘৰ ৫৫
তলীয়া গ্রাম (হাজো) ৬, ৭, ৮, ১৬, ১২১
তহচীল দালৰ দৰমহা ২৪
তন্ত্রশঙ্কৰা (কামৰূপ) ৫৮, ৫৯
তামৰ ফলি ৭
তামূলী ফৰিঙ্গ ৪
তামোলপুৰ ৩৫, ১৫২, ১৫৩
ত্রাহিৰাম (ভাৰোৱালৰ) ১২
তিন প্রকাৰ বন্দৱস্ত (জমি) ৭
তিলক গুপ্ত মুনচুফ্ ১৭
তিলমতী (গোপীনাথৰ স্ত্রী) ৪০, ৪১ ৯২, ১২
ঐ (হৰকান্তৰ বৈমাতৃ)
তীর্থযাত্রা (হৰকান্ত বৰুৱাৰ) ১৯২-১৯৫ ২১০, ২৪
তেজপুৰ ১১, ৩০, ৪১, ৫১, ৫২, ৭৫ ১৬০, ১৬২-১৬৪, ১৬৬-১৮৬, ১৮৯, ১৯৫
তেতেলীয়া ১৬, ১২২, ১৬৫
তোলসী ২২৫

থ

থানেশ্বর শর্ম্মা ২১২
থ্রি (বঘার পুত্র) বেজ ২৪২
থ্রি খলিফা বেজ ২৫৮
থিবো মান রজা ইংরাজর বন্দী ২৫২
থিবাই দৈবজ্ঞ ২২১
থুকুবলীয়া (বরপেটা) ৪৯
থুলুকি বরুয়া (শিলমাকো) ২৫৫

দ

দন্তদেব গোসাঞী (আউনী আটী) ২৬, ২৮, ১৪৬, ৫৭১,
দরঙ্গ ৭৭, ৮৪, ৮৫, ৮৭
দলমা গাঙ ৮
দলৈ, হাজো ৬০
দহসনা বন্দবস্ত (জমি) ৪১
দহ হাজার টাকা ভোটর বাজাক দিয়া ৩৯
দক্ষিণপাট সত্র ৫২
দ্রি অধিকার গোসাঞী ২৬৬, ২৬৭
দক্ষিণাবর্ত্ত শঙ্খ ১৫০
দগুভাগা নদী ২৩৯
দন্তক জাবি ৭১, ৭২
দানাপুর ১৫২, ১৫৬
দাপুর ১৫৯
দামোদর নদী ২৩৭
দাবিকা নাথ ঘোষ মুনচুফ ১৬৭
দিখৌ নদী ৫২, ৫৩, ২৬৩
দিননাথ গোহাঞী মহাফেজ ২৫৭
দিননাথ (বেজ) বরুয়া ২২৫, ২২৬, ২৬২
দিহীঙীয়া গোসাঞী বরজনা ২২৩, ২২৪
ঐ ঐ সরজনা ২২৩
ঐ ঐ নিত্যশোভন চন্দ্র ১৪৪
দুর্গাকান্ত (পুত্র, হরকান্তর) ৮১, ১২৫, ৫২, ১৫৫, ১৭৯, ১৮৩, ১৯০, ১৯১, ১৯৩, ২০১, ২০৫, ২০৯, ২১১, ২১৩-২১৭, ২২৭, ২২৮, ২৩১, ২৩৬
দুর্গাকান্ত বরুয়া (শিলসাকো) ২৬৫
দুর্গাকান্ত শর্ম্মা ফোকন ২৫৩, ২৬৫, ২৭৬
দুর্গানাথ শর্ম্মা ২৩, ২৫
দুর্গারাম বরুয়া (কলীয়া কানাই) ১০, ২১
দুন্দীয়া চিপাহী ২
দুর্ব্বা দত্ত (জাগী, নগাঙ) ১৭৩
দুর্ভিক্ষ (শ্রীক্ষেত্র) ১৯০
দুলাল বাবুর পুত্র সহিত ললিত বরুয়ার দুহিতৃর বিবাহ ২৪৭
দুর্লভ চাংকাকতী ২২১, ২৬৫
দূতীরাম ফৌজদারী চেরস্তাদার ৫৩, ১০৩, ১০৪
দূতীরাম বরদলৈ (মাজুলীর বাপালী পুত্র) ২০১, ২৮১
দূরামারি ১৯৬
দেবকান্ত (পুত্র) ১৫৮, ১৬১, ১৭৩, ১৮৩, ১৮৯, ২০১, ২০৬, ২২০, ২২৫, ২২৮, ২৩২, ২৩৮, ২৪৭, ২৫০, ২৫৩, ২৭৯, ২৮০
দেবকান্ত বরুয়া (শিলসাকো) ১৬৯
দেবদত্ত বরদলৈ চর্দ্দার সদরামীন ১৫, ২১, ২২, ২৪, ২৬, ২৮, ৩১, ৩৪, ৪৪, ৭২, ৮৩, ১০২, ১০৯
দেবনাথ ১৯০
দেবরর বরদলৈ সদরামীন ১২, ১৩, ১৫, ২১-২৩, ২৫, ৬৫, ৯০, ১২৪, ১৬২-১৬৫, ১৭৬
দেবর গাঞ ৫৫, ২৫৮
দেবহরি (জাতি) ২২৯, ২৩৪
দেশ ভগন ২
দেহিরাম পাটগিরী ২৪৫, ২৫৮

ধ

ধনঞ্জয় সিং পেচ্‌কার ২০০
ধনশিরী নদী ১০, ৫৫

ধনীৰাম ১৬৮
ধনেশ্বৰ দলৈ ২৫
ধপনা নদী ২৩৫
ধর্ম্মকান্ত (পুত্ৰ) ১০৯, ১৭৯, ২০৪-২০৬, ২০৯, ২২৫, ২২৭, ২৩১, ২৩২, ২৪৬, ২৪৭, ২৫০, ২৫৩, ২৬০
ধর্ম্মপুৰ ১৩
ধর্ম্মেশ্বৰ ডেকা গোসাঞী (আউনীআটী) ২৫, ২০৩, ২০৪, ২৪৮
ধর্ম্মেশ্বৰ বেজীয়া দৈবজ্ঞৰ বিবাহ, ইংৰাজ বিষয়াই পতা ৩২
ধলপুৰ ১৯২
ধাত্রী মকৰৰ (ডাক্তৰী) ২৬৩, ২৬৪
ধীৰ ৰৰদলৈ ৪৩
ধীৰ মাতৃ (ৰৰ আই, ৰৰমাতৃ) ২, ৮, ৯
ধুবুৰী ১৯৫, ২১৪, ২২৭, ২৩৫, ২৪৪
ধুমুহা ১৬, ২১৯
ধুঁৱাৰ জাহাজ (প্ৰথম অহা) ২৯
ধৈমাল ভকত ৮
ধোদৰ আলি ৫৩

ন

নকুচি ৬, ১৭, ১৬১, ২৩২
নগঞা বোৱাৰী ২১৫, ২১৬, ২২৪, ২৪১, ২৬৮
নগৰ বেৰা ১২৯, ১৯৬
নগাঞ ৩০, ৩৮, ৮৩, ১২৪, ১৩৯, ১৬৬-১৭১, ১৭৭, ১৮০, ১৮৪, ১৮৮, ১৯০, ১৯১, ২০১, ২০২, ২০৪, ২০৫, ২০৯, ২১০, ২১৩, ২১৫, ২১৬, ২২৪
নগা হিল (Naga Hills) ২১১, ২২৩
ন-গোসাঞী সকজনা ৮, ১৪, ১৬, ৩১
নৰ্থব্ৰুক্ গৱৰ্ণৰ জানৰেল অসমলৈ অহা ১৭৯, ১৯১
নদীসীকস্থ মাটিৰ খাজানা ৭৬
নন্দবাবু (ভাটী বংপুৰ জিলাৰ) ২,
নন্দীনাথ চেৰস্তাদাৰ ২০
নন্দীৰাম ইন্‌চ্‌পেক্টৰ ১৭৫-১৭৭, ২০১, ২১৫, ২৬৫, ২৭৩,
নলবাৰী ৩৭,
নাউজৰা
নাউজান (গোহাটী) ২০২,
নাগিনী আইটী
নাছনিয়াৰ (ঘনকান্ত সিংহৰ) ১০৯,
নাজিৰা
নানা সাহেব ১০৩,
নান্দীমুখ শ্ৰাদ্ধ
নাভিগঁয়া
নামদানি
নাৰায়ণ কটকী ১১১,
নাৰায়ণ লিগিৰা (ঘনকান্ত সিংহৰ)
নাহৰৰ ঘৰ (নাহৰ ৰৰদলৈ বংশ)
নিংনা ভঁৰালী (হৰকান্তৰ)
নিত্য শোভন চন্দ্ৰ গোসাঞী (দিহিঙৰ)
নিৰ্ম্মল বাজাৰ
নিয়াপী বাজখোৱা
নীলকণ্ঠ
নৈহাটী ২৩৪-২
নোমলী (তিলক চাংকাকতী) ২৪৫, ২
নোৱাই তোলনী

প

পগলাটেক (গোন্নালপাৰা) ৩,
পট্টৱাৰী ১২, ১৬, ২৫, ৩২, ৩৪,
পদ্মকান্ত ৰৰকাকতী
পদ্মৰেখা বাণী ৮৯, ৯৭-১০২, ১০৭-১১৫, ১১৯, ১২০, ১৯৮,

পদ্মা (শিবকান্তর স্ত্রী) ১৩, ১৫, ৩১, ৩৪, ১৭৬-১৭৮
পদ্মা নদী ১৯৩, ১৯৪, ২৩৫, ২৪০
পদ্মেশ্বরী (ব্রেনবিল সাহেবর মেম) ২২৩
পর্ব্বতর নখত ঘর সজা বেয়া ৩৮
পর্ব্বতর শিলখহা (উমানন্দ ইত্যাদির) ২২১
পর্ব্বতীয়া কুঁঞরী ৯৬
পর্ব্বতীয়া গোসাঞী ১৪৩-১৪৫
পর্ব্বতীয়া ফোকন প্রিয়নাথ ৩, ২৬
পবগণার কমিচন, দবমহা হোৱা ২৬৮
পবগণা নবীচ (হবকান্ত বকৱা) ১৪
পবগণা বন্দবস্ত ৬, ৪১, ৪৬, ৫০, ৫৯, ৬১, ৬৩, ৬৪, ৬৮, ৮৩, ৯২, ৯৭, ১০৬, ১২১, ১২৩, ১২৫, ১৩৮, ১৪০, ১৪১, ১৪৭, ১৫২, ১৫৭, ১৬০, ১৬৩, ১৬৮, ১৬৯, ১৭২, ১৭৫, ২০৫, ২১২, ২৪২, ২৪৯, ২৫৪, ২৬১, ২৬৯
পবরানা নবীচ (হবকান্ত বকৱা) ১৪
পবশুবাম মবঙ্গ খোৱা গোহাঞী ৫৬
পবশুবাম শর্ম্মা টঙ্গাদৈল (উপনাম টোকব শর্ম্মা) ১৩২, ১৫৮, ২৫০
পঢ়ি দোলা ৩১
পবীক্ষিত পুখুবী ৩৮
পহ উটা (বাবিষা) ৪৯
প্রকাশ চন্দ্র (সিংহ ?) এ, এ, কমিচনবব
আগত হবকান্ত বকৱা জীয়াই থকা প্রমাণ ২৮০
পাখামাবা খাত ২১০
ঐ গাঙ ১৬৩
পাচনেল দ্বাবা হুকুম জাবি, কমিচনবব ১৬৮
পাট্টা ২৩, ৪১
পাট্টা-জাবি ১৭, ১৮
পাণ্ডু ৫৮
পাতি দবজ ৩৩, ১৫১, ১৬১, ২৩১
পানছৈ নাউ ৫১
পানতান গাঞ ১২৯
পানীকলব টেঙ্ক ২৬২, ২৬৩, ২৬৭
পানী ফোকন, মোহন বায় ১৮-২০
পাব জাহাজ ২০২, ২১৯, ২২২, ২২৪
পিজৌ গোহাঞী ২০
পিতা (হবকান্ত বকৱাব) ৩, ৬, ১৬৯, ১৭৩
প্রিয়নাথ বকৱা ১৯৬
প্রিন্স্ অব ওৱেলচ্ কলিকাতা অহা ২০৩
পীতমহল মহবী ৬৯
পীয়লী শর্ম্মা ১০৩, ১০৪
পীবা টানাটানি (বিবাহত) ১৫
পুত্র সকলক সম্পত্তি চমজোৱা ২৫০
পুখাব মাক (ঈশবামব স্ত্রী) ২৮০
পুবন্দব সিংহ বজা ২, ১০, ১১, ১৪, ১৭, ৪৯, ১০৯
পুলিচ ৭২
পুলিচ ও গোহাটী মুনচিপালিটি জন্য এক লক্ষ টাকা ২২৩
পুষ্পকান্ত ববকাকতী (পুষ্পধব ?) ২৩৪
পুষ্পকান্ত ববদলৈ জন্য বোহিনীক ফোট্ পিন্ধোৱা ২১৬, ২২৪, ২২৯
পুষ্পকান্ত বকৱা (বংশ) ১৫০, ২৫৬, ২৬৪, ২৭৪
পুষ্পধব (ববকাকতী ?) ২১৫
পূর্ণকান্ত শর্ম্মা পুকৈত ২৫০
পূর্ণানন্দ বকৱা এ. এ. কমিচনব ১৯৬, ২০২, ২৫৮
পূর্ণানন্দ বুড়াগোহাঞী ১, ২
পূর্ণধাম মহাফেজ ১২৭
পূর্ব্বপাব মৌজা ১৬১
পৃথক খেল ৯৩
পেচ্কাব হবকান্ত বকৱা ৩৬, ৪০
পেনো ভাঙ্গ হবকান্ত বকৱাব ৩
পেয়াল ১২, ৩৭, ৬৩, ১০৬, ১২৪

পেৰা কাগজ ৭০
প্রেম্‌বর্ত্তন সাহেব ৪২
প্রেমকুল সাহেব ২৪২, ২৪৩
পোন্নাল (জাগী নগাঞৰ গাখীৰা কাকতীৰ পুত্র) ১৭৩, ১৭৬

ফ

ফকীৰগঞ্জ ১৯৫
ফটিকচন্দ্র বৰুৱা, এ. এ. কমিচনৰ ২৫৭
ফণীধৰ গোসাঞী ২৬৩
ফৰক্কাবাদী বন্দবস্ত ১৩
ফৰক্কাবাদী টাকা ১৩, ১৭
ফৰিঙ্গতি মহল নীলাম অনুচিত ৭৪
ফল্গু নদী ২৩৬
ফিছৰ সাহেব ১৯০
ফিনান্‌চিল্ চাকুর্লাৰ, আয়কৰ ১৪১
ফিৰিঙ্গী, (ধেমেলীয়া নাম) বিলাই ২৪৭
ফিলিপ সাহেব ১৬৪, ১৬৬, ১৬৮, ১৬৯, ২০৫, ২০৬
ফিষ্ট্‌প্যাটী সাহেব চীফ্ কমিচনৰ ২৬৫, ২৬৮, ২৭৭, ২৭৯
ফুলবাৰীয়া ১৯৪
ফেৰ' সাহেব ১৩২
ফেৰী জাহাজ ২০২, ২১৯, ২২২, ২২৪
ফোট পিদ্ধোৱা বস্তু ফিৰত দিয়া ২৪৬

ব

বকুল গছ (ময়ূৰ মজুমদাৰে বোৱা) ৫৩
বকুলী শুকুৰা দলৈৰ জীয়েক ১২৮, ১৩০
বকো ১২৯
বগল সাহেব ১১-১৩, ১৬-১৯
বংশীধৰ বৰদলৈ (কুকৰা) ২৮০
বদচন্দ্র ওকীল ১৭০
বজালি ৮৪
বদনচন্দ্র ফোকন (দুষৰাৰ) ১, ২
বন্ধু মুন্সী ১১৮, ১২৭, ১২৮, ১৩১, ১৩২, ১৩৫-১৩৭
বয়েদ্ সাহেব ১৭৩, ১৭৫, ১৭৯-১৮১, ১৮৮, ১৯০
বৰ কছাৰীত বজ্রপাত ২১৮
বৰ খেলীয়া ৪১
বৰ গোহাঞী ১১
বৰঘৈণী (সাবিত্রী) ২৪১, ২৪৬, ২৪৭, ২৫১-২৫৩, ২৬১, ২৮১
বৰদুৱাৰ ১২১
বৰ দেউৰী ৫২, ৬০
বৰ্দ্ধমান ২৩৭
বৰ পঞ্চায়ত ৭, ১২, ১৪২
বৰপাত্র গোহাঞী ১১
বৰফ তৈয়াৰ (প্রথম) গুৱাহাটী ২৫২
বৰপানী ৩৭
বৰপেটা ১৩, ৬৮, ২১৯, ২২০, ২২২
বৰপেটা, ধুমুহা ২৭৮
বৰ বাজাৰ ১৯৬
বৰমুৰা গোহাঞী ২
বৰি গোগ ১৬১, ২৩১
বলদেয় শর্ম্মা বাজখোৱা ৭
বলৰাম ফোকন ৯০, ১৪৫, ১৭২, ২০১, ২২৮, ২২৯, ২৪১, ২৪৩
বলিকান্ত বৰুৱা (বংশ) ২২২, ২৮০, ২৮১
বলীন্দ্র নাৰায়ণ ৰাজা মঙ্গলদৈ ১৭৪, ১৮৬, ২১৩
বস্বীয়া নদী ৪
বলোকান্ত বৰুৱা নাজীৰ ২১৯, ২৮০
বশিষ্ঠ দেৱালয় ২০১
বসন্তী (দুহিতৃ) ৬, ৫, ৪০, ৬৭
ব্রজকান্ত (বংশ) ২, ৮
ব্রজকান্ত ৰায় দাৰোগা ৩১
ব্রজনাথ ফোকন (অভাবচিয়াৰ) ২০৯
ব্রজভোজ ২৭৪
ব্রহ্মকুণ্ড (অশ্বক্রান্ত) ২৭

ব্রহ্মপুত্র ৮, ৯, ৩৮, ৮৫, ২০২
ব্রহ্মানন্দ দলৈ (বড়িয়া) ১৫৬
ব্রহ্মোত্তর ৪১
বাইগান ২৬০
বাকুসা দুয়ার ৩৫, ৩৭, ৩৯, ৮৪, ১৫২, ১৫৬
বাঁকিপুর ২৩৬
বাঁকুরা ২৩৭
বাঙ্গালাবরী ২২৯, ২৩১
বাঙ্গুল (Bengal) ১৮
বাণীনাথ পেচ্‌কার ৩১
বাপালী বরদলৈ (বেজবরুয়ার, মাজুলী) ১৮৫, ১৮৬, ১৮৯, ২০০, ২০২, ২০৪, ২০৫ ২৭৪,
বাপীরাম নাজীর ২৭৮
বাপুরাম ফোকন ১২, ২০
বাপুরাম ওকীল ১৭০, ২১৩, ২২৬
বাবুবিলাস কেতাপ্‌ ১১৫
বামনপতি পাণ্ডা ২৩২, ২৩৪, ২৩৯, ২৮১
বামোন বড়া ৬৭
বামোনর বারী ৫৪
বারন্তী মৌজা, পরগণা ২০১
বারিক মাষ্টার (Barrack Master) ৪৮
বালকরাম চৌধারী ১৫৯
বালগোবিন্দ পাণ্ডা ২৩৬
বাল মাধব ২৩৮
বাল মুকুন্দ ২৩৯
বালাই কটকী ৩
বালিকুচীয়া গোসাঞী ৩২
ব্রহ্মকুণ্ড (অশ্বক্রান্ত) ২৪১
ব্রাহ্মণক কুলী খতোরা ৪১
ব্রাহ্মণ জাতির কথা সোধা ১৩৩
বিগি সাহেব কালেক্টর ৩৮
বিচ্‌ জুডিচীল কমিচনর ৯৭, ১২১, ১২২, ১৩১, ১৪০
বিচিত্রী (বংশ) ১৮৫, ২২১
বিডন সাহেব ২৫৭
বিদ্যাকান্ত বরুরা (বংশ) ২২১
বিন্‌চাণ্ট্‌ সাহেব ২৮১
বিনন্দচন্দ্র গোসাঞী (দিহিঙর বরজনা) ২১৬
বিবর সাহেব ১৪০, ১৬৩, ১৬৭
বিবাহ (দেবকান্তর) ২৬২
বিবাহ (হরকান্ত বরুরার) ১৪
বিবাহত দিয়া দ্রব্য ১৫৮
বিবাহর যৌতুক ৮৮
বিমলা দেবী ২৩৯
বিরজাকান্ত বরুরা ২৫২
বিরজা দেবী ২৩৭
বিলাহী বেটী ৪৪, ৪৫
বিশ্‌ বছর ব্যাপী জমি বন্দবস্ত ৭৬
বিশ্বনাথ (স্থান) ৫১
বিশ্ব সাহেব (বিচ্‌ ?) ৭২
বিশ্বেশ্বর গোসাঞী ২০০
বিষ্ণুকান্ত বরুরা (বংশ) ২, ৬-৮, ১১
বিষ্ণুচন্দ্র মুখোপাধ্যায় ৬
বিষ্ণুদত্ত বৈনায় ১২৫
বিষ্ণু দৈবজ্ঞ ২১৩
বিষ্ণু নারায়ণ কোঞর (মঙ্গলদৈ) ১৮৭, ১৮৮, ১৯১
বিষ্ণুরাম ওকীল ১৮১, ১৮৯, ১৯০, ১৯৬
বিষ্ণুরাম পেচকার ১৭০
বৃষ্টি জোখা কল (প্রথম) ৫৮
বুজর বরুরা ৬
বুড়া গোহাঞী কচিনাথ ১১, ২০
বুড়ী মাই ৩
বুদাই ৯
বুলন বন্দী ৭, ১০
বেকানী ১২৯
বেকেট সাহেব, ডব্লিউ এইচ্‌, ১৪০
বেজীয়া দৈবজ্ঞ ৩২
বেথারাম তকত ১৭৪, ২০৩, ২৭৬
বেণুধর বাবু ২৬৪, ২৬৫

বেলতলা ২০১
বেলবাৰী ১৯৪
বেলি সাহেব চীফ্ কমিচনৰ ২১১, ২১৭, ২১৮, ২৮০
বৈদ্যগড় ৩৫
বৈদ্যনাথ ২৩৬, ২৩৭
বোৰ্ড কমিটী ২৫৯
বোৰ্ড ৰিবণু (Board of Revenue) ১১৬

ভ

ভগনীয়া লোক ৩
ভগৱতী দৰ্শন (কামাখ্যা) ২০২
ভদ্ৰী (ধৰ্ম্মকান্তৰ দুহিতৃ) ২৬৪
ভৰলু (গুৱাহাটী) ৩১০, ২১৩
ভৰলু সত্ৰ (গুৱাহাটী) ১৩, ১২৬, ২০১, ২৪১, ২৬৬, ২৭৫
ভাই ৰাজা ১
ভাৰতচন্দ্ৰ অভাৰচিয়াৰ ২১৯
ভাৰতবৰ্ষৰ ইতিহাস ১১৫
ভীমসেন মহাপাত্ৰ ২৩৮, ২৩৯
ভুবন মোহন ২৩৯
ভুবনেশ্বৰ নাউবৈচা ফোকন ২৩০, ২৫৭
ভূমিকান্ত বৰুৱা (বংশ) ১৫৮, ২৪৬, ২৫৬, ২৬১, ২৭৪, ২৮১
ভূৱাম ১৮৮
ভোটৰ কটকী ৬৩
ঐ পৰ্ব্বত ৩৫
ঐ ৰজাক টকা দিয়া নিয়ম ৩৯, ৬৩
ঐ লগত যুঁজ ১৫২-১৫৫
ভোমসিংহ ২১০
ভোমোৰাগুৰি পৰ্ব্বত ১৬৭
ভোলানাথ কাকতী (জেঠাপ) ৫
ভোলানাথ তালুকদাৰ (ভোটৰ বিষয়ে) ৩৫

ম

মগলু খাত ৭
মঙ্গলদৈ ১৬৮, ১৭১-১৭৩, ১৭৫, ১৭৬, ১৭৯-১৮১, ১৮৪, ১৮৬, ১৯১, ১৯২, ১৯৬-১৯৮, ২০১, ২০২, ২১০
মঙ্গলা হালগিৰী ৪৩
মঞ্জীৰা ৪২, ৮৩, ৮৮, ১৭৬
মটৰীয়া মৌজা ২৫৬
মণিচৰ ১৯৫
মণিৰাম দেৱান ১১, ৩১, ৮৩, ৮৮, ৮৯-৯১, ৯৪, ৯৫, ১০৩, ১০৬
মতিলাল সেন ২৩৬
মথুৰানাথ শৰ্ম্মা ১৩৯
মন্দিয়া গ্ৰাম ১৯৮
মণ্ডলৰ দৰমহা ২৪৩
মধুৰাম চৌধাৰী ১৫০
মনকলী হাতী ২৬৫, ২৭৪
মন বিৰক্ত হোৱা (হৰকান্ত বৰুৱাৰ) ২১০
ময়ূৰ মজুন্দাৰ ৫৩
মৰঙ্গ খোৱা গোহাঞী ৫৬, ১০৩, ১০৪
মৰঙ্গী ৫৫, ৫৮
মৰঙ্গীয়াল ভকত ৪, ১১, ৩৮, ৪৭, ৬৪, ৯৪, ৯৫
মলং (পূৰ্ব্বপাৰ মৌজা) ১৬১, ২৩১
মল্লযুদ্ধ ২৪১
মহগড় ৫৫
মহজৰ ৭৮
মহাফেজ ককাই (গোপীনাথ) ১৪৮, ১৫০, ১৫৩, ১৫৪, ১৬১, ১৬৪, ১৭০, ১৭৪, ১৭৬-১৭৮, ১৮১
মহাফেজনী ১৯২, ২৪৭, ২৫৩, ২৭২, ২৭৪, ২৭৫ ২৮১
মহাদেয় ২৩৭, ২৫৮
মহানদী ২৩৭, ২৩৮

মহাপ্রভু ৫২
মহাপাত্র ২৩৮
মহামারী ৩৯, ৪৯, ১২৬, ১২৮
মহারাণী ২৯, ১৪৫
মহারাণীর পুত্র ভারতলৈ অহা ১৪৫,২০০, ২০৩
মহারাণীর সোণালী জয়ন্তী ২৫৮, ২৫৯
মহীকান্ত চৌধারী ১৫১
মহীধর নাজীর ৮৩-৮৭, ৯৩, ১৬৪, ২১৫
মহেশচন্দ্র বরুৱা ডেঃ কালেক্টর ৭১, ৯০, ১২৬, ১২৭
মার্কণ্ড হ্রদ ২৩৮
মাজুলী খণ্ড পানীর তলত ৪৯
মাজুলী ৫২, ১৮৬-১৮৮
মাণিকগঞ্জ ১৯৪
মাণিকপুর পরগণা ২০
মাণিক বরুৱা ২৬৫
মাতৃ (হরকান্ত বরুৱার) ৮, ১৪, ২১, ২২, ২৪, ৬৪, ৯৫, ১৩০, ১৪৯, ১৫৩, ১৫৫, ১৬৫, ১৯২, ১৯৭, ২০৮
মাতৃর মরম ৫
মাদিরগঞ্জ ১৯৫
মাধরচন্দ্র বরদলৈ (রায় বাহাদুর, ই, এ, চি,) ২১৩, ২২২, ২৬৩, ২৬৭
মাধরদত্ত অধ্যাপক ১৮০, ১৮১, ১৯৩
মাধর দেৱালয় ৫০, ৫৭, ৫৯, ৯৫
মাধর পেচ্‌কার ৮১, ১১৩
মাধরৱাম বরদলৈ (জ্ঞাতি) ২২০, ২২৯, ২৬১
মাধরৱাম বাজখোৱা ২৬, ১০২, ১০৪, ১০৫
মাধরানন্দ শর্ম্মা অধ্যাপক ১৩০, ১৮০, ১৮১, ১৯৩, ২৪৭
মাধরী ২২৫
মান ২, ৬
মানদেশ ইংৰাজৰ দখল ২৫২
মানমল সোণারি ১৫২
মানমাটি ১২, ১৭, ১৯
মানৱ দিন ৭, ৫৬
মানাস নদী ১৯৪
মালতী ৪৪
মাহৱা কাকতী ১৮৯
মাহিন্দ্রী (কমলাকান্তৰ স্ত্রী) ১৩৮
মিছিৰ (মিশ্র, মিহিৰ ?) চেৰেস্তাদাৰ ১১৯
মিছিল সাহেব ১৬৪, ১৬৭, ১৫৯, ১৯২, ১৯৭, ১৯৯, ২০৬, ২২৩
মিঠা পুখুৰী ৫৪
মিঠাপুৰ ২৫৫, ২৩৭
মিথি সাহেব ১৯, ২২, ২৬, ২৮, ৩৪, ৩৬, ৩৯, ৪৬, ৫০, ৫৭, ৫৯, ৬১, ৬৩, ৬৪, ৫৮, ৯৭
মিল সাহেৰ সহিত আলোচনা (হৰকান্ত বরুৱাৰ) ৬৮-৮২
মিহিৰাম বৈনায় ১৪৫, ১৫০
মিহিৰামৰ (আলহীৰ) পুতেক ৪৪
মুনচিপল্‌ (Municipality) ২২৮
মুণ্ডমালা কম্পানী টাকা ২৯
মৃত্যুঞ্জয় চিৰেস্তাদাৰ ৩০
মৃত্যুমঙ্গল (ৰৰদৈনীৰ) ২৫৩
মেকেঞ্জী সাহেব ১৫৫
মেটেকা (গ্রাম) ৫৩
মেদিনীপুৰ ২২০, ২৪০
মেয়ো গৱর্ণৰ জানৱেলক আন্দামানত হত্যা ১৭৯
মেলা (কেঞাপটি বালিত, গুৱাহাটী) ১৬৪
মেহানবীচ (মহালনবীচ, মহানবীচ ?) হৰকান্ত ২৯
মৈৱাপুৰ ১২৯
মোখনিয়াৰ খাত ১৬৬, ২১১
মোছাপাৰা ১৯৪
মোদৰাম ২০
মোহন চৌধারী ৮৬, ৯৩, ২২০

মোহন ৰায় পানীফোকন ১৮, ১৯, ৩২
মৌজাদাৰ ১৮০-১৮৮
মৌজাদাৰৰ ঠাইত তহচীলদাৰ ২৪৩
মৌৰশী পাট্টা ৩৮, ৪৩

য

যজ্ঞদত্ত ৰৰকটকী ২৯, ৩১, ৩৩, ৩৬, ১১৬-১১৯
যজ্ঞৰাম দলৈ ১৩২, ১৩৯, ১৪৬, ১৯৩
যজ্ঞসেন চৌধাৰী ২৭৫
যদুকান্ত (ৰত্নকান্তৰ শিশুপুত্ৰ) ২২২
যদ্ৰূপ (কাঞা) ২১৭
যশৰাজ (কাঞা) ১৯৩
যাত্ৰাপুৰ ১২৫, ২৩৫
যাদৰৰায় ঠাকুৰ (দক্ষিণপাট সত্ৰ) ৫২, ২৬৬
যাদুৰাম ডেকা বৰুৱা ৫৫
যুদ্ধৰ কাৱাজ ৬৩
যোগাই শৰ্ম্মা পেচ্‌কাৰ ৫৬
যোগেশ্বৰ শৰ্ম্মা পুৰুহিত ২৫৩
যোগেশ্বৰ সৰুজনা ন-গোসাঞী ১৪, ১৯, ২৪, ৬২, ৬৪, ৯৩, ১৪৪-১৪৬, ১৮১-১৯৬, ২০৩, ২০৪, ২১৩
যোৰহাট ১, ২, ৫৫, ৫৬, ১০২, ১৯০, ২৭৪

ৰ

ৰঘুনাথ ডাক্তৰ ২৫৪
ৰঘুনাথ মহাপাত্ৰ ২৩৮
ৰঘুনাথ শৰ্ম্মা ৰাজমেধি ২১০, ২৪১, ২৫০, ২৫৯, ২৬৮-২৭২
ৰংঘৰ (শিৱসাগৰ) ৫৩
ৰংপুৰ (ঐ) ৫০
ৰংপুৰ জিলা (বঙ্গদেশ) ১৯৫
ৰংমহল খাত ১৯
ৰঙামাটি ঘাট (মঙ্গলদৈ) ১৭৩, ১৮১, ১৮৪
ৰঙিয়া ১২২, ১৫৫-১৫৭, ২৫২
ৰজনীকান্ত (বৰুৱা, বংশ) ২৩৫
ৰজাদুৱাৰ (উত্তৰ গুৱাহাটী) ২১২
ঐ পাহাৰত কেম্বল সাহেবৰ ঘৰ ২৪৩
ঐ সড়ক ২২৬
ৰজাদুৱাৰ—উমানন্দ—গুৱাহাটী, টেলিগ্ৰাফ গুণা ২৮০
ৰতন লাল ২২৫
ৰতনবাবু মুন্‌চুফ্‌ ২৭৮
ৰত্নকান্ত (বৰুৱা, তহচীলদাৰ) ৬২, ১৬৩, ১৬৪, ১৬৬-১৬৮, ১৭৩-১৭৮, ১৮১-১৯১, ২০১-২০৬, ২০৯, ১০, ২১৩, ২১৪, ২১৬, ২১৭, ২২০, ২২১, ২২৫, ২২৬, ২২৮, ২২৯, ২৪৩, ২৪৮, ২৫০-২৫২, ২৬২, ২৬৪-২৬৬, ২৭৩, ২৭৬, ২৭৮, ২৮০, ২৮১
ৰতিকান্ত (বংশ) ১৪, ১৯, ২১-২৪, ২৯, ৩১, ৩৮, ৪৩, ৫৮, ৯৩, ১৯৭
ৰত্নী দেবী (ললিতচন্দ্ৰ ৰৰদলৈৰ প্ৰথমা ভাৰ্য্যা, জয়নাথ নাজীৰৰ দুহিতৃ) ২৫৪
ৰত্নেশ্বৰ গোসাঞী মৌজাদাৰ (ন-গোসাঞী বংশ) ২১২, ২১৩
ৰত্নেশ্বৰ শৰ্ম্মা ২৭৮
ৰত্নেশ্বৰী ২২৯, ২৩০
ৰণজয় ফোকন ১৬৪
ৰবাৰ্টচন কমিচনৰ ৭১, ৭৩, ১০৯
ৰবি চন্দ্ৰ বৰুৱা ১১০, ১১২-১১৪, ২৫৮
ৰমাকান্ত বৰুৱা মুন্‌চুফ্‌ ১৪, ২১, ২২, ২৪, ২৮, ২৯, ৩৫
ৰহা চকী (নগাঞ) ৭, ৮
ৰাজামহৰী টাকা ১৩, ২৭
ৰাণীগঞ্জ ২৩৩, ২৩৭
ৰাণী পদ্মৰেখা ৬৫
ৰাতিয়া বন্দী ৯
ৰাধাকান্ত বৰুৱা মুন্‌চুফ্‌ ৬২, ১৬৪, ১৬৬, ২০৮

রাধানাথ কটকী ৪০
ঐ নাজীর ২৮০
রাধাপট্ সাহেব ১৬৬
রাধামোহন গোসাঞী চেরস্তাদার ১১৩, ১৩৯
রাঙ্কনী পতা ৯৩
রাবিন্‌চন্ কমিচনর ১১
রামাওত্ রাবা ২১৪
রামকুণ্ড ২৭
রামকুমার মুন্‌চুফ্ ২০২
রামদিয়া (গ্রাম) ১৫১
রাম বেজবরুয়া ২১, ১১৩
রামরাজ্যাভিষেক নাটক অভিনয় ২০১
রামা চেরস্তাদার ২৫৪
রামেশ্বর শর্ম্মা (গেকয়ার) ৫০, ৬০
রায়বাহাদুর খেতাপ ২৫৯
রুচিনাথ বুড়া গোহাঞী ২, ৩
রুচিয়ার কাবেল প্রবেশ ২৪৯, ২৫০
রুদরাম বরদলৈ ২১
রুদাই (রূপৌর, যোরহাট) ২৭৪, ২৭৫
রুদ্রনাথ গগৈ ৯৫, ১০২, ১০৫
রুদ্রাক্ষ গছ ২৭৫
রুদ্রেশ্বর ৮, ১৫-১৭, ২৫, ২৯, ৩১, ৩৭, ৩৮, ৪৫, ৫৮, ৯২, ১২৮, ১৫০, ১৫২, ২২১, ২৩১, ২৭২, ২৭৫
রূপহী আইদেউ ৫৬
রেভান সাহেব ১৫২, ১৫৬, ১৫৭
রোজনাম্‌চা ১৮
রোবকারী নবীচ (হরকান্ত বরুয়া) ৩৫, ৪০
রোহিণী (দৌহিত্রী) ১৮৪, ২১৬, ২২৪, ২৩৩, ২৩৭, ২৪৩-২৪৬, ২৫৫, ২৫৬, ২৫৮, ২৭১
রোহিণী কুণ্ড ২৩৯
রৌয়ারি ১৯৫
রৌলট সাহেব ৬৩, ৬৪, ৬৮, ৬৯, ৭৬, ৭৭, ৮১, ৯২, ৯৬, ৯৭, ১০১, ১০৪, ১০৫, ১১৩-১২৪, ১৩১, ১৩৮, ১৪০

ল

লখীলাল বাবু ২১৫
লখী লেখাক ৯৪, ৯৫
লটকণ্ ২৩২
লঠৌ খারঘরীয়া ফোকন ১১, ১৮, ৯০, ১৬২
লতাশিল ১১, ১২, ১৭৯, ১৯৮, ২৩২
লয়েড্ সাহেব, কাপ্তান ১২৪, ১২৫, ১২৮, ১২৯, ১৩১-১৩৮, ১৪২, ১৪৪, ১৪৫, ১৫২, ১৫৫, ১৫৬
ললিত চন্দ্র বরদলৈ (কদ্রখরির) ২৮১, ২৮৩
লক্ষণ চন্দ্র গোসাঞী দিহিঙর সকলনা ২২২
লক্ষীমপুর ৬৭, ১৭০
লক্ষীকান্ত বরুয়া (বংশ) ২৪, ৪৩, ৪৫, ৬৬, ৯২, ১৪৬-১৪৮, ১৫০, ১৬৫, ১৭৭, ১৭৮, ১৮৫, ১৮৯, ২৪৭, ২৬০, ২৬৪, ২৭০
লক্ষীকান্ত বরদলৈ (ওরফে মোলান, লক্ষীকান্ত বরুয়ার জোয়ায়েক) ২৪৭
লক্ষী জেঠী ১০
লক্ষীধর বরদলৈ ২১৫, ২৭৫
লক্ষীনাথ বরুয়া (দেহরগাঞ) ২৫৮
লক্ষীপ্রিয়া (কন্দর্পেশ্বর সিংহর মাতৃ) ১০৪, ২২০
লা-সাহেব (Lyall ?) ২৭৮, ২৭৯
লাউখোয়া ঘাট ১৬৪, ১৬৬, ১৭১, ১৮৮, ১৮৯
লাটুচ্ সাহেব ১৯১, ১৯২

লাট্‌পাহুবী সাহেব ৬২
লাল্‌ডাউন্‌ (লর্ড) ববলাট ২৮১
লাল-বন্দী ১০, ১১, ১৪, ১৭, ১৮, ৩০, ৩১, ৮৯-৯১, ৯৪, ৯৫, ১০৯
লুকা ১২৯
লেফ্‌টেনাণ্ট্‌ গবর্ণব অসমলৈ অহা ১৪১
ঐ ঐ সভাব বিববণ ১৪৩-১৪৬
লোকনাথ ২১৪
লোকেল বেট ২১৮
লোহাব দাপোণ ৩১

ব

ব্লার্ড্‌, জজ-কমিচনব ২১১, ২১৮, ২২৬, ২২৭

শ

শঙ্কবা বন্দী ৪
শগুণঠুঁটি বালি ৩৫, ১৯৬
শতাবর্ত্তন বটুক পাঠ ২৮১
শদিয়া ১, ২, ১০
শপত খোৱা ২০
শম্ভু বাগ্‌চি ৪১, ৫১, ৬৪
শম্ভুবাম জামাতা ১৮৪, ১৯১, ১৯৮, ১৯৯
শম্ভুবাম টল্লাদলৈ ১৫৮, ১৬২, ১৬৩
শম্ভুবাম তহচীলদাব (দুয়বাব) ৭
শম্ভুবাম বেজবকৱা ২১, ২৫৮
শর্ম্মন চেবস্তাদাব ৪১
শবৎচন্দ্র বন্দ্যোপাধ্যায় (শবৎ বাবু) ২৫১, ২৫৯
শবণ লোৱা (হবকান্ত বকৱাব পবিয়াল আউনীআটীত) ১৩, ১৮, ১৯, ২৬৯, ২৭১
শলমাবি ১৯৫
শান্তিবাম শর্ম্মা (বৌমুবীয়াব) ১৩৮, ১৭৩
শ্যাম ফোকন বন্দী হোৱা ৪
শিকু চিপাহী (শিখ) ১৪৪
শিঙবী পর্ব্বত ১৭১
শিঙ্গী মাবি ১৯৫
শিয়ালদহ (কলিকাতা) ১৯৩, ২৪০
শিয়ালী বড়া (উপকৱা নাম) ৬৭
শিলঘাট (নগাঞ্চ) ২৭৫
শিল ভঁবাল (খাত) ১৬১
শিলব খুটাব টেক্স্‌ ২৭৪, ২৭৭
শিৱকান্ত সহোদব (জ্যেষ্ঠ) ৭, ১১-১৪, ১৯, ২০, ২২
শিৱনাথ ২১
শিৱপ্রসাদ মুনচুফ্‌ ২২৩, ২৪১, ২৭৪
শিৱসাগব ৭৭, ১৪৬
ঐ পুখুবী তল যোৱা ৪৯, ৫২
শিলিং (শিলং) ২০১, ২০৮, ২৪৩, ২৭৯, ২৮০
শিলিং কাছাবী ঘব পোৱা ২২৪
শ্রীকান্ত গজপুবীয়া বকৱা ৯
শ্রীধব, মাজুজনা ন-গোসাঞী ৬২
শ্রীমন্দিব ২৩৭, ২৩৯
শ্রীক্ষেত্র ১৯০, ২৩২, ২৩৭, ২৩৮, ২৭৫
শুকুবা ১৮১, ২০৫, ২০৮, ২০৯
শুকুবা দলৈ (উজান, মাজুলীব) ১২২
শুক্রেশ্বব (শুবাহাটী) ৭৯, ১৭৯
শেষ অভিলাষ বব ঘৈণীব ২৫২
শেষ সেৱা বব ঘৈণীব ২৫৩
শ্বেত গঙ্গা (পুবী, জগন্নাথ) ২৩৮
শোৱালকুচি ১৩০

ষ

ষোবসী ২৩৬

স

সংস্কৃত ইস্কুল (উত্তব শুবাহাটী) ২৫৮, ২৬৪


সওয়াল খত্ ২১৭
সতাই লশুয়া ২০৫, ২০৯, ২৩৪, ২৪২
সত্রাদি দর্শন ৫০
সত্রীয়া বরুয়া ১৩
সদানন্দ (বরুয়া) ২১৬
সভাচান্দ্ ১৯৩
সভাপতি শর্ম্মা অধ্যাপক ৬৫, ১২৮
সম্পত্তি বিভাগ ১৫২, ১৫৩, ১৬১
সবাসরি মকর্দ্দমা ৭১
সরু ঘরগিরী ৭, ৫৩
সরু ঘৈণীর পুত্র ২৮১
সরুচকু বেটী ১৮১-১৯২
সরু বংশর পরগণা ৪১, ৬২, ১৯৬
সরেজাম পেয়াল ৭১
সাজ্ব্রাল (হাজো দেব্রালয়) ৫৭, ৫৯
সাধন সাজ তোলা ২৫৫
সাবিত্রী (বর ঘৈণী) ১৫, ২২, ২৫, ২৪১, ২৪৬, ২৪৭, ২৫১—২৫৩, ২৬১-২৮১
সাবদা কন্যা জন্ম (বহুকান্তর) ২৬৬
সাক্ষীগোপাল ২৩৯
সিন্দুরী ঘোপা ২৩৯
স্ত্রীধন ৩১
সুজিরাম কাঞা ১৯৯, ২১৭
সুঁতিগ্রাম (হাজো) ৪
সুধাইর স্ত্রী (কুকরার দেহীরাম পাটগিরীর দুহিতৃ) ২৫৭
সুপাহী শাশুরী ১৯২
সুবর্ণখাতা ৮৪
সুভগা ২৩৭
সুরকান্ত (বংশ) ২০১
সূর্য্যকান্ত বরুয়া (শিলসাঁকো) ২৬৩
সূর্য্যকুমার অধিকারী ডাক্তর (কলিকাতা) ২৫১
সেখ নেমু ডাক্তর ২১৭
সেন্দুরী ৫৬
সেরা চলোরা (হাজো দেব্রালয়) ৬৮-৭০, ৯৬
সোণ পোরা মকর্দ্দমা ২৫৩
সোণা (দুর্লভ চাংকাকতীর ভাতৃ) ২২১
সোণারাম পেচ্কার ২৫৪
সোণর ভৃঙ্গার (ঘনকান্ত যুবরাজর) ৯০
সোণারি ভেঁটি ৪৩, ৪৪, ১৪৬, ৫৫০, ১৫৮
সোমদত্ত কটকী ২৬
সোমদত্ত সদরামীন ৮৩

হ

হংসধর গোসাঞী ৫৫
হনুমান ২৩৮
হফ্কিনচন ১৩১, ১৩২, ১৩৮, ১৪০-১৪২, ১৪৭, ১৫২, ১৫৬, ১৫৭, ১৬০, ১৬২, ১৬৩, ১৬৭-১৬৯, ১৭০, ১৭৫, ১৭৯, ১৮০, ১৮২
হবটন, জি এইচ্ ১৪২-১৪৪, ১৪৬, ১৪৭
হরনাথ পর্ব্বতীয়া বরুয়া ৫৩, ১৪৬, ১৭৩, ২৭২
হরিচন্দ্র চাকি মুনচুফ্ ২৫৫, ২৫৮, ২৭৮
হরিদারত বর ঘৈণীর অস্থি ক্ষেপণ ২৭৪
হরিমল বরা ৭৯, ১৬৫
হরিহর পর্ব্বতীয়া শর্ম্মা ৫১
হলকান্ত ডেকা ৫৫
হলকান্ত বরুয়া (বংশ) ৮, ১০, ১১, ২১, ৩৮
হলিদলৈ (বাপালীর পিতৃ, মাজুলী) ২১, ১৮৫
হলিরাম ডেকা বরুয়া ৫৫, ৫৬
হলিরাম বরুয়া মুনচুফ্, এ. এ. কমিচনর ২১১, ২১৪, ২১৯-২২২, ২৪১, ২৫৩, ২৬৪, ২৬৫, ২৮০
হরিস্মৃতি সুধাসুর পুস্তক ২৭২
হাইকোর্ট (কলিকাতা) ২১০
হাউলি ৩৫

হাজো ১৪, ৩০, ৫৯, ২৩১
হাজো দেৱালয় ৪, ৯৬
হাজো পৰগণা ২৫, ১২, ১৫, ১৯, ২১, ২২, ৩১, ৩৪, ৪১, ৬১, ১২২, ১৪৮, ১৫১, ১৫২, ১৬০, ১৬১, ১৮৯
হাজো পৰগণাত ৰায়ত উঠা ২৭৮
হাজোৱলীয়া গায়ন-বায়ন নাচনিয়াৰ ৬৫, ১৩০
হাজো স্কুল (১৭৬৪ শক) ৩৭
হাদিৰা চকী ৩
হাবিৰাম বৰুৱা চিৰস্তাদাৰ ১৩৯, ১৪০, ১৬৭, ১৮৫, ১৯০
হায়দ্ৰাবাদৰ ৰেচিডেণ্ট—ফিষ্ট্‌প্যাটি ২৭৯
হাৰো মাঝিৰ পানছৈ নৌকা ১৯৪
হিডলা দল (হাজো) ১২২, ২৩১
হিতকাৰী কমিটী ২১৬
হিম্ব সাহেব (Col. Hannay) ২০২, ২০৫, ২৪৯, ২৫০, ২৭৩
হীৰাপাৰা ৪১, ১৩০, ১৯৬
হীৰামতী ১৭৭
হুগলী ২৩৬
হুণ্ডি ১৯৪
হেমো কন্যা (ৰায় বাহাদুৰ মাধৱচন্দ্ৰ ৰৰদলৈৰ ভগিনী) ২৫৬
হেট্‌মূৰা (ওৰফে জগন্নাথ মুন্‌চুফ্‌) ২৮, ৬২
হোৱাইট সাহেব কালেক্টৰ ৬

পরিশিষ্ট—ঘ (বংশাবলী)


কান্যকুব্জ হবিপ্রিয়া গ্রামনিবাসী
সিদ্ধপুরুষ নন্দনাথ পাণ্ডে
হবিকান্ত
আচার্য্য গঙ্গাধব পাণ্ডে
চক্রধব
মঞ্জীব
নন্দী মহাবাজ
বামানন্দ পণ্ডিত
দয়াশীল পণ্ডিত (অসমলৈ ১৪৩০ শকত)
দৈত্যাবি ওবফে সূর্য্যবব সোণামুরা ববদলৈ (১৪৮৫ শক)
জয়ানন্দ সোণামুরা ববদলৈ
ময়ূবধ্বজ সোনামুরা মজুন্দাব বকরা (১৫৫০ শক)
দয়াশীল
সোণামুরা মঃ বকরা
চতুর্ভুজ হাবুঙ্গীয়া
বকরা
চাকচন্দ্র সোণামুরা মজুন্দাব বকরা
অম্বরীষ সোঃ মঃ বঃ
সনাতন বা ঈশদত্ত
বলোবাম
বাধাকান্ত বকরা সদবামীন
সর্ব্বশেষ সোঃ মঃ বঃ
শ্রীকান্ত মৌজাদাব
গোপীকান্ত
মহাপেচ্
বিষ্ণুকান্ত
(বংশ অজ্ঞাত)
শিবকান্ত
(নিঃসন্তান)
হবকান্ত বকরা
সদবামীন
গৌবীকান্ত
মৌজাদাব
সতী
নিঃসন্তান)
কমলাকান্ত
কবিবাজ
বসুকান্ত
তহচীলদাব
দুর্গাকান্ত
(নিঃসন্তান)
জয়ন্তী দেবী
ধর্ম্মকান্ত
দেয়কান্ত

বংশাবলী (ক্রমশঃ)

হবকান্ত সদবামীনব প্রথম পুত্র ৺কমলাকান্ত বকব্বা কবিবাজ

কন্যা ৺কালিন্দী

বিবাহ—কদ্রখড়িব ৺হবচন্দ্র ববদলৈ পেচ্‌কাব

(বায় বাহাদুব ৺মাধবচন্দ্র ববদলৈব বৈমাত্রেয় ভাতৃ)

৺কৃষ্ণচন্দ্র ওবফে শিবীষচন্দ্র

শ্রীপবেশচন্দ্র | শ্রীবমেশচন্দ্র | শ্রীত্রৈলক্যচন্দ্র (অকণ) | শ্রীননীগোপাল (বাপধন) | কন্যাসকল

৺হবকান্ত সদবামীনব দ্বিতীয় পুত্র ৺বত্নকান্ত বকব্বা তহচীলদাব, প্রসিদ্ধ চিত্র-শিল্পী, চেতাববাদ্য বিশাবদ, অনেক বনবীয়া জন্তু আৰু শতাধিক পক্ষীব চিবিয়াখানা পাতি পোহোঁতা

শিশু সন্তান মৃত | ৺ইন্দুমতী বিঃ কদ্রখড়িব ৺ললিতচন্দ্র ববদলৈ | ৺তুলসীপ্রিয়া (অন্ধ পৃষ্ঠা চাওক) | শ্রীমতী বেবতী সন্তান মৃত | ৺অভয়চন্দ্র কিশোব মৃত | ৺নলিনী দেবী (সন্তান মৃত) বিঃ— শ্রীসুসেন দলৈ

(বায় ৺মাধবচন্দ্র ববদলৈ বাহাদুবব সহোদব ভাতৃ)

শিশুকন্যা মৃত | শ্রীকুমুদচন্দ্র ববদলৈ, বি.এ.বি.টি. চবকাবী হাইস্কুলব অবসবপ্রাপ্ত প্রধান শিক্ষক, গ্রন্থকাব

শিশুপুত্র মৃত | ৺সবোজিনী বিবাহিত (নিঃসন্তান) | শ্রীউপেন্দ্র চন্দ্র | ৺সতীশ ছাত্রাবস্থাত মৃত | শিশু কন্যা মৃত | ৺তকণচন্দ্র ছাত্রাবস্থাত মৃত

৺লক্ষ্মীপ্রিয়া

বিঃ—উজীবব ৺ইন্দ্রেশ্বব ববদলৈ (মুখ্যমন্ত্রী ৺গোপীনাথ ববদলৈব জ্যেষ্ঠ ভাতৃ) (নিঃসন্তান)

৺শিশুপুত্র | শ্রীমতী উমাবাণী আই-এ | শ্রীমতী নীলিমা বি-এ | শ্রীমান কমলচন্দ্র অভাবচীয়াব | শ্রীমতী হেমলতা | শ্রীমান চন্দ্রশেখব | শ্রীমতী আবতী | শ্রীমা যতী (সোণব

বংশাবলী (ক্রমশঃ)

৺ব্রজকান্ত বরুয়া তহচীলদাবব দ্বিতীয়া কন্যা ৺তুলসীপ্রিয়া দেবী
বিবাহ—উজীবব ৺আনন্দীবাম ববদলৈ (যি বংশব বিখ্যাত লোক
মুখ্যমন্ত্রী ৺গোপীনাথ ববদলৈ)

শ্রীদেবেন্দ্রকুমাব ববদলৈ বি-এল এডভোকেট্	*ডাঃ উমেশচন্দ্র ববদলৈ এল, এম, এচ্	শ্রীমতী কুঞ্জলতা বিঃ আল্লিবাবী সত্রব ৺শম্ভু নাবায়ণ গোস্বামী	কন্যা শ্রীমতী বিমলা (পুতু) বিঃ কদ্রখড়িব শ্রীগজেন্দ্রচন্দ্র ববদলৈ (যোবহাট)	আক ভিনি কন্যা বিবাহিত (সন্দীপিকা চাওক)
শ্রীপ্রভাত আদি পুত্র ও কন্যাসকল			শ্রীমতী নিস্তাবিণী বি-টি ও ভাতৃসকল	

৺ব্রজকান্ত তহচীলদাবব তৃতীয়া কন্যা শ্রীমতী বেবতী দেবীব স্বামী
৺মুকুন্দবাম ববদলৈ (উজীবব) (নিঃসন্তান)

৺হবকান্ত সদবামীনব ৪র্থ পুত্র ৺ধর্ম্মকান্ত বরুয়া

৺মালতী দেবী বিঃ সেনদলৈব ৺বলিকান্ত জেইলব	৺তত্রাবতী বিঃ—বেজবরুয়াব ৺গঙ্গাচন্দ্র	৺ইন্দ্রকান্ত (অবিবাহিত)
শ্রীউপেন্দ্রচন্দ্র ববদলৈ বি-এল আক চাবি ভাতৃ	শ্রীমতী দিব্যলতা বিঃ নগাওঁ, চাপবমুখব শ্রীউমেশচন্দ্র ববদলৈ	


সদবামীনব কনিষ্ঠ পুত্র ৺দেবকান্ত বরুয়া

কন্যা ৺ধবিত্রী দেবী বিঃ নগাওঁ চাপবমুখব ৺গোলোকচন্দ্র ববদলৈ	কন্যা ৺সকমাই বংশ অজ্ঞাত
"বাপলু" (ডাঃ শ্রীহবনাথ ববদলৈ, এঃ চার্জ্জন)	

---

* টোকা—একমাত্র কন্যা শ্রীমতী উষাবাণী দেবী বি-এ সঙ্গীতজ্ঞা। বিঃ—শ্রীপূর্ণ ববদলৈ এম, কম্।

বংশাবলী (ক্রমশঃ)



টীকা (ক) শ্রীসূর্য্যকান্ত বরুয়ার পুত্র শ্রীবিষ্ণুকান্ত বরুয়া বি-কম একাউন্টেন্ট ও শ্রীকৃষ্ণকান্ত ফেলিটরী ইন্‌চপেক্টর

(খ) যমুনাপ্রিয়া বিঃ সেনবরুয়ার ৺তিলকচন্দ্র—পুত্র শ্রীকুশ আক শ্রীলব ও কন্যাসকল।